PGED S1-03

মাষ্টাৰছ অৱ আৰ্টছ (শিক্ষা)
স্নাতকোত্তৰ কলা

শিক্ষাৰ সমাজবিজ্ঞানসম্মত ভেটি
শিক্ষা
প্ৰথম যাণ্মাসিক

ইন্দিৰা মিৰি শিক্ষা সত্ৰ
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ

অধ্যাপক দুলুমণি গোস্বামী, শিক্ষা বিভাগ, গৌহাটী বিশ্ববিদ্যালয়
অধ্যাপক নীল ৰতন ৰয়, তেজপুৰ বিশ্ববিদ্যালয়
ড° মৰমী গোস্বামী, গুৱাহাটী কলেজ

সমন্বয়ৰক্ষী ঃ ড° প্ৰণৱ শইকীয়া আৰু ইন্দ্ৰাণী কলিতা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
১, ২	ড° সাধনা গোস্বামী, কটন মহাবিদ্যালয়, গুৱাহাটী
৩, ৫, ৬	দীপশিখা দাস, অধ্যাপক, ডিগবৈ বি. এড. মহাবিদ্যালয়, ডিগবৈ
৪	অপৰাজিতা শর্মা, এম. এছ. ছোৱালী মহাবিদ্যালয়, ৰঙিয়া
৭	ড° দেৱাশিষ পাওল, চৰকাৰী কমলানগৰ মহাবিদ্যালয়, মিজোৰাম
৮, ৯	ড° উৎপল কলিতা, আৰ জি বৰুৱা মহাবিদ্যালয়, গুৱাহাটী
১০	ড° ইশ্মীৰেখা কোঁৱৰ, নর্থ লখিমপুৰ মহাবিদ্যালয়, লখিমপুৰ
১১	ড° দেৱযানী দুৱৰা, কৃষ্ণ কান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
১২	ড° প্ৰতিমা পল্লাই, তেজপুৰ বিশ্ববিদ্যালয়
১৩	ড° ইয়াছমিন চুলতানা, তেজপুৰ বিশ্ববিদ্যালয়
১৪	ড° সাশাপ্ৰা চক্ৰৱৰ্তী, তেজপুৰ বিশ্ববিদ্যালয়
১৫	মহম্মদ আছিফ, তেজপুৰ বিশ্ববিদ্যালয়

ভাষান্তৰকাৰী

অধ্যায়	*অৱিহণা যোগাইছে*
১, ৭	ড° অৰুণিমা বৰা কৃষ্ণ কান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
২, ৩	মল্লিকা শর্মা, শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়, মির্জা
৪,৫,৬	হৃদয়ানন্দ বৰা, উত্তৰ গুৱাহাটী মহাবিদ্যালয়
৮, ৯, ১০	ড° অপৰাজিতা শর্মা,
১১, ১২, ১৩,	মানৱেন্দ শর্মা ছোৱালী মহাবিদ্যালয়,
১৪, ১৫	ৰঙিয়া

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ **অধ্যাপক পলী শইকীয়া,** গৌহাটী বিশ্ববিদ্যালয়
ড° প্ৰণৱ শইকীয়া, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
ড° নিল ৰত্ন ৰয়, তেজপুৰ বিশ্ববিদ্যালয়

ভাষা সম্পাদনা ঃ **ড° শ্ৰুতিমলা দুৱৰা,** সন্দিকৈ ছোৱালী মহাবিদ্যালয়
দূর্গা প্ৰসাদ হাজৰিকা, নিবিৰ পিণ্টাৰৰ্ছ, গুৱাহাটী

গাঁথনিক সম্পাদনা ঃ **ড° অৰুণিমা বৰা,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰকাশ ঃ ২০২৪ ISBN : 978-93-91026-05-9

কৃষ্ণ কান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ এই স্ব-শিক্ষণ সামগ্ৰী ক্ৰিয়েটিভ কমন্স এটিবিউচন-নন-কমার্চিয়েল-শ্বেয়াৰএলাইক ৪.০ লাইচেন্স (আন্তঃৰাষ্ট্ৰীয়) ঃ http//creativecommons.org/licences/by-nc-sa/4.0 ৰ অধীনত উপলব্ধ কৰা হৈছে। http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্ৰকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭
নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২
Web : www.kkhsou.in

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ শৈক্ষিক সমাজবিজ্ঞানৰ পৰিচয় ৭-২৩

সমাজবিজ্ঞানৰ ধাৰণা ঃ সমাজবিজ্ঞানৰ সংজ্ঞা, সমাজবিজ্ঞানৰ ইতিহাস, সমাজবিজ্ঞানৰ গুৰুত্ব, শিক্ষা আৰু সমাজবিজ্ঞানৰ মাজৰ সম্পৰ্ক; শৈক্ষিক সমাজবিজ্ঞানৰ অর্থ ঃ শৈক্ষিক সমাজবিজ্ঞানৰ সংজ্ঞা, শৈক্ষিক সমাজবিজ্ঞানৰ প্ৰকৃতি, শৈক্ষিক সমাজবিজ্ঞানৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব, শৈক্ষিক সমাজবিজ্ঞানৰ উদ্দেশ্য, শৈক্ষিক সমাজবিজ্ঞানৰ পৰিসৰ; অন্যান্য বিষয়ৰ সৈতে শৈক্ষিক সমাজবিজ্ঞানৰ সম্পৰ্ক।

অধ্যায় ২ ঃ সামাজিকীকৰণ ২৪-৫৪

সামাজিকীকৰণৰ অর্থ ঃ সামাজিকীকৰণৰ সংজ্ঞা, সামাজিকীকৰণৰ উপাদানসমূহ, সামাজিকীকৰণৰ প্ৰকাৰসমূহ, সামাজিকীকৰণৰ স্তৰসমূহ, সামাজিকীকৰণৰ কাৰকসমূহ, সামাজিকীকৰণৰ প্ৰয়োজনীয়তা; সামাজিকীকৰণৰ মাধ্যমসমূহ; সামাজিক প্ৰক্ৰিয়াৰ অর্থ ঃ সামাজিক প্ৰক্ৰিয়াৰ সংজ্ঞা, সামাজিক প্ৰক্ৰিয়াৰ উপাদানসমূহ, সামাজিক প্ৰক্ৰিয়াৰ ভাগসমূহ; সামাজিক পাৰস্পৰিক ক্ৰিয়াৰ অর্থ ঃ সামাজিক প্ৰক্ৰিয়াৰ উপাদানসমূহ, সামাজিক প্ৰক্ৰিয়াৰ ভাগসমূহ।

অধ্যায় ৩ ঃ সামাজিকীকৰণৰ মাধ্যমসমূহ ৫৫-৭০

সামাজিকীকৰণৰ ধাৰণা ঃ সামাজিকীকৰণৰ সংজ্ঞাসমূহ, সামাজিকীকৰণৰ বৈশিষ্ট্যসমূহ; সামাজিকীকৰণৰ প্ৰকাৰসমূহ; সামাজিকীকৰণৰ কাৰকসমূহ; সামাজিকীকৰণৰ প্ৰক্ৰিয়াসমূহ; সামাজিকীকৰণৰ শিক্ষা আৰু সামাজিকীকৰণ প্ৰক্ৰিয়া; সামাজিকীকৰণৰ মাধ্যমসমূহ।

অধ্যায় ৪ ঃ সামাজিক সংগঠন আৰু বিসংগঠন ৭১-৮৬

সামাজিক সংগঠনৰ অর্থ ঃ সামাজিক সংগঠনৰ সংজ্ঞা, সামাজিক সংগঠনৰ প্ৰকৃতি, সামাজিক সংগঠনৰ বৈশিষ্ট্য, সামাজিক সংগঠনত ব্যক্তিৰ ভূমিকা; সামাজিক সংগঠনৰ শ্ৰেণীবিভাজন ঃ আনুষ্ঠানিক সংগঠনৰ বৈশিষ্ট্য, অনানুষ্ঠানিক সংগঠনৰ বৈশিষ্ট্য, অনানুষ্ঠানিক সংগঠনৰ কার্যসমূহ; সামাজিক বিসংগঠনৰ অর্থ ঃ সামাজিক বিসংগঠনৰ সংজ্ঞা, সামাজিক বিসংগঠনৰ বৈশিষ্ট্য; সামাজিক বিসংগঠনৰ প্ৰকাৰ; সামাজিক বিসংগঠনৰ কাৰণ; সামাজিক বিসংগঠনৰ প্ৰতিকাৰমূলক ব্যৱস্থা।

অধ্যায় ৫ ঃ সামাজিক সমূহ ৮৭-১০৩

সামাজিক সমূহৰ অর্থ ঃ সামাজিক সমূহৰ সংজ্ঞা, সামাজিক সমূহৰ বৈশিষ্ট্য, সামাজিক সমূহৰ শ্ৰেণীবিভাজন; সমূহ গতিশীলতাৰ অর্থ ঃ সমূহ গতিশীলতাৰ বৈশিষ্ট্য, সমূহ গতিশীলতাৰ প্ৰকাৰ; সমূহ গতিশীলতাৰ শৈক্ষিক তাৎপর্য; আন্তঃসমূহ সম্পৰ্ক আৰু সমূহ গতিশীলতা।

অধ্যায় ৬ ঃ সামাজিক স্তৰীয়কৰণ ১০৪-১১৫

সামাজিক স্তৰীয়কৰণৰ অর্থ ঃ সামাজিক স্তৰীয়কৰণৰ সংজ্ঞা, সামাজিক স্তৰীয়কৰণৰ বৈশিষ্ট্য, সামাজিক স্তৰীয়কৰণৰ শ্ৰেণীসমূহ, সামাজিক স্তৰীয়কৰণৰ কাৰকসমূহ; শিক্ষা আৰু সামাজিক স্তৰীয়কৰণ।

অধ্যায় ৭ ঃ আধুনিকীকৰণ ১১৬-১২৭

আধুনিকীকৰণৰ ধাৰণা ঃ আধুনিকতাৰ মাপকাঠী, আধুনিকীকৰণৰ কাৰণ, আধুনিকীকৰণৰ প্ৰভাৱ;

পশ্চিমীয়াকৰণৰ ধাৰণা ঃ পশ্চিমীয়াকৰণৰ প্ৰভাৱ; ভাৰতীয় প্ৰেক্ষাপটত আধুনিকীকৰণ আৰু পশ্চিমীয়াকৰণ।

অধ্যায় ৮ ঃ সামাজিক গতিশীলতা **১২৮-১৪১**

সামাজিক গতিশীলতা ঃ সামাজিক গতিশীলতাৰ প্ৰকৃতি; সামাজিক গতিশীলতাৰ প্ৰকাৰ; সামাজিক গতিশীলতাক প্ৰভাৱিত কৰা কাৰকসমূহ; শিক্ষা আৰু গতিশীলতা।

অধ্যায় ৯ঃ সামাজিক পৰিৱৰ্তন **১৪২-১৫৫**

সামাজিক পৰিৱৰ্তনৰ অৰ্থ ঃ সামাজিক পৰিৱৰ্তনৰ সংজ্ঞা, সামাজিক পৰিৱৰ্তনৰ প্ৰকৃতি; সামাজিক পৰিৱৰ্তনৰ কাৰকসমূহ; শিক্ষা আৰু সামাজিক পৰিৱৰ্তন ঃ সামাজিক পৰিৱৰ্তনৰ ক্ষেত্ৰত শিক্ষকৰ ভূমিকা।

অধ্যায় ১০ ঃ সামাজিক নিয়ন্ত্ৰণ **১৫৬-১৬৬**

সামাজিক নিয়ন্ত্ৰণৰ অৰ্থ ঃ সামাজিক নিয়ন্ত্ৰণৰ সংজ্ঞা, সামাজিক নিয়ন্ত্ৰণৰ প্ৰয়োজনীয়তা; সামাজিক নিয়ন্ত্ৰণৰ প্ৰকাৰ; সামাজিক নিয়ন্ত্ৰণৰ মাধ্যমসমূহ; সামাজিক নিয়ন্ত্ৰণত শিক্ষাৰ ভূমিকা।

অধ্যায় ১১ ঃ শিক্ষাৰ সমাজবিজ্ঞানসম্মত ভেটি **১৬৭-১৭৯**

সংস্কৃতিৰ প্ৰকৃতি ঃ সংস্কৃতিৰ অৰ্থ, সংস্কৃতিৰ প্ৰকৃতি; সাংস্কৃতিক পশ্চাৎৱৰ্তিতা; সাংস্কৃতিক বিক্ষিপ্তকৰণ; শিক্ষা আৰু সংস্কৃতি।

অধ্যায় ১২ঃ গণতন্ত্ৰ **১৮০-১৯৩**

গণতন্ত্ৰৰ অৰ্থ ঃ গণতন্ত্ৰৰ সংজ্ঞা, গণতন্ত্ৰৰ মৌলিক বৈশিষ্ট্যসমূহ, গণতন্ত্ৰৰ সফলতাৰ মৌলিক নীতিসমূহ; গণতান্ত্ৰিক শিক্ষাত আনুষ্ঠানিক, অনানুষ্ঠানিক আৰু অগতানুগতিক মাধ্যমসমূহৰ ভূমিকা ঃ গণতান্ত্ৰিক শিক্ষাত আনুষ্ঠানিক মাধ্যমসমূহ, গণতান্ত্ৰিক শিক্ষাত অনানুষ্ঠানিক মাধ্যমসমূহ, গণতান্ত্ৰিক শিক্ষাত অগতানুগতিক মাধ্যমসমূহ।

অধ্যায় ১৩ ঃ শৈক্ষিক সা-সুবিধাৰ সমতা **১৯৪-২০৬**

ন্যায় আৰু সমতাৰ ধাৰণা ঃ ন্যায় আৰু সমতাৰ ধাৰণাৰ সম্পৰ্ক; শৈক্ষিক সা-সুবিধাৰ সমতাৰ ধাৰণা; শৈক্ষিক সা-সুবিধাৰ সমতা প্ৰদানৰ প্ৰয়োজনীয়তা; শৈক্ষিক সা-সুবিধাৰ সমতাৰ সৈতে জড়িত সমস্যাসমূহ; সামাজিক ন্যায় আৰু শৈক্ষিক সা-সুবিধাৰ সমতাৰ বাবে থকা সাংবিধানিক সুবিধাসমূহ।

অধ্যায় ১৪ঃ সমাজৰ সামাজিকভাৱে বঞ্চিত শ্ৰেণীৰ বাবে শিক্ষা **২০৭-২২১**

সমাজৰ সামাজিকভাৱে অনগ্ৰসৰ শ্ৰেণীৰ ধাৰণা; শৈক্ষিক সা-সুবিধাৰ সমতা ঃ সমতাৰ ধাৰণা, শৈক্ষিক সা-সুবিধাৰ সমতাৰ অৰ্থ, শৈক্ষিক সা-সুবিধাৰ সমতাৰ প্ৰয়োজন আৰু গুৰুত্ব ঃ কাৰ্যক্ৰম আৰু নীতিসমূহ ঃ সমাজৰ সামাজিকভাৱে অনগ্ৰসৰ শ্ৰেণীৰ সাংবিধানিক সুবিধাসমূহ, সমাজৰ সামাজিকভাৱে অনগ্ৰসৰ শ্ৰেণীৰ শৈক্ষিক সুবিধাসমূহ; অনগ্ৰসৰ শিশুসকলৰ শৈক্ষিকভাৱে পিছপৰাৰ কাৰকসমূহ; পৰামৰ্শমূলক উপায়সমূহ।

অধ্যায় ১৫ঃ ভাৰতবৰ্ষৰ শিক্ষাৰ সৈতে জড়িত সামাজিক সমস্যাসমূহ **২২২-২৪৬**

সামাজিক সমস্যাৰ অৰ্থ; ভাৰতবৰ্ষৰ সামাজিক সমস্যাসমূহ ঃ কৈশোৰ অপৰাধপ্ৰৱণতা, শিশু শ্ৰমিক, ড্ৰাগ্‌ছ আসক্তি, দৰিদ্ৰতা, নিবনুৱা, চাইবাৰ ক্ৰাইম।

পাঠ্যক্রমৰ পৰিচয় (পাঠ্যক্রম ৩, ব্লক ১)

এইটো দুবছৰৰ মাষ্টাৰ ডিগ্ৰী পৰ্যায়ৰ প্ৰথম যান্মাসিকৰ বাবে শিক্ষাৰ পাঠ্যক্রম। শিক্ষাৰ সমাজবিজ্ঞানৰ ভেটিৰ এই পৰিচয়মূলক পাঠ্যক্রমত শিক্ষা সমাজবিজ্ঞানৰ মূল ধাৰণাসমূহৰ সম্পূৰ্ণ আভাস দিয়া হ'ব। সমাজবিজ্ঞান হৈছে মানুহৰ সামাজিক জীৱনৰ অধ্যয়ন। ইয়াত কথোপকথনৰ বিশ্লেষণৰ পৰা আৰম্ভ কৰি সমগ্ৰ বিশ্বই কেনেকৈ কাম কৰে সেই কথা বুজিবলৈ তত্ত্বৰ বিকাশলৈকে বহুতো অধ্যয়নৰ উপ-বিভাগ আছে। এই খণ্ডত আপোনাক সমাজবিজ্ঞানৰ সৈতে পৰিচয় কৰাই দিয়া হ'ব আৰু ই কিয় গুৰুত্বপূৰ্ণ, ই আপোনাৰ চৌপাশৰ জগতখনৰ প্ৰতি আপোনাৰ দৃষ্টিভংগী কেনেকৈ সলনি কৰিব পাৰে সেই বিষয়ে ব্যাখ্যা কৰা হ'ব আৰু এই শাখাটোৰ চমু ইতিহাস দিয়া হ'ব। তদুপৰি এই পাঠ্যক্রমটোৱে আপোনাক শিক্ষাৰ লগত সমাজবিজ্ঞানৰ বিভিন্ন ধাৰণাসমূহৰ সম্পৰ্কৰ বিষয়েও বুজিবলৈ সহায় কৰিব। এই পাঠ্যক্রমৰ মাজেৰে যোৱাৰ পিছত সামগ্ৰিকভাৱে সমাজৰ উন্নয়নৰ দিশত শিক্ষাৰ ভূমিকা সম্পৰ্কে স্পষ্ট ছবি এখন পাব।

ইয়াত মুঠ পোন্ধৰটা অধ্যায় আছে। এই ব্লকত প্ৰথম এককত শৈক্ষিক সমাজবিজ্ঞানৰ অৰ্থ আৰু ধাৰণাৰ বিষয়ে আলোচনা কৰা হৈছে, য'ত সংজ্ঞা, ইতিহাস, ইয়াৰ গুৰুত্ব আৰু অন্যান্য বিষয়ৰ সৈতে ইয়াৰ সম্পৰ্ক সন্নিৱিষ্ট কৰা হৈছে। দ্বিতীয় এককটোৱে সামাজিকৰণৰ অৰ্থ আৰু প্ৰকৃতিৰ বিষয়ে, ইয়াৰ সংস্থাসমূহ, বিভিন্ন সামাজিক প্ৰক্ৰিয়া আৰু সামাজিক পাৰস্পৰিক ক্ৰিয়াৰ বিষয়ে আলোচনা কৰে। তৃতীয় এককটো দ্বিতীয় এককৰ ধাৰাবাহিকতা যিয়ে সামাজিকৰণৰ বিভিন্ন এজেণ্টৰ বিষয়ে বিতংভাৱে অন্তৰ্ভুক্ত কৰে। চতুৰ্থ এককে সামাজিক সংগঠন আৰু অসংগঠিততাৰ ধাৰণা, ইয়াৰ প্ৰকৃতি আৰু কাৰ্যসমূহৰ বিষয়ে আলোচনা কৰে। তদুপৰি এই এককটোৱে অসংগঠিততাৰ অৰ্থ আৰু প্ৰকাৰ, ইয়াৰ কাৰণ আৰু সামাজিক অসংগঠিততাৰ প্ৰতিকাৰমূলক ব্যৱস্থা সন্দৰ্ভতো/বিষয়তো চিন্তা কৰে। পঞ্চম এককে সামাজিক গোটৰ অৰ্থ, ইয়াৰ শ্ৰেণীবিভাজন, গোটৰ গতিশীলতা আৰু ইয়াৰ শৈক্ষিক তাৎপৰ্য ব্যাখ্যা কৰে। ষষ্ঠ এককে মূলতঃ সামাজিক স্তৰীয়কৰণৰ অৰ্থ, শ্ৰেণী আৰু কাৰ্য আৰু শিক্ষাৰ সৈতে ইয়াৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰে। সপ্তম এককটো হৈছে আধুনিকীকৰণ আৰু পশ্চিমীয়াকৰণৰ ধাৰণা আৰু ভাৰতীয় পৰিস্থিতিত ইয়াৰ প্ৰভাৱৰ প্ৰতিফলন। অষ্টম এককে সামাজিক গতিশীলতাৰ অৰ্থ, প্ৰকৃতি আৰু প্ৰকাৰ, ইয়াৰ কাৰক আৰু সামাজিক গতিশীলতাৰ প্ৰতি শিক্ষাৰ ভূমিকা ব্যাখ্যা কৰে।

নৱম এককত সামাজিক পৰিৱৰ্তনৰ অৰ্থ, সংজ্ঞা, প্ৰকৃতি আৰু কাৰকসমূহৰ বিষয়ে আলোচনা কৰা হৈছে। সামাজিক পৰিৱৰ্তন অনাৰ ক্ষেত্ৰত শিক্ষা আৰু শিক্ষকৰ ভূমিকা সম্পৰ্কেও চিন্তা কৰিবলৈ চেষ্টা কৰে। দশম এককে সামাজিক নিয়ন্ত্ৰণৰ অৰ্থ, সংজ্ঞা, প্ৰয়োজন, প্ৰকাৰ আৰু সংস্থাসমূহৰ বিষয়ে ব্যাখ্যা কৰে। তদুপৰি, সামাজিক নিয়ন্ত্ৰণত শিক্ষাৰ ভূমিকাও ব্যাখ্যা কৰা হৈছে। একাদশ এককে সংস্কৃতিৰ এটা গুৰুত্বপূৰ্ণ বিষয়, ইয়াৰ অৰ্থ, প্ৰকৃতি আৰু ইয়াৰ বিভিন্ন ধাৰণা যেনে- সাংস্কৃতিক বিলম্ব, সাংস্কৃতিক প্ৰসাৰ আৰু সংস্কৃতিৰ সৈতে শিক্ষাৰ সম্পৰ্ক সন্দৰ্ভতো/বিষয়তো চিন্তা কৰিবলৈ চেষ্টা কৰে। দ্বাদশ অধ্যায়ে গণতন্ত্ৰ, ইয়াৰ নীতি আৰু গণতান্ত্ৰিক শিক্ষাত আনুষ্ঠানিক, অনানুষ্ঠানিক আদি শিক্ষাৰ বিভিন্ন সংস্থাৰ ভূমিকা সম্পৰ্কে আলোচনা কৰে। ত্ৰয়োদশ এককে শৈক্ষিক সুযোগৰ সমতা, ইয়াৰ প্ৰয়োজনীয়তা আৰু সমস্যা আৰু সামাজিক সমতা আৰু শৈক্ষিক সুযোগৰ সমতাৰ বাবে সাংবিধানিক বিধানসমূহৰ বিষয়ে ব্যাখ্যা কৰে। চতুৰ্দশ অধ্যায়ে সমাজৰ সামাজিকভাৱে বঞ্চিত অংশৰ বাবে শিক্ষাৰ ধাৰণা, ইয়াৰ কাৰ্যসূচী আৰু নীতি আৰু বঞ্চিত শিশুৰ শৈক্ষিক পিছপৰাৰ বাবে কাৰকসমূহ আৰু ইয়াৰ পৰামৰ্শমূলক ব্যৱস্থাসমূহৰ বিষয়ে আলোচনা কৰে। এই ব্লকৰ শেষৰ একক অৰ্থাৎ পঞ্চদশ এককত ভাৰতৰ শিক্ষাৰ লগত জড়িত সামাজিক সমস্যাৰ বিষয়ে আলোচনা কৰা হৈছে।

এই অধ্যায়সমূহৰ অধ্যয়ন কৰি গৈ থাকোঁতে আপুনি কিছুমান কাষৰ সন্মুখীন হ'ব, যিবোৰ লেখাৰ বাঁওফালে বা সোঁফালে ৰখা হয়। এই বাকচবোৰে আপোনাক লেখাৰ ভিতৰত কিছুমান শব্দ আৰু ধাৰণাৰ অর্থ বুজাব। তদুপৰি কিছুমান বহল আৰু চুটি প্রশ্ন থাকিব যিবোৰ প্রতিটো অধ্যায়তে 'কার্যাৱলী' আৰু 'আপোনাৰ অগ্রগতিৰ পৰীক্ষা'ৰ অধীনত অন্তর্ভুক্ত কৰা হৈছে। এই কার্যকলাপে আপোনাৰ চিন্তা-ক্ষমতা বৃদ্ধি কৰিব, কাৰণ কার্যকলাপত ৰখা প্রশ্ন পোনপটীয়াকৈ লেখাৰ পৰা আহৰণ কৰা নহয়। চুটি প্রশ্নৰ উত্তৰৰ ইংগিত 'আপোনাৰ অগ্রগতি পৰীক্ষা কৰিবলৈ উত্তৰ' শিতানৰ অধীনত ৰখা হৈছে। লগতে 'সম্ভাব্য প্রশ্ন'ত পাঠ সম্পর্কীয় কেইটামান প্রশ্ন ৰখা হৈছে। এই প্রশ্নবোৰে পৰীক্ষাৰ বাবে সম্ভাব্য বিষয়বোৰৰ সন্দর্ভত আপোনাৰ দৃষ্টি আকর্ষণ কৰাত সহায় কৰিব— যাতে আপুনি আত্মবিশ্বাসেৰে পৰীক্ষাৰ বাবে প্রস্তুতি চলাব পাৰে।

অধ্যায় ১ ঃ শৈক্ষিক সমাজবিজ্ঞানৰ পৰিচয়

অধ্যায় গাঁথনি

১.১ শিক্ষণৰ উদ্দেশ্য

১.২ পৰিচয়

১.৩ সমাজবিজ্ঞানৰ ধাৰণা

- ১.৩.১ সমাজবিজ্ঞানৰ সংজ্ঞা
- ১.৩.২ সমাজবিজ্ঞানৰ ইতিহাস
- ১.৩.৩ সমাজবিজ্ঞানৰ গুৰুত্ব
- ১.৩.৪ শিক্ষা আৰু সমাজবিজ্ঞানৰ সম্পৰ্ক

১.৪ শৈক্ষিক সমাজবিজ্ঞানৰ অর্থ

- ১.৪.১ শৈক্ষিক সমাজবিজ্ঞানৰ সংজ্ঞা
- ১.৪.২ শৈক্ষিক সমাজবিজ্ঞানৰ প্ৰকৃতি
- ১.৪.৩ শৈক্ষিক সমাজবিজ্ঞানৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব
- ১.৪.৪ শৈক্ষিক সমাজবিজ্ঞানৰ উদ্দেশ্য
- ১.৪.৫ শৈক্ষিক সমাজবিজ্ঞানৰ পৰিসৰ

১.৫ অন্যান্য বিষয়ৰ সৈতে শৈক্ষিক সমাজবিজ্ঞানৰ সম্পৰ্ক

১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৭ অধিক জানিবলৈ

১.৮ অগ্ৰগতিৰ খতিয়ান

১.৯ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সমাজবিজ্ঞানৰ ধাৰণাটো সংজ্ঞায়িত কৰিবলৈ সক্ষম হ'ব
- শৈক্ষিক সমাজবিজ্ঞানৰ অর্থ, প্ৰকৃতি, পৰিসৰ বর্ণনা কৰিব পাৰিব
- শৈক্ষিক সমাজবিজ্ঞানৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বৰ বিষয়ে আলোচনা কৰাত সফল হ'ব; আৰু
- শিক্ষা সমাজবিজ্ঞানৰ অন্যান্য বিষয়ৰ সৈতে সম্পৰ্ক ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব।

১.২ পৰিচয়

মানুহৰ অস্তিত্বৰ বাবে সমাজ অপৰিহার্য। তেওঁৰ পৰিচয়টোৱেই সমাজৰ ওপৰত নির্ভৰশীল। ইয়াৰ প্রভাৱৰ দ্বাৰা তেওঁৰ ব্যক্তিত্ব বিকশিত হয়। সমাজত এজন ব্যক্তিয়ে আনৰ সৈতে অহৰহ যোগাযোগ কৰে আৰু তাৰ ফলত সম্পর্কৰ সূচনা স্থাপন হয়। এই সকলোবোৰ সম্পর্ক, সামাজিক পাৰস্পৰিক ক্রিয়াকলাপ আৰু প্রক্রিয়াসমূহ 'সমাজবিজ্ঞান' নামৰ বিষয়ত অধ্যয়ন কৰা হয়। এই অধ্যায়ত আপোনাক সমাজবিজ্ঞান আৰু শৈক্ষিক সমাজবিজ্ঞানৰ কিছুমান মৌলিক ধাৰণা, ইয়াৰ প্রাসংগিকতা আৰু প্রতিজন ব্যক্তিৰ দৈনন্দিন জীৱনত ইয়াৰ প্রয়োজনীয়তা আৰু গুৰুত্বৰ সৈতে পৰিচয় কৰাই দিয়াৰ এক প্রচেষ্টা কৰা হ'ব।

১.৩ সমাজবিজ্ঞানৰ ধাৰণা

'সমাজবিজ্ঞান' শব্দটো প্রথমে উদ্ভাৱন কৰিছিল অগাষ্ট কম্টে (August Comte) নামৰ এজন ফৰাচী দার্শনিকে। লেটিন শব্দ 'socius' অর্থাৎ বন্ধু বা সহযোগী আৰু গ্রীক শব্দ 'Logos' অর্থাৎ 'science of' বা 'study of'ৰ পৰা এই শব্দটো উদ্ভৱ হৈছে। মানৰ সমাজৰ প্রকৃতি আৰু ইয়াৰ বৃদ্ধি আৰু বিকাশত অৱিহণা যোগোৱা বিভিন্ন আইন, নীতি আৰু জ্ঞান ওপৰত সন্দর্ভত কম্টেই তেওঁৰ গৱেষণা উৎসর্গা কৰিছিল। সেয়ে তেওঁক সমাজবিজ্ঞানৰ পিতৃ হিচাপে গণ্য কৰা হয়। তেওঁ ১৮৩৯ চনত তেওঁৰ বিখ্যাত গ্রন্থ "পজিটিভ ফিল'চফি"ত 'সমাজ বিজ্ঞান' শব্দটো প্রৱর্তন কৰিছিল। কম্টেৰ মতে সমাজবিজ্ঞান কেৱল 'বিশুদ্ধ' বিজ্ঞানেই নহয়, 'প্রয়োগিক বিজ্ঞান', লগতে ই বিভিন্ন সামাজিক সমস্যা বিশ্লেষণ আৰু সমাধানত সহায় কৰিব পাৰে। হার্বার্ট স্পেন্সৰে কম্টেৰ মতামতক সমর্থন কৰিছিল আৰু সমাজৰ বিভিন্ন অংশ— পৰিয়াল, বিদ্যালয়, সম্প্রদায় আৰু আন সকলো সংগঠনৰ ওপৰত আন্তঃনির্ভৰশীলতাৰ বিষয়ত গুৰুত্ব আৰোপ কৰিছিল।

১.৩.১ সমাজবিজ্ঞানৰ সংজ্ঞা

সমাজবিজ্ঞানৰ কিছুমান সংজ্ঞা তলত দিয়া হ'ল —

- কিংছলি ডেভিছ, 'সমাজবিজ্ঞান হৈছে সমাজৰ সাধাৰণ বিজ্ঞান।'
- মেক্স ৱেবাৰৰ মতে, 'সমাজবিজ্ঞান হৈছে সেই বিজ্ঞান, যিয়ে সামাজিক ক্রিয়াৰ ব্যাখ্যাত্মক বুজাবুজিৰ প্রয়াস কৰে।'
- অগাষ্ট কম্টে সমাজবিজ্ঞানক সামাজিক পৰিঘটনাৰ বিজ্ঞান বুলি সংজ্ঞায়িত কৰিছে— 'প্রাকৃতিক আৰু অপৰিৱর্তিত নিয়মৰ অধীনত, যাৰ আৱিষ্কাৰ অনুসন্ধানৰ বস্তু।'
- কিম্বাল ইয়ং আৰু ৱেমণ্ড ডব্লিউ মেকে সমাজবিজ্ঞানক 'মানৰ জীৱনৰ সামাজিক

দিশসমূহৰ বৈজ্ঞানিক অধ্যয়ন' বুলি সংজ্ঞায়িত কৰিছে।

- ডব্লিউ এফ অগবার্নে সংজ্ঞায়িত কৰিছে, 'সমাজবিজ্ঞান হৈছে সমাজৰ বিষয়ে শিকাৰ এক শৰীৰ। সমাজখন কেনেকৈ উন্নত কৰিব পাৰি তাৰ বৰ্ণনা। এইটো হয় সামাজিক নৈতিকতা, এটা সামাজিক দৰ্শন। সাধাৰণতে ইয়াক সমাজৰ বিজ্ঞান হিচাপে সংজ্ঞায়িত কৰা হয়।'
- গিন্সবার্গৰ মতে, 'সমাজবিজ্ঞান হৈছে মানুহৰ পাৰস্পৰিক ক্ৰিয়া আৰু আন্তঃসম্পর্ক, ইয়াৰ অৱস্থা আৰু পৰিণতিৰ অধ্যয়ন।'
- হেনৰী ফেয়াৰচাইল্ডৰ মতে, 'সমাজবিজ্ঞান হৈছে মানুহ আৰু তেওঁৰ মানৱ পৰিৱেশৰ মাজৰ সম্পর্কৰ অধ্যয়ন।'
- গিলিন আৰু গিলিনৰ মতে, 'এইটো হৈছে জীৱৰ সংযোগৰ পৰা উদ্ভৱ হোৱা পাৰস্পৰিক ক্ৰিয়াৰ অধ্যয়ন।'
- মেকআইভাৰ, পেজ আৰু এবেলৰ মতে, 'সমাজবিজ্ঞান হৈছে সামাজিক সম্পর্কৰ প্ৰকৃতিৰ অধ্যয়ন।'
- হেৰী এম জনছনৰ মতামত আছিল যে 'সমাজবিজ্ঞান হৈছে সামাজিক গোট, ইয়াৰ আভ্যন্তৰীণ ৰূপ বা সংগঠনৰ ধৰণ, এই সংগঠনৰ ৰূপ আৰু গোটৰ মাজৰ সম্পর্ক বজাই ৰখা বা সলনি কৰাৰ প্ৰৱণতা থকা প্ৰক্ৰিয়াসমূহৰ সৈতে জড়িত বিজ্ঞান।'

সমাজবিজ্ঞানৰ ওপৰৰ সকলোবোৰ সংজ্ঞাৰ পৰা অতি স্পষ্ট হৈ পৰে যে—

- সমাজ বিজ্ঞান হৈছে সমাজৰ অধ্যয়ন।
- ই হৈছে সামাজিক সম্পর্কৰ অধ্যয়ন।
- সমাজবিজ্ঞান হৈছে সামাজিক জীৱনৰ অধ্যয়ন।
- ই হৈছে গোটত ব্যক্তিগত আচৰণৰ অধ্যয়ন।
- ই সকলো ধৰণৰ সামাজিক সংগঠন, সামাজিক প্ৰক্ৰিয়া আৰু সামাজিক ব্যৱস্থাৰ বিস্তৃত অধ্যয়ন।

১.৩.২ সমাজবিজ্ঞানৰ ইতিহাস

সমাজবিজ্ঞানক সমাজবিজ্ঞানৰ ভিতৰত আটাইতকৈ কম বয়সীয়া হোৱাৰ লগতে আটাইতকৈ পুৰণি বুলিও গণ্য কৰাৰ পার্থক্য আছে। ই আটাইতকৈ কম বয়সীয়া; কাৰণ বিষয়টোৰ বৈজ্ঞানিক আৰু পদ্ধতিগত অধ্যয়ন সাম্প্ৰতিক সময়ৰ পৰাহে কৰা হৈছে আৰু ই অধ্যয়নৰ এক সুকীয়া শাখা হিচাপে প্ৰতিষ্ঠা হৈছে। আনহাতে, সভ্যতাৰ আৰম্ভণিৰ পৰাই পণ্ডিতসকলে সামাজিক জীৱন আৰু মানৱ সম্পর্কৰ বিভিন্ন দিশৰ বিষয়ে অধ্যয়ন কৰিবলৈ চেষ্টা কৰি অহাৰ বাবে ইয়াক আটাইতকৈ পুৰণি বুলি গণ্য কৰা হয়।

সামাজিক জীৱনৰ বিভিন্ন দিশৰ অধ্যয়ন প্ৰাচীন গ্ৰীক, ৰোমান আৰু ভাৰতীয় দাৰ্শনিকসকলৰ সময়ৰ পৰাই আৰম্ভ হৈছিল। প্লেটোৰ 'ৰিপাব্লিক' আৰু এৰিষ্ট'টলৰ 'এথিক্স'ই সম্প্ৰদায় জীৱনৰ গভীৰ অধ্যয়ন কৰিছে— ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশৰ সৈতে। এনেধৰণৰ অধ্যয়ন প্ৰাচীন ভাৰতীয় পণ্ডিতসকলৰ ৰচনাতো পোৱা গৈছিল আৰু তেওঁলোকৰ মাজত আমি সমাজখনৰ এক প্ৰাঞ্জল বৰ্ণনা পাওঁ। মনুস্মৃতি আৰু কৌটিল্যৰ 'অৰ্থশাস্ত্ৰ' ইয়াৰ উদাহৰণ।

মধ্যযুগীয় যুগত আৰু আধুনিক যুগৰ আৰম্ভণিতো বহু পণ্ডিতে মানৰ সমাজৰ আৰ্হি আৰু প্ৰক্ৰিয়াসমূহ বুজিবলৈ অধিক সক্ৰিয় হৈ পৰিছিল। মেকিয়াভেলিৰ 'দ্য প্ৰিন্স', থমাছ ম'ৰৰ 'ইউটোপিয়া', ৰুছ'ৰ 'ছ'চিয়েল কণ্ট্ৰেক্ট', এডাম স্মিথৰ 'ৱেলথ অৱ নেচনছ' সামাজিক জীৱনৰ বিভিন্ন দিশৰ কিছুমান বিখ্যাত সাহিত্যিক গ্ৰন্থ।

আধুনিক যুগত সমাজবিজ্ঞান এটা স্বতন্ত্ৰ শাখা হিচাপে প্ৰতিষ্ঠা হ'বলৈ ধৰিলে— যিয়ে মানুহৰ জীৱন আৰু কাৰ্যকলাপৰ সবিশেষ অধ্যয়ন কৰিব। কম্টে, স্পেন্সৰ, মেকডুগল, হবহাউছ, কাৰ্লমাৰ্ক্স, জন ডিউই আদিৰ দৰে পণ্ডিতসকলে সামাজিক বিৱৰ্তনৰ ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছিল আৰু মানৱ সমাজৰ প্ৰকৃতি আৰু ইয়াৰ বিকাশৰ অন্তৰ্নিহিত বিভিন্ন নিয়ম আৰু নীতি-নিয়মসমূহৰ বিষয়ে অনুসন্ধানৰ প্ৰচেষ্টা চলাইছিল। অগাষ্ট কম্টে বিশ্বাস কৰিছিল যে সমাজবিজ্ঞানক বিজ্ঞান হিচাপে সমাজৰ বিভিন্ন সমস্যা সমাধানত সহায় কৰে। আনহাতে স্পেন্সৰে সংঘ, সম্প্ৰদায়, শ্ৰম বিভাজন, সামাজিক পাৰ্থক্য, স্তৰবিন্যাস ইত্যাদিৰ সমাজবিজ্ঞানসন্মত অধ্যয়নত গুৰুত্ব আৰোপ কৰিছিল।

ঊনবিংশ শতিকাৰ অন্যতম প্ৰভাৱশালী চিন্তাবিদ কাৰ্লমাৰ্ক্সে বিশ্বাস কৰিছিল যে বিভিন্ন সামাজিক পৰিঘটনাকে বৰ্ণনা কৰাই নহয়, সামাজিক পৰিৱৰ্তনৰ বিভিন্ন কাৰণসমূহো বৰ্ণনা কৰাটো গুৰুত্বপূৰ্ণ। অৰ্থনৈতিক কাৰকসমূহেই সামাজিক পৰিৱৰ্তনৰ প্ৰধান নিৰ্ণায়ক বুলিও তেওঁ বিশ্বাস কৰিছিল। এমিল ডাৰকহেমে কয় যে গোটটো ব্যক্তিৰ ওপৰত সামাজিক বাস্তৱতা। গোটৰ চিন্তা, অনুভৱ আৰু অভিনয় বাস্তৱত সামাজিক তথ্য যদিও ই ব্যক্তিৰ পৰা আহে।

ডাৰকহেইমৰ মতে সমাজবিজ্ঞানৰ তিনিটা মূল বিভাগ হয়—

১) সামাজিক ৰূপবিজ্ঞান যিটো মূলতঃ মানুহৰ জীৱনৰ ভূখণ্ডীয় ভিত্তি আৰু ঘনত্ব, অঞ্চলভিত্তিক মানুহৰ স্থানীয় বিতৰণ আদিৰ সম্পৰ্কত জনসংখ্যাৰ বিভিন্ন সমস্যাৰ সৈতে জড়িত।

২) সামাজিক শৰীৰ বিজ্ঞানক অৰ্থনৈতিক, ৰাজনৈতিক, ধৰ্মীয়, নৈতিক, ভাষা আদিৰ সামাজিক দিশ আৰু এইবোৰৰ লগত জড়িত বিভিন্ন কাৰ্যকলাপৰ সৈতে বিবেচনা কৰা হয়।

৩) সাধাৰণ সমাজবিজ্ঞান যিটো বিভিন্ন সামাজিক তথ্য আৰু নিয়মৰ সাধাৰণ বৈশিষ্ট্যৰ সৈতে বিবেচনা কৰা হয়।

আনহাতে আন এজন সমাজবিজ্ঞানী মেক্স ৱেবাৰে কয় যে 'ব্যক্তি' সমাজৰ মূল একক আৰু সামাজিক আইন মূলতঃ ব্যক্তিৰ চিন্তা আৰু কার্যকলাপ বুজিবলৈহে। তেওঁৰ মতে, সমাজবিজ্ঞানে মূলতঃ সামাজিক কার্য আৰু সামাজিক সম্পর্কৰ বিশ্লেষণত গুৰুত্ব দিব লাগিব।

ভাৰতত সমাজবিজ্ঞানৰ একাডেমিক শাখা হিচাপে বিকাশ, প্রথম বিশ্বযুদ্ধৰ পিছত ঘটিছিল। হুমায়ুন, কবীৰ, আৰ কে মুখার্জী, ডি এন মজুমদাৰ, এছ চি ডুবে আদি বহুতো বিশিষ্ট সমাজ বিজ্ঞানীয়ে ইয়াৰ বিকাশৰ দিশত বহু গৱেষণা কৰি অৰিহণা যোগাইছে। ভাৰত ৰাজনৈতিক, অর্থনৈতিক আৰু সাংস্কৃতিক দিশৰ পৰা বৈচিত্র্যপূর্ণ দেশ আৰু এই বৈচিত্র্যই বিভিন্ন ভূখণ্ড আৰু অঞ্চলৰ বিভিন্ন সামাজিক প্রক্রিয়া আৰু আৰ্হি অধ্যয়নৰ বাবে বৃহৎ সুযোগ প্রদান কৰিছে। ভাৰতৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহত সমাজবিজ্ঞান বর্তমান এক জনপ্রিয় অধ্যয়ন শাখা।

১.৩.৩ সমাজবিজ্ঞানৰ গুৰুত্ব

সমাজবিজ্ঞানৰ অধ্যয়ন আজি ছাত্র-ছাত্রীৰ বাবে অতি মূল্যৱান বুলি বিবেচিত হৈছে। তলত বিষয়টোৰ গুৰুত্বৰ কিছুমান সূচক দিয়া হৈছে—

- **সমাজ বিজ্ঞানে সমাজখনক বৈজ্ঞানিক পদ্ধতিৰে অধ্যয়ন কৰে ঃ** সমাজৰ বিভিন্ন দিশসমূহ প্রাচীন কালৰে পৰা অধ্যয়ন কৰা হৈছে যদিও আজিৰ দৰে বৈজ্ঞানিক পদ্ধতিৰে নহয়। সমাজবিজ্ঞানে বিভিন্ন সামাজিক বিষয়ৰ প্রতি পদ্ধতিগত দৃষ্টিভংগী গঢ়ি তোলাত সহায় কৰাৰ লগে লগে সেইবোৰ বুজিবলৈ সহজ হৈ পৰে।
- **সমাজবিজ্ঞানে প্রতিজন ব্যক্তিৰ বিকাশত প্রতিটো প্রতিষ্ঠানৰ গুৰুত্বপূর্ণ ভূমিকাক গুৰুত্ব দিয়ে ঃ** পৰিয়াল হওক বা বিদ্যালয় হওক, গীর্জা হওক বা ৰাষ্ট্র হওক প্রতিটো প্রতিষ্ঠানৰ ব্যক্তিত্বৰ বিকাশত সুকীয়া ভূমিকা আছে। এই প্রতিটো প্রতিষ্ঠানৰ সৈতে এজন ব্যক্তিৰ যি সম্পর্ক আছে, সেই সম্পর্কক সমাজবিজ্ঞানৰ জৰিয়তে উজ্জ্বল কৰি তোলা হয়। তদুপৰি ব্যক্তিৰ প্রয়োজনীয়তাক ভালদৰে সেৱা আগবঢ়োৱাৰ উদ্দেশ্যে ইয়াক শক্তিশালী কৰাৰ বাবে উপযুক্ত ব্যৱস্থাৰ পৰামর্শ দিয়া হৈছে।
- **সামাজিক সমস্যা সমাধানত সমাজবিজ্ঞান অতি সহায়ক ঃ** সভ্যতাৰ আৰম্ভণিৰ পৰাই সমাজখন প্রচণ্ডভাৱে আগবাঢ়িছে যদিও ইয়াৰ লগে লগে সামাজিক সমস্যাসমূহো বহুগুণে বৃদ্ধি পাইছে। এতিয়া সমাজবিজ্ঞানৰ সকলো ভিন্ন দিশতে সমাজৰ বৈজ্ঞানিক অধ্যয়ন হিচাপে আত্মপ্রকাশ কৰাৰ লগে লগে বিভিন্ন সমস্যাৰ বিষয়েও অধ্যয়ন কৰাটো বহুত সহজ হৈ পৰিছে। ই বৈজ্ঞানিক গৱেষণাৰ জৰিয়তে সমস্যাসমূহ অধ্যয়ন কৰি ইয়াৰ সমাধান বিচাৰি উলিয়ায়। বিভিন্ন তত্ত্ব আৰু

নীতিয়ে সামাজিক জীৱনৰ ভৱিষ্যদ্বাণী কৰা আৰু পৰিস্থিতি উন্নত কৰাত সহায় কৰে।

- **সমাজবিজ্ঞানে সামাজিক জীৱনৰ পৰিকল্পনা ভালদৰে কৰাত সহায় কৰে ঃ** সমাজ সহজ নহয়। মানুহে বিভিন্ন ধৰণৰ সম্পৰ্ক স্থাপন কৰে আৰু এই সম্পৰ্কসমূহৰ প্ৰসাৰত বিভিন্ন সামাজিক প্ৰতিষ্ঠানসমূহে নিজ নিজ ভূমিকা পালন কৰে। পৰীক্ষাই যেনেকৈ ভৌতিক বিজ্ঞান বুজিবলৈ সহায় কৰে ঠিক তেনেদৰে সামাজিক পৰিঘটনা সন্দৰ্ভত গৱেষণাই সমাজখনক ভালদৰে বুজিবলৈ সহায় কৰে আৰু সমাজৰ মসৃণ কাৰ্যকলাপৰ পৰিকল্পনাত ই ফলপ্ৰসূ। প্ৰতিটো সামাজিক পৰিঘটনা আনৰ লগত জড়িত আৰু এটাৰ সঠিক বিশ্লেষণে আনবোৰৰ ভাল পৰিকল্পনাৰ সূচনা কৰিব।
- **সমাজবিজ্ঞানে প্ৰতিজন মানুহৰ মৰ্যাদাত গুৰুত্ব আৰোপ কৰে ঃ** সমাজবিজ্ঞানৰ গৱেষণাৰ বাবেই যোৱা দুটা শতিকাৰ পৰা বিশ্বত বৃহৎ সামাজিক পৰিৱৰ্তন দেখা গৈছে। প্ৰতিজন মানুহৰ প্ৰতি আমাৰ মনোভাব সলনি হৈছে। উদাহৰণস্বৰূপে, পুৰণি স্বৈৰাচাৰী সমাজৰ ঠাই গণতন্ত্ৰই লৈছে আৰু প্ৰতিজন মানুহৰ আভ্যন্তৰীণ মূল্য আৰু মৰ্যাদা আজি কেতিয়াও নোপোৱাকৈ উপলব্ধি কৰা হৈছে। অন্ধবিশ্বাস, সামাজিক আৰু মানুহৰ মাজত থকা বৰ্ণগত বাধাবোৰ ক্ৰমান্বয়ে আঁতৰাই আহিছে। লগতে সমতা আৰু স্বাধীনতাৰ ধাৰণাবোৰ অধিক জনপ্ৰিয় হৈ পৰিছে। আধুনিক সমাজত জাতি, ধৰ্ম, বৰ্ণ, ৰঙৰ পাৰ্থক্যৰ তাৎপৰ্য হেৰুৱাইছে আৰু তাৰ ঠাইত এক পৃথিৱী আৰু উমৈহতীয়া ভাতৃত্ববোধৰ গুৰুত্ব উপলব্ধি কৰা হৈছে।
- **সমাজবিজ্ঞানে অপৰাধৰ সমস্যাৰ সৈতে জড়িত দৃষ্টিভংগী সলনি কৰিছে ঃ** সমাজবিজ্ঞানৰ বাবেই অপৰাধৰ দৃষ্টিভংগী সলনি হৈছে। পূৰ্বে কঠোৰ শাস্তি দিয়া হৈছিল অপৰাধীক, আনকি গুৰুতৰ অপৰাধ নকৰাসকলকো। কিন্তু এতিয়া অপৰাধীক মানুহ হিচাপে ব্যৱহাৰ কৰা হয় আৰু তেওঁলোকৰ আচৰণৰ কাৰণবোৰ ভালদৰে অধ্যয়ন কৰা হয়। অপৰাধ বিজ্ঞান, সামাজিক কাম আৰু চিকিৎসাবিজ্ঞানক গুৰুত্ব দিয়া হয় আৰু প্ৰায়ে ইয়াক পুনৰ সংস্থাপনৰ প্ৰচেষ্টা চলোৱা হয়। এইদৰে কেৱল ব্যক্তিগত সমস্যাৰ সমাধান হোৱাই নহয় সমাজৰ সংস্কাৰো হয়।
- **সমাজবিজ্ঞানে মানৰ সংস্কৃতিক সমৃদ্ধ কৰিছে ঃ** সমাজবিজ্ঞানৰ অধ্যয়নে যিহেতু বিভিন্ন সামাজিক পৰিঘটনাক ভালদৰে বুজিবলৈ সহায় কৰিছে, সেয়ে ই আমাৰ অন্ধবিশ্বাস বহু পৰিমাণে আঁতৰাই পেলাইছে। এতিয়া আমি বিভিন্ন সামাজিক সমস্যা সমাধানৰ বাবে এক বৈজ্ঞানিক পন্থা বনাব পাৰিম। ই আমাৰ নিজৰ, আমাৰ ধৰ্ম, ৰীতি-নীতি, পৰম্পৰা, লোকপন্থা, আচাৰ-ব্যৱহাৰ আদিৰ সৈতে

জড়িত প্রশ্নসমূহ ব্যাখ্যা কৰাত সহায় কৰিছে। ইয়াৰ জৰিয়তে আমি আমাৰ সংস্কৃতিক ভালদৰে বুজিব পাৰিছো। সমাজবিজ্ঞানে আমাক অধিক বস্তুনিষ্ঠ আৰু যুক্তিবাদী হ'বলৈ শিকাইছে আৰু প্রতিটো সামাজিক প্রতিষ্ঠানে আমাৰ ব্যক্তিত্বৰ বিকাশৰ ক্ষেত্রত কি ভূমিকা পালন কৰে সেই বিষয়ে আমি সমালোচনাত্মকভাৰে চিন্তা কৰিব পাৰোঁ। ই ব্যক্তিৰ ইজনে সিজনৰ প্রতি পক্ষপাতিত্ব আৰু ঘৃণা থকা মাজৰ বাধাবোৰ তললৈ নমাই আনিছে। মুঠতে ই এজন পুৰুষক নিজকে আৰু আনক দুয়োটাকে ইতিবাচকভাৱে চিনি পোৱাত সহায় কৰে।

- বিষয় হিচাপে ইয়াক অন্তর্ভুক্ত কৰাটো অতি সহায়ক।

পাঠ্যক্রম ঃ আজি সমাজবিজ্ঞানক বিদ্যালয়-মহাবিদ্যালয়ৰ পাঠ্যক্রমত অন্তর্ভুক্ত কৰিবলৈ অতি উপযোগী পাঠদান বিষয় হিচাপে গণ্য কৰা হয়। মাধ্যমিক পর্যায়ৰ পৰা উচ্চ শিক্ষালৈকে সমাজবিজ্ঞান অতি জনপ্রিয় হৈ পৰিছে। শিক্ষক প্রশিক্ষণ মহাবিদ্যালয়সমূহৰ পাঠ্যক্রমতো অন্তর্ভুক্ত কৰা হৈছে। লগতে ইউ পি এছ চি আৰু ৰাজ্যিক অসামৰিক সেৱা আয়োগৰ প্রতিযোগিতামূলক পৰীক্ষা।

- পেছা হিচাপে সমাজবিজ্ঞান ঃ যিসকলে স্নাতক আৰু স্নাতকোত্তৰ পর্যায়ত সমাজবিজ্ঞানক এটা প্রধান বিষয় হিচাপে গ্রহণ কৰে তেওঁলোকৰ বাবে তলত উল্লেখ কৰা খণ্ডসমূহত সহজেই চাকৰি লাভ কৰিব পাৰে।
- সমাজ কল্যাণ বা শ্রমিক কল্যাণ বিষয়া, কাৰখানা আৰু চৰকাৰী কার্যালয়ত ব্যক্তিগত বিষয়া হিচাপে চাকৰি।
- গ্রাম্য অঞ্চলৰ সমাজ কল্যাণ কার্যালয়ত বা সংখ্যালঘু বা বঞ্চিত গোটৰ কল্যাণৰ সৈতে জড়িত কার্যালয়ত।
- প্রাপ্তবয়স্ক শিক্ষাৰ ক্ষেত্রত।
- শিশু আৰু মহিলা কল্যাণৰ সৈতে জড়িত কার্যালয়ত।
- বৃদ্ধ আৰু বিশেষভাৱে সক্ষম লোকৰ বাবে স্থাপন কৰা কার্যালয় আৰু ঘৰত।
- অপৰাধী আৰু কিশোৰ গৃহৰ সংস্কাৰমূলক বিদ্যালয়ত।
- অন্যান্য কার্যালয় যেনে নিয়োগ বিনিময় আৰু বীমা আঁচনিৰ সৈতে জড়িত।

১.৩.৪ শিক্ষা আৰু সমাজবিজ্ঞানৰ সম্পর্ক

শিক্ষাৰ লগত সমাজবিজ্ঞানৰ অতি ঘনিষ্ঠ সম্পর্ক। ইতিমধ্যে উল্লেখ কৰা হৈছে যে ইহঁত আন্তঃসম্পর্কীয় শাখা আৰু শিক্ষা ব্যৱস্থাৰ লগত সামাজিক আর্হি আৰু প্রক্রিয়া সদায় জড়িত হৈ থাকে। সমাজবিজ্ঞান আৰু শিক্ষাৰপাৰস্পৰিক সম্পর্ক তলত দিয়া ধৰণে ব্যাখ্যা কৰা হৈছে।

- **সমাজবিজ্ঞানৰ ভিত্তিয়ে শিক্ষাৰ অর্থ নির্ধাৰণ কৰে ঃ** ব্রাউনৰ মতে, 'শিক্ষা হৈছে সচেতনভাৱে নিয়ন্ত্রিত প্রক্রিয়া— য'ত ব্যক্তিজনৰ মাজত আৰু গোটৰ

ভিতৰৰ ব্যক্তিজনৰ জৰিয়তে আচৰণৰ পৰিৱৰ্তন ঘটে। শিক্ষা সমাজবিজ্ঞানে ব্যক্তিৰ বিকাশৰ সামাজিক শক্তি আৰু ব্যক্তিয়ে অভিজ্ঞতা লাভ কৰা সামাজিক সম্পৰ্কসমূহত গুৰুত্ব আৰোপ কৰে।"

- **ই শিক্ষাৰ লক্ষ্য নির্ধাৰণ কৰে ঃ** শিক্ষা সমাজবিজ্ঞানীসকলৰ মতে শিক্ষাৰ লক্ষ্য সদায় শৈক্ষিক সমাজবিজ্ঞানে নির্ধাৰণ কৰে। শিক্ষাৰ লক্ষ্য সেই সামাজিক বিকাশ কৰা ব্যক্তি এজনৰ মনোভাব আৰু দক্ষতা যাতে তেওঁক দেশৰ দায়িত্বশীল নাগৰিক কৰি তোলা হয়।
- **শিক্ষাৰ সমাজবিজ্ঞানসম্মত ভিত্তি আৰু কার্যসমূহ ঃ** শিক্ষাৰ কার্যসমূহ শৈক্ষিক সমাজবিজ্ঞানৰ দ্বাৰা অতি স্পষ্টভাৱে বিশ্লেষণ কৰা হৈছে ঃ
- এটা গুৰুত্বপূর্ণ কাম হ'ল শিশুক উপযোগী জ্ঞান প্রদান কৰা।
- আন এটা হ'ল শিক্ষাক সামাজিক নিয়ন্ত্রণৰ এক গুৰুত্বপূর্ণ মাধ্যম হিচাপে ব্যৱহাৰ কৰা হয়।
- শিক্ষাৰ তৃতীয়টো কাম হ'ল সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ আৰু এটা প্রজন্মৰ পৰা আন এটা প্রজন্মলৈ সংক্রমণ।
- শিক্ষাৰ আন এটা কাম হ'ল ই সামাজিক বিকাশৰ প্রক্রিয়াত সহায় কৰে।
- ই ব্যক্তিৰ সৃষ্টিশীলতাও বিকশিত কৰে।
- **সমাজবিজ্ঞানৰ ভিত্তি আৰু পাঠ্যক্রম ঃ** পণ্ডিতসকলৰ মতে সু-নির্মিত পাঠ্যক্রমৰ প্রাথমিক কামসমূহ হ'ল ব্যক্তিত্ব বিকাশৰ উপৰি ই সুস্থ সামাজিক মনোভাবো গঢ়ি তুলিব লাগে। পাঠ্যক্রম সদায় বাস্তৱৰ লগত জড়িত হ'ব লাগে। ই স্থিৰ হ'ব নালাগে, কিন্তু পৰিৱর্তিত সময়ৰ লগত খাপ খুৱাব পৰাকৈ অতি নমনীয় হ'ব লাগে। পাঠ্যক্রমে সামূহিক জীৱনৰ সকলো মূল্যৱান বৃত্তি আৰু সেৱাক গুৰুত্ব দিব লাগিব।
- **পাঠদানৰ পদ্ধতি ঃ** পণ্ডিতসকলৰ মতে, এনে ধৰণৰ পাঠদান পদ্ধতি গ্রহণ কৰিব লাগিব— যিয়ে ছাত্র-ছাত্রীক শিকিবলৈ প্রেৰণা দিয়ে। গোটৰ আলোচনা, প্রকল্পৰ নিযুক্তি, ডাল্টন পদ্ধতি আদিয়ে কম বয়সীয়া ছাত্র-ছাত্রীৰ সৃষ্টিশীল চিন্তাৰ ক্ষমতা গঢ়ি তুলিব আৰু সমস্যা সমাধানত সহায় কৰিব আৰু লগতে তেওঁলোকৰ মাজত গণতান্ত্রিক মূল্যবোধ গঢ়ি তুলিব।

সমাজবিজ্ঞানৰ দৃষ্টিকোণৰ পৰা বিদ্যালয়ৰ সম্পন্ন কৰিবলগীয়া গুৰুত্বপূর্ণ কাম আছে, আটাইতকৈ গুৰুত্বপূর্ণ হ'ল শিশুৰ সামাজিক গুণৰ বিকাশত সহায়ক হোৱা বিভিন্ন ধৰণৰ উপযোগী সামাজিক কার্যকলাপ আৰু অভিজ্ঞতা অনা।

- **অনুশাসন ঃ** শৈক্ষিক সমাজবিজ্ঞানে এই কথাত গুৰুত্ব আৰোপ কৰে যে শিক্ষাই শিশুৰ মাজত আত্ম-অনুশাসনৰ বীজ সিঁচিব লাগিব। গোটৰ কার্যকলাপৰ জৰিয়তে এইটো সম্ভৱ, কাৰণ ইয়াৰ দ্বাৰা তেওঁলোকৰ মাজত 'আমি অনুভৱ' আৰু 'দলীয়

মনোভাব' গঢ়ি তোলাত সহায় কৰে।

- **শিক্ষকৰ ভূমিকা ঃ** শিক্ষাৰ যিকোনো আঁচনিত শিক্ষকৰ ভূমিকা আটাইতকৈ গুৰুত্বপূৰ্ণ। তেওঁ জ্ঞানী, গণতান্ত্ৰিক মূল্যবোধ থকা আৰু ব্যক্তিগত অধিকাৰ আৰু কৰ্তব্যৰ স্বাধীনতা আৰু মৰ্যাদাৰ প্ৰতি দৃঢ় বিশ্বাসী হ'ব লাগিব। সৰু ল'ৰা-ছোৱালীৰ সঠিক সামাজিক মনোভাব গঢ়ি তোলাৰ মূল দায়িত্ব শিক্ষকৰ। এইদৰেই তেওঁ সমাজ সংস্কাৰ আৰু পুনৰ্গঠনৰ দিশত অৰিহণা যোগাব পাৰে।
- **প্ৰাপ্তবয়স্ক শিক্ষাৰ গুৰুত্ব ঃ** আজি উল্লেখযোগ্যভাৱে অনুভৱ কৰা হৈছে যে সমাজৰ কোনো ব্যক্তিক নিৰক্ষৰ আৰু অশিক্ষিত কৰি ৰখা উচিত নহয়। ইয়াক প্ৰতিজন ব্যক্তিৰ মৌলিক অধিকাৰ বুলি গণ্য কৰা হয়। এই দিশত বহু প্ৰচেষ্টা চলোৱা হৈছে আৰু আমাৰ দেশতো, নিৰক্ষৰ প্ৰাপ্তবয়স্কসকলক শিক্ষিত কৰাৰ বাবে বিভিন্ন নীতি আৰু আঁচনি আছে। কৰ্মৰত প্ৰাপ্তবয়স্কসকলে শিক্ষা লাভৰ সুবিধাৰ বাবে সপ্তাহৰ দিনত সন্ধিয়া আৰু দেওবাৰে দিনৰ ক্লাছ অনুষ্ঠিত কৰা হয়।
- **সমাজ বিজ্ঞানসম্মত ভিত্তি আৰু ৰাষ্ট্ৰ ঃ** শিক্ষাৰ প্ৰসাৰ কৰাটো ৰাষ্ট্ৰৰ প্ৰাথমিক দায়িত্ব বুলি ক্ৰমান্বয়ে অনুভৱ কৰা হৈছে। শিক্ষাই ব্যক্তিক জীৱিকা উপাৰ্জন কৰিবলৈ, ব্যক্তিত্ব বিকাশ কৰিবলৈ আৰু এজন যোগ্য নাগৰিক হ'বলৈ সক্ষম কৰে। প্ৰাথমিক, মাধ্যমিক, বিশ্ববিদ্যালয় আৰু পেছাদাৰী শিক্ষা পৰ্যায়ত কোনো ধৰণৰ বৈষম্য নোহোৱাকৈ সকলোকে শিক্ষাৰ সুবিধা প্ৰদান কৰিব লাগিব। এইদৰেই এটা শক্তিশালী জাতি গঢ়ি তুলিব পাৰি।

১.৪ শৈক্ষিক সমাজবিজ্ঞানৰ অৰ্থ

সমাজৰ অধ্যয়ন হিচাপে সমাজবিজ্ঞানৰ অৰ্থৰ বিষয়ে আমি ইতিমধ্যে আলোচনা কৰিছোঁ। মানুহে সেই সমাজ গঠন কৰে, যাৰ জৰিয়তে ইজনে সিজনৰ লগত সম্পৰ্কৰ জাল স্থাপন কৰে আৰু নিজৰ বিভিন্ন প্ৰয়োজন পূৰণ কৰে। প্ৰতিজন ব্যক্তিৰ বাবে সমাজখন অপৰিহাৰ্য, কাৰণ ই জ্ঞান সঞ্চয়ত সহায় কৰে। জ্ঞান দুটা উপায়েৰে সম্ভৱ ঃ

ক) ব্যক্তিৰ মাজত প্ৰত্যক্ষ সংস্পৰ্শৰ দ্বাৰা আৰু

খ) কিতাপ, পৰম্পৰা, ৰীতি-নীতি, ভাষা আৰু আধুনিক যুগত অতি গুৰুত্বপূৰ্ণ বৈদ্যুতিক মাধ্যমৰ জৰিয়তে পৰোক্ষ যোগাযোগৰ দ্বাৰা।

শিক্ষাবিদ আৰু সমাজবিজ্ঞানীসকলে এই কথাত গুৰুত্ব আৰোপ কৰিছে যে বিভিন্ন সামাজিক পৰিঘটনাৰ বিষয়ে জ্ঞান প্ৰত্যেকৰে বাবে অতি প্ৰয়োজনীয় ব্যক্তিকেন্দ্ৰিক। পৰিৱৰ্তিত সামাজিক-সাংস্কৃতিক প্ৰয়োজনীয়তাৰ সৈতে প্ৰতিখন সমাজে এনে প্ৰয়োজন পূৰণৰ বাবে শিক্ষা ব্যৱস্থাৰ প্ৰয়োজন হ'ব। সামাজিক পৰিৱৰ্তনসমূহ সমাজে নিৰ্ধাৰণ কৰে। গতিকে দুয়োটা ইটোৱে সিটোৰ ওপৰত পৰস্পৰ নিৰ্ভৰশীল। ফলত 'শৈক্ষিক সমাজবিজ্ঞান' নামৰ সমাজবিজ্ঞানৰ এক

অতি গুৰুত্বপূৰ্ণ শাখাৰ উন্মেষ ঘটিল। সমাজবিজ্ঞান আৰু শিক্ষাৰ মাজত থকা ঘনিষ্ঠ সম্পৰ্কটো প্ৰথমে আঙুলিয়াই দিছিল এমিল ডাৰকহেইমে। শিক্ষা ব্যৱস্থাৰ উন্নতিৰ মূল উদ্দেশ্যৰে শিক্ষাৰ ক্ষেত্ৰত সমাজবিজ্ঞানসন্মত নীতি প্ৰয়োগৰ সৈতে জড়িত। শিক্ষা সমাজবিজ্ঞানক বিষয় হিচাপে গঢ়ি তুলিছে জৰ্জ পেইন, জন ডিউই, মেকআইভাৰ, মূৰ, গিন্সবাৰ্গ আদি বিখ্যাত সমাজবিজ্ঞানীয়ে। ব্ৰুক'ভাৰ আৰু গটলিবৰ মতামত আছিল যে 'শিক্ষা সামাজিকৰণৰ সমাৰ্থক' ।

কিন্তু জৰ্জ পেইনেই তেওঁৰ বিখ্যাত গ্ৰন্থ 'শৈক্ষিক সমাজবিজ্ঞানৰ নীতি'ৰ জৰিয়তে শিক্ষা আৰু সামাজিক জীৱনৰ মাজত থকা আন্তঃসম্পৰ্ক আৰু পাৰস্পৰিক প্ৰভাৱত গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ মতে ব্যক্তিত্বৰ বিকাশত সামাজিক শক্তি আৰু প্ৰতিষ্ঠানৰ প্ৰভাৰ সৰ্বোচ্চ গুৰুত্বপূৰ্ণ। ব্যক্তি আৰু তেওঁৰ সামাজিক পৰিৱেশৰ মাজত অহৰহ পাৰস্পৰিক ক্ৰিয়া-কলাপ চলি থাকে আৰু এই আন্তঃক্ৰিয়াই সামাজিক প্ৰগতিৰ ভেটি স্থাপন কৰে। সেয়েহে তেওঁক শৈক্ষিক সমাজবিজ্ঞানৰ পিতৃ হিচাপে গণ্য কৰা হয়। জন ডিউয়েও শিক্ষাৰ ক্ষেত্ৰত সামাজিক শক্তিক গুৰুত্বপূৰ্ণ বুলি গণ্য কৰিছিল।

'বিদ্যালয় আৰু সমাজ' আৰু 'গণতন্ত্ৰ আৰু শিক্ষা' নামৰ গ্ৰন্থৰ জৰিয়তে তেওঁ সামাজিক প্ৰতিষ্ঠানসমূহৰ তাৎপৰ্য সম্পৰ্কে নিজৰ মতামতত গুৰুত্ব আৰোপ কৰিছিল আৰু বিদ্যালয়খনক 'ক্ষুদ্ৰ সমাজ' বুলি গণ্য কৰিছিল। ইয়াৰ পৰা আঙুলিয়াই দিয়া হৈছে যে শিক্ষা এক সামাজিক প্ৰক্ৰিয়া আৰু বিদ্যালয়খনেই সমাজখনক সংস্কাৰ কৰি প্ৰগতিশীল কৰি তোলে।

১.৪.১ শৈক্ষিক সমাজবিজ্ঞানৰ সংজ্ঞা

শৈক্ষিক সমাজবিজ্ঞানৰ কিছুমান সংজ্ঞা তলত দিয়া হ'ল ঃ

- জৰ্জ পেইনৰ মতে, 'শৈক্ষিক সমাজবিজ্ঞান হৈছে এনে এক বিজ্ঞান— যিয়ে প্ৰতিষ্ঠান, সামাজিক গোট, আৰু সামাজিক প্ৰক্ৰিয়া বা সামাজিক উদ্বেগসমূহৰ বৰ্ণনা আৰু ব্যাখ্যা কৰে, অৰ্থাৎ ব্যক্তিজনে নিজৰ অভিজ্ঞতা লাভ কৰা আৰু সংগঠিত কৰা সামাজিক সম্পৰ্ক।'
- অট'ৱেৰ মতে, 'শৈক্ষিক সমাজবিজ্ঞান হৈছে শিক্ষা আৰু সমাজৰ মাজৰ সম্পৰ্কৰ বৈজ্ঞানিক অধ্যয়ন।'
- কুক আৰু কুকৰ মতে, 'শৈক্ষিক সমাজবিজ্ঞান হৈছে শিক্ষা প্ৰক্ৰিয়াত মানৱীয় কাৰকৰ অধ্যয়ন, যাৰ লক্ষ্য হৈছে সকলো ধৰণৰ শিক্ষা ব্যৱস্থাত পাঠদান আৰু শিক্ষণৰ উন্নতি।'
- ব্ৰাউনৰ মতে, 'শৈক্ষিক সমাজবিজ্ঞান হৈছে ব্যক্তি আৰু তেওঁৰ সাংস্কৃতিক পৰিৱেশৰ অন্যান্য ব্যক্তি, সামাজিক গোট আৰু আচৰণৰ আৰ্হিকে ধৰি পাৰস্পৰিক ক্ৰিয়াৰ অধ্যয়ন।'
- আৰ স্মিথৰ মতে, 'শৈক্ষিক সমাজবিজ্ঞান হৈছে শিক্ষাৰ অধ্যয়নত সমাজবিজ্ঞানৰ বৈজ্ঞানিক পদ্ধতি আৰু নীতিৰ প্ৰয়োগ।'

গতিকে ওপৰৰ সংজ্ঞাসমূহৰ পৰা স্পষ্ট যে শৈক্ষিক সমাজবিজ্ঞানে মূলতঃ মাজৰ সম্পৰ্কসমূহ অধ্যয়ন কৰে শিক্ষা আৰু সমাজ।

১.৪.২ শৈক্ষিক সমাজবিজ্ঞানৰ প্ৰকৃতি

সংজ্ঞাসমূহৰ পৰা শৈক্ষিক সমাজবিজ্ঞানৰ প্ৰকৃতি সহজেই বুজিব পাৰি, যেনে:

- ই ব্যক্তি আৰু সমাজৰ পাৰস্পৰিক ক্ৰিয়াৰ অধ্যয়ন।
- ইয়াত ব্যক্তিৰ বিকাশত বিভিন্ন সামাজিক প্ৰতিষ্ঠানৰ শক্তিশালী প্ৰভাৱৰ বিষয়ে অধ্যয়ন কৰা হয়।
- ই হৈছে শিক্ষা আৰু সমাজৰ ঘনিষ্ঠ সম্পৰ্কৰ অধ্যয়ন।
- ইয়াত শিক্ষাৰ ক্ষেত্ৰত সমাজবিজ্ঞানসন্মত নীতিৰ প্ৰয়োগত গুৰুত্ব আৰোপ কৰা হৈছে।

১.৪.৩ শৈক্ষিক সমাজবিজ্ঞানৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব

শৈক্ষিক সমাজবিজ্ঞান গুৰুত্বপূৰ্ণ কাৰণ ঃ

- শিক্ষা এক সামাজিক প্ৰক্ৰিয়া আৰু ইয়াত শিক্ষাৰ প্ৰক্ৰিয়াক একত্ৰিত নকৰাকৈ সমাজবিজ্ঞানৰ বহল লক্ষ্যত উপনীত হ'ব নোৱাৰি।
- শৈক্ষিক সমাজবিজ্ঞানে শিক্ষাৰ লগত জড়িত সামাজিক সমস্যাসমূহৰ বস্তুনিষ্ঠ অধ্যয়ন কৰে আৰু সেইবোৰ সমাধানত সহায় কৰে।
- শিক্ষাই জনসাধাৰণৰ মাজত ভাল সামাজিক মনোভাব গঢ়ি তোলাত সহায় কৰে।
- শৈক্ষিক সমাজবিজ্ঞানেও সামাজিক প্ৰক্ৰিয়া আৰু পাৰস্পৰিক ক্ৰিয়াৰ গভীৰ অধ্যয়ন কৰে।
- শৈক্ষিক সমাজবিজ্ঞানে প্ৰতিজন ব্যক্তিৰ অন্তৰ্নিহিত মূল্যক স্বীকৃতি দিয়ে। ইয়াত নিজৰ প্ৰয়োজন, আগ্ৰহ আৰু সামৰ্থ্য পূৰণৰ বাবে শিক্ষাৰ গুৰুত্ব সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা হৈছে।
- ই সংস্কৃতিৰ অগ্ৰগতিৰ প্ৰসাৰ ঘটায়— যিটো প্ৰতিখন সমাজৰ উন্নয়নৰ বাবে অতি প্ৰয়োজনীয়।
- শৈক্ষিক সমাজবিজ্ঞানে পৰিৱৰ্তিত সমাজৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে শিক্ষা ব্যৱস্থাত সামাজিক পৰিৱৰ্তনক উৎসাহিত কৰে।
- ই সমাজত সুস্থ শৈক্ষিক গৱেষণাৰ সুযোগ প্ৰদান কৰে— যাৰ তাৎপৰ্য অতি বেছি।
- শৈক্ষিক সমাজবিজ্ঞানে বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশত প্ৰভাৱ পেলোৱা সামাজিক শক্তিসমূহৰ বিষয়ে অধ্যয়ন কৰে।

১.৪.৪ শৈক্ষিক সমাজবিজ্ঞানৰ উদ্দেশ্য

অধ্যাপক হেৰিংটনৰ মতে শৈক্ষিক সমাজবিজ্ঞানৰ উদ্দেশ্যসমূহ হ'ল—

- বিদ্যালয়ৰ কাম-কাজ আৰু সমাজৰ প্ৰতি ইয়াৰ দায়িত্বৰ বিষয়ে সচেতন হোৱা।
- শিক্ষকক কণমানি ছাত্ৰ-ছাত্ৰী আৰু সমাজৰ প্ৰতি থকা কৰ্তব্যৰ বিষয়ে সচেতন কৰা।
- ব্যক্তিৰ ওপৰত সামাজিক উপাদানৰ প্ৰভাৱৰ বিষয়ে জ্ঞান আহৰণ কৰা।
- ব্যক্তিৰ লগতে সমাজৰ প্ৰয়োজনীয়তা পূৰণৰ বিষয়ে পাঠ্যক্ৰম যুগুত কৰা।
- ছাত্ৰ-ছাত্ৰীৰ মাজত গণতান্ত্ৰিক মূল্যবোধৰ বীজ সিঁচাত গুৰুত্ব দিয়া।
- এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ সাংস্কৃতিক ঐতিহ্যৰ সংক্ৰমণৰ ব্যৱস্থা কৰা।
- বিদ্যালয়ত পাঠদান শিক্ষণ প্ৰক্ৰিয়া উন্নত কৰাৰ বাবে গৱেষণাক প্ৰসাৰ কৰা, শৈক্ষিক সমাজবিজ্ঞানৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত নতুন পদ্ধতি আৰু কৌশল গ্ৰহণ কৰা।
- সামাজিক উপাদানসমূহত ব্যক্তিৰ প্ৰভাৱ অধ্যয়ন কৰা।

১.৪.৫ শৈক্ষিক সমাজবিজ্ঞানৰ পৰিসৰ

শৈক্ষিক সমাজবিজ্ঞানৰ পৰিসৰ অতি বহল আৰু ব্যাপক। ইয়াত শিক্ষা আৰু সমাজৰ মাজৰ সম্পৰ্ক আৰু ব্যক্তিৰ শিক্ষা সন্দৰ্ভত বিভিন্ন সামাজিক প্ৰতিষ্ঠানৰ প্ৰভাৱৰ বিষয়ে অধ্যয়ন কৰা হৈছে। তলত শৈক্ষিক সমাজবিজ্ঞানৰ পৰিসৰ ব্যাখ্যা কৰা কেইটামান কথা দিয়া হৈছে। তেওঁলোক হৈছে ঃ

- শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত পাৰস্পৰিক সম্পৰ্ক আৰু এই সম্পৰ্কৰ প্ৰভাৱ পাঠদান-শিক্ষণ প্ৰক্ৰিয়াত।
- কেৱল বিদ্যালয়তে নহয় সমাজতো শিক্ষকৰ তাৎপৰ্য।
- ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ ক্ষেত্ৰত পাৰস্পৰিক সম্পৰ্কৰ গুৰুত্ব।
- সমাজৰ বিভিন্ন সদস্যৰ সৈতে সামাজিক যোগাযোগৰ ফলত শিশুৰ সামাজিকীকৰণ প্ৰক্ৰিয়া।
- শৈক্ষিক সমাজবিজ্ঞানত এটা প্ৰজন্মৰ সংস্কৃতিৰ আন এটা প্ৰজন্মলৈ সংক্ৰমণ প্ৰক্ৰিয়াও অন্তৰ্ভুক্ত কৰা হৈছে।
- ব্যক্তি আৰু বহল সমাজৰ বাবে বিভিন্ন সৰু সৰু সামাজিক সংগঠনৰ গুৰুত্ব।
- অনুকূল সামাজিক পৰিৱেশৰ জৰিয়তে গণতান্ত্ৰিক মূল্যবোধৰ বীজ সিঁচি দিয়া।
- ছাত্ৰ-ছাত্ৰীৰ মাজত ইতিবাচক সামাজিক অনুভূতিৰ প্ৰসাৰ।
- শিক্ষা আৰু সামাজিক প্ৰগতিৰ ক্ষেত্ৰত ছপা আৰু ইলেক্ট্ৰনিক মাধ্যমৰ অতি

গুৰুত্বপূৰ্ণ তাৎপৰ্য।

- সকলোৰে বাবে শৈক্ষিক সুযোগ সমতা স্থাপনৰ গুৰুত্ব।
- শিক্ষা ব্যৱস্থাত বাঞ্ছনীয় পৰিৱৰ্তন আনিবলৈ পাঠ্যক্ৰম সংস্কাৰৰ প্ৰয়োজনীয়তা।
- ব্যক্তিগত আৰু গোট উভয়ৰে পাঠদানৰ গুৰুত্ব।
- ইয়াত ৰাষ্ট্ৰীয় সংহতিৰ লগতে বিশ্বব্যাপী প্ৰেক্ষাপটত আন্তঃৰাষ্ট্ৰীয় বুজাবুজিৰ তাৎপৰ্যও অন্তৰ্ভুক্ত কৰা হৈছে।
- শিক্ষা আৰু সামাজিক পৰিৱৰ্তনৰ পাৰস্পৰিক সম্পৰ্ক।

১.৫ শৈক্ষিক সমাজবিজ্ঞান আৰু অন্যান্য বিষয়ৰ সম্পৰ্ক

শিক্ষা সমাজবিজ্ঞান অন্যান্য বিষয়ৰ সৈতেও ওতপ্ৰোতভাৱে জড়িত। ইয়াৰে কিছুমান হ'ল—

১) **ইতিহাস ঃ** শৈক্ষিক সমাজবিজ্ঞান ইতিহাসৰ লগত অতি ঘনিষ্ঠ সম্পৰ্ক। ইতিহাসে প্ৰাচীন কালৰ পৰা আধুনিক যুগলৈকে সামাজিক শক্তি আৰু প্ৰতিষ্ঠানসমূহৰ অধ্যয়নত গুৰুত্ব আৰোপ কৰে। একে সময়তে ইতিহাসৰ অধ্যয়ন সামাজিক দৃষ্টিকোণৰ পৰা নকৰিলে অৰ্থহীন হৈ পৰে। শৈক্ষিক সমস্যা সমাধানৰ বাবে ই তাৎপৰ্যপূৰ্ণ, কাৰণ ইয়াৰ দ্বাৰা বিভিন্ন সামাজিক সংগঠনৰ ভূমিকা, ইয়াৰ প্ৰকৃতি, ৰূপ আৰু কাৰ্যৰ বিষয়ে অন্তৰ্দৃষ্টি পোৱা যায়। এটা ভাল শিক্ষা ব্যৱস্থা গঢ় দিয়াৰ বাবে সমাজৰ জ্ঞান অতি প্ৰয়োজনীয়। ইতিহাসে পৰিঘটনা আৰু প্ৰতিষ্ঠানক যিদৰে আছিল তেনেদৰেই অধ্যয়ন কৰে আৰু শিক্ষা সমাজবিজ্ঞানে শৈক্ষিক দৃষ্টিকোণৰ পৰা মানুহ আৰু এই প্ৰতিষ্ঠানসমূহৰ সামাজিক সম্পৰ্ক অধ্যয়ন কৰে।

২) **ৰাজনীতিবিজ্ঞান ঃ** শৈক্ষিক সমাজবিজ্ঞান আৰু ৰাজনীতিবিজ্ঞানৰো ইটোৱে সিটোৰ লগত ওতপ্ৰোত সম্পৰ্ক আছে। শিক্ষা সমাজবিজ্ঞানৰ দৰে ৰাজনীতিবিজ্ঞান হৈছে সমাজবিজ্ঞানৰ এটা শাখা— যিয়ে নীতিসমূহৰ সৈতে জড়িত।

মানৱ সমাজৰ সংগঠন আৰু শাসন ব্যৱস্থা। ইয়াত এখন ৰাজ্যত সংগঠিত সামাজিক গোটৰ বিষয়ে আলোচনা কৰা হৈছে। শৈক্ষিক সমাজবিজ্ঞানেও এখন ৰাজ্যৰ মানুহৰ শৈক্ষিক সমস্যাৰ বিষয়ে আলোচনা কৰে আৰু সেয়ে ৰাজনীতিবিজ্ঞান আৰু শৈক্ষিক সমাজবিজ্ঞান পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল। শাসনৰ ৰূপ যিমানেই ভাল হ'ব সিমানেই শৈক্ষিক সমস্যা কম আৰু শিক্ষকৰ লগতে শিক্ষক উভয়ৰে বাবে অধিক সৌহাৰ্দ্যপূৰ্ণ পৰিৱেশৰ প্ৰচলন হয়। দুয়োটা বিষয়ৰ ভাল বুজাবুজিৰ জৰিয়তেহে আদৰ্শ সামাজিক জীৱন আৰু গণতান্ত্ৰিক অনুভূতিৰ জন্ম দিয়া হয়।

৩) **নৃতত্ত্ব ঃ** আজি স্পষ্ট হৈ পৰিছে যে নৃতত্ত্ব আৰু শৈক্ষিক সমাজবিজ্ঞানৰ এক অন্তৰংগ সম্পৰ্ক আছে। নৃতত্ত্বই মানুহ আৰু তেওঁৰ সংস্কৃতিৰ বিৱৰ্তন আৰু বিকাশৰ বিষয়ে আলোচনা কৰে আৰু শৈক্ষিক সমাজবিজ্ঞানেও মানুহৰ বিকাশ, তেওঁলোকৰ শিক্ষা আৰু শিক্ষাৰ

জৰিয়তে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ সংস্কৃতিৰ সংক্ৰমণক গুৰুত্ব প্ৰদান কৰে। নৃতত্ত্বই সেই সামগ্ৰী যোগান ধৰে— যাৰ ওপৰত শৈক্ষিক সমাজবিজ্ঞান নিৰ্ভৰশীল। আজি পৃথিৱীত এখন দেশৰ এজন ব্যক্তি আন এখন দেশৰ সংস্কৃতিৰ দ্বাৰা প্ৰভাৱিত হৈছে। সাংস্কৃতিক প্ৰসাৰ ঘটিছে; আধুনিক জীৱন-ধাৰণৰ পদ্ধতিয়ে মানুহক ঘনিষ্ঠ সংস্পৰ্শলৈ আনিছে। নৃতত্ত্বই বিশেষকৈ গোটত মানুহৰ আচৰণৰ প্ৰতিও চিন্তিত। আৰু, শিক্ষা হৈছে এনে এক প্ৰক্ৰিয়া— যিয়ে মানুহৰ আচৰণৰ পৰিৱৰ্তন ঘটাই গোটত জীয়াই থকাৰ তাৎপৰ্য বুজি পায় আৰু সংস্কৃতিৰ প্ৰকৃত অৰ্থ জানিব পাৰে। শৈক্ষিক সমাজবিজ্ঞানে সংস্কৃতিৰ প্ৰভাৱত বহুলাংশে নিৰ্ভৰশীল সমাজিকীকৰণ প্ৰক্ৰিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এইদৰে নৃতত্ত্বই এজন ব্যক্তিৰ ভাল শিক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়ায়। ৰবিন্স, 'শৈক্ষিক সমাজবিজ্ঞান'য়ে সাংস্কৃতিক নৃতত্ত্বৰ ধাৰণাটোৰ বাবে বেনেডিক্ট ৰিড, মার্ডক আৰু লিণ্টনৰ লেখাক বুজায়। আজি নৃতত্ত্বই বিভিন্ন সামাজিক-সাংস্কৃতিক প্ৰয়োজনৰ সম্পৰ্কত বিভিন্ন সমাজ আৰু জাতিৰ শৈক্ষিক আৰ্হি সংগঠিত কৰাত যথেষ্ট সহায়ক বুলি বিবেচিত হৈছে।



১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সমাজবিজ্ঞান শব্দটো প্ৰথমে ফৰাচী দাৰ্শনিক অগাষ্ট কম্টে উদ্ভাৱন কৰিছিল। সেয়ে তেওঁক সমাজবিজ্ঞানৰ পিতৃ হিচাপে গণ্য কৰা হয়।
- সমাজবিজ্ঞান শব্দটো লেটিন শব্দ 'Societus' অৰ্থাৎ সমাজ আৰু গ্ৰীক শব্দ 'Logos' অৰ্থাৎ 'science of' বা 'study of'ৰ পৰা উদ্ভৱ হৈছে।
- সমাজবিজ্ঞানক অধ্যয়ন কৰা আধুনিক বিষয়সমূহৰ ভিতৰত আটাইতকৈ কম বয়সীয়া বিষয় হিচাপে গণ্য কৰা হয়। কিয়নো, সাম্প্ৰতিক সময়ৰ পৰাহে সামাজিক পৰিঘটনাসমূহ অধ্যয়নৰ এক পদ্ধতিগত আৰু বৈজ্ঞানিক প্ৰয়াস কৰা হৈছে।
- শিক্ষা আৰু সমাজৰ মাজৰ আন্তঃসম্পৰ্কৰ অধ্যয়ন শৈক্ষিক সমাজবিজ্ঞান। ই হৈছে শিক্ষা প্ৰক্ৰিয়াত মানৱীয় কাৰকৰ অধ্যয়ন।
- শিক্ষা সমাজবিজ্ঞান বিষয় হিচাপে জৰ্জ পেইন, জন ডিউই, মেকআইভাৰ, মূৰ, গিন্সবাৰ্গ আদি বিখ্যাত সমাজবিজ্ঞানীয়ে বিকশিত কৰিছে।
- জৰ্জ পেইনক শৈক্ষিক সমাজবিজ্ঞানৰ পিতৃ বুলি গণ্য কৰা হয়।
- শৈক্ষিক সমাজবিজ্ঞানৰ এটা মূল উদ্দেশ্য হৈছে বিদ্যালয়ৰ গঠনমূলক কাম-কাজ আৰু সমাজৰ প্ৰতি ইয়াৰ দায়িত্ব বৃদ্ধিত গুৰুত্ব দিয়া।
- সমাজবিজ্ঞানে শিক্ষাৰ অৰ্থ আৰু লক্ষ্য নিৰ্ধাৰণ কৰে।
- সু-নিৰ্মিত পাঠ্যক্ৰমৰ এটা প্ৰধান কাম হ'ল প্ৰতিজন ব্যক্তিৰ মাজত ইতিবাচক সামাজিক

মনোভাব গঢ়ি তোলা।

- শৈক্ষিক সমাজবিজ্ঞানে এই কথাত গুৰুত্ব আৰোপ কৰে যে শিক্ষাই শিশুৰ মাজত আত্ম-অনুশাসনৰ বীজ সিঁচিব লাগিব।
- সৰু ল'ৰা-ছোৱালীৰ ব্যক্তিত্ব গঢ়ি তোলাত শিক্ষকৰ ভূমিকা অতি প্ৰয়োজনীয়— যাতে তেওঁলোক ভৱিষ্যতৰ দায়িত্বশীল নাগৰিক হ'ব পাৰে।
- শৈক্ষিক সমাজবিজ্ঞান আন কিছুমান বিষয় যেনে— ইতিহাস, মনোবিজ্ঞান, নৃতত্ত্ব আৰু ৰাজনীতি বিজ্ঞানৰ সৈতেও ওতপ্ৰোতভাৱে জড়িত।
- শৈক্ষিক সমাজবিজ্ঞান ইতিহাসৰ সৈতে অতি ঘনিষ্ঠভাৱে জড়িত। ইতিহাসে প্ৰাচীন কালৰ পৰা আধুনিক যুগলৈকে সামাজিক শক্তি আৰু প্ৰতিষ্ঠানসমূহৰ অধ্যয়নত গুৰুত্ব আৰোপ কৰে।
- শৈক্ষিক সমাজবিজ্ঞান আৰু ৰাজনীতি বিজ্ঞানৰো ইটোৱে সিটোৰ ওতপ্ৰোত সম্পৰ্ক আছে। শৈক্ষিক সমাজবিজ্ঞানৰ দৰে ৰাজনীতি বিজ্ঞান এটা শাখা।

মানৱ সমাজৰ সংগঠন আৰু চৰকাৰৰ নীতিসমূহৰ সৈতে জড়িত সমাজবিজ্ঞানৰ। ইয়াত এখন ৰাজ্যত সংগঠিত সামাজিক গোটৰ বিষয়ে আলোচনা কৰা হৈছে।

- নৃতত্ত্ব আৰু শৈক্ষিক সমাজবিজ্ঞান দুয়োটাই মানুহৰ বিকাশক গুৰুত্ব দিয়ে। নৃতত্ত্বই সেই সামগ্ৰী যোগান ধৰে— যাৰ ওপৰত শৈক্ষিক সমাজবিজ্ঞান নিৰ্ভৰশীল।
- শৈক্ষিক সমাজবিজ্ঞানে সমাজিকীকৰণ প্ৰক্ৰিয়াত গুৰুত্ব আৰোপ কৰে— যিটো বহুলাংশে সংস্কৃতিৰ প্ৰভাৱৰ ওপৰত নিৰ্ভৰশীল।



১.৭ অধিক জানিবলৈ

১) হেমলাটা, টালচেৰা (২০০৯)। শিক্ষাৰ সমাজবিজ্ঞানসম্মত ভেটি। আনছাৰী ৰোড, দৰিয়াগঞ্জ, নতুন দিল্লী ঃ কনিষ্কা পাব্লিচার্ছ, ডিষ্ট্ৰিবিউটৰ।

২) মাথুৰ, ড° এছ এছ (২০০৮)। ভাৰতীয় শিক্ষাৰ এক সমাজবিজ্ঞানসম্মত দৃষ্টিভংগী। ড° ৰঙেয়া ৰাঘৱ মাৰ্গ, আগ্ৰা ঃ বিনোদ পুস্তক মন্দিৰ।



১.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সমাজবিজ্ঞান শব্দটো প্ৰথমে উদ্ভাৱন কৰিছিল অগাষ্ট কম্টেনামৰ এগৰাকী ফৰাচী দাৰ্শনিকে। লেটিন শব্দ 'societus' অৰ্থাৎ সমাজ আৰু গ্ৰীক শব্দ 'Logos' অৰ্থাৎ 'বিজ্ঞানৰ' বা 'অধ্যয়ন'ৰ পৰা এই শব্দটোৰ উৎপত্তি হৈছে। গতিকে সমাজবিজ্ঞান মানে

সমাজৰ অধ্যয়ন, সামাজিক সম্পৰ্ক আৰু সামাজিক জীৱনৰ অধ্যয়ন।

২ নং প্ৰশ্নৰ উত্তৰ ঃ সমাজবিজ্ঞানৰ দুটা সংজ্ঞা হ'ল—

- মেক্স ৱেবাৰৰ মতে, 'সমাজবিজ্ঞান হৈছে সেই বিজ্ঞান, যিয়ে সামাজিক ক্ৰিয়াৰ ব্যাখ্যাত্মক বুজাবুজিৰ প্ৰয়াস কৰে।'
- অগাষ্ট কম্টে সমাজবিজ্ঞানক সামাজিক পৰিঘটনাৰ বিজ্ঞান বুলি সংজ্ঞায়িত কৰিছে— 'প্ৰাকৃতিক আৰু অপৰিৱৰ্তিত নিয়মৰ অধীনত, যাৰ আৱিষ্কাৰ অনুসন্ধানৰ বস্তু।'

৩ নং প্ৰশ্নৰ উত্তৰ ঃ সমাজবিজ্ঞান শব্দটো প্ৰথমে উদ্ভাৱন কৰিছিল অগাষ্ট কম্টেনামৰ এগৰাকী ফৰাচী দাৰ্শনিকে। ১৮৩৯ চনত তেওঁৰ বিখ্যাত গ্ৰন্থ 'পজিটিভ ফিল'চফি'ত 'সমাজবিজ্ঞান' শব্দটো প্ৰৱৰ্তন কৰে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ সমাজবিজ্ঞান গুৰুত্বপূৰ্ণ কাৰণ:

- ই সমাজখনক বৈজ্ঞানিক পদ্ধতিৰে অধ্যয়ন কৰে।
- ইয়াত প্ৰতিজন ব্যক্তিৰ বিকাশত প্ৰতিটো সামাজিক প্ৰতিষ্ঠানৰ ভূমিকা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা হয়।
- সামাজিক সমস্যা সমাধানত ই অতি উপযোগী।
- বিদ্যালয়-মহাবিদ্যালয়ত অধ্যয়নৰ বিষয় হিচাপে ই অতি উপযোগী।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ শৈক্ষিক সমাজবিজ্ঞান সমাজবিজ্ঞানৰ এটা গুৰুত্বপূৰ্ণ শাখা। শিক্ষা ব্যৱস্থাৰ উন্নতিৰ মূল উদ্দেশ্যৰে শিক্ষাৰ ক্ষেত্ৰত সমাজবিজ্ঞানসম্মত নীতি প্ৰয়োগৰ সৈতে জড়িত। ইয়াত শিক্ষা আৰু সমাজবিজ্ঞানৰ ঘনিষ্ঠ সম্পৰ্ক আলোকপাত কৰা হৈছে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ শৈক্ষিক সমাজবিজ্ঞানৰ দুটা সংজ্ঞা হ'ল—

- কুক আৰু কুকৰ মতে, 'শৈক্ষিক সমাজবিজ্ঞান হৈছে শিক্ষা প্ৰক্ৰিয়াত মানৱীয় কাৰকৰ অধ্যয়ন, যাৰ লক্ষ্য হৈছে সকলো ধৰণৰ শিক্ষা ব্যৱস্থাত পাঠদান আৰু শিক্ষণৰ উন্নতি।'
- আৰ স্মিথৰ মতে, 'শৈক্ষিক সমাজবিজ্ঞান হৈছে শিক্ষাৰ অধ্যয়নত সমাজবিজ্ঞানৰ বৈজ্ঞানিক পদ্ধতি আৰু নীতিৰ প্ৰয়োগ।'



১.৯ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১০০-১৫০ শব্দৰে দিয়ক)

প্ৰশ্ন ১ ঃ সমাজবিজ্ঞানৰ ইতিহাস সন্দৰ্ভত এটা চমু টোকা দিয়ক।

প্ৰশ্ন ২ ঃ শিক্ষা আৰু সমাজবিজ্ঞানৰ মাজৰ সম্পৰ্ক ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ শৈক্ষিক সমাজবিজ্ঞানৰ উদ্দেশ্যসমূহ চমুকৈ ব্যাখ্যা কৰা।

(খ) দীঘলীয়া প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ শব্দৰে দিয়ক)

প্ৰশ্ন ১ ঃ অধ্যয়নৰ বিষয় হিচাপে সমাজবিজ্ঞানৰ গুৰুত্বৰ বিষয়ে বিতংভাৱে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ শৈক্ষিক সমাজবিজ্ঞানৰ উদ্দেশ্য উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ শৈক্ষিক সমাজবিজ্ঞান আৰু ৰাজনীতিবিজ্ঞান আৰু নৃতত্ত্বৰ সম্পৰ্ক চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ শৈক্ষিক সমাজবিজ্ঞানৰ পৰিসৰৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ২ ঃ সামাজিকীকৰণ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ সামাজিকীকৰণৰ অর্থ

- ২.৩.১ সামাজিকীকৰণৰ সংজ্ঞা
- ২.৩.২ সামাজিকীকৰণৰ উপাদনসমূহ
- ২.৩.৩ সামাজিকীকৰণৰ প্রকাৰসমূহ
- ২.৩.৪ সামাজিকীকৰণৰ স্তৰসমূহ
- ২.৩.৫ সামাজিকীকৰণৰ কাৰকসমূহ
- ২.৩.৬ সামাজিকীকৰণৰ প্রয়োজনীয়তা

২.৪ সামাজিকীকৰণৰ মাধ্যমসমূহ

২.৫ সামাজিক প্রক্রিয়াৰ অর্থ

- ২.৫.১ সামাজিক প্রক্রিয়াৰ সংজ্ঞা
- ২.৫.২ সামাজিক প্রক্রিয়াৰ উপাদানসমূহ
- ২.৫.৩ সামাজিক প্রক্রিয়াৰ ভাগসমূহ

২.৬ সামাজিক পাৰস্পৰিক ক্রিয়াৰ অর্থ

- ২.৬.১ সামাজিক প্রক্রিয়াৰ উপাদানসমূহ
- ২.৬.২ সামাজিক প্রক্রিয়াৰ ভাগসমূহ

২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৮ অধিক জানিবলৈ

২.৯ অগ্রগতিৰ খতিয়ান

২.১০ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সামাজিকীকৰণৰ শব্দটো ব্যাখ্যা কৰিব পাৰিব।
- সামাজিকীকৰণৰ বৈশিষ্ট্যসমূহ চিনাক্ত কৰিব পাৰিব।
- সামাজিকীকৰণৰ প্রক্রিয়াসমূহ বর্ণনা কৰিবলৈ সক্ষম হ'ব।
- সামাজিক পাৰস্পৰিক ক্রিয়াৰ প্রয়োজনীয়তা সম্পর্কে আলোচনা কৰিব পাৰিব।

২.২ পৰিচয়

মানুহেই হ'ল একমাত্ৰ প্ৰাণী যাৰ সামাজিক সত্তা আছে। বিভিন্ন সামাজিক সংগঠনৰ প্ৰভাৱৰ ফলস্বৰূপে মানুহৰ ব্যক্তিত্বৰ বিকাশ সম্ভৱপৰ হৈ উঠে। জন্মৰ পিছ মুহূর্তৰ পৰাই শিশু এটিক সামাজিক হিচাপে গঢ় দিয়াৰ প্ৰচেষ্টা আৰম্ভ হয়। 'সামাজিকীকৰণ'ৰ প্ৰক্ৰিয়াৰ জৰিয়তে শিশু এটিয়ে সমাজৰ গুনগত মান, বিশ্বাস, মূল্যবোধ ইত্যাদিৰ শিক্ষা আহৰণ কৰে। এই প্ৰক্ৰিয়া অবিহনে কোনো ব্যক্তিয়ে বিকাশ লাভ কৰা সম্ভৱ নহয়। লগতে সমাজ এখনো বৰ্তি থকা সম্ভৱপৰ নহয়। এই অধ্যায়ত আপোনালোকে সামাজিকীকৰণৰ প্ৰক্ৰিয়াৰ বিষয়ে বিশদভাৱে জানিবলৈ সক্ষম হৈ উঠিব।

২.৩ সামাজিকীকৰণৰ অর্থ

সামাজিকীকৰণ হ'ল এক বহলভাৱে ব্যৱহৃত শব্দ। সমাজবিজ্ঞানী, সামাজিক মনোবিজ্ঞানী, ৰাজনীতি বিজ্ঞানী, শিক্ষাবিদ আৰু অন্যান্য কিছু লোকৰ মতে সামাজিকীকৰণ হ'ল এক জীৱনব্যাপী চলা প্ৰক্ৰিয়া— যাৰ জৰিয়তে সমাজৰ নতুন প্ৰজন্মই পুৰণি ৰীতি-নীতি, পৰম্পৰা, মূল্যাবোধ, বিশ্বাস, আদর্শ ইত্যাদি আহৰণ কৰি লয়। লগতে সমাজৰ বিভিন্ন কার্য সম্পন্ন কৰাৰ বাবে কৌশল আৰু অভ্যাসৰ বিকশিত কৰে। ইয়াৰ দ্বাৰা বুজিব পাৰি যে সামাজিকীকৰণ হ'ল এক উপায়— যাৰ দ্বাৰা সামাজিক আৰু সাংস্কৃতিক ক্ৰমিকতা ৰক্ষা কৰিব পাৰি।

সামাজিকীকৰণ প্ৰধানকৈ সংস্কৃতিৰ দ্বাৰা প্ৰভাৱিত হয়। যিহেতু প্ৰত্যেক সমাজৰে নিজস্ব এক বিশেষ সংস্কৃতি থাকে, সেই অনুসৰি প্ৰত্যেক সমাজৰে সামাজিকীকৰণ প্ৰক্ৰিয়াত ভিন ভিন হোৱা দেখা যায়। প্ৰত্যেক ব্যক্তিয়ে নিজস্ব সংস্কৃতিৰ দ্বাৰা প্ৰভাৱিত হয় আৰু সেইবাবেই ভিন ভিন সমাজত বসবাস কৰা লোকসকলৰ ব্যক্তিত্ব আৰু আচৰণত পার্থক্য পৰিলক্ষিত হয়। প্ৰতিগৰাকী ব্যক্তিয়েই বর্ধনৰ লগে লগে নতুন নতুন অভিজ্ঞতা আহৰণ কৰে আৰু এই অভিজ্ঞতাসমূহেই তেওঁক এক সামাজিক লোক হিচাপে পৰিচয় কৰায়।

২.৩.১ সামাজিকীকৰণৰ সংজ্ঞা

প্ৰখ্যাত সমাজবিজ্ঞানীসকলে সামাজিকীকৰণৰ সংজ্ঞা নিম্নলিখিত ধৰণে আগবঢ়াইছে ঃ

- মেকাইভাৰৰ (Maciver) মতে, 'সামাজিকীকৰণ হ'ল এক প্ৰক্ৰিয়া, যাৰ জৰিয়তে সমাজৰ ব্যক্তিসকলে ইজনে সিজনৰ লগত ব্যাপক আৰু গড় সম্পর্ক স্থাপন কৰে— য'ত তেওঁলোকে অধিক নিয়ন্ত্রিত হয় তথা নিজৰ লগতে অইনৰ ব্যক্তিত্ব সম্পর্কে সচেতন হয় আৰু নিকটতম আৰু বহল সংগঠনক এক জটিল গাঁথনি তৈয়াৰ কৰে'। (Socialization is the process by which social beings

establish wider and profounder relationships with one another, in which they become more bound up with and more perceptive of the personality of themslves and of others and build up the complex steucture of nearer and wider association.)

- অগবার্নৰ (Ogburn) মতে, 'সামাজিকীকৰণ হ'ল এক প্রক্রিয়া— যাৰ জৰিয়তে ব্যক্তিয়ে সামাজিকসমূহৰ মানসমূহ মানি চলিবলৈ শিক্ষা লাভ কৰে।' (Socialization is the process by which the indivdual learns to conform to the norms of the group.)
- গ্রীনৰ (Green) মতে সামাজিকীকৰণ হ'ল এক প্রক্রিয়া— যাৰ দ্বাৰা শিশুৱে সাংস্কৃতিক উপাদানৰ সৈতে ব্যক্তি সত্তা আৰু ব্যক্তিত্ব আহৰণ কৰে। (Socialization is the process by which the child acquires a cultural content, along with selfhood and personality.)
- ব'গাৰডাছৰ (Bogardus) মতে, সামাজিকীকৰণ দলীয়ভাৱে কাম কৰা, দলীয় দায়িত্ব বিকশিত কৰা অথবা অইনৰ মংগলৰ বাবে কাম কৰাৰ নির্দেশনা দান কৰাৰ এক প্রক্রিয়া। (Socialization is the process of working together, of developing group responsibility or being guided by the welfare needs of others.)
- পিটাৰ বৰ্চলীৰ (Pete worly) মতে, সামাজিকীকৰণ সংস্কৃতি হস্তান্তৰ, মানুহক সামাজিক দলৰ ৰীতি-নীতি আৰু প্রতিমানসমূহৰ শিক্ষা প্রদান কৰাৰ এক প্রক্রিয়া। (Socialization is the process of hansmistion of culture the process whereby men learn the rules and practices of social groups.)
- লুণ্ডবার্গে (Lundbeg) কৈছিল— সামাজিকীকৰণ পাৰস্পৰিকতাৰে এক জটিল প্রক্রিয়াৰ দ্বাৰা গঠিত— য'ত ব্যক্তিয়ে অভ্যাস, বিশ্বাস, দক্ষতা আৰু বিচাৰৰ মান শিকি লয়; যিবোৰ সামাজিক দল আৰু সম্প্রদায়ত ফলপ্রসূ অংশগ্রহণৰ বাবে প্রয়োজনীয়। (Socialization consists of the comflex processes of interaction through which the individual learns the habits, beliefs, skills and standards of judgement that are necessary for his effective harticipation in social groups and communities.)

ওপৰত উল্লেখিত সংজ্ঞাসমূহৰ পৰা এয়া স্পষ্ট হয় যে সামাজিকীকৰণ হ'ল এক প্রক্রিয়া— যাৰ দ্বাৰা নৱজাত শিশু এটিক লাহে লাহে সামাজিক ব্যক্তি হিচাপে গঢ়ি তোলা হয়। এয়া হ'ল এক সামাজিক শিকন— যিটো ব্যক্তিৰ জীৱনজুৰি চলি থাকে। ইয়াৰ দ্বাৰা ব্যক্তিয়ে নতুন ৰীতি-নীতি, নতুন আচৰণৰ ধৰণ, নতুন অভিজ্ঞতা

আহৰণ কৰাৰ লগতে পুৰণি কৰ্তব্য এৰি নতুন কৰ্তব্য আঁকোৱালি লয়।

সামাজিকীকৰণ প্ৰক্ৰিয়াই ব্যক্তিক নিজৰ 'আত্ম'ক উপলব্ধি কৰায়। ইয়াৰ দ্বাৰা ব্যক্তিৰ স্বকীয় ব্যক্তি সত্তা গঢ় লৈ উঠে— যিয়ে তেওঁক বিশেষ ৰূপে গঢ়ি তোলে। শিশু এটি বৰ্ধনৰ লগে লগে ভাল-বেয়া, শুদ্ধ-অশুদ্ধ, নৈতিক-অনৈতিক, গ্ৰহণযোগ্য-গ্ৰহণৰ অযোগ্য ইত্যাদি সম্পৰ্কে সজাগ হৈ উঠে। এইবোৰ সামাজিকীকৰণৰ ফলতেই সংঘটিত হয়।

২.৩.২ সামাজিকীকৰণৰ উপাদানসমূহ

সামাজিকীকৰণৰ তিনিটা প্ৰাথমিক উপাদান আছে। সেয়া হ'ল—

- **ব্যক্তিৰ শাৰীৰিক আৰু মনোবৈজ্ঞানিক সংলক্ষণসমূহ ঃ** প্ৰত্যেক শিশুৱে এক বিশেষ শাৰীৰিক আৰু মনোবৈজ্ঞানিক সংলক্ষণ লৈ জন্ম লাভ কৰে। যদি শিশুটিৰ সংলক্ষণসমূহ প্ৰয়োজন অনুসাৰে কম হয় তেন্তে শিশুটিয়ে পৰিৱেশৰ উপযুক্ত এক মাধ্যম গতিত পৰিৱেশৰ পৰা নতুন নতুন জ্ঞান আহৰণ কৰে। আনহাতে উচ্চ বুদ্ধিসম্পন্ন শিশুৱে পৰিৱেশ পৰা তীব্ৰগতিত জ্ঞান অৰ্জন কৰে। তাৰ বিপৰীতে অনগ্ৰসৰ শিশুৱে জ্ঞান অভিজ্ঞতা অৰ্জন কৰাৰ ক্ষেত্ৰত বিপৰীত ফলাফল প্ৰদৰ্শন কৰে।
- **চৌপাশৰ পৰিৱেশ ঃ** ব্যক্তিৰ সামাজিকীকৰণৰ ক্ষেত্ৰত পৰিৱেশ হ'ল এক প্ৰধান উপাদান। ব্যক্তিৰ বিকাশৰ দিশতো পৰিৱেশে যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে। পৰিয়াল, বিদ্যালয়, অন্যান্য সামাজিক সংগঠনসমূহ তথা ৰাজ্যখনে ব্যক্তিৰ সামাজিক আচৰণ নিৰ্ধাৰণ কৰে। নিজ নিজ সমাজৰ সংস্কৃতিয়ে ব্যক্তিক বিভিন্ন বিশ্বাস, মূল্যবোধ, আদৰ্শ, গুনগত মান আদি মানি চলাত সহায় আগবঢ়ায়। ব্যক্তিৰ ব্যক্তিগত সংলক্ষণসমূহ আৰু সামাজিক-সাংস্কৃতিক পৰিৱেশে সামাজিকীকৰণ সংঘটিত হোৱাত অৰিহণা যোগায়।
- **জীৱনজোৰা অভিজ্ঞতা ঃ** ব্যক্তিয়ে জীৱনজুৰি আহৰণ কৰা অভিজ্ঞতাসমূহেও ব্যক্তিক নিত্য নতুন জ্ঞান অৰ্জন কৰাত সহায় কৰে। সুখৰ অভিজ্ঞতাসমহে ব্যক্তিক সমাজৰ নীতি-নিয়ম মানি চলিবলৈ উৎসাহিত কৰে। আনহাতে দুখৰ অভিজ্ঞতাসমূহে পৰম্পৰাগত বিশ্বাসসমূহ পৰা মানুহৰ আস্থা নোহোৱা কৰে। যেতিয়া এটি শিশুক কিবা এটা কাম কৰিবৰ বাবে হেঁচা প্ৰয়োগ কৰা হয় তেতিয়া সেই কামটোক শিশুটিয়ে শাস্তিস্বৰূপে গণ্য কৰে আৰু অপ্ৰাসংগিক আচৰণ প্ৰদৰ্শন কৰে। আনহাতে কেতিয়াবা কষ্টকৰ অভিজ্ঞতা ব্যক্তিক ধনাত্মকভাৱে সামাজিক কৰি তোলে।

গতিকে এইটো লক্ষ্যণীয় হয় যে এগৰাকী ব্যক্তি এই তিনিটা উপাদানৰ পাৰস্পৰিক ক্ৰিয়াৰ ফলত সামাজিকভাৱে গঢ় লয়।

২.৩.৩ সামাজিকীকৰণৰ প্ৰকাৰসমূহ

তলত সামাজিকীকৰণৰ বিভিন্ন প্ৰকাৰসমূহ উল্লেখ কৰা—

- **প্ৰাথমিক সামাজিকীকৰণ ঃ** এই সামাজিকীকৰণেই হ'ল অন্যান্য সামাজিকীকৰণসমূহৰ ভেটি। এটি শিশু পৰিয়ালত জন্মগ্ৰহণৰ কৰি লাহে লাহে মূল্যবোধ, বিশ্বাস, নীতি-নিয়ম ইত্যাদি শিকি সমাজখনৰ এক দায়িত্বশীল সদস্য হিচাপে পৰিগণিত হয়।
- **গৌণ সামাজিকীকৰণ ঃ** এই সমাজিকীকৰণ পৰিয়ালৰ বাহিৰত অন্যান্য সামাজিক সংগঠন যেনে— বিদ্যালয়, ক্লাব, ধৰ্মীয় অনুষ্ঠান ইত্যাদিৰ প্ৰভাৱত সংঘটিত হয়। সমাজৰ বহল পৰিসৰৰ মাজত নতুন জ্ঞান অৰ্জন কৰি আচৰণৰ সংশোধন সম্ভৱ হৈ উঠে। এয়া হ'ল বৃহত্তৰ সমাজৰ অন্তৰ্গত ক্ষুদ্ৰ ক্ষুদ্ৰ দলসমূহৰ প্ৰভাৱৰ ফলাফল।
- **প্ৰত্যাশিত সামাজিকীকৰণ ঃ** এই প্ৰকাৰ হ'ল ব্যক্তিয়ে ভৱিষ্যতে অধিকাৰ কৰিব পৰা স্থান, বৃত্তি বা সম্পৰ্কৰ এক প্ৰত্যাশা বা পূৰ্বাভাস। প্ৰায় ক্ষেত্ৰতেই পৰিলক্ষিত হয় যে শিশুৰ বৃত্তি বা কৰ্মজীৱন নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত অভিভাৱক অথবা শিক্ষকে প্ৰত্যাশিত সামাজিকীকৰণৰ মূল উৎস।
- **সাংগঠনিক সামাজিকীকৰণ ঃ** এইটো হ'ল এক পদ্ধতি— যাৰ দ্বাৰা ব্যক্তিয়ে কোনোধৰণৰ সংগঠন, যেনে— বিদ্যালয়, ক্লাৱ, কৰ্মক্ষেত্ৰ ইত্যাদিত সমাযোজন কৰি ল'বৰ বাবে জ্ঞান আৰু দক্ষতা আহৰণ কৰে। ইয়াৰ দ্বাৰা সংগঠনটোৰ বিভিন্ন কাৰ্যাৱলীত অংশগ্ৰহণ কৰিবৰ বাবে ব্যক্তিয়ে শিক্ষা লাভ কৰে। চমুকৈ ক'বলৈ হ'ল ব্যক্তিয়ে সাংগঠনিক মূল্যবোধ আৰু নিয়ম-কানুন মানি চলিবলৈ শিকে।
- **লিঙ্গ সামাজিকীকৰণ ঃ** এই প্ৰকাৰ সামাজিকীকৰণত লিঙ্গভেদে ব্যক্তিৰ ভূমিকা নিৰ্দেশ কৰা হয়। ল'ৰাই কেৱল ল'ৰাৰ বাবে নিশেষভাৱে নিৰ্ধাৰিত কাৰ্যসমূহ কৰে। লিঙ্গৰ লগত জড়িত আদৰ্শ আৰু আকাংখাসমূহ উৎসাহিত কৰাৰ ক্ষেত্ৰত পৰিয়ালে বিশেষ ভূমিকা গ্ৰহণ কৰে।
- **ধনাত্মক সামাজিকীকৰণ ঃ** ইয়াত সকলোধৰণৰ সন্তোষজনক আৰু সুখী অভিজ্ঞতাসমূহ অন্তৰ্ভুক্ত কৰা হয়। এয়া স্বাভাৱিক যে ব্যক্তিয়ে সদায় ধনাত্মক সম্পৰ্ক ৰক্ষা কৰা ব্যক্তিৰ লগত সংস্পৰ্শ ৰাখিবলৈ আগ্ৰহী হয়। এই অভিজ্ঞতাসমূহেই অভিৰোচন, মৰম, যত্ন আৰু পুৰস্কাৰ যোগ্য ঘটনাৰ উৎস হিচাপে দেখা দিয়ে।
- **ঋণাত্মক সামাজিকীকৰণ ঃ** এয়া হ'ল ধনাত্মক সামাজিকীকৰণৰ বিপৰীত দিশ। ইয়াত শাস্তি, হিংসা, শত্ৰুতা, খং ইত্যাদি অন্তৰ্ভুক্ত হয়। ব্যক্তিৰ সৈতে ঋণাত্মক

সমাযোজনৰ ফলত দুখ, হতাশ ভাব, বিষণ্ণতা আৰু জীৱনৰ প্ৰতি নিৰাশা ভাব গঢ় লৈ উঠে।

পুনৰ সমাযোজন ঃ এই প্ৰকাৰ সমাযোজনত ব্যক্তিয়ে পুৰণি আচৰণ ত্যাগ কৰি নতুন আঁকোৱালি লয়। ইয়াত ব্যক্তিয়ে পুৰণিক বাদ দি সম্পূৰ্ণ নতুন পৰিৱেশত নিজকে সমাযোজিত কৰি লয়। যেতিয়া ব্যক্তিৰ সামাজিক ভূমিকাত ক্ষিপ্ৰ পৰিৱৰ্তন আহে তেনে সময়ত এনে ধৰণৰ সামাজিকীকৰণ সম্ভৱ হয়। উদাহৰণস্বৰূপে এগৰাকী ব্যক্তিয়ে ঘৰৰ পৰিৱেশ এৰি আৰ্মীত যোগদান কৰিলে। তেওঁ সম্পূৰ্ণ নতুন পৰিৱেশ লাভ কৰে আৰু তেনেদৰে নিজকে সমাযোজন কৰি লয়। এনেক্ষেত্ৰত ব্যক্তিগৰাকীয়ে পুৰণি আচৰণ সংশোধন কৰি নতুন অভিজ্ঞতাৰ জৰিয়তে ধনাত্মকভাৱে নিজকে সমাযোজিত কৰি লয়।

সামাজিকীকৰণৰ সামাজিকতা আৰু সমাজবাদৰ পৰা পৃথক কৰিব পাৰি। সামাজিকতা হ'ল একপ্ৰকাৰ গুণ, এয়া হ'ল ব্যক্তিৰ অন্য ব্যক্তিৰ সৈতে মুক্তভাৱে মিলা-মিচা কৰিব পৰা এক গুণ। সামাজিকীকৰণ হ'ল এক পদ্ধতি— যাৰ দ্বাৰা ব্যক্তিক সামাজিক প্ৰাণী হিচাপে গঢ়ি তোলা হয়। আনহাতে সমাজবাদ হ'ল এক তত্ত্ব— যাৰ দ্বাৰা সমাজ এখনৰ গাঁথনি নিৰ্ধাৰণ কৰা হয়।

২.৩.৪ সামাজিকীকৰণৰ স্তৰসমূহ

সামাজিকীকৰণ হঠাতে সংঘটিত নহয়। ই এক ক্ৰমাগতভাৱে হোৱা প্ৰক্ৰিয়া। সামাজিকীকৰণ চাৰিটা স্তৰৰ মাজেৰে মম্পন্ন হয়। সেইবোৰ হ'ল—

- **মৌখিক স্তৰ ঃ** এই স্তৰ শিশু এটিৰ জন্ম সময়ত আৰম্ভ হৈ প্ৰায় এবছৰলৈ চলি থাকে। ভাষা বিকাশৰ পূৰ্বে শিশুৱে বিভিন্ন শাৰীৰিক আৰু আৱেগিক প্ৰয়োজন প্ৰকাশৰ বাবে মাতৃৰ ওপৰত নিৰ্ভৰ কৰে। লগতে বিভিন্ন শাৰীৰিক অংগী-ভংগী ব্যৱহাৰ কৰে। লাহে লাহে সময় পাৰ হোৱাৰ লগে লগে শিশুটিয়ে পিতৃ বা পৰিয়ালৰ আন সদস্যৰ প্ৰতি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে— যিয়ে উপযুক্ত মৰম আৰু যত্ন প্ৰদৰ্শন কৰে। ছিগমাণ্ড ফ্ৰয়েডৰ মতে, এই স্তৰটো হ'ল শিশুৰ বাবে 'প্ৰাথমিক চিনাক্তকৰণ'।
- **পায়ুস্তৰ ঃ** এই স্তৰ এবছৰ বয়সৰ পিছত আৰম্ভ হৈ দুবছৰলৈ বৰ্তি থাকে। এই স্তৰত শিশুৱে কিছুমান সৰু সৰু কাৰ্য যেনে— নিজৰ কাপোৰ চাফা কৰা, খোৱা ইত্যাদি সম্পাদনৰ জৰিয়তে অত্মনিৰ্ভশীল হ'বলৈ শিকে। এই স্তৰতে শিশুক শৌচাচাৰ সম্বন্ধীয় শিক্ষা দিয়া হয়। এই ক্ষেত্ৰত শিশুক নিজ সামাজিক পৰিৱেশত অংশগ্ৰহণ আৰু ইয়াৰ প্ৰতি সচেতন হোৱাৰ বাবে সামাজিকীকৰণে সহায় কৰে। পৰিয়ালৰ আন সদস্য আৰু মাক-দেউতাকৰ পৰা লাভ কৰা মৰম-স্নেহৰ বিনিময়ত শিশুৱে অনুকৰণ মাধ্যমেৰে তেওঁলোকে আকাংক্ষা কৰা ধৰণে আচৰণ

প্ৰদৰ্শন কৰাৰ চেষ্টা চলায়। এই স্তৰৰ পৰা কিছুমান 'শুদ্ধ' আৰু 'অশুদ্ধ' কাৰ্যৰ পাৰ্থক্যও শিশুৱে অনুভৱ কৰিবলৈ শিকি লয়। এই স্তৰত শিশুক মাকে কিছুমান চাহিদা পূৰণ কৰাৰ জৰিয়তে বা কিছুমান অপ্ৰাসংগিক ইচ্ছাত বাধা প্ৰদানৰ জৰিয়তে সামাজিকীকৰণ কৰি তোলাৰ মুখ্য ভূমিকা পালন কৰে।

- **সুপ্ত স্তৰ ঃ** এই স্তৰ শিশুৰ জীৱনৰ চাৰি বছৰ বয়সৰ পৰা আৰম্ভ হৈ প্ৰাক্ কৈশোৰ কাল বা তেৰ- চৈধ্য বছৰলৈ চলি থাকে। ফ্ৰয়েডৰ মতে, এই স্তৰত ল'ৰাসকলে মাতৃৰ প্ৰতি (অডিপাছ গ্ৰন্থি) আৰু ছোৱালীসকলে পিতৃৰ প্ৰতি (ইলেক্ট্ৰা গ্ৰন্থি) আকৰ্ষণ অনুভৱ কৰে। এই তত্ত্ব কিছুমান সামাজিক মনোবিজ্ঞানীৰ মতে গ্ৰহণযোগ্য নহয়। এই স্তৰত নিজ নিজ সামাজিক সংস্কৃতি অনুসৰি ল'ৰাই ল'ৰাৰ দৰে আৰু ছোৱালীয়ে ছোৱালীৰ দৰে আচৰণ কৰিবলৈ শিকে।
- **কৈশোৰ স্তৰ ঃ** এই স্তৰটো কৈশোৰকালত আৰম্ভ হয়। এই সময়ত ল'ৰা-ছোৱালীৰ ওপৰত বন্ধুবৰ্গৰ প্ৰভাৱ অধিক হয় আৰু মাক-দেউতাক, জ্যেষ্ঠজনৰ শাসনৰ পৰা মুক্ত হ'বলৈ বিচাৰে। অভিভাবকসকলে ল'ৰা-ছোৱালীৰ কাৰ্যত তীক্ষ্ণ দৃষ্টি ৰখা বাবে দুয়োপক্ষৰ মাজত প্ৰায়েই মতানৈক্য সৃষ্টি হোৱা দেখা যায়। বৰ্তমান এই স্তৰত শিক্ষা, জীৱিকা বা বিবাহৰ ক্ষেত্ৰত ল'ৰা-ছোৱালীয়ে অধিক স্বাধীনতা বিচাৰে। এই স্তৰত ল'ৰা-ছোৱালীয়ে নিজস্বভাৱে নিজৰ সত্তাক উপলব্ধি কৰি নতুন আচৰণ আয়ত্ত কৰি লয়। এইদৰে সামাজিকীকৰণ সম্ভৱপৰ হৈ উঠে।
- **প্ৰাপ্তবয়স্ক সামাজিকীকৰণ ঃ** সামাজিকীকৰণ এক জীৱনজোৰা প্ৰক্ৰিয়া। এজন ব্যক্তিয়ে মৃত্যুৰ আগমুহূৰ্তলৈ নতুন নতুন অভিজ্ঞতা আহৰণ কৰি থাকে। এগৰাকী প্ৰাপ্তবয়স্ক ব্যক্তিয়ে পৰিয়াল অথবা আন সামাজিক অনুষ্ঠানৰ দায়িত্ব পালন কৰিবলৈ শিকি লয়। এই স্তৰত সামাজিকীকৰণ কৈশোৰকালৰ তুলনাত সহজ হৈ উঠে। কাৰণ ব্যক্তিৰ চিন্তাশক্তি আৰু বিচাৰশক্তি বহু পৰিমাণে বিকশিত হৈ উঠে। জীৱন কঠিন প্ৰত্যাহ্বানসমূহৰ সন্মুখীন হ'বলৈ ব্যক্তিয়ে নতুন নতুন জ্ঞান আৰু দক্ষতা আহৰণ কৰিবৰ বাবে অভিৰোচিত হয়।

২.৩.৫ সামাজিকীকৰণৰ কাৰকসমূহ

ওপৰত উল্লেখ কৰা মতে সামাজিকীকৰণ হ'ল এক প্ৰক্ৰিয়া— যাৰ সহায়ত ব্যক্তিয়ে সমাজৰ গুনগত মান, আদৰ্শ, অভ্যাস, মূল্যবোধ, বিশ্বাস ইত্যাদি শিকি লয়। এই প্ৰক্ৰিয়া চাৰিটা কাৰকৰ ফল। সেইবোৰ হ'ল —

- **অনুকৰণ ঃ** সৰল অৰ্থত অনুকৰণ হ'ল আনৰ কাম-কাজ নিৰীক্ষণ কৰি একে প্ৰক্ৰিয়াৰে নিজেও কাৰ্য সম্পাদন কৰা প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়া সচেতনো হ'ব পাৰে, অসচেতনভাৱেও হ'ব পাৰে। বিবেচনামূলকো হ'ব পাৰে, স্বতঃস্ফূৰ্তও

হ'ব পাৰে। অনুকৰণৰ দ্বাৰা সম্পাদিত কার্যসমূহ এজন ব্যক্তিৰ লগত আন এজন ব্যক্তিৰ সম্পূর্ণ একে হোৱা পৰিলক্ষিত হয়। শৈশৱকাল আৰু আগতীয়া বাল্যকালত হোৱা সমাযোজনসমূহ অনুকৰণৰ দ্বাৰাই পৰিচালিত হয়। লাহে লাহে পৰিপক্কতা অহাৰ ফলত অনুকৰণৰ প্ৰৱণতা কমি আহিবলৈ আৰম্ভ কৰে।

- **অভিভাৱন ঃ** নিজৰ কিছুমান সমস্যা সমাধানৰ বাবে আন ব্যক্তিৰ দিহা-পৰামর্শ লোৱাকে অভিভাৱন বুলি কোৱা হয়। অভিভাৱনে সামাজিক আচৰণৰ লগতে ব্যক্তিৰ ব্যক্তিগত আচৰণকো প্ৰভাৱিত কৰে। অভিভাৱন ভাষা, ছবি অথবা অন্য মাধ্যমৰ জৰিয়তে সম্ভৱ হৈ উঠিব পাৰে। অনুকৰণৰ লেখীয়া অভিভাৱনো শিশুৰ বয়স বৃদ্ধিৰ লগে লগে কমি আহিবলৈ আৰম্ভ কৰে। দিহা-পৰামর্শ গ্ৰহণ কৰাৰ ক্ষেত্ৰত পৰামর্শদাতাগৰাকীৰ সামাজিক স্থিতিও প্ৰভাৱ পেলোৱা পৰিলক্ষিত হয়।
- **চিনাক্তকৰণ ঃ** চিনাক্তকৰণ হ'ল কোনো এটা বস্তুক আন এটাৰ পৰা পৃথক কৰি দেখুওৱা। এটি শিশুৱে নিজৰ আৰু পৰিৱেশৰ আন বস্তুৰ মাজত পার্থক্য বুজি উঠিব নোৱাৰে। সেইবাবে শিশুৰ বেছিভাগ কার্য স্থায়ী নহয়। বর্ধনৰ লগে লগে শিশুৱে নিজৰ প্ৰয়োজনসমূহ উপলব্ধি কৰে আৰু বস্তুৰ প্ৰকৃতি সম্বন্ধে জ্ঞান লাভ কৰিবলৈ সক্ষম হয়। যিবিলাক বস্তুৱে শিশুটিক সন্তুষ্টি প্ৰদান কৰিব পাৰে তেনেবিলাক বস্তু ক্ৰমান্বয়ে সি চিনাক্ত কৰিবলৈ আৰম্ভ কৰে। বয়স বৃদ্ধিৰ লগে লগে শিশুৰ অনুকৰণৰ মাত্ৰা কমি আহে আৰু বিভিন্ন বস্তু চিনাক্ত কৰাৰ ক্ষমতা বৃদ্ধি পায়। চিনাক্তকৰণৰ জৰিয়তে ব্যক্তি অধিক সামাজিক হৈ উঠে।
- **ভাষা ঃ** সামাজিকীকৰণৰ মাধ্যমসমূহৰ ভিতৰত ভাষা হ'ল অন্যতম উৎকৃষ্ট মাধ্যম। ভাষাৰ জৰিয়তেই বেছিভাগ সংস্কৃতি হস্তান্তৰকৰণ হয়। শিশুটিয়ে জীৱনৰ প্ৰথম অৱস্থাত কিছুমান অর্থহীন শব্দ প্ৰকাশ কৰে। লাহে লাহে সি নিজৰ মাতৃভাষা শিকিবলৈ আৰম্ভ কৰে। সকলোধৰণৰ যোগাযোগ প্ৰধানতঃ ভাষাৰ দ্বাৰাই সম্ভৱ হৈ উঠে। সমাজ বিভিন্ন পৰম্পৰা, প্ৰতিমান, মূল্যবোধ ইত্যাদি শিশুৱে ভাষাৰ জৰিয়তেই বিভিন্ন সামাজিক সংগঠনৰ সদস্যৰ লগত পাৰস্পৰিক সম্পর্কৰ ফলত শিকি উঠিবলৈ সক্ষম হয়।

২.৩.৬ সামাজিকীকৰণ প্ৰয়োজনীয়তা

সামাজিকীকৰণ হ'ল সামাজিক শিকন। সমাজৰ একোজন যোগ্য সদস্য হ'বৰ বাবে ব্যক্তিৰ ব্যক্তিত্ব সামাজিকীকৰণে গঢ়ি তোলে। ব্যক্তিয়ে বাস কৰা সমাজখনৰ সাংস্কৃতিক ধৰণসমূহ জনাৰ ক্ষেত্ৰত সমাজিকীকৰণে সহায় কৰে। গতিকে সমাজ এখন সুস্থভাৱে ধৰি ৰখা আৰু পৰিচালনা কৰাৰ ক্ষেত্ৰত সামাজিকীকৰণৰ যথেষ্ট গুৰুত্ব আছে। তলত সামাজিকীকৰণৰ কিছুমান প্ৰয়োজনীয়তা উল্লেখ কৰা হ'ল—

- **সামাজিকীকৰণে ব্যক্তিক সামাজিক হিচাপে গঢ়ি তোলে ঃ** জন্মৰ সময়ত মানুহে আন প্ৰাণীৰ লেখীয়া জৈৱিক প্ৰয়োজনসমূহৰ সৈতে জন্ম লাভ কৰে। কিন্তু সামাজিকীকৰণৰ ফলত মানুহ ক্ৰমান্বয়ে সামাজিক প্ৰাণীলৈ পৰিৱৰ্তিত হয়। এয়া কেৱল মানুহৰ ক্ষেত্ৰতহে সম্ভৱ। ধাৰাবাহিক সামাজিক প্ৰশিক্ষণৰ ফলত ব্যক্তিয়ে সমাজৰ প্ৰতিমান আৰু মূল্যবোধসমূহ মানি চলিবলৈ শিকে।
- **ব্যক্তিত্বৰ বিকাশ কৰি তোলে ঃ** সামাজিকীকৰণে ব্যক্তিৰ ব্যক্তিত্বৰ বিকাশ ঘটায়। সামাজিক গাঁথনি অবিহনে ব্যক্তিত্বৰ বিকাশ অভাৱনীয়। সামাজিকীকৰণে ব্যক্তিক সামাজিক পৰিৱেশত সমাযোজন কৰিবৰ বাবে উপযুক্ত কৰি তোলে আৰু সমাজ স্বীকৃতধৰণে বসবাস কৰিবলৈ উদ্‌গনি যোগায়।
- **ভিন্ন ভূমিকা পালনত সহায় কৰে ঃ** এগৰাকী ব্যক্তিয়ে পৰিয়াল, বিদ্যালয়, কৰ্মক্ষেত্ৰ আৰু অন্যান্য সামাজিক সংগঠনত ভিন্ন ভূমিকা পালন কৰিবলগীয়া হয়। সামাজিকীকৰণে ব্যক্তিক এই ভূমিকাসমূহ পালনৰ ক্ষেত্ৰত উপযুক্ত দৃষ্টিভংগী বিকশিত কৰাত আৰু গুনগত মানসমূহ শিকাৰ ক্ষেত্ৰত সহায় কৰে।
- **অনুশাসন ৰক্ষাত সহায় কৰে ঃ** ব্যক্তিয়ে উপযুক্ত সামাজিক প্ৰশিক্ষণ লাভৰ জৰিয়তে স্বতঃস্ফূৰ্তভাৱে এক অনুশাসিত বা শৃংখলাবদ্ধ জীৱন যাপন কৰিবলৈ শিকে। ইয়াৰ দ্বাৰা ব্যক্তিয়ে জীৱনৰ উদ্দেশ্যসমূহ বুজি উঠি সমাজে বিচৰাধৰণে বসবাস কৰিবলৈ লয়।
- **জীৱনৰ দক্ষতাৰ বিকাশ ঘটায় ঃ** উপযুক্ত জীৱন দক্ষতাই দৈনন্দিন জীৱনৰ চাহিদা আৰু প্ৰয়োজনসমূহ পূৰণ কৰাৰ ক্ষেত্ৰত ব্যক্তিক সমাযোজিত কৰে আৰু ধনাত্মক আচৰণৰ বিকাশ ঘটায়। সামাজিকীকৰণে ব্যক্তিক মানসিক আৰু সামাজিক সুস্থতা ৰক্ষা কৰাৰ ক্ষেত্ৰত ধনাত্মক দৃষ্টিভংগী গঢ়ি তোলাত সহায় আগবঢ়ায়।
- **সমাজখন সুস্থিৰ কৰি তোলে ঃ** সামাজিকীকৰণৰ যোগেদি ব্যক্তিক সামাজিক ক্ৰম মানি চলিবৰ বাবে প্ৰশিক্ষণ দিয়া হয়। নতুন প্ৰজন্মই পূৰ্বৰ সামাজিক গঠন পৰিবৰ্তন আৰু সংশোধনৰ জৰিয়তে পিছৰ প্ৰজন্মই পূৰ্বৰ সামাজিক গঠন পৰিৱৰ্তন আৰু সংশোধনৰ জৰিয়তে পিছৰ প্ৰজন্মলৈ কঢ়িয়াই নিয়ে। এইদৰে সামাজিকীকৰণৰ দ্বাৰা সামাজিক ক্ৰমৰ সুস্থিৰতা ৰক্ষা কৰা হয়।
- **সংস্কৃতি হস্তান্তৰকৰণত সহায় কৰে ঃ** সামাজিকীকৰণৰ জৰিয়তে সংস্কৃতি এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ হস্তান্তৰ কৰা হয়। এটি শিশু বিদ্যালয়, পিতৃ-মাতৃ আৰু আন সামাজিক অনুষ্ঠানৰ পৰা নিজ সংস্কৃতিৰ বিষয়ে শিক্ষা লাভ কৰে। এইদৰে মানৱ সমাজ ক্ৰমবৰ্ধমান গতিত চলি থাকে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সামাজিকীকৰণৰ সংজ্ঞা প্রদান কৰক। ইয়াৰ ভাগসমূহ উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ২ ঃ সামাজিকীকৰণৰ স্তৰসমূহৰ তালিকা তৈয়াৰ কৰা।

.....

.....

২.৪ সামাজিকীকৰণৰ মাধ্যমসমূহ

সামজিকীকৰণৰ মাধ্যমসমূহ তলত উল্লেখিত ধৰণে আলোচনা কৰিব পাৰি।

- **পৰিয়াল ঃ** সামাজিকীকৰণৰ ক্ষেত্রত পৰিয়াল ভূমিকা সবাতোকৈ মহত্ত্বপূর্ণ। পৰিয়ালতে এটি শিশুৱে জন্মগ্রহণ কৰে। পিতৃ-মাতৃ, ভাই-ভনীৰ সৈতে শাৰীৰিকভাৱে ওচৰত থকাৰ উপৰি আৱেগিকভাৱেও যোগসূত্র স্থাপন কৰে। তেওঁলোকৰ পৰাই শিশুৱে কথা ক'বলৈ শিকে আৰু আন সামাজিক মূল্যবোধসমূহো আয়ত্ব কৰে। সামাজিক প্রতিমান, পৰম্পৰা, বিশ্বাস ইত্যাদিৰ লগতে মৰম-স্নেহ, ধৈর্য-সহ্য, সহযোগিতা, ত্যাগ এইবোৰবো আদিপাঠ ঘৰতেই গ্রহণ কৰে। গতিকে শিশুৰ সামাজিকীকৰণৰ ক্ষেত্রত আন সামাজিক অনুষ্ঠানতকৈ পৰিয়ালৰ ভূমিকা অধিক গুৰুত্বপূর্ণ। এটা ভাল পৰিয়ালত শিশুৱে ভাল অভ্যাস শিকি লয়। আনহাতে ভগ্ন পৰিয়ালত শিশুৱে বেয়া অভ্যাস শিকাৰ প্রৱণতা থাকে। পৰিয়ালৰ ভগ্নপ্রায় পৰিৱেশে শিশুৰ মনত অপৰাধপ্রৱণতা গঢ়ি তোলা দেখা যায়। সেয়ে অভিভাৱকসকলে শৈশৱকালৰ পৰা শিশুক উপযুক্ত মৰম আৰু যত্ন প্রদান কৰাৰ লগতে পৰিয়ালকেন্দ্রিক নীতি-নিয়ম আৰু প্রমূল্যসমূহ মানি চলিব লাগে। আনহাতে কেতিয়াবা যদি শিশুসকলে পৰিয়ালৰ নীতি-নিয়মসমূহ ভংগ কৰে তেতিয়া শাস্তি প্রদান কৰা হয়। আন সামাজিক অনুষ্ঠানৰ প্রভাৱ শিশুৰ সমগ্র জীৱনত নাথাকে, কিন্তু পৰিয়াল প্রভাৱ শিশুৰ আচৰণত সমগ্র জীৱনত পৰিলক্ষিত হয়। সেয়ে সামাজিকীকৰণৰ ক্ষেত্রত পৰিয়ালৰ প্রভাৱ অতি গুৰুত্বপূর্ণ।
- **বিদ্যালয় ঃ** পৰিয়ালৰ পিছতেই শিশুক সামাজিকীকৰণ কৰাৰ বিদ্যালয়খন হ'ল মূলতঃ এক ক্ষুদ্র সামাজিক অনুষ্ঠান— য'ত শিক্ষার্থী, শিক্ষক আৰু অন্যান্য প্রশাসনৰ লগত জড়িত ব্যক্তিয়ে পাৰস্পৰিকভাৱে মতামত, চিন্তা ইত্যাদি বিনিময় কৰে। বিদ্যালয়ে ব্যক্তিৰ লগতে সমাজৰ ভিন্নমুখী প্রয়োজন পূৰণ কৰে। বিভিন্ন গণতান্ত্রিক প্রমূল্যসমূহ যেনে— সমতা, স্বাধীনতা, ন্যায় ইত্যাদি শিশুৱে বিদ্যালয়তে শিকিবলৈ সক্ষম হয়। বিদ্যালয়ত

শিক্ষকে শিক্ষার্থীসকলক সামাজিকীকৰণ কৰাৰ ক্ষেত্রত যথেষ্ট সহায় আগবঢ়ায়। নেতৃত্বৰ বিকাশ, দেশপ্রেম, ত্যাগ ইত্যাদি গুণসমূহ বিদ্যালয়তেই বিকশিত কৰা হয়। তদুপৰি নিজ সংস্কৃতিৰ প্রতি শ্রদ্ধা প্রদর্শন কৰিবলৈ ছাত্র-ছাত্রীয়ে বিদ্যালয়তে শিকে। বিদ্যালয়ৰ যোগেদি জাতীয় সংহতি, জাতীয় চেতনা, আন্তর্জাতিক বুজাবুজিৰ ধাৰণা ইত্যাদি বিকশাই তোলা হয়। সেয়ে বর্তমান সময়ত শিশুক সামাজিকীকৰণ কৰাৰ ক্ষেত্রত পৰিয়ালতকৈ বিদ্যালয়েহে অধিক প্রভাৱিত কৰাটো প্রতীয়মান হয়।

- **খেলৰ সংগী আৰু বন্ধুবর্গ ঃ** এজন ব্যক্তিৰ ব্যক্তিত্বত খেলৰ সংগী বন্ধুত্বৰ সম্পর্ক সদায় বিশ্বাস, সহযোগিতা আৰু সমান ভাবৰ ভিত্তিত গঢ় লৈ উঠে। বন্ধুত্ব প্রায়েই সমবয়সৰ ব্যক্তিৰ সৈতে গঢ়ি উঠে। কৈশোৰকালত বন্ধুবর্গৰ প্রভাৱত ল'ৰা-ছোৱালী কিছুমান বিশেষ চখ বা ইচ্ছাৰ প্রতি আকর্ষিত হোৱা দেখা যায়। এই সময়ত ল'ৰা-ছোৱালীয়ে বন্ধুবর্গৰ লগত বিভিন্ন দৰকাৰী আলোচনা কৰাৰ উপৰি যৌন সম্বন্ধীয় কথাও আলোচনা কৰা দেখা যায়। বন্ধুৰ প্রভাৱতেই বিভিন্ন সামাজিক কার্যতো কৈশোৰসকলে অংশগ্রহণ কৰে। মাক-দেউতাকৰ লগত আলোচনা কৰিব নিবিচৰা বিভিন্ন ল'ৰা-ছোৱালীয়ে অনায়াসে বন্ধুৰ লগত আলোচনা কৰে। সেয়ে ব্যক্তিৰ সামাজিকীকৰণত বন্ধুৰ প্রভাৱো অতি সুদূৰপ্রসাৰী।
- **ধর্মীয় অনুষ্ঠানসমূহ ঃ** এজন লোকৰ জীৱনত ধর্মই এক গুৰুত্বপূর্ণ প্রভাৱ বিস্তাৰ কৰে। সকলো লোকে এখন সমাজত বসবাস কৰে আৰু সমাজত একতা বর্তাই ৰখা আৰু উপযুক্ত সিদ্ধান্ত গ্রহণৰ ক্ষেত্রত ধর্মই যথেষ্ট প্রভাৱ বিস্তাৰ কৰে। যদিও আধুনিক সমাজত ধর্মৰ গুৰুত্ব কিছু পৰিমাণে হ্রাস পাইছে তথাপি ব্যক্তিৰ বিশ্বাস আৰু মূল্যবোধ গঢ়ি তোলাত ইয়াৰ প্রভাৱ নুই কৰিব নোৱাৰি। ব্যক্তিৰ ব্যক্তিত্বৰ বিকাশত ধর্মীয় বিশ্বাস, নীতি-নিয়ম ইত্যাদিৰ যথেষ্ট অৰিহণা দেখা যায়।
- **ৰাজ্য ঃ** ৰাজ্য হ'ল এনে এক মাধ্যম— যাৰ ইয়াত বাস কৰা নাগৰিকৰ ওপৰত কর্তৃত্বপূর্ণ নিয়ন্ত্রণ প্রদর্শন কৰাৰ ক্ষমতা থাকে। জনকল্যাণৰ বাবে ৰাজ্যই আইন প্রণয়ন কৰে আৰু আইন ভংগ কৰা লোকৰ বাবে শাস্তিৰো ব্যৱস্থা কৰে। ৰাজ্য হ'ল একমাত্র মাধ্যম— যিয়ে কোনো অপৰাধী ব্যক্তি মৃত্যুদণ্ড পর্যন্ত আৰোপ কৰিব পাৰে। ইয়াৰ দ্বাৰা ব্যক্তিৰ আচৰণ নিয়ন্ত্রণ কৰাত সহায়ক হয়।
- **সংবাদ মাধ্যম ঃ** আমাৰ দৈনন্দিন জীৱনত সংবাদ মাধ্যম আৰু সামাজিক মাধ্যমসমূহে যথেষ্ট প্রভাৱ বিস্তাৰ কৰে। ব্যক্তিত্ব গঠনতো এই মাধ্যমসমূহে প্রভাৱ পেলায়। সামাজিকীকৰণৰ বাবে এই মাধ্যমসমূহ অতিকে দৰকাৰী। দূৰদর্শন, অনাতাঁৰ, বাতৰিকাকত, ইউ টিউব, ফেচবুক ইত্যাদিয়েও বর্তমানৰ লোকক সামাজিকীকৰণ কৰি তোলাৰ দিশত মূখ্য ভূমিকা পালন কৰি আছে।
- **কর্মক্ষেত্র ঃ** সামাজিকীকৰণৰ এক অন্যতম দিশ হ'ল ব্যক্তিৰ বৃত্তিৰ লগত জৰিয়তে আচৰণ। কর্মক্ষেত্রত ব্যক্তিয়ে ভিন ভিন কার্যৰ প্রয়োজনত বিভিন্ন ব্যক্তিৰ সংস্পর্শলৈ আহে আৰু

পাৰস্পৰিক সম্পৰ্ক স্থাপন কৰে। ফলত ব্যক্তিগৰাকীৰ সামাজিকীকৰণ সহজ হৈ পৰে। গতিকে ব্যক্তিৰ কৰ্মক্ষেত্ৰত সামাজিকীকৰণ এক অন্যতম মাধ্যম স্বৰূপে গণ্য কৰা হয়।

২.৫ সামাজিক প্ৰক্ৰিয়াৰ অৰ্থ

এজন লোকৰ আন লোকৰ সৈতে স্থাপন হোৱা সম্পৰ্কৰ ফলত সমাজ সৃষ্টি হয়। মানুহৰ বিভিন্ন প্ৰয়োজন পূৰণ আৰু ব্যক্তিত্বৰ বিকাশৰ বাবে সমাজ এখন খুবেই প্ৰয়োজন। কিছুমান ব্যক্তি সমষ্টিৰ উমৈহতীয়া প্ৰয়োজন আৰু আগ্ৰহ পূৰণৰ বাবে সমাজ সৃষ্টি কৰা হয়। ইয়াত প্ৰত্যেক ব্যক্তিৰ আচৰণে আন ব্যক্তিসকলক প্ৰভাৱিত কৰে। এই প্ৰভাৱৰ ভিত্তিতেই সামাজিক পাৰস্পৰিকতা আৰু সামাজিক প্ৰক্ৰিয়াসমূহ গঢ়ি উঠে। মানুহে ইজনে সিজনৰ সংস্পৰ্শলৈ অহা আৰু সম্পৰ্ক স্থাপন কৰাৰ প্ৰাথমিক উপায় হ'ল সামাজিক প্ৰক্ৰিয়াসমূহ।

২.৫.১ সামাজিক প্ৰক্ৰিয়াৰ সংজ্ঞা

তলত সামাজিক প্ৰক্ৰিয়াৰ কিছুমান সংজ্ঞা প্ৰদান কৰা হ'ল—

মেকাইভাৰৰ (Maciver) মতে, 'সামাজিক প্ৰক্ৰিয়া হৈছে এটা পদ্ধতি, যি সমূহৰ সদস্য হিচাপে ব্যক্তি বা সমূহক একত্ৰিত কৰে বা নিৰ্দিষ্ট চৰিত্ৰ আহৰণত সহায় কৰে।' (Social process is the manner in which the relations of the members of a group, once brought together, acquire a distinctive character.)

হৰ্টন আৰু হাণ্টৰ (Horton) মতে, 'সামাজিক প্ৰক্ৰিয়াৰ জৰিয়তে পুনৰাবৃত্তিমূলক আচৰণৰ ধৰণসমূহক বুজোৱা হয়— যিবোৰ সমাজ-জীৱনত সততে দেখিবলৈ পোৱা যায়।'(The term social processes refer to the refetitive forms of behaviour which are commonly found in social life.)

গিলিন আৰু গিলিনৰ (Gilin and Gilin) মতে, 'সামাজিক প্ৰক্ৰিয়াৰ দ্বাৰা আমি আন্তঃক্ৰিয়াৰ সেই উপায়বোৰ বুজোঁ যিবোৰ ব্যক্তি আৰু সমূহ মিলিত হোৱা সময়ত আৰু পৰিৱৰ্তনৰ ফলত প্ৰচলিত জীৱন ধাৰণত হোৱা বিজুতিৰ সময়ত লক্ষণীয় হয়। (By social frocesses we mean those ways of interacting which we can observe when individuals and groups meer and establish systen od relationships of whar happens when changes disturb already existing modes of life.)

এ. ডব্লিউ. গ্ৰীনৰ (A.W. green) মতে, 'সামাজিক প্ৰক্ৰিয়া হ'ল বৈশিষ্ট্য পদ্ধতি যাৰ দ্বাৰা আন্তঃক্ৰিয়া সংঘটিত হয়।' (Social processes are merely the characteristic ways in which interaction occurs.)

২.৫.২ সামাজিক প্ৰক্ৰিয়াৰ উপাদানসমূহ

সামাজিক প্ৰক্ৰিয়াৰ পাঁচটা উপাদান দেখা যায়। সেইবোৰ হ'ল ঃ

- **ঘটনাবোৰৰ অনুক্ৰম ঃ** ইয়াৰ দ্বাৰা সমাজত ঘটা বিভিন্ন ঘটনাৰ অনুক্ৰমক বুজা যায়।
- **ঘটনাবোৰৰ পুনৰাবৃত্তি ঃ** ঘটনাবোৰ যিমান সঘনাই সংঘটিত হয় সিমান সহজতে সেইবোৰৰ লগত সংযোগ স্থাপন কৰিব পৰা যায়।
- **ঘটনাবোৰৰ মাজত সম্পৰ্ক ঃ** ঘটনাবোৰৰ মাজত যেতিয়া ধনাত্মক সম্পৰ্ক থাকে তেতিয়া সেয়া ঋণাত্মক সম্পৰ্কই অসন্তোষ আৰু অসুখী কৰি তোলে।
- **ঘটনাবোৰৰ ক্ৰমিকতা ঃ** যেতিয়া কোনো এটা ঘটনা দীৰ্ঘ সময় ধৰি চলি থাকে তেতিয়া ব্যক্তিয়ে তাৰ লগত সহজে মিলিবলৈ সক্ষম হয়।
- বিশেষ ফলাফল।

২.৫.৩ সামাজিক প্ৰক্ৰিয়াৰ ভাগসমূহ

বেলেগ বেলেগ সমাজবিজ্ঞানীয়ে সামাজিক প্ৰক্ৰিয়াক বেলেগ বেলেগ ধৰণে বিভক্ত কৰিছে। সেইবোৰ তলত দিয়া ধৰণৰ—

- **সহযোগিতা ঃ** মানৱ সমাজত থকা বিভিন্ন প্ৰাথমিক প্ৰক্ৰিয়াসমূহৰ ভিতৰত অন্যতম হ'ল সহযোগিতা। সহযোগিতাৰ ইংৰাজী প্ৰতিশব্দ 'Co-operationd'। ইংৰাজী এইশব্দ দুটা হ'ল 'co' আৰু 'operari'। 'co' শব্দৰ অৰ্থ হ'ল 'একেলগে' (together) আৰু 'operari' শব্দৰ অৰ্থ হ'ল 'কাম কৰা'। গতিকে ইয়াৰ অৰ্থ হ'ল কোনো এক উমৈহতীয়া উদ্দেশ্যৰ হকে সমাজত সকলোৱে একেলগে মিলিজুলি কাম কৰা।

সহযোগিতা কিছুমান সংজ্ঞা হ'ল—

- মেৰিল আৰু এলড্ৰিজৰ (Merrill and Eldrege) মতে, 'উমৈহতীয়া লক্ষ্য সাধনৰ বাবে দুজন বা ততোধিক ব্যক্তিয়ে কৰা সামাজিক আন্তঃক্ৰিয়া পদ্ধতিয়েই হ'ল সহযোগিতা। (Coperation is from of social interaction where in two or more persons worde together to gain a coman end.)
- এ ডব্লিউ গ্ৰীনৰ (A.W. green) মতে, 'দুজন বা ততোধিক ব্যক্তিয়ে নিৰ্দিষ্ট লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যে বাৰে বাৰে কৰা প্ৰচেষ্টাই হৈছে সহযোগিতা।' (corperation is the continuous and common endeavour of two or more persons to perform a task or to read a goal that is commonly cherished.)
- ফেয়াৰ চাইল্টৰ (Fair child) মতে, 'ব্যক্তি বা সমূহে তেওঁলোকৰ কাৰ্যসমূহ

কম-বেছি পৰিমাণে একত্রিত কৰি উমৈহতীয়া লক্ষ্য পূৰণৰ বাবে চলোৱা প্রচেষ্টাই হ'ল সহযোগিতা'। (Corperation is the process by which that individuals or groups comleine their effort in a more or less organised way for the attainment of cousmon objectives.)

সহযোগিতা কিছুমান কাৰকৰ ফলত সংঘটিত হয়—

- ব্যক্তিৰ উপকাৰৰ বাবে কাম কৰা।
- কোনো বস্তু দিয়াৰ আগ্রহ
- উমৈহতীয়া স্বার্থ
- পৰিস্থিতিৰ প্রয়োজনীয়তা
- লক্ষ্য পূৰণৰ আকাংক্ষা

যেতিয়া চিন্তা সাদৃশ্য, উমৈহতীয়া মিলা-মিচা আৰু আগ্রহ তথা সহায়ৰ ইচ্ছা অথবা ভাল ভাব থাকে তেতিয়া সহযোহিতা পৰিলক্ষিত হয়। সহযোগিতাৰ বিভিন্ন ভাগসমূহ তলত দিয়া ধৰণৰ—

প্রত্যক্ষ সহযোগিতা ঃ যেতিয়া বেলেগ বেলেগ ব্যক্তিয়ে একে উদ্দেশ্য আগত ৰাখি একে কাম সম্পাদন কৰে তেতিয়া প্রত্যক্ষ সহযোগ সৃষ্টি হয়। এয়া হ'ল প্রত্যক্ষ সহযোগিতা। ইয়াত দলটোৰ সদস্যসকলৰ মুখামুখি বা প্রত্যক্ষ যোগাযোগে সন্তুষ্টি প্রদান কৰে।

পৰোক্ষ সহযোগিতা ঃ এই ধৰণৰ সহযোগৰ ক্ষেত্রত এটা দলৰ সদস্যসকলে একে উদ্দেশ্য আগত ৰাখি বেলেগ বেলেগ কার্য সম্পন্ন কৰে। উদাহৰণস্বৰূপে— এটা ঘৰ সম্পূর্ণভাৱে বান্ধি ব্যৱহাৰৰ উপযোগী কৰিবৰ বাবে ৰাজমিস্ত্রী, কাঠ মিস্ত্রী, আর্কিটেক্ট ইঞ্জিনিয়াৰ, ইলেক্ট্রিচিয়ান ইত্যাদি বিভিন্ন লোকে কাম কৰিবলগীয়া হয়। ইয়াত শ্রম বিভাজনৰ নীতি প্রয়োগ কৰা হয়। আজিৰ কাৰিকৰীভাৱে উন্নত সময়ত পৰোক্ষ সহযোগিতা অধিক ক্ষেত্রতে দেখিবলৈ পোৱা যায়।

প্রাথমিক সহযোগিতা ঃ এই প্রকাৰৰ সহযোগিতাৰ প্রাথমিক দল যেনে - পৰিয়ালত দেখিবলৈ পোৱা যায়। ইয়াত সদস্যসকলৰ মাজৰ সম্পর্ক খুব শক্তিশালী হয় আৰু আটায়েই একে উদ্দেশ্য পূৰণৰ হকে কাম কৰে।

গৌণ সহযোগিতা ঃ এই প্রকাৰৰ সহযোগিতাৰ গৌণ দল যেনে— বিদ্যালয়, ক্লাব, বাণিজিক অনুষ্ঠান ইত্যাদিত দেখা যায়। ইয়াত দলৰ সদস্যসকলে কিছুমান বিশেষ উদ্দেশ্য পূৰণৰ হকে সহযোগিতাৰে কর্ম সম্পাদন কৰে।

তৃতীয় শ্রেণীৰ সহযোগিতা ঃ ইয়াত বিভিন্নধৰণৰ ডাঙৰ অথবা সৰু দলৰ সদস্য লগ হৈ এক বিশেষ লক্ষ্য পূৰণৰ বাবে সহযোগ কৰে। উদাহৰণস্বৰূপে নির্বাচনৰ সময়ত দুটা বা ততোধিক দল লগ হৈ আন এটা দলক হৰুৱাৰৰ বাবে চেষ্টা চলায়, ডাঙৰ যুদ্ধ-বিগ্রহৰ সময়ত বেলেগ বেলেগ দেশ একগোট হৈ আন দেশৰ বিৰুদ্ধে

যুদ্ধৰ প্ৰস্তুতি কৰে। লক্ষ্য পূৰণৰ ঠিক পিছতেই দলসমূহৰ একতা নোহোৱা হয়।

সহযোগিতাৰ প্ৰয়োজনীয়তা ঃ সহযোগিতা সার্বজনীন। মানৰ সমাজ বর্তি থাকিবৰ বাবে সহযোহিতা অত্যাৱশ্যকীয়। ক্ষুদ্ৰ ক্ষুদ্ৰ প্ৰাণী যেনে— পৰুৱা, মৌমাখি ইত্যাদিৰ ক্ষেত্ৰতো সহযোগিতা দেখিবলৈ পোৱা যায়। কিন্তু মানুহৰ ক্ষেত্ৰত সহযোগিতা কিছু বিশেষ হয়। কাৰণ ইয়াত সামাজিক আৰু মনোবৈজ্ঞানিক দিশ সংযোগ হৈ থাকে। প্ৰাথমিক প্ৰয়োজনসমূহ পূৰণ কৰিবৰ বাবেও মানুহে পৰিয়ালৰ সদস্য, বন্ধু, শিক্ষক বা অন্য লোকৰ লগত সহযোগিতা স্থাপন কৰিব লগীয়া হয়। দৰাচলতে মানৰ সভ্যতা সহযোগিতাৰ ফলতেই সম্ভৱ হৈ উঠিছে। সকলোধৰণৰ আৱিষ্কাৰ বা উদ্ভাৱন সহযোগিতাৰেই ফল। বিভিন্ন সমস্যা সমাধানৰ জৰিয়তে সমগ্ৰ বিশ্বত শান্তি-শৃংখলা অটুট ৰাখিবৰ বাবে সহযোগিতা অতি প্ৰয়োজন। ইয়াৰ যোগেদিয়েই সমাজ প্ৰগতিৰ পথত অগ্ৰসৰ হয় আৰু ইয়াৰ অবিহনে সমাজৰ বিকাশ নিম্নগামী হৈ পৰে।

প্ৰতিযোগিতা ঃ পৃথিৱীত নিজৰ অস্তিত্ব বজাই ৰাখিবৰ বাবে নিজ প্ৰয়োজনসমূহ পূৰণ কৰিবলৈ আমি সংগ্ৰাম কৰিবলগীয়া হয়। সমাজত মানুহৰ প্ৰয়োজন অন্তহীন। সুখেৰে জীয়াই থাকিবলৈ মানুহে যিমান বস্তু বিচাৰে সিমানখিনি পোৱা সম্ভৱ নহয়। কাৰণ মানুহৰ প্ৰয়োজনীয় বস্তুৰ যোগান নানা কাৰণত সীমিত হয়। জীৱনৰ সকলো ক্ষেত্ৰতে সীমাহীন চাহিদাৰ বিপৰীতে সীমিত যোগানৰ ফলত মানুহে সংগ্ৰাম কৰিবলৈ বাধ্য হয়। ইয়াকে প্ৰতিযোগিতা বুলি আখ্যা দিয়া হয়। সেয়ে যেতিয়াই কোনো বস্তু বস্তুগত হওক বা অবস্তুগত হওক সহজতে লাভ কৰা নাযায়। মানুহে সেইটো পাবলৈ কঠোৰ চেষ্টা চলায়। তাৰ ফলত প্ৰতিযোগিতা সৃষ্টি হয়।

প্ৰতিযোগিতাৰ কিছুমান সংজ্ঞা তলত উল্লেখ কৰা হ'ল—

পার্ক আৰু বার্গেছৰ (Park and Burgess) মতে, 'সামাজিক চুক্তিহীন আন্তঃক্ৰিয়াই হ'ল প্ৰতিযোগিতা।' (Competition is an interaction withour socoal contact.)

এণ্ডাৰচন আৰু পার্কাৰৰ (Anderson and Parker) মতে, 'প্ৰতিযোগিতা হৈছে এটা সামাজিক ক্ৰিয়া পদ্ধতি— যিটো আমি সীমিত বস্তুবাদী বা অবস্তুবাদী লাভালাভৰ বা ব্যৱহাৰৰ বাবে পৰস্পৰৰ বিৰোধিতাৰে কাম কৰাৰ পদ্ধতি।' (Competition is that form of social action in which we strice against each other for the possession or use of so limited material or non material good.)

হর্টন আৰু হাণ্টৰ (Horton and Hunt) মতে, 'প্ৰতিযোগিতা হ'ল বস্তু, সামাজিক প্ৰস্থিতি, ক্ষমতা, মৰম আৰু পুৰস্কাৰ লাভৰ বাবে কৰা সংগ্ৰাম যিবোৰৰ যোগান সীমিত হয়।' (Competition is the struggle for possession of

rewards which are limited in siffly, goods, status, power love-anything.)

ওপৰৰ সংজ্ঞাসমূহৰ পৰা প্ৰতিযোগিতাৰ কিছুমান বৈশিষ্ট্য স্পষ্ট হয়। সেইবোৰ হ'ল—

- **এক সাৰ্বজনীন পৰিঘটনা ঃ** পৃথিৱীত প্ৰত্যেক ব্যক্তিয়ে কৃতিত্বৰ উচ্চ স্তৰ লাভ কৰিবৰ বাবে প্ৰতিযোগিতাত লিপ্ত হয়। সকলো ধৰণৰ সমাজ উচ্চ অথবা নিম্ন সকলোতে ক্ষমতা, প্ৰস্থিতি বস্তু, শিক্ষা ইত্যাদিৰ বাবে প্ৰতিযোগিতা দেখিবলৈ পোৱা যায়। যিবোৰ বস্তু সহজে পোৱা যায় বা যোগান সীমিত নহয় যেনে— সূৰ্যৰ পোহৰ, বায়ু ইত্যাদিৰ ক্ষেত্ৰত প্ৰতিযোগিতা সৃষ্টি নহয়। কিন্তু যিবোৰ বস্তু চাহিদাৰ তুলনা যোগান সীমিত তাৰ ক্ষেত্ৰত প্ৰতিযোগিতা সৃষ্টি হোৱা দেখিবলৈ পোৱা যায়।
- **এক ধাৰাবাহিক প্ৰক্ৰিয়া ঃ** প্ৰতিযোগিতাত সহযোগিতাৰ দৰে এক ধাৰাবাহিক প্ৰক্ৰিয়া। পৃথিৱীৰ প্ৰত্যেক ব্যক্তিয়ে ধন-সম্পদ, পদ-মৰ্যাদা, সন্মান, নাম-যশ, ক্ষমতা আদিৰ বাবে প্ৰতিযোগিতাত লিপ্ত হয়।
- **অব্যক্তিগত ঃ** প্ৰতিযোগিতা হ'ল অব্যক্তিগত সংগ্ৰাম। ই কোনো ব্যক্তি বা দলৰ উদ্দেশ্যে নহয়, কেৱল লক্ষ্য পূৰণৰ বাবেহে সংঘটিত হয়।
- **অসচেতন কাৰ্য ঃ** প্ৰতিযোগিতা হ'ল এক অসচেতন কাৰ্য। এজন লোকে নিজ লক্ষ্য পূৰণৰ বাবে চেষ্টা চলাওঁতে প্ৰতিযোগিতা অথবা প্ৰতিদ্বন্দ্বীৰ বিষয়ে সচেতন নহয়।
- **সামাজিক পৰিৱৰ্তনৰ কাৰণ ঃ** প্ৰতিযোগিতাই ব্যক্তিৰ কাৰ্য সম্পাদনৰ ধৰণ উন্নত কৰে আৰু নতুন আচৰণ প্ৰদৰ্শন কৰিবলৈ উৎসাহিত কৰে। ইনতুন আৱিস্কাৰ কৰাৰ বাবে পথ মুকলি কৰে আৰু সামাজিক পৰিৱৰ্তনৰ অৱিহণা যোগায়। প্ৰতিযোগিতাক সামাজিক পৰিৱৰ্তনৰ কাৰ্য আৰু কাৰণ উভয়ে বুলি গণ্য কৰিব পাৰি।
- **ই সৃষ্টিকামী আৰু ধ্বংসমুখীও হ'ব পাৰে ঃ** যেতিয়া ব্যক্তি বা দলৰ মাজত কোনো ধৰণৰ শত্ৰুতা নাথাকে, তেতিয়া প্ৰতিযোগিতা সৃষ্টিকামী হয়। কিন্তু যেতিয়া প্ৰতিযোগীসকলৰ মাজত কেৱল স্বাৰ্থ নিহিত থাকে তেতিয়া প্ৰতিযোগিতা ধ্বংসমুখী হ'ব পাৰে।

মে (May) আৰু দুফ (Doof) ৰ মতে প্ৰতিযোগিতা সৃষ্টি হয় যেতিয়া ব্যক্তিয়ে—

(i) সীমিত বা দুৰ্লভ বস্তু পাবলৈ ইচ্ছা কৰে।

(ii) অধিক উন্নত প্ৰদৰ্শনৰ চেষ্টা কৰে।

(iii) প্ৰতিযোগীসকলৰ মাজত যোগাযোগ খুব কম হয়।

প্ৰতিযোগিতাৰ কাৰ্যসমূহ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি—

ব্যক্তিক প্ৰস্থিতি প্ৰদান ঃ সামাজিক প্ৰস্থিতি আৰু প্ৰতিযোগিতাৰ মাজত ওতপ্ৰোত সম্পৰ্ক আছে। ই কোনো কাৰ্য সম্পাদন কৰিব সেয়া নিৰ্ধাৰণ কৰে। ব্যক্তিয়ে সদায় উন্নত প্ৰদৰ্শনৰ যোগেদি নিজৰ সামাজিক প্ৰস্থিতি উচ্চ কৰিবলৈ চেষ্টা কৰে।

অভিৰোচনৰ উৎস ঃ প্ৰতিযোগিতা ব্যক্তি আৰু দলৰ কাৰণে প্ৰতিযোগিতাৰ উৎস। ই ব্যক্তিক অধিক উন্নত প্ৰদৰ্শনৰ বাবে অভিৰোচিত কৰে। প্ৰতিযোগিতাৰ বাবেই ব্যক্তিয়ে আশা-আকাংক্ষা উচ্চভাৱে নিৰ্ধাৰণ কৰি তাত উপনীত হ'বলৈ কঠোৰ পৰিশ্ৰম কৰে। ইয়াৰ ফলত অধিক উৎপাদন সম্ভৱ হৈ উঠে।

নতুন অভিজ্ঞতা প্ৰদান ঃ অগবার্ন আৰু নিমকফৰ মতে, নতুন পৰিস্থিতি উদ্ভাৱন কৰি নতুন অভিজ্ঞতা লাভ কৰিবৰ বাবে সুযোগ প্ৰদান কৰে। ইয়াৰ ফলত ব্যক্তিৰ আত্মবিশ্বাস বিকাশ হোৱাৰ লগতে নিজৰ আৰ্থ-সামাজিক দিশৰ বিকাশ আৰু সংগ্ৰাম কৰি লক্ষ্যত উপনীত হোৱাৰ উৎসাহ জাগি উঠে।

উন্নয়নৰ বাবে উপযুক্ত ঃ প্ৰতিযোগিতাই সামাজিক উন্নতিৰ বাট দেখুৱায়। তেতিয়া ব্যক্তিয়ে উচ্চ পদবীত অধিষ্ঠিত হয় তেতিয়া তেওঁ বসবাস কৰা সমাজখন স্বতঃস্ফূৰ্তভাৱে উন্নত হ'বলৈ ধৰে। সাধাৰণতে প্ৰতিযোগিতাই ব্যক্তিৰ লগতে সমাজৰ কল্যাণ নিশ্চিত কৰে।

কিন্তু চূড়ান্ত প্ৰতিযোগিতাই কিছুমান ঋণাত্মক কাৰ্যও কৰে সেইবোৰ হ'ল—

— কেতিয়াবা প্ৰতিযোগিতাই ব্যক্তিৰ মনত হতাশা সৃষ্টি কৰে। আকাংক্ষিক লক্ষ্যত উপনীত হ'ব নোৱাৰি ব্যক্তি হতাশা, নিৰাশা আদিৰ চিকাৰ হয়।

— প্ৰতিযোগিতাই একনায়কত্ববাদ সৃষ্টি কৰে।

— প্ৰতিযোগিতাৰ ফলত সংঘৰ্ষৰ সৃষ্টি হ'ব পাৰে।

কিন্তু বিভিন্ন ঋণাত্মক দিশ থকাৰ পিছতো প্ৰতিযোগিতা মানুহৰ জীৱনৰ গুৰুত্বপূৰ্ণ দিশ হিচাপে বিবেচিত হয়। অস্তিত্ব ৰক্ষাৰ বাবে কৰা সংগ্ৰাম ব্যক্তিৰ জীৱনৰ স্বাভাৱিক নিয়ম যিয়ে প্ৰতিযোগিতাৰ জন্ম দিয়ে। কেতিয়াবা সহযোগিতাৰ তুলনাত প্ৰতিযোগিতা অধিক দৰকাৰী হৈ পৰে। কাৰণ ই ব্যক্তিক সৰ্বোচ্চ প্ৰতিভা প্ৰকাশ কৰাৰ বাবে অভিৰোচিত কৰে। প্ৰতিযোগিতাৰ গভীৰতা সামাজিক গাঁথনি আৰু সামাজিক প্ৰমূল্যই নিৰ্ধাৰণ কৰে। কোনো সমাজে অনিয়ন্ত্ৰিত প্ৰতিযোগিতাক উৎসাহিত নকৰে অন্যথা সমাজৰ ঐক্য বিঘ্নিত হ'ব।

সংঘৰ্ষ ঃ সহযোগিতা আৰু প্ৰতিযোগিতাৰ দৰে সংঘৰ্ষও এক সাৰ্বজনীন প্ৰক্ৰিয়া। প্ৰতিবন্ধকতা বা দমন কৰিবলৈ কৰা ই এক ইচ্ছাকৃত বা সচেতন কাৰ্য। কিছুমান ব্যক্তি বা দলৰ মাজত শত্ৰুতা প্ৰদৰ্শন কৰাৰ এক ব্যক্তিগত কাৰ্য হ'ল সংঘৰ্ষ। ই ধাৰাবাহিক হোৱাৰ সলনি এৰি এৰি হোৱা প্ৰক্ৰিয়া। সমাজত সকলো সময়তে সংঘৰ্ষ হোৱা যায় আৰু ইয়াৰ মুখ্য কাৰণ হ'ল মানুহৰ অস্তিত্ব ৰক্ষাৰ বাবে কৰা সংগ্ৰাম আৰু 'যোগ্য

ভোগ্য বসুন্ধৰা' নীতি। সংঘর্ষৰ কিছুমান সংজ্ঞা তলত উল্লেখ কৰা হ'ল—

গিলিন আৰু গিলিনৰ (Gilin and Gilin) মতে, 'সংঘর্ষ হৈছে এটা সামাজিক প্রক্রিয়া, যিটো ব্যক্তিসকলে বা সমূহবিলাকে প্রতিদ্বন্দ্বীসকলক প্রত্যক্ষভাৱে হিংসা বা ভয় দেখুৱাই আত্মস্বার্থ পূৰণ কৰিবলৈ প্রত্যাহ্বান জনায় বা বাধ্য কৰে। (Conflict is the social process in which individual or groups seek their ends by directly challenging the antagonist by violence or threat of viollence.)

এ. ডব্লিউ. গ্রীনৰ (A.W. Green) মতে, 'অন্য এজন বা আনৰ ইচ্ছাৰ বিৰুদ্ধাচৰণ, প্রতিবন্ধকতা বা দমন কৰিবলৈ কৰা ইচ্ছাকৃত প্রচেষ্টাই হৈছে সংঘর্ষ।' (As the deliberate attempt to opposite resist or force will of another or others.)

মজুমদাৰৰ (Mazumder) মতে, 'সংঘর্ষই হ'ল বিৰুদ্ধাচৰণ বা সংগ্রাম— য'ত নিহিত থাকে—

(ক) শত্রুতাৰ উচ্চ আৱেগৰ লগতে

(খ) নিজৰ পছন্দৰ ওপৰত আনৰ হিংসাত্মক হেতা-ওপৰা। (conflict is opposition or steuggle involving

সংঘ (a) an emotional altitude of hostieity as well as.

(b) Violent interference with ones autonomous choice.

সংঘর্ষৰ প্রধান কাৰণসমূহ হ'ল—

ব্যক্তিগত পার্থক্য ঃ মানুহৰ মাজত থকা পার্থক্য যেনে- প্রকৃতি, অভ্যাস, আদর্শ, আগ্রহ দৃষ্টিভংগী ইত্যাদিৰ ফলতো সংঘর্ষ সৃষ্টি হয়।

সাংস্কৃতিক পার্থক্য ঃ প্রত্যেক সমাজৰে নিজৰ সংস্কৃতি থাকে। বেলেগ বেলেগসমূহৰ আৰু সমাজৰ নিজৰ সংস্কৃতিৰ মাজত থকা পার্থক্যৰ ফলত প্রায়েই অশান্তি আৰু সংঘর্ষ সৃষ্টি হয়। ভাৰতবর্ষৰ দৰে বিভিন্ন ধর্ম আৰু জাতিগত পার্থক্য থকা দেশত বেলেগ বেলেগ দলৰ মাজৰ সংঘর্ষই গুৰুতৰ ৰূপ ধাৰণ কৰে।

আগ্রহ আৰু মতামতৰ পার্থক্য ঃ প্রত্যেক ব্যক্তিৰে নিজৰ আগ্রহ-অভিৰুচি থাকে। এইবোৰৰ পার্থক্যৰ ফলতো কেতিয়াবা সংঘর্ষ সৃষ্টি হয়। মালিক পক্ষৰ কর্মচাৰীৰ লগত, ছাত্র-ছাত্রীৰ বিদ্যালয় কর্তৃপক্ষৰ লগত, এটা ৰাজনৈতিক দলৰ আন এটাৰ লগত প্রায়েই সংঘর্ষ হোৱা পৰিলক্ষিত হয়।

সামাজিক পৰিৱর্তন ঃ সংঘর্ষৰ আন এটা গুৰুত্বপূর্ণ কাৰণ হ'ল সামাজিক পৰিৱর্তন। নতুন প্রজন্ম আৰু পুৰণি প্রজন্মৰ মাজত মতামতৰ পার্থক্য, আদর্শৰ পার্থক্যই সংঘর্ষ সৃষ্টি কৰে। নতুন প্রজন্মৰ নতুন আদর্শ গ্রহণ আৰু পুৰণি প্রজন্মৰ সেই আদর্শৰ বিৰুদ্ধাচৰণে সমাজত গুৰুতৰ সংঘর্ষ সৃষ্টি কৰে।

সংঘর্ষৰ প্রকাৰ ঃ সংঘর্ষৰ প্রকাৰ কেইবাধৰণৰ দেখা যায়। সেইবোৰ হ'ল—

- **সমবায় আৰু ব্যক্তিবাচক সংঘর্ষ ঃ** ব্যক্তিবাচক সংঘর্ষ হ'ল এটা দলৰ সদস্যসকলৰ মাজত হোৱা সংঘর্ষ। হিংসা, শত্রুতা, দলৰ সদস্যসকলৰ মাজত মতভেদ ইত্যাদিৰ ফলত ব্যক্তিবাচক সংঘর্ষ সংঘটিত হয়। সাধাৰণতে ব্যক্তিবাচক সংঘর্ষ সমবায় সংঘর্ষৰ তুলনাত অধিক বিপজ্জনক হয়। আনহাতে দুটা সমূহ বা দুখন সমাজৰ মাজত সংঘর্ষক সমবায় সংঘর্ষ বুলি কোৱা হয়। জাতিগত বিবাদ, ধর্মীয় পার্থক্য, শ্রমৰ অব্যৱস্থাপনা, ছাত্র সংঘাত ইত্যাদিক সমবায় সংঘর্ষৰূপে দেখুৱাব পাৰি।
- **সুপ্ত আৰু জাগ্রত সংঘর্ষ ঃ** সকলোধৰণৰ সংঘাত প্রথমে সুপ্ত অৱস্থাত আৰম্ভ হয়। মানুহৰ মনত চলি থকা অশান্তি বা অসন্তোষে যেতিয়া জাগ্রত ৰূপ লয় তেতিয়া জাগ্রত সংঘর্ষ সংঘটিত হয়। এটা দল বা ব্যক্তিয়ে যেতিয়া কোনো এক পৰিস্থিতিৰ প্রতি শক্তিশালী প্রতিক্রিয়া প্রকাশ কৰে তেতিয়া এনেধৰণৰ সংঘর্ষ আৰম্ভ হয়।
- **শ্রেণী সংঘর্ষ ঃ** যেতিয়া সমাজৰ ভিন্ন শ্রেণীৰ লোকে এটাই আনটোৰ প্রতি শত্রুতা প্রদর্শন কৰে, তেতিয়া এইপ্রকাৰৰ সংঘর্ষ সংঘটিত হয়। উদাহৰণস্বৰূপে— ধনী আৰু দুখীয়াৰ মাজত হোৱা সংঘর্ষৰ ফলত ৰাছিয়াত বিপ্লৱৰ সূচনা হৈছিল।
- **গোষ্ঠীগত সংঘর্ষ ঃ** গোষ্ঠীগত বা জাতিগত সংলক্ষণসমূহৰ পার্থক্যৰ ফলত এনেধৰণৰ সংঘর্ষৰ আৰম্ভ হয়। উদাহৰণস্বৰূপে - পশ্চিমৰ শ্বেতাংগ আৰু কৃষ্ণাংগ লোকৰ মাজত হোৱা সংঘর্ষ এনে সংঘর্ষৰ শাৰীত পৰে।
- **জাতিগত সংঘর্ষ ঃ** ভাৰতীয় সমাজ বিভিন্ন জাতিৰ সংমিশ্রণ। এই জাতিসমূহৰ মাজত সংঘর্ষ প্রায়েই দেখিবলৈ পোৱা যায়। উচ্চ জাতৰ লোকসকলে নিম্ন জাতৰ লোকৰ দমন কৰাৰ ফলত গাঁও অঞ্চলত হিংসাত্মক সংঘর্ষ আৰম্ভ হয়।
- **আন্তর্জাতিক সংঘর্ষ ঃ** এই প্রকাৰৰ সংঘর্ষ (যুদ্ধ) দুখন বা ততোধিক দেশৰ মাজত সংঘটিত হয়। বিভিন্ন ধৰণৰ কাৰণ যেনে— ৰাজনৈতিক, অর্থনৈতিক, আদর্শজনিত, ধর্মীয় ইত্যাদিৰ ফলত আন্তর্জাতিক সংঘর্ষ আৰম্ভ হয়।

ওপৰৰ আলোচনাৰ পৰা বুজা যায় যে যেতিয়ালৈকে মানৰ সমাজ বর্তি থাকে তেতিয়ালৈকে সংঘর্ষও চলি থাকিব। সংঘর্ষই অশান্তি, খেলিমেলি, বিশৃংখলতা আদি সৃষ্টি কৰি সমাজৰ ঐক্য বিঘ্নিত কৰে। ইয়াৰ ফলত ভয়ানক মনোবৈজ্ঞানিক প্রভাবো সৃষ্টি হয়। কাৰণ যুদ্ধই মানুহৰ মনত ভয়-শংকা সৃষ্টি কৰে আৰু মানসিক শান্তি ভংগ কৰে।

সমাজবিজ্ঞানীসকলৰ মতে, সংঘর্ষৰ কিছু ধনাত্মক দিশো আছে। কেতিয়াবা এটা দলৰ সদস্যসকলৰ মাজত হোৱা আভ্যন্তৰীণ সংঘর্ষই সদস্যসকলৰ মনলৈ সুস্থিৰতা আনে। কাৰণ তেওঁলোকৰ দীর্ঘস্থায়ী সংঘর্ষৰ প্রভাৱসমূহৰ বিষয়ে সজাগ হয়। আনহাতে, দুখন সমাজ বা দুখন দেশৰ মাজত বাহ্যিক সংঘর্ষ হ'লে তাৰে ব্যক্তিসকলে নিজৰ সকলো সমস্যা বা শত্রুতা পাহৰি শত্রুপক্ষৰ সৈতে যুঁজ দিবলৈ একগোট হয়। সহযোগিতা

আৰু প্ৰতিযোগিতাৰ দৰে সংঘৰ্ষও মানুহৰ এক প্ৰাথমিক সংলক্ষণ, তথাপি বিভিন্ন উপায় ব্যৱহাৰ কৰি সমাজখনৰ সংঘৰ্ষ মুক্ত কৰি ৰাখিব পৰা যায়। যিহেতু সংঘৰ্ষ অবিহনে সমাজ বৰ্তি থাকে।

উপযোগীকৰণ বা সমিলকৰণ ঃ (Accommodation) মানৱ সমাজত বিভিন্ন কাৰণত মানুহৰ মাজত সংঘৰ্ষৰ সৃষ্টি হয়। এই সংঘৰ্ষ যদি মীমাংসা কৰা নহয় তেন্তে সমাজ অচল হৈ পৰিব অৰ্থাৎ বিশৃংখলতা সৃষ্টি হ'ব। সেয়ে সংঘৰ্ষত লিপ্ত হোৱা সমূহবোৰ অথবা ব্যক্তিসকলৰ মাজত সমিলমিল মনোভাব আনিবলৈ চেষ্টা কৰা হয়। গতিকে যি প্ৰক্ৰিয়াৰ দ্বাৰা সংঘৰ্ষ দমন কৰি সামাজিক সুস্থিৰতা ৰক্ষা কৰা হয় তাকেই উপযোগীকৰণ বা সমিলকৰণ বোলা হয়।

জনপ্ৰিয় মনোবিজ্ঞানী জে.এম. বেল্ডবিনে (J. M. Baldarin) পোন প্ৰথমে উপযোগীকৰণৰ ধাৰণা প্ৰদান কৰিছিল। তলত ইয়াৰ কিছুমান সংজ্ঞা প্ৰদান কৰা হ'ল—

মেক আইভাৰৰ (Maciver) মতে, 'সমিলকৰণ এনে এক প্ৰক্ৰিয়া— যিটোৰ জৰিয়তে সমাজৰ ব্যক্তিয়ে পৰিৱেশৰ লগত স্বতঃস্ফূৰ্তভাৱে খাপ খাই পৰে বা সংহতি স্থাপন কৰিবলৈ সমৰ্থ হয়।' (The term accommodation refers particularly to the process in which main attains a sene of harmony with his environment.)

জে. এম. বেল্ডবিনৰ (J.M.Balwin) মতে, 'সমিলকৰণ হ'ল ব্যক্তিৰ আচৰণত আৰ্জিত পৰিৱৰ্তন— যিয়ে তেওঁক পৰিৱেশৰ সৈতে সমাযোজিত কৰি তোলে।' (Accommodation denotes acquired changes in the behaviour of individuals which enable them to adjust to their environment.)

অগবার্ন আৰু নিমকফৰ (Ogburn and Nimkoff) মতে, 'সমিলকৰণ বা উপযোগীকৰণৰ যোগেদি বৈৰী ভাবাপন্ন ব্যক্তি অথবা সমূহবিলাকে নিজকে পৰিৱেশৰ লগত খাপ খুৱায়।' (Accommodation is a term used by the sociologists to deseribe the adjustment of hastile individuals or groups.)

চুধাৰলেণ্ডৰ (Sutherland) মতে, 'সমিলকৰণ হ'ল এক প্ৰক্ৰিয়া, যাৰ জৰিয়তে এসময়ত সংঘৰ্ষত লিপ্ত হোৱা ব্যক্তিয়ে উমৈহতীয়া চেষ্টাত একেলগে কাম কৰে।' (Accommodation is the process by which those once in conflict can work together in common enterprises.)

সমিলকৰণৰ কিছুমান বৈশিষ্ট্য হ'ল—

- **সংঘৰ্ষৰ স্বাভাৱিক ফলাফল ঃ** সমিলকৰণ সদায় সংঘৰ্ষৰ পিছত সৃষ্টি হয়। ই সংঘৰ্ষৰ স্বাভাৱিক ফলাফল। যিহেতু সংঘৰ্ষ ধাৰাবাহিক নহয়, গতিকে সমাযোজনৰ জৰিয়তে সমিলকৰণ স্থাপন কৰি তোলা হয়।
- **সমিলকৰণ বিশ্বজনীন ঃ** ই এক বিশ্বজনীন প্ৰক্ৰিয়া। যিহেতু সংঘৰ্ষ সকলো

সমাজত সৃষ্টি হয়, সমিলকৰণো সকলোতে পৰিলক্ষিত হয়। কোনো সমাজে ধাৰাবাহিক সংঘর্ষৰ দ্বাৰা বর্তি থাকিব নোৱাৰে। গতিকে সমিলকৰণৰ অৱস্থা অতিকে দৰকাৰী।

- **সমিলকৰণ সচেতনো হ'ব পাৰে বা অসচেতনো হ'ব পাৰে ঃ** যেতিয়া কোনো পক্ষই সংঘর্ষ সামৰি ইচ্ছাকৃতভাৱে শান্তিপূর্ণ সমাধান বিচাৰে তেতিয়া সচেতন সমিলকৰণ সম্ভৱ হয়।

  সাধাৰণতে সমিলকৰণ অসচেতন হোৱা দেখা যায়। জন্মৰ পিছতেই মানুহে সমাজৰ পৰা শিকি লোৱা প্রতিমান, প্রমূল্য, পৰম্পৰা আদিৰ ফলত সামাজিক দায়িত্বশীলতা ভাব গঢ়ি উঠে। আন এক কথাত ক'বলৈ হ'লে পৰিয়ালসমূহ, বিদ্যালয়, লগৰীয়া, কর্মক্ষেত্র ইত্যাদি নিজকে সমাযোজনৰ দ্বাৰা সমিলকৰণ কৰি লয়। এইবোৰ কার্যৰ ক্ষেত্রত ব্যক্তিগৰাকী অসচেতনভাৱে সমিলকৰণ হৈ উঠে।

- **সমিলকৰণ ধাৰাবাহিক হয় ঃ** গোটেই জীৱন সমিলকৰণ ধাৰাবাহিকভাৱে চলি থাকে। ই কোনো নির্দিষ্ট পৰিস্থিতিৰ লগত জড়িত নহয়। জটিলতাৰে ভৰা সমাজখনত ব্যক্তিয়ে ধাৰাবাহিক নিজকে সমাযোজিত কৰি লয় আৰু সমিলকৰণ গঢ় লৈ উঠে।

- **সমিলকৰণৰ প্রভাৱ পৰিস্থিতিসাপেক্ষে ভিন্ন হয় ঃ** সমিলকৰণৰ প্রভাৱ সকলো পৰিস্থিতিত একে নহয়। কেতিয়াবা ই সবল ব্যক্তিক বা দলক দুর্বল ব্যক্তিৰ ওপৰত ক্ষমতাৰ জৰিয়তে সহযোগিতাৰ ভাব নিশ্চিত কৰাত সহায় কৰিব পাৰে। কেতিয়াবা ই প্রত্যক্ষ সংঘর্ষ বন্ধ কৰিব পাৰে অথবা কিছুদিনলৈ স্থগিত ৰখাবও পাৰে।

সমিলকৰণৰ উপায়সমূহ

গিলিন আৰু গিলিনৰ মতে, সমিলকৰণ স্থাপনৰ সাতটা উপায় আছে। সংঘর্ষ যিহেতু সুদূৰপ্রসাৰী নহয়, গতিকে বুজাবুজি আৰু সমাযোজনৰ যোগেদি সমিলকৰণ স্থাপন কৰা হয়। সমিলকৰণৰ উপায়সমূহ তলত উল্লেখ কৰা হ'ল—

১) **পৰাজয় স্বীকাৰ ঃ** কেতিয়াবা শক্তিশালী পক্ষই দুর্বল পক্ষৰ ওচৰত শক্তি প্রয়োগ কৰাৰ ফলত দুর্ৱল পক্ষই পৰাজয় স্বীকাৰ কৰে। যেতিয়া কোনো ব্যক্তি বা দলে বিপৰীত পক্ষৰ ওচৰত সম্পূর্ণৰূপে বিজয় সাব্যস্ত কৰে তেতিয়া পৰাজিত পক্ষই হাৰ মানি ল'বলৈ বাধ্য হয়।

২) **বুজাবুজি ঃ** যেতিয়া দুয়োটা পক্ষ সমানভাৱে শক্তিশালী হয় তেতিয়া দুয়োপক্ষৰ মাজৰ সংঘর্ষ বুজাবুজিৰ যোগেদি মীমাংসা কৰা হয়। শক্তি ৰক্ষাৰ বাবে দুয়োপক্ষই কিছুমান চর্ত মানি লৈ চুক্তিবদ্ধ হয়। উদাহৰণস্বৰূপে— বেলেগ বেলেগ ৰাজনৈতিক দলে বুজাবুজিৰ জৰিয়তে বিভিন্ন সমস্যা সমাধান কৰে।

৩) **(ক) ধ্যান ঃ** ইয়াৰ যোগেদি এটা নিৰপেক্ষ দলে চেষ্টাৰ দ্বাৰা শান্তি স্থাপন কৰে। সংঘর্ষত লিপ্ত দলে নিৰপেক্ষ লোকজনৰ বা দলটোৰ সিদ্ধান্ত মানি নল'বও পাৰে। এই সিদ্ধান্তসমূহ প্রধানকৈ উপদেশমূলক হয়।

(খ) মধ্যস্থতা ঃ ইয়াত এগৰাকী মধ্যস্থতাকাৰী লোকে বিবাদ মীমাংসা কৰে। এই ব্যক্তিগৰাকীক সংঘর্ষত লিপ্ত দয়ো পক্ষই নির্বাচন কৰে। শ্রম ব্যৱস্থাপনাৰ সংঘর্ষ, ৰাজনৈতিক সংঘর্ষ এইবোৰ মধ্যস্থতাৰ জৰিয়তে মীমাংসা কৰা হয়।

(গ) **শান্তিস্থাপন ঃ** ইয়াত বিবাদত লিপ্ত দুয়োপক্ষৰ মাজত বন্ধুত্ব স্থাপনৰ দ্বাৰা চুক্তিবদ্ধ কৰা হয়। ইয়াত বিপৰীত পক্ষৰ লগত নম্রতাৰে আচৰণ প্রদর্শন কৰা হয়।

৪) **সহিষ্ণুতা ঃ** পাৰস্পৰিক সহিষ্ণুতাৰ দ্বাৰাও সংঘর্ষ বিলুপ্ত কৰা হয়। শক্তি বা বল প্রয়োগ কৰাৰ সলনি সহিষ্ণুতাৰ জৰিয়তে সমস্যাৰ সমাধান কৰা হয়। ইয়াৰ 'নিজে জীয়াই থকা, আনকো জীয়াই থাকিবলৈ দিয়া' নীতি মানি চলা হয়। ইয়াত দুয়োপক্ষই সমিলমিলভাৱে থকাৰ সিদ্ধান্ত গ্রহণ কৰে আৰু কোনো আনুষ্ঠানিক চুক্তি সম্পন্ন কৰা নহয়। উদাহৰণস্বৰূপে— সমাজত বেলেগ বেলেগ ধর্ম তথা আদর্শৰ লোকে সহিষ্ণুতাৰে একেলগে বসবাস কৰে।

৫) **ৰূপান্তৰকৰণ ঃ** ইয়াত নিজৰ বিশ্বাস ত্যাগ কৰি আনৰটো গ্রহণ কৰা হয়। 'ৰূপান্তকৰণ'ৰ ধাৰণাটো প্রথমে ধর্মৰ ক্ষেত্রত প্রয়োগ কৰা হৈছিল যদিও বর্তমান অর্থনৈতিক, সাহিত্যিক, আদর্শ ইত্যাদিৰ সৈতে জড়িত কৰা হয়।

৬) **সংশোধন ঃ** সংশোধন ব্যক্তিগত, দলীয় উভয় পক্ষত প্রয়োগ কৰা হয়। ইয়াত উগ্র আচৰণসমূহ শান্ত কার্যৰ দ্বাৰা সংশোধন কৰাৰ চেষ্টা কৰা হয়। স্বামী বিবেকানন্দ, গান্ধীজী, যীশুখ্রীষ্ট ইত্যাদি লোকে অসহযোগ, মৰম ইত্যাদিৰ জৰিয়তে হিংসা, অসূয়া আঁতৰ কৰাৰ চেষ্টা চলাইছিল।

৭) **মাননীয়কৰণ আৰু অধীনকৰণ ঃ** সমাজ মানুহৰ সম্পর্কৰে গঠিত। ইয়াত বেছিভাগ সম্পর্কই মাননীয়কৰণ আৰু অধীনকৰণৰ আধাৰত প্রতিষ্ঠিত হয়। ইয়াৰ ভিত্তিত পিতৃ-মাতৃ আৰু শিশুৰ, শিক্ষক আৰু ছাত্র-ছাত্রীৰ, ডাঙৰ দলসমূহৰ অন্য দলৰ সম্পর্ক স্থাপন কৰা হয়। সমাজত কোনো ব্যক্তি বা দলে অধীনত থকাটো গ্রহণ কৰি লয়। আনহাতে অন্য কিছু লোক বা দলে উচ্চ স্থানত থাকি আনন্দ পায়। মাননীয়কৰণ আৰু অধীনকৰণ নৈতিক বিচাৰৰ ফালৰ পৰা সম্ভৱ হয়। নৈতিকতাৰ দৃষ্টিৰে কোনো ব্যক্তি অথবা সমূহৰ প্রতি বহু সময়ত মান্যতা দেখুওৱা হয়।

সমিলকৰণৰ প্রয়োজনীয়তা

সমিলকৰণ সংঘর্ষৰ পিছৰ পর্যায়ত সংঘটিত হয়। সংঘর্ষই সমাজৰ শান্তি-

শৃংখলা ভংগ কৰে বাবে সমিলকৰণৰ প্ৰয়োজনীয়তা অতি গুৰুত্বপূৰ্ণ। সমিলকৰণে মানুহৰ মাজত সহযোগিতা ৰক্ষা কৰি বন্ধুত্বপূৰ্ণ সম্পৰ্কৰ বিকাশ ঘটায়। সমিলকৰণ অবিহনে সমাজ এখন বৰ্তি থকা কঠিন। লগতে ইয়াৰ যোগেদি ব্যক্তিয়ে পৰিৱৰ্তিত পৰিস্থিতিত নিজকে খাপ খুৱাবলৈ শিকি লয়।

সদৃশীকৰণ (Assimilation) ঃ সদৃশীকৰণৰ ধাৰণা যথেষ্ট ব্যাপক। ই হ'ল — ইয়ং আৰু মেকৰ (Young and Mack) মতে, 'সদৃশীকৰণ হৈছে পূৰ্বৰ দুটা পৃথক সমূহৰ সংস্কৃতিৰ মৌলিকতাসমূহৰ সংমিশ্ৰণ ঘটোৱা এক প্ৰক্ৰিয়া। '(Assimilation is the fusion or blending of two previously distinct groups into one.)

বগাৰডাচৰ (Bogardus) মতে, 'সদৃশীকৰণ হৈছে এনে এটা প্ৰক্ৰিয়া— যিটোৱে বিভিন্ন আচৰণ একত্ৰিত কৰি এক নতুন সন্মিলিত সমূহৰ জন্ম দিয়ে।' (Assimilation is a process whereby attitudes of many persons are united and thus develop into a united group.)

অগবার্ন আৰু নিমকফৰ (Ogburn and Nimkoff) মতে, 'সদৃশীকৰণ হৈছে এক প্ৰক্ৰিয়া— যিয়ে ব্যক্তি বা সমূহৰ বৈসাদৃশ্যসমূহ আঁতৰাই আনে আৰু তাৰ প্ৰসাৰৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে।' (Assimilation is the process whereby individuals or groups one dissimilae become similar and idinrified in their interest and outlook.)

বাইচন্‌জৰ (Biesang) মতে, 'সদৃশীকৰণ হ'ল এক সামাজিক প্ৰক্ৰিয়া— য'ত ব্যক্তিসকল বা দলসমূহ একে লক্ষ্য আৰু একে অনুভূতি বা আৱেগৰ অংশীদাৰ হয়।' (Assimilation is the social process whereby individuals and groups come to share the same sentiments and goals.)

হার্টন আৰু হাণ্টৰ (Horton and Hunt) মতে, 'যি প্ৰক্ৰিয়াৰ জৰিয়তে ব্যক্তি আৰু সমূহে পৰস্পৰৰ সংস্কৃতিৰ প্ৰসাৰৰ জৰিয়তে এক উমৈহতীয়া সংস্কৃতিৰ অংশীদাৰ হয়, তাকেই সদৃশীকৰণ বোলা হয়।' (The process of murtual cultural diffusion through which persone and group come to share a common culture is called assimiation.)

সদৃশীকৰণৰ বৈশিষ্ট্য

তলত সদৃশীকৰণৰ কিছুমান বৈশিষ্ট্য উল্লেখ কৰা হ'ল।

- **এটা ক্ষেত্ৰতে আবদ্ধ নহয় ঃ** সদৃশীকৰণ কেৱল এটা ক্ষেত্ৰতে সীমাবদ্ধ নহয়। ই বিভিন্ন ক্ষেত্ৰত সংঘটিত হ'ব পাৰে। উদাহৰণস্বৰূপে— শিশুৱে ডাঙৰ হৈ লাহে লাহে প্ৰাপ্তবয়স্ক সমাজত লগ হয় আৰু নতুন আচৰণ শিকি লয়, কোনো ব্যক্তিয়ে ধৰ্মান্তৰকৰণৰ যোগেদি আন ধৰ্মৰ নীতি-নিয়ম পালন কৰে। আনকি স্বামী-স্ত্ৰীয়েও

বেলেগ বেলেগ পৰিয়ালৰ পৰা আহি একে মূল্যবোধ, একে নীতি-নিয়ম মানি চলিবলৈ আৰম্ভ কৰে। সদৃশীকৰণে আমাৰ জীৱনসমূহ সাধাৰণভাৱেই পৰিবেষ্টিত কৰি ৰাখে।

- **লেহেমীয়া আৰু নিয়মিত প্ৰক্ৰিয়া ঃ** সদৃশীকৰণ একে ৰাতিতে হৈ উঠা সম্ভৱ নহয়। অইনৰ সংস্কৃতিৰ সৈতে সংমিশ্ৰণ হ'বলৈ কিছু সময়ৰ প্ৰয়োজন হয়। মানুহৰ মাজত হোৱা সংস্পৰ্শৰ গভীৰতাই সদৃশীকৰণ নিৰ্ধাৰণ কৰে। এটা নিৰ্দিষ্ট সময়ৰ পিছতহে এটা সাংস্কৃতিক সমূহৰ লোকে আন সংস্কৃতিৰ প্ৰতিমানসমূহ মানি চলি নিজকে নতুন সংস্কৃতিৰ সৈতে বিলীন কৰি ল'ব সমৰ্থ হয়। ইংৰাজ শাসনৰ কেইবা শতিকাৰ পিছতহে ভাৰতীয় লোকে পশ্চিমীয়া সংস্কৃতিৰ সৈতে সদৃশীকৰণ কৰিবলৈ লৈছে।
- **অসচেতন প্ৰক্ৰিয়া ঃ** সদৃশীকৰণ এক অসচেতনভাৱে হোৱা প্ৰক্ৰিয়া। অইনৰ সংস্কৃতিৰ সৈতে বিনিময় হোৱা কাৰ্যটো ইমানেই লেহেমীয়া গতিত হয় যে ই আমাৰ মানসিক জগতত অচেতনভাৱে চলি থাকে। সময় পাৰ হোৱাৰ লগে লগে অতীত সংস্কৃতিৰ ধাৰাসমূহ বাদ দি নতুন সাংস্কৃতিক ধাৰা আঁকোৱালি লোৱা হয়।
- **পাৰস্পৰিক ক্ৰিয়া ঃ** সদৃশীকৰণ এক দ্বিমুখী প্ৰক্ৰিয়া। যেতিয়া দুটা দলে এটাই আনটোৰ সংস্পৰ্শলৈ আহে নিজ নিজ সাংস্কৃতিক সংলক্ষণসমূহ বিনিময় কৰে ইয়াক 'সংস্কৃতি সংক্ৰমণ' বুলি কোৱা হয়। সাধাৰণতে সাংস্কৃতিকভাৱে দুৰ্বল (acculturation) দলৰ লোকে সাংস্কৃতিকভাৱে শক্তিশালী দলৰ সংস্কৃতি আহৰণ কৰে আৰু কেতিয়াবা দুৰ্বলটোৱে শক্তিশালী দলৰ সংস্কৃতিৰ সৈতে সদৃশীকৰণ কৰি লয়।

সদৃশীকৰণৰ কাৰকসমূহ ঃ সদৃশীকৰণ কিছুমান কাৰকৰ প্ৰভাৱত সম্পন্ন হোৱা দেখা যায়। সেইবোৰ হ'ল—

সহিষ্ণুতা ঃ যেতিয়া ব্যক্তি বা সমূহে অন্য সংস্কৃতিৰ পাৰ্থক্যসমূহ সহ্য কৰিবলৈ লয় তেনে পৰিস্থিতিত সদৃশীকৰণ সহজ হৈ পৰে। এজনে আনজনৰ প্ৰতি থকা সহিষ্ণু মনোভাবে মানুহক এক কৰি ৰখাত সহায় কৰে আৰু সমাজৰ কল্যাণ সম্ভৱপৰ হয়।

শক্তিশালী সামাজিক সম্পৰ্ক ঃ যেতিয়া সামাজিক সম্পৰ্কৰ সম্পূৰ্ণসমূহ শক্তিশালী হয়, সদৃশীকৰণ সহজতে আৰু ক্ষিপ্ৰ গতিত হয়। এজনৰ আনজনৰ প্ৰতি বন্ধুত্ব গাঢ় হ'লে বুজাবুজিও সহজ হৈ পৰে। সদৃশীকৰণ স্বাভাৱিকভাৱে হয় যদিও পৰোক্ষ আৰু অব্যক্তিগত সম্পৰ্কবোৰে ইয়াত বাধা প্ৰদান কৰিব পাৰে।

বৈবাহিক সম্পৰ্ক ঃ দুটা ভিন্ন জাতি বা সমূহৰ মাজত হোৱা বিবাহে একগোট কৰে আৰু সাংস্কৃতিক সংস্পৰ্শলৈ অহাত সুযোগ প্ৰদান কৰে। ইয়াৰ ফলত সদৃশীকৰণ হৈ উঠে।

সংস্কৃতিৰ সাদৃশ্য ঃ সমজাতীয় সংস্কৃতিৰ মাজত ৰীতি-নীতি, পৰম্পৰা আদিৰ সাদৃশ্য থকাৰ ফলত সহজতে সদৃশী হৈ পৰে।

সমান অর্থনৈতিক আৰু সামাজিক সুবিধাসমূহ ঃ সমান অধিকাৰৰ অভাৱৰ ফলত মানুহৰ সদৃশীকৰণ হোৱাৰ ক্ষেত্রত বাধা আহে। কিন্তু যেতিয়া সমাজত মানুহখিনিয়ে উপযুক্ত সমান অধিকাৰ ভোগ কৰে তেতিয়া তেওঁলোকৰ মাজত গঢ়ি উঠা সদ্ভাৰ আৰু বিশ্বাসে সদৃশীকৰণ সম্ভৱ কৰি তোলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ সামাজিকীকৰণৰ বিভিন্ন কাৰকসমূহৰ তালিকা প্রস্তুত কৰক।

.....

.....

প্রশ্ন নং ৪ ঃ সামাজিকীকৰণৰ বিভিন্ন মাধ্যমসমূহৰ বিষয়ে উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৫ ঃ সামাজিক প্রক্রিয়াসমূহ কি কি?

.....

.....

প্রশ্ন নং ৬ ঃ সামাজিক প্রক্রিয়াৰ বিভিন্ন ভাগসমূহৰ তালিকা প্রস্তুত কৰক।

.....

.....

২.৬ সামাজিক পাৰস্পৰিক ক্রিয়াৰ অর্থ

মানুহে নিজৰ ভিন্নমুখী প্রয়োজন পূৰণৰ বাবে দল আৰু সংগঠনৰ মাজত জীৱন নির্বাহ কৰে। দলৰ সদস্য হিচাপে তেওঁলোকে কিছুমান নির্দিষ্ট আচৰণ প্রকাশ কৰে— যিয়ে তেওঁলোকৰ সম্পর্ক মজবুত কৰে। প্রত্যেক ব্যক্তিয়ে আন ব্যক্তিৰ আচৰণৰ দ্বাৰা প্রভাৱিত হয়। ইয়াকে 'সামাজিক পাৰস্পৰিকতা' বুলি আখ্যা দিয়া হয়। ই সমগ্র সামাজিক সম্পর্কৰ প্রসাৰক নির্দেশ কৰে। এই ভিত্তিতেই মানৰ সমাজ বর্তি থাকে। গতিকে 'সামাজিক পাৰস্পৰিকতা' হ'ল প্রাথমিক সামাজিক প্রক্রিয়া আৰু গতিশীল সামাজিক সম্পর্ক বর্ণনা কৰিবৰ বাবে ব্যৱহাৰ কৰা এক ব্যাপক শব্দ। সামাজিক পাৰস্পৰিকতাৰ যোগেদি মানুহৰ মাজত নির্দিষ্ট আৰু প্রত্যক্ষ পাৰস্পৰিক প্রভাৱ দেখিবলৈ পোৱা যায়।

সামাজিক পাৰস্পৰিকতাৰ দুটা আৱশ্যকীয় চর্ত হ'ল ঃ

(ক) সামাজিক সংযোগ আৰু (খ) যোগাযোগ

সামাজিক সংযোগ বা সংস্পর্শ হ'ল দুজন ব্যক্তিৰ মাজত হোৱা মুখা-মুখি সংযোগ বা জনসংযোগৰ মাধ্যম যেনে— ৰেডিঅ', টিভি, ম'বাইল ফোন, ইণ্টাৰনেট ইত্যাদিৰ জৰিয়তে স্থাপন হোৱা যোগাযোগ। গিলিন আৰু গিলিনৰ (Gilin and Gilin) মতে, 'সামাজিক সংযোগ হ'ল পাৰস্পৰিকতাৰ প্ৰথম পৰ্যায়।'

সামাজিক সংযোগ ধনাত্মক আৰু ঋণাত্মক দুয়োধৰণৰ হ'ব পাৰে। যেতিয়া ব্যক্তিৰ মাজত সহযোগিতা, বুজাবুজি, সদৃশীকৰণ আদি থাকে তেতিয়া সামাজিক সংযোগ ধনাত্মক হয়। আনহাতে যেতিয়া মানুহৰ মাজত হিংসা, ঘৃণা, জেদ, সংঘৰ্ষ ইত্যাদি থাকে তেতিয়া ঋণাত্মক সংযোগ স্থাপন হয়।

যোগযোগ হ'ল পাৰস্পৰিকতাৰ অন্য এটা চৰ্ত। যোগাযোগৰ জৰিয়তেই এজন ব্যক্তিয়ে আন এজন ব্যক্তিৰ আচৰণ প্ৰভাৱিত কৰে। আমাৰ ইন্দ্ৰিয়সমূহ, আৱেগ, ভাববৃত্তি ইত্যাদিৰ সহায়ত যোগাযোগ স্থাপন হোৱাত সহায়ক হয়। ইন্দ্ৰিয়ৰ সহায়ত যোগযোগ মানুহৰ ক্ষেত্ৰতেই নহয় জন্তুৰ ক্ষেত্ৰতো সম্ভৱ হয়। আৱেগিক পৰ্যায়ত হাঁহি, কান্দোন, মুখৰ প্ৰতিক্ৰিয়া, দৈহিক ভংগিমা ইত্যাদিৰ যোগেদি ব্যক্তিয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। মানুহৰ বৌদ্ধিক ক্ষমতাৰ ওপৰত নিৰ্ভৰ কৰি ইজনৰ সিজনৰ সৈতে ভাব বিনিময় হয়। এই ক্ষেত্ৰত ভাষাই মত বিনিময়ৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

২.৬.১ সামাজিক পাৰস্পৰিক ক্ৰিয়াৰ সংজ্ঞা

তলত সামাজিক পাৰস্পৰিকতাৰ কিছুমান সংজ্ঞা উল্লেখ কৰা হ'ল—

এলড্ৰিচ আৰু মেৰিলৰ (Eldredge and Merril) মতে, 'সামাজিক পাৰস্পৰিকতা এনে এটা প্ৰক্ৰিয়া— যাৰ দ্বাৰা দুজন বা ততোধিক ব্যক্তিয়ে অৰ্থপূৰ্ণভাৱে একত্ৰিত হয় আৰু ফলত মানুহৰ ব্যৱহাৰ সামান্যতমভাৱে হ'লেও সংশোধিত হয়।' (Social interaction is the general process where by two or more persons are in meaningful contact as result of which their behaviour is modified however sligklly.)

ড্ৰৱচন আৰু গেটিচৰ (Drawaon and Gettys) মতে, 'ব্যক্তিয়ে ইজনে সিজনৰ বা পৰস্পৰৰ মনৰ মাজত ক্ৰিয়া কৰিব পৰা পদ্ধতিটোৱেই হৈছে সামাজিক পাৰস্পৰিকতা।' (Social interaction a precess whereby man interpenetrcte the minds of each other.)

গীচ.এন. পিৰ (Gish. N. P) মতে, 'ভিন্ন উদ্দীপক আৰু প্ৰতিক্ৰিয়াৰ সহায়ত মানুহে ইজনে সিজনৰ ওপৰত পেলোৱা পাৰস্পৰিক প্ৰভাৱকে সামাজিক পাৰস্পৰিকতা বোলা হয়।' (Social interaction is the reciprocal influence human beings exert om each other through inter stimulation and response.)

পাৰ্ক আৰু বাৰ্গেচৰ (Park and Burgess) মতে, 'সামাজিক পাৰস্পৰিতা

হ'ল এজন ব্যক্তিৰ সৈতে এটা দলৰ আন দলৰ সৈতে থকা দ্বৈত প্ৰকৃতি।' (Social interaction is of a dual nature of persons whit persons and of groups with groups.)

গ্ৰীনে (Green) সামাজিক পাৰস্পৰিকতাৰ সংজ্ঞা এনেদৰে আগবঢ়াইছিল— 'মানুহৰ ভাব-চিন্তাক বাস্তৱত ৰূপায়িত কৰিবৰ বাবে ব্যক্তিৰ লগত সামাজিক সমূহৰ যি পাৰস্পৰিক সম্বন্ধ গঢ়ি উঠে তাকে পাৰস্পৰিকতা বোলে।' (The mutual influences that individuals and groups have on one another in their attempt to solve problems and their striving towards goal.)

সামাজিক পাৰস্পৰিকতা প্ৰত্যক্ষও হ'ব পাৰে প্ৰতীকীও হ'ব পাৰে। প্ৰত্যক্ষ পাৰস্পৰিকতা সম্ভৱ হয় যেতিয়া দুই বা ততোধিক ব্যক্তিয়ে দৈহিকভাৱে যেনে - সাবটি ধৰা, ঠেলা-ঠেলি কৰা বা কাজিয়া কৰা ইত্যাদিৰ যোগেদি প্ৰত্যক্ষভাৱে স্পৰ্শ কৰে। আনহাতে প্ৰতীকী পাৰস্পৰিকতাৰ ক্ষেত্ৰত ব্যক্তিয়ে দৈহিক ভাব-ভঙ্গী বা কথিত বা লিখিত ভাষাৰ সহায়ত সংস্পৰ্শলৈ আহে।

সামাজিক পাৰস্পৰিকতাৰ ভিত্তি হ'ল উদ্দীপক আৰু প্ৰতিক্ৰিয়া। অন্য ব্যক্তিৰ কাৰ্য, চিন্তা বা আৱেগে এজন ব্যক্তিৰ প্ৰতিক্ৰিয়াক উদ্দীপিত কৰে আৰু ভাব-চিন্তা আদিৰ তুলনা কৰাত সহায় কৰি বিভিন্ন সামৰ্থতাৰ বিকাশ ঘটায়।

২.৬.২ সামাজিক পাৰস্পৰিক ক্ৰিয়াৰ প্ৰয়োজনীয়তা

সকলো সামাজিক সম্পৰ্কৰ মূল হ'ল সামাজিক পাৰস্পৰিকতা। ইয়াৰ দ্বাৰাই সামাজিক বৃদ্ধি হয় আৰু ব্যক্তিৰ ব্যক্তিত্ব বিকাশ হয়। গতিকে সামাজিক পাৰস্পৰিতা খুবেই প্ৰয়োজনীয় ধাৰণা। ইয়াৰ প্ৰয়োজনীয়তাসমূহ এনেধৰণৰ—

- **ই মানুহক পৰিচয় প্ৰদান কৰে ঃ** সামাজিক পাৰস্পৰিকতা হ'ল সকলো সামাজিক সম্পৰ্কৰ ভিত্তি আৰু ইয়াৰ দ্বাৰাই ব্যক্তিয়ে সমাজত স্বীকৃতি লাভ কৰে। কোনো ব্যক্তিয়ে আন ব্যক্তিৰ সৈতে কেনেদৰে সংযোগ স্থাপন কৰে, তাৰ ওপৰতেই তেওঁৰ অস্তিত্ব নিৰ্ভৰ কৰে।
- **বিভিন্ন প্ৰয়োজন পূৰণ কৰে ঃ** এগৰাকী ব্যক্তি, বিভিন্ন প্ৰয়োজন থাকিব পাৰে, যেনে— শাৰীৰিক, আৱেগিক, সামাজিক ইত্যাদি। বিভিন্ন ঠাইত যেনে— পৰিয়াল, বিদ্যালয়, ধৰ্মীয় উপাসনাৰ সৈতে স্থাপন হোৱা পাৰস্পৰিকতাৰ ফলত ব্যক্তিৰ প্ৰয়োজনসমূহ পূৰণ হয়।
- **সমূহ গঠনত সহায় কৰে ঃ** যেতিয়া বহুসংখ্যক লোকে পৰস্পৰৰ লগত সম্বন্ধ স্থাপন কৰে, মত বিনিময় কৰে তেওঁলোকৰ ব্যক্তিত্বসমূহ প্ৰভাৱিত হৈ পৰে আৰু সৰু সৰু দল গঠনত সহায়ক হৈ উঠে।
- **সামাজিক নিয়ম আৰু প্ৰতিমান মানি চলাত সহায় কৰে ঃ** সমাজত বাস কৰিবলৈ

হ'লে প্ৰত্যেক লোকে কিছুমান নিয়ম মানি চলা দৰকাৰ। ই সমাজত শান্তি নিশ্চিত কৰে। সামাজিক পাৰস্পৰিকতাৰ সহায়ত মানুহে সমাজৰ নিয়ম-কানুন মানি লৈ শান্তি-শৃংখলা ৰক্ষা কৰাত সহায় কৰিবলৈ সক্ষম হয়।

- **সংস্কৃতি হস্তান্তৰকৰণত সহায় কৰে ঃ** সামাজিক পাৰস্পৰিকতাৰ জৰিয়তে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ, এখন সমাজৰ পৰা আন এখন সমাজলৈ সংস্কৃতি হস্তান্তৰ কৰা হয়। উঠি অহা প্ৰজন্মই পুৰণি ব্যক্তিৰ পৰা সাংস্কৃতিক পৰম্পৰাৰ বিষয়ে জ্ঞান লাভ কৰে। বৰ্তমান সময়ত ভিন ভিন সমাজৰ মাজত সাংস্কৃতিক প্ৰসাৰো ব্যাপক হাৰত ঘটা দেখা গৈছে।
- **সামাজিক পৰিৱৰ্তন অনাত সহায় কৰে ঃ** মানুহৰ মাজত হোৱা পাৰস্পৰিকতাৰ ফলত সমাজতো পৰিৱৰ্তন অহা দেখা যায়। ভিন ভিন লোকৰ মাজত হোৱা মত বিনিময়ৰ ফলত মানুহে নতুন বিশ্বাস, মূল্যবোধ, চিন্তা ইত্যাদি আহৰণ কৰে। ফলত তেওঁলোকৰ মানসিক পৰিসৰ বহল হৈ সামাজিক পৰিৱৰ্তনত অৰিহণা যোগায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ সামাজিক পাৰস্পৰিকতাৰ সংজ্ঞা প্ৰদান কৰক।

.....

.....

প্ৰশ্ন নং ৮ ঃ সামাজিক পাৰস্পৰিকতাৰ দুটা প্ৰধান চৰ্ত কি কি?

.....

.....



২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সামাজিকীকৰণ হ'ল এক প্ৰক্ৰিয়া— যাৰ দ্বাৰা মানুহে ইজনে আন এজনৰ লগত ব্যাপক সম্পৰ্ক স্থাপন কৰে। ই এক জীৱন জুৰি চলা প্ৰক্ৰিয়া— য'ত ব্যক্তিয়ে প্ৰতিমান, পৰম্পৰা, মূল্যবোধ, বিশ্বাস, আদৰ্শ, বিভিন্ন দক্ষতা, অভ্যাস ইত্যাদি শিকি লয় আৰু বিভিন্ন সামাজিক কাৰ্যত অংশগ্ৰহণ কৰে।
- সামাজিকীকৰণ প্ৰাথমিক, গৌণ, প্ৰত্যাশিত, সাংগাঠনিক, লিঙ্গ, ধনাত্মক ,ঋণাত্মক, পুনৰ সামাজিকীকৰণ ইত্যাদি ধৰণৰ হ'ব পাৰে।
- সামাজিকীকৰণৰ স্তৰসমূহ হ'ল - ১) মৌখিক স্তৰ ২) পায়ু স্তৰ ৩) সুপ্ত স্তৰ ৪) কৈশোৰ স্তৰ আৰু ৫) প্ৰাপ্তবয়স্ক সামাজিকীকৰণ

- সামাজিকীকৰণৰ কাৰণসমূহ হ'ল— অনুকৰণ, অভিভাৱন, চিনাক্তকৰণ আৰু ভাষা।
- সামাজিকীকৰণৰ প্ৰথম মাধ্যম হ'ল পৰিয়াল। সমাজ-জীৱনৰ প্ৰশিক্ষণ পৰিয়ালতেই আৰম্ভ হয়। মৰম-চেনেহৰ, ধৈৰ্য-সহ্য, সহযোগিতা, ত্যাগ ইত্যাদিৰ আদিপাঠ পৰিয়ালতেই লাভ কৰে।
- পৰিয়ালৰ পিছতেই বিদ্যালয়ে শিশুৰ ব্যক্তিত্ব গঠনত সহায় কৰে। ইয়াত ব্যক্তিৰ লগতে সমাজৰ বিভিন্ন প্ৰয়োজন পূৰণ কৰা হয়। শিশুৱে বিদ্যালয়ত সাংস্কৃতিক পৰম্পৰাৰ উপৰি নেতৃত্ব, দেশপ্ৰেম, ত্যাগ ইত্যাদি গুণ আয়ত্ত কৰি লয়।
- ব্যক্তিৰ ব্যক্তিত্ব গঠনত বন্ধুবৰ্গ আৰু খেলৰ সংগীৰ প্ৰভাৱ অতি প্ৰয়োজনীয়। কৈশোৰকালত বন্ধুৰ প্ৰভাৱত কিছুমান বিশেষ চখ বা ইচ্ছাৰ প্ৰতি ল'ৰা-ছোৱালী আকৰ্ষিত হোৱা দেখা যায়।
- গীৰ্জা বা আন ধৰ্মীয় অনুষ্ঠানে মানুহৰ আচৰণ বিকাশ কৰে আৰু যুক্তি ক্ষমতাৰ বিকাশো সম্ভৱ কৰি তোলে। আধুনিক যুগত যদিও ধৰ্মৰ প্ৰভাব হ্ৰাস পাইছে তথাপি ইয়াৰ প্ৰয়োজনীয়তা নাই বুলিব নোৱাৰি।
- ৰাজ্য হ'ল একমাত্ৰ অনুষ্ঠান— যাৰ ইয়াৰ নাগৰিকৰ ওপৰত কৰ্তৃত্বশীল নিয়ন্ত্ৰণ থাকে। ই মানুহৰ কাৰণে আইন প্ৰণয়ন কৰে আৰু আইন ভংগ কৰা লোকক শাস্তি প্ৰদান কৰাৰ ব্যৱস্থাও কৰে।
- সামাজিক প্ৰক্ৰিয়াসমূহ হ'ল সামাজিক পাৰস্পৰিকতাৰ কিছুমান উপায়— যাৰ দ্বাৰা ব্যক্তিয়ে সমাজত এটা নিৰ্দিষ্ট চৰিত্ৰ ৰূপায়ণ কৰে।
- সমাজিক প্ৰক্ৰিয়াৰ উপাদানসমূহ হ'ল— (ক) ঘটনাবোৰৰ অনুক্ৰম (খ) ঘটনাবোৰৰ পুনৰাবৃত্তি (গ) ঘটনাবোৰৰ মাজত সম্পৰ্ক (ঘ) ঘটনাবোৰৰ ক্ৰমিকতা (ঙ) বিশেষ ফলাফল।
- সহযোগিতা হ'ল এক ধাৰাবাহিক প্ৰক্ৰিয়া— দুই বা ততোধিক ব্যক্তিয়ে উমৈহতীয়া লক্ষ্য পূৰণৰ হকে একেলগে কাম কৰে।
- প্ৰতিযোগিতা হ'ল অসচেতন আৰু অব্যক্তিগত সংগ্ৰাম— যিটো বস্তুবাদী বা অবস্তুবাদী সামগ্ৰীৰ বাবে সংঘটিত হয়, যাৰ যোগান চাহিদাৰ তুলনাত কম। ই বস্তু, প্ৰস্থিতি, ক্ষমতা, ভালপোৱা আদিৰ কাৰণে হ'ব পাৰে।
- সংঘৰ্ষ হ'ল শত্ৰুতা প্ৰদৰ্শনৰ বাবে বা বিৰুদ্ধাচৰণৰ বাবে কৰা ইচ্ছাকৃত আৰু সচেতন কাৰ্য। যোগ্য ভোগ্য বসুন্ধৰা নীতি ইয়াত মানি চলা হয়।
- সমিলকৰণ হ'ল এক অসচেতন প্ৰক্ৰিয়া— যাৰ ফলত সংঘৰ্ষত লিপ্ত হোৱা ব্যক্তিসকলে শান্তি ৰক্ষাৰ হকে একেলগে কাম কৰে।
- সামাজিক পাৰস্পৰিকতাৰ দুটা প্ৰয়োজনীয় চৰ্ত হ'ল— সামাজিক সংযোগ আৰু যোগাযোগ।
- সামাজিক সংযোগ ধনাত্মক হ'ব পাৰে বা ঋণাত্মকো হ'ব পাৰে।
- সামাজিক পাৰস্পৰিকতা অতি প্ৰয়োজনীয়। কাৰণ ই মানুহক পৰিচয় প্ৰদান কৰে, বিভিন্ন

প্ৰয়োজন পূৰণ কৰে আৰু সামাজিক প্ৰতিমান আৰু ৰীতি-নীতি মানি চলাত সহায় কৰে। সামাজিক পাৰস্পৰিকতাই এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ সংস্কৃতি হস্তান্তৰ কৰি সামাজিক পৰিৱৰ্তন অনাত সহায় কৰে।



২.৮ অধিক জানিবলৈ

১) বৰা হৃদয়ানন্দ, অধিকাৰী বৰা ড° অৰ্চনা (২০১৯); শিক্ষাৰ ভিত্তি, পাণ বজাৰ, গুৱাহাটী ঃ মনি-মানিক প্ৰকাশ।

২) শৰ্মা মুকুন্দ, ডেকা ড° বীৰেন্দ্ৰ, শৰ্মা দিপালী, ডেকা ড° কন্দৰ্প কুমাৰ মিশ্ৰ চক্ৰৱৰ্তী, ড° আভা (২০০৬); শিক্ষা সমাজতত্ত্ব আৰু সমাজ দৰ্শন পাণ বজাৰ, গুৱাহাটী ঃ অসম বুক ডিপো।

৩) দলে ড° দুৰ্গেশ্বৰ, কলিতা ধীৰেন (২০০৫); সমাজতত্ত্ব পৰিচয়, নতুন বজাৰ, ডিব্ৰুগড় ঃ ষ্টুডেণ্ট এম্প'ৰিয়াম।



২.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সামাজিকীকৰণ হ'ল এক জীৱনজোৰা প্ৰক্ৰিয়া— যাৰ যোগেদি মানুহে সমাজৰ মূল্যবোধ, প্ৰতিমান, বিশ্বাস, আদৰ্শ ইত্যাদিৰ লগতে বিভিন্ন দক্ষতা আৰু কৌশল আয়ত্ত কৰে। ই এক প্ৰক্ৰিয়া— যাৰ দ্বাৰা সামাজিক পাৰস্পৰিকতা স্থাপন কৰা হয়। সামাজিকীকৰণৰ জৰিয়তে ব্যক্তিয়ে উমৈহতীয়াভাৱে কাম কৰি সামাজিক সমূহৰ ৰীতি-নীতি মানি চলিবলৈ শিকে। সামাজিকীকৰণৰ বিভিন্ন ভাগসমূহ হ'ল— প্ৰাথমিক, গৌণ, প্ৰত্যাশিত, লিঙ্গ, ধনাত্মক আৰু পুনৰ সামাজিকীকৰণ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ সামাজিকীকৰণৰ বিভিন্ন স্তৰসমূহ হ'ল— মৌখিক স্তৰ, পায়ু স্তৰ, সুপ্ত স্তৰ, কৈশোৰ স্তৰ আৰু প্ৰাপ্তবয়স্ক সামাজিকীকৰণ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ সামাজিকীকৰণৰ কাৰকসমূহ হ'ল— অনুকৰণ, অভিভাৱন, চিনাক্তকৰণ আৰু ভাষা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ সামাজিকীকৰণৰ বিভিন্ন মাধ্যমসমূহ হ'ল— পৰিয়াল, বিদ্যালয়, খেলৰ সংগী, বন্ধুবৰ্গ, গীৰ্জা, ৰাজ্য ইত্যাদি।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ সামাজিক প্ৰক্ৰিয়াসমূহ হ'ল— প্ৰাথমিক উপায়, যাৰ দ্বাৰা মানুহে পৰস্পৰৰ লগত সংস্পৰ্শলৈ আহে আৰু সম্বন্ধ স্থাপন কৰে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ সামাজিক প্ৰক্ৰিয়াৰ বিভিন্ন ভাগ হ'ল— সহযোগিতা, প্ৰতিযোগিতা, সংঘৰ্ষ,

সমিলকৰণ আৰু সদৃশীকৰণ।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ সামাজিক পাৰস্পৰিকতা হ'ল প্ৰাথমিক সামাজিক প্ৰক্ৰিয়া আৰু গতিশীল সামাজিক সম্পৰ্ক বৰ্ণনা কৰিবৰ বাবে ব্যৱহাৰ কৰা এক ব্যাপক শব্দ। পাৰ্ক আৰু বৰ্গেচৰ মতে সামাজিক পাৰস্পৰিকতা হ'ল এজন ব্যক্তিৰ আন ব্যক্তিৰ সৈতে আৰু এটা দলৰ আন দলৰ সৈতে থকা দ্বৈত প্ৰধান চৰ্ত হ'ল— ক) সামাজিক সংযোগ (খ) যোগাযোগ।



২.১০ আৰ্হি প্ৰশ্ন

(ক) চমু প্ৰশ্ন (১০০-১৫০ শব্দৰ ভিতৰত উত্তৰ লিখিব)

প্ৰশ্ন ১ ঃ সামাজিকীকৰণ বুলিলে কি বুজা যায়? ইয়াৰ প্ৰাথমিক উপাদানসমূহ কি কি?

প্ৰশ্ন ২ ঃ 'সামাজিক প্ৰক্ৰিয়া'ৰ সংজ্ঞা প্ৰদান কৰক। ইয়াৰ উপাদানসমূহ কি কি।

প্ৰশ্ন ৩ ঃ সামাজিকীকৰণ বিভিন্ন স্তৰসমূহ চমুকৈ বৰ্ণনা কৰক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখিব)

প্ৰশ্ন ১ ঃ সামাজিকীকৰণৰ বিভিন্ন ভাগসমূহ বহলভাৱে বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ সামাজিকীকৰণৰ বিভিন্ন কাৰকসমূহ বৰ্ণনা কৰক।

প্ৰশ্ন ৩ ঃ সামাজিকীকৰণৰ বিভিন্ন মাধ্যমসমূহ বিশদভাৱে আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ সামাজিক প্ৰক্ৰিয়াৰ বিভিন্ন ভাগসমূহ বিশদভাৱে আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ সামাজিক পাৰস্পৰিকতাৰ সংজ্ঞা প্ৰদান কৰক। সামাজিক পাৰস্পৰিকতাৰ প্ৰয়োজনীয়তা আলোচনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ সামাজিকীকৰণৰ মাধ্যমসমূহ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ সামাজিকীকৰণৰ ধাৰণা

৩.৩.১ সামাজিকীকৰণৰ সংজ্ঞাসমূহ

৩.৩.২ সামাজিকীকৰণৰ বৈশিষ্ট্যসমূহ

৩.৪ সামাজিকীকৰণৰ প্ৰকাৰসমূহ

৩.৫ সামাজিকীকৰণৰ কাৰকসমূহ

৩.৬ সামাজিকীকৰণৰ প্ৰক্ৰিয়াসমূহ

৩.৭ সামাজিকীকৰণৰ শিক্ষা আৰু সামাজিকীকৰণ প্ৰক্ৰিয়া

৩.৮ সামাজিকীকৰণৰ মাধ্যমসমূহ

৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.১০ অধিক জানিবলৈ

৩.১১ অগ্ৰগতিৰ খতিয়ান

৩.১২ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামাজিকীকৰণৰ ধাৰণা আৰু সংজ্ঞাসমূহৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।
- সামাজিকীকৰণৰ প্ৰকৃতি, প্ৰকাৰ, কাৰক আৰু প্ৰক্ৰিয়াসমূহৰ বিষয়ে বৰ্ণনা কৰিবলৈ সক্ষম হ'ব।
- শিক্ষা আৰু সামাজিকীকৰণ প্ৰক্ৰিয়াৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰিবলৈ সক্ষম হ'ব।
- সামাজিকীকৰণৰ মাধ্যমসমূহৰ লগত পৰিচয় হ'ব।

৩.২ পৰিচয়

এই অধ্যায়টিয়ে আপোনাক সামাজিকীকৰণৰ ধাৰণা, সংজ্ঞা আৰু প্ৰকৃতি সম্বন্ধে জানিবলৈ সক্ষম কৰি তুলিব। সামাজিকীকৰণ হ'ল এনে এক প্ৰক্ৰিয়া— যাৰ জৰিয়তে নতুন প্ৰজন্মলৈ সংস্কৃতি হস্তান্তৰ কৰা হয় আৰু মানুহে বাস কৰা নীতি-নিয়মসমূহ শিকি ল'বলৈ সক্ষম হয়। সামাজিকীকৰণে সামাজিক প্ৰমূল্য আৰু প্ৰতিমানসমূহ ধৰি ৰখা বা সংৰক্ষণ কৰাৰ উপৰি এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ প্ৰতিমান আৰু প্ৰমূল্যসমূহ হস্তান্তৰ কৰে। সামাজিকীকৰণ

এক জীৱনজোৰা প্ৰক্ৰিয়া।

শিক্ষা হ'ল নিৰ্দেশিত শিকনৰ এক প্ৰক্ৰিয়া— যিয়ে জ্ঞান আৰু দক্ষতা প্ৰদান কৰাৰ উপৰি ব্যক্তিত্ব বিকাশ কৰে। সমাজৰ উন্নতিৰ হকে প্ৰয়োজন হোৱা গুণসমূহ শিক্ষাৰ জৰিয়তেই সংৰক্ষণ কৰা হয়। ই শিশুক সামাজিকীকৰণ কৰি তোলাত সহায় কৰে। সমাজত নিজকে সমাযোজিত কৰি তুলিবৰ বাবে সামাজিকীকৰণে মানুহৰ আচৰণ সংশোধন কৰি তোলে।

সামাজিকীকৰণ মানুহৰ জীৱনকালত সংঘটিত হৈ থাকে। কিন্তু কিছুমান গুৰুত্বপূৰ্ণ সামাজিকীকৰণ বাল্যকালতেই সংঘটিত হোৱা দেখা যায়। সামাজিকীকৰণৰ ক্ষেত্ৰত প্ৰভাৱশালী মাধ্যমসমূহ হ'ল পৰিয়াল, বিদ্যালয়, বন্ধুবৰ্গ, ধৰ্ম, ৰাজ্য, ৰাজনৈতিক দল আৰু জনসংযোগ মাধ্যম।

৩.৩ সামাজিকীকৰণৰ ধাৰণা

জন্মৰ সময়ত শিশু এটাই বিভিন্ন ধৰণৰ প্ৰতিভাৰ সৈতে জন্মগ্ৰহণ কৰে। লাহে লাহে ভিন ভিন অভিজ্ঞতা আহৰণৰ দ্বাৰা শিশু এটা স্বয়ংসম্পূৰ্ণ ব্যক্তিলৈ পৰিৱৰ্তন হয়। সমাজবিজ্ঞানীসকলৰ মতে শিশুটিক সমাজ মুখী কৰি তোলা এই প্ৰক্ৰিয়াটোকে সামাজিকীকৰণ বোলা হয়। এই প্ৰক্ৰিয়াৰ দ্বাৰা ব্যক্তিক সমাজৰ কাৰ্যকৰী সদস্যৰূপে গঢ় দিয়া হয়। ইয়াৰ যোগেদি ব্যক্তিয়ে সামাজিক প্ৰতিমান আৰু ৰীতি-নীতিসমূহ শিকি ল'বলৈ সমৰ্থবান হৈ উঠে। সামাজিকীকৰণ হ'ল সমাজৰ ব্যক্তিসকলৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক— যাৰ দ্বাৰা উঠি অহা প্ৰজন্মই সমাজৰ প্ৰমূল্যসমূহ শিকি লয় আৰু সমাজে বিচৰাধৰণে আচৰণ প্ৰদৰ্শন কৰিবলৈ শিকি লয়।

মানৱ শিশু এটা পৃথিৱীত অহাৰ লগে লগে বিভিন্ন জৈৱিক প্ৰয়োজনসহ জন্মলাভ কৰে বাবে জন্তুৰ লেখীয়া আচৰণ কৰে। লাহে লাহে সামাজিক নীতি-নিয়ম অনুকৰণ কৰাৰ ফলত শিশুটিৱে সমাজে বিচৰাধৰণে আচাৰ-ব্যৱহাৰ প্ৰদৰ্শন কৰিবলৈ আৰম্ভ কৰে। এই প্ৰক্ৰিয়া অবিহনে সমাজ এখন গঢ়ি তোলা সম্ভৱ নহয় আৰু সংস্কৃতিও ধৰি ৰখা সম্ভৱ নহয়। সমাজ ধৰি ৰখা এই প্ৰক্ৰিয়াকে 'সামাজিকীকৰণ' আখ্যা দিয়া হয়।

সামাজিকীকৰণৰ জৰিয়তে মানুহৰ মগজু, শৰীৰ, দৃষ্টিভংগী, আচৰণ ইত্যাদি বিকশিত কৰি তোলা হয়। এই প্ৰক্ৰিয়াৰ দ্বাৰাই মানুহক সামাজিক পৃথিৱীৰ লগত পৰিচয় কৰোৱা হয়। জন্ম লাভ কৰা সমাজ বা সমূহৰ মূল্যবোধ, বিশ্বাস, অভ্যাস, মনোভাব ইত্যাদি পাৰস্পৰিক আন্তঃক্ৰিয়াৰ যোগেদি শিকি উঠা প্ৰক্ৰিয়াক সামাজিকীকৰণ বোলা হয়।

সামাজিকীকৰণ হ'ল এক উপায়— যাৰ দ্বাৰা এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ সংস্কৃতি প্ৰেৰণ কৰা হয় আৰু সংস্কৃতিৰ ক্ৰমিকতা ৰক্ষা কৰা হয়। এই প্ৰক্ৰিয়াৰ দ্বাৰাই ব্যক্তিয়ে সামাজিক আচৰণ শিকি লৈ 'আত্মসত্তা' বিকশিত কৰি তোলে।

প্ৰত্যেক ব্যক্তিয়ে নিজে বাস কৰা সমাজখনৰ পৰিৱেশৰ লগত বিভিন্ন চৰ্ত মানি লৈ সমাযোজন কৰি চলিবলৈ শিকে। ইয়াৰ অবিহনে তেওঁক সমাজবিৰোধী স্বৰূপে গণ্য কৰা হয় আৰু সমাজৰ ব্যক্তিসকলে বিভিন্ন চেষ্টাৰ দ্বাৰা তেওঁক মূল সুঁতিলৈ ঘূৰাই অনাৰ চেষ্টা চলায়।

সামাজিকীকৰণ প্ৰাথমিক, গৌণ আৰু প্ৰাপ্তবয়স্ক এই স্তৰসমূহৰ মাজেদি সংঘটিত সংঘটিত হয়। প্ৰাথমিক স্তৰত পৰিয়ালৰ যোগেদি সামাজিকীকৰণ হয়, গৌণ স্তৰত বিদ্যালয়ৰ যোগেদি আৰু তৃতীয় স্তৰত প্ৰাপ্তবয়স্ক সামাজিকীকৰণৰ যোগেদি শিশুৰ সামাজিকীকৰণ হয়।

শিশু এটাই জন্মৰ সময়ত কোনো সংস্কৃতিসহ জন্মলাভ নকৰে। মাক-দেউতাক, পৰিয়ালৰ আন সদস্য শিক্ষক আৰু আন ব্যক্তিৰ সহায়ত ল'ৰা-ছোৱালীয়ে সংস্কৃতিৰ বিষয়ে জ্ঞান লাভ কৰে। সংস্কৃতি আহৰণ কৰা এই প্ৰক্ৰিয়াটোকে সামাজিকীকৰণ বোলা হয়। ইয়াৰ দ্বাৰা আমি নিজে বাস কৰা সমাজৰ ভাষা আয়ত্ত কৰাৰ লগতে ভবিষ্যতে পালন কৰিব লগীয়া ভূমিকাসমূহৰ জ্ঞানো আয়ত্ত কৰি লওঁ। উদাহৰণস্বৰূপে ছোৱালীসকলে জী, ভনী, পত্নী, মা আদি ভূমিকা শিকি লয়। তদুপৰি বৃত্তি বা জীৱিকাৰ লগত জড়িত জ্ঞানো আহৰণ কৰি লয়। সামাজিকীকৰণৰ দ্বাৰা সাংস্কৃতিক প্ৰতিমানসমূহো আয়ত্ত কৰি লোৱা হয়।

সামাজিকীকৰণৰ জৰিয়তে ব্যক্তিত্বও গঠন কৰা হয়। যদিও মানুহৰ আচৰণ জিনৰ দ্বাৰা নিৰ্ধাৰিত হয়, তথাপি সামাজিকীকৰণৰ সহায়ত সমাজে বিচাৰধাৰণে মানুহক গঢ় দিয়ে। বিভিন্ন নিৰ্বাচিত অভিজ্ঞতা আৰু বিশ্বাস, মূল্যবোধ আদি প্ৰদান কৰি মানুহক সমাজ-স্বীকৃত ব্যক্তি স্বৰূপে চিনাকি প্ৰদান কৰা হয়।

সামাজিকীকৰণ প্ৰক্ৰিয়া জন্মৰ ঠিক পিছতেই আৰম্ভ হয়। আগতীয়া বাল্যকালতেই শিশুৰ সামাজিকীকৰণ অধিকাংশ সম্ভৱ হৈ উঠে। এই পৰ্যায়তেই শিশুৱে ভাষাৰ লগতে সংস্কৃতিৰ প্ৰাথমিক দিশসমূহ শিকি লয়। তাৰ ফলত ব্যক্তিত্ব লাহে লাহে গঢ় লৈ উঠাও আৰম্ভ হয়। এই প্ৰক্ৰিয়া জীৱনজুৰি চলি থাকে। সময়ৰ লগে লগে নতুন অভিজ্ঞতা আহৰণৰ ফলত আমাৰ আশা, আকাংক্ষা, প্ৰয়োজনীয়তা ইত্যাদিও সলনি হয়। উদাহৰণস্বৰূপে— ধৰ্ষণৰ বলি হোৱা নাৰী এগৰাকীয়ে পিছৰ জীৱনত সকলো পুৰুষকে অবিশ্বাসৰ দৃষ্টিৰে চায়।

সামাজিকীকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে ব্যক্তিয়ে নিজে বাস কৰা সমাজখনত গভীৰভাৱে বিলীন হয়। ব্যক্তিয়ে বিভিন্ন সামাজিক সম্পৰ্কসমূহৰ বিকাশৰ জৰিয়তে নিজৰ জীৱন পৰিপূৰ্ণ কৰাৰ চেষ্টা চলায়। ইয়াৰ দ্বাৰা ব্যক্তিয়ে সমূহৰ বিভিন্ন কাৰ্যত অংশগ্ৰহণ কৰি দলীয়া চিন্তা আৰু দলীয় ভাব বিকশাই তোলে। ইয়াৰ অৰ্থ হ'ল ব্যক্তিয়ে ভাব প্ৰকাশৰ উপায়সমূহ, বিভিন্ন বিশ্বাসসমূহ অৱসৰ বিনোদনৰ উপায়সমূহ, আদৰ্শসমূহ ইত্যাদি অইন ব্যক্তিৰ পৰা আয়ত্ত কৰি লয়। ব্যক্তিয়ে সদৃশীকৰণৰ জৰিয়তে দলীয় নিয়মসমূহ মানি লৈ সমাজত মান-সন্মান ৰক্ষা কৰে। সামাজিকভাৱে স্বীকৃত প্ৰেৰণা, অভিপ্ৰায় ইত্যাদি আহৰণ কৰি ব্যক্তিয়ে নিজৰ অপৈণত আচৰণসমূহ সংশোধন কৰি সামাজিকীকৰণৰ সহায়ত সংশোধন কৰে আৰু সমাজত নিজকে সমাযোজিত কৰি ল'বলৈ সক্ষম হৈ উঠে।

৩.৩.১ সামাজিকীকৰণৰ সংজ্ঞাসমূহ

ভিন্ন সমাজবিজ্ঞানীসকলে সামাজিকীকৰণৰ সংজ্ঞা ভিন্নধৰণে আগবঢ়াইছে।

- ই. এচ. বগাৰডাচৰ (E.S. Borgardus) মতে, 'সমাজৰ ব্যক্তিসকলে একেলগে কাম কৰা, সমাজ তথা সমূহৰ প্ৰতি থকা দায়িত্ব বৃদ্ধি কৰা আৰু সমাজৰ অন্যান্য

লোকৰ মঙ্গলৰ বাবে কাম কৰিবলৈ শিকোৱা প্ৰক্ৰিয়াই হ'ল সামাজিকীকৰণ।' (Socialization is the process of working together, of developing group responsibility or being guid by the wolfare needs of others.)

- ডব্লিউ এফ. অগবার্নৰ (W.F. ogburn) মতে, 'সামাজিকীকৰণ হ'ল এনে এক প্ৰক্ৰিয়া— যাৰ যোগেদি ব্যক্তিয়ে সমাজ তথা সমূহৰ মান মূল্য আৰু প্ৰতিমানৰ লগত নিজকে খাপ খুৱাবলৈ শিকে।' (Socialization is the process by which the individual learnd to conform to the norms of the group.)
- লুণ্ডবার্গৰ (Lundberg) মতে, 'সামাজিকীকৰণ পাৰস্পৰিকতা এক জটিল প্ৰক্ৰিয়াৰ দ্বাৰা গঠিত— য'ত ব্যক্তিয়ে অভ্যাস, বিশ্বাস, দক্ষতা আৰু বিচাৰৰ মান শিকি লয়; যিবোৰ সামাজিক দল আৰু সম্প্ৰদায়ত ফলপ্ৰসূ অংশগ্ৰহণৰ বাবে প্ৰয়োজনীয়।' (Socialization consists of the complex processes of interaction through which the individual learns the habits, beliefs, skills and standards of judgement that are necessary for his effective participation in social groups and communifies.)
- এইচ. টি. মজুমদাৰৰ (H.T. Majunder) মতে, 'সামাজিকীকৰণ এক প্ৰক্ৰিয়া— যাৰ যোগেদি প্ৰকৃত প্ৰকৃতি মানুহৰ প্ৰকৃতিলৈ আৰু ব্যক্তিক মানুহলৈ পৰিৱৰ্তন কৰা হয়।' (Socialization is the process whereby original narture is transformed into human nature and the individual into person.)
- এ. ডব্লিউ. গ্ৰীনৰ (A.W.Green) মতে, 'সামাজিকীকৰণ হ'ল এক প্ৰক্ৰিয়া— যাৰ দ্বাৰা শিশুৱে সাংস্কৃতিক উপাদানৰ সৈতে ব্যক্তিসত্তা আৰু ব্যক্তিত্ব আহৰণ কৰে।' (Socialization is a process by which child acquises a cultural, along with selfhood and personality.)
- হৰ্টন আৰু হাণ্টৰ মতে, (Horton and Hunt), 'সামাজিকীকৰণ হৈছে এক প্ৰক্ৰিয়া— যাৰদ্বাৰা এজন ব্যক্তিয়ে নিজৰ সমূহৰ প্ৰতিমানসমূহ আন্তঃকৰণ কৰি এক অসাধাৰণ আত্মবোধৰ সৃষ্টি কৰে, যিটো তেওঁৰ বাবে অদ্বিতীয়।' (Socialization is the process by which one internalizes the norms of his groups, so that a distinct `self emerges, unique to this individual.)
- পিটাৰ ওৱচলিৰ (Peter worsley) মতে, 'সামাজিকীকৰণ হ'ল এনে এক

প্রক্রিয়া'— যাৰ যোগেদি সংস্কৃতি হস্তান্তৰ আৰু সামাজিক সমূহবোৰৰ ৰীতি-নীতি পালনৰ বিষয়ে মানুহে শিকিব পাৰে।'(Socialization is the process of transmission of culture, the process whereby men learn the rules and practices of social groups.)

- হেৰী. এম. জনচনৰ (Harry .M. Juhnson) মতে, 'সমাজৰ ব্যক্তিসকলে সামাজিক ভূমিকাবোৰ পালন কৰিবলৈ শিকাকে সামাজিকীকৰণ বুলি কোৱা হয়।' (Socialization as learning that enables the learner to perform social roles.)

৩.৩.২ সামাজিকীকৰণৰ বৈশিষ্ট্যসমূহ

সামাজিকীকৰণ প্রক্রিয়াৰ জৰিয়তে সামাজিক প্রমূল্যসমূহ আৰু প্রতিমানসমূহ সংৰক্ষণ কৰাৰ লগতে এইবোৰ পুৰণি প্রজন্মৰ পৰা নতুন প্রজন্মলৈ হস্তান্তৰ কৰা হয়। সামাজিকীকৰণৰ কিছুমান বৈশিষ্ট্য তলত উল্লেখ কৰা হ'ল—

- **প্রাথমিক অনুশাসনৰ শিক্ষা প্রদান ঃ** সামাজিকীকৰণ প্রক্রিয়াৰ জৰিয়তে ল'ৰা-ছোৱালীক প্রাথমিক অনুশাসনৰ শিক্ষা প্রদান কৰা হয়। ইয়াৰ দ্বাৰা ব্যক্তিয়ে নিজৰ আৱেগ-অনুভূতিক নিয়ন্ত্রণ কৰিবলৈ শিকি লয়। সামাজিক স্বীকৃত লাভ কৰিবৰ বাবে ব্যক্তিয়ে অনুশাসিত আচৰণ প্রদর্শন কৰে ঃ
- **মানৱ আচৰণ নিয়ন্ত্রণত সহায় ঃ** সামাজিকীকৰণে মানুহৰ আচৰণ নিয়ন্ত্রণত সহায় আগবঢ়ায়। জন্মৰ পৰা মৃত্যুলৈকে মানুহে প্রশিক্ষণ লাভ কৰে আৰু বিভিন্ন প্রকাৰে আচৰণ নিয়ন্ত্রণ কৰে।
- **সামাজিকীকৰণৰ মাধ্যমসমূহৰ মাজত অধিক মানৱীয়তাই সামাজিকীকৰণ তীব্র গতিত আগুৱাই নিয়ে ঃ** যদি সামাজিকীকৰণৰ মাধ্যমসমূহৰ মাজত অধিক একতা, মানৱীয়তা আৰু আদর্শৰ মিল থাকে তেতিয়া সামাজিকীকৰণ তীব্র গতিত সম্ভৱ হয়। কিন্তু যদি আদর্শৰ অমিল হয় উদাহৰণ স্বৰূপে ঘৰ, বিদ্যালয়ৰ সমনীয়া ইত্যাদিৰ মাজত যদি মতানৈক্য হয় তেতিয়া সামাজিকীকৰণ বাধাপ্রাপ্ত হয়।
- **সামাজিকীকৰণ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দুই ধৰণৰ হ'ব পাৰে ঃ** আনষ্ঠানিক সামাজিকীকৰণ বিদ্যালয় বা মহাবিদ্যালয়ত প্রত্যক্ষ শিক্ষা আৰু নির্দেশনাৰ জৰিয়তে সংঘটিত হয়। পৰিয়াল হ'ল প্রাথমিক আৰু সবাতোকৈ প্রভাৱশালী মাধ্যম, যাৰ দ্বাৰা শিশুৱে প্রথম সামাজিকীকৰণ আদি পাঠ শিকে। ভাষা, পৰম্পৰা, প্রতিমান, মূল্যবোধ ইত্যাদি পৰিয়ালতেই প্রথম অনানষ্ঠানিকভাৱে শিকোৱা হয়।
- **সামাজিকীকৰণ এক অবিৰত প্রক্রিয়া ঃ** সামাজিকীকৰণ প্রক্রিয়া জীৱনজুৰি

চলি থাকে। শিশুটি ডাঙৰ হোৱাৰ লগে লগে ই স্তব্ধ নহয়। এটা প্রজন্মৰ পৰা আন এটা প্রজন্মলৈ সামাজিকীকৰণ প্রক্রিয়া অবিৰাম চলি থাকে আৰু সংস্কৃতি প্রেৰণ কার্যও সমান্তৰালভাৱে চলি থাকে।



জানি থোৱা ভাল

- সামাজিকীকৰণ হ'ল এক প্রক্রিয়া— যাৰ দ্বাৰা সংস্কৃতি নতুন প্রজন্মলৈ প্রেৰণ কৰা হয় আৰু মানুহে বাস কৰা সমাজখনৰ নিয়ম কানুন মানি চলিবলৈ শিকে।
- সামাজিকীকৰণৰ বৈশিষ্ট্যসমূহ হ'ল—
- ই প্রাথমিক অনুশাসনৰ শিক্ষা প্রদান কৰে
- মানৱ আচৰণ সামাজিকীকৰণৰ দ্বাৰা নিয়ন্ত্রণ কৰা হয়।
- সামাজিকীকৰণৰ মাধ্যমসমূহৰ মাজত অধিক মানৱীয়তাই সামাজিকীকৰণ তীব্র কৰি তোলে।
- ই আনুষ্ঠানিক অনানুষ্ঠানিক দুয়োধৰণৰ হ'ব পাৰে।
- সামাজিকীকৰণ এক অবিৰত প্রক্রিয়া।

৩.৪ সামাজিকীকৰণৰ প্রকাৰসমূহ

সামাজিকীকৰণ বাল্যকাল আৰু কৈশোৰকালত সংঘটিত হয় যদিও প্রাপ্তবয়স্ক আৰু বৃদ্ধ বয়সলৈ ই ধাৰাবাহিকভাৱে চলি থাকে। জীৱনৰ বেলেগ বেলেগ স্তৰত সামাজিকীকৰণ ভিন্ন ধৰণে সংঘটিত হয়। সামাজিকীকৰণৰ ভাগসমূহ তলত আলোচনা কৰা হ'ল—

- **প্রাথমিক সামাজিকীকৰণ ঃ** এই সামাজিকীকৰণ হ'ল অতিকে আৱশ্যকীয় আৰু প্রাথমিক বিধৰ, যি জীৱনৰ প্রথম বছৰসমূহত সংঘটিত হয়। ইয়াৰ দ্বাৰা শিশুৱে ভাষা, জ্ঞানমূলক দক্ষতাসমূহ, প্রতিমান, মূল্যবোধ আদি শিকি লয়। ইয়াৰ ফলতেই শিশুসকলে সমূহৰ সদস্যৰূপে স্বীকৃতি প্রদানৰ বাবে সক্ষম হৈ উঠে। প্রাথমিক সামাজিকীকৰণ পৰিয়ালত সংঘটিত হয়।
- **গৌণ সামাজিকীকৰণ ঃ** এই ধৰণৰ সামাজিকীকৰণ পৰিয়ালৰ বাহিৰত সমনীয়াৰ সৈতে হোৱা দেখা যায়। বাঢ়ি অহা শিশুসকলে সমাজৰ বাবে প্রয়োজনীয় বিভিন্ন শিক্ষা সমনীয়াৰ সৈতে লগ লাগি শিকি লয়। বিদ্যালয়তো বিভিন্নধৰণৰ শিক্ষা লাভ কৰে। গতিকে পৰিয়ালৰ বাহিৰেও বাহ্যিক পৰিৱেশতো শিশুৰ সামাজিকীকৰণ সংঘটিত হয়। গৌণ সামাজিকীকৰণ বুলিলে সাধাৰণতে শিক্ষানুষ্ঠান বা অনানুষ্ঠানিক উৎসৰ পৰা লাভ কৰা সামাজিক প্রশিক্ষণক বুজোৱা হয়— যি আজীৱন চলি থাকে।
- **প্রাপ্তবয়স্ক সামাজিকীকৰণ ঃ** প্রাথমিক আৰু গৌণ সামাজিকীকৰণ লাভ নকৰা কিছুমান নতুন অভিজ্ঞতা (উদাহৰণস্বৰূপে - কর্মচাৰী বা বৃত্তিগত অভিজ্ঞতা, স্বামী বা স্ত্রীৰ ভূমিকা

ইত্যাদি) প্ৰাপ্তবয়স্ক সামাজিকীকৰণত প্ৰদান কৰা হয়। ইয়াত ব্যক্তিক ভৱিষ্যৎ জীৱনৰ কাৰণে প্ৰয়োজনীয় নতুন অভিজ্ঞতা প্ৰদান কৰা হয়। ইয়াত ল'ৰা-ছোৱালীৰ আদৰ্শসমূহৰ পৰিৱৰ্তন অনাৰ চেষ্টা কৰা হয়— যাতে চিন্তাধাৰা পৰিপক্ক হোৱাৰ ফলত সমাজৰ দায়িত্বশীল ব্যক্তিত পৰিণত হ'বলৈ সক্ষম হয়।

- **প্ৰত্যাশিত সামাজিকীকৰণ ঃ** মানুহে নিজৰ সংস্কৃতিৰ উপৰি আন সমাজৰ সংস্কৃতিও গ্ৰহণ কৰে। যি প্ৰক্ৰিয়াৰ জৰিয়তে ব্যক্তিয়ে প্ৰত্যাশিতভাৱে আন সমূহ সংস্কৃতিৰ সৈতে সামাজিকীকৰণ হয় তাকেই প্ৰত্যাশিত সামাজিকীকৰণ বোলে।
- **পুনৰ সামাজিকীকৰণ ঃ** ব্যক্তিয়ে সময়ে সময়ে সমূহৰ সদস্য হিচাপে ভূমিকাসমূহ সলনি কৰে, লগতে সমূহে সলনি কৰা দেখা যায়। ইয়াৰ ফলত পুৰণি ত্যাগ কৰি নতুন আহৰণ কৰা সামাজিকীকৰণক পুনৰ সামাজিকীকৰণ বোলা হয়।

৩.৫ সামাজিকীকৰণৰ কাৰকসমূহ

সামাজিকীকৰণ হ'ল সমাজৰ ৰীতি-নীতি, পৰম্পৰা, প্ৰতিমান আদিৰ শিক্ষা প্ৰদান কৰা প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াত প্ৰধানকৈ চাৰিটা কাৰকে ক্ৰিয়া কৰে। সেইবোৰ হ'ল— অনুকৰণ, অভিভাৱন, চিনাক্তকৰণ আৰু ভাষা। তলত চাৰিওটা কাৰকৰ চমু বিৱৰণ দাঙি ধৰা হ'ল—

- **অনুকৰণ ঃ** শিশুৰ সামাজিকীকৰণৰ ক্ষেত্ৰত অনুকৰণ এক প্ৰধান কাৰক। ইয়াৰ দ্বাৰা শিশুৱে সামাজিক আচৰণৰ ধৰণসমূহ শিকি লয়। প্ৰাপ্তবয়স্ক লোকৰ তুলনাত শিশুৱে অধিক পৰিমাণে অনুকৰণ ক্ষমতাৰ অধিকাৰী হয়। অনুকৰণৰ যোগেদিয়েই শিশুৱে উচ্চাৰণ আৰু ভাষাজ্ঞান আয়ত্ত কৰে। এই অনুকৰণপ্ৰৱণতাৰ কাৰণেই শিশুৰ আচৰণ অভিভাৱক আৰু বন্ধুবৰ্গৰ দ্বাৰা প্ৰভাৱিত হয়।
- **অভিভাৱন ঃ** মেক্ ডুগালৰ (Mc. Dougall) মতে অভিভাৱন হ'ল যোগাযোগৰ এক প্ৰক্ৰিয়া— যাৰ ফলত কোনোধৰণৰ উপযুক্ত যৌক্তিক ভিত্তি নহ'বও পাৰে। ই যুক্তিগত প্ৰৰোচনা বৰ্জিত হয়। ভাষা, ছবি আৰু তেনেধৰণৰ আন মাধ্যমৰ সহায়ত অভিভাৱন সম্পন্ন কৰা হয়। ইয়াৰ সহায়ত ব্যক্তিৰ অইন ব্যক্তিৰ প্ৰতি ব্যৱহাৰ প্ৰভাৱিত হোৱাৰ উপৰি নিজৰ ব্যক্তিগত আচৰণতো প্ৰভাৱ পৰিলক্ষিত হয়।
- **চিনাক্তকৰণ ঃ** শৈশৱকালত প্ৰথমভাগত শিশুৱে নিজৰ আৰু পৰিৱেশৰ মাজত থকা পাৰ্থক্য বুজি উঠিবলৈ সক্ষম হৈ নুঠে। এই সময়ত শিশুৰ আচৰণসমূহ বিশৃংখল অৱস্থাত থাকে। সচেতনতাবিহীনভাৱে শিশুৱে পৰিৱেশৰ উদ্দীপকৰ প্ৰতি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। লাহে লাহে শিশুটিয়ে তাৰ প্ৰয়োজন পূৰণ কৰিব পৰা বস্তুসমূহৰ প্ৰকৃতি জানিবলৈ সক্ষম হৈ উঠে। শিশুটিয়ে খেলৰ সময়ত ব্যৱহাৰ কৰা পুতলা, ছবি থকা কিতাপ, মাক-দেউতাক ইত্যাদি চিনাক্ত কৰিবলৈ সক্ষম হয়। বয়স বৃদ্ধিৰ লগে লগে চিনাক্তকৰণৰ গতি আৰু পৰিসৰ বৃদ্ধি হয়। এইদৰে চিনাক্তকৰণৰ ফলত সামাজিকীকৰণ সম্ভৱ হৈ উঠে।
- **ভাষা ঃ** ভাষা হ'ল সামাজিক সংস্পৰ্শৰ মাধ্যম। ই সংস্কৃতি হস্তান্তকৰণৰো এক প্ৰধান

উপায়। প্ৰথমে শিশুৱে কিছুমান অৰ্থহীন শব্দ উচ্চাৰণ কৰিবলৈ লয়। লাহে লাহে সি মাতৃভাষা আয়ত্ত কৰিবলৈ শিকে।

৩.৬ সামাজিকীকৰণৰ প্ৰক্ৰিয়াসমূহ

সামাজিকীকৰণৰ প্ৰক্ৰিয়াসমূহ তলত উল্লেখ কৰা হ'ল—

- **সহযোগিতা ঃ** সহযোগিতা হ'ল সামাজিক প্ৰক্ৰিয়াৰ অন্যতম উপায়— য'ত দুজন বা ততোধিক ব্যক্তিয়ে উমৈহতীয়া লক্ষ্য পূৰণৰ বাবে একেলগে কাম কৰে। ইয়াৰ ফলত দলীয় একতা বৃদ্ধি পায়।
- **প্ৰতিযোগিতা ঃ** প্ৰতিযোগিতা হ'ল কোনো এটা বস্তু লাভ কৰিবৰ বাবে দুজন বা ততোধিক ব্যক্তিয়ে লিপ্ত হোৱা সংগ্ৰাম। সুস্থ প্ৰতিযোগিতাই মানুহৰ ব্যক্তিত্ব বিকাশত সহায় কৰে।
- **সংঘৰ্ষ ঃ** সংঘৰ্ষ হ'ল অইন ব্যক্তিৰ ইচ্ছাক বাধা প্ৰদান কৰা এক ইচ্ছাকৃত প্ৰচেষ্টা। ই সাৰ্বজনীন।
- **সমিলকৰণ ঃ** সমিলকৰণ হ'ল এক প্ৰক্ৰিয়া— যাৰ দ্বাৰা সংঘৰ্ষত লিপ্ত হোৱা ব্যক্তিসকলক আলোচনাৰ জৰিয়তে ইজনক সিজনৰ লগত সমাযোজনৰ চেষ্টা চলোৱা হয়। সংঘৰ্ষৰ পৰৱৰ্তী পৰ্যায় হ'ল সমিলকৰণ।
- **সদৃশীকৰণ ঃ** সদৃশীকৰণ হ'ল এক প্ৰক্ৰিয়া— যাৰ দ্বাৰা সংস্কৃতি প্ৰসাৰৰ জৰিয়তে ব্যক্তি আৰু সমূহে উমৈহতীয়া সংস্কৃতিৰ অংশীদাৰ হয়। ই হ'ল সামাজিক পাৰস্পৰিকতাৰ দীৰ্ঘম্যাদী প্ৰক্ৰিয়া।

৩.৭ শিক্ষা আৰু সামাজিকীকৰণ প্ৰক্ৰিয়া

শিক্ষা হ'ল এক প্ৰক্ৰিয়া— যিয়ে ব্যক্তিৰ জ্ঞান আৰু দক্ষতাৰ লগতে ব্যক্তিত্ব বিকাশ কৰি তোলে। সমাজৰ গ্ৰহণযোগ্য দিশসমূহ সংৰক্ষণ কৰাৰ লগতে সাংস্কৃতিক প্ৰমূল্য আৰু সাংস্কৃতিক পৰম্পৰাসমূহ এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ হস্তান্তৰ কৰে। ই শিশুক সামাজিকীকৰণ কৰাৰ ক্ষেত্ৰতো যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। উপযুক্ত সামাজিক সমাযোজনৰ বাবে শিক্ষাই মানুহৰ আচৰণ সংশোধন কৰে। আনুষ্ঠানিক শিক্ষাৰ মাধ্যম, বিদ্যালয় শিশুৱে আনৰ লগত যোগাযোগ স্থাপন কৰিবলৈ, সহযোগিতাৰে খেলিবলৈ, সহানুভূতি প্ৰদৰ্শন কৰিবলৈ শিকে। ইয়াতেই শিশুৱে স্বীকৃতি লাভ কৰে আৰু আৱেগ নিয়ন্ত্ৰণ কৰিবলৈ শিকে।

তলত উল্লেখ কৰা উপায়সমূহৰ জৰিয়তে শিক্ষাই শিশু এটিক সামাজিকীকৰণ কৰি তোলে—

- সামাজিকভাৱে গ্ৰহণযোগ্য জ্ঞান, দক্ষতা আৰু অভিজ্ঞতা প্ৰদানৰ দ্বাৰা শিক্ষাই শিশু এটিক সামাজিকীকৰণ কৰি তোলে।
- বিভিন্নধৰণৰ সুবিধা যেনে— সামাজিক শিকন, দলীয় শিকন, দলীয় কাৰ্য, খেল-ধেমালি

আৰু অন্যান্য কার্য যেনে— নাট, প্রকল্প, তর্ক, আলোচনা ইত্যাদিৰ মাধ্যমেৰে শিক্ষাৰ দ্বাৰা সামাজিকীকৰণ কৰা হয়।

- শিক্ষাৰ জৰিয়তে বিভিন্ন বিষয় যেনে ঃ সমাজ অধ্যয়ন, নৈতিক শিক্ষা আদিৰ সহায়ত বিভিন্ন সামাজিক নীতি-নিয়ম আৰু মূল্যবোধৰ জ্ঞান ছাত্র-ছাত্রীক প্রদান কৰা হয়।
- ছাত্র-ছাত্রীক বিভিন্ন সামাজিক মর্যদাৰ বাবে সাজু কৰি তোলাৰ যোগেদি দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তোলা, বিভিন্ন সমস্যা সমাধানৰ বাবে স্বাধীনভাৱে চিন্তা-চর্চা কৰিবলৈ সক্ষম কৰি তোলা ইত্যাদিও শিক্ষাৰে কার্য।
- শিক্ষানুষ্ঠানত শাস্তি আৰু পুৰস্কাৰৰ প্রয়োগ আৰু শিক্ষকৰ ব্যৱহাৰৰ যোগেদিও শিশুক সামাজিকীকৰণ কৰা হয়।

সমগ্র বিশ্বতেই বিভিন্ন সংস্কৃতিৰ লোকৰ নিজস্ব কিছুমান বিশেষ সামাজিকীকৰণ পদ্ধতি দেখা যায়— আনুষ্ঠানিক আৰু অনানুষ্ঠানিক। আনুষ্ঠানিক পদ্ধতিত শ্রেণীকোঠাত শিক্ষাদান কৰা হয়— যাৰ বাবে নির্দিষ্ট অর্হতাসম্পন্ন শিক্ষক নিযুক্ত কৰা হয়। আনহাতে অনানুষ্ঠানিক শিক্ষাত যিকোনো স্থানত শিক্ষা সম্ভৱ হ'ব পাৰে। ইয়াত অনুকৰণ, পৰীক্ষা-নিৰীক্ষা আৰু কিছুমান দক্ষতাৰ পুনৰাবৃত্তিৰ ফলত শিক্ষা সম্ভৱ হৈ উঠে। এই দুই ধৰণৰ শিক্ষাৰ দ্বাৰাই শিশুৰ সামাজিকীকৰণ সহজ হৈ পৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সামাজিকীকৰণ কি?

.....

.....

প্রশ্ন নং ২ ঃ সামাজিকীকৰণৰ এটা সংজ্ঞা প্রদান কৰক।

.....

.....

প্রশ্ন নং ৩ ঃ সামাজিকীকৰণৰ এটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৪ ঃ প্রাথমিক সামাজিকীকৰণ মানে কি বুজা যায়?

.....

.....

প্রশ্ন নং ৫ ঃ সামাজিকীকৰণৰ দুটা কাৰক উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৬ ঃ সামাজিকীকৰণৰ দুটা প্ৰক্ৰিয়া উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৭ ঃ শিক্ষা আৰু সামাজিকীকৰণ প্ৰক্ৰিয়াৰ সম্পৰ্ক কি?

.....

.....

৩.৮ সামাজিকীকৰণৰ মাধ্যমসমূহ

সামাজিকীকৰণ প্ৰক্ৰিয়া জন্মৰ লগে লগে আৰম্ভ হৈ মৃত্যুপৰ্যন্ত অবিৰতভাৱে চলি থাকে। পূৰ্বতে সামাজিকীকৰণ প্ৰাপ্তবয়স্ক শিকনৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা নাছিল। ই কেৱল বাল্যকালৰ ক্ষেত্ৰতহে প্ৰয়োগ কৰা হৈছিল। কিন্তু বৰ্তমান ইয়াৰ পৰিসৰৰ ভিতৰত প্ৰাপ্তবয়স্ক সামাজিকীকৰণকো অন্তৰ্ভুক্ত কৰা হৈছে। সামাজিকীকৰণ এক প্ৰক্ৰিয়া— যাৰ জৰিয়তে ব্যক্তিয়ে নিজে বাস কৰা সমূহৰ আশা-আকাংক্ষা অনুসৰি আচৰণ, ব্যৱহাৰ আদি সংশোধন কৰি লয়।

সামাজিকীকৰণৰ উৎস দুই ধৰণৰ হয়। প্ৰথম, যি উৎসই ব্যক্তিৰ ওপৰত কৰ্তৃত্ব প্ৰয়োগ কৰে। দ্বিতীয়, যি উৎসৰ ব্যক্তিগৰাকীৰ সমপৰ্যায়ৰ কৰ্তৃত্ব থাকে। প্ৰথম ভাগত অভিভাবক, শিক্ষক, মা-দেউতা ইত্যাদি থাকে। দ্বিতীয় ভাগত সমনীয়া, বন্ধুবৰ্গ ইত্যাদি সামৰি লোৱা হয়। এই উৎসসমূহৰ পৰা লাভ কৰি প্ৰশিক্ষণৰ ভিত্তিত ব্যক্তিৰ আচৰণ ভিন্নধৰণৰ হোৱা দেখা যায়। ইয়াত প্ৰথম ভাগত সম্পৰ্কসমূহ নিয়ন্ত্ৰিতবিধৰ হয়, আনহাতে দ্বিতীয়ভাগত সহযোগিতামূলক হয়।

সামাজিকীকৰণৰ মাধ্যমসমূহৰ বিষয়ে তলত আলোচনা কৰা হ'ল—

১) **পৰিয়াল ঃ** শিশুক সামাজিকীকৰণ কৰাৰ প্ৰথম মাধ্যম হ'ল পৰিয়াল। শাৰীৰিক আৰু আৱেগিকভাৱে পৰিয়ালৰ সদস্যসমূহ ওতপ্ৰোতভাৱে জড়িত। যিহেতু শিশুৱে জন্মগ্ৰহণ কৰি পৰিয়ালৰ সদস্যসকলক লগ পায়, গতিকে সামাজিকীকৰণো পৰিয়ালৰ পৰাই আৰম্ভনি হয়। শিশুৱে জন্মতে লৈ অহা প্ৰতিভাসমূহ সংস্কৃতিয়ে প্ৰদান কৰা উপায়ৰ দ্বাৰা সঠিক ৰূপত গঢ়ি তোলা হয়। সামাজিকীকৰণৰ ক্ষেত্ৰত পৰিয়ালৰ ভূমিকাসমূহ হ'ল—

- পৰিয়ালত মাক-দেউতাকৰ পৰা শিশুৱে ভাষাৰ শিক্ষা লাভ কৰে।
- শিশুটিয়ে সামাজিক নৈতিকতাৰ বিষয়ে শিক্ষা লাভ কৰে।
- উচ্চ স্তৰৰ ব্যক্তিক সন্মান প্ৰদৰ্শন কৰিবলৈ শিকে।
- জীৱনৰ আৰম্ভণি স্তৰত মাকে শিশুক সুস্থভাৱে ডাঙৰ-দীঘল কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।
- মাতৃৰ পৰাই শিশুৱে সামাজিকীকৰণৰ শিক্ষা লাভ কৰে।
- সমাজত দৰকাৰ হোৱা বিভিন্ন জ্ঞান আৰু দক্ষতা পিতৃ-মাতৃ আৰু ভাই-ভনীৰ পৰা শিশুৱে শিকিবলৈ পায়।

- শিশুৰ ব্যক্তিত্ব গঠনতো পৰিয়ালে যথেষ্ট প্ৰভাৱ পেলায়।
- শিশুক সমাজে বিচৰাধৰণে গঢ় দিয়াত পৰিয়ালত মাক-দেউতাকে শাস্তি আৰু পুৰস্কাৰো ব্যৱহাৰ কৰিবলগীয়া হয়।
- সামাজিক মূল্যবোধ যেনে— সহযোগিতা, সহিষ্ণুতা, ধৈর্য, ত্যাগ, মৰম-চেনেহ আদিও পৰিয়ালৰ পৰাই শিশুৱে আয়ত্ত কৰি লয়।
- সুস্থ-সবলভাৱে দৈহিক বিকাশৰ ক্ষেত্ৰতো পৰিয়ালৰ ভূমিকা অপৰিসীম।
- এটা পৰিয়ালৰ ইয়াৰ সদস্যসকলৰ ওপৰত অনানুষ্ঠানিক নিয়ন্ত্ৰণ থাকে— যিয়ে ব্যক্তিক নিয়ন্ত্ৰিত কৰি ৰখাত সহায় কৰে।
- প্ৰাপ্তবয়স্ক সময়ত সমাজত উপযুক্ত ভূমিকা গ্ৰহণ কৰাৰ বাবে শিশুকালৰ পৰাই পৰিয়ালত প্ৰশিক্ষণ প্ৰদান কৰা হয়।
- শিশুৱে ভাল পৰিয়ালত ভাল অভ্যাস আৰু বেয়া পৰিয়ালত বেয়া অভ্যাস আহৰণ কৰে। বেয়া পৰিয়ালৰ পৰিৱেশেই শিশু অপৰাধপ্ৰৱণতাৰ এক প্ৰধান কাৰণ।
- পৰিয়ালৰ প্ৰভাৱ ব্যক্তিৰ জীৱনজুৰি প্ৰকাশ হোৱা দেখা যায়।

২) **বিদ্যালয় ঃ** আধুনিক সমাজত পৰিয়ালত বাহিৰেও অন্যান্য মাধ্যমৰ সহায়ত শিশুক সামাজিকীকৰণ কৰা হয়। প্ৰত্যেক উন্নত সমাজে শিশুৰ সামাজিকীকৰণৰ বাবে বিভিন্ন আনুষ্ঠানিক মাধ্যমৰ সৃষ্টি কৰে, যেনে - বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় ইত্যাদি। বিদ্যালয়তেই শিশুৱে সংস্কৃতিৰ জ্ঞান লাভ কৰে আৰু এটা পুৰুষৰ পৰা আন পুৰুষলৈ সংস্কৃতিৰ প্ৰেৰণ কৰা হয়।

বিদ্যালয়ত শিশুৱে কেৱল তাত্ত্বিক বিষয়ৰ জ্ঞান লাভ নকৰে। সময় জ্ঞান, অনুশাসন, দলীয় কার্য, সহযোগিতা, প্ৰতিযোগিতা আদিৰ জ্ঞানো বিদ্যালয়তে আহৰণ কৰে। শাস্তি আৰু পুৰস্কাৰ প্ৰদানৰ দ্বাৰা সামাজিকভাৱে গ্ৰহণযোগ্য জ্ঞান প্ৰদান আৰু সামাজিকভাৱে গ্ৰহণযোগ্য জ্ঞান পৰিহাৰ কৰা হয়।

বিদ্যালয় হ'ল সামাজিকীকৰণৰ দ্বিতীয় মাধ্যম। ইয়াত লাভ কৰা শিক্ষাৰ সহায়ত শিশুৰ ব্যক্তিত্ব গঠন হয়। নিজস্ব আদর্শ দৃষ্টিভংগী ইত্যাদিও বিদ্যালয়তে গঠন হৈ উঠে। ভাল শিক্ষাই ব্যক্তিক ভাল নাগৰিকলৈ পৰিৱর্তন কৰে, আনহাতে বেয়া শিক্ষাই ব্যক্তিক অপৰাধীলৈ পৰিণত কৰে। এটা উপযুক্তভাৱে পৰিৱর্তিত শিক্ষা ব্যৱস্থাইহে উপযুক্ত আৰু সামাজিকভাৱে সুস্থ ব্যক্তি গঢ়ি তুলিব পাৰে।

পৰিয়ালৰ ঠিক পিছতেই বিদ্যালয়েই হ'ল সামাজিকীকৰণত উপযুক্ত মাধ্যম। বিদ্যালয়ত শিশুৱে আনুষ্ঠানিক জ্ঞান (শ্ৰেণীকোঠাৰ জ্ঞান, কর্তৃপক্ষৰ পৰা আৰোপিত নিয়ম পালন ইত্যাদি) আৰু অনানুষ্ঠানিক জ্ঞান (সমনীয়াৰ পৰা লাভ কৰা জ্ঞান) দয়োটাই লাভ কৰে। যিটো সামাজিকীকৰণৰ ক্ষেত্ৰত খুবেই প্ৰয়োজনীয়।

সামাজিকীকৰণ প্ৰক্ৰিয়াত বিদ্যালয়ৰ কার্যসমূহ তলত উল্লেখ কৰা হ'ল—

- বিদ্যালয়ত শিশুক স্বাধীনতা আৰু গণতান্ত্ৰিকতাৰ জ্ঞান প্ৰদান কৰা হয়।
- পাঠ্যক্ৰমৰ দ্বাৰা তলত দিয়া ধৰণে শিশুক জ্ঞান প্ৰদান কৰা হয়।

- লিখা, পঢ়া, মৌখিক প্ৰকাশ আদি প্ৰাথমিক বৌদ্ধিক দক্ষতাসমূহ বিদ্যালয়ত শিকোৱা হয়— যিটো সমাজত যোগযোগ বাবে খুব প্ৰয়োজন।

➢ সংস্কৃতিৰ জ্ঞান বিদ্যালয়ত প্ৰদান কৰা হয়।
- সামাজিক আৰু অৰ্থনৈতিকভাৱে সক্ৰিয় সদস্যৰূপে শিশুক গঢ়ি তুলিবৰ বাবে সামাজিক আৰু বৃত্তিমূলক শিক্ষা প্ৰদান কৰা হয়।
- ল'ৰা-ছোৱালী হিচাপে সমাজত নিজ নিজ ভূমিকা পালন কৰিবৰ বাবে প্ৰশিক্ষণ বা জ্ঞান প্ৰদান কৰা হয়।

➢ ছাত্ৰ-ছাত্ৰীক সামাজিকীকৰণ কৰিবৰ বাবে সহঃপাঠ ক্ৰমিক কাৰ্যসূচী প্ৰয়োগ কৰা হয়।

➢ চলিত সমাজ ব্যৱস্থাৰ লগত সমাযোজন কৰিবৰ বাবে মূল্যবোধ আৰু দৃষ্টিভংগীৰ বিকাশ বিদ্যালয়ৰ জৰিয়তেই কৰা হয়।

➢ শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ পৰিসৰ বহল কৰি সমাজখনক নতুন দৃষ্টিৰে নিৰীক্ষণ কৰিবলৈ উৎসাহিত কৰে।

➢ বিদ্যালয়ত শিশুৰ বৌদ্ধিক, আৱেগিক আৰু সামাজিক বিকাশ সম্ভৱ হৈ উঠে— যাৰ যোগেদি সমাজ সংস্কাৰ সম্ভৱ হৈ উঠে।

➢ অনানুষ্ঠানিকভাৱে বিশেষকৈ বিদ্যালয়, ক্লাবৰ যোগেদি ছাত্ৰ-ছাত্ৰীক সমাজৰ বিভিন্ন ভূমিকাৰ জ্ঞান প্ৰদান কৰা হয় আৰু সৰ্বাত্মক দিশৰ বিকাশৰ ক্ষেত্ৰত অৰিহণা যোগায়। উদাহৰণস্বৰূপে—
- বিদ্যালয়ৰ শিক্ষাৰ দ্বাৰা সমাজৰ ৰীতি-নীতি, পৰম্পৰা, প্ৰতিমান, অধিকাৰ, দায়িত্ব, ইত্যাদিৰ জ্ঞান ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰা হয়।
- সমনীয়াৰ সৈতে প্ৰদৰ্শন কৰিবলগীয়া আচৰণৰ বিষয়ে শিক্ষা দিয়ে।
- আদৰ্শ বা যিকোনো সামগ্ৰী উমৈহতীয়াভাৱে সমানে ভাগ কৰাৰ প্ৰৱণতাৰ শিক্ষা দিয়া হয়।
- সহযোগিতাৰে যিকোনো কাম সম্পাদন কৰাৰ শিক্ষা লাভ কৰে।
- নিজৰ লগতে অইনৰ সংস্কৃতি শ্ৰদ্ধা, সন্মান প্ৰদৰ্শন কৰাৰ শিক্ষা প্ৰদান কৰে।
- সহিষ্ণুতা আৰু মানৱীয় গুণ বা দৃষ্টিভংগীৰ বিকাশৰ বাবে শিক্ষা প্ৰদান কৰে।

৩) **বন্ধুবৰ্গ অথবা সমনীয়া দল ঃ** শিশুৰ সামাজিকীকৰণৰ ক্ষেত্ৰত বন্ধুবৰ্গ আৰু সমনীয়া দলৰ প্ৰভাৱ অতি গুৰুত্বপূৰ্ণ। সমনীয়াৰ সৈতে শিশুৰ সম্পৰ্ক সমতা, সহযোগিতা আৰু পাৰস্পৰিক বুজাবুজিৰ সৈতে জড়িত। সাধাৰণতে তেওঁলোকে সমবয়সৰ হয়। মাক-দেউতাকৰ সৈতে আলোচনা কৰিব নিবিচৰা কথা কিছুমান বিষয়বস্তু শিশুৱে বন্ধুৰ লগত আলোচনা কৰিবলৈ ভাল পায়। সংস্কৃতিৰ বিভিন্ন দিশৰ জ্ঞান নৈতিকতা, আধুনিকতাৰ বিভিন্ন দিশৰ আলোচনা, শেহতীয়া ষ্টাইল ইত্যাদি সমনীয়াৰ পৰাই আয়ত্ত কৰে। শিশুক সামাজিকীকৰণ কৰাৰ ক্ষেত্ৰত এই জ্ঞানসমূহে যথেষ্ট অৰিহণা যোগায়। উদাহৰণস্বৰূপে- আমাৰ সমাজত যৌনতাৰ লগত জড়িত কথা মুকলিকৈ আলোচনা কৰাটো অগ্ৰহণযোগ্য

বিবেচনা কৰা হয়। এই কথাসমূহ ল'ৰা-ছোৱালীয়ে সমনীয়াৰ আলোচনাৰ জৰিয়তে নিজৰ কৌতূহল নিবৃত্তি কৰে। তদুপৰি শিশুৱে বিভিন্ন দিশৰ জ্ঞানৰ বন্ধুবৰ্গৰ লগত আলোচনাৰ মাধ্যমেৰে জানিবলৈ সমর্থ হয়। যিহেতু সমনীয়াবিলাকে সম বয়সৰ হয়, গতিকে সকলো কথা মুকলিকৈ আলোচনা কৰিবলৈ ল'ৰা-ছোৱালীয়ে সুবিধা অনুভৱ কৰে।

৪) **ধর্ম ঃ** সামাজিকীকৰণৰ আন এক মাধ্যম হ'ল ধর্ম। ধর্মই মানুহৰ মনত ভয়ৰ সঞ্চাৰ কৰি বেয়া কামৰ পৰা আঁতৰত থাকিবৰ বাবে প্ৰেৰণা যোগায়। ধর্মই মানুহক ধার্মিক কৰাৰ বাহিৰেও ধর্মনিৰপেক্ষ হিচাপে গঢ়ি তোলাত সহায় কৰে। এখন সমাজত ধর্মই গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰি থাকে। পুৰণিকালত ধর্মই সমাজখনক একতাৰ ডোলেৰে বান্ধি ৰখাত যথেষ্ট সহায় কৰিছিল। যদিও বর্তমান আধুনিক সমাজত ধর্মৰ প্ৰয়োজনীয়তা কিছু পৰিমাণে হ্ৰাস পোৱা দেখা গৈছে তথাপি ই আমাৰ ভাব, চিন্তা, জীৱনধাৰাত যথেষ্ট প্ৰভাৱ পেলোৱা দেখা যায়। সকলো ধর্মৰ ক্ষেত্ৰতে পৰিয়ালসমূহত কিছুমান ধর্মীয় অনুষ্ঠান পালন কৰা দেখা যায়। শিশুৱে মাক-দেউতাক বা পৰিয়ালৰ আন সদস্যক ধর্মীয় অনুষ্ঠানলৈ যোৱা দেখা পায়, ধর্মৰ বাণীসমূহ আওৰোৱা দেখা পায়। এইবোৰৰ ফলত শিশুসকলেও নিজস্ব কিছুমান আদর্শ মানি চলিবলৈ সংকল্পবদ্ধ হৈ পৰে।

ধর্মই মানুহৰ নৈতিকতা বিকাশ কৰি শুদ্ধ আৰু অশুদ্ধ মাজৰ পার্থক্য বুজাত সহায় কৰে। আমাৰ জীৱনত ধর্মৰ প্ৰভাৱ বিভিন্ন দিশত পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে - ধর্মীয় অনুষ্ঠানত অংশগ্ৰহণৰ দ্বাৰা আমি ধর্মীয় বিশ্বাস, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, শালীনতাৰ জ্ঞান ইত্যাদি লাভ কৰিবলৈ সক্ষম হৈ উঠো। বৌদ্ধ ধর্মই আমাক জীৱ হত্যা নকৰিবলৈ জ্ঞান প্ৰদান কৰে। কাৰণ জীৱ-জন্তুসমূহৰো মানুহৰ দৰে আত্মা বিৰাজমান। সেয়ে ধর্মই আচৰণৰ গঢ় দিয়াৰ জৰিয়তে সামাজিকীকৰণ প্ৰক্ৰিয়াত যথেষ্ট বৰঙণি আগবঢ়ায়।

৫) **ৰাজ্য ঃ** ৰাজ্য হ'ল কর্তৃত্বশালী মাধ্যম— যাৰ সহায়ত সমাজত ব্যৱহাৰ নিয়ন্ত্ৰণ কৰা হয়। ৰাজ্যৰ দ্বাৰা প্ৰণয়ন কৰা আইন বাধ্যতামূলকভাৱে মানি চলিব লাগে অন্যথা শাস্তিৰ সন্মুখীন হ'বলৈ প্ৰস্তুত থাকিব লাগে। গতিকে সমাজৰ লোকৰ আচাৰ-ব্যৱহাৰ গঢ়ি তোলাত ৰাষ্ট্ৰৰ প্ৰভাৱ অপৰিসীম।

সমাজবিজ্ঞানীসকলে ৰাজ্যকো সামাজিকীকৰণৰ মাধ্যম স্বৰূপে অভিহিত কৰিছে। পূর্ব সময়ত পৰিয়ালে প্ৰদান কৰা নিৰাপত্তাজনিত কার্যসমূহ লাহে লাহে অন্য সংস্থা যেনে - হস্পিতাল, স্বাস্থ্য ক্লিনিক, বীমা আদিৰ দ্বাৰা ৰাজ্যই নিজ হাতলৈ লৈ যায়। ই সৰু ল'ৰা-ছোৱালীৰ সামাজিকীকৰণত যথেষ্ট সহায় আগবঢ়ায়।

এজন ব্যক্তি নাগৰিক হিচাপেই নহয় জাতীয় সচেতনতাসম্পন্ন ব্যক্তি হিচাপেও নিজ ভূমিকা পালন কৰে। উদাহৰণস্বৰূপে— শ্ৰম সংস্থা। ৰাজনৈতিক দল ইত্যাদিয়ে ব্যক্তি আৰু ৰাজ্যৰ মাজত মধ্যস্থতাকাৰীৰূপে কাম কৰে। ভিন ভিন স্তৰত আমাৰ জীৱন নিয়ন্ত্ৰণৰ দ্বাৰা ৰাজ্যই আমাৰ মতামতক প্ৰভাৱিত কৰি সামাজিকীকৰণত অৰিহণা যোগায়।

অৱশেষত ক'ব পাৰি যে ব্যক্তিৰ ব্যক্তিত্ব গঠনত পৰিৱেশীয় উপাদানৰ যথেষ্ট প্ৰভাৱ

থাকে। এটা পৰিৱেশে ব্যক্তিগৰাকী সামাজিক হিচাপে গঢ় ল'ব নে আত্মকেন্দ্রিক হিচাপে গঢ় ল'ব সেয়া নির্ধাৰণ কৰে। ব্যক্তিৰ সামাজিক পৰিৱেশে সামাজিকীকৰণ প্রক্রিয়া সহজ কৰি তোলে। যদি ব্যক্তি এগৰাকীৰ মানসিক বা শাৰীৰিক অৱস্থা সঠিক নহয় তেন্তে তেওঁ পৰিৱেশৰ সৈতে নিজকে সমাযোজিত কৰি চলিব নোৱাৰে। এই ক্ষেত্রত পৰিয়ালে ব্যক্তিৰ সামাজিকীকৰণ প্রক্রিয়াত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

পৰিয়ালৰ পৰাই শিশুৱে যথেষ্টখিনি জ্ঞান লাভ কৰে। পৰিয়ালৰ পিছত বিদ্যালয় আৰু সমনীয়াৰ প্রভাৱত সামাজিকীকৰণ সম্ভৱ হৈ উঠে। লাহে লাহে শিক্ষাৰ অন্তত কর্মজীৱন আৰম্ভ হয়, বৈবাহিক সম্পর্ক স্থাপন হয় আৰু ব্যক্তিয়ে নতুন নতুন সামাজিক মর্যাদা গ্রহণ কৰিবলগীয়া হয়। এইদৰে জীৱন পৰিক্রমাত ব্যক্তিৰ সামাজিকীকৰণ প্রক্রিয়া চলি থাকে। সেয়ে কোৱা হয় সামাজিকীকৰণ প্রক্রিয়া জন্মতে আৰম্ভ হৈ মৃত্যুপর্যন্ত অবিৰতভাৱে চলি থাকে।



৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সামাজিকীকৰণক ব্যক্তিক সামাজিক পৃথিৱীত চিনাকি কৰাই দিয়াৰ এক প্রক্রিয়াস্বৰূপে জনা যায়। এই প্রক্রিয়া হ'ল এক পাৰস্পৰিক কার্য— যাৰ দ্বাৰা ব্যক্তিয়ে সমূহৰ অভ্যাস, দৃষ্টিভংগী, মূল্যবোধ, বিশ্বাস ইত্যাদি শিকি ল'বলৈ সক্ষম হয়।
- সামাজিকীকৰণৰ বৈশিষ্ট্যসমূহ হ'ল - প্রাথামিক অনুশাসনৰ শিক্ষা প্রদান। মানৱ আচৰণ নিয়ন্ত্রণত সহায়, সামাজিক মাধ্যমসমূহৰ মাজত অধিক মানবীয়তাই সামাজিকীকৰণ তীব্র কৰি তোলে। সামাজিকীকৰণ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দুইধৰণৰ হয়, সামাজিকীকৰণ এক অবিৰত প্রক্রিয়া।
- সামাজিকীকৰণৰ ভাগসমূহ হ'ল - প্রাথমিক সামাজিকীকৰণ, গৌণ সামাজিকীকৰণ, প্রাপ্তবয়স্ক সামাজিকীকৰণ, প্রত্যাশিত সামাজিকীকৰণ, বিকাশমূলক সামাজিকীকৰণ আৰু পুনৰ সামাজিকীকৰণ।
- সামাজিকীকৰণৰ কাৰকসমূহ হ'ল - অনুকৰণ, অভিভাৱন, চিনাক্তকৰণ আৰু ভাষা।
- সামাজিকীকৰণৰ প্রক্রিয়াসমূহ হ'ল - সহযোগিতা, প্রতিযোগিতা, সংঘর্ষ, সমিলকৰণ আৰু সদৃশীকৰণ।
- শিক্ষা হ'ল এক প্রক্রিয়া— যিয়ে ব্যক্তিৰ জ্ঞান আৰু দক্ষতাৰ লগতে ব্যক্তিত্বৰ বিকাশ কৰি তোলে। সমাজৰ গ্রহণযোগ্য দিশসমূহ সংৰক্ষণ কৰাৰ লগতে সাংস্কৃতিক প্রমূল্য আৰু সাংস্কৃতিক পৰম্পৰাসমূহ এটা প্রজন্মৰ পৰা আন এটা প্রজন্মলৈ হস্তান্তৰ কৰে। ই শিশুক সামাজিকীকৰণ কৰাৰ ক্ষেত্রতো যথেষ্ট গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। উপযুক্ত সামাজিক সমাযোজনৰ বাবে শিক্ষাই মানুহৰ আচৰণ সংশোধন কৰে।
- সামাজিকীকৰণৰ বিভিন্ন মাধ্যমসমূহ হ'ল - পৰিয়াল, শিক্ষানুষ্ঠান, সমনীয়া বা বন্ধুবর্গ বা

খেলৰ সংগী, ধর্ম, ৰাজ্য, বৃত্তি, জমসংযোগ মাধ্যম, ৰাজনৈতিক দল ইত্যাদি।



৩.১০ অধিক জানিবলৈ

অসমীয়া গ্রন্থ -

১) বৰা হৃদয়ানন্দ, অধিকাৰী বৰা ড° অর্চনা (২০১৯) শিক্ষাৰ ভিত্তি, পাণবজাৰ, গুৱাহাটীঃ মনি-মাণিক প্রকাশ।

২) শর্মা মুকুন্দ, ডেকা ড° বীৰেন্দ্র, শর্মা দিপালী, ডেকা ড° কন্দর্প কুমাৰ, মিশ্র চক্রৱর্তী ড° আভা (২০০৬) শিক্ষা সমাজতত্ত্ব আৰু সমাজ দর্শন। পাণ বজাৰ, গুৱাহাটী ঃ অসম বুক ডিপো

৩) দলে ড° দুর্গেশ্বৰ, কলিতা ধীৰেন (২০০৫) সমাজতত্ত্ব পৰিচয়। নতুন বজাৰ ডিব্রুগড় ঃ ষ্টুডেণ্টচ এম্পো'ৰিয়াম



৩.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সামাজিকীকৰণ এক প্রক্রিয়া— যাৰ দ্বাৰা এটা পুৰুষৰ পৰা আন পুৰুষলৈ সংস্কৃতি প্রেৰণ কৰা হয় আৰু মানুহে নিজে বাস কৰা সমূহৰ ৰীতি-নীতিসমূহ শিকি ল'বলৈ সক্ষম হয়। সামাজিকীকৰণ হ'ল পাৰস্পৰিকতাৰ এক প্রক্রিয়া— যাৰ সহায়ত ব্যক্তিয়ে সামাজিক প্রথা, চিন্তা, বিশ্বাস মূল্যবোধ ইত্যাদি নিজে জন্ম লাভ কৰা সমাজখনৰ পৰা শিকি লয়।

২ নং প্রশ্নৰ উত্তৰ ঃ ডব্লিউ. এফ অগবার্নৰ মতে, 'সামাজিকীকৰণ হ'ল এনে এক প্রক্রিয়া— যাৰ যোগেদি সমাজ তথা সমূহ মান মূল্য আৰু প্রতিমান লগত নিজকে খাপ খুৱাব শিকে।'

৩ নং প্রশ্নৰ উত্তৰ ঃ সামাজিকীকৰণ এটা অবিৰত প্রক্রিয়া।

৪ নং প্রশ্নৰ উত্তৰ ঃ প্রাথমিক সামাজিকীকৰণ হ'ল শিশুৱে জীৱনৰ প্রথম বছৰসমূহত লাভ কৰা সামাজিকীকৰণ। ই হ'ল এক প্রক্রিয়া— যাৰ জৰিয়তে শিশুৱে ভাষা, জ্ঞানমূলক দক্ষতা, প্রতিমান, মূল্যবোধ ইত্যাদি শিকি লয়। এই প্রক্রিয়াৰ সহায়ত শিশুক সমাজৰ বিভিন্ন কার্যত অংশগ্রহণ কৰিবৰ বাবে সামাজিক ব্যক্তিস্বৰূপে গঢ়ি তোলা হয়।

৫ নং প্রশ্নৰ উত্তৰ ঃ অনুকৰণ আৰু চিনাক্তকৰণ।

৬ নং প্রশ্নৰ উত্তৰ ঃ সহযোগিতা আৰু প্রতিযোগিতা।

৭ নং প্রশ্নৰ উত্তৰ ঃ সামাজিকীকৰণ প্রক্রিয়াত শিক্ষাৰ ভূমিকা লেখত ল'বলগীয়া। শিক্ষা হ'ল নির্দেশিত শিকনৰ ভূমিকা— যিয়ে জ্ঞান প্রদান আৰু দক্ষতা বিকাশত লগতে ব্যক্তিত্ব

বিকাশত গুৰুত্ব প্ৰদান কৰে। সমাজৰ শুদ্ধ দিশসমূহৰ লগতে সংস্কৃতি আৰু সামাজিক পৰম্পৰা এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ প্ৰেৰণ কৰাৰ লগতে সংৰক্ষণ কৰাত শিক্ষাৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। শিশুৰ সামাজিকীকৰণ আৰু সমাজত সমাযোজন কৰিব বাবে ব্যক্তিৰ আচৰণ সংশোধন কৰাও শিক্ষাৰ এক দৰকাৰী কাৰ্য।



৩.১২ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন (১০০-১৫০ শব্দৰ ভিতৰত উত্তৰ লিখিব)

প্ৰশ্ন ১ ঃ সামাজিকীকৰণৰ বৈশিষ্ট্যসমূহ কি কি?

প্ৰশ্ন ২ ঃ সামাজিকীকৰণৰ বিভিন্ন ভাগসমূহ উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ সামাজিকীকৰণৰ প্ৰক্ৰিয়াসমূহ কি কি?

খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখিব)

প্ৰশ্ন ১ ঃ শিক্ষা আৰু সামাজিকীকৰণ প্ৰক্ৰিয়াৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ সামাজিকীকৰণৰ বিভিন্ন মাধ্যমসমূহৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৪ ঃ সামাজিক সংগঠন আৰু বিসংগঠন

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ সামাজিক সংগঠনৰ অর্থ

- ৪.৩.১ সামাজিক সংগঠনৰ সংজ্ঞা
- ৪.৩.২ সামাজিক সংগঠনৰ প্রকৃতি
- ৪.৩.৩ সামাজিক সংগঠনৰ বৈশিষ্ট্য
- ৪.৩.৪ সামাজিক সংগঠনত ব্যক্তিৰ ভূমিকা

৪.৪ সামাজিক সংগঠনৰ শ্রেণীবিভাজন

- ৪.৪.১ আনুষ্ঠানিক সংগঠনৰ বৈশিষ্ট্য
- ৪.৪.২ অনানুষ্ঠানিক সংগঠনৰ বৈশিষ্ট্য
- ৪.৪.৩ অনানুষ্ঠানিক সংগঠনৰ কার্যসমূহ

৪.৫ সামাজিক বিসংগঠনৰ অর্থ

- ৪.৫.১ সামাজিক বিসংগঠনৰ সংজ্ঞা
- ৪.৫.২ সামাজিক বিসংগঠনৰ বৈশিষ্ট্য

৪.৬ সামাজিক বিসংগঠনৰ প্রকাৰ

৪.৭ সামাজিক বিসংগঠনৰ কাৰণ

৪.৮ সামাজিক বিসংগঠনৰ প্রতিকাৰমূলক ব্যৱস্থা

৪.৯ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

৪.১০ অধিক জানিবলৈ

৪.১১ অগ্রগতিৰ খতিয়ান উত্তৰ

৪.১২ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামাজিক সংগঠনৰ ধাৰণাটোৰ বিষয়ে সংজ্ঞায়িত কৰিব পাৰিব;
- সামাজিক সংগঠনৰ বৈশিষ্ট্য চিনাক্ত কৰিব পাৰিব;
- সামাজিক সংগঠনৰ প্রকৃতি বুজিব পাৰিব;
- সামাজিক বিসংগঠনৰ ধাৰণাটো সংজ্ঞায়িত কৰিব পাৰিব;
- সামাজিক বিসংগঠনৰ বৈশিষ্ট্য চিনাক্ত কৰিব পাৰিব; আৰু
- সামাজিক বিসংগঠনৰ কাৰণসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৪.২ পৰিচয়

মানুহ সামাজিক সত্তা, সমাজত থকাটো তেওঁৰ স্বভাৱ। এই স্বভাৱৰ বাবেই তেওঁ আন মানুহৰ লগত বিভিন্ন ধৰণৰ সম্পৰ্ক স্থাপন কৰে। এই সম্পৰ্কবোৰ বিভিন্ন ধৰণৰ। এই সম্পৰ্কবোৰে মানুহৰ কাৰ্যকলাপক বিভিন্ন ধৰণে নিয়ন্ত্রণ কৰে— যিয়ে এক নিৰ্দিষ্ট ব্যৱস্থাৰ সৃষ্টি কৰে। ব্যক্তিৰ মাজত সম্পৰ্কৰ ব্যৱস্থাটোক সমাজ বোলা হয়। আমাৰ আধুনিক সমাজখন বৃহৎসংখ্যক সংগঠনেৰে গঠিত। আমাৰ সমাজ সংগঠিত সমাজ। আমি কৰল সংগঠনত বাস নকৰোঁ বা সংগঠনৰ অন্তৰ্গত বা সংস্থাৰ জৰিয়তে কাম নকৰোঁ বৰঞ্চ আমাৰ বেছিভাগ ইচ্ছা পূৰণ কৰি সংগঠনৰ জৰিয়তে আমাৰ আকাংক্ষা পূৰণ কৰোঁ। এইটো মানুহৰ সামাজিক শিক্ষা— যিটো এটা প্রয়োজন পূৰণ কৰিবলৈ বা সংগঠন নামৰ সামূহিক লক্ষ্যত উপনীত হ'বলৈ গঠন আৰু পৰিচালিত হয়। 'সংগঠন' শব্দটোৰ অৰ্থ সাধাৰণতে 'সংঘ' বা 'সংঘ গোট'।

সামাজিক বিসংগঠন হৈছে সামাজিক সংগঠনৰ বিৰোধী প্রক্রিয়া। সামাজিক বিসংগঠনে সমাজত হোৱা গুৰুতৰ অসামঞ্জস্যক বুজায়— যিয়ে ব্যক্তিৰ প্রয়োজনীয়তা সন্তোষজনকভাৱে পূৰণ কৰিব নোৱাৰে। সামাজিক বিসংগঠনক সামাজিক সংগঠনৰ সৈতে তুলনা কৰি **কুইন আৰু হার্পাৰে** লিখিছে, "যদি সামাজিক সংগঠনৰ অৰ্থ হ'ল ব্যক্তি আৰু গোটে পাৰস্পৰিকভাৱে সন্তোষজনক বুলি বিবেচনা কৰা সম্পৰ্কৰ বিকাশ, তেন্তে বিসংগঠনৰ অৰ্থ হ'ল তেওঁলোকৰ ঠাইত এনে সম্পৰ্ক স্থাপন কৰা— যিয়ে হতাশা, বিফল ইচ্ছা, বিৰক্তি আৰু অসুখ কঢ়িয়াই আনে"।

'সামাজিক সংগঠন' আৰু 'বিসংগঠন' শব্দ দুটা আপেক্ষিক। এই দুটা ব্যৱস্থাই সামাজিক ব্যৱস্থাৰ সমগ্র কাৰ্যকলাপৰ দুটা দিশক প্রতিনিধিত্ব কৰে। যিদৰে সামাজিক বিসংগঠনৰ বিভিন্ন মাত্রা থাকিব পাৰে, সামাজিক বিসংগঠনৰ ক্ষেত্রতো তেনেকুৱাই। কোনো সমাজেই নিখুঁত সংগঠন বা বিসংগঠনৰ অৱস্থাত থাকিব নোৱাৰে।

৪.৩ সামাজিক সংগঠনৰ অৰ্থ

আমি সমাজখনক সদায় এটা সংগঠনৰ ৰূপত দেখিবলৈ পাওঁ। এটা সংস্থাই সেই সম্পৰ্কসমূহৰ ব্যাখ্যা কৰে— যিবোৰ এটা গোটৰ সদস্যসকলৰ মাজত বিদ্যমান, কিন্তু এই সম্পৰ্কসমূহ পদ্ধতিগত হ'ব লাগে। ৰেলৰে প্লেটফৰ্মত বা দুৰ্ঘটনাস্থলীৰ ওচৰত একেলগে থিয় হৈ থকা মানুহবোৰক আমি সংগঠিত বুলি গণ্য কৰিব নোৱাৰোঁ, কাৰণ তেওঁলোকৰ মাজত কোনো সংগঠন নাই। এটা সংস্থাৰ বাবে ব্যৱস্থা থকাটো প্রয়োজনীয়। সংগঠনৰ ব্যক্তিসকলৰ মাজত পাৰস্পৰিক সম্পৰ্ক নিৰ্দিষ্ট আৰু পদ্ধতিগত হ'ব লাগে। পৰিয়াল, গাঁও, ৰাজ্য, সদৌ ভাৰতীয় জাতীয় কংগ্রেছ, বিশ্ব হিন্দু পৰিষদ আদি সংগঠন। কাৰণ তাত থকা মানুহৰ নিৰ্দিষ্ট সম্পৰ্ক আছে; এটা ব্যৱস্থা আছে যাৰ অনুসৰি ইয়াৰ সকলো সদস্যই বাস কৰে আৰু কাম কৰে। সংগঠনৰ ৰূপ সৰু বা ডাঙৰ হ'ব পাৰে। পৰিয়ালটো এটা সৰু সংগঠন হোৱাৰ বিপৰীতে ৰাজ্য

এটা বৃহৎ সংগঠন।

সমাজবিজ্ঞানত সামাজিক সংগঠন হ'ল এটা গোটৰ ভিতৰত সম্পৰ্কৰ সুস্থিৰ গাঁথনি সৃষ্টি কৰা— যিয়ে শৃংখলাৰ বাবে ভেটি আৰু পথ প্ৰদৰ্শক, কম সদস্যৰ বাবে সম্পৰ্ক। এই সংগঠনসমূহে সমাজত অংশসমূহৰ বিন্যাসৰ তাৎপৰ্য আৰু এই বিভিন্ন অংশই সমগ্ৰ সমাজখনক কেনেদৰে প্ৰভাৱিত কৰে তাত গুৰুত্ব আৰোপ কৰে। আদিম সমাজবিজ্ঞানীসকলে গোটত অংশসমূহৰ আন্তঃনিৰ্ভৰশীলতাক বুজাবলৈ বহল অৰ্থত 'সামাজিক সংগঠন' শব্দটো ব্যৱহাৰ কৰিছিল। এই গোটবোৰৰ আকাৰ আৰু প্ৰকৃতিৰ ভিন্নতা থাকিব পাৰে, শ্ৰমিকৰ সৰু সৰু গোটৰ পৰা আৰম্ভ কৰি চিকিৎসালয় আৰু কাৰখানালৈকে। সমাজৰ কিছু অংশ ইটোৱে সিটোৰ লগত সম্পৰ্কিত আৰু প্ৰত্যেকটো সমগ্ৰ সমাজৰ লগত কেনেদৰে সম্পৰ্কিত তাত গুৰুত্ব আৰোপ কৰিবলৈ আজি সমাজবিজ্ঞানৰ অধ্যয়ন আৰু গৱেষণাত এই শব্দটো ব্যৱহাৰ কৰা হয়। এতিয়া বহুলভাৱে মানি লোৱা হৈছে যে গোট আৰু সমাজৰ অস্তিত্ব আৰু ফলপ্ৰসূ কাৰ্যকলাপৰ বাবে সামাজিক সংগঠনৰ প্ৰয়োজন। আজি সমাজবিজ্ঞানীসকলে 'সামাজিক সংগঠন' শব্দটো ব্যাপকভাৱে ব্যৱহাৰ কৰাটো অতি কমেইহে দেখা যায়। বহু সমাজবিজ্ঞানীয়ে 'সামাজিক সংগঠন'তকৈ সমাজখনক তেনেকুৱা বুলি বুজাবলৈ 'সামাজিক ব্যৱস্থা' শব্দটো ব্যৱহাৰ কৰাটো পছন্দ কৰে। পাৰ্ছনছ, জি চি হোমেন্স আদিয়ে সমাজক বুজাবলৈ সামাজিক সংগঠনৰ ঠাইত 'সামাজিক ব্যৱস্থা' শব্দটো ব্যৱহাৰ কৰে।

৪.৩.১ সামাজিক সংগঠনৰ সংজ্ঞা

- ইলিয়ট আৰু মেৰিলে কৈছে, 'সামাজিক সংগঠন হ'ল সত্তাৰ অৱস্থা, যিটো অৱস্থাত সমাজৰ বিভিন্ন প্ৰতিষ্ঠানসমূহে নিজৰ স্বীকৃতিপ্ৰাপ্ত বা অন্তৰ্নিহিত উদ্দেশ্য অনুসৰি কাম কৰি আছে।'
- ডানকান মিচেলৰ মতে, 'সামাজিক সংগঠনৰ অৰ্থ হ'ল অংশসমূহৰ আন্তঃনিৰ্ভৰশীলতা, যিটো সকলো স্থায়ী সামূহিক সত্তাৰ এক অপৰিহাৰ্য বৈশিষ্ট্যঃ গোট, সম্প্ৰদায় আৰু সমাজ।'
- কুলীৰ মতে, 'সামাজিক সংগঠন হৈছে জনসাধাৰণৰ ভাগ-বাটোৱাৰা কৰা কাৰ্যকলাপ আৰু বুজাবুজিৰ ফল।'
- লুইজ ৰেষ্টন আৰু আনসকলে কৈছে যে 'সামাজিক সংগঠনক ব্যক্তি আৰু গোটৰ মাজত সম্পৰ্কৰ আৰ্হি আৰু প্ৰক্ৰিয়া হিচাপে ভাবিব পাৰি।'

৪.৩.২ সামাজিক সংগঠনৰ প্ৰকৃতি

- **এটা নিৰ্দিষ্ট উদ্দেশ্য ঃ** সামাজিক সংগঠনৰ নিজস্ব নিৰ্দিষ্ট উদ্দেশ্য থাকে। কোনো উদ্দেশ্য বা লক্ষ্য অবিহনে ব্যক্তিসকলে একত্ৰিত হৈ নিজৰ মাজত এক নিৰ্দিষ্ট

আৰ্হি বা পাৰস্পৰিক ক্ৰিয়াৰ ব্যৱস্থা প্ৰতিষ্ঠা নকৰে।

- **সদস্যসকলৰ মাজত একমত বা ঐকমত্য ঃ** সদস্যসকলৰ মাজত পাৰস্পৰিক বুজাবুজি, সহযোগিতা আৰু একমত হৈছে এটা সংস্থাৰ মৌলিক বৈশিষ্ট্য।
- **অৱস্থা আৰু ভূমিকাৰ মাজত সমন্বয় ঃ** যিকোনো সংস্থাতে কাৰ্য পৰিচালনা কৰিবলৈ মানৱ সম্পদৰ স্পষ্ট নিৰ্ধাৰিত কাম আৰু সঠিক অৱস্থান থাকে। সঠিক ঠাইত সঠিক ভূমিকাৰ সমন্বয়ে হৈছে সংগঠনৰ বৈশিষ্ট্য।
- **ব্যক্তিৰ আচৰণৰ ভিত্তিত সংস্থাৰ নিয়ন্ত্ৰণ ঃ** সংস্থাই বিভিন্ন নিয়ম-নীতিৰ জৰিয়তে ব্যক্তিক নিয়ন্ত্ৰণ কৰে। সংগঠন ব্যক্তিগত স্বাৰ্থতকৈ আইনৰ জৰিয়তেহে গতি পৰিচালিত হয়।

৪.৩.৩ সামাজিক সংগঠনৰ বৈশিষ্ট্য

সামাজিক সংগঠনৰ প্ৰধান বৈশিষ্ট্যসমূহ হ'ল—

- সমাজত বহুতো প্ৰতিষ্ঠান আছে— যিবোৰ কিছুমান নিৰ্দিষ্ট লক্ষ্য ৰাখি নিৰ্মাণ কৰা হয়, অৰ্থাৎ প্ৰতিটো প্ৰতিষ্ঠানৰ কোনো নহয় কোনো লক্ষ্য থাকে, সেয়া অনুমোদিত হওক বা নহওক। কোনো ঠাইত যেতিয়া প্ৰতিষ্ঠানসমূহে নিজৰ লক্ষ্যৰ দিশত কাম কৰে তেতিয়া সামাজিক সংগঠনৰ পৰিস্থিতিত উপনীত হয়।
- কেৱল বিভিন্ন প্ৰতিষ্ঠান আৰু ইয়াৰ আন্তঃসম্পৰ্ক সামাজিক সংগঠনে সমাজৰ অধীনত গ্ৰহণ নকৰে, বৰঞ্চ ব্যক্তিৰ এনে কাৰ্যকলাপো ইয়াত অন্তৰ্ভুক্ত কৰা হয়— যিবোৰ সংগঠনত সংগঠিত নহয়; উদাহৰণস্বৰূপে এখন গাঁৱৰ মানুহে জুই নুমুৱাবলৈ সাজু হয়। যদিও জনসাধাৰণৰ জুই নিৰ্বাপনৰ উদ্দেশ্যে কোনো সংগঠন নাই, তথাপি ৰাইজে মানৱতা বা নৈতিকতাৰ স্বাৰ্থত একত্ৰিত হয়।
- সমাজৰ বিভিন্ন সংগঠন যেতিয়া পাৰস্পৰিকভাৱে সম্পৰ্কিত হয়, তেতিয়া সেইবোৰ সমগ্ৰ সমাজৰ সৈতেও সম্পৰ্কিত হয়। এই সম্পৰ্কবোৰ এনেদৰে গঠিত হ'ব লাগে— যাতে কিছুমান নিৰ্দিষ্ট লক্ষ্যৰে অৰ্থপূৰ্ণ হয়।
- সমাজৰ ভিতৰৰ বিভিন্ন সংগঠন বিচ্ছিন্ন বা শেষ হৈ যায়। এটা প্ৰকাৰৰ সংগঠনৰ ঠাইত আন এটা প্ৰকাৰৰ সংগঠন আছে, কিন্তু সামাজিক ব্যৱস্থা অব্যাহত থাকে। সমাজে নিজৰ অস্তিত্বৰ বাবে ইয়াৰ ভিতৰৰ সংগঠনসমূহৰ ওপৰত নিৰ্ভৰশীল নহয়।
- সামাজিক সংগঠন স্থায়ী আৰু গতিশীল। সকলো জীৱৰ সামাজিকতা আছে। জীৱন য'ত থাকে তাতেই সমাজৰ অস্তিত্ব থাকে। সমাজখন কেতিয়াও ধ্বংস নহয়।
- সমাজৰ গতিশীলতাৰ বাবে ব্যক্তি আৰু শিক্ষাৰ মাজত পাৰস্পৰিক ক্ৰিয়া-কলাপ থাকে, যাৰ বাবে সামাজিক সংগঠনটোও অবিৰতভাৱে সলনি হৈ থাকে।

- কিছুমান চিন্তাবিদে সামাজিক সংগঠনক ভাৰসাম্যৰ শৃংখলা হিচাপে উল্লেখ কৰিছে। ব্যক্তিৰ মাজত থকা পাৰস্পৰিক সম্পৰ্কবোৰ এটা বিশেষ সময়ত বিশেষ ধৰণেৰে ভাৰসাম্য ৰক্ষা কৰা হয় যদিও এই ভাৰসাম্যবোৰ গঠন হৈ থাকে। সামাজিক সংগঠনক ধাৰাবাহিক ভাৰসাম্য হিচাপেও উল্লেখ কৰিব পৰা যায়।

৪.৩.৪ সামাজিক সংগঠনত ব্যক্তিৰ ভূমিকা

আমি সামাজিক সংগঠনৰ এখন পৃথিৱীত বাস কৰি আছোঁ। আধুনিক সভ্যতা সামাজিক গোটৰ আটাইতকৈ যুক্তিসংগত আৰু কার্যক্ষম ৰূপ হিচাপে সংগঠনৰ ওপৰত বহুলাংশে নির্ভৰশীল। সংগঠনটোৱে বৃহৎসংখ্যক মানৱীয় কার্যৰ সমন্বয় সাধন কৰি এক শক্তিশালী সামাজিক আহিলা সৃষ্টি কৰে। ইয়াত ইয়াৰ সম্পদৰ সৈতে কর্মী, নেতা, বিশেষজ্ঞ, শ্রমিক, মেচিন আৰু কেঁচামাল অন্তর্ভুক্ত কৰা হৈছে। একে সময়তে ই নিজৰ কর্মক্ষমতাৰ মূল্যায়ন কৰে আৰু নিজৰ লক্ষ্যত উপনীত হ'বলৈ নিজৰ প্রচেষ্টাক দিশ নির্ধাৰণ কৰে। সামাজিক সংগঠনে সৰু আৰু অধিক স্বাভাৱিক মানৱ গোটতকৈ সমাজ আৰু ইয়াৰ নাগৰিকসকলৰ প্রয়োজনীয়তাসমূহত অধিক কার্যক্ষমভাৱে সেৱা আগবঢ়ায়, যেনে— পৰিয়াল, বন্ধুত্বৰ গোট ইত্যাদি। আধুনিক সমাজত অধিক সামাজিক সংগঠন আছে আৰু এইবোৰে সমাজ আৰু ব্যক্তিগত প্রয়োজনীয়তাসমূহ বহু পৰিমাণে পূৰণ কৰে। এই সামাজিক সংগঠনসমূহে নাগৰিকৰ এক বৃহৎ অংশ জড়িত কৰে, আৰু তেওঁলোকৰ জীৱনৰ এটা বৃহৎ অংশক প্রভাৱিত কৰে।

৪.৪ সামাজিক সংগঠনৰ শ্রেণীবিভাজন

কেইবাজনো পণ্ডিতে সামাজিক সংগঠনৰ শ্রেণীবিভাজনৰ প্রয়াস কৰিছে।

ছামনাৰে সামাজিক সংগঠনক দুটা মূল শ্রেণীত ভাগ কৰিছে ঃ

১) প্রণয়িত কৰা সংগঠন, আৰু

২) বিকশিত সংগঠন

১) **প্রণয়িত সংগঠন ঃ** ব্যক্তিৰ দ্বাৰা সৃষ্টি কৰা এই সংগঠনবোৰক প্রণয়িত সংগঠন বুলি কোৱা হয়। এই সংগঠনসমূহ ব্যক্তিসকলে জানি, ইচ্ছাকৃতভাৱে, যুক্তিসংগতভাৱে আৰু সচেতনভাৱে গঠন কৰে। এই সংগঠনবোৰৰ নির্দিষ্ট লক্ষ্য আৰু নিয়ম থাকে, যিবোৰ অনুসৰি প্রতিজন সদস্যই কাম কৰিব লাগে। শ্রমিক সংঘ, সামাজিক সংগঠন আদিক এই শ্রেণীৰ অন্তর্গত ৰাখিব পাৰি। বর্তমান যুগত কেৱল প্রণয়ন কৰা সংগঠনৰ সংখ্যাই বৃদ্ধি হোৱাই নহয়, বৰঞ্চ ইয়াৰ গুৰুত্ব আৰু প্রভাৱো বৃদ্ধি পাইছে।

২) **বিকশিত সংগঠন ঃ** এই সংগঠনবোৰক বিকশিত সংগঠন বুলি কোৱা হয় কাৰণ এই সংগঠনবোৰ ব্যক্তিৰ দ্বাৰা সৃষ্টি নহয়, এইবোৰ নিজেই বিকশিত হয়। পৰিয়ালটোক মাতৃতন্ত্র

বা পিতৃতান্ত্রিক বুলি ধৰিব পাৰি, কিন্তু ইয়াৰ বিকাশ নিজেই হৈছে। একেদৰে বংশ, জনজাতি, জাতিও নিজেই বিকশিত হৈছে, সেইবোৰ মানুহৰদ্বাৰা সৃষ্টি হোৱা নাই।

ৰয়টাৰ আৰু হার্টেও সামাজিক সংগঠনক দুটা শ্রেণীত ভাগ কৰিছে ঃ

১) সাম্প্রদায়িক সংগঠন

২) সামাজিক সংগঠন।

৪.৪.১ আনুষ্ঠানিক সংগঠনৰ বৈশিষ্ট্য

আনুষ্ঠানিক সংগঠনৰ তলত দিয়া বৈশিষ্ট্যসমূহ থাকে ঃ

- সুনির্দিষ্ট নিয়ম আৰু বিধি ঃ আনুষ্ঠানিক সংস্থাৰ প্রথম আৰু প্রধান বৈশিষ্ট্য হ'ল সুনির্দিষ্ট নিয়ম আৰু বিধি। এইবোৰ কঠোৰভাৱে পালন কৰি লক্ষ্যত উপনীত হ'বলৈ প্রতিষ্ঠানটোৰ কাম-কাজ সম্পন্ন কৰা হ'ব।
- স্বেচ্ছাচাৰী গাঁথনি ঃ আনুষ্ঠানিক সংস্থা এটাত সদায় এটা স্বেচ্ছাচাৰী গাঁথনি থাকে যিয়ে সংস্থাটোৰ সকলো বিভাগকে লক্ষ্যত উপনীত হ'বলৈ সমন্বিতভাৱে কাম কৰিবলৈ অনুমতি দিয়ে।
- নির্ধাৰিত লক্ষ্য আৰু নীতি ঃ আনুষ্ঠানিক সংস্থা এটা নির্দিষ্ট লক্ষ্য আৰু নীতিৰে গঠিত। প্রতিষ্ঠানটোৰ সকলো কাম-কাজ এই নীতিসমূহ পালন কৰি লক্ষ্যত উপনীত হ'বলৈ কৰা হয়।
- ব্যক্তিৰ কার্যকলাপৰ সীমাবদ্ধতা ঃ আনুষ্ঠানিক সংস্থাৰ প্রতিজন ব্যক্তিক নির্দিষ্ট কর্তব্য আৰু দায়িত্ব নিযুক্ত কৰা হয়।
- সমন্বয়ৰ নীতি কঠোৰভাৱে পালন কৰা ঃ এটা সংস্থাৰ বিভিন্ন বিভাগৰ মাজত সমন্বয় কঠোৰভাৱে বজাই ৰখা হয়— যাতে আটাইতকৈ কার্যক্ষম ফলাফল পোৱা যায়।
- বার্তাসমূহ উলম্ব শৃংখলৰ জৰিয়তে প্রেৰণ কৰা হয় ঃ সাধাৰণতে আনুষ্ঠানিক সংস্থাত উলম্ব যোগাযোগ শৃংখল অনুসৰণ কৰা হয়— যাতে আদেশৰ শৃংখল আৰু ইয়াৰ পাঠ বজাই ৰখা হয়।
- মর্যাদাৰ চিহ্ন ঃ আনুষ্ঠানিক সংগঠন এটা পৃথক সামাজিক সত্তা। সেই কার্যকলাপসমূহ সম্পন্ন কৰা ব্যক্তিসকলতকৈ কার্যকলাপসমূহৰ এটা সুকীয়া সত্তা থাকে।

৪.৪.২ অনানুষ্ঠানিক সংগঠনৰ বৈশিষ্ট্য

অনানুষ্ঠানিক সংগঠনটো মর্যাদাৰ পৰিৱর্তে ভূমিকাৰে গঠিত। সদস্যসকলৰ মাজত যি সম্পর্ক থাকে সেয়া মর্যাদাৰ সম্পর্কতকৈ ব্যক্তিগত সম্পর্ক বেছি। অনানুষ্ঠানিক

সংস্থাসমূহত পাৰস্পৰিক ক্ৰিয়া-কলাপ আৰু যোগাযোগ প্ৰত্যক্ষ, মুখামুখি আৰু অন্তৰংগ। আনুষ্ঠানিক সংগঠনতকৈ ই অধিক নমনীয়। অনানুষ্ঠানিক সংগঠনৰ কিছুমান গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল-

- ইয়াৰ বিকাশ অহৰহ হৈ থাকে
- তৃণমূলৰ প্ৰকৃতি
- গতিশীল আৰু সঁহাৰিজনক
- প্ৰেৰণা যোগোৱাৰ ক্ষেত্ৰত উৎকৃষ্ট
- মানুহক ব্যক্তি হিচাপে ব্যৱহাৰ কৰে
- বিশ্বাস আৰু পাৰস্পৰিকতা
- দ্ৰুতভাৱে সলনি হোৱা বা এতিয়াও সম্পূৰ্ণৰূপে বুজা হোৱা নাই পৰিস্থিতিৰ বাবে ই অপৰিহাৰ্য।

৪.৪.৩ অনানুষ্ঠানিক সংস্থাসমূহৰ কাৰ্যসমূহ

- সাংস্কৃতিক আৰু সামাজিক মূল্যবোধক স্থায়ী কৰি ৰাখে ঃ গোটটোৱে প্ৰিয় বুলি ভবা সাংস্কৃতিক আৰু সামাজিক মূল্যবোধক স্থায়ী কৰি ৰাখে। সাধাৰণতে অনানুষ্ঠানিক গোটৰ সদস্যসকলৰ মাজত কিছুমান মূল্যবোধ ইতিমধ্যে সাধাৰণভাৱে ৰখা হয়। দৈনন্দিন পাৰস্পৰিক ক্ৰিয়াই এই মূল্যবোধসমূহক শক্তিশালী কৰে— যিয়ে এটা বিশেষ জীৱনশৈলীক স্থায়ী কৰি ৰাখে আৰু গোটৰ পাঠ আৰু সততা ৰক্ষা কৰে।
- সামাজিক মৰ্যাদা আৰু সন্তুষ্টি প্ৰদান কৰা ঃ এই সংস্থাসমূহে সামাজিক মৰ্যাদা আৰু সন্তুষ্টি প্ৰদান কৰে— যিটো আনুষ্ঠানিক সংস্থাৰ পৰা লাভ কৰিব নোৱাৰিবও পাৰে। এটা বৃহৎ সংস্থাত এজন শ্ৰমিকে নিজকে এজন অনন্য ব্যক্তি নহয়, কেৱল এটা সংখ্যাৰ দৰে অনুভৱ কৰিব পাৰে।
- সদস্যসকলৰ মাজত যোগাযোগৰ প্ৰসাৰ ঃ অনানুষ্ঠানিক গোটে নিজৰ সদস্যসকলক কি পৰিচালনাৰ কাৰ্যই তেওঁলোকক বিভিন্ন ধৰণে প্ৰভাৱিত কৰিব সেই বিষয়ে অৱগত কৰি ৰাখিবলৈ এটা যোগাযোগ চেনেল বা ব্যৱস্থা গঢ়ি তোলে।
- সামাজিক নিয়ন্ত্ৰণ প্ৰদান কৰা ঃ গোটৰ ভিতৰত আৰু বাহিৰত আচৰণক প্ৰভাৱিত আৰু নিয়ন্ত্ৰণ কৰি সামাজিক নিয়ন্ত্ৰণ প্ৰদান কৰে। আভ্যন্তৰীণ নিয়ন্ত্ৰণে গোটৰ সদস্যসকলক ইয়াৰ জীৱনশৈলীৰ লগত খাপ খুৱাবলৈ বুজায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সামাজিক সংগঠনৰ সংজ্ঞা দিয়া।

.....

.....

প্রশ্ন নং ২ ঃ সামাজিক সংগঠনৰ দুটা বৈশিষ্ট্য লিখা।

.....

.....

৪.৫ সামাজিক বিসংগতিৰ অর্থ

জীৱন হৈছে নিৰন্তৰ সমন্বয় আৰু পুনৰ সামঞ্জস্যৰ এটা প্রক্রিয়া। মানুহৰ সামাজিক জীৱটোৱে সদায় পৰিৱর্তনৰ সন্মুখীন হৈ থাকে— যাৰ বাবে ইয়াৰ বিভিন্ন অংশৰ সালসলনি কৰাটো প্রয়োজনীয়। সমাজৰ বিভিন্ন অংশই যেতিয়া সঠিকভাৱে নিজকে খাপ খোৱাবলৈ চেষ্টা কৰে তেতিয়া আমাৰ সামাজিক ব্যৱস্থা আৰু সুসংগঠিত সমাজ থাকে, কিন্তু পৰিৱর্তিত পৰিস্থিতিৰ লগত নিজকে খাপ খোৱাব নোৱাৰিলে তাৰ ফলত সামাজিক অসন্তুলন বা বিসংগঠিততাই সামাজিক সমস্যাৰ সৃষ্টি কৰে। সামাজিক বিসংগঠিততাৰ অর্থ হ'ল সামাজিক ব্যৱস্থা, সামাজিক প্রতিষ্ঠান আৰু সামাজিক সম্পর্ক ভাঙি যোৱা। সাধাৰণ চুক্তি নাথাকিলে আৰু ব্যক্তিসকলে বিশুদ্ধ ব্যক্তিবাদী শব্দৰে সমাজৰ গুৰুত্বপূর্ণ স্বার্থৰ সংজ্ঞা নিৰূপণ কৰিলে ই বৃদ্ধি পায়।

'বিসংগঠিততা' ধাৰণাটো থমাছ আৰু ঝনানিয়েচ্‌কিয়ে তেওঁলোকৰ বিখ্যাত গ্রন্থ "দ্য পোলিছ পেচেণ্ট ইন ইউৰোপ এণ্ড আমেৰিকা"ত উদ্ভাৱন কৰিছিল। তেওঁলোকৰ মতে 'সামাজিক বিসংগঠিত বুলিলে ব্যক্তিগত সদস্যৰ ওপৰত বিদ্যমান আচৰণৰ সামাজিক নিয়মৰ প্রভাৱ হ্রাস পোৱাটো বুজায়। ফলত সামাজিক সমস্যাৰ সৃষ্টি হয়। সামাজিক বিসংগঠিততাই প্রায়ে ব্যক্তিগত বিসংগঠিততা আনে— যিহেতু এজন ব্যক্তি সমাজৰ সৃষ্টি আৰু তেওঁৰ 'আত্মা' সামাজিক উৎপাদন। কিন্তু মন কৰিবলগীয়া যে কোনো পৰিস্থিতিয়ে বিসংগঠনক প্রতিনিধিত্ব কৰক বা বিসংগঠনক বহুলাংশে বিষয়ভিত্তিক বিচাৰৰ বিষয় হওক, বিসংগঠনৰ মাত্রা জুখিবলৈ কোনো বস্তুনিষ্ঠ মাপকাঠী উপলব্ধ নহয়। উদাহৰণস্বৰূপে, বিবাহ বিচ্ছেদক পৰিয়ালৰ বিসংগঠনক বুজাব পাৰি।

৪.৫.১ সামাজিক বিসংগঠনৰ সংজ্ঞা

- এমিল ডাৰকহেমে সামাজিক বিসংগঠনক 'অসমতা আৰু সমাজৰ সদস্যসকলৰ মাজত সামাজিক সংহতি বা ঐকমত্যৰ অভাৱ' বুলি গণ্য কৰে।
- অগবার্ন আৰু নিমকফে কৈছে যে 'যেতিয়া সংস্কৃতিৰ বিভিন্ন অংশৰ মাজৰ সুসম সম্পর্ক বিঘ্নিত হয়, তেতিয়া সামাজিক বিসংগঠিততাই নিশ্চিত হয়'।

- ম'ৰেভাৰৰ মতে সামাজিক বিসংগঠিততা হৈছে, 'সেই প্ৰক্ৰিয়া যাৰ দ্বাৰা এটা গোটৰ সদস্যৰ মাজৰ সম্পৰ্ক জোকাৰি যায়'।
- ৰবাৰ্ট ইঅ'ল'ফেয়াৰ্ছে কৈছে যে 'সামাজিক বিসংগঠিততা হৈছে মানৱ সম্পৰ্কৰ আৰ্হি আৰু ব্যৱস্থাৰ বিঘিনি।'
- ইলিয়ট আৰু মেৰিলৰ মতে, 'সামাজিক বিসংগঠিততাই শক্তিৰ ভাৰসাম্যৰ বিভাজন, সামাজিক গাঁথনিৰ ক্ষয়ক প্ৰতিনিধিত্ব কৰে, যাৰ ফলত পুৰণি অভ্যাস আৰু সামাজিক নিয়ন্ত্ৰণৰ ৰূপবোৰে আৰু ফলপ্ৰসূভাৱে কাম নকৰে।'

এইদৰে ওপৰৰ সংজ্ঞাসমূহৰ ভিত্তিত আমি ক'ব পাৰো যে সামাজিক বিসংগঠিততাই সমাজত হোৱা গুৰুতৰ অসামঞ্জস্যক বুজায়— যাতে ই ব্যক্তিসকলৰ প্ৰয়োজনীয়তা সন্তোষজনকভাৱে পূৰণ কৰাত ব্যৰ্থ হয়। আমি জনা মতে সমাজ হৈছে সামাজিক সম্পৰ্কৰ জাল। বিসংগঠিত সমাজত সামাজিক সম্পৰ্কৰ কিছুমান আৰ্হি আৰু ব্যৱস্থা থাকে। যেতিয়া সম্পৰ্কবোৰ বিশৃংখল বা বিচ্ছিন্ন হৈ পৰে তেতিয়া সামাজিক বিসংগঠন হয়। সামাজিক বিসংগঠনৰ অৰ্থ হ'ল পাৰস্পৰিক সম্পৰ্কীয় ব্যক্তিৰ গোটৰ মাজত সম্পৰ্ক, সমন্বয়, দলীয় কাম আৰু মনোবলৰ বান্ধোন বিচ্ছিন্ন হোৱা। ফলত ই সমাজ বা সৰু সামাজিক বিসংগঠনৰ কাৰ্যকলাপত ব্যাঘাত জন্মায়।

৪.৫.২ সামাজিক বিসংগঠনৰ বৈশিষ্ট্য

সামাজিক বিসংগঠনৰ প্ৰকৃতি ইয়াৰ বৈশিষ্ট্যৰ দ্বাৰা বুজিব পাৰি। সেইবোৰ হ'ল—

- **আচাৰ-ব্যৱহাৰ আৰু প্ৰতিষ্ঠানৰ সংঘাত ঃ** প্ৰতিখন সমাজৰ নিজস্ব আচাৰ-ব্যৱহাৰ আৰু প্ৰতিষ্ঠান থাকে— যিয়ে ইয়াৰ সদস্যসকলৰ সামাজিক জীৱন নিয়ন্ত্ৰণ কৰে। সময়ৰ পৰিৱৰ্তনৰ বাবে এই আচাৰ-ব্যৱহাৰ আৰু প্ৰতিষ্ঠানসমূহ নিৰপেক্ষ হৈ পৰিব পাৰে। নতুন দাবী পূৰণৰ বাবে নতুন ধাৰণা আৰু নতুন প্ৰতিষ্ঠানৰ উত্থান হ'ব পাৰে। নতুনক ঠাই দিয়াৰ পৰিৱৰ্তে বৰ্তমানৰ আচাৰ-ব্যৱহাৰ আৰু প্ৰতিষ্ঠানবোৰে তেওঁলোকৰ লগত সংঘাতত লিপ্ত হ'ব পাৰে। পুৰণি আৰু নতুনৰ মাজৰ এই সংঘাতে সামাজিক বিসংগঠনৰ জন্ম দিয়ে।
- **এটা গোটৰ পৰা আন এটা গোটলৈ কাৰ্যৰ স্থানান্তৰ ঃ** আমাৰ সমাজত বিভিন্ন গোটৰ কাৰ্যসমূহ সুনিৰ্দিষ্ট। সমাজৰ গতিশীল প্ৰকৃতিৰ বাবে এই কাৰ্যসমূহৰ কিছুমান আন গোট বা সংস্থালৈ আমূল পৰিৱৰ্তন ঘটে। ফলত সামাজিক বিসংগঠন স্থাপন হ'ব পাৰে।
- **ব্যক্তিত্ব ঃ** বৰ্তমান যুগে ব্যক্তিবাদী প্ৰৱণতাক অতিশয় গুৰুত্ব দিয়ে। এতিয়া সকলোৱে নিজৰ বিষয়ে আৰু নিজৰ সুখ আৰু আশাৰ দিশৰ পৰা চিন্তা কৰে। শিক্ষা, বৃত্তি, বিবাহ, সৃষ্টি আদি গুৰুত্বপূৰ্ণ বিষয়বোৰ প্ৰায় ব্যক্তিগত সিদ্ধান্তৰ

বিষয় হৈ পৰিছে। আমি যিটো গোট বা সংগঠনৰ অংশ, সেইটোৰ কথা নাভাবোঁ। সামাজিক মূল্যবোধৰ পৰিৱৰ্তনৰ বাবেই হয় যদিও ই সামাজিক সংগঠনটোক ছিন্ন-ভিন্ন কৰি পেলাব পাৰে আৰু ইয়াক অসংগঠিত অৱস্থাৰ দিশে আগুৱাই নিব পাৰে।

- **আশা আৰু কৃতিত্বৰ মাজত অসামঞ্জস্যতা ঃ** অসংগঠিত সমাজত সামাজিক নিয়মত সন্নিৱিষ্ট প্রত্যাশা আৰু এই প্রত্যাশাসমূহ বেছিভাগ ব্যক্তিয়ে কিমানখিনি বাস্তৱায়িত কৰিব পাৰে তাৰ মাজত যথেষ্ট অসামঞ্জস্যতা দেখা যায়। সমাজৰ বৃহৎসংখ্যক লোকে যেতিয়া অসামাজিকভাৱে লক্ষ্যত উপনীত হ'বলৈ চেষ্টা কৰে তেতিয়া সমাজখন সামাজিক বিসংগঠনৰ অৱস্থা হোৱাৰ স্পষ্ট ইংগিত পোৱা যায়।
- **ব্যক্তিৰ ভূমিকা আৰু মর্যাদাৰ পৰিৱৰ্তন ঃ** আমাৰ সংগঠিত সমাজত মানুহৰ ভূমিকা আৰু মর্যাদা সংজ্ঞায়িত আৰু নির্দিষ্ট। কার্যসমূহ ভালদৰে সংজ্ঞায়িত কৰা হৈছে আৰু সদস্যই তেওঁলোকক আবণ্টিত কামসমূহ সম্পন্ন কৰে। আদিম সমাজ এখন সুস্থিৰ হোৱাৰ বাবেই বিসংগঠিততা ফলত কম ক্ষতিগ্রস্ত হয়। কিন্তু সময়ৰ লগে লগে আমাৰ নীতি-নিয়ম সলনি হয়— যিয়ে জনসাধাৰণৰ ভূমিকা আৰু মর্যাদাতো পৰিৱৰ্তন আনে। ফাৰিছে লিখিছে, 'সামাজিক বিসংগঠিততাই ব্যক্তিৰ স্বাভাৱিক সম্পর্কক ইমানেই বিঘ্নিত কৰে যে ই গোটৰ গ্রহণযোগ্য কাম-কাজ সম্পন্ন কৰাত বাধাৰ সৃষ্টি কৰে।'

ওপৰৰ আলোচনাৰ পৰা আমি ক'ব পাৰো যে সামাজিক বিসংগঠিততাৰ যিকোনো পৰিস্থিতিত তলত দিয়া চর্তসমূহ উপস্থিত থাকিব পাৰে।

- বৈচিত্র্যৰ বিকল্প
- জনসংখ্যাৰ বৈষম্য
- পাৰস্পৰিক অনাস্থা
- অনিশ্চয়তা আৰু নিৰাপত্তাহীনতা
- ব্যক্তিত্ব আৰু আগ্রহ আৰু মনোভাবৰ বৈচিত্র্য
- মর্যাদা আৰু ভূমিকাত স্পষ্টতাৰ অভাৱ
- কর্তব্যতকৈ অধিকাৰত অধিক গুৰুত্ব দিয়া
- অৱস্থা আৰু কার্যৰ মাজত বৈপৰীত্য
- আচাৰ-ব্যৱহাৰৰ সংঘাত আৰু প্রতিষ্ঠানৰ মাজত সংঘাত
- সামাজিক নিয়ন্ত্রণ হ্রাস
- সমাজ আৰু ব্যক্তিৰ মাজত সংঘাত আৰু...
- মূল্যবোধ, নীতি-নিয়ম আৰু আইনক অৱজ্ঞা কৰা।

৪.৬ সামাজিক বিসংগতিৰ প্ৰকাৰ

ইলিয়ট আৰু মেৰিলৰ মতে সামাজিক অসংগঠন তিনিবিধ—

- ব্যক্তিগত বা ব্যক্তিগত বিসংগঠন য'ত অপৰাধ, উন্মাদনা, বা মানসিক বিকাৰগ্ৰস্ততা, বেশ্যাবৃত্তি, কিশোৰ অপৰাধ, ড্ৰাগছ আসক্তি, জুৱা আৰু আত্মহত্যা আদি অন্তৰ্ভুক্ত।
- পৰিয়ালৰ বিসংগঠনত পৰিয়ালৰ ভিতৰত যিকোনো ধৰণৰ অসন্মত কাম-কাজ অন্তৰ্ভুক্ত কৰা হয়। ইয়াত কেৱল স্বামী-স্ত্ৰীৰ মাজত থকা উত্তেজনা বা বৈষম্যই নহয়, ভাই-ভনী আৰু পিতৃ-মাতৃ আৰু সন্তানৰ মাজৰ উত্তেজনা বা বৈষম্যও সন্নিৰিষ্ট কৰা হৈছে।
- সম্প্ৰদায়ৰ অসংগঠন য'ত দৰিদ্ৰতা, ভিক্ষাৰী, নিবনুৱা সমস্যা, জনসংখ্যাৰ ওপৰত, ৰাজনৈতিক দুৰ্নীতি, অপৰাধ ইত্যাদি অন্তৰ্ভুক্ত।



অগ্ৰগতি খতিয়ান

প্ৰশ্ন নং ৩ ঃ সামাজিক বিসংগঠিততা কি?

.....

.....

প্ৰশ্ন নং ৪ ঃ সামাজিক বিসংগঠিততাৰ কিছুমান বৈশিষ্ট্য লিখা।

.....

.....

৪.৭ সামাজিক বিসংগঠিততা কাৰণ

আমি প্ৰতিখন সমাজতে সামাজিক বিসংগঠিততা দেখিবলৈ পাওঁ। সভ্যতাৰ আৰম্ভণিৰ পৰাই মানুহ বৈচিত্ৰ্যময় প্ৰকৃতিৰ সামাজিক সমস্যাৰ সন্মুখীন হৈ আহিছে। ইয়াত আমি সামাজিক বিসংগঠিততাৰ সমস্যাৰ সৃষ্টি কৰা কেইটামান কাৰকৰ কথা উল্লেখ কৰিবলৈ ওলাইছোঁ। এই কাৰণসমূহ হ'ল ঃ

১) **মানসিক কাৰক ঃ** মানসিক কাৰকে দুটা ধৰণে বিসংগঠনত অৰিহণা যোগায়— i) সহজীৱীৰ মাজত সঠিক যোগাযোগ বজাই ৰাখিব নোৱৰা, আৰু ii) সময়ৰ চাহিদাৰ লগত সংগতি ৰাখি নিজৰ মনোভাবৰ পৰিৱৰ্তন বা পৰিৱৰ্তন কৰিব নোৱৰা।

২) **গ্ন সাংস্কৃতিক বিলম্ব ঃ** অগবার্নে ব্যৱহাৰ কৰা 'সাংস্কৃতিক বিলম্ব'ৰ ধাৰণাটোৱে বস্তুগত সাংস্কৃতিক আৰু অবস্তুগত সংস্কৃতিৰ মাজত পৰিৱৰ্তনৰ হাৰ আৰু গতিৰ ভাৰসাম্যহীনতাক বুজায়। বস্তুগত সংস্কৃতিৰ বস্তু যেনে আৱাসৰ ধৰণ, পৰিবহণ আৰু যোগাযোগৰ মাধ্যম, সাজ-পোছাকৰ প্ৰকাৰ, অলংকাৰৰ আৰ্হি, কাৰিকৰী আৰু যান্ত্ৰিক যন্ত্ৰ, বাদ্যযন্ত্ৰ আদি অতি সোনকালে সলনি হয়। কিন্তু অবস্তু সংস্কৃতিৰ ধাৰণা, বিশ্বাস, মনোভাব, ৰুচি, দৰ্শন, অভ্যাস, মতাদৰ্শ, প্ৰতিষ্ঠানিক গাঁথনি আৰু তেনেধৰণৰ অন্যান্য দিশবোৰ অতি লাহে লাহে আৰু

ক্ৰমান্বয়ে সলনি হয়। সেয়ে বস্তুগত আৰু অবস্তুগত সংস্কৃতিৰ মাজত 'ব্যৱধান' বা 'বিলম্ব'ৰ সৃষ্টি হয়। এই 'বিলম্ব'ক প্ৰায়ে 'সাংস্কৃতিক বিলম্ব' বুলি কোৱা হয়, যিয়ে বিসংগঠনৰ প্ৰক্ৰিয়াক আমন্ত্ৰণ জনায়।

৩) **শাৰীৰিক বা ভৌগোলিক কাৰক ঃ** পৰিস্থিতিৰ ভৌগোলিক অৱস্থাৰ কিছুমান অসাধাৰণ ভৌতিক অৱস্থাৰ লগত মানুহ আৰু তেওঁৰ সংস্কৃতিৰ অসামঞ্জস্যতাই সমাজত বিসংগঠন সৃষ্টি কৰিব পাৰে। বিশেষকৈ ধুমুহা, ঘূৰ্ণীবতাহ, দুৰ্ভিক্ষ, বানপানী, ভূমিকম্প, আগ্নেয়গিৰি, মহামাৰী আদি প্ৰাকৃতিক দুৰ্যোগৰ ক্ষেত্ৰত সামাজিক ভাৰসাম্য বিঘ্নিত কৰি সামাজিক বিসংগঠিততা আনে।

৪) **জৈৱিক কাৰক ঃ** জনসংখ্যাৰ বিস্ফোৰণ বা জনসংখ্যাৰ অত্যন্ত অভাৱ, বৰ্ণগত মিশ্ৰণৰ দৃষ্টান্ত, ত্ৰুটিপূৰ্ণ বংশগত বৈশিষ্ট্য এনে অন্যান্য জৈৱিক কাৰকে সমাজত বিসংগঠিততা প্ৰভাৱ পেলাব পাৰে।

৫) **পৰিৱেশগত কাৰক ঃ** অঞ্চল আৰু চুবুৰিৰ ফালৰ পৰা সামাজিক বিসংগঠিততা পৰিৱেশৰ লগত জড়িত। কিছুমান তথ্যই প্ৰকাশ কৰিছে যে সৰু চহৰতকৈ বৃহৎ চহৰত জনমূৰি অপৰাধৰ হাৰ তুলনামূলকভাৱে বেছি।

৬) **সামাজিক বিসংগঠিততা সৃষ্টি কৰা সামাজিক সমস্যা ঃ** সামাজিক সমস্যা আৰু শক্তি যেনে— বিপ্লৱ, সামাজিক উত্তাল পৰিস্থিতি, শ্ৰেণী সংগ্ৰাম, আৰ্থিক বা অৰ্থনৈতিক সংকট, জাতিৰ মাজত যুদ্ধ, মানসিক ৰোগ, ৰাজনৈতিক দুৰ্নীতি আৰু অপৰাধ আদিয়ে মসৃণ কাম-কাজৰ প্ৰতি ভাবুকি কঢ়িয়াই আনে সমাজৰ। সামাজিক সমস্যাবোৰেই সমাজৰ ৰোগ। এই সমস্যাবোৰে বিসংগঠনৰ সৃষ্টি কৰিব পাৰে।

৭) **মূল্যবোধৰ অৱক্ষয় ঃ** সামাজিক মূল্যবোধক প্ৰায়ে সমাজৰ ধাৰণকাৰী শক্তি হিচাপে গণ্য কৰা হয়। কিন্তু দ্ৰুত সামাজিক পৰিৱৰ্তনৰ বাবে নতুন মূল্যবোধৰ সৃষ্টি হয় আৰু কিছুমান পুৰণি মূল্যবোধৰ অৱনতি ঘটে। একে সময়তে মানুহে পুৰণিক সম্পূৰ্ণৰূপে প্ৰত্যাখ্যান নকৰে আৰু নতুনক একেবাৰে গ্ৰহণ নকৰে। গতিকে, এই সংঘাতৰ ফলত সামাজিক অসংগঠন হয়।

৮) **ভূমিকাৰ বিভাজন আৰু বিভ্ৰান্তি ঃ** সমাজৰ সদস্যসকলে সমাজত নিজৰ স্থান অনুসৰি কিছুমান নিৰ্দিষ্ট ভূমিকা পালন কৰাটো আশা কৰা হয়। সময়ৰ পৰিৱৰ্তনৰ লগে লগে এই আশাবোৰো পৰিৱৰ্তনৰ সন্মুখীন হয়। গতিকে, মানুহে নিজৰ নতুন ভূমিকাৰ সন্দৰ্ভত বিভ্ৰান্ত হৈ পৰে। অধ্যাপক ফাৰিছে ইয়াক সামাজিক বিসংগঠিততা আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰণ বুলি গণ্য কৰে।

৯) **যুদ্ধ ঃ** যুদ্ধ হৈছে সামাজিক বিসংগঠনৰ ফল। যুদ্ধই এখন দেশৰ অৰ্থনীতি বিঘ্নিত কৰি সমাজত বিভ্ৰান্তি আৰু বিশৃংখলতাৰ সৃষ্টি কৰে। যুদ্ধকালত অৰ্থনৈতিক সংকটৰ সৃষ্টি হয়। তদুপৰি সামাজিক মূল্যবোধবোৰো বিনষ্ট হৈ পৰে।

১০) **শ্ৰম বিভাজন ঃ** এমিল ডাৰকহেইমৰ মতে, চৰম শ্ৰম বিভাজনেই সামাজিক বিসংগঠনৰ

কাৰণ। শ্ৰম বিভাজন সাধাৰণতে সামাজিক সংহতিৰ উৎপাদনশীল, কিন্তু যেতিয়া ই অত্যধিক আৰু জটিল হৈ পৰে তেতিয়া সংহতি কমি যায় আৰু সামাজিক ভাৰসাম্য বিঘ্নিত হয়।

১১) **সামাজিক নিয়ম উলংঘা ঃ** থমাছ আৰু জেনিয়েচ্‌কিৰ মতে, যেতিয়া সমাজৰ নিয়ম-নীতিই ব্যক্তিক নিয়ন্ত্রণত ৰাখিব নোৱাৰে তেতিয়া সামাজিক বিসংগঠনৰ সৃষ্টি হয়। সমাজত সদায় সামাজিক নিয়ম উলংঘা কৰা ব্যক্তি থাকে। ইয়াৰ ফলত সামাজিক প্ৰতিষ্ঠানসমূহত অসংগঠিত প্ৰভাৱ পৰে আৰু যদিহে উলংঘাসমূহ পৰীক্ষা কৰা নহয়, তেন্তে অৱশেষত ইয়াৰ ফলত প্ৰতিষ্ঠানসমূহ বন্ধ হৈ যাব পাৰে।

১২) **ৰাজনৈতিক অধীনস্থতা ঃ** এখন দেশৰ আন এখন দেশৰ ৰাজনৈতিক অধীনস্থতাই পূৰ্বৰ দেশত সামাজিক বিসংগঠিততা সৃষ্টি কৰে। প্ৰধান দেশখনে হয়তো নিয়ন্ত্ৰিত দেশৰ মানুহৰ মৌলিক প্ৰয়োজনীয়তা যেনে- খাদ্য, বস্ত্ৰ, বাসস্থান, আৰু মৌলিক শিক্ষা আদিৰ প্ৰতিও গুৰুত্ব নিদিয়ে।

শেষত আমি ক'ব পাৰোঁ যে সামাজিক বিসংগঠন সমগ্ৰ বিশ্বতে প্ৰচলিত এক প্ৰক্ৰিয়া। আচলতে কোনো সমাজেই সম্পূৰ্ণ সংগঠিত নহয়। বিসংগঠনৰ কিছুমান উপাদান বা আনটো কম বেছি পৰিমাণে প্ৰতিখন সমাজতে দেখা পোৱা যায়।

৪.৮ সামাজিক বিসংগঠিততাৰ প্ৰতিকাৰমূলক ব্যৱস্থা

সমাজৰ পৰা সামাজিক বিসংগঠিততাক আঁতৰাবলৈ আমি তলত দিয়া ব্যৱস্থাসমূহৰ পৰামৰ্শ দিব পাৰোঁ ঃ

৪) Chaube, Prof. S. P., & Chaube, Dr. Akhilesh (2010). Philosophical and Sociological Foundations of Education. Agra. Shri Vinod Pustak Mandir.

৫) Mahanta, N. N. (2010). Philosophical and Sociological Dimensions of Education. Guwahati. Mani Manik Prakash.

৬) Mathur, S. S. (2014). A Sociological Approach to Indian Education. Agra. Vinod Pustak Mandir.

৭) Nath, Parul (2010). Educational Sociology. Guwahati. Lawer's Book Stall.

৮) Saikia, Polee (2017). Sociological Foundations of Education. New Delhi. DVS Publishers.



৬.৭ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ স্তৰীয়কৰণে সমাজক এনে গোটত বিভক্ত কৰাটোক বুজায়— যিবোৰক উচ্চ বা নিম্ন হিচাপে স্থান দিয়া হয়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ অগবার্ন আৰু নিমকফৰ মতে, "ব্যক্তি আৰু গোটসমূহক কম-বেছি পৰিমাণে স্থায়ী মর্যাদাৰ স্তৰত স্থান দিয়া প্ৰক্ৰিয়াটোক স্তৰীয়কৰণ বুলি জনা যায়।"

৩ নং প্ৰশ্নৰ উত্তৰ ঃ সামাজিক স্তৰীয়কৰণ হৈছে ব্যক্তিৰ সামাজিক কাঠামোৰ ভিতৰত সামাজিক আৰু অর্থনৈতিক শ্ৰেণীবিভাজন।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ সামাজিক শ্ৰেণী আৰু লিংগ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ক্ষমতা।



৬.৮ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১০০-১৫০ শব্দৰে দিয়ক)

প্ৰশ্ন ১ ঃ সামাজিক স্তৰীয়কৰণৰ বৈশিষ্ট্য কি কি?

প্ৰশ্ন ২ ঃ সামাজিক স্তৰীয়কৰণৰ বিভিন্ন শ্ৰেণীৰ নাম লিখক।

প্ৰশ্ন ৩ ঃ সামাজিক স্তৰীয়কৰণৰ কাৰকসমূহৰ নাম লিখক?

খ) দীঘলীয়া প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ শব্দৰে দিয়ক)

প্ৰশ্ন ১ ঃ সামাজিক স্তৰীয়কৰণৰ কাৰকসমূহ চমুকৈ লিখক?

প্ৰশ্ন ২ ঃ শিক্ষা আৰু সামাজিক স্তৰীয়কৰণৰ সম্পৰ্ক আলোচনা কৰক।

*** ***** ***

অধ্যায় ৭ ঃ আধুনিকীকৰণ

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ আধুনিকীকৰণৰ ধাৰণা

৭.৩.১ আধুনিকতাৰ মাপকাঠী

৭.৩.২ আধুনিকীকৰণৰ কাৰণ

৭.৩.৩ আধুনিকীকৰণৰ প্ৰভাৱ

৭.৪ পশ্চিমীয়াকৰণৰ ধাৰণা

৭.৪.১ পশ্চিমীয়াকৰণৰ প্ৰভাৱ

৭.৫ ভাৰতীয় প্ৰেক্ষাপটত আধুনিকীকৰণ আৰু পশ্চিমীয়াকৰণ

৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৭ অধিক জানিবলৈ

৭.৮ অগ্ৰগতিৰ খতিয়ান

৭.৯ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আধুনিকীকৰণৰ ধাৰণা আৰু ভাৰতীয় সমাজত ইয়াৰ প্ৰভাৱৰ বিষয়ে ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব;
- পশ্চিমীয়াকৰণৰ ধাৰণা আৰু ভাৰতীয় সমাজত ইয়াৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰিব পাৰিব; আৰু
- আধুনিকীকৰণ আৰু পশ্চিমীয়াকৰণৰ শিক্ষাত প্ৰভাৱ চিনাক্ত কৰিবলৈ সক্ষম হ'ব।

৭.২ পৰিচয়

ভাৰতৰ সংস্কৃতি কেৱল ইয়াৰ দীৰ্ঘ ইতিহাস, অনন্য ভূগোল আৰু বৈচিত্ৰ্যময় জনগাঁথনিৰ দ্বাৰাই নহয়, ইয়াৰ প্ৰাচীন ঐতিহ্যৰ দ্বাৰাও গঢ় লৈ উঠিছে। কোনো কোনো ইতিহাসবিদে পৃথিৱীৰ আটাইতকৈ পুৰণি জীৱন্ত সভ্যতা বুলি গণ্য কৰা ভাৰতীয় পৰম্পৰা খ্ৰীষ্টপূৰ্ব ৮০০০ চনৰ পৰাই চলি আহিছে আৰু ইয়াৰ ইতিহাস ২৫০০ বছৰতকৈয়ো অধিক সময় ধৰি অবিৰতভাৱে লিপিবদ্ধ হৈ আছে। ই কেৱল নিজৰ প্ৰাচীনতাক লৈ গৌৰৱ কৰিব নোৱাৰে, ইয়াৰ সজীৱতা, সহযোগিতা আৰু নমনীয়তাক লৈও গৌৰৱ কৰিব পাৰে।

ভাৰতীয় সংস্কৃতিৰ বৈশিষ্ট্যই ইয়াক চহকী আৰু অনন্য কৰি তুলিছিল। কিন্তু দুর্ভাগ্যজনকভাৱে এই ভিন্ন বৈশিষ্ট্যসমূহে আজি ভাৰতীয় সংস্কৃতিক সমাধিস্থ কৰাৰ ওচৰলৈ ঠেলি দিছে। তথ্য আৰু যোগাযোগ প্রযুক্তি (ICT)ৰ বিকাশৰ ফলত ইণ্টাৰনেট আৰু অন্যান্য ইলেক্ট্রনিক আৰু ছপা মাধ্যমৰ জৰিয়তে বিদেশী সংস্কৃতি বিশেষকৈ পশ্চিমীয়া সংস্কৃতিৰ সহজ প্ররেশে মূলতঃ ভাৰতীয় সংস্কৃতি আৰু দর্শনক মৃত্যুৰ কাষ চাপিবলৈ অৰিহণা যোগাইছে। ভাৰতীয় জনসংখ্যাৰ সাধাৰণ জনতাই এনে এক মনোভাব গঢ়ি তুলিছে যে যিকোনো বস্তু বিদেশী, বিশেষকৈ পশ্চিমীয়া সভ্যতা ভাল আৰু আদৰণীয়। এই মানসিকতাই হৈছে ভাৰতীয় সংস্কৃতি আৰু সভ্যতাই সন্মুখীন হোৱা ভাবুকিৰ মূল কাৰণ। আৰু আজি আমি জ্ঞাত যে এই মানসিকতা সংবাদ মাধ্যম আৰু প্রযুক্তিৰ জৰিয়তে সঞ্চাৰিত পশ্চিমীয়া সংস্কৃতিৰ আগ্রাসনৰ ফল।

পৰম্পৰাগতভাৱে যদিও ভাৰতীয় সমাজখন জাতি ব্যৱস্থাৰ ভিত্তিত গঢ় লৈ উঠিছে আৰু ইয়াক প্রায়ে 'ৰক্ষণশীল সমাজ' হিচাপে গণ্য কৰা হয়, তথাপি ই একেবাৰে অপৰিৱর্তিত নহয়। জাতিৰ কাঠামোৰ ভিতৰতে কোনো ধৰণৰ গতিশীলতা অতীতত দেখা যায়। উচ্চবর্ণৰ জীৱনশৈলী অনুকৰণ কৰি নিম্নবর্ণই প্রায়ে উচ্চ মর্যাদা দাবী কৰিবলৈ চেষ্টা কৰি আহিছে। নিম্নবর্ণৰ পৰা উচ্চবর্ণলৈ গতিৰ এই পৰিঘটনাক 'সংস্কৃতিকৰণ' বুলি কোৱা হয়। এইদৰে সামাজিক স্তৰত ঊর্ধ্বমুখী গতিৰ বাবে অনুকৰণৰ দৃষ্টান্ত ভাৰতীয় সমাজত অজ্ঞাত নহয়। কিন্তু এইটো একেটা সামাজিকৰ ভিতৰতে বেছি আছিল। আৰু এইটো অধিক স্বাভাৱিক কাৰণ প্রতিজন মানুহৰ সামাজিক স্তৰত ওপৰলৈ স্কেল কৰাৰ স্বাভাৱিক ইচ্ছা থাকে। কিন্তু আন এটা সামাজিক প্রথালৈ জঁপিয়াই যোৱাৰ অনুকৰণ যিটোক হয়তো ভাল বা বেয়া বুলিও গণ্য কৰা নহ'ব, কিন্তু কেৱল পৃথক বুলি গণ্য কৰা হ'ব পাৰে, ভাৰতীয় সংস্কৃতি আৰু প্রথাৰ প্রতি ভাবুকি। আৰু এই ধাৰাটো অহৰহ বৃদ্ধি পাইছে আৰু সেয়ে ই আমাৰ চিন্তাৰ কাৰণ। ইয়াৰ বহু কাৰণ থাকিব পাৰে। কিন্তু ইয়াৰে দুটা গুৰুত্বপূর্ণ কাৰণ হ'ল আধুনিকীকৰণ আৰু পশ্চিমীয়াকৰণ। এই অধ্যায়ত সেইসমূহৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হৈছে।

৭.৩ আধুনিকীকৰণৰ ধাৰণা

আমি জ্ঞাত যে, চিকাৰী আৰু খাদ্য সংগ্রাহকৰ কিছুমান গোটে যেনেকৈ কৃষিভিত্তিক সমাজৰ জন্ম দিলে, ঠিক সেইদৰে কিছুমান কৃষি সমাজে উদ্যোগিক সমাজৰ জন্ম দিলে। আধুনিকতাৰ দিশত এই পৰিৱর্তন ১৬শ আৰু ১৮ শতিকাৰ ভিতৰত হৈছিল আৰু ইয়াৰ উৎপত্তি হৈছিল উত্তৰ-পশ্চিম ইউৰোপৰ দেশসমূহত, বিশেষকৈ ইংলেণ্ড, নেদাৰলেণ্ড, উত্তৰ ফ্রান্স আৰু উত্তৰ জার্মানীত।

সমাজবিজ্ঞানত আধুনিকীকৰণৰ অর্থ হৈছে পৰম্পৰাগত, গ্রাম্য, কৃষিভিত্তিক সমাজৰ পৰা ধর্মনিৰপেক্ষ, নগৰীয়া, উদ্যোগিক সমাজলৈ ৰূপান্তৰ। আধুনিক সমাজ এখনৰ জনসংখ্যা নিজৰ জীৱন নির্বাহৰ বাবে উদ্যোগ আৰু সেৱাৰ ওপৰত অধিক নির্ভৰশীল। এখন সমাজক আধুনিকীকৰণ কৰাটোৱেই হ'ল, প্রথমতে, ইয়াক ঔদ্যোগিকীকৰণ কৰা। ঐতিহাসিকভাৱে আধুনিক

সমাজৰ উত্থান উদ্যোগিক সমাজৰ উত্থানৰ সৈতে অবিচ্ছেদ্যভাৱে জড়িত হৈ আহিছে। আধুনিকতাৰ সৈতে জড়িত সকলো বৈশিষ্ট্যই সেই পৰিৱৰ্তনৰ গোটটোৰ সৈতে জড়িত বুলি দেখুৱাব পাৰি যিবোৰে, দুশ বছৰতকৈ অধিক সময়ৰ আগতে, ঔদ্যোগিক ধৰণৰ সমাজৰ সৃষ্টি কৰিছিল। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে উদ্যোগবাদ আৰু ঔদ্যোগিক সমাজ শব্দটোৱে ইয়াৰ মূল গঠন কৰা অর্থনৈতিক আৰু প্রযুক্তিগত উপাদানসমূহতকৈ বহু বেছি বুজায়। ঔদ্যোগিকতা হৈছে এনে এক জীৱনশৈলী— যিয়ে গভীৰ অর্থনৈতিক, সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক পৰিৱর্তনক সামৰি লৈছে। ঔদ্যোগীকৰণৰ ব্যাপক ৰূপান্তৰৰ মাজেৰেই সমাজবোৰ আধুনিক হৈ পৰে।

আধুনিকীকৰণৰ মূল দুটা পর্যায় থকা যেন লাগে। ইয়াৰ গতিপথৰ এটা নির্দিষ্ট বিন্দুলৈকেই সমাজৰ প্রতিষ্ঠান আৰু মূল্যবোধকো নিজৰ লগত কঢ়িয়াই লৈ ফুৰে, যিটোক সাধাৰণতে প্রগতিশীল, ঊর্ধ্বমুখী গতি বুলি গণ্য কৰা হয়। আধুনিকীকৰণৰ প্রাৰম্ভিক প্রতিৰোধ চোকা আৰু দীর্ঘদিনীয়া হ'ব পাৰে, কিন্তু সাধাৰণতে ই বিফল হোৱাৰ নির্ধাৰিত। কিন্তু এটা সময়ৰ পাছত আধুনিকীকৰণে ক্রমান্বয়ে অসন্তুষ্টিৰ জন্ম দিবলৈ আৰম্ভ কৰে। ইয়াৰ কাৰণ আংশিকভাৱে আধুনিক সমাজৰ প্রাৰম্ভিক সফলতা আৰু গতিশীলতাৰ দ্বাৰা প্রৰোচিত বর্ধিত আশা-আকাংক্ষা। আধুনিকীকৰণ শব্দটোৱে কোনো দর্শন বা আন্দোলনক বুজাব নোৱাৰে, বৰঞ্চ ই কেৱল পৰিৱর্তনৰ প্রক্রিয়াৰ প্রতীকহে। আচলতে আধুনিকীকৰণক এনে এক প্রক্রিয়া হিচাপে বুজা যায়— যিয়ে আধুনিক জীৱনশৈলী আৰু মূল্যবোধ গ্রহণৰ ইংগিত দিয়ে। এই শব্দটো পূর্বতে কেৱল অর্থনীতিৰ পৰিৱর্তন আৰু সামাজিক মূল্যবোধ আৰু প্রথাৰ ওপৰত ইয়াৰ আনুষংগিক প্রভাৱক বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল। আজি আধুনিকীকৰণ শব্দটোক জনসাধাৰণৰ ফালৰ পৰা বর্তমানৰ জীৱনৰ পৰিস্থিতি আৰু সাধাৰণতে পদ্ধতিৰ লগত খাপ খুৱাই লোৱাৰ প্রয়াস হিচাপে বুজা যায়।

৭.৩.১ আধুনিকতাৰ মাপকাঠী

আধুনিকীকৰণৰ কিছুমান মাপকাঠী অথবা নিৰপেক্ষ সমূহক তলত উল্লেখ কৰিব পাৰিঃ

- অর্থনীতিৰ ঔদ্যোগীকৰণ আৰু উচ্চ উৎপাদনশীলতাৰ বাবে বৈজ্ঞানিক প্রযুক্তি গ্রহণ কৰা।
- ধাৰণাসমূহৰ ধর্মনিৰপেক্ষকৰণ।
- ভৌগোলিক আৰু সামাজিক গতিশীলতা বৃদ্ধি।
- বৈজ্ঞানিক আৰু কাৰিকৰী শিক্ষাৰ প্রসাৰ।
- আৰোপিত মর্যাদাৰ পৰা অর্জন কৰা মর্যাদালৈ পৰিৱর্তন।
- জীৱন ধাৰণৰ বস্তুগত উচ্চ মানসম্পন্ন।
- মাধ্যমিক আৰু তৃতীয় পর্যায়ত নিয়োজিত শ্রমিক শক্তিৰ উচ্চ অনুপাত।
- জন্মৰ সময়ত আৰু শেষত আয়ুসৰ উচ্চ প্রত্যাশা সর্বনিম্ন নহয়।
- ৰাজনীতিত তুলনামূলকভাৱে অধিক জনসাধাৰণৰ অংশগ্রহণ।

৭.৩.৩ আধুনিকীকৰণৰ কাৰণ

তলত উল্লেখিত পূৰ্বচর্ত সমূহক আধুনিকীকৰণৰ মূল ভেটি হিচাপে গ্রহণ কৰিব পৰা যায়। এইসমূহ হৈছে ঃ

- **শিক্ষা ঃ** বিজ্ঞান আৰু প্রযুক্তিৰ সৈতে জড়িত শিক্ষাই আধুনিকীকৰণৰ ভিত্তি প্রদান কৰে। ই প্রযুক্তিগত উদ্ভাৱনৰ বাবে অপৰিহার্য দক্ষতা আৰু মনোভাবৰ সৃষ্টি কৰে।
- **গণসংযোগ ঃ** আধুনিকীকৰণ মূলতঃ গণসংযোগৰ পৰিঘটনাৰ ওপৰত নির্ভৰশীল। বাতৰি কাকত, সাময়িকী, আলোচনী, টেলিভিছন, ৰেডিঅ', ইণ্টাৰনেট আদিকে ধৰি গণসংযোগৰ বিকাশ আধুনিক ধাৰণাসমূহ দ্রুত হাৰত প্রচাৰৰ এক গুৰুত্বপূর্ণ মাধ্যম।
- **জাতীয়তাবাদৰ ভিত্তিত মতাদর্শ ঃ** জাতীয়তাবাদ আৰু গণতন্ত্র আধুনিকীকৰণৰ সৈতে বহুখিনি জড়িত। জাতীয়তাবাদ জাতীয় সচেতনতা আৰু ৰাজনৈতিক সহমতৰ সৈতে জড়িত। জাতীয়তাবাদী মতাদর্শসমূহে বহুত্ব সমাজৰ ভিতৰত সামাজিক বিভাজনক সেতুবন্ধন কৰাত ঐক্যবদ্ধ প্রভাৱ হিচাপে কাম কৰে। লগতে মানুহৰ আচৰণ সলনি কৰাত ৰাজনৈতিক অভিজাত শ্রেণীকো সহায় কৰে।
- **সু-নেতৃত্ব ঃ** আধুনিক বিশ্বাস, মূল্যবোধ, প্রথা আৰু আচৰণৰ ধৰণ গ্রহণ কৰিবলৈ জনসাধাৰণক ছাপ দিবলৈ এজন ভাল নেতা অতিকৈ প্রয়োজন। ই আন প্রকাৰে ৰাষ্ট্রীয় উন্নয়নত সহায় কৰে।
- **জো�ৰ-জবৰদস্তি চৰকাৰী কর্তৃপক্ষ ঃ** এখন শক্তিশালী আৰু সুস্থিৰ চৰকাৰে মানুহক আধুনিক মূল্যবোধ আৰু জীৱন-ধাৰণৰ পদ্ধতি গ্রহণ কৰিবলৈ বাধ্য কৰিবলৈ জোৰ-জবৰদস্তিৰ ব্যৱস্থা গ্রহণ কৰিব পাৰে। আধুনিক পদ্ধতি আৰু আচাৰ-ব্যৱহাৰ অনুসৰণ কৰিবলৈ জনসাধাৰণক হেঁচা দিয়ে।

৭.৩.৩ আধুনিকীকৰণৰ প্রভাৱ

তলত আধুনিকীকৰণৰ কিছুমান দৃশ্যমান প্রভাৱ উল্লেখ কৰা হ'ল—

- পৰিবহণ আৰু যোগাযোগৰ সেৱাৰ উন্নতিৰ ফলত ভৌগোলিক দূৰত্ব কম আৰু মানুহৰ ঘনিষ্ঠ পাৰস্পৰিক ক্রিয়া-কলাপ।
- অর্থনীতিৰ ঔদ্যোগীকৰণৰ ফলত প্রযুক্তিৰ ওপৰত অতিমাত্রা নির্ভৰশীলতা।
- বিশেষকৈ কৃষি আৰু বস্ত্রশিল্পৰ ক্ষেত্রত উৎপাদনৰ হাৰ বৃদ্ধি।
- মজদুৰি চাকৰিৰ উত্থানৰ বাবে বৃত্তিৰ পৰম্পৰাগত পথসমূহ বদনাম কৰা। ইয়াৰ

ফলত বহুতো পৰম্পৰাগত বৃত্তি অচল হৈ পৰিছিল, কাৰণ ইয়াক কম দৰমহা পোৱা, অধিক বিপজ্জনক বা সময়সাপেক্ষ বুলি গণ্য কৰা হৈছিল।

- আনুষ্ঠানিক শিক্ষাৰ অভাৱ আৰু হাতৰ কামৰ প্ৰতি নেতিবাচক মনোভাবৰ বাবে নিয়োগ বৃদ্ধি, যিটোক অপমানজনক বুলি গণ্য কৰা হয়।
- জাতিৰ প্ৰতি উদাৰ মনোভাব যিয়ে জাতিৰ পৰিৱৰ্তনৰ প্ৰতি অন্যতম বা কোনো প্ৰতিৰোধ প্ৰদান নকৰে। আৰোপ কৰা মৰ্যাদাতকৈ অৰ্জন কৰা মৰ্যাদাৰ গ্ৰহণযোগ্যতা বেছি। জাতিৰ নামত বৈষম্যমূলক প্ৰথাক কম উৎসাহিত কৰা হয়, কাৰণ জাতিসমূহে এতিয়া আইনী বা ধৰ্মীয় নিষেধাজ্ঞা লাভ নকৰে।
- কম নিষেধাজ্ঞামূলক কাৰণ জাতি-বয়োজ্যেষ্ঠসকলে ব্যৱহাৰ কৰা পৰম্পৰাগত শৈলীৰ কৰ্তৃত্ব আৰু ক্ষমতা ইতিমধ্যে কেইটামান গ্ৰাম্য অঞ্চলৰ বাহিৰেও হ্ৰাস পাইছে। বিশুদ্ধতা আৰু প্ৰদূষণৰ বিবেচনাৰ বাবে উদ্ভৱ হোৱা বিভিন্ন জাতিৰ মাজত সৃষ্টি হোৱা বাধা বা পাৰস্পৰিক ক্ৰিয়া-কলাপ গ্ৰাম্য অঞ্চলৰ পৰাও জনজীৱনৰ পৰা ম্লান হৈ আহিছে।
- জন্মৰ সময়ত শিশুৰ আয়ুস বৃদ্ধি পায় আৰু লগতে ঔষধৰ উপলব্ধতাৰ বাবে মানুহৰ গড় আয়ুস বৃদ্ধি পায়।

৭.৪ পশ্চিমীয়াকৰণৰ ধাৰণা

পশ্চিমীয়াকৰণ আৰু আধুনিকীকৰণ প্ৰায় সমাৰ্থক শব্দ। আধুনিকীকৰণ হৈছে পৰম্পৰাগত, গ্ৰাম্য, কৃষিভিত্তিক সমাজৰ পৰা ধৰ্মনিৰপেক্ষ, নগৰীয়া, উদ্যোগিক সমাজলৈ ৰূপান্তৰ, পশ্চিমীয়াকৰণ হৈছে উচ্চ জাতিৰ পশ্চিমীয়াসকলৰ সংস্কৃতি আৰু আচাৰ-ব্যৱহাৰৰ অনুকৰণ। (চি. এন. শংকৰ ৰাও, ২০০২, পৃষ্ঠা ৩০৯)। পশ্চিমীয়াকৰণ হৈছে এনে এক প্ৰক্ৰিয়া য'ত সমাজসমূহে উদ্যোগ, প্ৰযুক্তি, আইন, ৰাজনীতি, অৰ্থনীতি, খাদ্যাভ্যাস, সাজ-পোছাক, ভাষা, দৰ্শন আদি ক্ষেত্ৰত পশ্চিমীয়া সংস্কৃতিৰ অধীনলৈ আহে বা গ্ৰহণ কৰে। যোৱা কেইটামান শতিকাত কিছুমান চিন্তাবিদে পশ্চিমীয়াকৰণক আধুনিকীকৰণৰ সমতুল্য বুলি ধৰি লৈছিল, যিটো চিন্তাধাৰাত প্ৰায়ে বিতৰ্ক দেখা পোৱা যায়। পশ্চিমীয়াকৰণৰ সামগ্ৰিক প্ৰক্ৰিয়াটো প্ৰায়ে দুপক্ষীয় হয়। প্ৰথমে, পশ্চিমীয়া প্ৰভাৱ আৰু স্বাৰ্থ নিজেই প্ৰভাৱিত সমাজৰ কিছু অংশৰ সৈতে সংযুক্ত হৈ, অন্যতমভাৱে, অধিক পশ্চিমীয়া সমাজৰ দিশে পৰিৱৰ্তন হ'বলৈ, পশ্চিমীয়া জীৱন বা তাৰ কিছুমান দিশ লাভ কৰাৰ আশাত। আনহাতে পশ্চিমীয়া সমাজসমূহ নিজেই এই প্ৰক্ৰিয়া আৰু অ-পশ্চিমীয়া গোটসমূহৰ সৈতে হোৱা পাৰস্পৰিক ক্ৰিয়াৰ দ্বাৰা প্ৰভাৱিত হয়। পশ্চিমীয়াকৰণৰ শিপা প্ৰাচীন গ্ৰীচৰ পৰাই আৰম্ভ হৈছে। পাছত, ৰোমান সাম্ৰাজ্যই পশ্চিমীয়াকৰণৰ প্ৰথম প্ৰক্ৰিয়াটো গ্ৰহণ কৰে, কাৰণ ই গ্ৰীকসকলৰ দ্বাৰা প্ৰচণ্ডভাৱে প্ৰভাৱিত হৈছিল আৰু প্ৰাচীন গ্ৰীক সমাজৰ নীতি আৰু মূল্যবোধৰ ভিত্তিত এক নতুন সংস্কৃতিৰ সৃষ্টি কৰিছিল। ৰোমানসকলে এনে এক সংস্কৃতি

লৈ আত্মপ্রকাশ কৰিছিল— যিয়ে ইউৰোপৰ নতুন ভেটি স্থাপন কৰিছিল আৰু গ্ৰীক-ৰোমান সমাজৰ ভিত্তিত নতুন পশ্চিমীয়া পৰিচয়ৰ সৃষ্টি কৰিছিল। পশ্চিমীয়াকৰণৰ পৰিঘটনাটোৱে সমাজৰ মাজত কোনো এটা নির্দিষ্ট আৰ্হি অনুসৰণ নকৰে। কাৰণ পশ্চিমীয়া ৰীতি-নীতিৰ সৈতে অভিযোজন আৰু সংযোজনৰ মাত্ৰা বিভিন্ন সম্প্ৰদায়ৰ ভিতৰত ভিন্ন মাত্ৰাত ঘটিছিল। বিশেষকৈ, আধিপত্য, ধ্বংস, প্ৰতিৰোধ, জীয়াই থকা, অভিযোজন বা পৰিৱৰ্তনে এটা থলুৱা সংস্কৃতিক কিমানখিনি প্ৰভাৱিত কৰে, সেয়া আন্তঃজাতিগত সংস্পৰ্শৰ পিছত পৃথক হ'ব পাৰে।

৭.৪.১ পশ্চিমীয়াকৰণৰ প্ৰভাৱ

তলত পশ্চিমীয়াকৰণৰ কিছুমান গুৰুত্বপূৰ্ণ প্ৰভাৱ উল্লেখ কৰা হ'ল—

- **জ্ঞানৰ দুৱাৰ মুকলি ঃ** আধুনিক শিক্ষাই মধ্যযুগৰ ৰেনেছাঁ আন্দোলনৰ পিছত ইউৰোপত ফুলি উঠা জ্ঞানৰ দুৱাৰ মুকলি কৰিলে। ই ভাৰতীয় বুদ্ধিজীৱীৰ মানসিক দিগন্ত বহল কৰি তুলিছিল।
- **সকলোৰে বাবে শিক্ষা ঃ** ১৯ শতিকাৰ দ্বিতীয়াৰ্ধত ব্ৰিটিছ চৰকাৰে ভাৰতত জাতি বা ধৰ্ম নিৰ্বিশেষে ভাৰতীয় সমাজৰ সকলো শ্ৰেণীৰ বাবে শিক্ষাৰ দুৱাৰ মুকলি কৰি দিলে।
- **আলোকপাত কৰা কু-প্ৰথা ঃ** আধুনিক শিক্ষাই সেই সময়ত সমাজৰ দুৰ্বল শ্ৰেণীৰ বাবে প্ৰচলিত বহুতো সামাজিক ৰীতি-নীতি আৰু প্ৰথাৰ কঠিনতা আৰু কঠোৰতাৰ দৰে ব্যৱস্থাটোত বিকশিত হোৱা কু-প্ৰথা আৰু দুৰ্বলতাক দাঙি ধৰিছিল। অৰ্থাৎ অস্পৃশ্য, মহিলা আৰু ইয়াৰ সৈতে জড়িত প্ৰথা সেইবোৰ, যেনে— সতী, বহুবিবাহ, বাল্যবিবাহ আদিৰ প্ৰতি মানুহৰ মনত সজাগতা আনি তুলি আগুৱাই যোৱাত সহায় কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ আধুনিকীকৰণ কি?

.....

.....

প্ৰশ্ন নং ২ ঃ পশ্চিমীয়াকৰণ বুলিলে কি বুজাব বিচাৰিছে?

.....

.....

প্ৰশ্ন নং ৩ ঃ আধুনিকীকৰণ আৰু পশ্চিমীয়াকৰণৰ কাৰকসমূহ উল্লেখ কৰা।

.....

.....

৭.৫ ভাৰতীয় প্ৰেক্ষাপটত আধুনিকীকৰণ আৰু পশ্চিমীয়াকৰণ

ভাৰতত পশ্চিমীয়াকৰণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল মানুহক খ্ৰীষ্টান ধৰ্মলৈ ধৰ্মান্তৰিত কৰাৰ ধৰ্মীয় লক্ষ্য লৈ ভাৰতলৈ অহা মিছনেৰীসকলৰ পৰা আৰু লগতে ইষ্ট ইণ্ডিয়া কোম্পানী ভাৰতত প্ৰথমে বাণিজ্যৰ বাবে আৰু পিছলৈ ভাৰতত অৰ্থনৈতিক আৰু ৰাজনৈতিক প্ৰভাৱ বিস্তাৰ কৰিবলৈ অহাৰ পৰা। পিছলৈ এই প্ৰভাৱ 'ব্ৰিটিছ ইম্পেৰিয়েল ৰুল' প্ৰতিষ্ঠালৈ পৰিণত হয় যি ১৯৪৭ চনলৈকে চলিছিল। ইয়াৰ শাসনকালত ব্ৰিটিছে ভাৰতীয় সংস্কৃতিত আৰু সমাজৰ আমূল স্থায়ী পৰিৱৰ্তন আনিছিল আৰু সমাজ। ব্ৰিটিছে নিজৰ লগত লৈ আহিছিল নতুন প্ৰযুক্তি, প্ৰতিষ্ঠান আৰু লগতে তেওঁলোকৰ জ্ঞান, বিশ্বাস আৰু মূল্যবোধ। এইবোৰ ব্যক্তিৰ লগতে সমাজৰ বাবেও সামাজিক গতিশীলতাৰ মূল উৎস হৈ পৰিছে। এই প্ৰেক্ষাপটতে এম.এন. শ্ৰীনিবাসে মূলতঃ ব্ৰিটিছ শাসনৰ জৰিয়তে ভাৰতৰ সৈতে পশ্চিমীয়া সংস্পৰ্শৰ ফলত ভাৰতীয় সংস্কৃতি আৰু সমাজত যি পৰিৱৰ্তন ঘটিছে তাৰ ব্যাখ্যাৰ বাবেই 'পশ্চিমীয়াকৰণ' শব্দটো প্ৰৱৰ্তন কৰিছিল।

এম.এন.শ্ৰীনিবাসৰ মতে, "পশ্চিমীয়াকৰণে ১৯০ বছৰতকৈয়ো অধিক ব্ৰিটিছ শাসনৰ ফলত ভাৰতীয় সমাজ আৰু সংস্কৃতিত কঢ়িয়াই অনা পৰিৱৰ্তনক বুজায় আৰু এই শব্দটোৱে বিভিন্ন স্তৰত ঘটা পৰিৱৰ্তন- প্ৰযুক্তি, প্ৰতিষ্ঠান, মতাদৰ্শ আৰু মূল্যবোধক সামৰি লয়।" পশ্চিমীয়াকৰণে ভাৰতীয় সংস্কৃতি আৰু সমাজত পশ্চিমীয়া সংস্পৰ্শ (বিশেষকৈ ব্ৰিটিছ)ৰ প্ৰভাৱৰ ব্যাখ্যা কৰে। বিশিষ্ট সমাজ বিজ্ঞানী এম এন শ্ৰীনিবাসে 'পশ্চিমীয়াকৰণ' শব্দটো ব্যৱহাৰ কৰি পশ্চিমীয়া বিশ্বৰ সৈতে দীৰ্ঘদিনীয়া সংস্পৰ্শৰ ফলত অ-পশ্চিমীয়া দেশ এখনে যি পৰিৱৰ্তন আনিছিল, সেই পৰিৱৰ্তনসমূহ বৰ্ণনা কৰিছিল।

আজি আমি ভাৰতীয় সংস্কৃতিৰ, বিশেষকৈ ভাৰতৰ নগৰীয়া সমাজবোৰৰ ক্ৰমান্বয়ে নমনীয় হোৱাৰ অভিজ্ঞতা লাভ কৰিছোঁ। আমাৰ ৰীতি-নীতি, পৰম্পৰা, সামাজিক আৰু নৈতিক আচৰণ, নৈতিক আৰু সামাজিক মূল্যবোধ আদিৰ ওপৰত পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাৱে ক্ৰমান্বয়ে আধিপত্য বিস্তাৰ কৰিছে। আজি ব্যক্তিগত গোপনীয়তাক অধিক গুৰুত্ব দিয়া হৈছে আৰু আনৰ প্ৰতি বিশেষকৈ বয়োজ্যেষ্ঠসকলৰ প্ৰতি থকা মৰম আৰু সন্মান দিনক দিনে ম্লান হৈ আহিছে। এই তথ্য যুগত মানুহ নিজক লৈ ব্যস্ত হৈ পৰে আৰু আনৰ যত্ন ল'ব নোৱাৰে। অতি কমসংখ্যকেহে সালসলনি কৰিবলৈ আগ্ৰহী আৰু নিজৰ কথাবোৰ আনৰ লগত ভাগ-বাটোৰাৰা কৰাও সমৰ্থ। এইসমূহ এইবোৰ ভাৰতীয় সংস্কৃতিৰ লগত বিৰোধ। যিয়ে সদায় ইজনে সিজনৰ লগত মিলাপ্ৰীতিৰে জীয়াই থাকিবলৈ শিকাই আহিছে আৰু ঘৰত সকলোকে সদায় ভালপোৱা আৰু সন্মান কৰিবলৈ শিকাই আহিছে।

পিতৃ-মাতৃ দুয়োৰে কামৰ ব্যস্ততাৰ অথবা যৌথ পৰিয়ালৰ অভিজ্ঞতাৰ অভাৱত শিশুৱে নৈতিক বা নৈতিক মূল্যবোধ শিকিবলৈ ব্যৰ্থ হয়। শিশুসকলে কেৱল চকুৰ আগত দেখা-শুনাখিনি আৰু শিক্ষকে শ্ৰেণীকোঠাত দিয়া সামান্য অভিজ্ঞতাখিনিৰ বাহিৰে, বাকীসমূহ জ্ঞান আহৰণত অসমৰ্থ হয়। এইদৰে আমি শেষত এনে এটা শিশুক ডাঙৰ-দীঘল কৰোঁ— যাৰ নৈতিক মূল্যবোধ

কম।

আমাৰ বাবে কি উচিত আৰু কি অনুচিত সেই কথা আমি জনা উচিত। পাশ্চাত্য সংস্কৃতিক শুদ্ধভাৱে বেয়া বুলি ক'ব নোৱাৰি। যদিও ই আমাৰ জীৱনটো দ্ৰুত কৰি তুলিছে, কিন্তু একে সময়তে ই আমাৰ জীৱনটোও সহজ আৰু আৰামদায়ক কৰি তুলিছে। কিন্তু মূলতঃ আমি আমাৰ সংস্কৃতিক গুৰুত্ব দিব লাগিব— যিয়ে আমাক জীয়াই থাকিবলৈ শিকাইছিল

আমাৰ সহনশীলতা আৰু ধৈর্য বৃদ্ধিৰ দ্বাৰা আনৰ সৈতে শান্তি আৰু সম্প্ৰীতি সম্ভৱ হৈ উঠে। আন দেশৰ বহু লোকে ভাৰতীয় ঐতিহ্যৰ গুৰুত্ব উপলব্ধি কৰি ভাৰতীয় সংস্কৃতিৰ মঙ্গল, যেনে— যোগ আৰু ধ্যান সাধনা, প্ৰাচীন সাধুজনে পাৰ কৰা প্ৰজ্ঞা আৰু শিক্ষা আদিৰ লগত খাপ খুৱাই লৈছে। ভাৰতীয় প্ৰজ্ঞাৰ জ্ঞানে যিকোনো জাতিৰ মানুহক সহায় কৰে আৰু লগতে তেওঁলোকৰ জীৱন সমৃদ্ধ কৰে।

পাশ্চাত্য সংস্কৃতি বা আমি কোৱাৰ দৰে পশ্চিমীয়াকৰণে আমাৰ পৰম্পৰা, ৰীতি-নীতি, সামাজিক, সাংস্কৃতিক, নৈতিক মূল্যবোধ আৰু আনকি আমাৰ পা�ৰিবাৰিক বন্ধন আৰু পাৰিবাৰিক গাঁথনিৰ পৰিসৰলৈকে বহু পৰিমাণে প্ৰভাৱিত কৰিছে। যৌথ পৰিয়ালৰ ধাৰণাটো অতীতৰ কথা। সকলোৱে আনৰ পৰা আঁতৰি থাকিব বিচাৰে। পশ্চিমীয়াকৰণে একক পৰিয়ালৰ জন্ম দিছে। বিবাহ দ্ৰুতগতিত ভাঙিছে। আমাৰ সহনশীলতা আৰু ধৈর্যই ইয়াৰ উত্তৰ দিছে। আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে আমাৰ নৱজাতক। এই নতুন পৰিৱেশত তেওঁলোকে নিজকে মানসিক চাপত আৰু বিচ্ছিন্ন হৈ পৰে, কাৰণ তেওঁলোকৰ যত্ন ল'বলৈ কোনো নাই। তেওঁলোকে ককা-আইতাকৰ যত্ন আৰু মৰম নাপাব আৰু তেওঁলোকে নিজকে বিচাৰি পায়— য'ত আন কিছুমানে তেওঁলোকৰ যত্ন ল'ব। নতুন অংকুৰবোৰ আমাৰ নৈতিক মূল্যবোধ আৰু সংস্কাৰৰ পৰা অস্পৃশ্য আৰু বিচ্ছিন্ন হৈ থকাটো অতি দুৰ্ভাগ্যজনক।

বিদেশী (পশ্চিমীয়া) সংস্কৃতিৰ ইতিবাচক বৈশিষ্ট্যসমূহ মানি লোৱাত কোনো ক্ষতি নহয় যদিও ইয়াৰ অৰ্থ এইটো নহয় যে ইয়াক সম্পূৰ্ণৰূপে গ্ৰহণ আৰু খাপ খুৱাই পশ্চিমীয়া হোৱাৰ অভিনয় কৰি নিজৰ পৰিচয়ক ভুলকৈ উপস্থাপন কৰা উচিত। এইটো বুজা যায় যে ভাৰত প্ৰতিটো ক্ষেত্ৰতে আগবাঢ়ি গৈছে আৰু সৰ্বোচ্চ সংস্কৃতি আৰু তেওঁলোকৰ পৰম্পৰা জনাৰ প্ৰয়োজনীয়তা আছে। আমি নিজৰ পৰিচয় সংৰক্ষণ কৰিব লাগিব। এটা কথা সদায় মনত ৰখা উচিত যে পশ্চিমীয়া বিশ্বই ভাৰতৰ সততা আৰু চহকী সাংস্কৃতি ঐতিহ্যৰ বাবে বিচাৰিছে। কিন্তু ভাৰতীয়সকলে নিজৰ সংস্কৃতি, পৰম্পৰা আৰু মূল্যবোধৰ পৰা বিচ্ছিন্ন হৈ থকাৰ সময়তে পশ্চিমীয়াই মোক্ষ লাভৰ বাবে ভাৰতৰ ফালে চাই থকাটো অতি বেদনাদায়ক। যোগ আৰু ধ্যান ক্ষেত্ৰত ভাৰতৰ এক বৃহৎ সুনাম আছে যক্সত আমাৰ শিক্ষক/সন্তসকলে বাকী বিশ্বক শিকাই আছে কেনেকৈ শিথিল হ'ব লাগে, কেনেকৈ ৰোগ আঁতৰাই ৰাখিব পাৰি। আৰু বিদ্ৰূপটো চাওক; আজি আমি আমাৰ পৰিত্ৰাণ (মুক্তি) বা জীৱনৰ চূড়ান্ত লক্ষ্যৰ বাবে পশ্চিম দিশলৈ চাইছোঁ।

আজিৰ প্ৰজন্মৰ নিজৰ সংস্কৃতি, পৰম্পৰা, ইয়াৰ শিপাৰ বিষয়ে অতি কম জ্ঞান থকাটো অতি দুৰ্ভাগ্যজনক। এইটো তেওঁলোকৰ ভুল নহয়, বৰঞ্চ তেওঁলোকৰ পিতৃ-মাতৃৰ ভুল যিয়ে

নিজৰ সন্তানক তেওঁলোকৰ বিষয়ে জ্ঞান নিদিয়ে। তেওঁলোকৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ শিপাৰ বিষয়ে। আৰু চাওক আমি কিমান নিৰ্লজ্জ; বেছিভাগ অভিভাৱকে নিজৰ সন্তানক পশ্চিমীয়া সংস্কাৰ দি গৌৰৱ অনুভৱ কৰে। শিশুসকলক এই ধৰণৰ পৰিৱেশত ডাঙৰ-দীঘল কৰা হয়। ইয়াৰ ফলত তেওঁলোক নিজৰ সংস্কৃতিৰ পৰা মাইল দূৰত থাকে।

ভাৰতীয়সকলে যিকোনো সাংস্কৃতিক প্ৰভাৱৰ প্ৰবাহত উৰি যোৱাৰ আগতে সাংস্কৃতিক বান্ধোন নিশ্চিতভাৱে ধৰি ৰখা উচিত। এনে প্ৰভাৱৰ প্ৰধান কাৰণ হৈছে পশ্চিমীয়া সংবাদ মাধ্যমৰ ধন-সম্পত্তি আৰু ক্ষমতাৰ সন্ধান। কোনো সংস্কৃতিয়ে আন কোনো সংস্কৃতিৰ মূলত প্ৰভাৱ পেলাব নালাগে। কাৰণ সাংস্কৃতিক আধিপত্যই বৈচিত্ৰ্য আৰু জীৱন আৰু পছন্দৰ স্বাধীনতাৰ অধিকাৰৰ বাবে ক্ষতিকাৰক। একে মনোভাবেৰে পশ্চিমীয়াকৰণে ভাৰতীয় সমাজৰ মূল পৰম্পৰা আৰু মূল্যবোধক প্ৰভাৱিত কৰিব নালাগে। কিন্তু সময়োপযোগিতা, পেছাদাৰিত্ব আৰু ইয়াৰ দৰে সুন্দৰ সংযোজনেৰে সমাজৰ জীৱনশৈলী আৰু আপাত বৈশিষ্ট্য উন্নত কৰাৰ পৰিসৰলৈকে প্ৰভাৱ অনুমোদিত।

জাতি ব্যৱস্থাই অতি দীঘলীয়া দূৰত্ব অতিক্ৰম কৰিছে। বিশেষকৈ দেশত যুগ যুগ ধৰি মুছলমান আৰু ব্ৰিটিছ শাসন চলি থকাৰ সময়ত ব্যৱস্থাটোত বহু পৰিৱৰ্তন ঘটিছে। সময়ৰ লগে লগে প্ৰতিটো যুগৰ ন্যস্ত স্বাৰ্থই মূল ধাৰণাসমূহক তেওঁলোকৰ উদ্দেশ্যৰ লগত খাপ খোৱাকৈ বিকৃতভাৱে ব্যাখ্যা কৰিছিল। ইয়াৰ থলুৱা পৰিচয় আৰু সংস্কৃতি ৰক্ষাৰ বাবে বহুতো বিকৃতি আৰু কঠিনতাই ব্যৱস্থালৈ গঢ় লৈ উঠিছিল। এতিয়াও জাতি-ব্যৱস্থাই আটাইতকৈ পুৰণি সামাজিক প্ৰতিষ্ঠানসমূহৰ ভিতৰত অন্যতম আৰু সমগ্ৰ বিশ্বতে বিশেষকৈ ভাৰতত বিদ্যমান এক অবিৰত আৰু নিৰবচ্ছিন্ন জীৱন্ত সংস্কৃতিৰ উপস্থাপন কৰে। সামৰণিত কুপ্পু স্বামীয়ে কোৱাৰ দৰে সংস্কৃতকৰণ আৰু পশ্চিমীয়াকৰণৰ ধাৰণাটোৱে আমাক কেৱল শতিকাৰ পিছৰ অৰ্ধেক আৰু ২০ শতিকাৰ প্ৰথম দুটা দশকত সংঘটিত হোৱা পৰিৱৰ্তন প্ৰক্ৰিয়াসমূহ বিশ্লেষণ কৰাত সহায় কৰে। সংস্কৃতকৰণ বা পশ্চিমীয়াকৰণৰ কোনোটোৱেই সামাজিক পৰিৱৰ্তনত কোনো প্ৰভাৱ পেলোৱা নাই। গতিকে বৰ্তমান ভাৰতীয় সমাজত চলি থকা পৰিৱৰ্তন প্ৰক্ৰিয়াসমূহ বিশ্লেষণ কৰাত আমাক সহায় কৰিবলৈ তেওঁলোক সম্পূৰ্ণ অপৰ্যাপ্ত।

আধুনিকীকৰণ আৰু পশ্চিমীয়াকৰণৰ যমজ আক্ৰমণে ভাৰতৰ চহকী পৰম্পৰা আৰু সংস্কৃতিক অপ্ৰত্যাৱৰ্তনীয়ভাৱে ক্ষতিকাৰক/পাতল কৰি তুলিছে। পশ্চিমীয়া সংস্কৃতি বস্তুবাদী পক্ষপাতী হোৱাৰ বিপৰীতে ভাৰতীয় সংস্কৃতি আদৰ্শবাদ আৰু আধ্যাত্মিকতাবাদৰ দ্বাৰা অধিক প্ৰভাৱিত। বস্তুগত মূল্যবোধৰ প্ৰতি আজিৰ প্ৰজন্মৰ প্ৰৱণতাই দ্ৰুতগতিত জনপ্ৰিয়তা লাভ কৰি নিজৰ মূল্যবোধক আঁতৰাই ৰাখিছে। ইয়াৰ ফলত মানুহৰ মাজত নৈতিক মূল্যবোধ আৰু নেতিবাচক মনোভাব আৰু এই সংঘাতৰ সৃষ্টি হয়।

বস্তুবাদ আৰু আধ্যাত্মিকতাৰ মাজত ভাৰতীয় যুৱক-যুৱতীসকলক ক'লৈকো লৈ নাযায়। আজি আমি দেখিবলৈ পাওঁ বয়োজ্যেষ্ঠসকলৰ প্ৰতি সন্মানৰ অভাৱ, পৰিয়ালৰ সদস্যৰ মাজত দুৰ্বল বন্ধন আৰু চৰম স্বাৰ্থপৰতা। পৰম্পৰাগত সাজ-পোছাক নোহোৱা হৈ যোৱাৰ বিপৰীতে

যোগাযোগ কৰিবলৈ ভাষাটো অধিক শ্লেংগ আৰু কেতিয়াবা আনৰ সান্নিধ্যত ক'ব নোৱৰা হৈ পৰিছে। আজিৰ যুৱক-যুৱতীসকলৰ নৈতিক মূল্যবোধ, আধ্যাত্মিকতাবাদৰ প্ৰতি বিশ্বাস, বয়োজ্যেষ্ঠসকলৰ প্ৰতি সন্মান আৰু নিজৰ ভাষাৰ প্ৰতি প্ৰেমৰ অভাৱ। তেওঁলোকে পশ্চিমীয়া প্ৰথা, যেনে— ভেলেণ্টাইন ডে, ফাদাৰ'ছ ডে, মাদাৰ'ছ ডে আৰু কি নহয় আদি পছন্দ কৰে আৰু অন্ধভাৱে উদ্‌যাপন কৰে। ভুল ইংৰাজী আৰু অন্যান্য বিদেশী ভাষা কওঁতে নিজৰ মাতৃভাষাক লজ্জিত কৰি গৌৰৱ অনুভৱ কৰে। কম বয়সতে স্বাধীন হোৱাৰ উন্মাদনাই ট'ডিৰ যুৱক-যুৱতীসকলক নষ্ট কৰি পেলাইছে আৰু তাৰ ফলত আমাৰ নিজৰ সংস্কৃতি আৰু সভ্যতাৰ ভৱিষ্যৎ বিপদত পৰিছে।

সামৰণিত ক'বলৈ গ'লে মনত ৰাখিব লাগিব যে বলপূৰ্বক পৰিৱৰ্তন বা প্ৰয়োজন আৰু যুক্তি নোহোৱাকৈ পৰিৱৰ্তন হোৱাটো পূৰ্বপুৰুষৰ পৰা পোনপটীয়াকৈ নামি অহা পুৰণি আৰু নিজৰ জীৱনশৈলীক বিশ্বাসঘাতকতা কৰাৰ দৰেই। উন্নতি কৰাটো সদায় প্ৰয়োজনীয় আৰু গ্ৰহণযোগ্য প্ৰভাৱত ধুই পেলোৱাটো কোনো সংস্কৃতি বা সভ্যতাৰ স্বাৰ্থত নহয়; ভুক্তভোগী আৰু বিজয়ী সংস্কৃতি দুয়োটা। কিন্তু যদি হয় আৰু বৰ্তাই ৰাখে তেন্তে দিন দূৰ নাথাকিব যেতিয়া ভাৰতীয় সভ্যতা অতীতৰ কাহিনী হ'ব আৰু ইয়াৰ সমাধিৰ বাবে ভাৰতীয়ৰ বাহিৰে আন কোনোৱেই দায়ী নহ'ব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ভাৰতীয় প্ৰেক্ষাপটত আধুনিকীকৰণ আৰু পশ্চিমীয়াকৰণৰ সন্দৰ্ভত আপোনাৰ ধাৰণা প্ৰতিফলিত কৰক।

.....

.....



৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পৰম্পৰাগতভাৱে যদিও ভাৰতীয় সমাজখন জাতি ব্যৱস্থাৰ ভিত্তিত গঢ় লৈ উঠিছে আৰু ইয়াক প্ৰায়ে 'ৰক্ষণশীল সমাজ' হিচাপে গণ্য কৰা হয়, তথাপি ই একেবাৰে অপৰিৱৰ্তিত নহয়। জাতিৰ কাঠামোৰ ভিতৰতে কোনো ধৰণৰ গতিশীলতা অতীতত দেখা যায়। উচ্চবৰ্ণৰ জীৱনশৈলী অনুকৰণ কৰি নিম্নবৰ্ণই প্ৰায়ে উচ্চ মৰ্যাদা দাবী কৰিবলৈ চেষ্টা কৰি আহিছে। নিম্নবৰ্ণৰ পৰা উচ্চবৰ্ণলৈ গতিৰ এই পৰিঘটনাক 'সংস্কৃতকৰণ' বুলি কোৱা হয়।
- সমাজবিজ্ঞানত আধুনিকীকৰণ হৈছে পৰম্পৰাগত, গ্ৰাম্য, কৃষিভিত্তিক সমাজৰ পৰা ধৰ্মনিৰপেক্ষ, নগৰীয়া, উদ্যোগিক সমাজলৈ ৰূপান্তৰ।
- আধুনিকীকৰণ শব্দটোৱে কোনো দৰ্শন বা আন্দোলন বুজাব নোৱাৰে, বৰঞ্চ ই কেৱল

পৰিৱৰ্তনৰ প্ৰক্ৰিয়াৰ প্ৰতীক। আচলতে আধুনিকীকৰণক এনে এক প্ৰক্ৰিয়া হিচাপে বুজা যায়— যিয়ে আধুনিক জীৱনশৈলী আৰু মূল্যবোধ গ্ৰহণৰ ইংগিত দিয়ে। এই শব্দটো পূৰ্বতে কেৱল অৰ্থনীতিৰ পৰিৱৰ্তন আৰু সামাজিক মূল্যবোধ আৰু প্ৰথাৰ আধাৰত ইয়াৰ আনুষংগিক প্ৰভাৱক বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল।

- আধুনিকীকৰণৰ কিছুমান কাৰণ হ'ল— শিক্ষা, গণসংযোগ, জাতীয়তাবাদৰ ভিত্তিত মতাদৰ্শ, কাৰিজমাটিক নেতৃত্ব, জোৰ-জবৰদস্তি চৰকাৰী কৰ্তৃত্ব।
- আধুনিকীকৰণ হৈছে পৰম্পৰাগত, গ্ৰাম্য, কৃষিভিত্তিক সমাজৰ পৰা ধৰ্মনিৰপেক্ষ, নগৰীয়া, উদ্যোগিক সমাজলৈ ৰূপান্তৰ; পশ্চিমীয়াকৰণ হৈছে পশ্চিমীয়াসকলৰ সংস্কৃতি আৰু আচাৰ-ব্যৱহাৰৰ প্ৰতি উচ্চ জাতিৰ অনুকৰণ।
- পশ্চিমীয়াকৰণ হ'ল এনে এক প্ৰক্ৰিয়া— য'ত সমাজসমূহে উদ্যোগ, প্ৰযুক্তি, আইন, ৰাজনীতি, অৰ্থনীতি, খাদ্য, সাজ-পোছাক, ভাষা, দৰ্শন আদি ক্ষেত্ৰত পশ্চিমীয়া সংস্কৃতিৰ অধীনলৈ আহে বা গ্ৰহণ কৰে।
- পশ্চিমীয়াকৰণৰ পৰিঘটনাটোৱে সমাজৰ মাজত কোনো এটা নিৰ্দিষ্ট আৰ্হি অনুসৰণ নকৰে। কাৰণ পশ্চিমীয়া ৰীতি-নীতিৰ সৈতে অভিযোজন আৰু সংযোজনৰ মাত্ৰা বিভিন্ন সম্প্ৰদায়ৰ ভিতৰত ভিন্ন মাত্ৰাত ঘটিব।



৭.৭ অধিক জানিবলৈ

১) কৰ্নব্লাম, উইলিয়াম (২০১৬); ভাৰতীয় পৰম্পৰাৰ আধুনিকীকৰণ। পিয়ৰচন।

২) ৰাও, চি এন শংকৰ (২০০২); সমাজবিজ্ঞান ঃ প্ৰাথমিক নীতি; নতুন দিল্লী।

৩) https://www.importantindia.com/3898/ ভাৰতত পশ্চিমীয়াকৰণৰ প্ৰভাৱৰ বিষয়ে চুটি-লেখা।

৪) https://www.importantindia.com/3902/পৰম্পৰা-আৰু-আধুনিকীকৰণৰ বিষয়ে চমু-ৰচনা।



৭.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সমাজবিজ্ঞানত আধুনিকীকৰণ হৈছে পৰম্পৰাগত, গ্ৰাম্য, কৃষিভিত্তিক সমাজৰ পৰা ধৰ্মনিৰপেক্ষ, নগৰীয়া, ঔদ্যোগিক সমাজলৈ ৰূপান্তৰ। ইয়াক এনে এক প্ৰক্ৰিয়া হিচাপে বুজা যায়— যিয়ে আধুনিক জীৱনশৈলী আৰু মূল্যবোধ গ্ৰহণৰ ইংগিত দিয়ে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ পশ্চিমীয়াকৰণ হৈছে পশ্চিমীয়াসকলৰ সংস্কৃতি আৰু আচাৰ-ব্যৱহাৰৰ প্ৰতি উচ্চ জাতিৰ অনুকৰণ। উদ্যোগ, প্ৰযুক্তি, আইন, ৰাজনীতি, অৰ্থনীতি, খাদ্যাভ্যাস, সাজ-পোছাক, ভাষা, দৰ্শন ইত্যাদি ক্ষেত্ৰত সমাজসমূহে পাশ্চাত্য সংস্কৃতিৰ অধীনলৈ অহা বা গ্ৰহণ কৰা প্ৰক্ৰিয়া।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ আধুনিকীকৰণ আৰু পশ্চিমীয়াকৰণৰ বহুতো কাৰক আছে। কিন্তু সকলো কাৰকৰ ভিতৰত পাঁচটা কাৰক বিশেষভাৱে উল্লেখ কৰাৰ যোগ্য। সেইবোৰ হ'ল— শিক্ষা, গণসংযোগ, জাতীয়তাবাদৰ ভিত্তিত মতাদৰ্শ, কাৰিজমেটিক নেতৃত্ব আৰু জোৰ-জবৰদস্তি চৰকাৰী কৰ্তৃপক্ষ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ পশ্চিমীয়াকৰণে ভাৰতীয় পৰম্পৰা, ৰীতি-নীতি, সংস্কৃতি, নৈতিক মূল্যবোধ আৰু আনকি আমাৰ পৰিয়ালৰ গাঁথনিৰ পৰিসৰলৈকে বহু পৰিমাণে প্ৰভাৱিত কৰিছে। যৌথ পৰিয়ালৰ ধাৰণাটো অতীতৰ কথা। সকলোৱে আঁতৰি থাকিব বিচাৰে। পশ্চিমীয়াকৰণে একক পৰিয়ালৰ জন্ম দিছে। বিবাহবোৰ দ্ৰুতগতিত ভাঙি গৈ আছে— আমাৰ সহনশীলতা আৰু ধৈয্যই ইয়াৰ উত্তৰ দিছে। আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে আমাৰ নৱজাতক। এই নতুন পৰিৱেশত তেওঁলোকে নিজকে মানসিক চাপত আৰু বিচ্ছিন্ন হৈ পৰে। কাৰণ তেওঁলোকৰ যত্ন ল'বলৈ কোনো নাই।



৭.৯ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১০০-১৫০ শব্দৰে দিয়া)

প্ৰশ্ন ১ ঃ আধুনিকীকৰণ কি? আধুনিকতাৰ মাপকাঠীসমূহ উজ্জ্বল কৰক।

প্ৰশ্ন ২ ঃ পশ্চিমীয়াকৰণ কি? পশ্চিমীয়াকৰণৰ প্ৰভাৱ আঙুলিয়াই দিয়ক।

প্ৰশ্ন ৩ ঃ পশ্চিমীয়াকৰণে ভাৰতীয় সংস্কৃতি আৰু মূল্যবোধৰ বিমুদ্ৰাকৰণ কৰিছে বুলি আপুনি কিয় ভাবে? ব্যাখ্যা কৰক।

(খ) দীঘলীয়া প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ শব্দৰে দিয়ক)

প্ৰশ্ন ১ ঃ আধুনিকীকৰণ আৰু পশ্চিমীয়াকৰণৰ মাজত তুলনা কৰক।

প্ৰশ্ন ২ ঃ আধুনিকীকৰণৰ কাৰণসমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ আধুনিকীকৰণৰ সুবিধা আৰু অসুবিধাৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ ভাৰতীয় প্ৰেক্ষাপটত আধুনিকীকৰণ আৰু পশ্চিমীয়াকৰণৰ কথা কওক আৰু ব্যাখ্যা কৰক।

প্ৰশ্ন ৫ ঃ শিক্ষাত আধুনিকীকৰণৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৮ ঃ সামাজিক গতিশীলতা

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ সামাজিক গতিশীলতা
৮.৩.১ সামাজিক গতিশীলতা প্ৰকৃতি
৮.৪ সামাজিক গতিশীলতাৰ প্ৰকাৰ
৮.৫ সামাজিক গতিশীলতাক প্ৰভাৱিক কৰা কাৰকসমূহ
৮.৬ শিক্ষা আৰু গতিশীলতা
৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৮ অধিক জানিবলৈ
৮.৯ অগ্ৰগতিৰ খতিয়ান
৮.১০ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামাজিক গতিশীলতাৰ অৰ্থ বৰ্ণনা কৰিব পাৰিব
- সামাজিক গতিশীলতাৰ প্ৰকৃতি ব্যাখ্যা কৰিব পাৰিব
- সামাজিক গতিশীলতাৰ প্ৰকাৰসমূহ আলোচনা কৰিব পাৰিব
- সামাজিক গতিশীলতাক প্ৰভাৱিত কৰা কাৰকসমূহ চিনাক্ত কৰিব পাৰিব আৰু
- গতিশীলতাৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা আলোচনা কৰিব পাৰিব।

৮.২ পৰিচয়

প্ৰত্যেক সমাজৰে এক সাধাৰণ বৈশিষ্ট্য হৈছে তাত বসবাস কৰা মানুহৰ মাজত চলা আন্দোলন। এই আন্দোলন হয়তো এখন সমাজৰ পৰা আন এখন সমাজলৈ এই পৰিস্থিতি পৰা আন এটা পৰিস্থিতিলৈ, এটা স্থানৰ পৰা আন এটা স্থানলৈ ইত্যাদিলৈ হ'ব পাৰে। পৰিৱৰ্তন হৈছে অনিবাৰ্য আৰু মানৱ সমাজ কেতিয়াও স্থিৰ হৈ থাকিব নোৱাৰে। কিন্তু পৰিৱৰ্তনৰ হাৰ সমাজ আৰু সময় অনুসৰি পৃথক হোৱা দেখা যায়। বৰ্তমান সময়ৰ অগ্ৰণী সমাজসমূহৰ এক প্ৰমুখ বৈশিষ্ট্য হৈছে উচ্চ হাৰৰ গতিশীলতা। ব্যক্তিসকলে সদায় সমাজত তেওঁলোকৰ মৰ্যাদা বঢ়াবলৈ চেষ্টা কৰে। তেওঁলোকে সমাজত উচ্চ মৰ্যাদা আৰু স্থান পাবলৈ বিচাৰে। কিছুমান ক্ষেত্ৰত এইটো দেখা যায় যে সমাজত কিছুমান ব্যক্তিৰ মৰ্যাদা আৰু স্থান নিম্ন স্তৰলৈ যায়। এনেদৰে

সমাজৰ উঠা-নমা হোৱা পৰিৱৰ্তনকেই সামাজিক গতিশীলতা বুলি জনা যায়। এই অধ্যায়টোত আমি সামাজিক গতিশীলতাৰ সৈতে জড়িত বিভিন্ন দিশবোৰৰ বিষয়ে আলোচনা কৰিম। তদুপৰি সামাজিক গতিশীলতাৰ অর্থ আৰু প্ৰকৃতিৰ লগতে ইয়াৰ বিভিন্ন প্ৰকাৰৰ সমূহৰ বিষয়ে আলোচনা কৰিম। সামাজিক গতিশীলতাক প্ৰভাৱিত কৰা দিশবোৰ দাঙি ধৰিম আৰু গতিশীলতাৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা সম্পৰ্কে আলোচনা কৰিম।

৮.৩ সামাজিক গতিশীলতাৰ অর্থ

সামাজিক গতিশীলতাৰ হৈছে, এক প্ৰক্ৰিয়া যিয়ে সামাজিক-সাংস্কৃতিক পৰিৱৰ্তনক অন্তৰ্ভুক্ত কৰে, যাৰ বাবে এটা ব্যৱস্থাৰ প্ৰতিষ্ঠিত সামাজিক, ৰাজনৈতিক, অর্থনৈতিক আৰু সাংস্কৃতিক অনুষ্ঠান বা এখন সমাজৰ ব্যৱস্থাৰ পৰিৱৰ্তন ঘটে। এনে পৰিৱৰ্তনৰ ফলত অভিবৃত্তি,মতামত, প্ৰথা, কার্য কৰা ধৰণে সলনি হৈ পৰে আৰু মানুহ জ্ঞানী, নিৰপেক্ষ, চিন্তা আৰু বাহ্যিক আচৰণত আধুনিক ভাবধাৰা দেখা যায়। লগতে ব্যক্তিকেন্দ্ৰিক হৈ পৰে। তেওঁলোকে সামাজিকৰণ আৰু আচৰণৰ নতুন ধৰণে গ্ৰহণ কৰিবলৈ আৰম্ভ কৰে। এই পক্ৰিয়াত ব্যক্তিসকলে এটা সামাজিক পৰিস্থিতিৰ পৰা আন এটা পৰিস্থিতিলৈ গতি কৰে— যিয়ে সময়ৰ সৈতে খাপ খুৱাই প্ৰগতিশীল বিকাশলৈ আগবঢ়াই নিয়ে।

গতিশীলতা হাৰৰ পৰিমাণ পৃথক পৃথক হ'ব পাৰে। এটা দিশৰ গতিশীলতাৰ হাৰ উচ্চ হ'লে অন্য এটা দিশত নিম্ন হ'ব পাৰে। সেইবাবে সামাজিক গতিশীলতাৰ সম্পৰ্কে অধিক গ্ৰহণযোগ্য আৰু সঠিক সিদ্ধান্তত উপনীত হ'বলৈ তেওঁলোকে গতিশীলতা নির্ধাৰণ পৰম্পৰাগত ক্ৰিয়া প্ৰণালীৰ কথা কৈছে— য'ত দেউতাক আৰু তেওঁৰ সতি-সন্ততিৰ বৃত্তিগত মর্যাদাৰ তুলনা কৰা হয়।

সামাজিক গতিশীলতাৰ কিছুমান সংজ্ঞা তলত দাঙি ধৰা হয়—

- সমাজতত্ত্বৰ এনচাইক্লপেডিয়াত সামাজিক গতিশীলতাৰ সংজ্ঞা এনেদৰে দিয়া হৈছে যে ই সামাজিক স্থানৰ জৰিয়তে এটা বিভাগৰ অৱস্থানলৈ (লক্ষ্য) ঘটা এক পৰিৱৰ্তন।
- চ'ৰকিন (Sorokin) ৰ মতে, 'বহল অর্থত সামাজিক গতিশীলতা হৈছে সামাজিক অৱস্থানত মানুহে কৰা স্থানৰ পৰিৱৰ্তন। অন্য কথাত ক'বলৈ হ'লে সামাজিক স্থানৰ পৰা অন্য এটা সামাজিক স্থানলৈ মানুহে কৰা স্থানান্তৰ।'
- লিপচেট (Lipset) আৰু জেটাৰ বর্গে (Jetterberg) আঙুলিয়াই দিয়ে যে 'এজন ব্যক্তি বা এটা দলৰ সামাজিক গতিশীলতা নির্ধাৰণ হয় পদমর্যাদা আৰু স্থান, উপভোগ, সামাজিক ক্ষমতা আৰু সামাজিক শ্ৰেণীৰ জৰিয়তে। মানুহৰ বিশ্বাস, মূল্যবোধ, গুণগত, প্ৰথা আৰু কিছুমান আৱেগিক প্ৰকাশ তেওঁলোকৰ বৃত্তিগত শ্ৰেণী অনুযায়ী পৃথক হয়।'
- ৰাজ মোহিনী সেঠীয়ে (Raj Mohini Sethi) কয় যে সামাজিক গতিশীলতাই মানুহৰ অভিবৃত্তি আৰু বিশ্বাসত ব্যৱস্থাগত পৰিৱৰ্তন আনে। ইয়ে যুক্তিসংগত, সার্বজনীনতা, ধর্মনিৰপেক্ষ ভাবধাৰালৈ আগবঢ়াই নিয়ে— যাৰ অর্থ হ'ল সকলোৰে বাবে সমতা, স্বাধীনতা

আৰু স্বাৱলম্বিতা।

- কে. এল শর্মাই (K. L. Sharma) উল্লেখ কৰে যে 'সামাজিক গতিশীতাই ব্যক্তি বা ব্যক্তিসকলৰ নাইবা দল বা দলসমূহৰ সামাজিক স্তৰীকৰণৰ স্থানৰ পৰিৱৰ্তনৰ বুজায়। এই পৰিৱৰ্তন দুটা দিশত প্রকাশ পায়— সংলগ্ন ব্যৱস্থাৰ দিশত অহা প্রত্যাহ্বান আৰু অৱশেষত মর্যাদাৰ মূল্যায়নৰ ক্ষেত্রত দেখা দিয়া উত্থান-পতন (উলম্ব গতিশীলতা বা ব্যৱস্থাগত পৰিৱৰ্তন) নতুবা ব্যৱস্থাৰ স্থিতি নিৰূপকসমূহৰ ভিতৰৰ পৰিৱৰ্তন (আনুভূমিক গতিশীলতা বা স্থানগত পৰিৱৰ্তন)।
- অঞ্জলি কুৰানে (Anjali Kurane)ৰ মতে, 'সামাজিক গতিশীলতা হৈছে দীর্ঘম্যাদী সামাজিক আৰু সাংস্কৃতিক পৰিৱৰ্তন— যিয়ে প্রায়ে সময়ৰ সৈতে সমাজখন আগবঢ়াই নিয়াত আগভাগ লয়।' তাৰোপৰি তেওঁ কয় যে 'সামাজিক গতিশীলতা হৈছে ব্যক্তি বা দলৰ শিক্ষা, বৃত্তি, পদমর্যাদা, আয় আৰু ক্ষমতা অনুযায়ী একেটা সামাজিক অৱস্থাত এটা সামাজিক মর্যাদাৰ পৰা আন এটা মর্যাদালৈ হোৱা স্থানান্তৰ। ই হৈছে সামাজিক বস্তু বা মূল্যবোধ, মনোভাব, যিকোনো বিশ্বাস যিবোৰ মানুহে সৃষ্টি কৰে বা সংশোধন কৰে। ই হৈছে কোনো ব্যক্তিৰ শিক্ষা, বৃত্তি, আয়, অর্থনৈতিক পৰিস্থিতিৰ পৰিৱৰ্তন, সন্মান, পদমর্যাদাৰ ক্ষমতা আৰু সম্পদৰ পৰিৱৰ্তন ঘটায়।'



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সামাজিক গতিশীলতা হৈছে .....
প্রক্রিয়া

প্রশ্ন নং ২ ঃ সামাজিক গতিশীলতাৰ এটা সংজ্ঞা লিখক।

.....

.....

৮.৩.১ সামাজিক গতিশীলতাৰ প্রকৃতি

সামাজিক গতিশীলতাৰ অর্থ আৰু সংজ্ঞা ভিত্তিত ইয়াৰ কিছুমান বৈশিষ্ট্য তলত দাঙি ধৰা হ'ল।

- সামাজিক গতিশীলতা সদায় দুটা দিশত সংঘটিত হয়, কিন্তু ইয়াৰ মাত্রাৰ পৰিৱৰ্তন হয় আৰু বিভিন্ন স্তৰ অনুযায়ী ভিন্ন ধাৰা থাকে।
- তলত উল্লেখ কৰা কাৰণসমূহৰ বাবে ঊর্ধ্বমুখী গতিশীলতাকৈ নিম্নমুখী গতিশীলতা কম হয়।
- গতিশীলতা পৰিৱৰ্তনকামীতকৈ সাধাৰণতে পর্যায়ক্রমে হোৱা দেখা যায়। ব্যক্তিক্রম ঘটা দেখা যায় যদিও ই সঘনাই নঘটে।

- নিম্ন স্তৰৰ পৰা ঊৰ্ধ্বমুখী গতিশীলতা শিক্ষা আৰু বৃত্তিমুখী প্ৰশিক্ষণৰ দ্বাৰা প্ৰভাৱিত হয়।
- প্ৰতিযোগিতাৰ মাত্ৰা শ্ৰেণীৰ ভিত্তিত নিৰ্ভৰ কৰে— যাৰ বাবে ব্যক্তিয়ে প্ৰতিযোগিতা কৰে। কৰ্মচাৰীসকলৰ মাজত প্ৰতিযোগিতা শক্তিশালী নহয়। উচ্চ-উচ্চ শ্ৰেণীৰ স্থানৰ প্ৰতিযোগিতা মধ্যমীয়া হয়। কাৰণ উচ্চকাংক্ষী আৰু উত্তম মেধাসম্পন্ন ব্যক্তিসকলেও অনুভৱ কৰে যে তেওঁলোক সফল হোৱাৰ সম্ভাৱনীয়া খুবেই ক্ষীণ। মধ্যবিত্ত আৰু নিম্ন-উচ্চ শ্ৰেণীৰ মাজত অধিক সংঘৰ্ষ দেখা যায়।
- সাধাৰণতে ব্যৱস্থা এটা প্ৰসাৰিত হ'লে গতিশীলতাৰ হাৰ বৃদ্ধি হয় আৰু যদি ই স্থিৰ বা সংকুচিত হয় তেন্তে ইয়াৰ হাৰ কম হয়। যদি উদ্‌ঘাটনকাৰীতকৈ প্ৰয়োগকাৰী বেছি হয়, তেতিয়া সামাজিক গতিশীলতা ত্বৰান্বিত হয়।

৮.৪ সামাজিক গতিশীলতাৰ প্ৰকাৰসমূহ

এজন ব্যক্তি বা এটা দলৰ ব্যক্তিসকলৰ সামাজিক স্থান বিভিন্ন আকাৰত আৰু বিভিন্নধৰণে পৰিৱৰ্তন হ'ব পাৰে। এটা সময়ত, একপ্ৰকাৰৰ গতিশীলতাহে হ'ব পাৰে আৰু অন্য সময়ত অন্য একপ্ৰকাৰৰ হ'ব পাৰে। বিভিন্ন প্ৰকাৰৰ সামাজিক গতিশীলতা তলত দাঙি ধৰা হ'ল।

১) **আনুভূমিক গতিশীলতা ঃ** আনুভূমিক গতিশীলতা হৈছে একে স্তৰৰ এজন ব্যক্তি বা সামাজিক বস্তু এটা সামাজিক দলৰ পৰা অন্য এটা সামাজিক দললৈ গতি কৰা। এই গতিশীলতা সম্পৰ্কে ব্যাখ্যা কৰোতে, আমি প্ৰধানকৈ এজন ব্যক্তিয়ে কম-বেছি পৰিমাণে সমান স্থানতে গতি কৰাকে উল্লেখ কৰো। চ'ৰকিন (Sorokin)ৰ ভাষাত 'আনুভূমিক গতিশীলতা আঞ্চলিক, ধৰ্মীয়, ৰাজনৈতিক দল, পৰিয়াল, বৃত্তিগত আৰু অন্য আনুভূমিক পৰিৱৰ্তন স্থানৰ কোনো উল্লেখনীয় পৰিৱৰ্তন নোহোৱাকৈ হয়।'

এই প্ৰকাৰৰ সামাজিক গতিশীলতাৰ কিছুমান বৈশিষ্ট্য হৈছে—

- এই প্ৰকাৰৰ সামাজিক গতিশীলতাৰ এজন ব্যক্তিয়ে সি বা তাইৰ বৃত্তি সলনি কৰে, কিন্তু সামগ্ৰিকভাৱে তেওঁ সামাজিক স্থিতি একে থাকে।
- কিছুমান বৃত্তি যেনে এজন ডাক্তৰ অভিযন্তা আৰু এজন অধ্যাপকে নিজ বৃত্তি অনুযায়ী মৰ্যাদা উপভোগ কৰে, কিন্তু যেতিয়া এগৰাকী অভিযন্তাই তেওঁৰ অভিযন্তাৰ বৃত্তি এৰি অভিযান্ত্ৰিক শিক্ষক হয় তেতিয়া তেওঁ এটা বৃত্তি পৰা আন এটা বৃত্তিলৈ যোৱা বুলি কোৱা হয়।
- এজন ব্যক্তি এটা চাকৰি বা উদ্যোগ বা বৃত্তিৰ পৰা একেধৰণৰ আনুভূমিক প্ৰচলনলৈ স্থানান্তৰ হয়, বিশেষকৈ তেওঁলোকে কোনোধৰণৰ দিশত উলম্বিক উল্লেখনীয় পৰিৱৰ্তনক প্ৰতিনিধিত্ব নকৰে।

২) **উলম্বিক গতিশীলতা ঃ** উলম্বিক গতিশীলতাই এজন ব্যক্তি বা এটা দলৰ বৃত্তিগত, অৰ্থনৈতিক বা ৰাজনৈতিক মৰ্যাদাৰ পৰিৱৰ্তনক বুজায়— যিয়ে তেওঁলোকৰ পদমৰ্যাদাৰ

পৰিৱৰ্তনৰ আগভাগ লয়। চ'ৰকিনৰ ভাষাত, 'উলম্বিক সামাজিক গতিশীলতাৰ দ্বাৰা আমি এজন ব্যক্তি (বা এটা সামাজক বস্তু) এটা সামাজিক স্তৰৰ পৰা অন্য এটালৈ স্থানান্তৰণৰ ক্ষেত্ৰত হোৱা সম্পৰ্কসমূহকে বুজো। স্থানান্তৰৰ নিৰ্দেশনা মতে, উলম্বিক গতিশীলতা দুই প্ৰকাৰৰ আৰোহী অৱৰোহী বা সামাজিক আৰোহণ বা সামাজিক পতন।'

উলম্বিক গতিশীলতা দুই প্ৰকাৰৰ, সেইবোৰ হৈছে—

ক) **ঊৰ্ধ্বমুখী গতিশীলতা ঃ** যেতিয়া এজন ব্যক্তি এটা ব্যক্তিৰ দল নিম্ন পদমৰ্যাদাৰ পৰা উচ্চ পদমৰ্যাদালৈ গতি কৰে, তেতিয়া তাক ঊৰ্ধ্বমুখী গতিশীলতা বুলি কোৱা হয়। উদাহৰণ স্বৰূপে, যেতিয়া নিম্ন জাতিৰ আৰু নিম্ন পদমৰ্যাদাত থকা ব্যক্তি এজনে নিৰ্বাচনত জয় লাভ কৰি মন্ত্ৰী হয় আৰু উচ্চ পদমৰ্যাদা লাভ কৰে। ঊৰ্ধ্বমুখী গতিশীলতাৰ সৈতে বহুতো সামাজিক আৰু মানসিক মূল জড়িত হৈ থাকে। ঊৰ্ধ্বমুখী গতিশীলতাৰ সময়ত, গতিশীলতাৰ বাবে মানুহে বিভিন্ন মানুহ আৰু ঠাই এৰি আহিব লগা হয়। তেওঁপ আগৰ সংগসমূহৰ চিন্তাৰ ধাৰা আৰু আচৰণৰ বৈশিষ্ট্যসমূহ এৰিব লগীয়া হয়, যদিহে তেওঁ এইখিনি কৰিব পাৰে তেতিয়াহে তেওঁৰ নতুন পদমৰ্যাদাত চিন্তাৰ ধাৰা আৰু আচৰণ উপযুক্ত হ'ব।

খ) **নিম্নমুখী গতিশীলতা ঃ** নিম্নমুখী গতিশীলতা হৈছে ব্যক্তিয়ে উচ্চ পদমৰ্যাদা হেৰুৱাই নিম্ন স্থানলৈ অহা। উদাহৰণ স্বৰূপে, যদি এজন অভিযন্তাই ঘোচ লওঁতে ধৰা পৰে আৰু জে'ললৈ যাবলগীয়া হয়, তেনে ক্ষেত্ৰত তেওঁ নিম্ন পদমৰ্যাদালৈ আহে। এজন ব্যক্তিৰ বাবে নিম্নমুখী গতিশীলতা অতি চাপপূৰ্ণ হয় কাৰণ ঊৰ্ধ্বমুখী গতিশীলতাতকৈ তেওঁৰ পদমৰ্যাদা কঠোৰভাৱে নিম্ন পৰ্যায়লৈ গতি কৰে। এজন মানুহে নিৰ্দিষ্ট আৰু সামঞ্জস্যপূৰ্ণ কৰ্মজীৱন অতিবাহিত কৰিবলৈ সদায় ব্যক্তি পৰিয়াল আৰু সম্প্ৰদায়ৰ সৈতে সমাযোজন কৰি চলে।

৩) **আন্তঃপ্ৰাজন্মিক গতিশীলতা ঃ** এই প্ৰকাৰৰ গতিশীলতাৰ অৰ্থ হৈছে এটা প্ৰজন্মই তাৰ পূৰ্ববৰ্তী প্ৰদন্মৰ বিপৰীতে সামাজিক মৰ্যাদাৰ পৰিৱৰ্তন কৰা। অৱশ্যে এই প্ৰকাৰৰ গতিশীলতা ঊৰ্ধ্বমুখী বা নিম্নমুখী হ'ব পাৰে। উদাহৰণ স্বৰূপে, নিম্ন জাতি বা শ্ৰেণীলোকে উচ্চ শিক্ষা, প্ৰশিক্ষণ আৰু কৌশল শিকাৰ বাবে তেওঁলোকেৰ ল'ৰা-ছোৱালীক সুবিধা প্ৰদান কৰা। এনেধৰণৰ কৌশলবোৰৰ সহায়ত নতুন প্ৰজন্মই উচ্চ শিক্ষাৰ ক্ষেত্ৰত নিয়োগ পোৱাৰ অধিকাৰ থাকে। যদি দেউতাকগৰাকী মুচী হয়, কিন্তু তেওঁৰ ল'ৰাই শিক্ষা আহৰণ কৰি এজন কেৰাণী বা ডাক্তৰ বা এগৰাকী অভিযন্তা হ'ব পাৰে, ইয়াক আমি ঊৰ্ধ্বমুখী আন্তঃপ্ৰাজন্মিক গতিশীলতা বুলি ক'ব পাৰো। ঠিক সেইদৰে, ব্ৰাহ্মণ পৰিয়ালৰ লোকে তেওঁলোকৰ পৰম্পৰাগত বৃত্তি হিচাপে শিক্ষকতা আৰু পূজা-পাতল কৰে, কিন্তু তেওঁলোকৰ নৱ-প্ৰজন্ম হয়তো বুধিয়ক নহ'বও পাৰে আৰু পৰিয়ালৰ পৰম্পৰাগত বৃত্তি গ্ৰহণ কৰাৰ বাবে উপযুক্ত শিক্ষা আহৰণ কৰিবলৈ সমৰ্থ নহ'বও পাৰে। এনেদৰে তেওঁলোকে দৈনিক মজুৰি কৰিব লগা হ'ব পাৰে। এইটো হৈছে আন্তঃপ্ৰাজন্মিক গতিশীলতাৰ এক

উদাহৰণ।

অর্থনৈতিক দিশৰ উন্নতিৰ সৈতে মানুহে তেওঁলোকৰ পুৰণি পৰম্পৰাৰ পৰিৱর্তন কৰি নতুন জীৱনশৈলী গ্ৰহণ কৰে আৰু উচ্চ সামাজিক ঢাপৰ পৰম্পৰাসমূহ গ্ৰহণ কৰে। দুটা বা তিনিটা প্ৰজন্ম পাৰ হৈ যোৱাৰ পিছত, তেওঁলোকৰ নতুন মর্যাদাক স্বীকৃতি দিয়া হয়। শ্ৰীনিবাসৰ মতে, সামাজিক গতিশীলতাৰ এই প্ৰক্ৰিয়াটোক সংস্কৃতকৰণ বোলা হয়।

চ'ৰকিনৰ মতে, তলত উল্লেক কৰা চৰ্তসমূহে প্ৰজন্মসমূহৰ মাজত প্ৰভাৱ পেলায়।

১) **পিতৃ-মাতৃ আৰু তেওঁলোকৰ সতি-সন্ততিৰ মাজত থকা পার্থক্য ঃ** যদি পিতৃ উচ্চ সক্ষম হৈ গুৰুত্বপূর্ণ স্থানত থাকে, তেওঁৰ ল'ৰা-ছোৱালী যদি কম সক্ষম হয় তেতিয়া ইয়াক নিম্নমুখী গতিশীলতা বুলি কোৱা হয়। ইয়াৰ বিপৰীতে, যিবিলাক ল'ৰা-ছোৱালী তেওঁলোকৰ পিতৃ-মাতৃতকৈ অধিক সক্ষম হয় তেতিয়া তাক ঊর্ধ্বমুখী গতিশীলতা বুলি কোৱা হয়, বিশেষকৈ মুক্ত শ্ৰেণীৰ সমাজত।

- **জনসংখ্যা পৰিৱর্তন ঃ** উন্নত আৰু উন্নয়ণশীল দেশসমূহত উচ্চ স্তৰতকৈ নিম্ন স্তৰত জনসংখ্যাৰ বিস্ফোৰণ অধিক হয়, যিয়ে ঊর্ধ্বমুখী গতিশীলতা আনে। সামগ্ৰিকভাৱে, জমসংখ্যা বৃদ্ধিয়ে উচ্চ আৰু মধ্যস্তৰত নতুন অৱস্থিতিৰ সৃষ্টি কৰে, য'ত জনসংখ্যা বৃদ্ধি তেওঁলোকৰ খালী ঠাই অনুযায়ী কম পৰিমাণৰ হয়।
- **বৃত্তিগত ব্যৱস্থাৰ পৰিৱর্তন ঃ** সময়ৰ পৰিৱর্তনৰ ফলত কিছুমান বৃত্তি ঊর্ধ্বমুখী বা কিছুমান নিম্নমুখী হয়। কাৰণ এনে বৃত্তিসমূহৰ সামাজিক গুৰুত্বৰ পৰিৱর্তন হয়। কর্মচাৰীসকলৰ কাম কৰাৰ ইচ্ছা আৰু সক্ষমতাৰ বাবে কিছুমান বৃত্তি ঊর্ধ্বমুখী বা নিম্নমুখী হ'ব পৰে। বৃত্তিগত ব্যৱস্থাৰ এনে পৰিৱর্তনে প্ৰজন্মসমূহৰ মাজৰ গতিশীলতাৰ হাৰত প্ৰভাৱ পেলায়।

(ঘ) **অন্তঃপ্ৰাজন্মিক গতিশীলতা ঃ** এই প্ৰকাৰৰ গতিশীলতা এটা প্ৰজন্মৰ জীৱন দৈর্ঘ্যৰ ভিতৰতে সংঘটিত হয়। এজন ব্যক্তিয়ে তেওঁৰ কর্মজীৱন এজন কেৰাণী হিচাপে আৰম্ভ কৰিব পাৰে। তেওঁ অধিক শিক্ষা আৰু কৌশল আহৰণ কৰিব পাৰে। এটা সময়ৰ পিছত তেওঁ হয়তো এজন IAS অফিচাৰ বা অধ্যাপক হ'ব পাৰে। এনেদৰে তেওঁ, কেৰাণী এজন হিচাবে কর্মজীৱন আৰম্ভ কৰা এজন ব্যক্তিতকৈ ওপৰলৈ গৈ উচ্চ পদমর্যাদা পাব পাৰে। তেওঁৰ পৰিয়ালৰ অন্য সদস্যই (তেওঁৰ ভায়েক) কেৰাণী হিচাপে কর্মজীৱন আৰম্ভ কৰি তেওঁৰ জীৱন দৈর্ঘ্যৰ ভিতৰত উচ্চ পদ-মর্যাদা নাপাবও পাৰে, এনেদৰে এটা প্ৰজন্মৰ ভিতৰত এগৰাকীয়ে নিজৰ পদমর্যাদাৰ পৰিৱর্তন কৰিলো আৰু আনজনে নোৱাৰিলে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ উলম্বিক গতিশীলতাৰ প্ৰকাৰসমূহ কি কি?

.....

.....

প্রশ্ন নং ৪ ঃ আনুভূমিক গতিশীলতাৰ কাক বোলে?

.....

.....

প্রশ্ন নং ৫ ঃ সামাজিক স্তৰীভূতকৰণ কাক বোলে?

.....

.....

৮.৫ সামাজিক গতিশীলতাক প্রভাৱিত কৰা কাৰকসমূহ

সামাজিক গতিশীলতাক অৱিহণা যোগোৱা বহু বিকল্প কাৰকসমূহ আছে, সেইবোৰ হৈছে এনেধৰণৰ —

- **পদমর্যদা ঃ** সামাজিক গতিশীলতাক প্রভাৱিত কৰা কাৰকসমূহৰ ভিতৰত পদমর্যাদা হৈছে অন্যতম। প্রত্যেক সমাজে প্রত্যেক ব্যক্তি বা দলক এক ভিন্ন ধৰণৰ পদমর্যাদা বা স্থান দিয়ে। পদমর্যাদা হৈছে ব্যক্তিয়ে সমগ্র সামাজিক আন্তঃজালত অধিকাৰ কৰা এক স্থান যাৰ সৈতে ব্যক্তিয়ে তেওঁলোকৰ সম্পর্ক ভাগ কৰি লয়। সেইবাবে এজন ব্যক্তিৰ সমগ্র পদমর্যাদা হৈছে তেওঁৰ সমাজৰ অধিকাৰ আৰু কর্তব্যৰ সমষ্টি। কিছুমান কাৰক, যেনে— পৰিয়াল, সামাজিক সমূহ, সাজত থকা মানসম্পন্ন আৰু মূল্যবোধ এজন ব্যক্তি পদমর্যাদা নির্ধাৰণ কৰে। এনেধৰণৰ কাৰকসমূহেই হৈছে উদ্দেশ্য আৰু ব্যক্তিৰ জন্মৰ আগৰে পৰা সমাজত থাকে।
- **শিক্ষা ঃ** ব্যক্তিৰ সকলো দিশৰ বিকাশৰ বাবে শিক্ষা হৈছে অতি গুৰুত্বপূর্ণ। শিক্ষাই সমাজৰ সদস্যসকলক ফলপ্রসূ সামাজিক ভূমিকা, মৌলিক কৌশলসমূহৰ বিকাশ, সামর্থ্যসমূহ আৰু পাৰদর্শিতাৰ বাবে উপযুক্ত কৰি তোলে। তদুপৰি ই সমাজৰ অনুকূল চিন্তাৰ স্তৰত দীর্ঘম্যাদী আৰু তৎক্ষাণিক ৰাষ্ট্রীয় বিকাশৰ লক্ষ্যক সমর্থন কৰিবলৈ সহায় কৰে, ই আকাংক্ষা আৰু উলম্বিক তথা আনুভূমিক গতিশীলতা নির্ধাৰণ কৰে। শিক্ষা হৈছে সামাজিক পৰিৱর্তনৰ আহিলা— যিয়ে সামাজিক গতিশীলতাৰ কেৱল বর্ণনাৰ দ্বাৰা নহয় শিক্ষাৰ স্তৰৰ দ্বাৰাও নির্ধাৰিত হয় আৰু উচ্চ শিক্ষা হৈছে ঊর্ধ্বমুখী গতিশীলতাৰ ফলপ্রসূ প্রক্রিয়া।
- **বৃত্তি ঃ** সামাজিক গতিশীলতা অধ্যয়নৰ ক্ষেত্রত বৃত্তি বা পেছা হৈছে এক গুৰুত্বপূর্ণ সূচক। বৃত্তিগত গতিশীলতাই কেৱল সামাজিক পৰিৱর্তনৰ সূচক হিচাপে কাম নকৰে ই নতুন মনোভাব আৰু আচৰণ প্রেৰণ কৰাৰো আহিলা হিচাপে কাম কৰে। কিছুমান কাৰক যেনে সেৱা উদ্যোগ, কৌশলগত বৃত্তি, কৃষি কার্য হ্রাস কৰি নগৰীয়া বৃত্তিৰ অনুপাত বঢ়োৱা আৰু আমোলাতন্ত্র আদি সকলো বৃহত্তৰ সামাজিক গতিশীলতাৰ বাবে প্রেৰণা যোগায়। এজন ব্যক্তি বা দলৰ সামাজিক গতিশীলতা স্থানান্তৰ আৰু বৃত্তিগত পদমর্যাদাই নির্ধাৰণ কৰে। সামাজিক গতিশীলতা হৈছে এজন ব্যক্তিৰ কর্মজীৱনৰ আৰম্ভণি আৰু

বিশ্লেষণৰ সময়ত তেওঁ লাভ কৰা কর্মজীৱনৰ শীর্ষবিন্দুৰ মাজৰ সম্পর্কৰ অধ্যয়ন। বর্তমান ভাৰতবর্ষৰ গতিশীলতা উদ্যোগিক আৰু বৃত্তিগত পৰিৱর্তনে নির্ধাৰণ কৰে। ফলত সামাজিক গতিশীলতা বৃদ্ধি পায়।

- **মনোভাব আৰু বিশ্বাসৰ পৰিৱর্তন ঃ** সমাজত পৰিৱর্তন আনিবলৈ ব্যক্তিসকলৰ মনোভাবৰ স্তৰত পৰিৱর্তন আনিব লাগিব— যিয়ে আচৰণগত আৰু অগ্রগতিৰ কার্যত আগভাগ ল'ব পাৰে। ইয়াৰ ফলত পৰৱর্তী সময়ত ব্যৱস্থাগত পৰিৱর্তন আৰু সামাজিক গতিশীলতাৰ সৃষ্টি হয়। সামাজিক গতিশীলতাই মানুহৰ মনোভাব আৰু বিশ্বাসৰ গঠনমূলক পৰিৱর্তন আনে— য'ত পুৰণি প্রতিবন্ধকতাসমূহ আঁতৰ কৰি মানুহে তেওঁলোকৰ চিন্তাধাৰা যুক্তিসংগত আৰু আধুনিক কৰি তোলে। বর্তমান ভাৰতবর্ষত গতিশীলতা কেৱল শিক্ষাৰ স্তৰ, বৃত্তিগত পৰিৱর্তনে নির্ধাৰণ নকৰে, ইয়াৰ বাহিৰেও মানুহৰ ব্যক্তিগত গুণসমূহৰ ফলপ্রসূতায়ো নির্ধাৰণ কৰে।
- **সামাজিক অংশগ্রহণৰ ব্যাপ্তি ঃ** অতীতৰ পৰম্পৰাগত মহিলাসকল ঘৰুৱা কাম-কাজতেই আবদ্ধ হৈ থাকিছিল আৰু তেওঁলোকৰ কোনোধৰণৰ সামাজিক জীৱন নাছিল। তেওঁলোকক সমাজত মিলা-মিছা কৰিব দিয়া হোৱা নাছিল। বর্তমান সমাজত শিক্ষা আৰু মহিলাৰ কর্ম নিয়োজন বৃদ্ধি পোৱাৰ ফলত অতীতত মহিলাৰ ক্ষেত্রত থকা ধাৰণাৰ লাহে লাহে পৰিৱর্তন হ'ব ধৰিছে। মহিলাসকলে তেওঁলোকৰ স্বাধীনতাৰ ওপৰত এতিয়া জোৰ দিছে আৰু ঘৰুৱা দিশৰ পৰা মুক্ত হ'বলৈ চেষ্টা কৰিতে। মহিলাসকলে তেওঁলোকৰ ওপৰত থকা প্রচলিত বাধ্য-বাধকতাসমূহৰ পৰা ওলাই আহিছে আৰু নিজস্ব সামাজিক জীৱন আৰম্ভ কৰিছে, তেওঁলোকে নিজৰ কর্মক্ষেত্র পুৰুষ সহকর্মীসকলৰ সৈতে মুক্তভাৱে মিলা-মিছা কৰিছে আৰু বিভিন্ন ধৰণৰ সংগঠনসমূহকো সদস্য হৈছে।
- **সামাজিক দূৰত্বৰ ব্যাপ্তি ঃ** প্রচলিত ভাৰতীয় সমাজত জাতি-ভেদ প্রথা গভীৰভাৱে সাঙোৰ খাই আছে, যাৰ কিছুমান বৈশিষ্ট্য হৈছে ব্যক্তিগত গুণবোৰক চিনাক্ত নকৰা, কঠোৰ জাতিগত উচ্চ-নীচতা, অসবর্ণ বিবাহ আৰু খোৱা-লোৱা আৰু সামাজিক আদান-প্রদানৰ ক্ষেত্রত থকা বাধ্যবাধকতা। বিভিন্ন জাতিৰ স্থানীয়ভাৱে এক আপেক্ষিক স্থান নির্ভৰ কৰে তেওঁলোকে অন্য জাতিৰ সৈতে কৰা আদান-প্রদানৰ সৈতে, বিশেষকৈ খাদ্য-পানী দিয়া আৰু গ্রহণ কৰা আৰু উৎসৱ-পার্বণত কৰা অংশগ্রহণ। কিন্তু বর্তমান সময়ত মনোভাবৰ পৰিৱর্তন আৰু উদাৰ চিন্তাধাৰাৰ বাবে প্রচলিত জাতিগত উচ্চ-নীচ ভেদভাব নাইকিয়া হৈ আহিছে। সামাজিক গতিশীলতাৰ প্রক্রিয়াত মানুহে (সি/তাই) বন্ধু-বান্ধৱ সলনি কৰিবলগীয়া হৈছে আৰু নতুন চুবুৰীয়াও গঢ়ি তুলিছে। ৰগদার্চৰ মতে, নিম্ন শ্রেণীৰ লোকৰ উৎসৱত উপস্থিত থকা, ৰান্ধনীঘৰ সোমোৱা আৰু অসবর্ণবিবাহ আদিৰ জৰিয়তে সামাজিক গতিশীলতা গম পাব পাৰি।
- **ৰাজনীতিত অংশগ্রহণৰ স্তৰ ঃ** ৰাজনীতিত অংশগ্রহণৰ পৰিমাণ আৰু সামাজিক গতিশীলতা দুয়োটা ইটোৰ লগত সিটো জড়িত। এচ. এম. লিপচেট আৰু বেনডিক্সৰ মতে, যিজন

ব্যক্তিয়ে সামাজিক বর্গীকৰণত ওপৰলৈ উঠে (সি/তাই) ৰাজনৈতিক মনোভাৱৰ সলনি কৰিবলগীয়া হয়। ভাৰতবৰ্ষত, আগতে মহিলাসকলৰ 'কোনোধৰণৰ ৰাজনৈতিক পদমর্যাদা নাছিল, কিন্তু স্বাধীনতাৰ পৰৱর্তী সময়ছোৱাত যদিও মহিলা ভোটাৰ আৰু প্রতিনিধিৰ পৰিমাণ বৃদ্ধি পাইছে, তথাপি দেখা যায় যে আইন সভাত মহিলাসকলৰ আসন সংৰক্ষণ এতিয়াও সাংসদত বিচৰাধীন হৈ আছে।

- **গণমাধ্যমৰ প্রয়োগকৰণ ঃ** গণসংযোগ মাধ্যমৰ প্রকাশ আৰু প্রয়োগ প্রত্যক্ষভাৱে গতিশীলতাৰ প্রক্রিয়াৰ সৈতে জড়িত হৈ আছে। ভাৰতবৰ্ষৰ স্বাক্ষৰতাৰ হাৰ নিম্ন হোৱা বাবে বিভিন্নধৰণৰ সামাজিক সমস্যাই দেখা দিয়ে আৰু এইবোৰ মানুহৰ মাজত প্রচলিত মনোভাৱ, বিশ্বাস আৰু অজ্ঞতাৰ সৈতে ঘনিষ্ঠভাৱে জড়িত। যিবোৰ মানুহে গণমাধ্যমসমূহ বেছিকৈ উপযোজন কৰে তেওঁলোকক অধিক গতিশীল বুলি আশা কৰা হয়, কাৰণ এই গণসংযোগ মাধ্যমসমূহে নতুন ভাৱধাৰা আৰু বিশ্বাস মানুহৰ মাজলৈ লৈ যায় আৰু এনেদৰে গতিশীলতা লাভত সহায় কৰে। গণমাধ্যম, যেনে— ৰেডিঅ' আৰু টিভি, এইবোৰৰ প্রভাৱ, ফলপ্রসূতা আৰু ঢুকি পোৱাৰ ক্ষমকতাৰ বাবে শক্তিশালী মাধ্যম হিচাপে প্রমাণিত হৈছে।

ৰ'ৰকিনৰ (১৯২৭) ৰ মতে সামাজিক গতিশীলতাৰ কাৰণসমূহৰ প্রকাৰবোৰ হৈছে এনেধৰণৰ— ক) প্রাথমিক বা সাধাৰণ কাৰক খ) মাধ্যমিক বা স্থানীয় কাৰক।

প্রাথমিক কাৰকসমূহ হৈছে জনসাংখ্যকীয় কাৰক, পিতৃ-মাতৃ আৰু সন্তানৰ মাজত থকা বিসংগতি, পৰিৱেশৰ পৰিৱর্তন- বিশেষকৈ মনুষ্য- সামাজিক পৰিৱেশ, সামাজিক স্তৰৰ ভিতৰত বিসংগতিপূর্ণ সামাজিক বিতৰণ।

মাধ্যমিক কাৰকসমূহ হৈছে ১) স্তৰীভূতকৰণৰ ধৰণ ২) শিক্ষাৰ সুবিধা ৩) নগৰীকৰণ ৪) মনোবৈজ্ঞানিক অভিৰোচনসমূহ।

এম. এন নিবাসৰ মতে, সামাজিক গতিশীলতাৰ কাৰকসমূহ হৈছে—

- **সংস্কৃতকৰণ ঃ** শ্রীনিবাসৰ মতে সংস্কৃতকৰণ হৈছে এক প্রক্রিয়া, যাৰ দ্বাৰা উচ্চ আৰু বিশেষকৈ 'দ্বিজ'সকলৰ ৰীতি-নীতি, আচাৰ, বিশ্বাস, ভাবধাৰা আৰু জীৱন ধাৰণৰ শৈলী নিম্ন জাতি বা জনজাতি বা অন্য দলে আয়ত্ত কৰি লয়। এনেদৰে নিম্ন জাতিৰ লোকে উচ্চ জাতিৰ লোকৰ জীৱন শৈলী অনুকৰণ কৰি জাতিৰ কাঠামোৰ ভিতৰত তেওঁলোকৰ মর্যাদা উন্নত কৰি লয়। সি যি নহওক ই গঠনমূলক পৰিৱর্তন নকৰে। যদিও পৰিৱর্তন কেৱল অৱস্থানগতহে তথাপি ইয়াৰ উল্লেখযোগ্য ব্যৱস্থাগত পৰিণতি বা ফলাফল আছে, বিশেষকৈয়ে নিম্ন জাতিৰ লোকে প্রচলিত উচ্চ শ্রেণীৰ বিষয়ে অনুসন্ধান কৰাৰ ক্ষেত্রত।
- **পশ্চিমায়াকৰণ ঃ** পশ্চিমীয়াকৰণ হৈছে পশ্চিমীয়া সংস্কৃতি বিশেষকৈ ব্রিটিছসকলৰ সংস্পর্শত আহি হোৱা পৰিৱর্তন। শ্রীনিবাসৰ মতে, বিভিন্নধৰণৰ জাতিয়ে ব্রিটিছসকলৰ সংস্কৃতিৰ শৈলী গ্রহণ কৰিছে। সাংস্কৃতিক অনুকৰণৰ উপৰি বহুতো লোকে পশ্চিমীয়া বিজ্ঞান, প্রযুক্তি, শিক্ষা, ভাবধাৰা আৰু মূল্যবোধক আঁকোৱালি হৈছে। পশ্চিমীয়াকৰণে

নতুন পদমর্যাদা আৰু পার্থক্যৰ সৃষ্টি কৰিছে আৰু ইতিমধ্যে থকাখিনিৰ পৰাও দূৰত যোৱা নাই।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ শ্রীনিবাসৰ মতে কোনবোৰ কাৰকে সামাজিক গতিশীলতাক প্রভাৱিত কৰে?

.....

.....

প্রশ্ন নং ৭ ঃ বৃত্তিয়ে কেনেদৰে সামাজিক গতিশীলতাত প্রভাৱ পেলায়?

.....

.....

৮.৬ শিক্ষা আৰু গতিশীলতা

সামাজিক গতিশীলতাক উৎসাহিত কৰা এক শক্তিশালী উপায় হৈছে শিক্ষা। সামাজিক গতিশীলতাক আগবঢ়াই নিয়াৰ ক্ষেত্রত বিভিন্ন দিশৰ পৰা ই প্রভাৱিত কৰে। শিক্ষাই তলত উল্লেখ কৰা ধৰণে গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে—

- শিক্ষা হৈছে প্রত্যেক ব্যক্তিৰে এক প্রয়োজন, কাৰণ ই হৈছে উপযুক্ত বিকাশৰ ভেটি। শিক্ষাই ব্যক্তিৰ সুপ্ত গুণাৱলী আৰু সম্ভাৱনীয়তাসমূহ বিকশাই কৰি তোলে আৰু ব্যক্তিক নিজৰ লগতে তেওঁৰ চাৰিওফালৰ পৰিৱেশ বুজাত সহায় কৰে।
- শিক্ষাই মানুহৰ বৌদ্ধিক দিশ প্রখৰ কৰি তোলে, দৃষ্টি বিস্তীর্ণ কৰি তোলে, সামগ্রিকভাৱে ভাৰসাম্য ৰক্ষা কৰি বিকাশ কৰে, আৰু এইবোৰৰ উপৰি ই ৰাষ্ট্র এখনৰ সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক বিকাশত আগভাগ লয়।
- শিক্ষাৰ আনুষ্ঠানিক আৰু অগতানুগতিক দুয়োটা শাখাই সামাজিক গতিশীলতা আগবঢ়াই নিয়াত সহায় কৰে।
- আনুষ্ঠানিক শিক্ষা প্রত্যক্ষ আৰু সাধাৰণভাৱে সামাজিক গতিশীলতাৰ সৈতে জড়িত। এই সম্পর্কটো সাধাৰণভাৱে আনুষ্ঠানিক শিক্ষাৰ বা উলম্বিক সামাজিক গতিশীলতাৰ এটা কাৰণ হিচাপে বুজা যায়।
- শিক্ষা প্রত্যক্ষভাৱে বৃত্তিগত গতিশীলতাৰ সৈতে জড়িত আৰু অর্থনৈতিক মর্যাদাৰ পৰৱর্তী বিকাশ আৰু অন্যহাতে সামাজিক পৰিৱর্তনৰ এক উপাদান উচ্চ শিক্ষিত আৰু ভাল কর্মক্ষেত্রত নিয়োজিত ব্যক্তিসকলে সমাজত অধিক সন্মান পায়।
- শিক্ষাই এক উদ্দেশ্য হৈছে ব্যক্তিক অভিৰোচিত কৰি কষ্টৰে কার্যকৰী সমাজত নিজৰ মর্যাদা উন্নত কৰি তোলা।
- উচ্চ শিক্ষাই উচ্চ আয় লাভ কৰাত সহায় কৰে আৰু এনেদৰে শিক্ষা হৈছে ঊর্ধ্বমুখী

গতিশীলতাৰ এক আহিলা।

- বৃত্তিৰ পৰিৱৰ্তন হৈছে সামাজিক গতিশীলতাৰ একমাত্ৰ উত্তম নিৰ্ধাৰক। ইয়াৰ কাৰণ হৈছে বৃত্তিগত মৰ্যাদা আৰু শৈক্ষিক মৰ্যাদা এটা আনটোৰ সৈতে ওতপ্ৰোতভাৱে জড়িত।
- শিক্ষাই নিম্নস্তৰৰ ছাত্ৰ-ছাত্ৰীক সামাজিক মাপকাঠিও আগুৱাই গৈ সমাজত উচ্চ সামাজিক মৰ্যাদা আহৰণ কৰাত সহায় কৰে।
- শিক্ষাই স্ব-নিয়োজনৰ বাবে ব্যক্তিক প্ৰস্তুত কৰি তোলো, যিটো হৈছে সামাজিক অগ্ৰগতিৰ এক গুৰুত্বপূৰ্ণ দিশ।
- মহিলাসকলৰ মাজত শিক্ষাৰ জনপ্ৰিয়াতাই সমাজত মহিলাৰ সামাজিক মৰ্যাদা সলনি কৰি তুলিছে। ই তেওঁলোকৰ সামাজিক মৰ্যাদা, স্থান উন্নত কৰি তুলিছে আৰু পৰ্যায়ৰ সামাজিক সন্মান লাভত সহায় কৰিছে, যিয়ে মহিলাসকলৰ ঊৰ্ধ্বমুখী সামাজিক গতিশীলতাৰ ইংগিত বহন কৰিছে।
- আমাৰ শিক্ষা ব্যৱস্থাত প্ৰচলিত শিক্ষাৰ মাধ্যমে সমাজৰ মানুহৰ মাজত গতিশীলতা অনাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰিব পাৰে। স্কুল আৰু কলেজত শিক্ষাৰ মাধ্যম হিচাপে আঞ্চলিক ভাষা গ্ৰহণ কৰাৰ এটা প্ৰভাৱ হৈছে ই শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ স্থানিক গতিশীলতাত বাধা প্ৰদান কৰিব, যিটো উলম্বিক আৰু আনুভূমিক সামাজিক গতিশীলতাৰ সৈতে জড়িত।
- শিক্ষাৰ দ্বাৰা উচ্চ সামাজিক মৰ্যাদা আৰু সমাজত স্থান পাব পাৰি। সেইবাবে সকলোৰে ছাত্ৰ-ছাত্ৰীৰ যিয়ে মহিলাসকলৰ ঊৰ্ধ্বমুখী সামাজিক গতিশীলতাৰ ইংগিত বহন কৰিছে।
- আমাৰ শিক্ষাব্যৱস্থাত প্ৰচলিত শিক্ষাৰ মাধ্যমে সমাজৰ মানুহৰ মাজত গতিশীলতা আনাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰিব পাৰে। স্কুল আৰু কলেজত শিক্ষাৰ মাধ্যম হিচাপে আঞ্চলিত ভাষা গ্ৰহণ কৰাৰ এটা প্ৰভাৱ হৈছে ই শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীক স্থানিক গতিশীলতাত বাধা প্ৰদান কৰিব— যিটো উলম্বিক আৰু আনুভূমিক সামাজিক গতিশীলতাৰ সৈতে জড়িত।
- শিক্ষণৰ দ্বাৰা উচ্চ সামাজিক মৰ্যাদা আৰু সমাজত স্থান পাব পাৰি। সেইবাবে সকলোৰে ছাত্ৰ-ছাত্ৰীয়ে উচ্চতকৈয়ো উচ্চ সামাজিক মৰ্যাদা লাভৰ বাবে অধিক শিক্ষা গ্ৰহণ কৰিব চেষ্টা কৰে।
- সামাজিক গতিশীলতা ক্ষেত্ৰত কেৱল আনুষ্ঠানিক শিক্ষাই নহয় অগাতানুগতিক শিক্ষায়ো এক গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰি আহিছে। যিসকল লোকে উপযুক্ত সময়ত শিক্ষা লাভৰ সুযোগ পোৱা নাছিল সেইসকলক অগতানুগতিক শিক্ষাব্যৱস্থাই সহায় কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ ঃ শিক্ষাৰ মাধ্যমে সামাজিক গতিশীলতা বিকাশত কিদৰে সহায় কৰে উল্লেখ কৰক।

.....

.....



৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সামাজিক গতিশীলতা হৈছে এক প্রক্রিয়া— যিয়ে সামাজিক-সাংস্কৃতিক পৰিৱর্তনক অন্তর্ভুক্ত কৰে যাৰ বাবে এটা ব্যৱস্থাৰ প্রতিষ্ঠিত সামাজিক, ৰাজনৈতিক, অর্থনৈতিক আৰু সাংস্কৃতিক অনুষ্ঠান বা এখন সমাজৰ ব্যৱস্থাৰ পৰিৱর্তন ঘটে। গতিশীলতাৰ হাৰৰ মাত্রা বেলেগ বেলেগ হ'ব পাৰে। এটা দিশত গতিশীলতাৰ হাৰ উচ্চ হ'লে আন এটা দিশত নিম্ন হোৱাৰ সম্ভাৱনীয়তা থাকে।
- সামাজিক গতিশীলতা সদায় দুটা দিশত সংঘটিত হয়, কিন্তু ইয়াৰ মাত্রাৰ পৰিৱর্তন হয় আৰু বিভিন্ন স্তৰ অনুযায়ী ভিন্ন ধাৰা থাকে।
- এজন ব্যক্তি বা এটা দলৰ ব্যক্তিসকলৰ সামাজিক স্থান বিভিন্ন আকাৰত আৰু বিভিন্ন ধৰণে পৰিৱর্তন হ'ব পাৰে। এটা সময়ত একপ্রকাৰৰ গতিশীলতাহে হ'ব পাৰে আৰু অন্য সময়ত অন্য একপ্রকাৰৰ হ'ব পাৰে। সামাজিক গতিশীলতাৰ বিভিন্ন প্রকাৰসমূহ হৈছে - আনুভূমিক গতিশীলতা, উলম্বিক গতিশীলতা (ঊর্ধ্বমুখী আৰু নিম্নমুখী গতিশীলতা) আন্তঃপ্রাজন্মিক গতিশীলতা আৰু আন্তঃপ্রাজন্মিক গতিশীলতা।
- সামাজিক গতিশীলতাক বহুবিকল্প কাৰকসমূহে প্রভাৱিত কৰে সেইবোৰ হৈছে পদমর্যাদা, বৃত্তি, মনোভাব আৰু বিশ্বাসৰ পৰিৱর্তন, সামাজিক অংশগ্রহণৰ বিস্তৃতি, সামাজিক দূৰত্বৰ বিস্তৃতি, ৰাজনৈতিক অংশগ্রহণৰ স্তৰ আৰু গণসংযোগ মাধ্যমৰ উপযোগী।
- ভাৰতীয়া সমাজত গতিশীলতাক উৎসাহিত কৰি তোলাৰ ক্ষেত্রত শিক্ষা হৈছে এক গুৰুত্বপূর্ণ আহিলা। সামাজিক গতিশীলতাক আগবঢ়াই নিয়াৰ ক্ষেত্রত ই বিভিন্ন ধৰণে প্রভাৱিত কৰে। প্রত্যেক ব্যক্তিৰ বাবে শিক্ষাৰ প্রয়োজন কাৰণ ব্যক্তিৰ উপযুক্ত বিকাশ শিক্ষাৰ ভিত্তিত নির্ভৰশীল। শিক্ষাই ব্যক্তিৰ সুপ্ত গুণাৱলী আৰু সম্ভাৱনীয়তাসমূহ বিকশাই তোলে আৰু ব্যক্তিক নিজৰ লগতে তেওঁৰ চাৰিওফালৰ পৰিৱেশ বুজাত সহায় কৰে।



৮.৮ অধিক জানিবলৈ

১) Bhatia, K. K. (2013). Social Foundation of Education. Ludhiana: Kalyani Publishers.

২) Bhushan and Sachdeva (2001). An Introduction to Sociology. Allahabad: Kitab Mahal.

৩) Mathur, S. S. (2009). A Sociological Approach to Indian Education. Agra: Agrawal Publications.

৪) Rao, C. N. Shankar (2005). Sociology-Principles of Sociology with an Introduction to Social Thought. New Delhi: S. Chand and Company Pvt. Ltd.

৫) Singh, Y. M. (1992). Sociological Foundations of Education. Bombay: Sheth Publishers.



৮.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সামাজিক- সাংস্কৃতিক।

২ নং প্রশ্নৰ উত্তৰ ঃ চ'ৰকিনৰ মতে, 'বহল অর্থত সামাজিক গতিশীলতা হৈছে সামাজিক অৱস্থানত মানুহে কৰা স্থানৰ পৰিৱর্তন। অন্য কথাত ক'বলৈ হ'লে সামাজিক গতিশীলতা হৈছে এটা সামাজিক স্থানৰ পৰা অন্য এটা সামাজিক স্থানলৈ মানুহে কৰা স্থানান্তৰ।'

৩ নং প্রশ্নৰ উত্তৰ ঃ উলম্বিক গতিশীলতা দুই প্রকাৰৰ, সেই বোৰ হৈছে ঊর্ধ্বমুখী গতিশীলতা আৰু নিম্নমুখী গতিশীলতা।

৪ নং প্রশ্নৰ উত্তৰ ঃ আনুভূমিক গতিশীলতা হৈছে একে স্তৰৰ এজন ব্যক্তি বা সামাজিক বস্তু এটা সামাজিক দলৰ অন্য এটা সামাজিক দললৈ গতি কৰা।

৫ নং প্রশ্নৰ উত্তৰ ঃ সামাজিক স্তৰীভূতকৰণে সম্পদৰ পার্থক্যমূলক অভিগমন, ক্ষমতা, স্বাধিকাৰ আৰু সামাজিক দলৰ মর্যাদা বুজায়। সামাজিক স্তৰীভূতকৰণে সামাজিক অসমতাক বুজায়। কিছুমান দলৰ যদি আন কিছুমান দলতকৈ অধিক সম্পদ উপলব্ধ হয় তেতিয়া সম্পদৰ এনে বিতৰণ অসমতাপূর্ণ হয়।

৬ নং প্রশ্নৰ উত্তৰ ঃ এম. এন শ্রীনিবাসৰ মতে, 'সামাজিক গতিশীলতাৰ কাৰক হৈছে সংস্কৃতিকৰণ আৰু পশ্চিমীয়াকৰণ।'

৭ নং প্রশ্নৰ উত্তৰ ঃ এজন ব্যক্তি বা দলৰ সামাজিক গতিশীলতা স্থানান্তৰ আৰু বৃত্তিগত পদমর্যাদাই নির্ধাৰণ কৰে। বৃত্তি হৈছে সামাজিক গতিশীলতাৰ এক গুৰুত্বপূর্ণ নির্ধাৰক। বৃত্তিগত গতিশীলতাই কেৱল সামাজিক পৰিৱর্তনৰ নির্ধাৰক হিচাপেই কার্য নকৰে, ইনতুন মনোভাব আৰু আচৰণৰ স্থানন্তকৰণো কৰে। কিছুমান কাৰক, যেনে— সেৱা উদ্যোগ, কৌশলগত বৃত্তি, কৃষি কার্য হ্রাস কৰি নগৰীয়া বৃত্তিবোৰৰ অনুপাত বঢ়োৱা আৰু আমোলাতন্ত্র আদি সকলো বৃহত্তৰ সামাজিক গতিশীলতাৰ বাবে প্রেৰণা যোগায়। সামাজিক গতিশীলতাই ব্যক্তিৰ বৃত্তি, আয়, অর্থনৈতিক পৰিৱর্তনৰ চর্ত, সন্মান, পদমর্যাদা, ক্ষমতা আৰু সম্পদ সকলো ক্ষেত্রতে পৰিৱর্তন আনিব পাৰে। বর্তমান ভাৰতবর্ষত গতিশীলতা উদ্যোগিক আৰু বৃত্তিগত পৰিৱর্তনে নির্ধাৰণ কৰে। ফলত সামাজিক গতিশীলতা বৃদ্ধি পায়।

৮ নং প্রশ্নৰ উত্তৰ ঃ আমাৰ শিক্ষাব্যৱস্থাত প্রচলিত শিক্ষাৰ মাধ্যমে সমাজৰ মানুহৰ মাজত গতিশীলতা অনাৰ ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিব পাৰে। স্কুল আৰু কলেজত শিক্ষাৰ মাধ্যম হিচাপে আঞ্চলিক ভাষা গ্রহণ কৰাৰ এটা প্রভাৱ হৈছে— ই শিক্ষক আৰু ছাত্র-ছাত্রীৰ স্থানিক গতিশীলতাত বাধা প্রদান কৰিব, যিটো উলম্বিক আৰু আনুভূমিক সামাজিক গতিশীলতাৰ সৈতে জড়িত।



৮.১০ আৰ্হি প্রশ্ন

ক) চুটি প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ১৫০ শব্দৰে দিয়ক)

প্রশ্ন ১ ঃ সামাজিক গতিশীলতাৰ সংজ্ঞা দিয়ক।

প্রশ্ন ২ ঃ সামাজিক গতিশীলতাৰ প্রকৃতি সম্পর্কে লিখক।

প্রশ্ন ৩ ঃ আনুভূমিক গতিশীলতাৰ বৈশিষ্ট্যসমূহ কি কি?

প্রশ্ন ৪ ঃ ঊর্ধ্বগামী আৰু নিম্নগামী গতিশীলতাৰ মাজত পার্থক্যসমূহ কি কি?

প্রশ্ন ৫ ঃ পদমর্যাদা আৰু শিক্ষাই সামাজিক গতিশীলতাত কেনেদৰে সহায় কৰে আলোচনা কৰক।

প্রশ্ন ৬ ঃ অন্তঃপ্রাজন্মিক গতিশীলতাৰ ওপৰত এটা টোকা লিখক।

খ) দীঘলীয়া প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ৩০০-৫০০ শব্দৰে দিয়ক)

প্রশ্ন ১ ঃ বিভিন্ন প্রকাৰৰ সামাজিক গতিশীলতাৰ বিষয়ে বর্ণনা কৰক।

প্রশ্ন ২ ঃ সামাজিক গতিশীলতাক ক্ষেত্রত শিক্ষাৰ ভূমিকা সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৩ ঃ সামাজিক গতিশীলতাক প্রভাৱিত কৰা বিভিন্ন কাৰকসমূহৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৯ঃ সামাজিক পৰিৱৰ্তন

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ সামাজিক পৰিৱৰ্তনৰ অর্থ

৯.৩.১ সামাজিক পৰিৱৰ্তনৰ সংজ্ঞা

৯.৩.২ সামাজিক পৰিৱৰ্তনৰ প্ৰকৃতি

৯.৪ সামাজিক পৰিৱৰ্তনৰ কাৰকসমূহ

৯.৫ শিক্ষা আৰু সামাজিক পৰিৱৰ্তন

৯.৫.১ সামাজিক পৰিৱৰ্তনৰ ক্ষেত্ৰত শিক্ষকৰ ভূমিকা

৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৭ অধিক জানিবলৈ

৯.৮ অগ্ৰগতিৰ খতিয়ান

৯.৯ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামাজিক পৰিৱৰ্তনৰ অর্থ আৰু প্ৰকৃতি সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব
- সামাজিক পৰিৱৰ্তনৰ বিভিন্ন কাৰকসমূহ চিনাক্ত কৰিব পাৰিব
- সামাজিক পৰিৱৰ্তনৰ সংঘটিত কৰাৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা আলোচনা কৰিব, আৰু
- সামাজিক পৰিৱৰ্তন সংঘটিত কৰাৰ ক্ষেত্ৰত শিক্ষকৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব।

৯.২ পৰিচয়

এই বিশ্বব্ৰহ্মাণ্ডৰ সকলো সমাজেই পৰিৱৰ্তশীল। কোনো সমাজেই স্থিৰ বা স্থিতিশীল নহয়। সমাজেই স্থিৰ বা স্থিতিশীল নহয়। সমাজে অবিৰতভাৱে ইয়াৰ গঠন আৰু কার্যৰ পৰিৱৰ্তন সাধন কৰি আহিছে। সমাজৰ পৰিৱৰ্তন হৈছে অনিবার্য। ই হৈছে এক অবিৰত প্ৰক্ৰিয়া। কিছুমান পৰিৱৰ্তন সমাজে ইচ্ছাকৃতভাৱে গ্ৰহণ কৰে আৰু কিছুমান নকৰে। সমাজ অনুযায়ী পৰিৱৰ্তনৰ গতিবেগ পৃথক হয়। কিছুমান সমাজত পৰিৱৰ্তন দ্ৰুতভাৱে হয় আৰু কিছুমানৰ বাবে বেছি সময়ৰ প্ৰয়োজন হয়। এই অধ্যায়টো আমি সামাজিক পৰিৱৰ্তনৰ বিভিন্ন দিশসমূহ আলোচনা কৰিম। আমি ইয়াত সামাজিক পৰিৱৰ্তনৰ অর্থ আৰু প্ৰকৃতি সম্পৰ্কে আলোচনা কৰিম। আমি সামাজিক পৰিৱৰ্তনৰ কাৰকসমূহ দেখুৱাম আৰু সামাজিক পৰিৱৰ্তনৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা সম্পৰ্কে আলোচনা কৰিম।

৯.৩ সামাজিক পৰিৱৰ্তনৰ অর্থ

যেতিয়া পৰিৱৰ্তন এক বৃহৎ পৰিমাণত সংঘটিত হয় বা সামাজিক স্তৰত অন্তর্ভুক্ত প্রথা, ৰীতি, পৰম্পৰা, মানসম্পন্ন সামাজিক সম্পর্ক, সামাজিক অনুষ্ঠান, ৰাজনৈতিক ব্যৱস্থা, অর্থনীতি, জীৱন-ধাৰণৰ মানসম্পন্ন, চিন্তাৰ ধৰণ, মনোভাব আৰু বৃত্তিৰ প্রকাৰ, প্রযুক্তি আৰু সমাজৰ সামগ্রিক সংস্কৃতি আদি পৰিৱৰ্তনকেই সামাজিক পৰিৱৰ্তন বুলি জনা যায়। সামাজিক পৰিৱৰ্তনৰ প্রক্রিয়া হৈছে এক অবিৰত চিৰন্তৰ প্রক্রিয়া। সাধাৰণতে ই ধীৰে ধীৰে আৰু খুব মন্থৰ গতিত সংঘটিত হয়, সেইবাবে ইয়াক তৎক্ষণাৎ অনুভৱ কৰিব নোৱাৰি। সামাজিক পৰিৱৰ্তনৰ এই মন্থৰ আৰু ধীৰ প্রক্রিয়াক সামাজিক বিৱৰ্তন বুলি জনা যায়।

কেতিয়াবা সামাজিক পৰিৱৰ্তনৰ এই প্রক্রিয়া অতি ক্ষিপ্র আৰু প্রবলভাৱে হয় যে ইয়াক সাধাৰণ মানুহে সহজে নিৰীক্ষণ কৰিব পাৰে। এই দ্রুত বা পূর্ণ পৰিৱৰ্তনক বিপ্লৱ বুলি কোৱা হয়। সামাজিক পৰিৱৰ্তনে সমাজৰ কেৱল এটা দিশৰ পৰিৱৰ্তনকেই নুবুজায়, ই হৈছে অবিৰত প্রকাৰৰ পৰিৱৰ্তন, যিবোৰ এটা আনটোৰ লগত জড়িত আৰু সমগ্র সমাজৰ গঠন পৰিৱৰ্তনৰ ক্ষেত্রত এক উল্লেখযোগ্য ভূমিকা গ্রহণ কৰে। সেইবাবে কোনো সামাজিক পৰিৱৰ্তনক অকলে অধ্যয়ন কৰিব নোৱাৰি, প্রত্যেক পৰিৱৰ্তনেই ক্রম অনুযায়ী ইটোৰ লগত সিটো সম্পর্কিত। কেৱল এইটোৱে নহয়, প্রত্যেক পৰিৱৰ্তনৰে তাৰ অংশবোৰৰ সৈতে সম্পর্কিত আৰু ভৱিষতৰ বাবেও তাৎপর্যপূর্ণ, যিটো কোনোধৰণেৰে অস্বীকাৰ কৰিব নোৱাৰি। এটা গভীৰভাৱে শিপোৱা সামাজিক পৰিৱৰ্তনে ধৰণ, আচৰণ আৰু সামাজিক জীৱনৰ পথত প্রভাৱ পেলায়।

১৯২২ চনত সমাজবিদ ডব্লিউ, এউ অগবার্ণে 'Social change' নামৰ কিতাপখন লিখে আৰু ইয়াত তেওঁ সামাজিক পৰিৱৰ্তনৰ ধাৰণা বর্ণনা কৰে। তেওঁৰ মতে, সামাজিক মানেই সমাজ আৰু পৰিৱৰ্তন চলি থকা প্রক্রিয়াটোৰ পৰা বিচলিত হোৱা।

সামাজিক পৰিৱৰ্তন অন্তঃ আৰু আন্তঃ দুয়ো প্রকাৰৰে হ'ব পাৰে। যেতিয়া সমাজব্যৱস্থাৰ আভ্যন্তৰীণ কাৰকৰ বাবে পৰিৱৰ্তন ঘটে তেতিয়া তাক অন্তঃ সামাজিক পৰিৱৰ্তন বোলা হয়। উদাহৰণস্বৰূপে অনুসূচিত জাতি আৰু জনজাতিৰ আর্থ-সামাজিক পৰিস্থিতিৰ বাবে ভাৰত চৰকাৰে গ্রহণ কৰা জনকল্যাণ আঁচনি। যেতিয়া সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন কিছুমান বাহ্যিক কাৰকে কাৰ কার্যৰ বাবে হয় তেতিয়া তেনে সামাজিক পৰিৱৰ্তনক আন্তঃসামাজিক পৰিৱৰ্তন বোলা হয়। উদাহৰণ স্বৰূপে, ভাৰতবর্ষত সামাজিক পৰিৰ্বতন অনাৰ ক্ষেত্রত ব্রিটিছৰ উল্লেখযোগ্য ভূমিকা আছে।

৯.৩.১ সামাজিক পৰিৱৰ্তনৰ সংজ্ঞা

বিভিন্ন সমাজবিদসকলে সামাজিক পৰিৱৰ্তনক তেওঁলোকৰ নিজস্ব চিন্তাধাৰাৰে প্রকাশ কৰিছিল। সেইবোৰৰ ভিতৰত কেইটামান তলত দাঙি ধৰা হ'ল—

- এম. ই জোনচ্ৰ মতে 'সামাজিক পৰিৱৰ্তন এটা শব্দ যিটো সামাজিক সংগঠন,

সামাজিক আন্তঃক্ৰিয়া, সামাজিক প্ৰক্ৰিয়াৰ সকলো দিশৰ বিভিন্নতা আৰু সংশোধনৰ কথাত ব্যৱহাৰ হয়।"

- হেৰী জনচনৰ মতে 'মানুহৰ কাৰ্য পদ্ধতি আৰু চিন্তা-চৰ্চাৰ সংশোধনেই হ'ল সামাজিক পৰিৱৰ্তন।'
- টি. বি মটোম'ৰৰ মতে, 'সামাজিক পৰিৱৰ্তনেৰে সামাজিক গাঁথনিত বা অনুষ্ঠানত বা অনুষ্ঠানৰ মাজত সম্পৰ্কত ঘটা পৰিৱৰ্তন বুজায়'।
- কিংচলে ডেভিচৰ মতে, 'সামাজিক পৰিৱৰ্তন মানে কেৱল সামাজিক সংগঠনত হোৱা সলনি, অৰ্থাৎ সমাজৰ কাৰ্য আৰু গাঁথনিৰ পৰিৱৰ্তন বুজায়।'
- গিলিন আৰু গিলিনৰ ভাষাত, 'সামাজিক পৰিৱৰ্তন হয় গ্ৰহণযোগ্য জীৱনশৈলীৰ পৰা ভিন্নতা, সেয়া ভৌগোলিক পৰিস্থিতিৰ বিকল্পৰ বাবে হওক সাংস্কৃতিক সঁজুলিৰ বাবে হওক, জনসংখ্যাৰ গঠন বা মতাদৰ্শৰ বাবে হওক আৰু দলৰ ভিতৰত প্ৰসাৰণ বা উদ্ভাৱনৰ দ্বাৰাই হওক।"
- মেক আইভাৰ আৰু পেজৰ মতে, 'সামাজিক পৰিৱৰ্তন এক প্ৰতিক্ৰিয়া ব্যৱস্থা, মানুহে তৈয়াৰ কৰা জীৱন-ধাৰণ অৱস্থাৰ পৰিৱৰ্তন আৰু মানুহৰ নিয়ন্ত্ৰণৰ বাহিৰত জৈৱিক আৰু ভৌতিক প্ৰকৃতিত ঘটা পৰিৱৰ্তন।"
- মেৰিল আৰু এলিডিদৰ মতে, 'সামাজিক পৰিৱৰ্তনৰ অৰ্থ হ'ল বেছি সংখ্যক ব্যক্তিয়ে এনে কাৰ্যকলাপত নিয়োজিত হৈ থাকে— যিবোৰ তেওঁলোকে বা তেওঁলোকৰ ওচৰৰ পূৰ্বপুৰুষে ইয়াৰ আগতে কোনোবা এটা সময়ত কৰা কাৰ্যকলাপৰ পৰা পৃথক। যেতিয়া মানুহৰ আচৰণ পৰিৱৰ্তনৰ প্ৰক্ৰিয়াত থাকে তেতিয়া সেয়া সামাজিক পৰিৱৰ্তন ঘটিছে বুলি ইংগিত দিয়াৰ আন এটা উপায় মাথোঁ।'
- মৰিচ জিন্সবাৰ্গৰ মতে, 'সমাজ পৰিৱৰ্তন মানে সমাজ গাঁথনি, সমাজৰ আকাৰ, বিভিন্ন অংশৰ গঠন বা সমতা, ইয়াৰ সংগঠনৰ প্ৰকাৰৰ পৰিৱৰ্তনক মই বুজোঁ।"

ওপৰৰ সংজ্ঞাসমূহৰ পৰা আমি ক'ব পাৰোঁ যে সামাজিক পৰিৱৰ্তন হৈছে এক সাৰ্বজনীন ঘটনা। ই এটা অবিৰত প্ৰক্ৰিয়া। সামাজিক পৰিৱৰ্তন হৈছে অনিবাৰ্য আৰু সময়ৰ আহ্বান স্বৰূপ। সামাজিক পৰিৱৰ্তনে ব্যক্তিৰ সামাজিক ৰীতি-নীতি, অভ্যাস আৰু জীৱন ধাৰণৰ শৈলী আদিৰ পৰিৱৰ্তনৰ যোগেদি সামগ্ৰিকভাৱে মানুহৰ সকলো দিশৰ পৰিৱৰ্তন কৰে। এই পৰিৱৰ্তনে তেওঁলোকৰ জীৱনৰ প্ৰতিটো খোজতেই প্ৰভাৱ পেলায়। ই মানুহৰ সামাজিক সম্পৰ্ক আৰু সামাজিক ব্যৱস্থাক প্ৰভাৱিত আৰ পৰিৱৰ্তন কৰি তোলে। কি পৰিমাণে পৰিৱৰ্তন ঘটে সেইটো নিৰ্ভৰ কৰে গভীৰতা আৰু সমাজে গ্ৰহণ কৰা পৰিৱৰ্তনৰ আধাৰত। সামাজিক পৰিৱৰ্তনে সামাজিক পদ্ধতিৰ সংশোধন, সম্পৰ্ক, আচৰণৰ ধৰণ, ৰীতি-নীতি, লোক-কথা আৰু অনুষ্ঠানসমূহক অন্তৰ্ভুক্ত কৰে, কেতিয়াবা দাৰ্শনিক মনোভাবৰো পৰিৱৰ্তন ঘটায়। অন্য কথাত ক'বলৈ হ'লে সামাজিক

পৰিৱৰ্তন হৈছে সমাজ ব্যৱস্থাৰ গঠন আৰু কাৰ্যত সংঘটিত হোৱা পৰিৱৰ্তন, যিয়ে তলত উল্লেখ কৰা দিশসমূহ সামৰি লয় ঃ

- সামাজিক গঠন আৰু অনুষ্ঠানসমূহ
- ব্যক্তিয়ে পালন কৰা ভূমিকা
- মানুহৰ মাজৰ সামাজিক সম্পৰ্ক
- সামাজিক আদান-প্ৰদানৰ ধৰণ
- মূল্যবোধ আৰু গুণগত
- বিভিন্ন দল আৰু অনুষ্ঠানসমূহৰ কাৰ্যাৱলী



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ 'পৰিৱৰ্তন হৈছে এক ..... প্ৰক্ৰিয়া।
(খালী ঠাই পূৰণ কৰক)

প্ৰশ্ন নং ২ ঃ 'সামাজিক পৰিৱৰ্তন'ৰ এটা সংজ্ঞা লিখক।

.....

.....

৯.৩.২ সামাজিক পৰিৱৰ্তনৰ প্ৰকৃতি

সামাজিৰ পৰিৱৰ্তনৰ অৰ্থ আৰু সংজ্ঞাসমূহৰ ভিত্তিত ইয়াৰ কিছুমান বৈশিষ্ট্য তলত দাঙি ধৰা হ'ল—

- **সাৰ্বজনীনতা ঃ** পৰিৱৰ্তন হৈছে সাৰ্বজনীন, ই চিৰন্তন আৰু অপৰিৱৰ্তনীয় প্ৰকৃতিৰ নিয়ম। পৃথিৱীৰ সকলো ঠাইৰ সমাজত সামাজিক পৰিৱৰ্তন ঘটে। সেইবাবে সামাজিক পৰিৱৰ্তন হৈছে সাৰ্বজনীন।
- **অবিৰত ঃ** সামাজিক পৰিৱৰ্তন হৈছে এক অবিৰত প্ৰক্ৰিয়া। ই এটা নিৰ্দিষ্ট সময়ত সংঘটিত নহয়। সি যি নহওক, আমি পৰিৱৰ্তন দিশ সম্পৰ্কে আগতীয়াকৈ ক'ব পাৰোঁ।
- **ৰূপান্তৰ ঃ** সামাজিক সময়ৰ লগত সম্বন্ধিত, এটা বিশেষ সময়কালত, ইয়াৰ হাৰ উচ্চ বনিস্ন হ'ব পাৰে। পৰিৱৰ্তনৰ হাৰ আৰু পৰিমাণ সমাজৰ পৰিৱেশ অনুযায়ী পৃথক পৃথক হয়।
- **বৃহৎ জনসংখ্যাৰ নিৰ্ণায়ক ঃ** সেইসমূহ পৰিৱৰ্তনক সামাজিক পৰিৱৰ্তন বুলি ধৰা হয়— যি পৰিৱৰ্তনে বৃহৎ জনসংখ্যাৰ ওপৰত প্ৰভাৱ পেলায়। সামাজিক পৰিৱৰ্তন তেতিয়া গ্ৰহণ কৰা হয় যেতিয়া বেছিসংখ্যক জনসাধাৰণে তাক তেওঁলোকৰ জীৱন, আচৰণ আৰু বিশ্বাসৰ ক্ষেত্ৰত গ্ৰহণ কৰি লয়।
- **স্বতন্ত্ৰতা ঃ** সামাজিক পৰিৱৰ্তন হৈছে মানুহ বা সমাজৰ স্বতন্ত্ৰ আকাংক্ষা আৰু

ইচ্ছা।

- **প্ৰভাৱ ঃ** বাহ্যিক আৰু আভ্যন্তৰীণ কাৰকৰ ফলত সামাজিক পৰিৱৰ্তন ঘটে।
- **পৰিকল্পিত আৰু অপৰিকল্পিত ঃ** এটা সময় আছিল যেতিয়া পৰিৱৰ্তনসমূহ অপৰিকল্পিত আৰু অনিৰ্দিষ্ট আছিল। কিন্তু এতিয়া আধুনিক যুগত সমাজক লক্ষ্যত উপনীত হ'বলৈ পৰিৱৰ্তনক পৰিকল্পনা কৰি ল'ব পাৰি।
- **ব্যৱস্থাগত বা কাৰ্যক্ষমতা ঃ** সামাজিক ব্যৱস্থা বা কাৰ্যৰ পৰিৱৰ্তনেই হৈছে সামাজিক পৰিৱৰ্তন।

সামাজিক পৰিৱৰ্তনৰ প্ৰক্ৰিয়াক তলত দিয়া ধৰণে দেখুৱাব পাৰি—

ব্যক্তিসকলৰ অভিজ্ঞতাৰ পৰিৱৰ্তন

↓

ব্যক্তিসকলৰ মনোভাব পৰিৱৰ্তন

↓

ব্যক্তিসকলৰ চিন্ত-চৰ্চাৰ পৰিৱৰ্তন

↓

সামাজিক আন্তঃক্ৰিয়াৰ পৰিৱৰ্তন

↓

সামাজিক গঠনৰ পৰিৱৰ্তন

↓

সামাজিক পৰিৱৰ্তন

৯.৪ সামাজিক পৰিৱৰ্তনৰ কাৰকসমূহ

বিভিন্ন কাৰকসমূহৰ জৰিয়তে সামাজিক পৰিৱৰ্তন ঘটে। কিছুমান তলত আলোচনা কৰা হ'ল।

- **জৈৱিক কাৰকসমূহ ঃ** জৈৱিক কাৰকসমূহে সামাজিক পৰিৱৰ্তনত কিছুমান পৰোক্ষভাৱে প্ৰভাব পেলায়। জৈৱিক কাৰকসমূহৰ ভিতৰত এটা হৈছে বংশগতিৰ সৈতে জড়িত জনসংখ্যাৰ গুণগত দিশ। জনসংখ্যাৰ গুণগত দিশটো শক্তিশালী আৰু মহান পুৰুষৰ ভিত্তিত গঢ় লৈ উঠিছে আৰু তেওঁলোকৰ জন্ম বহু পৰিমাণে বংশগতিৰ আধাৰত নিৰ্ভৰশীল। সেইবাবে জৈৱিক কাৰকসমূহে সামাজিক পৰিৱৰ্তনৰ ক্ষেত্ৰত এক ভূমিকা পালন কৰে। তদুপৰি প্ৰাকৃতিক নিৰ্বাচনৰ জৈৱিক নীতিসমূহ আৰু জীয়াই থকাৰ সংঘৰ্ষই এনেকৈহে সমাজত পৰিৱৰ্তন আনে। সমাজত পৰিৱৰ্তন আনে।
- **প্ৰযুক্তিমূলক কাৰক ঃ** মানুহে কেতিয়াও সন্তুষ্ট নহয়। নিজৰ ইচ্ছাবোৰ পূৰণ কৰাৰ প্ৰক্ৰিয়াত মানুহে নতুন দিশ আৰু প্ৰয়োজন উদ্ভাবিত কৰি তোলে। নতুন প্ৰয়োজনসমূহ পূৰণ কৰাৰ বাবে মানুহে প্ৰাকৃতিক সম্পদ ব্যৱহাৰ কৰিবলৈ নতুন প্ৰযুক্তিৰ উদ্ভাৱন কৰে। প্ৰযুক্তিৰ

কাৰকবোৰে সমাজত যথেষ্ট পৰিৱৰ্তন আনিছে। প্ৰাযুক্তিমূলক কাৰকসমূহে সামাজিক পৰিৱৰ্তন যথেষ্ট প্ৰভাৱ পেলায়। প্ৰযুক্তিয়ে আমাৰ পৰিৱেশ সলনি কৰি সমাজত যথেষ্ট পৰিৱৰ্তন আনিছে। এই পৰিৱৰ্তন সাধাৰণতে বৈষয়িক পৰিৱেশৰ পৰিৱৰ্তন আৰু আমি যেতিয়া পৰিৱৰ্তনৰ সৈতে সমাযোজন কৰো তেতিয়াই ই প্ৰায়ে আমাৰ ৰীতি-নীতি আৰু সামাজিক অনুষ্ঠানৰ সংশোধন ঘটে। এনেদৰে নতুন আৱিষ্কাৰৰ ফলত বৃদ্ধি পোৱা নতুন যন্ত্ৰপাতি আৰু পদ্ধতিৰ বৃদ্ধিয়ে আমাৰ সামাজিক অনুষ্ঠানসমূহ যথেষ্ট প্ৰভাৱিত কৰে। আধুনিক সময়ত, প্ৰযুক্তিমূলক কাৰকসমূহ হৈছে সামাজিক পৰিৱৰ্তনৰ প্ৰধান কাৰক।

- **অৰ্থনৈতিক কাৰক ঃ** কাৰ্লমাৰ্ক্সে সামাজিক পৰিৱৰ্তনৰ অৰ্থনৈতিক ব্যাখ্যা প্ৰদান কৰিছে। অৰ্থনৈতিক ব্যৱস্থাৰ পৰিৱৰ্তনৰ লগে লগে, সমগ্ৰ সমাজৰ ব্যৱস্থা আৰু কাৰ্যাৱলীৰ পৰিৱৰ্তন ঘটে। দেশৰ অৰ্থনৈতিক অৱস্থাই স্বাস্থ্য, মৃত্যুৰ হাৰ, বিবাহ, বিবাহ-বিচ্ছেদৰ হাৰ, আত্মহত্যা, অপৰাধ, দেশান্তৰ হোৱা আদিক প্ৰভাৱিত কৰে। ই সামাজিক উচ্ছৃঙ্খলতা, বিপ্লৱ আৰু যুদ্ধ আনিব পাৰে। যদিও সকলো সামাজিক পৰিৱৰ্তন অৰ্থনৈতিক কাৰণৰ ফলত সংঘটিত নহয়। শিক্ষাই সলনি কৰা মানুহৰ মনোভাবৰ ফলতো পৰিৱৰ্তন ঘটে।
- **সাংস্কৃতিক কাৰক ঃ** সামাজিক পৰিৱৰ্তনৰ প্ৰধান কাৰণ হৈছে সাংস্কৃতিক কাৰকসমূহ। সংস্কৃতিত ঘটা পৰিৱৰ্তনসমূহে সামাজিক পৰিৱৰ্তন আনে। সংস্কৃতিৰ পৰিৱৰ্তন আৰু ৰূপান্তৰে অনিবাৰ্যভাৱে সামাজিক সম্পৰ্কক প্ৰভাৱিত কৰে। সংস্কৃতিয়ে সামাজিক পৰিৱৰ্তনক দ্ৰুত কৰি তোলে, নিৰ্দেশনা প্ৰদান কৰে আৰু সামাজিক পৰিৱৰ্তনৰ সীমাবদ্ধতা নিৰ্ধাৰণ কৰে। মেক্সৱেবাৰে ধৰ্মীয় আৰু অৰ্থনৈতিক অনুষ্ঠানৰ মাজত তুলনা কৰি ইয়াক প্ৰমাণিত কৰিছে।
- **পৰিৱেশিক কাৰক ঃ** ভূগোলতত্ত্ববিদসকলে মানব সমাজত ভৌগলিক পৰিৱেশৰ প্ৰভাৱত গুৰুত্ব দিয়ে হানটিংটনে প্ৰমাণ কৰিছে যে জলবায়ুৰ পৰিৱৰ্তনৰ একমাত্ৰ কাৰণ হৈছে সভ্যতা আৰু সংস্কৃতিৰ বিৱৰ্তন আৰু হস্তান্তৰ। ভূগোলতত্ত্ববিদসকলৰ এই দাবী বাতিল কৰা হ'লেও, কিন্তু আমি বানপানী, ভূমিকম্প, অধিক বৰষুণ, খৰাং, ঋতুৰ পৰিৱৰ্তন ইত্যাদিৰ সামাজিক সম্বন্ধৰ ক্ষেত্ৰত থকা উল্লেখনীয় প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰি আৰু এইবোৰ প্ৰাকৃতিক ঘটনাৰ দ্বাৰা সংশোধন কৰা হয়।
- **মনোবৈজ্ঞানিক কাৰক ঃ** বেছিভাগ সমাজবিদসকলে মত প্ৰকাশ কৰে যে মনোবৈজ্ঞানিক কাৰকসমূহ হৈছে সামাজিক পৰিৱৰ্তনৰ গুৰুত্বপূৰ্ণ উপাদান। সমাজিক পৰিৱৰ্তনৰ কাৰণ হৈছে মানুহৰ নিজস্ব মনঃস্তত্ত্ব। প্ৰকৃতিগতভাৱে মানুহ পৰিৱৰ্তন প্ৰিয়। তেওঁ জীৱনত প্ৰতিটো দিশতে সদায় নতুন বস্তু উদ্ভাৱন কৰিব বিচাৰে আৰু নতুন অভিজ্ঞতাৰ বাবে উদ্বিগ্ন হৈ থাকে। এই প্ৰৱণতাৰ ফলস্বৰূপে, প্ৰত্যেক মানব সমাজৰ ৰীতি-নীতি, প্ৰথা, পৰম্পৰা, ইত্যাদিৰ সদায় পৰিৱৰ্তন ঘটে। নতুন দিশলৈ ধাৱমান হোৱা আৰু পুৰণিক সংৰক্ষণ কৰাৰ প্ৰৱণতাৰ আদান-প্ৰদানৰ ফলত সামাজিক সম্বন্ধৰ গঠন একেৰাহে সলনি হৈ থাকে। নতুন ৰীতি-নীতি আৰু পদ্ধতিসমূহে পুৰণি পৰম্পৰাবোৰ সময়ৰ চাহিদা অনুযায়ী আকোৱালি লয়।
- **মহান ব্যক্তিৰ ব্যক্তিত্বৰ প্ৰভাৱ ঃ** কিছুমান নেতৃত্বদান কৰা ব্যক্তিৰ ব্যক্তিত্ব বা

সমাজ সংস্কাৰকসকলে মানুহৰ মাজত সামাজিক সাংস্কৃতিক পৰিৱৰ্তন অনাৰ ক্ষেত্ৰত প্ৰভাৱ পেলায়, উদাহৰণ স্বৰূপে ৰাছিয়াৰ লেহমেন আৰু ভাৰতৰ মহাত্মা গান্ধীয়ে নিজৰ দেশসমূহত সামাজিক আৰু ৰাজনৈতিক বিপ্লৱ আনিছিল।

- **প্ৰাকৃতিক দুৰ্যোগসমূহ ঃ** প্ৰত্যেক বছৰে বহুতো গাঁও আৰু নগৰ বেছি বৰষুণ, বানপানী আৰু ভূমিকম্প ইত্যাদিৰ ফলত ধ্বংস হয়, যাৰ ফলত এটা দিশত নতুন পৰিকল্পনা থকা আৰু প্ৰাযুক্তিভিত্তিক চহৰ আৰু বসতি গঢ়ি উঠে আৰু অন্যহাতে ইয়াৰ ফলত দেশৰ বিভিন্ন অংশৰ পৰা মানুহৰ আগমন ঘটে। ইয়াত তেওঁলোকে নতুন সংস্কৃতিক আঁকোৱালি লৈ তেওঁৰ সামাজিক আচাৰ-ব্যৱহাৰৰ পৰিৱৰ্তন কৰে— যাতে তেওঁলোকে নতুন পৰিৱেশৰ সৈতে সমাযোজন কৰিব পাৰে।

- **হিংসা ঃ** হিংসা বা অন্য অসামাজিক কাৰ্য-কলাপৰ বাবে বা সৈন্যবাহিনীৰ লোক হ'লে নিজৰ জন্মস্থান এৰি দেশৰ অন্য ঠাইলৈ যাব লগীয়া হয়, য'ত তেওঁলোক নিজ সংস্কৃতিৰ পৰা বিচ্ছিন্ন হৈ পৰে আৰু নতুন সংস্কৃতি গ্ৰহণ কৰি তাৰ সৈতে সমাযোজন পৰিৱেশে তেওঁলোকৰ জীৱনশৈলীৰ পৰিৱৰ্তন ঘটায়।

- **চৰকাৰৰ পৰিৱৰ্তন ঃ** এখন দেশৰ চৰকাৰৰ নীতি আৰু কাৰ্যপন্থাই সেই দেশৰ মানুহৰ সামাজিক আচৰণৰ ধৰণ নিৰ্ধাৰণ কৰে। যেতিয়া চৰকাৰ সলনি হয় বা নতুন ৰাজনৈতিক দল ক্ষমতাত আহে তেওঁলোকে জনসাধাৰণৰ বাবে নীতি আৰু কাৰ্যপন্থা নিৰ্ধাৰণ কৰে। আনকি বহুতো উন্নয়নমূলক আঁচনি, যিবোৰ পূৰ্বৰ চৰকাৰে আৰম্ভ কৰিছিল সেইবোৰো বন্ধ হৈ যায়। এনেদৰে দেশৰ চৰকাৰৰ পৰিৱৰ্তনো হৈছে সামাজিক পৰিৱৰ্তনৰ এক গুৰুত্বপূৰ্ণ কাৰক।

- **গণ মাধ্যম ঃ** ছপা আৰু বৈদ্যুতিক গণমাধ্যম দুয়োটাই সামাজিক পৰিৱৰ্তনৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে। এই মাধ্যমসমূহে জনসাধাৰণৰ মাজত সজাগতা আনি দিয়ে আৰু আনফালে পৃথিৱীৰ বিভিন্ন সংস্কৃতিৰ মাজত সাংস্কৃতিক আদান-প্ৰদানৰ সুবিধা দিয়ে। এনেদৰে গণমাধ্যমসমূহে আমাৰ চিন্তাধাৰা বহল কৰে, মনোভাবৰ পৰিৱৰ্তন কৰে, চিন্তাধাৰা সবল কৰে, চিন্তাৰ গতিপথৰ সলনি কৰে, কাৰ্য আৰু জীৱন পদ্ধতিৰ পৰিৱৰ্তন ঘটায়।

- **আইনগত দিশ ঃ** মানুহৰ সামাজিক, অৰ্থনৈতিক আদি দিশৰ বহুতো পৰিৱৰ্তন দেশৰ সংসদত আইন গ্ৰহণ কৰি পৰিৱৰ্তন কৰিব পাৰি। এনে কিছুমান দিশ যেনে বাল্যবিবাহ, শিশু শ্ৰমিক প্ৰথা, যৌতুক, ইত্যাদিৰ আধাৰত আইনী ব্যৱস্থা গ্ৰহণ কৰিব পাৰি। ঠিক সেইদৰে সংবিধানৰ সংশোধনী ঘটাই পিছপৰা জাতি-জনজাতিৰ লোকক সুবিধা প্ৰদান কৰি চাকৰিৰ ক্ষেত্ৰত আসন সংৰক্ষণৰ ব্যৱস্থা কৰিব পাৰি। ফলত এই শ্ৰেণীৰ লোক আৰ্থ-সামাজিক দিশৰ উন্নতি সাধন কৰিব পাৰি।

- **অন্যান্য কাৰকসমূহ ঃ** ওপৰত উল্লেখ কৰা কাৰকসমূহৰ উপৰি অন্য কিছুমান কাৰক সামাজিক পৰিৱৰ্তনৰ সৈতে জড়িত হৈ আছে ;যেনে— নতুন চিন্তাধাৰা আৰু মতামত, যেনে, যৌতুক প্ৰথা, জাতিভেদ ব্যৱস্থা, মহিলা আদিৰ প্ৰতি থকা মনোভাবৰ পৰিৱৰ্তনে সামাজিক বৈচিত্ৰ্যত আৰু সংশোধন আনে। প্ৰকৃততে বেছিভাগ সামাজিক বিপ্লৱেই নতুন চিন্তাধাৰাৰ বিৱৰ্তনৰ

ফলস্বৰূপে সংঘটিত হয়। যুদ্ধ, মহান ব্যক্তিসকলৰ চিন্তাধাৰা যেনে মহাত্মা গান্ধী, কার্লমার্ক্স প্রভৃতিয়ে জনসাধাৰণক প্রভাৱিত কৰি তোলে আৰু তেওঁলোকৰ আর্থ-সামাজিক দিশৰ প্রভাৱৰ ফলত সামাজিক পৰিৱৰ্তন ঘটে।

এনেদৰে বিভিন্ন কাৰকসমূহ যেনে ভৌগোলিক, প্রযুক্তিগত, অর্থনৈতিক, সাংস্কৃতিক, ভাবধাৰা, মনোবৈজ্ঞানিক, শৈক্ষিক আৰু ব্যক্তিৰ ইচ্ছাকৃত কার্যৰ সামাজিক পৰিৱৰ্তন আনে। সেইবাবে কোৱা হয় কোনো এটা কাৰকৰ ফলত সামাজিক পৰিৱৰ্তন সংঘটিত নহয়, বৰং টেলক'ট পাৰচনৰ ভাষাত, 'পৰিৱৰ্তনৰ প্রকৃত সম্ভাৱনীয়াতাত বহুত্ব থাকে।'



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ সামাজিক পৰিৱৰ্তনৰ এটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৪ ঃ সামাজিক পৰিৱৰ্তনৰ ক্ষেত্রত সংস্কৃতিয়ে কেনেদৰে সহায় কৰে?

.....

.....

প্রশ্ন নং ৫ ঃ সামাজিক পৰিৱৰ্তনৰ ক্ষেত্রত গণমাধ্যমৰ ভূমিকা সম্পর্কে চমুকৈ আলোচনা কৰক।

.....

.....

৯.৫ শিক্ষা আৰু সামাজিক পৰিৱৰ্তন

১৯৬৪-৫৬ চনৰ কোঠাৰী আয়োগে মতামত প্রকাশ কৰিছিল যে এখন দেশৰ আশা-আকাংক্ষা, জনসাধাৰণৰ জ্ঞান, কৌশল, অভিৰুচি আৰু মূল্যবোধ সম্পূর্ণৰূপে শিক্ষাব্যৱস্থাত নিহিত হৈ থাকে। ভাৰতবর্ষৰ প্রত্যেক সামাজিক আৰু অর্থনৈতিক কার্যসূচীৰ উন্নতিৰ বাবে সামাজিক পৰিৱৰ্তনৰ প্রয়োজন।

শিক্ষা এক সামাজিক প্রক্রিয়া হিচাপে সামাজিক পৰিৱৰ্তন অনাৰ ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। এইটো লক্ষ্য কৰা হৈছে যে মানুহৰ শিক্ষাৰ স্তৰ আৰু সামাজিক পৰিৱৰ্তনৰ হাৰৰ মাজত অতি উচ্চ আৰু ইতিবাচক সম্পর্ক আছে। বিভিন্ন ধৰণৰ অধ্যয়নৰ পৰা পোৱা গৈছে যে উচ্চ শিক্ষিত লোকৰ মাজত সমাজিক পৰিৱৰ্তনৰ হাৰ কম হয়। অর্থাৎ মানুহৰ শিক্ষাৰ স্তৰ উচ্চ হ'লে সামাজিক পৰিৱৰ্তন ক্ষিপ্র হয়। কাৰণ শিক্ষাই মানুহক অতি প্রগতিশীল আৰু জীৱনৰ প্রত্যাহ্বানসমূহ উপযুক্তভাৱে সমাধান কৰিব পৰা কৰি তোলে।

সামাজিক পৰিৱৰ্তনৰ ক্ষেত্রত শিক্ষাৰ ভূমিকা তলত দাঙি ধৰা হ'ল—

- শিক্ষাই মানুহৰ মনোভাব পৰিৱৰ্তন কৰি আধুনিক জীৱনশৈলী গ্রহণত সহায় কৰে আৰু

কু-সংস্কাৰ, অন্ধবিশ্বাস আৰু প্ৰচলিত বিশ্বাস বিৰুদ্ধে যুঁজিবলৈ সমৰ্থ কৰি তোলে। শিক্ষাই পুৰণি চিন্তাধাৰা আঁতৰাই সৰু পৰিয়ালৰ ধাৰণা আনি দিয়ে, জাতি শ্ৰেণীৰ থকা সামাজিক -সাংস্কৃতিক প্ৰতিবন্ধকতা আঁতৰাই মানুহক ধৰ্মনিৰপেক্ষ কৰি তোলে। শিক্ষাই সামাজিক পৰিৱৰ্তনৰ অন্য এটা নাম সামাজিক বিকাশৰ সৈতেও সম্পৰ্ক ৰাখে।

- যেতিয়া সামাজিক পৰিৱৰ্তন ঘটে, তেতিয়া কিছুমান মানুহে ইয়াৰ সৈতে সমাযোজন কৰিবলৈ অসুবিধা পায়। শিক্ষাই তাৰ কাৰ্যৰ জৰিয়তে ভাল পৰিৱৰ্তনসমূহ গ্ৰহণ কৰাত মানুহক সহায় কৰে।
- সামাজিক পৰিৱৰ্তন গ্ৰহণৰ ক্ষেত্ৰত কিছুমান কাৰকে প্ৰতিবন্ধকতা আনে। শিক্ষাই তেনে প্ৰতিবন্ধকতা আঁতৰোৱাত সহায় কৰে।
- সমাজ সংস্কাৰৰ ক্ষেত্ৰত শিক্ষাই পথ-প্ৰদৰ্শক হিচাপে কাম কৰে। শিক্ষাই সামাজিক পৰিৱৰ্তন ক্ষেত্ৰত জনসাধাৰণৰ আন্দোলন বিলুপ্তি কৰাত সহায় কৰে। ৰাজাৰাম মোহন ৰয়, স্বামী দয়ানন্দ সৰস্বতী, স্বামী বিবেকানন্দ, মহাত্মা গান্ধী প্ৰভৃতি উচ্চশিক্ষিত আৰু জ্ঞানী ব্যক্তিয়ে সামাজিক পৰিৱৰ্তন অনাৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। মহাত্মা গান্ধীয়ে বুনিয়াদী শিক্ষাৰ জৰিয়তে সামূহিক নিৰক্ষৰতাৰ বিৰুদ্ধে যুঁজ দিছিল।
- শিক্ষা হৈছে সকলো সামাজিক পৰিৱৰ্তনৰ সৃষ্টিকৰ্তা, উৎপাদক আৰু নিদেৰ্শক। চমুকৈ ক'বলৈ হ'লে শিক্ষাই সংৰক্ষণ কৰে, একত্ৰিত কৰে, প্ৰতিষ্ঠা কৰে আৰু সৃজন কৰে।
- শিক্ষা হৈছে গণতন্ত্ৰৰ অস্ত্ৰ। ই মানুহৰ গণতান্ত্ৰিক মনোভাব আৰু মূল্যবোধ বিকাশ কৰি উপযুক্ত জীৱন যাপনত সহায় কৰে। গণতান্ত্ৰিক মূল্যবোধসমূহ, যেনে— স্বতন্ত্ৰতা, সমতা, ভাতৃত্ববোধ, ন্যায়, সহিষ্ণুতা, পৰাস্পৰিক সন্মান, ভাতৃত্ববোধৰ অনুভৱ আৰু শান্তিপূৰ্ণ পদ্ধতিত বিশ্বাস আদি শিক্ষাৰ জৰিয়তে মুক্ত ভাৱতত স্থিতিশীল হৈ থাকে।
- সামাজিক পৰিৱৰ্তনৰ শক্তিশালী আহিলা হিচাপে শিক্ষাই কেৱল পৰিৱৰ্তনৰ হাৰ নিৰ্ধাৰণ নকৰে, সমাজত উপযুক্ত সামাজিক নীতি-নিয়ম প্ৰতিষ্ঠা কৰিবলৈ পৰিৱৰ্তনৰ ক্ষেত্ৰত শুদ্ধ নিৰ্দেশনাও প্ৰদান কৰে।
- সমাজৰ পুনৰ গঠনৰ ক্ষেত্ৰত যেতিয়া শিক্ষাৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা হয়, প্লেট'ৰে শিক্ষাক সকলো দিশৰে সফলতা অৰ্জনৰ আদৰ্শ আহিলা হিচাপে গণ্য কৰে। এৰিষ্ট'টল দৃঢ় বিশ্বাসেৰে অনুমোদন কৰে যে শিক্ষা হৈছে সমাজৰ সামাজিক আৰু অৰ্থনৈতিক ৰূপান্তৰৰ ফলপ্ৰসূ আহিলা।
- শিক্ষাই মানুহক সমাজত ঘটা পৰিৱৰ্তন গ্ৰহণ কৰি পৰিৱৰ্তন হোৱা পৰিৱেশৰ সৈতে সমাযোজন কৰিব শিকায়, তদুপৰি মানুহৰ জীৱনৰ বিভিন্ন ক্ষেত্ৰত হোৱা পৰিৱৰ্তনৰ সুবিধা গ্ৰহণ কৰিবলৈ জ্ঞানী কৰি তোলে।
- শিক্ষা আমাৰ আচৰণ সংশোধন কৰে। আমাৰ সামাজিক আচৰণৰ ধৰণ নিৰ্ধাৰণ কৰি শিক্ষাই আমাৰ সুপ্ত গুণাৱলীসমূহ উপযুক্তভাৱে বিকশাই তোলে। ই মানুহৰ মনোভাব, চিন্তাৰ ধৰণ, জীৱন ধাৰণৰ শৈলীৰ পৰিৱৰ্তন ঘটাই নতুন সামাজিক নীতি-নিয়মৰ জৰিয়তে

সমাজত অনুকূল পৰিৱেশ গঢ়ি তোলে।

- সমাজৰ পৰা অশুভ দিশবোৰ আঁতৰোৱাৰ ক্ষেত্ৰত শিক্ষাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে আৰু পুৰণিকলীয়া নীতি-নিয়ম, প্ৰথা, পৰম্পৰা, গুণগত মান আদিৰ পৰিৱৰ্তন কৰে। শিক্ষাৰ বহুল প্ৰসাৰৰ হোৱা বাবে কিছুমান অশুভ কাৰক, যেনে- বাল্য বিবাহ, শিশু শ্ৰমিক, ভিক্ষা, চুক্তিভুক্ত শ্ৰমিক, জাতিভেদ আদি ভাৰতীয় সমাজৰ পৰা ক্ৰমাৎ নাইকিয়া হ'ব ধৰিছে। এনে সমাজব্যৱস্থাৰ দ্ৰুত বিকাশ ঘটিছে।
- অৰ্থনৈতিক বিকাশ হৈছে সামাজিক পৰিৱৰ্তনৰ এক শক্তিশালী নিৰ্ধাৰক। ই সম্পূৰ্ণৰূপে মানুহৰ শিক্ষাৰ প্ৰকাৰ আৰু গুণগত মানৰ আধাৰত নিৰ্ভৰ কৰে। শিক্ষাই অৰ্থনৈতিক বিকাশৰ বাবে মানুহক প্ৰযুক্তি আৰু বৃত্তিগত প্ৰশিক্ষণ দি সম্পদ আৰু সুবিধাবোৰৰ উপযুক্ত প্ৰয়োগত সহায় কৰে আৰু তদুপৰি দ্ৰুত জনসংখ্যৰ বৃদ্ধিৰ ক্ষেত্ৰত মানুহক সজাগ কৰি তোলে।
- ইয়াৰ অৰ্থ হৈছে এখন সমাজৰ অৰ্থনৈতিক বিকাশ সম্পূৰ্ণৰূপে শিক্ষাৰ ওপৰত নিৰ্ভৰশীল। আলফ্ৰেড মাৰ্চেলে কৈছিল— বৈষয়িক সম্পদৰ দ্ৰুত বৃদ্ধিয়ে একো ফলাফল দেখুৱাব নোৱাৰে যেতিয়ালৈকে আমাৰ স্কুলসমূহৰ উন্নতি নহয়।
- শিক্ষাই বিজ্ঞান আৰু প্ৰযুক্তিৰ অগ্ৰগতিৰ ক্ষেত্ৰত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰে— যিবোৰে মানুহৰ জীৱনৰ প্ৰতিটো দিশৰে পৰিৱৰ্তন ঘটায়।

৯.৫.১ সামাজিক পৰিৱৰ্তনৰ ক্ষেত্ৰত শিক্ষকৰ ভূমিকা

যিকোনো আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ কেন্দ্ৰীয় বিন্দু হৈছে শিক্ষক। তেওঁ দায়িত্বশীল হ'ব লাগে। সামাজিক পৰিৱৰ্তনৰ ক্ষেত্ৰত তেওঁক ফলপ্ৰসূ আহিলা হিচাপে গণ্য কৰা হয়। শিক্ষক অবিহনে কোনো ধৰণৰ সামাজিক পৰিৱৰ্তন কল্পনা কৰিব নোৱাৰি। শিক্ষকে প্ৰকৃততে সামাজিক পৰিৱৰ্তনৰ আহিলা হিচাপে কাৰ্য কৰাতো বৰ্তমান গণতান্ত্ৰিক সমাজে আশা কৰে। শিক্ষকৰ ভূমিকাৰ বিষয়ে তলত দাঙি ধৰা হ'ল—

- প্ৰামাজিক পৰিৱৰ্তনৰ ক্ষেত্ৰত শিক্ষকে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে— যদিহে তেওঁ আধুনিকতাৰ এক আৰ্হি হিচাপে নিজকে প্ৰতিষ্ঠা কৰিব পাৰে।
- শিক্ষকগৰাকী দক্ষ আৰু কৌশলপূৰ্ণ হ'ব লাগে। কাৰণ তেওঁ আমাৰ ভৱিষ্যতৰ নাগৰিক যুৱ প্ৰজন্মক নেতৃত্ব দিব লাগে।
- নতুন মনোভাব আৰু মূল্যবোধৰ বাবে শিক্ষকে অনুকূল মনোবৈজ্ঞানিক পৰিৱেশ প্ৰস্তুত কৰিব লাগে।
- সামাজিক পৰিৱৰ্তন অনাৰ বাবে শিক্ষকে সদায় উপযুক্ত উপদেশ আগবঢ়াব লাগে। তেওঁ সামাজিক পৰিৱৰ্তন আনিবলৈ আৰু প্ৰয়োগ কৰিবলৈ সাজু থাকিব লাগে।
- শিক্ষকে কিছুমান দিশ, যেনে— আগতানুগতিক শিক্ষা, প্ৰযুক্তি শিক্ষা, জনসংখ্যা

শিক্ষা, অন্তর্ভুক্তিকৰণ প্ৰাপ্তবয়স্কৰ শিক্ষা, মহিলাৰ শিক্ষা, পিছপৰা জাতিৰ বাবে শিক্ষা আদিৰ বাবে উৎসাহ প্ৰদান কৰিব লাগে আৰু সামাজিক পৰিৱৰ্তন অনাৰ বাবে এনেধৰণৰ দিশমূহত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব লাগে।

- সামাজিক পৰিৱৰ্তনৰ ক্ষেত্ৰত দেখা দিয়া বাধাবোৰ দূৰ কৰাত শিক্ষকে সহায় কৰিব লাগে।
- শিক্ষকে শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীৰ মাজত তৰ্ক আৰু আলোচনা আৰু সহপাঠ্যক্ৰমিক কাৰ্যসূচীৰ জৰিয়তে যুক্তিসংগত, কৌতূহল, চিন্তাযুক্ত ইতিবাচক, গঠনমূলক আৰু বিজ্ঞানসম্মত মনোভাবৰ বিকাশ কৰি তুলিব লাগে।
- শিক্ষকৰ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় দৃষ্টিভংগী থকা উচিত। তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আৱেগিক সংহতি, ৰাষ্ট্ৰীয় সংহতি আৰু আন্তঃৰাষ্ট্ৰীয় বুজাবুজি ভাবৰ সৃষ্টি কৰিব লাগে।
- স্কুলৰ দৈনন্দিন কাৰ্যসূচীত শিক্ষকে বিজ্ঞান আৰু প্ৰযুক্তিৰ সফল ব্যৱহাৰ কৰিব লাগে আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত ইয়াৰ অভ্যাস গঢ়ি তুলিব লাগে— যাতে তেওঁলোকে অন্য পৰিৱেশতো ইয়াৰ ব্যৱহাৰ কৰিব পাৰে।

শেষত এইটো ক'ব পাৰি যে শিক্ষকে তেওঁৰ বহুধৰণৰ ভূমিকা আৰু কাৰ্যাৱলীৰ যোগেদি ত্বৰান্বিত কৰি শক্তিশালী পথেৰে সামাজিক পৰিৱৰ্তন ঘটাব পাৰে। ই ডব্লিউ গৰ্নৰ ভাষাত, 'শিক্ষকৰ কাৰ্য হৈছে পৰিৱৰ্তনৰ বাবে শিক্ষা দিয়া, পৰিৱৰ্তনৰ যোগেদি শিক্ষা দিয়া, আৰু পৰিকল্পিত বিপ্লৱৰ বাবে শিক্ষা দিয়া আৰু যদি প্ৰয়োজন হয় বৈপ্লৱিক কাৰ্যৰ জৰিয়তে শিক্ষা প্ৰদান কৰিব লাগে।'



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ সামাজিক পৰিৱৰ্তন সম্পৰ্কে ১৯৬৪-৫৬ চনৰ শিক্ষা আয়োগৰ মতামত উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৭ ঃ সামাজিক পৰিৱৰ্তনৰ ক্ষেত্ৰত শিক্ষাৰ এক গুৰুত্বপূৰ্ণ ভূমিকা উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৮ ঃ সামাজিক পৰিৱৰ্তনৰ ক্ষেত্ৰত শিক্ষকৰ ভূমিকা চমুকৈ উল্লেখ কৰক।

.....

.....



৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- সামাজিক পৰিৱৰ্তনৰ হৈছে সমাজৰ বেছিভাগ মানুহৰে আচৰণত প্ৰভাৱ পেলোৱা কেবাটাও আনুষংগিক অৰ্থ আৰু মূল্যবোধৰ বৃহৎ পৰিমাণৰ ৰূপান্তৰ। ই বহুৎসংখ্যক মানুহক অন্তৰ্ভুক্ত কৰে, যিসকলে আগতে কৰা কামতকৈ বা তেওঁলোকৰ পিতৃ-মাতৃয়ে যিবোৰ কাৰ্য কৰিছিল তাতকৈ বেলেগ ধৰণৰ কাৰ্য কৰে।
- সামাজিক পৰিৱৰ্তনৰ কিছুমান বৈশিষ্ট্য হৈছে— সাৰ্বজনীনতা, অবিৰত, ৰূপান্তৰ, বৃহৎ জনসংখ্যাৰ নিৰ্ণায়ক, স্বতন্ত্ৰতা, পৰিকল্পিত আৰু অপৰিকল্পিত।
- সামাজিক পৰিৱৰ্তনৰ বহুতো কাৰক আছে, সেইসমূহ হৈছে— শাৰীৰিক কৰাক, জৈৱিক কাৰক, প্ৰযুক্তিগত কাৰক, অৰ্থনৈতিক কাৰক আৰু সাংস্কৃতিক কাৰক।
- সামাজিক পৰিৱৰ্তনৰ শক্তিশালী আহিলা হিচাপে শিক্ষাই কেৱল পৰিৱৰ্তনৰ হাৰ নিৰ্ধাৰণ নকৰে, সমাজত উপযুক্ত সামাজিক নীতি-নিয়ম প্ৰতিষ্ঠা কৰিবলৈ পৰিৱৰ্তনৰ ক্ষেত্ৰত শুদ্ধ নিৰ্দেশনাও প্ৰদান কৰে।
- শিক্ষাই মানুহক সমাজত ঘটা পৰিৱৰ্তন গ্ৰহণ কৰি পৰিৱৰ্তিত পৰিৱেশৰ সৈতে সমাযোজন কৰিবলৈ শিকায়, তদুপৰি মানুহৰ জীৱনৰ বিভিন্ন পৰ্যায়ত ঘটা পৰিৱৰ্তন সুবিধা গ্ৰহণ কৰিবলৈ জ্ঞানী কৰি তোলে।



৯.৭ অধিক জানিবলৈ

১) Bhatia, K. K. (2013). Social Foundation of Education. Ludhiana: Kalyani Publishers.

২) Bhushan and Sachdeva (2001). An Introduction to Sociology. Allahabad: Kitab Mahal.

৩) Mathur S. S. (2009). A Sociological Approach to Indian Education. Agra: Agrawal Publications.

৪) Rao, C. N. Shankar (2005). Sociology-Principles of Sociology with an Introduction to Social Thought. New Delhi: S. Chand and Company Pvt. Ltd.

৫) Singh, Y. M. (1992). Sociological Foundations of Education. Bombay: Sheth Publishers.



৯.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ অবিৰত।

২ নং প্ৰশ্নৰ উত্তৰ ঃ গিলিন আৰু গিলিনৰ ভাষাত, 'সামাজিক পৰিৱৰ্তন হ'ল গ্ৰহণযোগ্য জীৱনশৈলীৰ পৰা ভিন্নতা, সেয়া ভৌগোলিত পৰিস্থিতিৰ বিকল্পৰ বাবে হওক, সাংস্কৃতিক আহিলাৰ বাবে হওক, জনসংখ্যাৰ গঠন বা মতাদৰ্শনৰ বাবে হওক আৰু দলৰ ভিতৰত প্ৰসাৰ বা উদ্ভাৱনৰ দ্বাৰাই হওক।"

৩ নং প্ৰশ্নৰ উত্তৰ ঃ সামাজিক পৰিৱৰ্তন হৈছে এটা অবিৰত প্ৰক্ৰিয়া। ই কেৱল এটা সময়তে আৰু সকলো ঠাইতে হ'ব পাৰে। সি যি নহওক আমি সামাজিক পৰিৱৰ্তনৰ কিছুমান দিশৰ ভৱিষ্যদ্বাণী কৰিব পাৰোঁ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ সংস্কৃতিয়ে সামাজিক পৰিৱৰ্তনত সহায় কৰে। সংস্কৃতিৰ পৰিৱৰ্তন আৰু ৰূপান্তৰে অনিবাৰ্যভাৱে সামাজিক সম্পৰ্কক প্ৰভাৱিত কৰে। সংস্কৃতিয়ে সামাজিক পৰিৱৰ্তন দ্ৰুত কৰি তোলে আৰু লগতে নিৰ্দেশনা প্ৰদান কৰে আৰু সামাজিক পৰিৱৰ্তনৰ সীমাবদ্ধতা নিৰ্ধাৰণ কৰে। মেক্সৱেবাৰে ধৰ্মীয় আৰু অৰ্থনৈতিক অনুষ্ঠানৰ মাজত তুলনা কৰি ইয়াক প্ৰমাণিত কৰিছে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ছপা আৰু বৈদ্যুতিক গণমাধ্যম দুয়োটাই সামাজিক পৰিৱৰ্তনৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে। এই গণমাধ্যমসমূহে জনসাধাৰণৰ মাজত সজাগতা আনি দিয়ে আৰু অন্যহাতে পৃথিৱীৰ বিভিন্ন সংস্কৃতিৰ মাজত সাংস্কৃতিক আদান-প্ৰদানৰ সুবিধা কৰি দিয়ে। এনেদৰে গণমাধ্যমসমূহে আমাৰ চিন্তাধাৰা বহল কৰি তোলে— মনোভাৱৰ পৰিবৰ্তন কৰে, চিন্তাধাৰা সবল কৰে, চিন্তাৰ গতিপথ সলনি কৰে আৰু কাৰ্য আৰু জীৱন পদ্ধতিৰ পৰিৱৰ্তন ঘটায়।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগে মতামত প্ৰকাশ কৰিছিল যে এখন দেশৰ আশা-আকাংক্ষা, জনসাধাৰণৰ জ্ঞান, কৌশল, অভিৰুচি আৰু মূল্যবোধ সম্পূৰ্ণৰূপে শিক্ষাব্যৱস্থাত নিহিত হৈ থাকে। ভাৰতবৰ্ষৰ প্ৰত্যেক সামাজিক আৰু অৰ্থনৈতিক কাৰ্যসূচীৰ উন্নতিৰ বাবে সমাজিক পৰিৱৰ্তনৰ প্ৰয়োজন।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ শিক্ষাই সমাজত পৰিৱৰ্তনৰ বাবে ইচ্ছাৰ সৃষ্টি কৰি তোলে, যিটো হৈছে যিকোনো পৰিৱৰ্তনৰ পূৰ্ব-প্ৰয়োজনীয় চৰ্তবিশেষ। ই মানুহক সমাজৰ কিছুমান অসামাজিক কাৰ্যকলাপৰ প্ৰতি সতৰ্ক কৰি তোলে যেনে মদ খোৱা, যৌতুক, জুৱাখেল, ভিক্ষা, চুক্তিভুক্ত শ্ৰমিক আদি আৰু এইবোৰৰ বিৰুদ্ধে যুজ দিয়াৰ মানসিকতা গঢ়ি তোলে। শিক্ষাই সুবিধা বঞ্চিত, নিম্নবিত্ত আৰু পিছপৰা লোকসকলৰ মনত নিজকে উন্নত কৰাৰ বাবে ইচ্ছা জাগ্ৰত কৰি তোলে। এনেদৰে শিক্ষাই পৰিৱৰ্তনৰ বাবে ইচ্ছা জগাই তোলে।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ সামাজিক পৰিৱৰ্তনৰ ক্ষেত্ৰত শিক্ষকে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে— যদিহে তেওঁ আধুনিকতাৰ এক আৰ্হি হিচাপে নিজকে প্ৰতিষ্ঠা কৰিব পাৰে অৰ্থাৎ যেতিয়া তেওঁ নিজে আধুনিক মূল্যবোধ গ্ৰহণ কৰি সেইবোৰক নিজৰ আয়ত্তত উদ্ভাসিত কৰি তোলে।



৯.৯ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০ শব্দৰে দিয়ক)

প্ৰশ্ন ১ ঃ সামাজিক পৰিৱৰ্তনৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ২ ঃ সামাজিক পৰিৱৰ্তনৰ প্ৰকৃতি সম্পৰ্কে লিখক।

প্ৰশ্ন ৩ ঃ সামাজিক পৰিৱৰ্তনৰ সাৰ্বজনীনতা কি?

প্ৰশ্ন ৪ ঃ অগবাৰ্ণৰ মতে 'Social' আৰু 'Change' শব্দটোৰ অৰ্থ লিখক।

প্ৰশ্ন ৫ ঃ প্ৰযুক্তি বিজ্ঞানে সামাজিক পৰিৱৰ্তনত কেনেদৰে সহায় কৰে লিখক।

খ) দীঘলীয়া প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ শব্দৰে দিয়ক)

প্ৰশ্ন ১ ঃ সামাজিক পৰিৱৰ্তনৰ ক্ষেত্ৰত শিক্ষকৰ ভূমিকা সম্পৰ্কে লিখক।

প্ৰশ্ন ২ ঃ সামাজিক পৰিৱৰ্তনত শিক্ষাৰ ভূমিকা সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ সামাজিক পৰিৱৰ্তনৰ বিভিন্ন কাৰকসমূহৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১০ঃ সামাজিক নিয়ন্ত্রণ

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ সামাজিক নিয়ন্ত্রণৰ অর্থ

১০.৩.১ সামাজিক নিয়ন্ত্রণৰ সংজ্ঞা

১০.৩.২ সামাজিক নিয়ন্ত্রণৰ প্রয়োজনীয়তা

১০.৪ সামাজিক নিয়ন্ত্রণৰ প্রকাৰ

১০.৫ সামাজিক নিয়ন্ত্রণৰ মাধ্যমসমূহ

১০.৬ সামাজিক নিয়ন্ত্রণতাত শিক্ষাৰ ভূমিকা

১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৮ অধিক জানিবলৈ

১০.৯ অগ্রগতিৰ খতিয়ান

১০.১০ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামাজিক নিয়ন্ত্রণৰ অর্থ আৰু প্রয়োজনীয়তা
- সামাজিক নিয়ন্ত্রণৰ প্রকাৰবোৰ চিনাক্ত কৰিব পাৰিব
- সামাজিক নিয়ন্ত্রণৰ সংস্থাসমূহ ব্যাখ্যা কৰিব পাৰিব আৰু
- সামাজিক নিয়ন্ত্রণত শিক্ষাৰ ভূমিকা সম্পর্কে আলোচনা কৰিব পাৰিব।

১০.২ পৰিচয়

যিকোনো সমাজতে সম্প্রীতি আৰু শৃংখলা থাকিব লাগিব, য'ত কোনো সমন্বয় বা শৃংখলা নাই তাত প্রকৃততে সমাজৰ অস্তিত্ব নাই। কাৰণ সমাজ হৈছে মানৱ সম্পর্কৰ সুষম সংগঠন। সামাজিক নিয়ন্ত্রণ হৈছে সামাজিক শৃংখলাৰ প্রয়োজনীয় উপাদান, ইয়াৰ অবিহনে সামাজৰ অস্তিত্ব নেথাকে। এই অধ্যায়টোৱে আপোনাক সামাজিক নিয়ন্ত্রণৰ অর্থ আৰু প্রকাৰৰ সৈতে পৰিচয় কৰাই দিব। তদুপৰি আপুনি সামাজিক নিয়ন্ত্রণৰ মাধ্যমসমূহৰ বিষয়ে অধ্যয়ন কৰিব পাৰিব। ইয়াত আপুনি সামাজিক নিয়ন্ত্রণত শিক্ষণৰ ভূমিকা সম্পর্কে জানিবলৈ সক্ষম হ'ব।

১০.৩ সামাজিক নিয়ন্ত্রণৰ অর্থ

সমাজত শৃংখলাবদ্ধভাৱে অস্তিত্ব ৰক্ষা কৰিবলৈ, সমাজৰ সকলো ব্যক্তিয়ে সামাজিক মান বজাই ৰাখিব লাগিব। 'Control' শব্দৰ আভিধানিক অর্থ হৈছে— 'প্ৰভাৱ পেলোৱা ক্ষমতা বা মানুহৰ আচৰণ প্ৰত্যক্ষ কৰা বা পৰিঘটনাৰ গতিপথ। সামাজিক নিয়ন্ত্রণ হৈছে সমাজত ব্যক্তিৰ আচৰণ সামাজিক মানৰ জৰিয়তে নিয়ন্ত্রণ কৰা এক সাধাৰণ প্ৰক্ৰিয়া। ই সাধাৰণতে সামাজিক আৰু ৰাজনৈতিক প্ৰক্ৰিয়াবোৰৰ সৈতে জড়িত— যিবোৰে ব্যক্তি আৰু সমাজৰ আচৰণ নির্ধাৰণ কৰে, যাৰ দ্বাৰা কোনো এখন সমাজৰ নীতি-নিয়মৰ প্ৰতি সন্মতি প্ৰদান কৰা হয়। ই ব্যক্তিৰ বিভিন্ন পৰিৱেশত সমাজৰ আচৰণ বিধিৰ সৈতে সমাযোজন কৰাত সহায় কৰে। ই ৰাষ্ট্ৰ বা ইয়াৰ বাধ্যতামূলক শক্তিৰ জৰিয়তে ব্যক্তিৰ আচৰণ নিয়ন্ত্রণৰ নির্দেশনা দিয়ে।

কিছুমান সমাজতত্ত্ববিদে সামাজিক নিয়ন্ত্রণক দুটা মৌলিক গঠন আঙুলিয়াই দিছে।

ক) গুণগত মান আৰু মূল্যবোধৰ আন্তর্জাতিকৰণ।

খ) বাহ্যিক নিষেধাজ্ঞা, যিটো ইতিবাচক (পুৰস্কাৰ) বা নেতিবাচক (শাস্তি) বা শক্তি প্ৰয়োগৰ দ্বাৰা হয়।

সমাজতত্ত্ববিদসকলে সামাজিক নিয়ন্ত্রণ সাধাৰণতে প্ৰথম প্ৰকাৰৰ গঠনটোকে বুজায়।

১০.৩.১ সামাজিক নিয়ন্ত্রণৰ সংজ্ঞা

- মৰিচ জ'নবাটিজৰ মতে, 'সামাজিক নিয়ন্ত্রণে এটা সামাজিক সংস্থাৰ নিজকে নিয়ন্ত্রণ কৰাৰ ক্ষমতাত গুৰুত্ব আৰোপ কৰে।' তেওঁৰ মতে, আত্মনিয়ন্ত্রণৰ ধাৰণাটো ব্যক্তি আৰু সংস্থাৰ কার্যবোৰত প্ৰয়োগ কৰিব পাৰি। সামাজিক নিয়ন্ত্রণ অবিহনে সহযোগিতামূলক প্ৰচেষ্টাৰ উদ্দেশ্যপ্ৰণোদিত প্ৰচেষ্টাও দ্ৰুতভাৱে বিভিন্ন অংশগ্ৰহণকাৰীৰ দ্বাৰা অন্য কার্যত বিলীন হৈ যাব।
- ৰবার্টৰ মতে, 'সামাজিক নিয়ন্ত্রণ হৈছে যিকোনো সমাজত মানৰ আচৰণক নিয়ন্ত্রণ কৰা পদ্ধতিসমূহ আৰু কৌশলসমূহ।' তেওঁৰ মতে, সামাজিক নিয়ন্ত্রণে সমাজৰ সকলো স্তৰতে কাম কৰে। উদাহৰণস্বৰূপে আমাৰ পৰিয়ালবোৰত সকলোৱে পিতৃ-মাতৃক মানি চলোঁ, কার্যালয়ত আমি প্ৰতিষ্ঠানৰ আনুষ্ঠানিক নিয়ম মানি চলোঁ ইত্যাদি।
- ফেয়াৰচাইল্ডৰ মতে, 'সামাজিক নিয়ন্ত্রণ হৈছে এক প্ৰক্ৰিয়া— যিয়ে এখন সমাজৰ ব্যক্তি আৰু দলক নিৰাপদ অনুসৰি ৰখাত সহায় কৰে।'
- হৰটন আৰু হাণ্টে কৈছে যে সামাজিক নিয়ন্ত্রণ হৈছে এক সম্পূর্ণ প্ৰক্ৰিয়া— য'ত সমাজে তাৰ সদস্যসকলক নিৰাপত্তা আৰু সম্ভাৱনীয়তাৰ সুৰক্ষা প্ৰদান কৰে।

১০.৩.২ সামাজিক নিয়ন্ত্রণৰ প্ৰয়োজন

দুজন ব্যক্তি তেওঁলোকে প্ৰকৃতি, ভাবধাৰা, প্ৰয়োজন, সম্ভাৱনীয়তা, সামৰ্থ্য, মনোভাব, মনোযোগ আদিৰ ফালৰ পৰা একে হ'ব নোৱাৰে। প্ৰত্যেকজন ব্যক্তিয়ে ইজনে আনজনৰ পৰা পৃথক, এই পাৰ্থক্য কেৱল শাৰীৰিক সমৰ্থৰ ক্ষেত্ৰতে নহয়— মানসিক সমৰ্থৰ ক্ষেত্ৰতো প্ৰযোজ্য। ব্যক্তিসকলৰ মাজত সাংস্কৃতিক দিশতো পাৰ্থক্য আছে। সেইবাবে সমাজসনক ভিন্নধৰ্মী সংগঠন বোলা হয়। যদি প্ৰত্যেক ব্যক্তিক নিজৰ পছন্দ মতে চলিবলৈ দিয়া হয়, তেওঁলোকৰ কাৰ্য আৰু আচৰণৰ বাবে অবাধ স্বাধীনতা দিয়া হয়, তেন্তে ই সামাজিক বিশৃংখলতাৰ সৃষ্টি হ'ব পাৰে। এটা শৃংখলাবদ্ধ সামাজিক জীৱনৰ বাবে সামাজিক নিয়ন্ত্ৰণ অতি আৱশ্যকীয়। তলত সামাজিক নিয়ন্ত্ৰণৰ প্ৰয়োজন সম্পৰ্কে আলোচনা কৰা হ'ল।

সমাজত সামাজিক শৃংখলা বজাই ৰাখিবলৈ সামাজিক নিয়ন্ত্ৰণৰ প্ৰয়োজন।

- সামাজিক নিয়ন্ত্ৰণে সমাজত সমৰূপতা আৰু সামাজিক একতা ৰক্ষাত অৰিহণা যোগায়।
- সামাজিক নিয়ন্ত্ৰণে সামাজিক স্বাৰ্থ ৰক্ষাত আৰু সাধাৰণ প্ৰয়োজন পূৰণত সহায় কৰে।
- সমাজত পুৰণি শৃংখলা বজাই ৰখাৰ বাবে সামাজিক নিয়ন্ত্ৰণ অতি প্ৰয়োজনীয়। এনে কাৰ্য পৰিয়ালৰ সদস্যসকলে পূৰণ কৰে। পৰিয়ালৰ বয়সস্থসকলৰ দায়িত্ব হৈছে তেওঁলোকৰ পৰম্পৰা, মূল্যবোধ আৰু উপযুক্ত আচৰনেৰে নতুন চামক সামাজিকৰণ কৰি তোলা।
- সমাজ হৈছে পৰিৱৰ্তনশীল। সময়ৰ সৈতে ইয়াৰ পৰিৱৰ্তন ঘটে আৰু সমাজত নতুন ব্যৱস্থাৰ সৃষ্টি হয়। সেইবাবে ব্যক্তিৰ আচৰণ নিয়ন্ত্ৰণ কৰি ভাল আৰু বেয়াৰ মাজত পাৰ্থক্য ৰাখিবলৈ সমাজিক নিয়ন্ত্ৰণ অত্যাৱশ্যকীয়। তদুপৰি ব্যক্তিৰ অনুভূতি আৰু সমাযোজনৰ সমতা ৰক্ষাৰ বাবেও ইয়াৰ প্ৰয়োজন।

১০.৪ সামাজিক নিয়ন্ত্ৰণৰ প্ৰকাৰ

বিভিন্ন সামাজিক চিন্তাবিদসকলে সামাজিক নিয়ন্ত্ৰণক বিভিন্নধৰণে ভাগ কৰিছে। তলত এনে শ্ৰেণীবিভাগ কিছুমান আলোচনা কৰা হ'ল।

১) হেইজৰ মতে সামাজিক নিয়ন্ত্ৰণৰ প্ৰকাৰ ঃ

i) নিষেধাজ্ঞাৰ দ্বাৰা নিয়ন্ত্ৰণ, যেনে— বাধ্যজনক পুৰস্কৃত কৰা আৰু দুৰাচাৰ কৰাজনক শাস্তি দিয়া।

ii) সামাজিকৰণ আৰু শিক্ষাৰ দ্বাৰা নিয়ন্ত্ৰণ।

২) **কাল মানহেইমৰ সামাজিক নিয়ন্ত্রণৰ বিভাজন ঃ**

কার্ল মানহেইমে সামাজিক নিয়ন্ত্রণক দুটা ভাগত ভাগ কৰিছে—

i) **প্রত্যক্ষ সামাজিক নিয়ন্ত্রণ ঃ** ই হৈছে এক নিয়ন্ত্রণ— যিটো মানুহৰ প্রতিক্রিয়াৰ দ্বাৰা ব্যক্তিক অনুশীলন কৰা হয়, যিসকল নিকট চাৰিসীমাৰ ভিতৰত বাস কৰে, যেনে পৰিয়াল, ওচৰ-চুবুৰীয়া আৰু খেলৰ লগৰীয়া।

ii) **পৰোক্ষ সামাজিক নিয়ন্ত্রণ ঃ** এই প্রকাৰৰ নিয়ন্ত্রণত ব্যক্তিক কিছুমান কাৰক যেনে প্রথা, আইন, মতামত আদিয়ে অনুশীলন কৰে— যিয়ে সমগ্র সামাজিক ব্যৱস্থাক প্রভাৱিত কৰে, যেনে— মাধ্যমিক দল, পৰম্পৰা প্রথা।

৩) **কিমবলয়াংডে দাঙি ধৰা সামাজিক নিয়ন্ত্রণৰ ভাগ ঃ** কিমবলয়াংডে তলত উল্লেখ দুটা ভাগত সামাজিক নিয়ন্ত্রণক বিভক্ত কৰিছে।

i) **ইতিবাচক সামাজিক নিয়ন্ত্রণ ঃ** এই প্রকাৰৰ সামাজিক নিয়ন্ত্রণত ইতিবাচক পদক্ষেপসমূহ যেনে— পুৰস্কাৰ, খ্যাতি, সন্মান, স্বকৃতি আদিয়ে সামাজিক আচৰণ নিয়ন্ত্রণত উল্লেখযোগ্য ভূমিকা গ্রহণ কৰে।

ii) **নেতিবাচক সামাজিক নিয়ন্ত্রণ ঃ** ই হৈছে ইতিবাচক সামাজিক নিয়ন্ত্রণৰ বিপৰীত। ব্যক্তিয়ে শাস্তি, মানহানি আৰু নেতিবাচক সমালোচনাৰ ভয়ত সামাজিক শৃংখলা বজাই ৰাখি আচৰণ প্রদর্শন কৰে।

৪) **কুলিৰ মতে সামাজিক নিয়ন্ত্রণৰ প্রকাৰ ঃ** কুলিৰ মতে সামাজিক নিয়ন্ত্রণৰ দুই প্রকাৰৰ—

(i) সচেতন আৰু (ii) অসচেতন

সামাজিক নিয়ন্ত্রণৰ সচেতন গঠন অনুযায়ী সমাজে ব্যক্তিক গ্রহণযোগ্য উদ্দেশ্য অনুযায়ী কার্য কৰিবলৈ বাধ্য কৰায়। উদাহৰণস্বৰূপে— আইন, শিক্ষা ইত্যাদি।

অসচেতন পদ্ধতিৰ যোগেদি, সামাজিক অনুষ্ঠানসমূহ যেনে- ধর্ম, প্রথা, ৰীতি-নীতি আদিয়ে ব্যক্তিৰ আচৰণ নিয়ন্ত্রণ কৰে।

১০.৫ সামাজিক নিয়ন্ত্রণৰ মাধ্যমসমূহ

সমাজতত্ত্ববিদসকলে সামাজিক নিয়ন্ত্রণৰ মাধ্যমসমূহক বহলভাৱে দুটা ভাগত বিভক্ত কৰিছে—

ক) আনুষ্ঠানিক মাধ্যম

খ) অনানুষ্ঠানিক মাধ্যম

ক) সামাজিক নিয়ন্ত্রণৰ আনুষ্ঠানিক মাধ্যমসমূহ সামাজিক নিয়ন্ত্রণৰ আনুষ্ঠানিক মাধ্যমসমূহৰ ন্যায়সংগত ক্ষমতা থাকে। ই কিছুমান অনুষ্ঠান, যেনে— আইন, শৈক্ষিক অনুষ্ঠান আৰু ৰাষ্ট্র আদিৰ পৰা আহে।

i) আইন ঃ আইন হৈছে সামাজিক নিয়ন্ত্রণৰ এক শক্তিশালী আনুষ্ঠানিক মাধ্যম— যিয়ে সমাজত ব্যক্তিৰ আচৰণৰ নির্দেশনা প্রদান কৰে। প্রযুক্তিভিত্তিক আধুনিক সমাজব্যৱস্থাৰ

বাবে, ই বিশাল বৈচিত্র্য, ব্যক্তিত্ববাদ, শ্রম বিভাজন, কর্মৰ ক্ষেত্রত পার্থক্য, নীতিশাস্ত্র আৰু শৈলী ইত্যাদি বৈশিষ্ট্যযুক্ত হয়। নগৰীকৰণ আৰু আধুনিকীকৰণে সমাজত যথেষ্ট পৰিৱর্তন আনিছে আৰু এনেদৰে সমাজিক দলৰ বৈশিষ্ট্য সলনি কৰি পেলাইছে। পৰম্পৰাগত ৰীতি-নীতি আৰু লোক প্রথা বিভিন্নধৰণৰ জনসাধাৰণৰ দলক নিয়ন্ত্রণ কৰাৰ বাবে পর্যাপ্ত নহয়। সেইবাবে বর্তমান শতিকাত আইন আৰু বলৱৎকাৰী সংস্থাসমূহক আচৰণৰ নিয়ন্ত্রণ হিচাপে ৰীতি-নীতি আৰু আচাৰ-ব্যৱহাৰেৰে সলনি কৰা হয় আৰু সামাজিক শৃংখলা আৰু নিয়ন্ত্রণ নিশ্চিত কৰা হয়।

আইনক দুটা দিশৰ পৰা বিবেচনা কৰিব পাৰি। কিছুমান তত্ত্ববিদসকলৰ মতে ই হৈছে 'আদর্শ আচৰণগত গুণগত মান', অন্যহাতে আনসকলৰ মতে ই হৈছে নিয়ম যিবোৰ ৰাষ্ট্রই প্রচাৰিত কৰে— যিবোৰ প্রকৃতিগতভাৱে বাধ্যতামূলক।

ব্যক্তিয়ে আইন পালন কৰাৰ কাৰণবোৰ তলত দাঙি ধৰা হ'ল—

i) শাস্তিৰ ভয়

ii) নিয়মে নিশ্চিত কৰা অভ্যাস

আইনে ব্যক্তিক অসামাজিক কামত লিপ্ত হোৱাৰ পৰা বিৰত ৰাখে। যিসকল ব্যক্তিয়ে সামাজিক নিয়ম ভংগ কৰে তেওঁলোকক ৰাষ্ট্রৰ আইনে শাস্তি দিয়ে। ই সামাজিক নিয়ম আৰু আচৰণ বর্তাই ৰখাত সহায় কৰে।

ii) শৈক্ষিক অনুষ্ঠানসমূহ ঃ আইনৰ দৰে শিক্ষাও হৈছে সামাজিক নিয়ন্ত্রণৰ গুৰুত্বপূর্ণ মাধ্যম। শিশুৰ আচৰণ নির্ধাৰণৰ ক্ষেত্রত বিদ্যালয়ে এক উল্লেখযোগ্য ভূমিকা গ্রহণ কৰে। ই শিশুক সামাজিকভাৱে জীয়াই থাকিবলৈ প্রস্তুত কৰি তোলে আৰু সামাজিকৰণৰ প্রক্রিয়া সম্পর্কে তেওঁলোকক শিকায়, যেনে - সহযোগিতা, আত্মীয়কৰণ, সুবিধা, শৃংখলা, সহিষ্ণুতা আৰু একতা আদি। প্রত্যেক স্তৰৰ শৈক্ষিক অনুষ্ঠানসমূহ, যেনে— বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় পর্যায়ত ছাত্র-ছাত্রীক সামাজিক মূল্যবোধ আৰু নীতি-শাস্ত্রৰ জ্ঞান দিয়া হয়। বিভিন্ন পর্যায়ৰ শিক্ষাৰ পাঠ্যক্রম সমাজৰ প্রয়োজনৰ আধাৰত নির্ভৰশীল।

এনেদৰে, পুৰণি ভাৰতীয় সমাজত ধর্ম, স্থাপত্য আৰু দর্শনত গুৰুত্ব দিয়া হৈছিল। কিন্তু বর্তমান বেছিভাগে পৰিচালনা সংক্রান্তীয় কৌশলৰ প্রয়োগ দেখা যায়। শিক্ষানুষ্ঠানসমূহে কিছুমান উপযুক্ত ধাৰণা, যেনে— নৈতিকতা, নৈতিক আচৰণ, শৃংখলাবদ্ধতা, সামাজিক মূল্যবোধ, গণতান্ত্রিক মূল্যবোধ ইত্যাদিৰে ছাত্র-ছাত্রীক উদ্বুদ্ধ কৰি সামাজিক নিয়ন্ত্রণৰ মাধ্যম হিচাপে সেৱা আগবঢ়াই আহিছে।

iii) ৰাষ্ট্র ঃ ৰাষ্ট্র হৈছে সামাজিক নিয়ন্ত্রণৰ অন্যতম গুৰুত্বপূর্ণ আনুষ্ঠানিক মাধ্যম। ই চৰকাৰৰ জৰিয়তে কার্য কৰে। সমাজতত্ত্ববিদসকলে ৰাষ্ট্রৰ বিষয়ে এনেদৰে সংজ্ঞা দিছে। ৰাষ্ট্র হৈছে মূলতঃ 'শৃংখলা আৰু নিৰাপত্তা বজাই ৰাখিবলৈ গঠন কৰা এক সংস্থা— যিয়ে বলপূর্বকভাৱে সমর্থিত আৰু সার্বভৌম কর্তৃত্ব থকা বুলি স্বীকৃতিপ্রাপ্ত আইনৰ দ্বাৰা ভূখণ্ডৰ সীমাৰ ভিতৰত সার্বজনীন অধিকাৰৰ ক্ষেত্র প্রয়োগ কৰে।' ৰাষ্ট্রৰ গুৰুত্বপূর্ণ ভূমিকা হৈছে দেশৰ নাগৰিকসকলক ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক আৰু অর্থনৈতিক দিশত প্রশিক্ষণ দিয়া— যাতে তেওঁলোক

একোগৰাকী উৎসাহী, সম্পদশালী আৰু দেশপ্ৰেমিক ব্যক্তি হিচাপে গঢ়ি উঠে আৰু তেওঁলোকে যাতে আন্তৰিকতা, নিষ্ঠাসহকাৰে নিজৰ দেশলৈ সেৱা আগবঢ়ায়।

ৰাষ্ট্ৰই উঠি অহা প্ৰজন্মৰ প্ৰয়োজনসমূহ উপযুক্ত শিক্ষানুষ্ঠান প্ৰতিষ্ঠাৰ মাধ্যমেৰে পূৰণ কৰিব পাৰে।

খ) সামাজিক নিয়ন্ত্রণৰ অনানুষ্ঠানিক মাধ্যম ঃ সামাজিক নিয়ন্ত্রণৰ অনানুষ্ঠানিক মাধ্যমসমূহ হৈছে পৰিয়াল, চুবুৰীয়া, সমনীয়া দল, জাতি/শ্ৰেণী ধৰ্ম, জনসাধাৰণৰ মতামত ইত্যাদি।

১) **পৰিয়াল ঃ** পৰিয়াল হৈছে সামাজিক নিয়ন্ত্রণৰ আটাইতকৈ পুৰণি আৰু শক্তিশালী মাধ্যম। শিশু এটাৰ পৰিয়ালতে জন্ম হয় আৰু বিকাশো পৰিয়ালতে হয়। পৰিয়ালত ডাঙৰ হোৱাৰ সময়ত শিশুৱে তাৰ জীৱনৰ প্ৰথম পাঠ পৰিয়ালৰ পৰাই শিকে। পৰিয়ালৰ দায়িত্ব হৈছে শিশুসকলক মৰম আৰু যত্নৰে প্ৰতিপালন কৰা। মাতৃগৰাকী হৈছে শিশুৰ প্ৰথম শিক্ষক। মাতৃগৰাকীয়ে শিশুক সামাজিকীকৰণ প্ৰক্ৰিয়াত সহায় কৰে। প্ৰত্যেক পৰিয়ালৰে কিছুমান নীতি-নিয়ম আৰু মূল্যবোধ ব্যৱস্থা থাকে, শিশুসকলে স্বতঃস্ফূৰ্তভাৱে এইবোৰ আয়ত্ত কৰি লয়। সেইবাবে পৰিয়ালৰ ধৰ্মীয় নীতি-নিয়ম, পৰম্পৰা, উৎসৱ-পাৰ্বণ স্বতঃস্ফূৰ্তভাৱে শিশুৰ মনলৈ আহে। ই শিশুসকলৰ মনত নৈতিক শিক্ষা জাগ্ৰত কৰি তোলে। এনেদৰে পৰিয়ালে শিশুৰ ব্যক্তিত্ব গঠনৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

২) **ওচৰ-চুবুৰীয়া ঃ** ওচৰ-চুবুৰীয়া হৈছে সামাজিক নিয়ন্ত্রণৰ অন্য অনানুষ্ঠানিক মাধ্যম। ওচৰ-চুবুৰীয়াৰ দ্বাৰা প্ৰত্যাখ্যান, উপহাস, পৰচৰ্চা আৰু সামাজিক পৃথকীকৰণৰ ভয়ত ব্যক্তিয়ে আদৰ্শগতধৰণে আচৰণ প্ৰদৰ্শন কৰে। গাঁৱৰ আৰু নগৰ অঞ্চলৰ ওচৰ-চুবুৰীয়াৰ মাজত পাৰ্থক্য আছে। গাঁও অঞ্চলৰ লোকসকল সাধাৰণতে একে আত্মীয়, দল বা জাতি হয়, আৰু ওচৰ-চুবুৰীয়াসকলৰ মাজত অনানুষ্ঠানিক আৰু নিকট সমৃদ্ধ থাকে। অন্যহাতে, চহৰ অঞ্চলত ওচৰ-চুবুৰীয়াৰ সৈতে সম্পৰ্ক আনুষ্ঠানিক হয় আৰু তেওঁলোকৰ প্ৰকৃতি ভিন্নধৰ্মী হয়।

৩) **সমনীয়া দল ঃ** শিশুসকলৰ ক্ষেত্ৰত সমনীয়া দলৰো অৰিহণা আছে। এক গঠনমূলক সমনীয়া দলে তাৰ সদস্যসকলৰ মাজত সু-আচৰণ গঢ় দি তোলে। অন্যহাতে, ধ্বংসাত্মক প্ৰকৃতিয়ে হিংসামূলক কাৰ্যত লিপ্ত কৰায়— যিবোৰ অসামাজিক প্ৰকৃতিৰ হয়।

৪) **জাতি/শ্ৰেণী ঃ** জাতিৰ প্ৰধান কাৰ্য হৈছে শিশুসকলক সামাজিকীকৰণ কৰা। সমাজৰ প্ৰত্যেক জাতি আৰু শ্ৰেণীৰ নিজস্ব আচৰণবিধি থাকে— যিবোৰ ইয়াৰ সদস্যসকলৰ আচৰণ নিয়ন্ত্রণৰ বাবে ব্যৱহাৰ কৰা হয়।

৫) **ধৰ্ম ঃ** শিশুসকলৰ সামাজিকৰণৰ ক্ষেত্ৰত ধৰ্মৰো এক গুৰুত্বপূৰ্ণ অৰিহণা আছে। প্ৰত্যেক ধৰ্মৰে নিজস্ব মূল্যবোধ, আচাৰ-অনুষ্ঠান, মতবাদ আৰু নিজস্ব সৃষ্টি আছে। ধৰ্মীয় বিশ্বাসে মানুহক নৈতিক আচৰণ গঠনত ভাল-বেয়াৰ মাজত বিচাৰ কৰা, পৰিত্ৰ-অপৰিত্ৰৰ বিচাৰ কৰাত সহায় কৰে।

৬) **জনসাধাৰণৰ মতামত ঃ** জনসাধাৰণৰ মতামতৰ লগতে টিভি, ৰেডিঅ', বাতৰি কাকত, আলোচনী ইত্যাদিয়ে অন্য মাধ্যমৰ দৰে সামাজিক নিয়ন্ত্রণত সহায় নকৰে, যদিও এইবোৰে ব্যক্তিৰ আচৰণ প্রভাৱিত কৰাৰ ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা বহন কৰে।

৭) **লোকৰীতি ঃ** লোকৰীতি আইন বা সমাজৰ অন্য মাধ্যমৰ জৰিয়তে বলপূর্বকভাৱে কৰা নহয়। এইবোৰ গতানুগতিকভাৱে কৰা হয়। লোক-ৰীতিবোৰ হৈছে ব্যক্তিয়ে নিশ্চিত কৰা গুণগত মান। ই হৈছে সামাজিক নিয়ন্ত্রণৰ অনানুষ্ঠানিক মাধ্যম। লোকৰীতিসমূহ সাজ-সজ্জা, খাদ্যাভ্যাস, উৎসৱ পালন, উপাসনাৰ ধৰণ আৰু সম্ভাষণৰ পদ্ধতি আদিৰ জৰিয়তে উদ্ভাসিত কৰা হয়।

৮) **প্রথা ঃ** প্রথাসমূহে সমাজৰ নৈতিক আচৰণক বুজায়। ই লোকৰীতিৰ গতানুগতিক চর্চাৰ পৰা পৃথক। এইবোৰে সমাজৰ মূল্যবোধ ব্যৱস্থা প্রভাৱিত কৰে আৰু দলৰ সদস্যসকলৰ আচৰণ নিয়ন্ত্রণ কৰে। প্রথাসমূহে নির্দিষ্ট পৰিৱেশত ব্যক্তিসকলৰ সম্পর্ক নিয়ন্ত্রণ কৰে। যেনে— স্বামী আৰু স্ত্রীৰ মাজত, ভাই-ভনী ইত্যাদিৰ মাজত। ই কিছুমান নৈতিক গুণাৱলী, যেনে— সাধুতা, সত্যবাদিতা, কষ্ট কৰা, শৃংখলাবদ্ধতা আদিক বুজায়।

১০.৬ সামাজিক নিয়ন্ত্রণত শিক্ষণৰ ভূমিকা

সামাজিক নিয়ন্ত্রণৰ এক আহিলা হিচাপে শিক্ষাই দলৰ সামাজিক আচৰণৰ উত্তৰণত ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা বহন কৰে। ই হৈছে সামাজিককীৰণৰ এক প্রক্রিয়া। শিক্ষাই আমাৰ উঠি অহা প্রজন্মৰ মাজত সামাজিক মনোভাব গঢ়ি তোলে। ই আমাৰ শিশুসকলক শৃংখলাৰ মূল্য, সামাজিক সহযোগিতা, সহিষ্ণুতা আৰু ত্যাগ বিষয়ে শিকায়। সমাজতত্ত্ববিদ ডার্কখেইমৰ মতে শিক্ষাই সমাজৰ আদেশ কঢ়িয়াই লয় আৰু সমাজৰ দাবীৰ লগত খাপ খুৱাই ছাত্র-ছাত্রীৰ মনত পর্যাপ্ত উদ্যোগ আৰু জ্ঞান আগবঢ়াবলৈ এই আদেশসমূহ শিক্ষক আৰু ছাত্র-ছাত্রী উভয়ৰ ক্ষেত্রত বলৱৎ কৰে। সামাজিক নিয়ন্ত্রণৰ ক্ষেত্রত সমাজৰ ভূমিকা সম্পর্কে তলত চমুকৈ দাঙি ধৰা হ'ল—

১) শিক্ষাৰ দুবিধ কার্য আছে - যেনে ব্যক্তিৰ বিকাশৰ বাবে শিক্ষাৰ কার্য আৰু আনটো হৈছে সামাজিক বিকাশৰ বাবে কার্য। ব্যক্তি বিকাশে অন্তর্ভুক্ত কৰা কার্যসমূহ হৈছে—
   - ক) ব্যক্তিৰ বৃদ্ধি আৰু বিকাশৰ সমন্বয়
   - খ) প্রাকৃতিক ক্ষমতা, প্রতিভা, কৌশল আৰু মনোভাবৰ বিকাশ
   - গ) ব্যক্তিত্বৰ বিকাশ
   - ঘ) ভাল চৰিত্র গঠনত সহায় কৰা
   - ঙ) প্রবৃত্তিসমূহৰ নিয়ন্ত্রণ
   - চ) নৈতিক মূল্যবোধ, সৌন্দর্যবোধক মূল্যবোধ আদিৰ বিকাশ
   - ছ) প্রশংসা আৰু মনোযোগৰ বিকাশ

২) সামাজিক বিকাশে অন্তর্ভুক্ত কৰা দিশবোৰ হৈছে—

ক) সমাজৰ সংস্কৃতি ৰক্ষা কৰা আৰু ইয়াক এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ হস্তান্তৰ কৰা। সমাজৰ অস্তিত্ব বজাই ৰাখিবলৈ শিক্ষা প্ৰক্ৰিয়াৰ জৰিয়তে, উৎসৱ-পাৰ্বণ, ৰীতি-নীতি, আচাৰণ, ঐতিহ্য, সংস্কৃতি, ভাষা, অভিব্যক্তি, চিন্তা, বিশ্বাস, জ্ঞান আদি সংৰক্ষণ কৰা হয়।

খ) কিছুমান সামাজিক মূল্যবোধ যেনে— সহযোগিতা, সহানুভূতি, বন্ধুত্ব, দেশপ্ৰেম, আনক সন্মান কৰা, জীৱন শৃংখলাবদ্ধ কৰা, বিভিন্ন সামাজিক কাৰ্যাৱলীত অংশগ্ৰহণ কৰা আদি ক্ষেত্ৰত শিক্ষাই সহায় কৰে।

গ) সামাজিকীকৰণ প্ৰক্ৰিয়াত শিক্ষাই নৱজাতকসকলক মাজত সমাজিক গুণাৱলী বিকশাই তোলে। ই ব্যক্তিক সামাজিক মান, ঐতিহ্য ইত্যাদি গ্ৰহণ কৰাত সহায় কৰে।

ঘ) শিক্ষাৰ অন্য এক উল্লেখযোগ্য কাৰ্য হৈছে অৱসৰ সময়ৰ সঠিক উপযোগৰ ক্ষেত্ৰত শিশুসকলক সহায় কৰা। জ্ঞানী ব্যক্তিসকলে সদায় তেওঁলোকৰ অৱসৰৰ সময়ত গঠনমূলক কাৰ্য কৰি কটায়— যিয়ে ব্যক্তিৰ চৰিত্ৰ গঠনতেই নহয় সামাজিক চৰিত্ৰ গঠনতো সহায় কৰে।

ঙ) শিক্ষাই আৱেগিক সংহতি ৰক্ষাতো সহায় কৰে। ইয়াৰ জৰিয়তে বিভিন্ন জাতি, ধৰ্ম, সম্প্ৰদায় আৰু ভিন্নভাষী লোকসকলৰ মাজত আৱেগিক সংহতিৰ উন্নতি সাধন কৰিব পাৰি।

চ) শিক্ষাই ব্যক্তিসকলৰ মাজত সমাজ কল্যাণৰ দিশটোক উৎসাহিত কৰে।

ছ) শিক্ষাই পৰিৱৰ্তনশীল সমাজৰ প্ৰয়োজনৰ প্ৰতি গুৰুত্ব দিব লাগে। হৰ্নৰ মতে, 'যিদৰে জৈৱিক জীৱন সুষম আহাৰ আৰু প্ৰজননৰ দ্বাৰা পৰিচালিত আৰু প্ৰেৰিত হয় ঠিক সেইদৰে সামাজিক জীৱন শিক্ষাৰ জৰিয়তে প্ৰেৰিত হয়।'

জ) শিক্ষাই আমাৰ কাৰ্যসমূহ আৰু অভিজ্ঞতাবোৰৰ অবিৰত পুনৰ সংগঠন আৰু মিশ্ৰণৰ ক্ষেত্ৰত সহায় কৰে। জন ডিউইৰ ভাষাত, 'শিক্ষা হৈছে অভিজ্ঞতাসমূহৰ অবিৰত পুনৰ সংগঠনৰ দ্বাৰা জীয়াই থকাৰ এক প্ৰক্ৰিয়া। ই হৈছে ব্যক্তিৰ সকলোবোৰ সামৰ্থৰ বিকাশ— যিবোৰ তেওঁক নিজৰ পৰিৱেশৰ নিয়ন্ত্ৰণ আৰু সম্ভাৱনীয়তা পূৰণ কৰাত সহায় কৰে।' এইটো দিশৰ পৰা শিক্ষাই বিভিন্ন ধৰণৰ পদ্ধতি, যেনে— আনুষ্ঠানিক আৰু অনানুষ্ঠানিক অনুমোদন আদিৰ জৰিয়তে সামাজিক নীতি-নিয়ম পৰিচালিত কৰে। সামাজিক নিয়ন্ত্ৰণ কিছুমান অনানুষ্ঠানিক অনুমোদন, যেনে— লাজ, উপহাস, কটাক্ষ, সমালোচনা আৰু অসন্মতি আদি ব্যৱহাৰ কৰি পৰিচালনা কৰিব পাৰি। আনহাতে সামাজিক নিয়ন্ত্ৰণ আনুষ্ঠানিক অনুমোদন, যেনে— চৰকাৰ, সামাজিক আইন আদিৰ জৰিয়তেও ৰক্ষা কৰিব পাৰি। স্কুলত আনুষ্ঠানিক অনুমোদনে অন্তৰ্ভুক্ত কৰা দিশবোৰ হ'ল চকু দি থাক, স্থগিত বা অন্য আনুষ্ঠানিক শাস্তি।

ঞ) শিক্ষাক সামাজিক নিয়ন্ত্ৰণৰ এক আহিলা হিচাপে গণ্য কৰা হয়। এখন সমাজত সদায় দুটা বিপৰীতমুখী শক্তি থাকে, যেনে— কেন্দ্ৰমুখী বল আৰু কেন্দ্ৰত্যাগী বল। কেন্দ্ৰমুখী বলে প্ৰচলিত ধ্যান-ধাৰণাসমূহ সমাজত ৰাখিব বিচাৰে। প্ৰকৃততে ই পিছফালে গতি কৰে।

অন্যহাতে, কেন্দ্রত্যাগী বলে সমাজৰ বৃহৎ পৰিৱর্তন হোৱাতো বিচাৰে। সেইবাবে এই দুয়োটা শক্তিৰ মাজত সমতা ৰক্ষা কৰাতো অতি প্রয়োজনীয়, সেয়া নহ'লে সমাজত বিশৃংখলতা আৰু বিসংগতিৰ সৃষ্টি হ'ব। সামাজিক নিয়ন্ত্রণৰ আহিলা হিচাপে শিক্ষাই এই দুয়োবিধ শক্তিৰ মাজত সমতা ৰক্ষা কৰিব পাৰে। ই দমনমূলক আৰু প্রৰোচিতভাৰে সামাজিক নিয়ন্ত্রণ কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সামাজিক নিয়ন্ত্রণ কাক বোলে?

.....

.....

প্রশ্ন নং ২ ঃ ব্যক্তিৰ নিয়ন্ত্রণৰ প্রকাৰবোৰ কি কি?

.....

.....

প্রশ্ন নং ৩ ঃ সামাজিক নিয়ন্ত্রণৰ দুটা প্রয়োজন লিখক।

.....

.....

প্রশ্ন নং ৪ ঃ সামাজিক নিয়ন্ত্রণৰ যিকোনো এটা সংজ্ঞা লিখক।

.....

.....



১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- সামাজিক নিয়ন্ত্রণ হৈছে সমাজত ব্যক্তিৰ আচৰণ সামাজিক মানৰ জৰিয়তে নিয়ন্ত্রণ কৰা এক সাধাৰণ প্রক্রিয়া।
- ই ৰাষ্ট্র বা ইয়াৰ বাধ্যতামূলক শক্তিৰ জৰিয়তে ব্যক্তিৰ আচৰণ নিয়ন্ত্রণ কৰাৰ নির্দেশনা দিয়ে।
- সমাজত সামাজিক নীতি-নিয়ম বর্তাই ৰাখিবলৈ সামাজিক নিয়ন্ত্রণৰ প্রয়োজন।
- সামাজিক নিয়ন্ত্রণে সমাজত সমৰূপতা আৰু সামাজিক একতা ৰক্ষাত অৰিহণা যোগায়।
- বিভিন্ন সমাজতাত্ত্বিকসকলে সামাজিক নিয়ন্ত্রণক বিভিন্ন ধৰণে ভাগ কৰিছে।
- সমাজবিদসকলে সামাজিক নিয়ন্ত্রণৰ মাধ্যমসমূহক বহলভাৱে দুটা ভাগত বিভক্ত কৰিছে— আনুষ্ঠানিক মাধ্যম আৰু অনানুষ্ঠানিক মাধ্যম।
- সামাজিক নিয়ন্ত্রণৰ আনুষ্ঠানিক মাধ্যমসমূহ হৈছে— আইন, শৈক্ষিক অনুষ্ঠান আৰু ৰাষ্ট্র।

- সামাজিক নিয়ন্ত্রণৰ অনানুষ্ঠানিক মাধ্যমসমূহ হৈছে— পৰিয়াল, ওচৰ-চুবুৰীয়া, সমনীয়া দল, জনসাধাৰণৰ মতামত, ৰীতি, প্ৰথা আদি।
- সামাজিক নিয়ন্ত্রণৰ এক আহিলা হিচাপে শিক্ষাই দলৰ সামাজিক আচৰণৰ উত্তৰণৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰে।



১০.৮ অধিক জানিবলৈ

১) Bhatia, K. K., & Nanda, S. K. (2010). B.Ed. Guide. New Delhi: Kalyani Publishers.

২) Chaliha, A., Saikia, T. and Saikia, R. (2014). Foundation of Education. Jorhat: Vidyabhawan.

৩) Chaliha, B., Saikia,T. and Saikia, R. (2015). Sikshar Darshanik Vitti. Jorhat: Vidyabhawan.

৪) Randhawa, Saira (2016). Social Control and Agencies of Social Control (www.slideshare.net).

৫) Sharmah, M. (2015). Foundation of Education. Dibrugarh: Banalata.

৬) www.studylectures.com



১০.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সামাজিক নিয়ন্ত্রণ হৈছে সমাজত ব্যক্তিৰ আচৰণ সামাজিক মানৰ জৰিয়তে নিয়ন্ত্রণ কৰা এক সাধাৰণ প্ৰক্ৰিয়া। ই সাধাৰণতে সামাজিক আৰু ৰাজনৈতিক প্ৰক্ৰিয়াবোৰৰ সৈতে জড়িত যিবোৰ ব্যক্তি আৰু সমাজৰ আচৰণ নিৰ্ধাৰণ কৰে, যাৰ দ্বাৰা কোনো এখন সমাজৰ নীতি-নিয়মৰ প্ৰতি সন্মতি প্ৰদান কৰা হয়। ই ব্যক্তিক বিভিন্ন পৰিৱেশত সমাজৰ আচৰণ বিধিৰ সৈতে সমাযোজন কৰাত সহায় কৰে। ই ৰাষ্ট্ৰ বা ইয়াৰ বাধ্যতামূলক শক্তিৰ জৰিয়তে ব্যক্তিৰ আচৰণ নিয়ন্ত্রণৰ নিৰ্দেশনা দিয়ে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ কিছুমান সমাজতত্ত্ববিদে সামাজিক নিয়ন্ত্রণৰ দুটা মৌলিক ধৰণ উল্লেখ কৰিছে—

ক) গুণগত মান আৰু মূল্যবোধৰ আন্তৰ্জাতিকৰণ

খ) বাহ্যিক অনুমোদন, যিবোৰ ইতিবাচক (পুৰস্কাৰ) বা নেতিবাচক (শাস্তি) বা শক্তিৰ ব্যৱহাৰ

৩ নং প্রশ্নৰ উত্তৰ ঃ ১) সামাজিক নিয়ন্ত্রণে সামাজিক স্বার্থ ৰক্ষাত আৰু সাধাৰণ প্রয়োজন পূৰণত সহায় কৰে।

২) সমাজৰ পুৰণি শৃংখলা বজাই ৰখাৰ বাবে সামাজিক নিয়ন্ত্রণ অতি প্রয়োজনীয়। পৰিয়ালৰ বয়সস্থসকলৰ দায়িত্ব হৈছে তেওঁলোকৰ পৰম্পৰা, মূল্যবোধ আৰু উপযুক্ত আচৰণৰ সৈতে নতুন চামক সামাজিকীকৰণ কৰি তোলা।

৪ নং প্রশ্নৰ উত্তৰ ঃ ৰবার্টৰ মতে, 'সামাজিক নিয়ন্ত্রণ হৈছে যিকোনো সমাজত মানৰ আচৰণক নিয়ন্ত্রণ কৰা পদ্ধতি আৰু কৌশলসমূহ।' তেওঁৰ মতে, সামাজিক নিয়ন্ত্রণে সমাজৰ সকলো স্তৰতে কাম কৰে। উদাহৰণ স্বৰূপে, আমাৰ পৰিয়ালসমূহত আমি সকলোৱে পিত-মাতৃক মানি চলোঁ, কার্যালয়ত আমি প্রতিষ্ঠানৰ আনুষ্ঠানিক নিয়ম মানি চলোঁ ইত্যাদি।



১০.১০ আৰ্হি প্রশ্ন

ক) চুটি প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ১৫০ শব্দৰে দিয়ক)

প্রশ্ন ১ ঃ সামাজিক নিয়ন্ত্রণৰ সংজ্ঞা দিয়ক।

প্রশ্ন ২ ঃ লোকপ্রথা আৰু ৰীতি-নীতি কোনবোৰ?

প্রশ্ন ৩ ঃ সামাজিক নিয়ন্ত্রণৰ দুটা প্রয়োজন উল্লেখ কৰক।

প্রশ্ন ৪ ঃ সামাজিক নিয়ন্ত্রণৰ আহিলা হিচাপে শিক্ষাৰ ভূমিকা সম্পর্কে লিখক।

খ) দীঘলীয়া প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ৩০০-৫০০ শব্দৰে দিয়ক)

প্রশ্ন ১ ঃ সামাজিক নিয়ন্ত্রণৰ বুলিলে কি বুজে? সামাজিক নিয়ন্ত্রণৰ প্রকাৰবোৰ উল্লেখ কৰক।

প্রশ্ন ২ ঃ সামাজিক নিয়ন্ত্রণত শিক্ষাৰ ভূমিকা আলোচনা কৰক।

প্রশ্ন ৩ ঃ সামাজিক নিয়ন্ত্রণৰ বিভিন্ন মাধ্যমসমূহৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১১ ঃ শিক্ষাৰ সমাজবিজ্ঞানসন্মত ভেটি

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ সংস্কৃতিৰ প্ৰকৃতি
  ১১.৩.১ সংস্কৃতিৰ অৰ্থ
  ১১.৩.২ সংস্কৃতিৰ প্ৰকৃতি
১১.৪ সাংস্কৃতিক পশ্চাৎৱৰতিতা
১১.৫ সাংস্কৃতিক বিক্ষিপ্তকৰণ
১১.৬ শিক্ষা আৰু সংস্কৃতি
১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৮ অধিক জানিবলৈ
১১.৯ অগ্ৰগতিৰ খতিয়ান
১১.১০ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সংস্কৃতিৰ অৰ্থ বৰ্ণনা কৰিব পাৰিব
- সংস্কৃতিৰ প্ৰকৃতি চিনাক্ত কৰিব পাৰিব
- সাংস্কৃতিক পশ্চাৎৱৰ্তিতাৰ অৰ্থ ব্যাখ্যা কৰিব পাৰিব
- সাংস্কৃতিক বিক্ষিপ্ততাৰ বিষয়ে আলোচনা কৰিব পাৰিব আৰু
- শিক্ষা আৰু সংস্কৃতিৰ সম্পৰ্ক ব্যাখ্যা কৰিব পাৰিব।

১১.২ পৰিচয়

এই অধ্যায়টোত আমি সংস্কৃতিৰ অৰ্থ আৰু প্ৰকৃতি সম্পৰ্কে আলোচনা কৰিছোঁ। তদুপৰি এই অধ্যায়টোত সাংস্কৃতিক পশ্চাৎবৰ্তিতা আৰু সাংস্কৃতিক বিক্ষিপ্ততাৰ ধাৰণাৰ সম্পৰ্কতো গুৰুত্ব দিয়া হৈছে। আমি জানিবলৈ সক্ষম হৈছোঁ যে শিক্ষা আৰু সংস্কৃতিৰ মাজত এক নিবিড় সম্পৰ্ক বিৰাজমান।

এখন সমাজৰ সাংস্কৃতিক আদৰ্শই তাৰ শৈক্ষিক আদৰ্শৰ পথ প্ৰদৰ্শন কৰে। সেইবাবে, এখন দেশৰ সংস্কৃতিৰ আদৰ্শই তাৰ শিক্ষাব্যৱস্থাক শক্তিশালীভাৱে প্ৰভাৱিত কৰে। এই অধ্যায়টোৰ শিক্ষা আৰু সংস্কৃতিৰ ওতপ্ৰোত সম্পৰ্কৰ বিষয়ে বিশ্লেষণ কৰা হৈছে।

১১.৩ সংস্কৃতিৰ অর্থ আৰু প্রকৃতি

১১.৩.১ সংস্কৃতিৰ অর্থ

নৃতাত্ত্বিক ভাষাত সংস্কৃতি শব্দটো বিভিন্ন অর্থত ব্যৱহাৰ কৰা হয়। কিন্তু সাধাৰণতে সংস্কৃতি শব্দটো বহু প্রজন্মৰ মাজেৰে এখন সমাজ গঢ়ি তোলা নীতি-নিয়ম আৰু মান ব্যৱস্থা বুজাবলৈ ব্যৱহাৰ কৰা হয় আৰু যিয়ে সেই সমাজৰ মানুহৰ দৈনন্দিন আচৰণত গভীৰ প্রভাৰ পেলায়। সেইবাবে সংস্কৃতি হৈছে সামাজিকভাৱে ৰূপান্তৰ হোৱা ধৰণৰ একত্রীকৃত শব্দ। সাধাৰণ ভাষাত, মানুহে যি কৰে সেয়াই হৈছে সংস্কৃতি। সংস্কৃতি হৈছে এক সম্পূর্ণ সমগ্রতা— য'ত জ্ঞান, বিশ্বাস, ৰীতি-নীতি, শিল্প, নৈতিকতা, আইন আৰু মানুহ বা সমাজত কোনো সদস্যই আহৰণ কৰা আন যিকোনো সামর্থ্য আৰু অভ্যাস অন্তর্ভুক্ত কৰা হয়।

'Culture' শব্দটো 'Cultivate' ক্রিয়াটোৰ পৰা ব্যুৎপত্তি হৈছে যাৰ বিশেষ্য শব্দটো হৈছে 'Cultivation'। সেইবাবে Cultiveৰ অর্থ হৈছে 'পৰিমার্জিত' বা 'চহোৱা'। ই কর্ষণৰ দ্বাৰা ব্যক্তিক পৰিশোধিত কৰে। তদুপৰি ইয়াৰ অর্থ হৈছে ব্যক্তিক সভ্য কৰি তোলা।

সমাজতত্ত্ববিদসকলে সংস্কৃতিৰ সংজ্ঞা ভিন্নধৰণে দাঙি ধৰা দেখা যায়। এতিয়া সংস্কৃতিৰ কিছুমান গুৰুত্বপূর্ণ সংজ্ঞাত চকু ফুৰাওঁ আহক। এইবোৰে সংস্কৃতিৰ প্রকৃত অর্থ দাঙি ধৰিব।

- মেক আইভাৰৰ মতে, 'সংস্কৃতি হৈছে আমাৰ জীৱন পদ্ধতি, ভাবধাৰা, কলা, সাহিত্য, ধর্ম, অৱসৰ বিনোদন আৰু উপভোগৰ বিষয় আৰু প্রকৃতিৰ প্রকাশ।'
- ৰবার্ট বাৰষ্টেদৰ ভাষাত, 'সমাজ এখনৰ সদস্য হিচাপে আমি যি ভাবোঁ, যি কৰোঁ আৰু আমাৰ যি আছে এই সকলোবোৰৰ জটিল সামগ্রিক ৰূপেই হ'ল সংস্কৃতি।'
- ডউচনে কৈছে, 'মানুহৰ স্বাভাৰিক পৰিৱেশ আৰু অর্থনৈতিক প্রয়োজনীয়তাৰ লগত খাপ খুৱাই লোৱাৰ এক সাধাৰণ উপায় হ'ল সংস্কৃতি।'
- ইলউডে সংস্কৃতিৰ এক বহলভিত্তিক সংজ্ঞা দাঙি ধৰিছে। তেওঁ কৈছে, 'সংস্কৃতিত মানুহৰ সকলো বস্তুগত সভ্যতা, সঁজুলি, অস্ত্র, কাপোৰ, আশ্রয়, যন্ত্র আৰু আনকি উদ্যোগ ব্যৱস্থাও অন্তর্ভুক্ত।'
- সংস্কৃতিৰ এক মৌলিক সংজ্ঞা এডৱার্ড বি. টেইলৰে (১৮৭১) দাঙি ধৰিছে— যিটো আজিও বহুলভাৱে ব্যৱহৃত হয়। তেওঁৰ মতে, 'সংস্কৃতি হৈছে এক জটিল সামগ্রিক ৰূপ— যি জ্ঞান, বিশ্বাস, কলা, নীতিবোধ, আইন, প্রথা আৰু সমাজৰ সদস্য হিচাপে মানুহে আহৰণ কৰিবলগীয়া অন্যান্য দিশসমূহ সামৰি লয়।'

১১.৩.২ সংস্কৃতিৰ প্ৰকৃতি

সংস্কৃতিৰ প্ৰকৃতি সম্পৰ্কে তলত দাঙি ধৰা হ'ল।

১) **আৰ্জিত প্ৰকৃতি ঃ** সংস্কৃতি জন্মগত নহয়। ই হৈছে এক আৰ্জিত প্ৰক্ৰিয়া আৰু মানুহে তেওঁলোকৰ পৰিৱেশ অনুযায়ী নিজকে গঢ়ি তোলে।

২) **সামাজিক প্ৰকৃতি ঃ** সামাজিক আদান-প্ৰদানৰ ফলত সংস্কৃতিৰ উদ্ভৱ হয়। ই হৈছে সমাজৰ দ্বাৰা সৃষ্টি।

৩) **ভাগ কৰা প্ৰকৃতি ঃ** সংস্কৃতি হৈছে কোনো দল বা সমাজৰ মানুহে গ্ৰহণ কৰা, ব্যৱহাৰ কৰা আৰু ভাগ কৰা বস্তু। উদাহৰণস্বৰূপে— ৰীতি-নীতি, পৰম্পৰা, বিশ্বাস, ভাবধাৰা, মূল্যবোধ, নৈতিকতা আদি ভাগ কৰা হয়।

৪) **হস্তান্তৰিত প্ৰকৃতি ঃ** সংস্কৃতি এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ হস্তান্তৰিত হয়। পিতৃ-মাতৃয়ে তেওঁলোকৰ সন্তানলৈ সংস্কৃতি হস্তান্তৰিত কৰে আৰু সেই সন্তানে তেওঁলোকৰ পিছৰ পুৰুষলৈ কঢ়িয়াই নিয়ে।

৫) **অবিৰত আৰু ক্ৰমবৰ্ধমান প্ৰকৃতি ঃ** সংস্কৃতি হৈছে অবিৰত বা ধাৰাবাহিক প্ৰক্ৰিয়া। সংস্কৃতি হৈছে এক ক্ৰমবৰ্ধমান সমগ্ৰতা— যিয়ে নিজৰ মাজতে অতীত আৰু বৰ্তমানৰ কৃতিত্বসমূহ অন্তৰ্ভুক্ত কৰে আৰু মানৱ জাতিৰ ভৱিষ্যতৰ কৃতিত্বৰ ব্যৱস্থা কৰে।

৬) **অবিচলিত আৰু একত্ৰিত প্ৰকৃতি ঃ** সংস্কৃতি হৈছে অবিচলিত প্ৰকৃতি আৰু সংস্কৃতিৰ বিভিন্ন অংশবোৰ মাজত আন্তঃসম্পৰ্ক বিৰাজমান। উদাহৰণ স্বৰূপে, সমাজৰ মূল্যবোধ ব্যৱস্থাৰ আন কিছুমান দিশ, যেনে— নৈতিকতা, ধৰ্ম, ৰীতি-নীতি, পৰম্পৰা, বিশ্বাস আদিৰ সৈতে নিবিড় সম্পৰ্ক থাকে।

৭) **গতিশীল আৰু অভিযোজিত প্ৰকৃতি ঃ** সংস্কৃতি লাহে লাহে অবিৰতভাৱে সলনি হয়। সেইবাবে ই গতিশীল প্ৰকৃতিৰ।

৮) **পৰিতৃপ্ত প্ৰকৃতি ঃ** সমাজৰ এগৰাকী সদস্য হিচাপে মানুহৰ বিভিন্ন প্ৰয়োজন থাকে, যেনে- পদমৰ্যাদাৰ প্ৰতি ইচ্ছা, নাম, খ্যাতি, টকা-পইচা ইত্যাদি। এনে প্ৰয়োজনবোৰ সংস্কৃতিয়ে পূৰণ কৰে।

৯) **সুকীয়া সত্তা ঃ** পৃথিৱীৰ বিভিন্ন সমাজৰ সংস্কৃতি হৈছে বিভিন্নধৰণৰ। প্ৰতিখন সমাজৰ সংস্কৃতি সেই বিশেষ সমাজখনৰ বাবে অনন্য।

১০) সংস্কৃতিয়ে মানৱ জাতিৰ পুনৰাবৃত্তিমূলক চাহিদাসমূহ পূৰণ কৰে, যেনে- প্ৰজনন, নৱজাতৰ শুশ্ৰূষা, বিবাহ, অন্ত্যেষ্টিক্ৰিয়া ইত্যাদি। এই সকলোবোৰ চাহিদা এটা প্ৰজন্মৰ পাৰ আনটো প্ৰজন্মলৈ সংস্কৃতিয়ে পূৰণ কৰে।

১১.৪ সাংস্কৃতিক পশ্চাৎৱর্তিতা

আধুনিক সমাজত সাংস্কৃতিক পশ্চাৎৱর্তিতাৰ এক গুৰুত্বপূর্ণ তাৎপর্য আছে। এই সাংস্কৃতিক পশ্চাৎবর্তিতাৰ ধাৰণাটো যদিও পূর্বৰ লিখাবোৰ সমাজতত্ত্ববিদসকলে, যেনে— চামান... ওৱালাচ, স্পেনচাৰ আদিয়ে লিখিছে, কিন্তু উইলিয়াম অগর্বানে তেওঁৰ কিতাপ 'Social change with respect to culture and original nature'ত সংস্কৃতিক পশ্চাৎৱর্তিতাৰ এটা সংজ্ঞা দাঙি ধৰিছে, যিখন কিতাপ ১৯২২ চনত প্রকাশিত হৈছিল। সেই সময়ৰ পৰা সমাজতত্ত্ববিদসকলে সাংস্কৃতিক পশ্চাৎৱর্তিতাক বিভিন্ন দিশৰ পৰা বিবেচনা কৰি আহিছে।

অগবার্নৰ তত্ত্ব অনুসৰি যিকোনো সমাজৰ সংস্কৃতিৰ উপাদানসমূহৰ মাজত আন্তঃসম্পর্ক থাকে। সংস্কৃতিৰ সকলো দিশসমূহ, যেনে— বৈষয়িক বা বস্তুগত আৰু একে সময়ত নহয়। সেইবাবে, সংস্কৃতিৰ কোনো এটা অংশত পৰিৱর্তন হ'লে অন্য আন্তঃসম্পর্ক থকা অংশত চাপ আৰু অসুবিধা সৃষ্টি কৰে।

অগবার্নৰ ভাষাত, 'অসমান হাৰত পৰিৱর্তিত হোৱা সংস্কৃতিৰ দুটা সম্পর্কিত অংশৰ মাজত থকা চাপক আটাইতকৈ লেহেমীয়া হাৰত পৰিৱর্তিত হোৱা অংশটোক পশ্চাৎ বুলি ব্যখ্যা কৰিব পাৰি— যি অংশটো আনটোতকৈ পিছ পৰি থাকে।'

আহকচোন আমি বস্তুগত আৰু আবস্তুগত সংস্কৃতিৰ বিষয়ে বুজিবলৈ চেষ্টা কৰোঁ। বস্তুগত সংস্কৃতি হৈছে বাহ্যিক, যান্ত্রিক আৰু উপযোগী বস্তু— যিবোৰ মানুহে সৃষ্টি কৰে, যেনে, আহিলাসমূহ, আচবাব, গাড়ী-মটৰ, বিল্ডিং, দলং, ৰাস্তা, বান্ধ আদি আৰু প্রকৃততে সকলো পৰিৱর্তনশীল আৰু মানুহৰ ব্যৱহাৰযোগ্য ভৌতিক বস্তুসমূহেই হৈছে বস্তুগত সংস্কৃতিৰ অন্তর্গত। ই প্রযুক্তিগত আৰু আহিলা-পাতি, যেনে— ছপাশাল, টিভি, ট্রেক্টৰ, বন্দুক আদিকো অন্তর্ভুক্ত কৰে। তদুপৰি ই বেংক, সাংসদ, বীমা আঁচনি, মুদ্রা ব্যৱস্থা আদিকো সামৰি লয়। চমুকৈ ক'বলৈ হ'লে মানুহে বনোৱা সকলোধৰণৰ বস্তু আৰু সম্পদ— যিবোৰ প্রকৃতিৰ ব্যৱহাৰযোগ্য বস্তু সকলোবোৰকেই বস্তুগত সংস্কৃতি বা প্রকাশ্য সংস্কৃতি বুলি কোৱা হয়। বস্তুগত সংস্কৃতিক সভ্যতা বুলি কোৱা হয়।

আনহাতে অবস্তুগত বা গোপন সংস্কৃতি হৈছে আভ্যন্তৰীণ আৰু অন্তর্নিহিতভাৱে থকা গুণ আৰু এইসমূহে ব্যক্তিৰ অন্তর্মুখী প্রকৃতিক প্রতিফলিত কৰে। ই কিছুমান বিমূর্ত বস্তু যেনে বিশ্বাস, ৰীতি-নীতি, পৰম্পৰা, গুণগত মান, মূল্যবোধ, ভাষা, ইত্যাদি যিবোৰ সমাজৰ মানুহে মানি চলে, সেইসমূহৰ দ্বাৰা গঠিত। তদুপৰি ই মানুহৰ মনোভাব আৰু দৃষ্টিভংগীকো সামৰি লয়। চমুকৈ ক'বলৈ হ'লে অবস্তুগত সংস্কৃতি হৈছে আমাৰ কার্যতঃ পদ্ধতি, অনুভৱ আৰু চিন্তাৰ ধৰণ। সাধাৰণভাৱে যেতিয়া আমি 'সংস্কৃতি' শব্দটো ব্যৱহাৰ কৰে। ই অবস্তুগত সংস্কৃতিকে প্রধানাক বুজায়। সংস্কৃতিৰ দুয়োটা দিশৰ মাজত পার্থক্য থাকিলেও দুয়োটাৰে সত্তা থাকে। বস্তুগত সংস্কৃতি হৈছে উপায় আৰু অবস্তুগত সংস্কৃতি হৈছে অন্ত। বস্তুগত সংস্কৃতিৰ পৰিৱর্তনে অবস্তুগত সংস্কৃতিৰ পৰিৱর্তনক উদ্দীপিত কৰি তোলে। কিন্তু বস্তুগত আৰু অবস্তুগত সংস্কৃতিৰ পৰিৱর্তনৰ অনুপাত

একে প্ৰকৃতিৰ নহয়। উদাহৰণ স্বৰূপে, বিজ্ঞানৰ নতুন উদ্ভাৱনে বৰ্তমান সমাজত আমাৰ জীৱন ধাৰণৰ শৈলীৰ বহুত পৰিৱৰ্তন আনিছে। কিন্তু অবস্তুগত সংস্কৃতি, যেনে— বিশ্বাস, চিন্তা, মূল্যবোধ ব্যৱস্থা ইত্যাদিৰ বেছি পৰিৱৰ্তন নহয় আৰু পিছ পৰি থাকে। বস্তুগত আৰু অবস্তুগত সংস্কৃতিৰ মাজত থকা ব্যৱধানকেই আমি সাংস্কৃতিক পশ্চাৎৱৰ্তিতা বুলি কওঁ। সেইবাবে, আমি বুজি পাওঁ যে যেতিয়া সমাজৰ বিভিন্ন দিশবোৰ ইয়াৰ অন্য দিশত ঘটা পৰিৱৰ্তনৰ সৈতে সমাযোজন কৰাত ব্যৰ্থ হয় তেতিয়াই সাংস্কৃতিক পশ্চাৎৱৰ্তিতাই দেখা দিয়ে।

এখন সমাজত সাংস্কৃতিক পশ্চাৎৱৰ্তিতাই বিভিন্ন প্ৰকাৰে সমস্যাৰ সৃষ্টি কৰিব পাৰে, যেতিয়া নতুন প্ৰযক্তি প্ৰয়োগৰ মুহূৰ্ত আহি পাৰে, তেতিয়া সাংস্কৃতিক পশ্চাৎৱৰ্তিতাৰ সমস্যা আহি পৰে। উদাহৰণ স্বৰূপে, আংশিকভাৱে বিভেদযুক্ত কোষৰ গৱেষণাৰ আগমনৰ ফলত বহুতো নতুন সাম্ভাব্য উপকাৰী চিকিৎসা প্ৰযুক্তিৰ জন্ম হৈছে। কিন্তু এই নতুন প্ৰযুক্তিবোৰে গুৰুতৰ নৈতিক প্ৰশ্নৰ অৱতাৰণা কৰিছে চিকিৎসাৰ ঔষধত এই কোষবোৰৰ প্ৰয়োগৰ ক্ষেত্ৰত। সাংস্কৃতিক পশ্চাৎৱৰ্তিতাক এক জটিল নৈতিক বিষয় হিচাপে গণ্য কৰা হয় কাৰণ আধুনিক প্ৰযুক্তিৰ সফল প্ৰয়োগত বহুল সামাজিক সামঞ্জস্য গঢ়ি তুলিব নোৱৰাৰ ফলত সামাজিক সংহতিৰ বিভাজন আৰু সামাজিক সংঘাতৰ উত্থান হ'ব পাৰে।



জানি থোৱা ভাল

সাংস্কৃতিক পশ্চাৎৱৰ্তিতাৰ সমৰ্থক শব্দৰ বিষয়ে জানি থোৱা ভাল।

প্ৰযুক্তিগত পশ্চাৎৱৰ্তিতা ঃ প্ৰযুক্তিগত পশ্চাৎৱৰ্তিতা তেতিয়া দেখা দিয়ে যেতিয়া প্ৰযুক্তিৰ যিকোনো এটা দশে অন্য দিশৰ সৈতে খোজ মিলাব নোৱাৰে, যাৰ ফলত সমগ্ৰ ব্যৱস্থাটোৰ উৎপাদনশীলতা হ্ৰাস পায়। এইটো হ'ব পাৰে যেতিয়া কোম্পানী এটাৰ পৰিচালনা নাই— নিজৰ কাৰ্যকলাপৰ পৰিসৰ বৃদ্ধি কৰাৰ সময়ত সকলো দক্ষতা বজাই ৰাখিব নোৱাৰে। বিশেষকৈ যেতিয়া ই এটা একত্ৰিত ট্ৰাষ্টৰ অংশ হৈ পৰে। উদাহৰণ স্বৰূপে, আমি বনাঞ্চলৰ সম্পদসমূহ ব্যৱহাৰ কৰিবলৈ প্ৰয়োজনীয় দক্ষতা আৰু বিশেষজ্ঞতা আহৰণ কৰিব পাৰোঁ, কিন্তু বনজ সম্পদ সংৰক্ষণৰ প্ৰয়োজনীয় জ্ঞান আহৰণ কৰাৰ আগতে সময়ৰ বিৰতি থাকিব পাৰে।

১১.৫ সাংস্কৃতিক বিক্ষিপ্তকৰণ

সাংস্কৃতিক বিক্ষিপ্তকৰণ হৈছে এক প্ৰক্ৰিয়া, যাৰ জৰিয়তে বস্তুগত আৰু অবস্তুগত সংস্কৃতিক সংলক্ষণসমূহ এখন সমাজৰ পৰা আন এখন সমাজলৈ প্ৰবাহিত হয়। ই হৈছে বিভিন্ন সমাজলৈ ভাবধাৰা, বিশ্বাস আৰু উদ্ভাৱনৰ এক সংমিশ্ৰণ। গোটেই পৃথিৱীতে সাংস্কৃতিক বিক্ষিপ্তকৰণ ঘটে আৰু বৰ্তমান সমাজত ই অতি সাধাৰণ। ফাষ্ট ফুডৰ পৰা নতুন প্ৰযুক্তিলৈ বিভিন্ন সংস্কৃতিয়ে এটাই আনটোৰ লগত অবিৰতভাৱে আদান-প্ৰদান কৰে, ফলত সাংস্কৃতিক বিক্ষিপ্তকৰণৰ সৃষ্টি হয়।

বিভিন্ন নৃতত্ত্ববিদ আৰু সমাজতত্ত্ববিদসকলে সাংস্কৃতিক বিক্ষিপ্তকৰণৰ বিষয়ে দিয়া সংজ্ঞাসমূহত চকু ফুৰাওঁ আহক।

হাৰচকোভিটৰ মতে, 'সাংস্কৃতিক বিক্ষিপ্তকৰণ হৈছে সাংস্কৃতিক ৰূপান্তৰপ্রাপ্ত হোৱা।'

কোব্রাৰৰ ভাষাত, 'এটা সাংস্কৃতিক উপাদান, বস্তুগত আৰু অবস্তুগত উভয় উপাদানৰ আনটোলৈ বিস্তাৰ হোৱাকে সাংস্কৃতিক বিক্ষিপ্তকৰণ বোলে।'

সাধাৰণ ভাষাত আমি তলত দিয়া ধৰণে সাংস্কৃতিক বিক্ষিপ্তকৰণৰ সংজ্ঞা দিব পাৰোঁ। 'যি প্রক্রিয়াৰ যোগেদি এখন সমাজৰ সাংস্কৃতিক সংলক্ষণ আন এখন সমাজলৈ প্রত্যক্ষ বা পৰোক্ষভাৱে প্রবাহিত হয় তাক সাংস্কৃতিক বিক্ষিপ্তকৰণ বোলা হয়।'

সমাজতত্ত্ববিদ জর্জ মার্দকৰ মতে, এখন সমাজৰ প্রায় ৯০ শতাংশ বিষয়বস্তু আন সমাজবোৰৰ পৰা আহৰণ কৰা। এখন সমাজে নতুন ভাবধাৰা বা সংস্কৃতিৰ সংলক্ষণ অন্য সমাজৰ পৰা গ্রহণ কৰে, আৰু সেইবোৰক তেনেদৰেই ব্যৱহাৰ কৰে, বা যদি এখন বিদেশৰ সমাজৰ সাংস্কৃতিক সংলক্ষণ গ্রহণ কৰে তেতিয়া সেইবোৰক নিজৰ প্রয়োজন অনুসৰি সুবিধাজনক কৰি লয়। সাধাৰণতে, বস্তুগত সংলক্ষণৰ প্রসাৰৰ বাবে সময় লাগে আৰু ইয়াৰ ক্রমান্বয়ে প্রসাৰ ঘটে। উদাহৰণ স্বৰূপে, যিশু বা বুদ্ধ বা ধর্ম প্রচাৰকৰ শিকনিসমূহ সমাজৰ পৰা সমাজলৈ প্রসাৰ ঘটে, ই হৈছে সাংস্কৃতিক বিক্ষিপ্তকৰণ।

নৃতত্ত্ববিদ আৰু সমাজতত্ত্ববিদসকলে সময়ে সময়ে সাংস্কৃতিক বিক্ষিপ্তকৰণৰ বিভিন্ন তত্ত্বসমূহ আগবঢ়াইছে, সেইসকল হৈছে এডৱার্ড টেইলৰ, ফ্রেনজবাচ, ৰৱাটই-পার্ক আৰু আর্নেষ্ট বাৰগেচ প্রভৃতি। এই তত্ত্ববোৰৰ সাধাৰণ উপাদানসমূহক সাংস্কৃতিক বিক্ষিপ্তকৰণৰ সাধাৰণ নীতি বুলি কোৱা হয় আৰু তলত এইবোৰ দাঙি ধৰা হ'ল—

১) সমাজ বা সামাজিক দলে অন্য সমাজৰ পৰা উপাদান আনি হয়তো সলনি কৰি লয় বা সেইবোৰ গ্রহণ কৰি নিজৰ সংস্কৃতিত খাপ খুৱাই লয়।

২) সাধাৰণতে, যিবোৰ উপাদান বিদেশী সমাজৰ পৰা ধাৰ কৰি অনা হয় সেইবোৰ ইতিমধ্যে আঁত ধৰোতা সংস্কৃতিৰ বর্তমানৰ বিশ্বাসৰ সৈতে খাপ খায়।

৩) যিবোৰ বিদেশী সমাজৰ পৰা ধাৰ কৰি অনা উপাদান বর্তমান সমাজৰ বিশ্বাসৰ সৈতে খাপ নেখায় সেইবোৰ সমাজৰ সদস্যসকলে গ্রহণ নকৰে।

৪) যিবোৰ সংস্কৃতিৰ উপাদন উপযোগী তেনে উপাদানবোৰ আঁতধৰোতা সংস্কৃতিয়ে গ্রহণ কৰে।

৫) সমাজ বা সামাজিক দল যিয়ে অন্য সংস্কৃতিৰ উপাদান ধাৰ কৰে সেইবোৰে ভৱিষ্যতে পুনৰ ধাৰ কৰাৰ সম্ভাৱনীয়তা থাকে।

সাধাৰণে বাণিজ্য, ভ্রমণ বা অনুপ্রৱেশৰ জৰিয়তে সাংস্কৃতিক বিক্ষিপ্তকৰণৰ সৃষ্টি হয়। সংস্কৃতি প্রথমতে বাণিজ্যৰ দ্বাৰা প্রভাৱিত হৈছিল। যেতিয়া পৃথিৱীৰ বিভিন্ন দেশবোৰে তেওঁলোকৰ পণ্য সামগ্রীৰ বেহা-বেপাৰ কৰিছিল, তেতিয়া এই সামগ্রীসমূহ অন্য দেশৰ সংস্কৃতিত অন্তর্ভুক্ত হৈছিল আৰু অন্য দেশবোৰে ইয়াক গ্রহণ কৰি লৈছিল। দ্বিতীয়তে, সংস্কৃতি প্রভাৱিত হৈছিল

ভ্ৰমণ বা অনুপ্ৰৱেশৰ জৰিয়তে। যেতিয়া এখন দেশৰ মানুহ আন দেশত অনুপ্ৰৱেশ বা ভ্ৰমণ কৰে, তেওঁলোকে অভ্যাগততভাৱে তেওঁলোকৰ ৰীতি-নীতি লগত লৈ আহে আৰু তেনেকৈয়ে সাংস্কৃতিক বিক্ষিপ্তকৰণ প্ৰক্ৰিয়াক আগবঢ়াই লৈ যায়।

সাংস্কৃতিক বিক্ষিপ্তকৰণৰ সামগ্ৰিক বৈশিষ্ট্যসমূহ তলত চমুকৈ দাঙি ধৰা হ'ল—

নিৰ্বাচনৰ ভিত্তিত এটা সংস্কৃতিয়ে অন্য সংস্কৃতিৰ সংলক্ষণসমূহ গ্ৰহণ কৰে।

ক্ষিপ্ৰ বস্তুগত বিক্ষিপ্তকৰণ ঃ সাংস্কৃতিক বিক্ষিপ্তকৰণৰ ক্ষেত্ৰত বস্তুগত দিশ বা সংলক্ষণসমূহৰ পৰিৱৰ্তন সোনকালে হয়। আনহাতে অবস্তুগত দিশ বা সংলক্ষণ যেনে মূল্যবোধ, প্ৰথা, ৰীতি-নীতি আদিৰ পৰিৱৰ্তনৰ বাবে সময় লাগে।

দ্বি-পাক্ষিক প্ৰক্ৰিয়া ঃ সাংস্কৃতিক বিক্ষিপ্তকৰণ হৈছে দ্বিপাক্ষিক প্ৰক্ৰিয়া— য'ত দুটা সংস্কৃতিৰ মাজত এক সাঁকো থাকে। যদি এটা সংস্কৃতিয়ে অন্য এটা সংস্কৃতিক সংলক্ষণ দিয়ে তেতিয়া অন্য সংস্কৃতিৰ পৰাও সংলক্ষণ গ্ৰহণ কৰিবলৈ সুবিধা হয়।

দুৰ্বল সংস্কৃতি-অধিক বিক্ষিপ্তকৰণ, শক্তিশালী সংস্কৃতি—

কম বিক্ষিপ্তকৰণ ঃ দুৰ্বল সংস্কৃতিৰ সোনকালে বিক্ষিপ্তকৰণ ঘটে, আনহাতে শক্তিশালী সংস্কৃতিৰ বিক্ষিপ্তকৰণ লাহে লাহে হয়।

অবিৰত আৰু ক্ৰমবৰ্ধমান প্ৰক্ৰিয়া ঃ সাংস্কৃতিক বিক্ষিপ্তকৰণ হৈছে অবিৰত প্ৰক্ৰিয়া। তদুপৰি ই প্ৰত্যেক সমাজত ক্ৰমবৰ্ধমান গতিত বাঢ়ে।

১১.৬ শিক্ষা আৰু সাস্কৃতি

UNESCO ৰ দ্বাৰা প্ৰকাশিত 'Culture and Development' (১৯৯৪) ব্যাখ্যা কৰা হৈছে। তলত ইয়াৰ বিষয়ে দাঙি ধৰা হ'ল— "Whereas culture is the key which unlocks the creative potential of a community or society, edueation is the tool which could shape and quide the development of that potential which at the same time channeling it in directions which respond to he community's own asperation. There is a constant intraction between education and culture if it is the farmer thar sheds light, it is the later that previous perspective. Education is infured by culture but since cultural models and meaning are mainly transmetted through education the farmer could be considered in a sense, to be an effect of education. Education could therefore be regarded as being possibly, the most powerful agent for cultural development of change and not merly a neutral mechanism for cultural transmission."

ওপৰৰ কথাখিনিৰ পৰা এইটো স্পষ্ট হয় যে শিক্ষা আৰু সংস্কৃতি ওতপ্ৰোতভাৱে জড়িত আৰু এটা আনটোৰ ওপৰত নিৰ্ভৰশীল। সংস্কৃতিৰ এক অংশ হিচাপে শিক্ষাই সংস্কৃতিৰ সংৰক্ষণ আৰু সংশোধন দুয়োটা কাৰ্যই কৰে। শিক্ষা হৈছে সংস্কৃতি পৰিচালিত কৰা এক ব্যৱস্থাগত প্ৰক্ৰিয়া।

প্রযুক্তিগত দিশত, শিক্ষা হৈছে এক প্রক্রিয়া যাৰ দ্বাৰা সমাজে বিদ্যালয়, মহাবিদ্যলয়, বিশ্ববিদ্যালয় আৰু অন্যান্য অনুষ্ঠানৰ জৰিয়তে ইচ্ছাকৃতভাৱে নিজৰ সাংস্কৃতিক ঐতিহ্য, নিজৰ সঞ্চিত জ্ঞান, মূল্যবোধ আৰু দক্ষতাক এটা প্রজন্মৰ পৰা আন এটা প্রজন্মলৈ প্রেৰণ কৰে। সেইবাবে শিক্ষা সাংস্কৃতিক পৰিৱর্তনৰ আহিলা হিচাপে কার্য কৰে। শিক্ষাই আমাৰ নতুন প্রজন্মক জ্ঞান, প্রশিক্ষণ আৰু কৌশলেৰে নতুন ভাবধাৰা আৰু মনোভাব আনি দিয়ে।

সংস্কৃতি আৰু শিক্ষাৰ মাজত থকা নিবিড় সম্পর্ক স্পষ্ট, সেইবাবে শিক্ষাৰ এক গুৰুত্বপূর্ণ লক্ষ্য হৈছে শিশুসকলক সাংস্কৃতিক ঐতিহ্য আৰু সামাজিক ঐতিহ্যৰ বিষয়ে জ্ঞান দিয়ে। প্রত্যেক ব্যক্তিয়ে এটা বিশেষ সংস্কৃতিৰ মাজত জন্মগ্রহণ কৰে যিয়ে তেওঁক/তাইক আচৰণৰ আৰু মূল্যবোধৰ নির্দিষ্ট ধৰণ প্রদান কৰে— যিবোৰ তেওঁলোকৰ জীৱনৰ খোজৰ সহায়ক হয়।

আহকচোন আমি শিক্ষা আৰু সংস্কৃতিয়ে ইটোৱে সিটোক কিদৰে প্রভাৱিত কৰে চাওঁ।

শিক্ষাত সংস্কৃতিৰ প্রভাৱ ঃ

পাঠ্যক্রম ঃ এখন সামজৰ সংস্কৃতিৰ ধৰণ অনুযায়ী ব্যক্তিক গঢ় দিবলৈ সেইধৰণে পাঠ্যক্রম প্রস্তুত কৰিব লাগে। উদাহৰণ স্বৰূপে, যি সমাজত আধ্যাত্মিক সংস্কৃতিৰ প্রতি গুৰুত্ব থাকে, তাৰ পাঠ্যক্রমে জীৱনৰ নৈতিক আৰু শাশ্বত মূল্যবোধ আহৰণত গুৰুত্ব দিব লাগে। অন্যহাতে, বৈষয়িক সমাজত, বস্তুগত মূল্যবোধ আহৰণৰ বাবে পাঠ্যক্রম প্রস্তুত কৰিব লাগে, যাতে ইন্দ্রিয় সুখ আৰু বৈষয়িক সুখপ্রাপ্তি হয়।

পাঠ্যপুথি ঃ যিহেতু পাঠ্যক্রম পাঠ্যপুথিত নিহিত থাকে, সেইবাবে পুঠ্যপুথি নির্দিষ্ট পাঠ্যক্রম অনুযায়ী লিখিব লাগে। যিবোৰ পাঠ্যপুথিয়ে সাংস্কৃতিক মূল্যবোধ আৰু ভাবধাৰাৰ পোষকতা কৰে তেনেবোৰ পাঠ্যপুথিহে গ্রহণ কৰিব লাগে।

শিক্ষনৰ পদ্ধতি ঃ সমাজৰ পৰিৱর্তনশীল সংস্কৃতিৰ ধৰণেও শিক্ষণৰ পদ্ধতিত প্রভাৱ পেলায়। উদাহৰণ স্বৰূপে, পুৰণি ভাৰতীয় সমাজত শিক্ষণ শিক্ষককেন্দ্রিক আছিল, য'ত শিক্ষকে ছাত্র-ছাত্রীক জ্ঞান প্রদান কৰিছিল। সি যি নহওক, বর্তমান শিক্ষাব্যৱস্থা শিশুকেন্দ্রিক হৈ পৰিছে। শিক্ষকে শিক্ষা প্রদান কৰাৰ আগতে ছাত্র-ছাত্রীৰ প্রয়োজনীয়তা আগ্রহ, আচৰণ, অভিৰুচি ইত্যাদি বিবেচনা কৰিব লাগে।

নিয়মানুৱর্তিতা ঃ সাংস্কৃতিক মূল্যবোধে নিয়মানুৱর্তিতাৰ ধাৰণাটোক প্রভাৱিত কৰে। বর্তমান সাংস্কৃতিক আদর্শৰ চিন্তা আৰু সজীৱতা প্রত্যক্ষভাৱে নিয়মানুৱর্তিতাৰ সৈতে জড়িত, য'ত গণতান্ত্রিক মূল্যবোধ পৃথিৱীৰ সকলোতে গ্রহণ কৰা হয়।

বিদ্যালয় ঃ বিদ্যালয়ক ক্ষুদ্রাকৃতিৰ সমাজ বোলা হয়। সমাজৰ সাংস্কৃতিক মূল্যবোধ আৰু নৈতিকতাৰ ভিত্তিত বিদ্যালয়ৰ সকলোবোৰ কার্যসূচী আৰু কর্মসূচী প্রস্তুত কৰা হয়। সেইবাবে বিদ্যালয়খন সংশোধনী কৰা আৰু বিকাশ কৰাৰ কেন্দ্রস্থল।

সংস্কৃতিত শিক্ষাৰ প্রভাৱ ঃ

এখন দেশৰ সংস্কৃতিক শিক্ষাই যিদৰে প্রভাৱিত কৰে, ঠিক সেইদৰে শিক্ষাতো সংস্কৃতিৰ প্রভাৱ পৰে। তলত ইয়াৰ বিষয়ে দাঙি ধৰা হ'ল—

সংস্কৃতিৰ সংৰক্ষণ ঃ প্ৰত্যেক সমাজৰে এক নিৰ্দিষ্ট সংস্কৃতি থাকে আৰু সমাজত তাৰ সংস্কৃতিৰ প্ৰকৃত ৰূপৰ পৰিৱৰ্তন নঘটে। শিক্ষা হৈছে একমাত্ৰ উপায়— যাৰ জৰিয়তে এই কাৰ্যটো সমাপন কৰা হয়। এনেদৰে শিক্ষাই সমাজৰ সংস্কৃতি সংৰক্ষণ কৰে।

সংস্কৃতিৰ ৰূপান্তৰ ঃ সংৰক্ষণ পক্ৰিয়াই এটা প্ৰজন্মৰ পৰা আনটো প্ৰজন্মলৈ ৰূপান্তৰ প্ৰক্ৰিয়াকো সাঙৰি লয়। বিখ্যাত সমাজতত্ত্ববিদ ওটৰেৰ মতে, 'শিক্ষা কাৰ্য হৈছে সামাজিক মূল্যবোধ আৰু ভাবধাৰা সমাজৰ নৱ প্ৰজন্ম আৰু সামৰ্থ্যবান সদস্যসকললৈ প্ৰসাৰিত কৰা।

সংস্কৃতিৰ বিকাশ ঃ শিক্ষাৰ আন এটা গুৰুত্বপূৰ্ণ কাৰ্য হৈছে সমাজৰ প্ৰগতি আৰু অবিৰত বিকাশৰ বাবে সাংস্কৃতিক আদৰ্শ আৰু মূল্যবোধৰ বাঞ্ছনীয় আৰু প্ৰয়োজনীয় পৰিৱৰ্তন অনা, যাৰ অবিহনে সামাজিক প্ৰগতি অসম্ভৱ। শিক্ষাই সমাজৰ সাংস্কৃতিক প্ৰক্ৰিয়াৰ সংশোধন ঘটাবলৈ মানৱ সমাজৰ প্ৰয়োজনীয় দিশবোৰৰ গৱেষণা আৰু গভীৰ অনুসন্ধানৰ জৰিয়তে চেষ্টা কৰে।

সংস্কৃতিৰ ধাৰাবাহিকতা ঃ সংস্কৃতি হৈছে এখন সমাজৰ উশাহ-নিশাহ সদৃশ, যাৰ অবিহনে সমাজত পতন আহিবলৈ বাধ্য। শিক্ষাই তাৰ ভিন্নমুখী কাৰ্যক্ৰম আৰু কাৰ্যসূচীৰ সংস্কৃতিৰ ধাৰাবহিকতা বজাই ৰাখে। এখন সমাজে বিদ্যালয় স্থাপনৰ যোগেদি সংস্কৃতিৰ সংৰক্ষণ আৰু প্ৰসাৰণ এটা প্ৰজন্মৰ পৰা আনটো প্ৰজন্মলৈ কঢ়িয়াই নিয়ে। বিভিন্ন সংস্কৃতিৰ মাজত ঘটা সাংস্কৃতিক আদান-প্ৰদানৰ ফলত ল'ৰা-ছোৱালীয়ে শিকিবলৈ বহুত সুবিধা পায়। সাংস্কৃতিক সংহতি আৰু আত্মীয়কৰণে সমাজৰ সংযুক্ত সংস্কৃতি চহকী কৰি তোলে।

সাংস্কৃতিক পশ্চাৎৱৰ্তিতা দূৰীকৰণ ঃ এইটো লক্ষ্য কৰা হৈছে যে বিজ্ঞান আৰু প্ৰযুক্তিবিজ্ঞানৰ আৱিষ্কাৰসমূহৰ ফলত বস্তুগত সংস্কৃতিৰ দ্ৰুতভাৱে বিকাশ হৈছে, আনহাতে অবস্তুগত সংস্কৃতি যেনে ভাবধাৰা, মূল্যবোধৰ মাজত ব্যৱধান সৃষ্টি হয়। শিক্ষাই হৈছে একমাত্ৰ উপায়— যিয়ে সাংস্কৃতিক পশ্চাৎৱৰ্তিতা কমাই দুয়োটাৰ মাজত ব্যৱধান আঁতৰাই সমন্বয় আনিব পাৰে।

এনেদৰে, শিক্ষা আৰু সংস্কৃতি এটা আনটোৰ ওপৰত নিৰ্ভৰশীল আৰু এটা আনটোৰ পৰিপূৰক। শিক্ষাই নতুন প্ৰজন্মলৈ সংস্কৃতি প্ৰেৰণ কৰে আৰু অতীতৰ ভিত্তিত নতুন প্ৰজন্মৰ মনোভাব সলনি কৰে, অন্তত সাংস্কৃতিক প্ৰভাৱৰ পৰিপ্ৰেক্ষিতত আৰু ব্যক্তি তথা সমাজৰ ভৱিষ্যৎ প্ৰয়োজনীয়তা শিক্ষাই প্ৰসাৰ কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সংস্কৃতিৰ এটা সংজ্ঞা লিখক।

.....

.....

প্ৰশ্ন নং ২ ঃ সংস্কৃতিৰ তিনিটা বৈশিষ্ট্য লিখক।

.....

.....

.....

প্ৰশ্ন নং ৩ ঃ বস্তুগত আৰু অবস্তুগত সংস্কৃতিৰ মাজত থকা পাৰ্থক্য লিখক।

.....

.....

প্ৰশ্ন নং ৪ ঃ সাংস্কৃতিক পশ্চাৎৱৰ্তিতাৰ ধাৰণাৰ সৈতে সমাজতত্ত্ববিদগৰাকীৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ৫ ঃ সাংস্কৃতিক বিক্ষিপ্তকৰণৰ প্ৰভাৱসমূহ কি কি?

.....

.....

প্ৰশ্ন নং ৬ ঃ সংস্কৃতিৰ ক্ষেত্ৰত শিক্ষণৰ দ্বিপাক্ষিক কাৰ্যৰ বিষয়ে উল্লেখ কৰক।

.....

.....



কাৰ্যাৱলী ১১.১

সংস্কৃতিৰ সংৰক্ষণ আৰু বিকাশৰ অৰ্থ উলিয়াওক। ভাৰতবৰ্ষৰ নিচিনা এক উন্নয়শীল দেশৰ শৈক্ষিক পৰিকল্পনা প্ৰস্তুত কৰোতে এই দুয়োটা ধৰাণা কেনেদৰে প্ৰয়োগ কৰা হয় নিজৰ ভাবধাৰাৰ পৰিপ্ৰেক্ষিতত লিখক।



১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলোঁ ঃ

- সাধাৰণতে সংস্কৃতি শব্দটো বহু প্ৰজন্মৰ মাজেৰে এখন সমাজ গঢ়ি তোলা নীতি-নিয়ম আৰু মানসম্পন্ন ব্যৱস্থা বুজাবলৈ ব্যৱহাৰ কৰা হয় আৰু যিয়ে সেই সমাজৰ মানুহৰ দৈনন্দিন আচৰণত গভীৰ প্ৰভাৱ পেলায়। সেইবাবে সংস্কৃতি হৈছে সামাজিকভাৱে ব্যৱহাৰ হোৱা আচৰণৰ একত্ৰীকৃত শব্দ।
- 'Culture' শব্দটো 'Cultivate' ক্ৰিয়াটোৰ পৰা উৎপত্তি হৈছে, যাৰ বিশেষ্য শব্দটো হ'ল Cultivation. সেইবাবে Culture শব্দটোৰ অৰ্থ হৈছে 'পৰিমাৰ্জিত' বা 'চহোৱা'। ই কৰ্ষণৰ দ্বাৰা ব্যক্তিক পৰিশোধিত কৰি তোলে।
- সংস্কৃতিৰ বিষয়ে থকা বিভিন্ন সংজ্ঞাসমূহৰ ভিতৰত এডৱাৰ্ড বিঃ টেইলৰ (১৮৭১) সংজ্ঞাটো হৈছে মৌখিক আৰু বহুলভাৱে ব্যৱহৃত সংজ্ঞা।

- তেওঁৰ মতে, 'সংস্কৃতি হৈছে এক জটিল সামগ্রিক ৰূপ, যি জ্ঞান, বিশ্বাস, কলা, নীতিবোধ, আইন, প্রথা আৰু সমাজৰ সদস্য হিচাপে মানুহে আহৰণ কৰিবলগীয়া অন্যান্য দিশসমূহ সামৰি লয়।'
- সংস্কৃতিৰ প্রকৃতি আর্জিত, প্রকৃতি, অবিৰত আৰু ক্রমবর্ধমান প্রকৃতি অবিচলিত আৰু একত্রিক প্রকৃতি, সুকীয়া সভা ইত্যাদি বিশেষ সমাজৰ বাবে বিশেষ হয়। মানৱ জাতিৰ পুনৰাবৃত্তিমূলক চাহিদা যেনে - প্রজনন, নৱজাতকৰ শুশ্রূষা, বিবাহ, অন্ত্যেষ্টিক্রিয়া ইত্যাদি চাহিদাসমূহ সংস্কৃতিয়ে এটা প্রজন্মৰ পৰা আনটো প্রজন্মলৈ পূৰণ কৰে।
- সংস্কৃতিক পশ্চাৎৱর্তিতাৰ এক তত্ত্ব আধুনিক সমাজতত্ত্ববিদ উইলিয়াম অগবর্নে দাঙি ধৰিছে। তেওঁৰ মতে, বস্তুগত আৰু অবস্তুগত সংস্কৃতিৰ মাজত পার্থক্য থাকে। বস্তুগত সংস্কৃতিৰ পৰিৱর্তনে অবস্তুগত সংস্কৃতিৰ পৰিৱর্তনৰ অৰিহণা যোগায়। বস্তুগত আৰু অবস্তুগত সংস্কৃতিৰ পৰিৱর্তনৰ হাৰ একে নহয়। বস্তুগত আৰু অবস্তুগত সংস্কৃতিৰ মাজত থকা ব্যৱধানকেই আমি সাংস্কৃতিক পশ্চাৎৱর্তিতা বুলি কওঁ। যেতিয়া সমাজৰ বিভিন্ন দিশবোৰে ইয়াৰ অন্য দিশত ঘটা পৰিৱর্তনৰ সৈতে সমাযোজন কৰাত ব্যর্থ হয় তেতিয়াই সাংস্কৃতিক পশ্চাৎৱর্তিতাই দেখা দিয়ে। এখন সমাজত সাংস্কৃতিক পশ্চাৎৱর্তিতাই বিভিন্ন প্রকাৰে সমস্যাৰ সৃষ্টি কৰিব পাৰে।
- সংস্কৃতিক বিক্ষিপ্তকৰণ হৈছে এক প্রক্রিয়া, যাৰ জৰিয়তে বস্তুগত আৰু অবস্তুগত সাংস্কৃতিক সংলক্ষণসমূহ এখন সমাজৰ পৰা আন এখন সমাজলৈ প্রবাহিত হয়। ই হৈছে বিভিন্ন সমাজৰ ভাবধাৰা, বিশ্বাস আৰু উদ্ভাৱনৰ এক সংমিশ্রণ।
- সাধাৰণতে বাণিজ্য, ভ্রমণ বা অনুপ্রৱেশৰ জৰিয়তে সাংস্কৃতিক বিক্ষিপ্তকৰণৰ সৃষ্টি হয়। সংস্কৃতি প্রথমতে বাণিজ্যৰ দ্বাৰা প্রভাৱিত হৈছিল আৰু দ্বিতীয়তে প্রভাৱিত হৈছিল ভ্রমণ বা অনুপ্রৱেশৰ দ্বাৰা।
- সাংস্কৃতিক বিক্ষিপ্তকৰণৰ কিছুমান বৈশিষ্ট্য হৈছে সাংস্কৃতিক বিক্ষিপ্তকৰণ এক নির্বাচনাত্মক প্রক্রিয়া, বস্তুগত সংস্কৃতি, অবস্তুগত সংস্কৃতিকৈ দ্রুতগতিত পৰিৱর্তন হয়, ই হৈছে দ্বিপাক্ষিক প্রক্রিয়া— য'ত দুটা সংস্কৃতিৰ মাজত এখন সাঁকো থাকে। দুর্বল সংস্কৃতিৰ সোনকালে বিক্ষিপ্তকৰণ ঘটে, আনহাতে শক্তিশালী সংস্কৃতিৰ বিক্ষিপ্তকৰণ লাহে লাহে হয়, ই হৈছে অবিৰত প্রক্রিয়া আৰু প্রত্যেক সমাজতে ক্রমবর্ধমান গতিত বাঢ়ে।
- শিক্ষা আৰু সংস্কৃতি ওতপ্রোতভাৱে জড়িত আৰু এটা আনটোৰ ওপৰত নির্ভৰশীল। সংস্কৃতিৰ এক অংশ হিচাপে শিক্ষাই সংস্কৃতিৰ সংৰক্ষণ আৰু সংশোধন বা পুনৰ নবীকৰণ দুয়োটা কার্যই কৰে।
- শিক্ষাই নতুন প্রজন্মলৈ সংস্কৃতি প্রেৰণ কৰে আৰু অতীতৰ ভিত্তিত নতুন প্রজন্মৰ মনোভাব সলনি কৰে, অন্তৰ সাংস্কৃতিক প্রভাৱৰ পৰিপ্রেক্ষিতত আৰু ব্যক্তি তথা সমাজৰ ভৱিষ্যতৰ প্রয়োজনীয়তা শিক্ষাই প্রসাৰ কৰে।



১১.৮ অধিক জানিবলৈ

১) Aggarwal, J. C. (2009). Teacher and Education in a Developing Society. New Delhi: Vikash Publishing House Pvt. Ltd.

২) Aggarwal, J. C. (2010). Principles, Methods and Practice of Teaching. New Delhi: Vikash Publishing House Pvt. Ltd.

৩) Dash, B. N. (2006). Teacher and Education in the Emerging Indian Society (Vol -II). Hyderabad: Neelkamal Publication Pvt. Ltd.

৪) Shankar Rao, C. N. (2007) (Reprint). Sociology: Principles of Sociology with an Introduction to Social Thought. New Delhi: S. Chand & Company Ltd.

৫) Singaravelu, G. (2010, 2012). Education in the Emerging Indian Society. Hyderabad: Neelkamal Publications Pvt. Ltd.



১১.৯ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সংস্কৃতিৰ এক মৌখিক সংজ্ঞা এডৱার্ড বি. টেইলৰে দাঙি ধৰিছে, যিটো আজিও বহুলভাৱে ব্যৱহৃত হয়। তলত এইটো দাঙি ধৰা হ'ল—

সংস্কৃতি হৈছে এক জটিল সামগ্ৰিক ৰূপ— যি জ্ঞান, বিশ্বাস, কলা, নীতিবোধ আইন, প্ৰথা আৰু সমাজৰ সদস্য হিচাপে মানুহে আহৰণ কৰিবলগীয়া অন্যান্য দিশসমূহ সামৰি লয়।'

২ নং প্ৰশ্নৰ উত্তৰ ঃ সংস্কৃতিৰ তিনিটা বৈশিষ্ট্য হৈছে—

১. সংস্কৃতি এক আৰ্জিত প্ৰক্ৰিয়া। ইয়াৰ প্ৰকৃতি জন্মগত নহয়।

২. সংস্কৃতিৰ ভাগ-বাটোৱাৰা কৰিব পাৰি। এখন সমাজ বা এটা দলে ইয়াক গ্ৰহণ, উপযোগ আৰু ভাগ-বাটোৱাৰা কৰে।

৩. সংস্কৃতি হৈছে সামাজিক। সামাজিত আদান-প্ৰদানৰ দ্বাৰা ইয়াৰ সৃষ্টি আৰু বিকাশ ঘটে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ বস্তুগত সংস্কৃতি হৈছে বাহ্যিক, যান্ত্ৰিক আৰু উপযোগী বস্তু— যিবোৰ মানুহে সৃষ্টি কৰে, যেনে— আহিলা, আচবাব, গাড়ী, মটৰ বিল্ডিং, দলং, ৰাস্তা, বান্ধ আদি আৰু প্ৰকৃততে সকলো পৰিৱৰ্তনশীল আৰু মানুহৰ ব্যৱহাৰযোগ্য ভৌতিক বস্তুসমূহেই হৈছে বস্তুগত সংস্কৃতিৰ অন্তৰ্গত।

অবস্তুগত বা গোপন সংস্কৃতি হৈছে আভ্যন্তৰীণ আৰু অন্তৰ্নিহিতভাৱে থকা গুণ আৰু

এইসমূহে ব্যক্তিৰ অন্তর্মুখী প্রকৃতিৰ প্রতিফলিত কৰে। ই কিছুমান বিমূর্ত বস্তু যেনে - বিশ্বাস, ৰীতি-নীতি পৰম্পৰা, গুণগত মান, মূল্যবোধ, ভাষা ইত্যাদি। যিবোৰ সমাজৰ মানুহে মানি চলে, সেইসমূহৰ দ্বাৰা গঠিত।

৪ নং প্রশ্নৰ উত্তৰ ঃ উইলিয়াম অগবার্ন

৫ নং প্রশ্নৰ উত্তৰ ঃ সাংস্কৃতিক বিক্ষিপ্তকৰণ সাধাৰণতে বাণিজ্য আৰু ভ্রমণ বা অনুপ্রৱেশৰ দ্বাৰা প্রভাৱিত হয়।

৫ নং প্রশ্নৰ উত্তৰ ঃ সাংস্কৃতিৰ ক্ষেত্রত, শিক্ষাই সংৰক্ষণ আৰু সংশোধন বা পুনৰ নবীকৰণ দ্বিপাক্ষিক ভূমিকা গ্রহণ কৰে।



১১.১০ আৰ্হি প্রশ্ন

ক) চুটি প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ১৫০ শব্দৰে দিয়ক)

প্রশ্ন ১ ঃ সংস্কৃতিৰ সাধাৰণ অর্থ লিখক।

প্রশ্ন ২ ঃ সংস্কৃতিক কিয় আর্জিত প্রক্রিয়া বোলা হয়?

প্রশ্ন ৩ ঃ অবস্তুগত বা গোপন সংস্কৃতি কি?

প্রশ্ন ৪ ঃ সংস্কৃতিক পশ্চাৎৱর্তিতাই সমাজত কেনেদৰে সমস্যাৰ সৃষ্টি কৰে? চমুকৈ বর্ণনা কৰক।

প্রশ্ন ৫ ঃ সাংস্কৃতিক বিক্ষিপ্তকৰণৰ সাধাৰণ নীতিবোৰ বর্ণনা কৰক।

প্রশ্ন ৬ ঃ সাংস্কৃতিক বিক্ষিপ্তকৰণ বুলিলে কি বুজে? চমুকৈ বর্ণনা কৰক।

খ) দীঘলীয়া প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ৩০০-৫০০ শব্দৰে দিয়ক)

প্রশ্ন ১ ঃ সংস্কৃতিৰ অর্থ আৰু প্রকৃতি আলোচনা কৰক।

প্রশ্ন ২ ঃ সাংস্কৃতিক বিক্ষিপ্তকৰণৰ ধাৰণা বর্ণনা কৰক।

প্রশ্ন ৩ ঃ বস্তুগত সংস্কৃতিৰ সংলক্ষণ অবস্তুগত সংস্কৃতিতকৈ কিয় সোনকালে প্রসাৰিত হয় বুলি আপুনি ভাবে? নিজৰ উত্তৰৰ ভিত্তিত লিখক।

প্রশ্ন ৪ ঃ সাংস্কৃতিক বিক্ষিপ্তকৰণৰ ধাৰণা আলোচনা কৰক।

প্রশ্ন ৫ ঃ শিক্ষা আৰু সংস্কৃতি এটা আনটোৰ লগত কিদৰে জড়িত? আলোচনা কৰক।

*** ***** ***

অধ্যায় ১২ ঃ গণতন্ত্র

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ গণতন্ত্ৰৰ অর্থ

- ১২.৩.১ গণতন্ত্ৰৰ সংজ্ঞা
- ১২.৩.২ গণতন্ত্ৰৰ মৌলিক বৈশিষ্ট্যসমূহ
- ১২.৩.৩ গণতন্ত্ৰৰ সফলতাৰ মৌলিক নীতিসমূহ

১২.৪ গণতান্ত্ৰিক শিক্ষাত আনুষ্ঠানিক, অনানুষ্ঠানিক আৰু অগতানুগতিক মাধ্যমসমূহৰ ভূমিকা

- ১২.৪.১ গণতান্ত্ৰিক শিক্ষাত আনুষ্ঠানিক মাধ্যমসমূহ
- ১২.৪.২ গণতান্ত্ৰিক শিক্ষাত অনানুষ্ঠানিক মাধ্যমসমূহ
- ১২.৪.৩ গণতান্ত্ৰিক শিক্ষাত অগতানুগতিক মাধ্যমসমূহ

১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.৬ অধিক জানিবলৈ

১২.৭ অগ্রগতিৰ খতিয়ান

১২.৮ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গণতান্ত্ৰিকৰ অর্থ আৰু ধাৰণা বর্ণনা কৰিব পাৰিব,
- গণতান্ত্ৰিকৰ সাফল্যৰ বাবে প্ৰয়োজন হোৱা মৌলিক নীতিসমূহ চিনাক্ত কৰিব পাৰিব
- গণতান্ত্ৰিক দেশত আনুষ্ঠানিক মাধ্যমৰ ভূমিকা, অনানুষ্ঠানিক মাধ্যমবোৰৰ ভূমিকা আৰু অগতানুগতিক মাধ্যমবোৰৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব।

১২.২ পৰিচয়

গণতন্ত্ৰই মানুহক স্বাধীনতা দিয়াত বিশ্বাস কৰে। যদি মানুহবোৰ শিক্ষিত নহয় তেতিয়া তেওঁলোকৰ স্বাধীনতাই অৰাজকতা আৰু বিশৃংখলতা আনিব পাৰে। গণতন্ত্ৰই সদায় শিক্ষাক তাৰ সর্বোচ্চ সমর্থন আৰু নিত্য সংগী হিচাপে পাইছে। শিক্ষা অবিহনে গণতন্ত্ৰৰ প্ৰাসংগিক আৰু ফলপ্ৰসূতা সীমাবদ্ধ আৰু গণতন্ত্ৰ অবিহনেও শিক্ষাই তাৰ অর্থ হেৰুৱাই পেলায়। এনেদৰে শিক্ষা আৰু নিত্য সংগী হিচাপে পাইছে। শিক্ষা অবিহনে গণতন্ত্ৰৰ প্ৰাসংগিক আৰু ফলপ্ৰসূতা সীমাবদ্ধ

আৰু গণতন্ত্ৰ অবিহনেও শিক্ষাই তাৰ অৰ্থ হেৰুৱাই পেলায়। এনেদৰে শিক্ষা আৰু গণতন্ত্ৰই, ইটো সিটোৰ সৈতে পাৰস্পৰিকভাৱে সম্পৰ্কযুক্ত। গণতন্ত্ৰ সমৃদ্ধিশালী হ'ব লাগিলে, নাগৰিকসকলক গণতান্ত্ৰিক মূল্যবোধ, জীৱনৰ পথ হিচাপে নীতিসমূহ শিকাব লাগিব। গণতন্ত্ৰ আপোনা-আপুনি নাগৰিকসকলৰ মাজত গঢ়ি নুঠে। সেইবাবে, শিক্ষাৰ প্ৰাৰম্ভিক পৰ্যায়ৰে পৰা শিক্ষাৰ প্ৰতিটো স্তৰতে গণতন্ত্ৰ এটা মূল দিশ হ'ব লাগে।

১২.৩ গণতন্ত্ৰৰ অৰ্থ

গণতন্ত্ৰ এটা বা অন্য ৰূপত ভাৰতবৰ্ষত অনাদিকালৰ পৰা ইয়াৰ অস্তিত্ব বজাই ৰাখিছে। ইংৰাজী Democracy শব্দটো গ্ৰীক ভাষাৰ 'Demos', যাৰ অৰ্থ মানুহ আৰু 'Kratos', যাৰ অৰ্থ হৈছে নিয়ম— এই শব্দ পৰা উদ্ভৱ হৈছে। সেইবাবে Democracy ৰ সাধাৰণ অৰ্থ হৈছে 'Rule by people'. Democracy শব্দটোৱে এহাতে চৰকাৰৰ এক প্ৰকাৰ বুজায় আৰু আনহাতে জীৱনৰ পথ বুজায়।

গণতন্ত্ৰ হৈছে চৰকাৰৰ এক ব্যৱস্থা— য'ত নাগৰিকসকলে প্ৰত্যক্ষভাৱে শক্তিৰ অনুশীলন কৰে আৰু নিজৰ মাজৰ পৰা শাসকীয়া সংস্থা যেন সাংসদৰ বাবে প্ৰতিনিধি নিৰ্বাচন কৰে। কেতিয়াবা গণতন্ত্ৰণক 'সংখ্যাগৰিষ্ঠতাৰ শাসন' বুলি কোৱা হয়। ই হৈছে একমাত্ৰ চৰকাৰৰ ধৰণ য'ত শাসন ব্যৱস্থাত জনসাধাৰণৰ ইচ্ছা প্ৰতিফলিত হয়। গণতন্ত্ৰক চৰকাৰৰ উন্নতম ৰূপ বুলি ধৰা হয়— য'ত প্ৰত্যেক ব্যক্তিয়ে সচেতনভাৱে অংশগ্ৰহণ কৰে আৰু য'ত জনসাধাৰণে লক্ষ্য নিৰ্ধাৰণৰ সাৰ্বভৌম ক্ষমতা লাভ কৰে। সেইবাবে গণতন্ত্ৰত জনসাধাৰণ হৈছে চূড়ান্ত ক্ষমতাৰ উৎস আৰু ইয়াৰ সফলতা আৰু বিফলতা তেওঁলোকৰ জ্ঞান, সচেতনতা আৰু সতৰ্কতাৰ আধাৰত নিৰ্ভৰশীল।

গণতান্ত্ৰিক শাসনব্যৱস্থাত ব্যক্তিৰ আত্মপ্ৰকাশৰ মুক্ত সুবিধা থাকে। ডিউয়ে মত পোষণ কৰিছিল যে গণতন্ত্ৰ কেৱল চৰকাৰৰ ধৰণেই নহয়, ই হৈছে তাতকৈয়ো বেছি দিশ অন্তৰ্ভুক্ত কৰে। ই হৈছে প্ৰধানকৈ ভাল জীৱন যাপনৰ পথ— যি অভিজ্ঞতাৰ ভিত্তিত গঢ়ি উঠে।

আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি আব্ৰাহিম লিংকনৰ ভাষাত— গণতন্ত্ৰ হৈছে জনসাধাৰণৰ চৰকাৰ, জনসাধাৰণৰ দ্বাৰা আৰু জনসাধাৰণৰ বাবে হোৱা চৰকাৰ। 'আমাৰ মনত এইটো ধাৰণা থাকে যে গণতন্ত্ৰ মানে ৰাজনৈতিক গণতন্ত্ৰ। এইটো অনুসৰি গণতন্ত্ৰ হৈছে চৰকাৰৰ আনুষ্ঠানিক ধাৰণা— য'ত জনসাধাৰণে নিৰ্বাচন কৰা মানুহে শাসন চলায়। সেইবাবে ইয়াত প্ৰকৃত অৰ্থটো নেথাকে। সেইবাবে বৰ্তমানৰ চৰকাৰৰ গণতান্ত্ৰিক চৰকাৰৰ ধৰণ কেৱল নামতহে, ইয়াত প্ৰকৃত গণতন্ত্ৰৰ স্বৰূপক উলাই কৰা হয়, সেইবাবে ৰাজনৈতিক দিশৰ পৰা গণতন্ত্ৰ হৈছে— জনসাধাৰণৰ, জনসাধাৰণৰ বাবে আৰু জনসাধাৰণৰ দ্বাৰা চৰকাৰ। গণতন্ত্ৰৰ অৰ্থনৈতিক দিশৰ পৰা গণতন্ত্ৰৰ অৰ্থ হৈছে প্ৰত্যেক ব্যক্তিয়ে নিজৰ সামৰ্থ্য অনুযায়ী উপাৰ্জনৰ স্বাধীনতা লাভ কৰা। গণতন্ত্ৰক সামাজিক দিশৰ পৰাৰ বিবেচনা কৰা হয়, যেতিয়া যিকোনো জাতি, শ্ৰেণী বা ধৰ্মৰ অগ্ৰগতিত একো বাধা নেথাকে। ইয়াৰ অৰ্থ হৈছে সকলো মানুহে সমান সুবিধা পাব লাগে যাতে তেওঁলোকে

একোগৰাকী ভাল নাগৰিক হ'ব পাৰে।

গণতন্ত্ৰৰ প্ৰকৃত ধাৰণাটোক উপযুক্তভাৱে কাৰ্যকৰী আৰু ফলপ্ৰসূ কৰি তুলিবলৈ গণতান্ত্ৰিক নীতি আৰু মূল্যবোধে মানৱ কাৰ্যকলাপৰ সকলো ক্ষেত্ৰত বিয়পিব লাগে, সেয়া ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, ধৰ্মীয় আৰু শৈক্ষিক যি দিশৰেই হওক।

১২.৩.১ গণতন্ত্ৰৰ সংজ্ঞা

ৰাধাকৃষ্ণণ আয়োগৰ মতে, 'গণতন্ত্ৰ হৈছে জীৱনৰ পথ আৰু ই কেৱল ৰাজনৈতিক ব্যৱস্থা নহয়। ই সমান স্বাধীনতা জাতি, ধৰ্ম, লিংগ বা অৰ্থনৈতিক পদমৰ্যাদা ভেদে সমান স্বাধীনতা আৰু সমান অধিকাৰৰ ওপৰত প্ৰতিষ্ঠিত।'

- এৰিষ্টটলে সংজ্ঞা দিছে যে গণতন্ত্ৰ হৈছে বহুতো লোকৰ চৰকাৰ।
- লৰ্ড ব্ৰাইচৰ মতে, 'গণতন্ত্ৰ হৈছে সেই চৰকাৰৰ ধৰণ— য'ত ৰাষ্ট্ৰৰ শাসক ক্ষমতা কোনো বিশেষ শ্ৰেণী বা শ্ৰেণীৰ ওপৰত নহয়, সামগ্ৰিকভাৱে সম্প্ৰদায়ৰ সদস্যসকলৰ ওপৰত আইনগতভাৱে নিহিত কৰা হয়।'

প্ৰফেছাৰ চেলিৰ মতে, 'গণতন্ত্ৰ হৈছে চৰকাৰৰ ব্যৱস্থা— য'ত সকলোৱে অংশগ্ৰহণ কৰিব লাগে।'

বৰকেৰৰ মতে, 'গণতন্ত্ৰ হৈছে আত্মাৰ ধৰণ আৰু মনৰ মনোভাব।'

বৰ্তমান গণতন্ত্ৰ হৈছে আটাইতকৈ বেছি গ্ৰহণযোগ্য আৰু সমগ্ৰ পৃথিৱীৰ সমাজৰ উন্নয়নৰ লক্ষ্যক প্ৰমাণিত কৰা এক চৰকাৰ। গণতন্ত্ৰ মানৱ অধিকাৰ, সকলো মানুহকে ৰাজনৈতিক আৰু নাগৰিকৰ স্বাধীনতা প্ৰদানৰ সৈতে ওতপ্ৰোতভাৱে জড়িত। ই সভ্য সমাজৰ বাবে সিদ্ধান্ত গ্ৰহণ, অধিকাৰ আৰু আগ্ৰহৰ চাহিদা আৰু ৰাজনৈতিকনেতাসকলৰ জৱাবদিহি হোৱাৰ ঠাই মুকলি কৰি দিয়ে। গণতন্ত্ৰই ভাৰতবৰ্ষত বিবাদ আৰু সংঘাতৰ শান্তিপূৰ্ণ সমাধান আৰু প্ৰতিশোধৰ বাবে উপলব্ধ উত্তম ৰাজনৈতিক পৰিৱেশ প্ৰদান কৰে। ভাৰতবৰ্ষত গণতন্ত্ৰৰ প্ৰতি দৃঢ় দায়বদ্ধতা থকাৰ পিছতো শিক্ষাৰ গণতান্ত্ৰিকীৰণ এতিয়াও দূৰত আছে। আমি ৰাজনৈতিক গণতন্ত্ৰ লাভ কৰিছোঁ, কিন্তু আমি সামাজিক আৰু অৰ্থনৈতিক গণতন্ত্ৰ লাভৰ বাবে কঠোৰ প্ৰচেষ্টা কৰিবলগীয়া হৈছে। সফল গণতন্ত্ৰৰ বাবে পৰ্যাপ্ত জ্ঞান, বুজাবুজি, আগ্ৰহ, দক্ষতা প্ৰদান কৰিবলৈ শিক্ষাক এতিয়াও পুনৰ্বিন্যাস আৰু পুনৰ সংগঠিত কৰা হোৱা নাই।



জানি থোৱা ভাল

- Democracy শব্দটো গ্ৰীক শব্দ 'Demos' ৰ আৰু 'Kratos'ৰ পৰা অনা হৈছে 'Demos'ৰ অৰ্থ হৈছে people' (মানুহ) আৰু 'Kratos'ৰ অৰ্থ হৈছে নিয়ম (Rule).

- গণতন্ত্র শব্দটোৰে এহাতে চৰকাৰৰ এক ধৰণ বুজায় আৰু অন্যহাতে জীৱনৰ পথ বুজায়।
- ৰাজনৈতিক দিশৰ পৰা গণতন্ত্র হৈছে, 'জনসাধাৰণৰ চৰকাৰ, জনসাধাৰণে কৰা আৰু জনসাধাৰণৰ বাবে কৰা চৰকাৰ।'
- গণতন্ত্রই বিবাদ আৰু সংঘাতৰ শান্তিপূর্ণ সমাধান আৰু প্রতিৰোধৰ বাবে উপলব্ধ উৎকৃষ্ট ৰাজনৈতিক পৰিৱেশ প্রদান কৰে।

১২.৩.২ গণতন্ত্রৰ মৌলিক বৈশিষ্ট্যসমূহ

- গণতন্ত্র হৈছে জীৱনৰ এক গতিপথ। ই বিভিন্ন সমস্যাৰ অভিগমন।
- চৰকাৰৰ এক ধৰণ হিচাপে ই মানুহৰ সন্মতিৰ ভিত্তিত কৰে।
- গণতন্ত্র হৈছে এনে এখন চৰকাৰ— য'ত ক্ষমতা আৰু সভ্য নাগৰিকৰ দায়িত্ব সকলো প্রাপ্তবয়স্ক নাগৰিকে প্রত্যক্ষভাৱে বা তেওঁলোকে মুক্তভাৱে নির্বচিত কৰা প্রতিনিধিৰ জৰিয়তে অনুশীলন কৰে।
- গণতন্ত্র সংখ্যাগৰিষ্ঠতাৰ শাসন আৰু ব্যক্তিগত অধিকাৰৰ নীতিৰ আধাৰত নির্ভৰশীল। গণতন্ত্রই সকলো কেন্দ্রীয় চৰকাৰৰ পৰা ৰক্ষা কৰে আৰু চৰকাৰক আঞ্চলিক আৰু স্থানীয় পর্যায়লৈ গণতান্ত্রিক কৰি তোলে। বুজা হয় যে চৰকাৰৰ সকলো স্তৰেই জনসাধাৰণৰ প্রতি যিমান পাৰি সুলভ আৰু সঁহাৰি জনায়।
- গণতন্ত্রৰ এক মুখ্য কার্য হৈছে মানুহৰ মৌলিক আধিকাৰক সুৰক্ষা প্রদান, যেনে— - বাক্-স্বাধীনতা আৰু ধর্মৰ স্বাধীনতা, আইনৰ অধীনত সমান সুৰক্ষা আৰু সমাজৰ সাংস্কৃতিক জীৱন আৰু ৰাজনৈতিক, অর্থনৈতিক আদিত সম্পূর্ণৰূপে অংশগ্রহণ কৰাৰ অধিকাৰ।
- গণতন্ত্রসমূহে ভোটদান কৰিব পৰা কামৰ নাগৰিকৰ বাবে নিয়মীয়াকৈ মুক্ত আৰু নিকা নির্বাচন অনুষ্ঠিত কৰে।
- গণতন্ত্রৰ নাগৰিকসকলৰ অকল অধিকাৰে নেথাকে, তদুপৰি তেওঁলোকৰ ৰাজনৈতিক ব্যৱস্থাত অংশগ্রহণৰ দায়িত্ব থাকে, ইয়াৰ বাহিৰেও তেওঁলোকৰ অধিকাৰ আৰু স্বাধীনতাৰ সুৰক্ষাৰ দায়িত্বও থাকে।
- গণতান্ত্রিক সমাজসমূহ সহনশীলতা, সহযোগিতা আৰু আপোচৰ মূল্যবোধৰ প্রতি দায়বদ্ধ।
- প্রয়োজনীয় অর্হতাসম্পন্ন প্রত্যেক নাগৰিকৰে নির্বাচনত প্রতিদ্বন্দ্বিতা কৰাৰ আৰু ৰাজনৈতিক পদ লাভ কৰাৰ অধিকাৰ আছে।
- মানুহৰ সততা আৰু জ্ঞানত ই বিশ্বাসী।

১২.৩.৩ গণতন্ত্রৰ সফলতাৰ মৌলিক নীতিসমূহ

গণতন্ত্রই জনসাধাৰণক স্বাধীনতা প্রদান কৰাত বিশ্বাসী। কিন্তু যদি জনসাধাৰণ শিক্ষিত আৰু সমাজৰ ভালৰ প্রতি শৃংখলাবদ্ধ নহয় তেতিয়া এনে স্বাধীনতা অতি ব্যয়বহুল হৈ পৰে আৰু ই অৰাজকতাৰ সৃষ্টি কৰে। গণতন্ত্র সফল হ'বলৈ কিছুমান পূর্বচর্ত থকাটো অতি প্রয়োজনীয়। মানুহৰ অর্থনৈতিক উন্নতিও হোৱা প্রয়োজন। ভোকাতুৰ জনতাৰ দ্বাৰা গণতন্ত্রৰ প্রতিষ্ঠা কৰিব নোৱাৰি। ইয়াৰ দ্বিতীয় চর্ত হৈছে শিক্ষিত ভোটাৰৰ গঠন বা সৃষ্টি।

গণতন্ত্র সফল হ'বলৈ হ'লে প্রত্যেক ব্যক্তিয়ে সচেতনভাৱে নিজৰ দায়িত্ব পালন কৰিব লাগিব আৰু এইটো তেতিয়াহে সম্ভৱ হ'ব যেতিয়া ব্যক্তিৰ বুজাৰ শক্তি উচ্চ খাপৰ হয় আৰু লগতে তেওঁ সৎ চৰিত্রৰ হয়।

সমাজৰ এক দায়িত্ব হৈছে ব্যক্তিক বৌদ্ধিক, নৈতিক আৰু শাৰীৰিক দিশত সবলভাৱে প্রস্তুত কৰিব লাগিব— যাতে তেওঁ নাগৰিকত্বৰ দায়িত্ব বহন কৰিব পাৰে। শিক্ষাৰ প্রধান বৈশিষ্ট্য সাধাৰণতে দুই প্রকাৰৰ। প্রথমতে, ই সামাজিক আৰু সাংস্কৃতিক ঐতিহ্য নতুন প্রজন্মলৈ প্রেৰণ কৰিব লাগে। স্কুলে ভাল নাগৰিক হ'বৰ বাবে প্রয়োজন হোৱা সকলোখিনি গুণ ল'ৰা-ছোৱালীৰ মাজত বিকশাই তুলিব লাগে।

গণতন্ত্রৰ নীতিসমূহ স্বাধীনতা, সমতা, ভাতৃত্ববোধ, সহযোগিতা আদি পৰিচয় আৰু অনুশীলন কৰাব— লাগে যাতে শিক্ষণ কেবল গণতান্ত্রিক ধৰণে হৈ নাথাকি প্রকৃত গণতান্ত্রিকবিধৰ হৈ উঠে। সকলো স্তৰতে শিক্ষাৰ অভূতপূর্ব সম্প্রসাৰণ হ'ব পাৰে। ফলত অধিকসংখ্যক লোকে শিক্ষাৰ সুবিধা লাভ কৰিব পাৰে, মানসম্পন্ন নহ'বও পাৰে। শিক্ষাৰ তেনেধৰণৰ সম্প্রসাৰণ গণতান্ত্রিক সমাজৰ বাবে বেছি উপযোগী নহয়। গণতন্ত্রৰ মৌলিক নীতিবোৰ তলত আলোচনা কৰা হ'ল।

স্বতন্ত্রতা/স্বাধীনতা ঃ স্বাধীনতাৰ হৈছে গণতন্ত্রৰ আত্মা। স্বাধীনতা নোহোৱাকৈ এজন ব্যক্তিয়ে তেওঁৰ সামর্থ্যবোৰৰ উপযুক্ত বিকাশ সাধন কৰিব নোৱাৰে। সেইবাবে ব্যক্তিক সম্পূর্ণ স্বাধীনতা দিব লাগে— যাতে তেওঁ নিজ গতিৰে চিন্তা কৰিব পাৰে, তেওঁ ইচ্ছা অনুযায়ী কথা ক'ব পাৰে, আলোচনা কৰিব পাৰে, উপদেশ দিব পাৰে আৰু ব্যক্তিগতভাৱে সমালোচনা কৰিব পাৰে। তেতিয়াহে তেওঁৰ নিজৰ ব্যক্তিত্ব উপযুক্তভাৱে বিকাশ কৰা সম্ভৱ হৈ উঠে। আগৰ সময়ছোৱাৰ অন্যতম শিক্ষাবিদ পেষ্টালজীয়ে কৈছিল যে শিক্ষাৰ লক্ষ্য হ'ব লাগে নির্ভৰশীলতাৰ পৰা স্বাধীনতা আৰু আত্মনির্ভৰশীলতাৰ কৃতিত্ব পোৱা। তেওঁ উল্লেখ কৰিছিল, 'গণতন্ত্রত স্বাধীনতাৰ জৰিয়তে শিক্ষাত গুৰুত্ব দিয়া হয় আৰু শিশুক স্বাধীনতাৰ পৰিৱেশত শিক্ষিত কৰিব লাগে।'

সমতা ঃ সকলো মানুহে জন্মতে এটা সম্ভাৱনীয়তালৈ আহে, পিছত এটা নহয় এটা ক্ষেত্রত উৎকৃষ্টতা লাভ কৰে। অভিজ্ঞতা লাভ কৰি তেওঁলোকৰ বৃদ্ধি আৰু বিকাশ

হয় যিবোৰ ব্যক্তি অনুযায়ী পৃথক হয়। ব্যক্তি পার্থক্য হৈছে এটা তথ্য আৰু ইয়াত সত্য সন্নিৱিষ্ট হৈ থাকে। এই নীতি অনুসৰি সমতাৰ অর্থ হৈছে প্রতিজন ব্যক্তিৰ তেওঁৰ আগ্রহ, যোগ্যতা আৰু সামর্থ্য অনুযায়ী নিজৰ ব্যক্তিত্বক সম্পূর্ণৰূপে বিকশিত কৰাৰ বাবে পর্যাপ্ত সুযোগ প্রদান কৰা। সেইবাবে শিশুসকলক তেওঁলোকৰ ক্ষমতাক অনুকূল দিশত বিকশিত কৰিবলৈ পর্যাপ্ত সুবিধা প্রদান কৰাতো অতি প্রয়োজনীয়।

ভাতৃত্ববোধ ঃ প্রকৃত গণতন্ত্রৰ চাবি-কাঠি হৈছে ভাতৃত্ববোধ আৰু আত্মীয়তাৰ অনুভৱ। গণতন্ত্রত সকলোৱে আত্মীয়তা, আন্তৰিকতা আৰু সহযোগিতামূলক ভাতৃত্ববোধত বাস কৰে। এনেদৰে সমাজত প্রত্যেকজন ব্যক্তিয়ে সন্মান পায়। গণতন্ত্রৰ এক গুৰুত্বপূর্ণ অংশীদাৰ হিচাপে সার্বজনীন ভাতৃত্ববোধৰ শিক্ষাৰ ক্ষেত্রত এক মৌলিক তাৎপর্য আছে। শিক্ষক ছাত্র-ছাত্রী, পিতৃ-মাতৃ আৰু কর্মচাৰীসকল মৰম, সহানুভূতি, বুজাবুজি আৰু সহযোগিতামূলক অনুভৱেৰে বান্ধ খাই থাকিব লাগে। যিহেতু প্রত্যেকে কান্ধত কান্ধ মিলাই গণতন্ত্রৰ হকে কাম কৰে, সেই কাৰণে গণতান্ত্রিক সমাজৰ সফলতাৰ ক্ষেত্রত ভাতৃত্ববোধ হৈছে এক আন্তৰিকতাপূর্ণ নীতি।

ন্যায় ঃ এজন ব্যক্তিৰ ন্যায়ৰ অধিকাৰ আছে। সি/তাইক যিকোনো সুবিধাৰ পৰা বঞ্চিত কৰিব নোৱাৰি, লগতে সি/তাইক জীৱনৰ সকলো স্তৰতে নিজৰ প্রাপ্য লাভ কৰাত বাধা দিব নোৱাৰি। শৈক্ষিক সুযোগৰ সমতা, স্বাধীনতা আৰু ভাতৃত্ব আদি হৈছে ন্যায়ৰ মৌলিক দিশ। ছাত্র-ছাত্রীক নাগৰিকত্বৰ প্রশিক্ষণ দিবলৈ সামাজিক আৰু অর্থনৈতিক ন্যায়ৰ আদর্শ তেওঁলোকৰ মনত সুমুৱাই দিয়াটো প্রয়োজনীয়।

দায়িত্ববোৰৰ ভাগ-বাটোৱাৰা ঃ শিক্ষা হৈছে ছাত্র-ছাত্রী, শিক্ষক, অভিভাৱক, পর্যবেক্ষক আদিৰ যৌথ দায়িত্ব। প্রতিটো দলে শিক্ষাৰ সমগ্র প্রক্রিয়াত নিজ গতিপথেৰে আৰু নিজা সামর্থ্য অনুযায়ী দায়িত্বৰ ভাগ-বাটোৱাৰা কৰে।

সহযোগিতা ঃ ওপৰত উল্লেখিত দিশবোৰৰ ফলস্বৰূপে, গণতন্ত্র আৰু শিক্ষা হৈছে এক সহযোগিতামূলক উদ্যোগ। গণতন্ত্রৰ নীতি হিচাপে সহযোগিতাক শিক্ষাত পাঠদানৰ পৰা আৰম্ভ কৰি মূল্যায়নলৈকে, প্রশাসনৰ পৰা তত্ত্বাৱধানলৈকে সকলো দিশতে ব্যৱহাৰ কৰিব লাগিব।

সার্বজনীন শিক্ষা ঃ গণতন্ত্রৰ সফলতাৰ এটা গুৰুত্বপূর্ণ চর্ত হৈছে সার্বজনীন শিক্ষা। শিক্ষা হৈছে গণতন্ত্রৰ সফলতাৰ এক গুৰুত্বপূর্ণ উপাদন। নাগৰিকসকল উপযুক্ত শিক্ষাৰে শিক্ষিত হ'লেহে নিজৰ প্রয়োজনীয় গুণবোৰৰ বিকাশ কৰিব পাৰে আৰু নিজৰ দায়িত্ব আৰু অধিকাৰ সম্পর্কে সচেতন হ'ব পাৰে। শিক্ষাৰ জৰিয়তেহে নাগৰিকসকলে ভাল-বেয়াৰ বিচাৰ কৰিব পাৰে আৰু এনেদৰে নিজৰ দেশৰ বাবে উপযুক্ত প্রতিনিধি নির্বাচন কৰিব পাৰে। তদুপৰি তেওঁ দেশৰ বিষয়সমূহৰ ক্ষেত্রত সক্রিয় আৰু উৎপাদনশীলতাৰ ভূমিকা পালন কৰিব পাৰে।

ৰাজনৈতিক সচেতনতা ঃ গণতন্ত্র ফলপ্রসূ কৰিবলৈ নাগৰিকসকলক

ৰাজনৈতিকভাৱে সচেতন কৰি তোলাতো প্ৰয়োজনীয়। নাগৰিকসকলে চৰকাৰৰ কাম-কাজত চকু ৰাখিব লাগিব— যাতে ই স্বৈৰাচাৰী হ'ব নোৱাৰে।

শক্তিশালী জনমতৰ উপস্থিতি ঃ গণতন্ত্ৰৰ এটা গুৰুত্বপূৰ্ণ চর্ত হ'ল গণতন্ত্ৰক সজাগভাৱে পহৰা দিয়া মুক্ত, নিৰ্ভীক আৰু সর্তক ছপা মাধ্যমৰ অস্তিত্ব।

জনসাধাৰণৰ মাজত সজাগতা ঃ মৌলিক অধিকাৰ সম্পর্কে জনসাধাৰণ সজাগ হ'ব লাগে— যাতে তেওঁলোকে এনে অধিকাৰ ভোগ কৰিব পাৰে। গণতন্ত্ৰত নাগৰিকসকলে মৌলিক অধিকাৰ আৰু স্বাধীনতা ভোগ কৰিব পাৰিব লাগে— যাতে তেওঁলোকে নিজৰ ব্যক্তিত্বৰ প্ৰকাশ আৰু বিকাশ কৰিব পাৰে। গণতন্ত্ৰত মানুহক মৌলিক অধিকাৰসমূহ প্ৰদান কৰা হয়। কাৰণ ইয়াৰ অবিহনে ব্যক্তিৰ বিকাশ সম্ভৱপৰ নহয়।

উপযুক্ত নেতৃত্ব ঃ উপযুক্ত নেতৃত্বৰ ক্ষেত্ৰতো গণতন্ত্ৰ নির্ভৰশীল। গণতন্ত্ৰ সফল হ'বলৈ ফলপ্ৰসূ নেতৃত্বৰ প্ৰয়োজন।

সামাজিক সচেতনতা ঃ বর্তমানৰ সমাজসমূহত প্ৰচলিত সামাজিক দুষ্কার্য আৰু বৈষম্যসমূহৰ বিষয়ে মানুহ সামাজিকভাৱে সচেতন হ'ব লাগিব। সমাজৰ পৰা এনেবোৰ দিশ আঁতৰাই গণতান্ত্ৰিক সমাজ গঢ় দিব লাগিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ গণতন্ত্ৰ শব্দটোৰ অর্থ ব্যাখ্যা কৰক।

.....

.....

প্ৰশ্ন নং ২ ঃ গণতন্ত্ৰৰ যিকোনো পাঁচটা মৌলিক বৈশিষ্ট্য বর্ণনা কৰক।

.....

.....

প্ৰশ্ন নং ৩ ঃ গণতন্ত্ৰ সফলতাৰ মৌলিক নীতিবোৰ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৪ ঃ সমতাই কিদৰে গণতন্ত্ৰ সফল কৰি তুলিব পাৰে?

.....

.....

প্ৰশ্ন নং ৫ ঃ স্বাধীনতাক কিয় গণতন্ত্ৰৰ আত্মা বুলি কোৱা হয়?

.....

.....

১২.৪ গণতান্ত্রিক শিক্ষাত আনুষ্ঠানিক, অনানুষ্ঠানিক আৰু অগতানুগতিক মাধ্যমসমূহৰ ভূমিকা

১২.৪.১ গণতান্ত্রিক শিক্ষাত আনুষ্ঠানিক মাধ্যমসমূহ

শিক্ষাৰ আনুষ্ঠানিক মাধ্যমসমূহ, যেনে— স্কুল আৰু কলেজসমূহে আনুষ্ঠানিক শিক্ষা প্রদান কৰে। এইবোৰ মাধ্যমে সচেতন আৰু ইচ্ছাকৃতভাৱে শিক্ষার্থীক বিশেষ প্রভাৱ পেলোৱাৰ পৰিকল্পনা কৰে। ইয়াত কর্মৰ নিয়মিত আছে। ইয়াত ধার্য কৰা পাঠ্যক্রম আৰু পাঠ্যপুথি অনুসৰি চলা হয়। তেওঁলোকে বিভাগীয় কঠোৰ নিয়ম-নীতি নিশ্চিত কৰিব লাগে।

স্কুল হৈছে শিক্ষণৰ আনুষ্ঠানিক মাধ্যম। ইয়াত গণতান্ত্রিক শিক্ষাৰ বাবে ব্যৱস্থা কৰিব পাৰি। ছাত্র-ছাত্রীসকলে ব্যক্তিগত প্রচেষ্টা আৰু দলীয় কার্যকলাপৰ মাজেৰে ভৱিষৎ নাগৰিকৰ দায়িত্বসমূহ শিকে। প্রত্যেকখন স্কুল সমাজৰ দ্বাৰা স্থাপিত। গণতন্ত্রত স্কুলে গণতান্ত্রিক ভাবধাৰা প্রচাৰ কৰিব লাগে। থমাচ এইচ ব্রিগচ্ আৰু অন্যসকলৰ মতে, 'বিদ্যালয়খনে আমাৰ ছাত্র-ছাত্রীসকলৰ মাজত গণতান্ত্রিক বিশ্বাস ইমান শক্তিশালীভাৱে গঢ়ি তুলিব লাগিব যে তেওঁলোকে কেৱল সাধাৰণ জীৱনৰ কঠিন পৰিস্থিতিয়ে নহয়, ভৱিষ্যতে হ'ব পৰা ৰাষ্টীয় আৰু বিশ্বসংকটৰ হেঁচাও সহ্য কৰিব পাৰিব।'

কিলপেট্রিকে কৈছিল, 'গণতন্ত্রৰ ফলপ্রসূ বিদ্যালয়ে ইয়াৰ ছাত্র-ছাত্রীসকলক গণতন্ত্রৰ বিষয়সমূহ বিষয়ে বুদ্ধিমানভাৱে বুজাব লাগিব, গণতন্ত্রক জীৱনশৈলী হিচাপে তেওঁলোকৰ প্রতি সু-প্রৱণতা প্রদান কৰিব লাগিব আৰু গণতন্ত্রই কাম কৰিবলগীয়া সহযোগিতামূলক কার্যকলাপত তেওঁলোকক দক্ষ কৰি তুলিব লাগিব।'

ছাত্র-ছাত্রীক গণতান্ত্রিক মূল্যবোধ আৰু নীতিসমূহৰ শিক্ষা দিয়াৰ প্রক্রিয়াৰ ক্ষেত্রত স্কুলৰ কার্যাৱলীসমূহক তিনিটা দিশৰ পৰা বিবেচনা কৰা হয়।

- জীৱনৰ বিভিন্ন সময়ত প্রয়োগ কৰিব পৰাকৈ ছাত্র-ছাত্রীসকলক গণতান্ত্রিক মূল্যবোধ, ভাবধাৰা আৰু নীতিবোৰৰ অর্থ বুজাই দিব লাগিব।
- ছাত্র-ছাত্রীসকলক মূল্যবোধ, ভাবধাৰা আৰু নীতিসমূহ দৈনন্দিন জীৱনত আৰু স্কুলৰ বাহিৰত প্রয়োগ কৰিব পৰাকৈ সক্ষম কৰি তুলিব লাগে।
- গণতান্ত্রিক স্কুলসমূহে পদ্ধতি, অনুশাসন আৰু প্রশাসনৰ দিশত আমূল পৰিৱর্তন সূচনা কৰিব লাগে।
- ধর্মনিৰপেক্ষতা বজাই ৰাখিবলৈ পদক্ষেপ গ্রহণ কৰিব লাগে।
- প্রত্যেকৰে নিজা পদ্ধতি আৰু পাঠ্যক্রম নির্বাচন কৰাৰ স্বাধীনতা থাকিব লাগে।
- শিক্ষকসকলকো গণতান্ত্রিক অনুভৱ প্রদান কৰিব লাগে।

- শিক্ষক আৰু অধ্যক্ষসকলৰ মাজত বন্ধুত্বসুলভ ভাব বিকাশৰ বাবে উপযুক্ত পৰিৱেশ সৃষ্টি কৰিব লাগে।

গণতান্ত্রিক জীৱনশৈলীৰ শিক্ষাদানত স্কুলৰ পদ্ধতি কার্যসূচী আৰু পদ্ধতিসমূহ—

- ব্যক্তিৰ ব্যক্তিত্বৰ প্রতি সন্মান
- আত্মপ্রকাশৰ সুবিধা প্রদান
- স্কুলত আত্মশাসনৰ প্রৱর্তন
- পাৰস্পৰিক কামৰ বাবে উৎসাহ দান
- নামভর্তিকৰণত সমান সুবিধা
- ৰুচি অভিৰুচিৰ বিকাশ
- দলীয় কার্যত উৎসাহ প্রদান
- শিশুৰ স্বাধীনতা
- সম্প্রদায় সেৱাৰ কেন্দ্র
- আন্তর্জাতিক বুজাবুজি

আনুষ্ঠানিক মাধ্যম হিচাপে ৰাষ্ট্রৰ ভূমিকা ঃ ৰাষ্ট্রৰ গণতান্ত্রিক শিক্ষা আগবঢ়াই নিয়াৰ ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। যেতিয়া এখন দেশৰ প্রত্যেক নাগৰিকে তেওঁলোকৰ শিক্ষাৰ ক্ষেত্রত সমান সুবিধা পায় তেতিয়াহে গণতন্ত্র উপযুক্তভাৱে কার্যকৰী হৈ উঠিব পাৰে। বিনামূলীয়া আৰু সার্বজনীন স্কুলীয়া শিক্ষা লাভৰ বাবে ৰাষ্ট্রীয় অপৰিমিত সুবিধা প্রদান কৰিব লাগে।

১২.৪.২ গণতান্ত্রিক শিক্ষাত অনানুষ্ঠানিক মাধ্যমসমূহ

অনানুষ্ঠানিক মাধ্যমসমূহে শিক্ষা বা নির্দেশনা প্রদানৰ ক্ষেত্রত কোনো নির্দিষ্ট নীতি মানি নচলে। প্রকৃততে এইবোৰে ঘটনাক্রমেহে শিক্ষা প্রদান কৰে। এনে অনুষ্ঠানবোৰত শিক্ষা ইচ্ছাকৃতভাৱে সংগঠন কৰা নহয়। এইবোৰ অনানুষ্ঠানিক দল। অনানুষ্ঠানিক মাধ্যমবোৰ হৈছে ঘৰ, সম্প্রদায়, সমনীয়াৰ দল আদি। গণমাধ্যমসমূহে জনসাধাৰণৰ মাজত গণতান্ত্রিক মূল্যবোধ বিকাশত সহায় কৰে।

ঘৰ**ষ**পৰিয়াল হৈছে প্রথম সামাজিক অনুষ্ঠান— য'ত শিশুৱে একেলগে জীৱন-যাপন কৰা, ইজনে সিজনক সহায় কৰা, পাৰস্পৰিক সহায় আৰু সমাযোজন কৰিবলৈ শিকে। পৰিয়াল হৈছে ব্যক্তিৰ শিক্ষা প্রদনৰ উত্তম মাধ্যম। এজন ব্যক্তিয়ে পোনপ্রথমে ঘৰতেই গণতান্ত্রিক জীৱনৰ নীতি শিকে। পৰিয়ালত এক স্বাস্থ্যকৰ জীৱন-যাপন কৰি আৰু অন্য ব্যক্তিৰ সামাজিক জীৱনৰ অভিজ্ঞতা আহৰণ কৰি ব্যক্তিয়ে সামাজিকীকৰণ উত্তম পদ্ধতি আহৰণ কৰে। অনানুষ্ঠানিক মাধ্যমসমূহে স্বাস্থ্যসন্মত আৰু জনসচেতনতাৰ উপযুক্ত বিকাশত সহায় কৰে। শিক্ষা হৈছে এক অবিৰত প্রক্রিয়া— যিটো আমাৰ জীৱনজুৰি চলি থাকে। স্কুল, কলেজ, বিশ্ববিদ্যালয় শেষ হোৱাৰ লগে লগে ইয়াৰ

সমাপ্তি নহয়, ইয়াৰ পিছতো ই চলি থাকে। অনানুষ্ঠানিক মাধ্যমসমূহে ব্যক্তিৰ আনুষ্ঠানিক শিক্ষাৰ অন্তত তেওঁলোকৰ অধিকাৰ আৰু কর্তব্য সম্পর্কে অবিৰত শিক্ষাৰ দায়িত্ব বহন কৰে।

সম্প্রদায় হৈছে এক গুৰুত্বপূর্ণ মাধ্যম। ই সন্মিলন আয়োজনৰ জৰিয়তে জনসাধাৰণৰ মাজত গণতান্ত্রিক মনোভাবৰ প্রসাৰৰ বাবে পদক্ষেপ গ্রহণ কৰে। ই উৎসৱ-পার্বণ, মেলা, প্রদর্শনী আদি অনুষ্ঠিত কৰে— যিবোৰ সাংস্কৃতিক, শৈক্ষিক আৰু বিনোদনমূলক মূল্য আছে।

কৈশোৰ কালছোৱাত শিক্ষাৰ সামাজিক মাধ্যম হিচাপে সমনীয়া দলে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। শিশুসকলে সামাজিক মূল্যৰ বিকাশ কৰিবলৈ শিকে, ই শিশুসকলৰ নেতৃত্বদানৰ গুণাৱলী আৰু অনুগামীপ্রৱণতা বিকাশ কৰে।

এই মাধ্যম হিচাপে গণমাধ্যমসমূহে জনসংখ্যা শিক্ষা, শক্তি সংৰক্ষণ আৰু বন্যপ্রাণী সুৰক্ষা, শৈক্ষিক আৰু ৰাষ্ট্রীয় একতা প্রচাৰ, বিজ্ঞানসন্মত মনৰ বিকাশ আদিৰ বাবে উপযোগী তথ্য যোগান ধৰে।

চিনেমা হৈছে যোগাযোগৰ বহুবিকল্প মাধ্যম। ল'ৰা-ছোৱালীৰ মন আৰু ব্যক্তিত্ব গঠনক প্রভাৱিত কৰিব পৰা ই হৈছে এক শক্তিশালী মাধ্যম। ভাল শৈক্ষিক চিনেমাই ছাত্র-ছাত্রীৰ নাগৰিকত্বৰ অনুভৱ বিকাশ কৰিব লাগে। ৰাষ্ট্রীয় সংহতিৰ আধাৰত চিনেমা প্রস্তুত কৰি একতা আৰু ঐক্যৰ ভাবধাৰা প্রসাৰিত কৰিব পাৰি।

ছপা মাধ্যম হৈছে অনানুষ্ঠানিক শিক্ষাৰ এক প্রভাৱশালী মাধ্যম। ৰাষ্ট্রীয় আৰু আন্তর্জাতিক বুজাবুজিৰ বাবে বাতৰি কাকত পঢ়াটো প্রয়োজনীয়। ভাৰতবর্ষৰ স্বাধীনতা সংগ্রামৰ সময়ত, ৰাষ্ট্রীয় সচেতনতা অনাৰ ক্ষেত্রত বাতৰি কাকতসমূহে গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। শিশুসকলে সমাজৰ প্রতি তেওঁলোকে ৰাষ্ট্রীয় সমস্যা, ৰাজনৈতিক ঘটনা আৰু চৰকাৰৰ কার্যকলাপৰ বিষয়ে বাতৰি কাকতৰ জৰিয়তে জানিব পাৰে।

১২.৪.৩ গণতান্ত্রিক শিক্ষাত অগতানুগতিক মাধ্যমসমূহ

অগতানুগতিক শিক্ষাৰ মাধ্যমসমূহৰ ক্ষেত্রত নমনীয়তা হৈছে প্রধান শব্দ। এই ব্যৱস্থাটো নামভর্তিকৰণ, বিদ্যায়তনিক কার্য, নির্দেশনাৰ স্থান, নির্দেশনাৰ ধৰণ, নির্দেশনাৰ সময় আৰু সময়কাল আদিৰ ক্ষেত্রত মুক্ত। বহল ভিত্তিত অগতানুগতিক শিক্ষা হৈছে পৰিপূৰক, কিন্তু আনুষ্ঠানিক শিক্ষাৰ বিকল্প নহয়। অগতানুগতিক শিক্ষা হৈছে অবিৰত শিক্ষাৰ ধাৰণাটোৰ এক অবিচ্ছেদ্য অংশ— যিয়ে যুৱক-যুৱতী আৰু প্রাপ্তবয়স্কসকলে অহৰহ পৰিৱর্তিত পৰিৱেশৰ সৈতে খাপ খুৱাবলৈ প্রয়োজনীয় দক্ষতা আৰু ক্ষমতা আহৰণ কৰাটো নিশ্চিত কৰে। ই কিছুমান ৰেডিঅ' কার্যসূচী, টিভি কার্যসূচি, যোগাযোগ পাঠ্যক্রম, অবিৰত শিক্ষা, প্রাপ্তবয়স্ক শিক্ষা, অনুসূচীত শিক্ষা, মুক্ত স্কুল, মুক্ত বিশ্ববিদ্যালয়, দূ�ৰত্ব শিক্ষা, গ্রীষ্মকালীন প্রতিষ্ঠান আদিক অন্তর্ভুক্ত কৰে। টিভিৰ

কার্যসূচী যেনে দেশজোৰা UGCIGNOUৰ কার্যক্রম, IGNOUৰ কার্যক্রম, SIET, জ্ঞান দর্শন ইত্যাদি হৈছে অগতানুগতিক শিক্ষাৰ কার্যসূচী। এই কার্যসূচীসমূহ গণতান্ত্রিক শিক্ষাৰ বাবে সহায়কাৰী।



১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলোঁ ঃ

- গণতন্ত্রই সদায় শিক্ষাক তাৰ সর্বোচ্চ সমর্থন আৰু নিত্য সংগী হিচাপে পাইছে। শিক্ষা অবিহনে গণতন্ত্রৰ প্রাসংগিকতা আৰু ফলপ্রসূতা সীমাবদ্ধ আৰু গণতন্ত্র অবিহনেও শিক্ষাই তাৰ অর্থ হেৰুৱাই পেলায়। এনেদৰে শিক্ষা আৰু গণতন্ত্র, ইটো সিটোৰ সৈতে পাৰস্পৰিকভাৱে সম্পর্কযুক্ত। গণতন্ত্র সমৃদ্ধিশালী হ'ব লাগিলে, নাগৰিকসকলক গণতান্ত্রিক মূল্যবোধ, জীৱনৰ পথ হিচাপে নীতিসমূহ শিকাব লাগিব। গণতন্ত্র আপোনা-আপুনি নাগৰিকসকলৰ মাজত গঢ়ি নুঠে। সেইবাবে, প্রাৰম্ভিক পর্যায়ৰে পৰা শিক্ষাৰ প্রতিটো স্তৰতে গণতন্ত্র এটা মূল দিশ হ'ব লাগে।
- 'Democracy' শব্দটো গ্রীক ভাষাৰ 'demos'— যাক অর্থ মানুহ আৰু 'Kratos' যাৰ অর্থ নিয়মৰ উদ্ভৱ হৈছে। সেইবাবে 'Democracy' শব্দটোৰ সাধাৰণ অর্থ হৈছে জনসাধাৰণৰ দ্বাৰা শাসন। গণতন্ত্র শব্দটোৱে এহাতে চৰকাৰক একপ্রকাৰ বুজায় আৰু আনহাতে জীৱনৰ পথ বুজায়।
- ৰাজনৈতিক দিশৰ পৰা গণতন্ত্র হৈছে 'জনসাধাৰণৰ..., জনসাধাৰণৰ বাবে আৰু জনসাধাৰণৰ দ্বাৰা হোৱা চৰকাৰ।' অর্থনৈতিক দিশৰ পৰা গণতন্ত্রৰ অর্থ হৈছে প্রত্যেক ব্যক্তিয়ে নিজৰ সামর্থ্য অনুযায়ী উপার্জনৰ স্বাধীনতা লাভ কৰা। গণতন্ত্রক সামাজিক দিশৰ পৰাও বিবেচনা কৰা হয়, যেতিয়া যিকোনো জাতি, শ্রেণী বা ধর্মৰ অগ্রগতিত একো বাধা নেথাকে। ইয়াৰ অর্থ হৈছে সকলো মানুহে সমান সুবিধা পাব লাগে— যাতে তেওঁলোক একোগৰাকী ভাল নাগৰিক হ'ব পাৰে।
- গণতন্ত্রৰ প্রকৃত ধাৰণাটোক উপযুক্তভাৱে কার্যকৰী আৰু ফলপ্রসূ কৰি তুলিবলৈ গণতান্ত্রিক নীতি আৰু মূল্যবোধে মানৰ কার্যকলাপৰ সকলো ক্ষেত্রত বিয়পিব লাগে— সেয়া ৰাজনৈতিক, অর্থনৈতিক, সামাজিক, ধর্মীয় আৰু শৈক্ষিক যি দিশৰেই হওক।
- ৰাধাকৃষ্ণণ আয়োগৰ মতে, 'গণতন্ত্র হৈছে জীৱনৰ পথ আৰু ই কেৱল ৰাজনৈতিক ব্যৱস্থা নহয়। ই জাতি, ধর্ম, লিংগ বা অর্থনৈতিক পদমর্যাদা ভেদে সমান স্বাধীনতা আৰু সমান অধিকাৰৰ আধাৰত প্রতিষ্ঠিত।'
- গণতন্ত্রৰ মৌলিক বৈশিষ্ট্যসমূহ হৈছে— ই জীৱনৰ এক পথ, ই চৰকাৰৰ এক ধৰণ।
- গণতন্ত্রৰ সংখ্যাগৰিষ্ঠতাৰ শাসন আৰু ব্যক্তিগত অধিকাৰ নীতিৰ ভিত্তিত নির্ভৰশীল।

গণতন্ত্ৰৰ এক মুখ্য কার্য হৈছে মানুহৰ মৌলিক অধিকাৰক সুৰক্ষা প্রদান। ই মুক্ত আৰু নিকা নির্বাচন অনুষ্ঠিত কৰে। গণতান্ত্রিক সমাজসমূহ সহনশীলতা, সহযোগিতা আৰু আপোচৰ মূল্যবোধৰ প্রতি দায়বদ্ধ।

- সফল গণতন্ত্ৰৰ মৌলিক নীতিসমূহ হৈছে স্বাধীনতা, সমতা, ভাতৃত্ববোধ, ন্যায়, শিক্ষাৰ দায়িত্বৰ ভাগ-বাটোৱাৰা, শিক্ষাত সহযোগিতা ইত্যাদি।
- শিক্ষাৰ আনুষ্ঠানিক মাধ্যমসমূহ ,যেনে— স্কুল আৰু কলেজসমূহে আনুষ্ঠানিক শিক্ষা প্রদান কৰে। এইবোৰ মাধ্যমে সচেতন আৰু ইচ্ছাকৃতভাৱে শিক্ষার্থীক বিশেষ প্রভাৱ পেলোৱাৰ পৰিকল্পনা কৰে। ইয়াত ধার্য কৰা পাঠ্যক্রম আৰু পাঠ্যপুথি অনুসৰি চলা হয়। তেওঁলোকে বিভাগীয় কঠোৰ নিয়ম-নীতি নিশ্চিত কৰিব লাগে।
- কিলপেট্রিকে কৈছিল, 'গণতন্ত্ৰৰ ফলপ্রসূ বিদ্যালয়ে ইয়াৰ ছাত্র-ছাত্রীসকলক গণতন্ত্ৰৰ বিষয়সমূহৰ বিষয়ে বুদ্ধিমানভাৱে বুজাব লাগিব গণতান্ত্রক জীৱনশৈলী হিচাপে তেওঁলোকৰ প্রতি সু-প্রৱণতা প্রদান কৰিব লাগিব আৰু গণতন্ত্রই কাম কৰিবলগীয়া সহযোগিতামূলক কার্যকলাপত তেওঁলোকক দক্ষ কৰি তুলিব লাগিব।'
- ৰাষ্টই গণতান্ত্রিক শিক্ষা আগবঢ়াই নিয়াৰ ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। যেতিয়া এখন দেশৰ প্রত্যেক নাগৰিকে তেওঁলোকৰ শিক্ষাৰ ক্ষেত্রত সমান সুবিধা পায় তেতিয়াহে গণতন্ত্র উপযুক্তভাৱে কার্যকৰী হৈ উঠিব পাৰে। বিনামূলীয়া আৰু সার্বজনীন স্কুলীয়া শিক্ষা লাভৰ বাবে ৰাষ্ট্রই অপৰিমিত সুবিধা প্রদান কৰিব লাগে।
- পৰিয়াল হৈছে ব্যক্তিৰ শিক্ষা প্রদানৰ উত্তম মাধ্যম। এজন ব্যক্তিয়ে পোনপ্রথমে ঘৰতেই গণতান্ত্রিক জীৱনৰ নীতি শিকে। পৰিয়ালত এক স্বাস্থ্যকৰ জীৱল যাপন কৰি আৰু অন্য ব্যক্তিৰ সামাজিক জীৱনৰ অভিজ্ঞতা আহৰণ কৰি ব্যক্তিয়ে সামাজিকীকৰণৰ উত্তম পদ্ধতি আহৰণ কৰে।
- চিনেমা হৈছে যোগযোগৰ বহু বিকল্প মাধ্যম। ল'ৰা-ছোৱালীৰ মন আৰু ব্যক্তিত্ব গঠনক প্রভাৱিত কৰিব পৰা ই হৈছে এক শক্তিশালী মাধ্যম। ভাল শৈক্ষিক চিনেমাই ছাত্র-ছাত্রীৰ নাগৰিকত্বৰ অনুভৱ বিকাশ কৰিব লাগে। ৰাষ্ট্রীয় সংহতিৰ ভিত্তিত চিনেমা প্রস্তুত কৰি একতা আৰু ঐক্যৰ ভাবধাৰা প্রসাৰিত কৰিব পাৰি।



১২.৬ অধিক জানিবলৈ

১) Aggrawal, J. C. (2002). Theory and Principles of Education.

২) Dewey, John (1946). Democracy and Education; New York: Mac Millan.

৩) George, F. Kneller (1971). Foundations of Education.

৪) Mohanty, J. (2009). Democracy and Education in India. New Delhi:

Deep & Deep Publications.

৫) Nayak, B. K. (2010). Education in Emerging Indian Society.

৬) Saiyidain, K. G. (2007). Facts of Indian Education. New Delhi: NCERT.

১২.৭ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ইংৰাজী 'Democracy' শব্দটো গ্ৰীক ভাষাৰ 'Demos'— যাৰ অৰ্থ মানুহ আৰু 'Kratos'— যাৰ অৰ্থ নিয়মৰ উদ্ভৱ হৈছে। সেইবাবে 'Democracy'ৰ সাধাৰণ অৰ্থ হৈছে 'জনসাধাৰণৰ শাসন'। গণতন্ত্ৰ শব্দটোৱে এহাতে চৰকাৰক একপ্ৰকাৰ বুজায় আৰু অন্যহাতে জীৱনৰ পথ বজায়। ৰাজনৈতিক দিশৰ পৰা গণতন্ত্ৰ হৈছে জনসাধাৰণৰ বাবে আৰু জনসাধাৰণৰ দ্বাৰা গঠিত হোৱা চৰকাৰ। গণতন্ত্ৰই বিবাদ আৰু সংঘাতৰ শান্তিপূৰ্ণ সমাধান আৰু প্ৰতিৰোধৰ বাবে উপযুক্ত উৎকৃষ্ট ৰাজনৈতিক পৰিৱেশ প্ৰদান কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ গণতন্ত্ৰৰ পাঁচটা মৌলিক বৈশিষ্ট্য তলত দাঙি ধৰা হ'ল।

- গণতন্ত্ৰৰ হৈছে জীৱনৰ এক গতিপথ। ই বিভিন্ন সমস্যাৰ অভিগমন।
- চৰকাৰৰ এক ধৰণ হিচাপে ই মানুহৰ সন্মতিৰ ভিত্তিত নিৰ্ভৰ কৰে।
- গণতন্ত্ৰ হৈছে এনে এখন চৰকাৰ— য'ত ক্ষমতা আৰু সভ্য নাগৰিকৰ দায়িত্ব সকলো প্ৰাপ্তবয়স্ক প্ৰত্যক্ষভাৱে বা তেওঁলোকে মুক্তভাৱে নিৰ্বাচিত কৰা প্ৰতিনিধিৰ জৰিয়তে অনুশীলন কৰে।
- মানুহৰ সততা আৰু জ্ঞানত ই বিশ্বাসী।
- প্ৰয়োজনীয় অৰ্হতাসম্পন্ন প্ৰত্যেক নাগৰিকৰে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ আৰু ৰাজনৈতিক পদ লাভ কৰাৰ অধিকাৰ আছে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ সফল গণতন্ত্ৰৰ মৌলিক নীতিসমূহ হৈছে স্বাধীনতাৰ, সমতা, ভাতৃত্ব, ন্যায়, ব্যক্তিৰ মৰ্যাদা, সহযোগিতা, দায়িত্বৰ ভাগ-বাটোৱাৰা ইত্যাদি। গণতন্ত্ৰত ব্যক্তিসকলে বাহ্যিক উৎসবোৰৰ পৰা মুক্ত হ'ব লাগে আৰু বাধাবোৰ এৰাই চলিব লাগে। ব্যক্তিগত পাৰ্থক্য থাকিলেও প্ৰত্যেক ব্যক্তিয়ে জীয়াই থকাৰ সমান সুবিধা বিভিন্ন দিশ শিক্ষা আৰু তাৰ উদ্দেশ্য অনুভৱ কৰিব পাৰিব লাগে। সেইবাবে, শ্ৰেণী, জাতি, বৰ্ণ, ধৰ্ম, ভাষা, স্থান, জন্মগত ধৰ্ম ইত্যাদিৰ ক্ষেত্ৰত পাৰ্থক্য থাকিব নেলাগে। প্ৰতিজন ব্যক্তিৰ মৰ্যাদা থাকে— যিটো প্ৰতিজন মানুহৰ অসীম মূল্যৰ ভিত্তিত গঢ় লৈ উঠে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ব্যক্তি পাৰ্থক্য হৈছে এটা তথ্য আৰু ইয়াৰ সত্য সন্নিৰিষ্ট হৈ থাকে। এই নীতি অনুসৰি সমতাৰ অৰ্থ হৈছে প্ৰতিজন ব্যক্তিক তেওঁৰ আগ্ৰহ, যোগ্যতা আৰু সামৰ্থ্য অনুযায়ী নিজৰ ব্যক্তিত্বক সম্পূৰ্ণৰূপে বিকশিত কৰাৰ বাবে পৰ্যাপ্ত সুযোগ প্ৰদান কৰা। সেইবাবে শিশুসকলক তেওঁলোকৰ ক্ষমতাক অনুকূল দিশত বিকশিত কৰিবলৈ পৰ্যাপ্ত সুবিধা প্ৰদান

কৰাতো অতি প্ৰয়োজনীয়।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ স্বাধীনতা নোহোৱাকৈ এজন ব্যক্তিয়ে তেওঁৰ সামৰ্থ্যবোৰৰ উপযুক্ত বিকাশ সাধন কৰিব নোৱাৰে। সেইবাবে ব্যক্তিক সম্পূৰ্ণ স্বাধীনতা দিব লাগে— যাতে তেওঁ নিজ গতিৰে চিন্তা কৰিব পাৰে, তেওঁ ইচ্ছা অনুযায়ী কথা ক'ব পাৰে, আলোচনা কৰিব পাৰে, উপদেশ দিব পাৰে আৰু ব্যক্তিগতভাৱে সমালোচনা কৰিব পাৰে। তেতিয়াহে তেওঁৰ নিজৰ ব্যক্তিত্ব উপযুক্তভাৱে বিকাশ কৰা সম্ভৱ হৈ উঠে। স্বাধীনতা হৈছে গণতন্ত্ৰৰ আত্মাস্বৰূপ।



১২.৮ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০ শব্দৰে দিয়ক)

প্ৰশ্ন ১ ঃ গণতন্ত্ৰৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ২ ঃ গণতন্ত্ৰৰ বিভিন্ন ধৰণবোৰ কি কি?

প্ৰশ্ন ৩ ঃ গণতান্ত্ৰিক মূল্যবোধ আৰু নীতিবোৰ ছাত্ৰ-ছাত্ৰীক শিকোৱাৰ ক্ষেত্ৰত স্কুলৰ তিনি প্ৰকাৰৰ কাৰ্য কি কি?

প্ৰশ্ন ৪ ঃ গণতান্ত্ৰিক জীৱনৰ পথ শিকোৱাৰ ক্ষেত্ৰত স্কুলৰ কাৰ্যাৱলী আৰু পদ্ধতিবোৰ কি কি?

খ) দীঘল প্ৰশ্নসমূহ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ শব্দৰে দিয়ক)

প্ৰশ্ন ১ ঃ বিভিন্ন সংজ্ঞা দাঙি ধৰি গণতন্ত্ৰৰ অৰ্থ লিখক।

প্ৰশ্ন ২ ঃ গণতন্ত্ৰ সফল হোৱাৰ মৌলিক নীতিবোৰ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ গণতন্ত্ৰৰ সাফল্যৰ ক্ষেত্ৰত আনুষ্ঠানিক মাধ্যমবোৰৰ অৰিহণা ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ গণতান্ত্ৰিক শিক্ষাত অনানুষ্ঠানিক মাধ্যমবোৰে কিদৰে সহায় কৰে?

প্ৰশ্ন ৫ ঃ শিক্ষাৰ গণতান্ত্ৰিক অভিগমনৰ মৌলিক ভাবধাৰা ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ১৩ ঃ শৈক্ষিক সা-সুবিধাৰ সমতা

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ ন্যায় আৰু সমতাৰ ধাৰণা
১৩.৩.১ ন্যায় আৰু সমতাৰ ধাৰণাৰ সম্পৰ্ক
১৩.৪ শৈক্ষিক সা-সুবিধাৰ সমতাৰ ধাৰণা
১৩.৫ শৈক্ষিক সা-সুবিধাৰ সমতাৰ প্ৰদানৰ প্ৰয়োজনীয়তা
১৩.৬ শৈক্ষিক সা-সুবিধাৰ সমতাৰ সৈতে জড়িত সমস্যাসমূহ
১৩.৭ সামাজিক ন্যায় আৰু শৈক্ষিক সা-সুবিধাৰ সমতাৰ বাবে থকা সাংবিধানিক সুবিধাসমূহ
১৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৯ অধিক জানিবলৈ
১৩.১০ অগ্ৰগতিৰ খতিয়ান
১৩.১১ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ন্যায় আৰু সমতাৰ ধাৰণা সম্পৰ্কে সংজ্ঞা দিব পাৰিব
- ন্যায় আৰু সমতাৰ সম্পৰ্ক বিশ্লেষণ কৰিব পাৰিব
- শৈক্ষিক সা-সুবিধাৰ সমতাৰ ধাৰণা বৰ্ণনা কৰিব পাৰিব
- শৈক্ষিক সা-সুবিধাৰ সমতা প্ৰদানৰ প্ৰয়োজনীয়তা আলোচনা কৰিব পাৰিব
- শৈক্ষিক সা-সুবিধাৰ সমতাৰ সৈতে জড়িত সমস্যাসমূহ চিনাক্ত কৰিব পাৰিব
- সামাজিক ন্যায় আৰু শৈক্ষিক সা-সুবিধাৰ সমতাৰ ক্ষেত্ৰত থকা বিভিন্ন সাংবিধানিক সুবিধাসমূহ ব্যাখ্যা কৰিব পাৰিব।

১৩.২ পৰিচয়

ভাৰতীয় সমাজ ইয়াৰ সামাজিক-সাংস্কৃতিক পৰম্পৰাৰ অপৰিসীম বৈচিত্ৰৰ বাবে জনাজাত। স্বাধীনতাৰ সময়ত, ভাৰতবৰ্ষত এটা ব্যৱস্থা আছিল— য'ত শিক্ষাৰ পৰিসৰ সীমিত আছিল আৰু আঞ্চলিক আৰু গাঁথনিগত পাৰ্থক্যৰ দ্বাৰা চিহ্নিত আছিল। ইয়াৰ ফলস্বৰূপে সমাজৰ কিছুমান অংশ অন্য কিছুমানতকৈ সামাজিকভাৱে, অৰ্থনৈতিকভাৱে আৰু শৈক্ষিকভাৱে বেছি বিকাশশীল আছিল।

ড. বি. আৰ আম্বেদকাৰ, ভাৰতবৰ্ষৰ সংবিধান প্ৰণয়নৰ কমিটীৰ অধ্যক্ষ, তেখেতে চূড়ান্ত সংবিধান সভাৰ ভাষণত ১৯৪৯ চনৰ ২৫ নৱেম্বৰত মন্তব্য দিছিল, 'আমি আমাৰ ৰাজনৈতিক গণতন্ত্ৰক সামাজিক গণতন্ত্ৰ কৰিব লাগিব। সামাজিক ক্ষেত্ৰত আমাৰ ভাৰতত শ্ৰেণীকৃত বৈষম্যৰ নীতিৰ ভিত্তিত গঢ়ি উঠা এখন সমাজ আৰু যাৰ অৰ্থ হৈছে কিছুমানৰ বাবে উচ্চ স্তৰ আৰু কিছুমানৰ বাবে অৱনমিত। অৰ্থনৈতিক ক্ষেত্ৰত, আমাৰ দেশৰ সমাজৰ কিছুমানৰ অপৰিসীম সম্পত্তি আৰু আনহাতে কিছুমান হৈছে অতি দৰিদ্ৰ। ৰাজনীতিত আমাৰ সমতা আছে আৰু সামাজিক তথা অৰ্থনৈতিক জীৱনত অসমতাহে আছে। ৰাজনীতিত আমি এজন মানুহ এটা ভোট আৰু এটা ভোট আৰু এটা মূল্য নীতি চিনাক্ত কৰোঁ। আমাৰ সামাজিক আৰু অৰ্থনৈতিক জীৱনত, আমি সামাজিক আৰু অৰ্থনৈতিক গাঁথনিৰ কাৰণে এজন মানুহ এটা মূল্যৰ নীতিক অবিৰতভাৱে অস্বীকাৰ কৰিব লওঁ। আমি কিমান ধৰি আমি এনে বৈপৰীত্যৰ জীৱন-যাপন কৰিম?

উল্লেখযোগ্য যে সেই সময়ত দেশত চলা আৰ্থ-সামাজিক পৰিস্থিতিৰ ক্ষেত্ৰত অন্তৰ্নিহিত বৈষম্যসমূহ আঁতৰাবলৈ বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। সেইবাবে যেতিয়া ১৯৫০ চনৰ ২৬ জানুৱাৰীত ভাৰতীয়া সংবিধান গ্ৰহণ কৰা হয় তাত ভাৰতবৰ্ষক এখন ধৰ্মনিৰপেক্ষ, সামাজিক আৰু গণতান্ত্ৰিক গণৰাজ্য হিচাপে কল্পনা কৰা হৈছিল— য'ত ইয়াৰ সকলো জনসাধাৰণে ন্যায়, স্বাধীনতা, সমতা আৰু ভ্ৰাতৃত্ববোধ উপভোগ কৰিব পাৰিব। এনে উচ্চ আদৰ্শক ৰক্ষা কৰিবলৈ সংবিধানত প্ৰতিটো শ্ৰেণীৰ লোকক সমৃদ্ধিশালী হোৱাত সহায় কৰিবলৈ কেবাটাও বিশেষ ব্যৱস্থা সন্নিৱিষ্ট কৰা হৈছিল।

১৩.৩ ন্যায় আৰু সমতাৰ ধাৰণা

● ন্যায় কি?

ন্যায় হৈছে সকলোবোৰ উচিতৰ বাবে মানুহে একে সুয়োগৰ সমান সুবিধা পোৱাটো নিশ্চিত কৰা। অৱশ্যে, কেতিয়াবা আমাৰ পাৰ্থক্যবোৰে অংশগ্ৰহণৰ ক্ষেত্ৰত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে, সেইবাবে আমি সমতা ভোগ কৰাৰ আমাৰ ন্যায় নিশ্চিত কৰিব লাগে।

আহকচোন, আমি কাষত দিয়া ছবিখনৰ দ্বাৰা বুজিবলৈ চেষ্টা কৰোঁ, য'ত আমি ওখৰ ক্ষেত্ৰত পাৰ্থক্য থকা তিনিগৰাকী বন্ধুক দেখিবলৈ পাওঁ। তেওঁলোকে খেল চাব বিচাৰিছে। ন্যায়ৰ আদৰ্শৰ ভিত্তিত প্ৰয়োজন থকা গৰাকীক সহায় কৰা হৈছে। ওখ ল'ৰাজনক কোনো বাকচৰ প্ৰয়োজন নাই আৰু মাটিত থিয় হৈ থাকি খেলখন দেখা পাইছে। মাজৰজনৰ বাবে খেলখন চাবলৈ এটা বাকচৰ প্ৰয়োজন হৈছে। সি যি নহওক আটাইতকৈ চাপৰজনে নিজৰ শাৰীৰিক দিশৰ ফলত এটা বাকচৰ থিয় হৈ খেলখন দেখা পোৱা নাই, এইটো বুজিব পৰা গৈছে যে এটা বাকচে তেওঁৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পৰা নাই। সেইবাবে তেওঁক দুটা বাকচ দিয়া হৈছে— যাতে তেওঁ খেলখন উপভোগ কৰিব পাৰে।




চিত্ৰ ঃ ন্যায়ৰ ধাৰণা

সেইবাবে ন্যায়ে ন্যায়পৰায়ণতা লাভৰ বাবে অসমানৰ বৈষম্যক ব্যৱহাৰ কৰাত বিশ্বাস কৰে। ই চিনাক্তকৰণ, মানুহৰ মাজৰ পূৰ্ব পাৰ্থক্যক অন্তৰ্ভুক্ত কৰে আৰু এনে পাৰ্থক্য হ্ৰাস কৰাৰ বাবে প্ৰচেষ্টা চলায়।

● **সমতা কি ?**

সমগ্ৰ পৃথিৱীৰে সামাজিক আৰু ৰাজনৈতিক দৰ্শনৰ সমসাময়িক মূল্যবোধৰ অন্যতম এক ধাৰণা হৈছে সমতা। সমতা হৈছে সকলোকে সমান ব্যৱহাৰ কৰা। সমতাই ন্যায়পৰায়ণতা লাভৰ বাবে মানুহক সমান ব্যৱহাৰ কৰাত বিশ্বাস কৰে।




চিত্ৰ ঃ সমতাৰ ধাৰণা

সমতাৰ বিভিন্নতাৰ লগতে আনুংযগিক বৈপৰীত্যও আছে, যেনে— আইনগত, ৰাজনৈতিক, নৈতিক আৰু সামাজিক দিশত সমতা। উদাহৰণস্বৰূপে নৈতিকতাৰ ক্ষেত্ৰত 'সমান মৰ্যাদা', আইনী দিশত আইনৰ আগত সমতা আদি ব্যৱহাৰ কৰা হয়। কিন্তু জীৱনৰ বিশেষ উদ্দেশ্যত বা ক্ষেত্ৰত বাবে বহু সমাজে সমতাৰ লক্ষ্যক সীমিতভাৱে প্ৰশংসা কৰিছে।

১৩.৩.১ ন্যায় আৰু সমতাৰ ধাৰণাৰ মাজত থকা সম্পৰ্ক

ন্যায় আৰু সমতাক কেতিয়াবা বিনিময় যোগ্যভাৱে ব্যৱহাৰ কৰা হয়— যিয়ে খেলিমেলিৰ সৃষ্টি কৰে। কাৰণ এই দুয়োটা শব্দ যদিও সম্পৰ্ক থকা, তথাপি দুয়োটাৰ মাজত গুৰুত্বপূৰ্ণ পাৰ্থক্য আছে। সাধাৰণতে ন্যায়ে বুজিবলৈ চেষ্টা কৰে আৰু সুখী আৰু সুস্থ জীৱন যাপনৰ বাবে মানুহে বিচৰাখিনি প্ৰদান কৰাৰ দিশবোৰক অন্তৰ্ভুক্ত কৰে। অন্যফালে সমতাৰ লক্ষ্য হৈছে সুস্থ আৰু সুখী জীৱন উপভোগ কৰাৰ বাবে প্ৰত্যেকে যাতে সমান বস্তু পায় তাক সুনিশ্চিত কৰা। ন্যায় হৈছে সমতাৰ পৰিপূৰক। ইয়াৰ অৰ্থ হ'ল যিকোনো কাৰণতে বঞ্চিত হোৱা বা উন্নত লোকৰ সমপৰ্যায়ৰ সুবিধা লাভ কৰিব পৰা অৱস্থাত নথকা সকলোকে পাবলগীয়া উপযুক্ত অংশ প্ৰদান কৰা। নিৰপেক্ষতাক সমতাতহে বুজা যায় কাৰণ ন্যায় অবিহনে সমতা সম্ভৱ নহয়। ন্যায় আৰু সমতাৰ লক্ষ্য হৈছে নিকা আৰু ন্যায়পৰায়ণতা; কিন্তু এইটো তেতিয়াহে কাম কৰিব যেতিয়া প্ৰত্যেক লোকে একে ঠাইতে আৰু একে বস্তুৰ প্ৰয়োজনত আৰম্ভ কৰিব।



এই দুয়োটাৰ মাজত থকা পাৰ্থক্য তলত দাঙি ধৰা হ'ল।

- সমতাক এক অৱস্থা হিচাপে বৰ্ণনা কৰা হয়— য'ত প্ৰত্যেকে একে স্তৰত থাকে। আনহাতে ন্যায় হৈছে নিৰপেক্ষতা হোৱাৰ গুণ।
- সমতাৰ লগত সমবিতৰণ জড়িত হৈ থাকে, আনহাতে ন্যায়ৰ লগত ন্যায্য বিতৰণ জড়িত হৈ থাকে।
- সমতাই সমতাক স্বীকৃতি দিয়ে আৰু প্ৰত্যেককে সমৰূপত ব্যৱহাৰ কৰে। ন্যায়ে

পার্থক্যক স্বীকৃতি দিয়ে আৰু অসমান ব্যক্তিগত সুযোগক প্ৰতিহত কৰাৰ চেষ্টা কৰে।

- সমতা হৈছে সকলোকে সমান বস্তু প্ৰদান কৰা। আনফালে, ন্যায়ে নিশ্চিত কৰে যে মানুহৰ প্ৰয়োজন অনুসৰিহে তেওঁলোকৰ বস্তু থাকিব লাগে।

সেইবাবে সমাজত ন্যায়পৰায়ণতা অনাৰ বাবে সমতা আৰু ন্যায় দুয়োটা কৌশল ব্যৱহাৰ কৰা হয়। সুস্থ সম্প্ৰদায়ৰ বাবে সমতা আৰু ন্যায় দুয়োটাৰে প্ৰয়োজন।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ আমাৰ সংবিধানৰ প্ৰস্তাৱনাত পোৱা সাংবিধানিক মূল্যবোধৰ বিষয়ে নিজ ভাষাত লিখক।

.....

.....

প্ৰশ্ন নং ২ ঃ ন্যায় আৰু সমতাৰ মাজৰ পাৰ্থক্য উলিয়াওক।

.....

.....

১৩.৪ শৈক্ষিক সা-সুবিধাৰ সমতাৰ ধাৰণাৰ অৰ্থ

সমতাৰ সুবিধা হৈছে এক ৰাজনৈতিক চিন্তাধাৰা— যিয়ে জাতিগত স্তৰৰ বিৰোধিতা কৰে। যেতিয়া সমাজত সমতাৰ সুবিধা থাকে; সামাজিক স্তৰত ব্যক্তিৰ স্থানত নিযুক্তি কিছুমান প্ৰতিযোগিতামূলক প্ৰক্ৰিয়াৰ দ্বাৰা নিৰ্ধাৰিত হয় আৰু সমাজৰ সকলো সদস্যই সমান চৰ্তত প্ৰতযোগিতাত অংশগ্ৰহণৰ বাবে যোগ্য হয়।

শৈক্ষিক সুবিধাৰ বিতৰণৰ দিশত 'সমতা' আৰু 'পৰ্যাপ্ততা'ৰ অভিগমনৰ ক্ষেত্ৰত এক দীৰ্ঘদিনীয়া বিবাদ আছে। শিক্ষাৰ সুবিধাৰ বিতৰণৰ সমতাৰ দৃষ্টিভংগীক অগ্ৰাধিকাৰ দিয়াসকলে সমতাই সমান যোগান ধৰাৰ (অৰ্থাৎ শৈক্ষিক সম্পদ - যেনে প্ৰত্যেক ছাত্ৰক বা অৰ্হতাসম্পন্ন শিক্ষকক সমান অৰ্থ প্ৰদান) বা সমান উৎপাদন (অৰ্থাৎ শৈক্ষিক ফলাফল যেনে বিশেষ কৌশলৰ দক্ষতা)ত জোৰ দিয়াৰ পোষকতা কৰে। ইয়াৰ বিপৰীতে পৰ্যাপ্ত অভিগমনৰ ক্ষেত্ৰত দেখা যায় যে এটা নিৰ্দিষ্ট শৈক্ষিক সীমা পূৰণ কৰাটো আটাইতকৈ গুৰুত্বপূৰ্ণ।

সমতাৰ সুযোগ প্ৰদানৰ সুবিধা কৰা সকলো গণতান্ত্ৰিক দেশৰ এক গ্ৰহণযোগ্য কৰ্মক্ষম নীতি। ড° ৰাধাকৃষ্ণনে কৈছিল, 'গণতন্ত্ৰই কেবল সকলো মানুহৰ বিভিন্নতাপূৰ্ণ প্ৰতিভা বিকাশৰ বাবে সমান সুবিধা প্ৰদান কৰে।'

শিক্ষা হৈছে সাৰ্বজনীন মানব অধিকাৰ আৰু অন্য মানৰ অধিকাৰ অনুভৱ কৰা দুয়োৰে অবিচ্ছেদ্য উপায়। এনেদৰে শিক্ষাত সমতাৰ সুবিধা হৈছে মৌলিক নীতি, সকলো আন্তৰ্জাতিক

মানৱ অধিকাৰৰ চুক্তিৰ ক্ষেত্ৰত ই একে। মানৱ অধিকাৰৰ সার্বজনীন ঘোষণা (UDHR, 1948)ৰ অনুচ্ছেদ (26)ত কোৱা হৈছে শিক্ষাৰ অধিকাৰ প্ৰত্যেক শিশুৰ বাবে ল'ৰা-ছোৱালী যিয়ে নহওক, মানৱ অধিকাৰৰ অবিচ্ছেদ্য দিশ। ই শিক্ষাৰ সার্বজনীন প্ৰৱেশ আৰু শৈক্ষিক সুযোগৰ সমতা নিশ্চিত কৰাৰ মৌলিক নীতিসমূহ প্ৰতিষ্ঠা কৰে।

বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা হৈছে প্ৰত্যেক শিশুৱে ন্যায্য অধিকাৰ আৰু আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰৰ চুক্তিৰ অধীনত ই হৈছে ৰাষ্ট্ৰীৰ মূল বাধ্যবাধকতা। আন্তঃৰাষ্ট্ৰীয় চুক্তিসমূহৰ সৈতে সংগতি ৰাখি, RTE (বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ) আইনখন ২০০৯ চনত গৃহীত হয় আৰু ২০১০ চনত ভাৰতবর্ষত বলৱৎ হয়, যিয়ে ৬-১৪ বছৰ বয়সৰ সকলো শিশু (শ্ৰেণী 1-viii) প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰে। শিক্ষাৰ সা-সুবিধাৰ সমতাই তলত দিশবোৰ সামৰি লয়।

- উপলব্ধতা (পৰিমাণগত আৰু গুণগত শিক্ষাৰ উপলব্ধতা)
- প্ৰৱেশযোগ্যতা (পৰিমাণ আৰু মানসম্পন্ন শিক্ষা মানুহৰ বাবে সুলভ হোৱা)
- অভিযোজন ক্ষমতা (মানুহৰ জীৱনত শিক্ষাৰ উপযোগ)

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে বৈষম্য দূৰীকৰণ আৰু এতিয়ালৈকে সমতাৰ পৰা বঞ্চিত হোৱাসকলৰ নির্দিষ্ট প্ৰয়োজনীয়তাসমূহৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষাৰ সা-সুবিধাসমূহৰ সমতা স্থাপন কৰা অর্থাৎ ছোৱালী আৰু মহিলাসকলৰ শিক্ষা, অনুসূচিত জাতি-জনজাতি, শৈক্ষিকভাৱে পিছপৰা সংখ্যালঘু আৰু বিশেষভাৱে সক্ষমসকলৰ শিক্ষাত গুৰুত্ব আৰোপ কৰিছিল। ১৯৮৬ চনৰ NPEয়ে অসুবিধাগ্ৰস্ত দলৰ শিক্ষা প্ৰসাৰৰ বাবে সুৰক্ষামূলক বৈষম্য আঁতৰোৱাৰ নীতি গ্ৰহণ কৰিছিল। ১৯১২ চনৰ NPE (POA) বিশেষ কৌশল তৈয়াৰ কৰিছিল আৰু প্ৰাথমিক উচ্চ প্ৰাথমিক শিক্ষাৰ কার্যসূচী গ্ৰহণেৰে এনে বঞ্চিত লোকসকলৰ শৈক্ষিক সা-সুবিধা প্ৰদান কৰে।

১৩.৫ শৈক্ষিক সা-সুবিধা প্ৰদানৰ প্ৰয়োজনীয়তা

- **উন্নতি লাভৰ বাবে সা-সুবিধাৰ সমতা ঃ** সামাজিক সমতা আৰু ন্যায়ৰ ভিত্তিত সমতাবাদী সমাজ স্থাপনৰ বাবে শিক্ষাৰ সা-সুবিধা প্ৰয়োজন হয়, সমৃদ্ধিৰ সুযোগ সমতাই কেৱল বঞ্চিত পৰিয়ালৰ পটভূমিৰ লোকসকলৰ বাবে ক্ষতিপূৰণৰ মূল সহায় আৰু সম্পদ প্ৰদান কৰাই নহয়, বংশগত অসুবিধা থকাসকলৰ বাবেও সহায় আগবঢ়ায়। ইয়াৰ দ্বাৰা নিশ্চিত কৰা হৈছিল যে সকলো ছাত্ৰ-ছাত্ৰীৰ স্বাভাৱিক সম্ভৱনাৰ পার্থক্য যি নহওঁক কিয়, ভালদৰে জীয়াই থকাৰ সমান সম্ভাৱনা থাকে। সেইবাবে ই ব্যক্তি আৰু সমাজৰ বিকাশত অৱিহণা যোগায়।
- **কর্মসংস্থানৰ প্ৰত্যাশাৰ ক্ষেত্ৰত শৈক্ষিক সা-সুবিধাৰ সমতা ঃ** শিক্ষাৰ দ্বিতীয়টো গুৰুত্বপূর্ণ লক্ষ্য হৈছে উৎপাদনশীল ব্যক্তি প্ৰস্তুত কৰি তোলা। যি শিক্ষাই ব্যক্তিক নিয়োগ পাবৰ

বাবে প্ৰস্তুত কৰি তোলে, তেনে শিক্ষাৰ দেশৰ বিকাশত উল্লেখযোগ্য ভূমিকা (GDP) মুঠ ঘৰুৱা উৎপাদন) আৰু ব্যক্তিৰ বিকাশতো গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰে (পাৰিতোষিক আৰু পুৰস্কাৰমূলক নিয়োগ আৰু ইয়াৰ লগত জড়িত সকলো সুবিধা, অধিক বিবেচনাধীন আয় আৰু উন্নত স্বাস্থ্যসেৱা) ন্যায় দিশৰ ফালৰ পৰা শিক্ষাৰ এই কাৰ্য যথেষ্ট গুৰুত্বপূৰ্ণ।

- নাগৰিকত্বৰ বাবে শৈক্ষিক লক্ষ্য হৈছে সৎ নাগৰিক হোৱাৰ গুণাৱলী ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰা। ই ব্যক্তিসকলৰ মাজত গণতান্ত্ৰিক নাগৰিকত্বৰ সংলক্ষণ আৰু গুণাৱলী বিকাশত সহায় কৰে আৰু ৰাজনৈতিক ক্ষেত্ৰত ফলপ্ৰসূ অংশগ্ৰহণ কৰাত সহায় কৰে।

১৩.৬ শৈক্ষিক সা-সুবিধাৰ সমতাৰ সৈতে জড়িত সমস্যাসমূহ

আমি নিঃসন্দেহে ক'ব পাৰো যে শিক্ষাই সমতা আৰু সামাজিক ন্যায় প্ৰতিষ্ঠাত সহায় কৰে।

কিন্তু শিক্ষাব্যৱস্থাই নিজৰ তাত বিদ্যমান বৈষম্যৰ লগত যোগ দিব পাৰে বা অন্তত একেখিনিকে স্থায়ী কৰি ৰাখিব পাৰে। সকলোকে শিক্ষাৰ সা-সুবিধা প্ৰদান কৰাৰ ক্ষেত্ৰত এটা হৈছে এক ডাঙৰ সমস্যা ভাৰতবৰ্ষত কিছুমান কাৰণৰ ফলত শিক্ষাৰ সা-সুবিধাৰ ক্ষেত্ৰত বৈষম্যৰ সৃষ্টি হয়—

শিক্ষার্থীৰ পৰিয়ালৰ পটভূমি ঃ পৰিয়ালৰ পটভূমি হৈছে বৈষম্যৰ উল্লেখযোগ্য উৎস। আনকি আগতেও আমি বিবেচনা কৰিছিলো যে শিশুসকলৰ ব্যক্তিত্ব আৰু প্ৰয়োজনবোৰৰ বিভিন্নধৰণৰ, পৰিয়ালৰ সম্পদ আৰু অগ্ৰাধিকাৰৰ ক্ষেত্ৰত বৈষম্য থাকে, এইবোৰে শিশুৰ সামাজিক অংশগ্ৰহণ আৰু উপযুক্তভাৱে জীয়াই থকাৰ ক্ষেত্ৰত প্ৰভাৱ পেলায়। যদিও নিজৰ সন্তানক ব্যক্তিগত বিদ্যালয়ত পঢ়াবলৈ টিউচন দিবলৈ বাছি লোৱা অভিভাৱকৰ সংখ্যা তুলনামূলকভাৱে কম হ'ব পাৰে, অভিজাত ব্যক্তিগত বিদ্যালয় ক্ৰয় কৰিছে, কিছুমান ছাত্ৰ-ছাত্ৰীৰ বাবে অধিক সুবিধা হ'ব পাৰে (এনেদৰে এইবোৰ আপেক্ষিক অসুবিধা)।

শিক্ষার্থীসকলৰ অক্ষমতা ঃ শিক্ষাৰ প্ৰাথমিক লক্ষ্য হৈছে চাকৰিৰ বাবে ন্যায্য প্ৰতিযোগিতা নিশ্চিত কৰা। কিন্তু বহুতো অক্ষম লোক আছে যিসকলে আটাইতকৈ মেধাৱী প্ৰাৰ্থী হোৱাৰ ক্ষেত্ৰত অধিক আৰু আনকি অতিক্ৰম কৰিব নোৱৰা বাধাৰ সন্মুখীন হ'বলগীয়া হয়। ন্যায্য শৈক্ষিক সুবিধাৰ বাবে সমান প্ৰতিভাশালী আৰু অভিলাষীসকলৰ বাবে সমান সম্ভাৱনাৰ প্ৰয়োজন। বিশেষভাৱে সক্ষমসকলৰ কিছুমানৰ সুযোগৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰা আনসকলৰ সৈতে একে বা সমান স্বাভাৱিক প্ৰতিভা নাই, যদিও এই পাৰ্থক্যসমূহৰ ক্ষতিপূৰণ শিক্ষাৰ জৰিয়তে কৰিব পৰা যায়। জন্মগত সম্ভাৱনাৰ দ্বাৰা যোগ্যতাক ব্যাখ্যা কৰি মেধাতান্ত্ৰিক সমতাই কিছুমান বিশেষভাৱে সক্ষম লোকক অৱহেলা কৰা যেন লাগে।

কিছুমান প্ৰত্যাহ্বান আছে— যিবোৰ দাৰ্শনিক নহয় ব্যৱহাৰিক, যেনে নীতি নিৰ্ধাৰকসকলক ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক প্ৰয়োজন পূৰণৰ বাবে অৰ্থ ধাৰ্যকৰণৰ বাবে আমি কেনেকৈ মান্তি কৰাম, শৈক্ষিক সা-সুবিধাৰ সমতাৰ ভাবধাৰাৰ ক্ষেত্ৰত জনসাধাৰণৰ সমৰ্থন বৃদ্ধি কিদৰে কৰিম।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ ১৯৮৬ চনৰ NPEয়ে শৈক্ষিক সা-সুবিধাৰ সমতাৰ ক্ষেত্রত কি কৈছিল ?

.....

.....

প্রশ্ন নং ৪ ঃ শৈক্ষিক সা-সুবিধাৰ সমতা কিয় প্রয়োজনীয় ?

.....

.....

প্রশ্ন নং ৫ ঃ শৈক্ষিক সা-সুবিধাৰ সমতাৰ ক্ষেত্রত থকা প্রত্যাহ্বানসমূহ কি কি ?

.....

.....

১৩.৭ সামাজিক ন্যায় আৰু শৈক্ষিক সা-সুবিধাৰ সমতা বাবে থকা সাংবিধানিক সুবিধাসমূহ

সংবিধানখনক ভূমিৰ মৌলিক আইন হিচাপে বিবেচনা কৰা হয়। ইয়াৰ বহুতো উল্লেখযোগ্য মূল্য আছে। এই মৌলিক আইনখনৰ পৰা আন আইনবোৰৰ সৃষ্টি হৈছে আৰু বিৱর্তিত হৈছে, সকলো চৰকাৰী কর্তৃপক্ষই কাম কৰে আৰু ইয়াৰ কার্যকলাপৰ বৈধতা নির্ণয় কৰা হয়।

সাংবিধানিক সুবিধাৰ অর্থ হৈছে যে সংবিধানৰ পৰা অহা এটা নীতি বা আইনৰ পৰা নাহে। সাংবিধানিক বিধিগত বা সাধাৰণ আইনৰ পৰা নাহে। সাংবিধানিক সুবিধাৰ অর্থ হৈছে সমাজত আটাইতকৈ গুৰুত্বপূর্ণ মৌলিক অধিকাৰ, নিষেধাজ্ঞা আৰু সংস্থাক প্রতিষ্ঠা কৰা। সাংবিধানিক সুবিধাবোৰ হৈছে সংশোধন কৰাৰ একমাত্র পথ বা সংবিধানত উল্লেখ কৰা পদ্ধতিবোৰ অনুসৰণ কৰা। ভাৰতবর্ষৰ সংবিধানে দেশৰ সকলো নাগৰিকৰ বাবে সামাজিক ন্যায় আৰু শৈক্ষিক সা-সুবিধাৰ সমতাৰ বাবে তলত উল্লেখ কৰা সুবিধাবোৰ প্রদান কৰিছে—

- **সমৱর্তীসূচীত শিক্ষা ঃ** ভাৰতীয়া সংবিধানৰ ঘোষণাক ভাৰতীয় শিক্ষাৰ আৰম্ভণি বুলি বিবেচনা কৰা হয়। সংবিধানখনত স্পষ্টভাৰে কোৱা হৈছে যে শিক্ষা হৈছে ৰাষ্ট্রৰ বিষয়। তদুপৰি, ১৯৭৬ চনৰ ৪২ তম সংশোধনী আইন অনুসৰি শিক্ষা বিষয়টো সমৱর্তী সূচীলৈ হস্তান্তৰ কৰা হৈছে, যাৰ অর্থ হৈছে কেন্দ্রীয় আৰু ৰাজ্যিক উভয় চৰকাৰক শিক্ষাৰ আইন বনোৱাৰ বাবে শক্তিশালী কৰি তোলা হৈছে। কোনো সংঘাত বা বিবাদৰ সময়ত ইউনিয়ন আইন প্রচলিত হয়। শিক্ষাক সমৱর্তী সূচীত অন্তর্ভুক্ত কৰাৰ গুৰুত্ব হৈছে এয়ে যে বর্তমান কেন্দ্রীয় চৰকাৰে শিক্ষাৰ নীতি প্রস্তুত কৰিব পাৰে আৰু শিক্ষাৰ এক গুণগতমানৰ বাবে চেষ্টা কৰে।

- **মুক্ত আৰু বিনামূলীয়া শিক্ষাৰ সুবিধা ঃ** অনুচ্ছেদ ৪১ ত কোৱা হৈছিল, 'ৰাষ্ট্ৰই সংবিধান বলৱৎ হোৱাৰ ২০ বছৰৰ ভিতৰত ১৪ বছৰ বয়সলৈকে সকলো শিশুকে বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰদানৰ বাবে প্ৰচেষ্টা হাতত ল'ব।'

  সংবিধানত কোৱা হৈছিল যে সংবিধান বলৱৎ হোৱাৰ ১০ বছৰৰ ভিতৰত ১৪ বছৰ বয়সলৈ প্ৰত্যেক শিশুৱে সাৰ্বজনীন প্ৰাথমিক শিক্ষা (১ম শ্ৰেণী-অষ্টম শ্ৰেণী) পাবলৈ সক্ষম হ'ব। কিন্তু এইটো সম্ভৱ হৈ উঠা নাই। ২০০২ চনত, সংবিধানত ৮৬ তম সংশোধনী কৰা হৈছিল আৰু প্ৰাথমিক শিক্ষা প্ৰত্যেক শিশুৰে মৌলিক অধিকাৰ হিচাপে গ্ৰহণ কৰা হৈছিল। এই সংশোধনীত আছিল—

  - নতুন অনুচ্ছেদ ২১ A সন্নিৱিষ্ট কৰা- ৰাষ্ট্ৰীৰ আইনে নিৰ্ধাৰণ কৰি দিয়া ধৰণে ছয় বছৰৰ পৰা ১৪ বছৰ বয়সলৈ সকলো শিশুকে মুক্ত আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰা হ'ব।
  - ৪৫ নং অনুচ্ছেদৰ বিকল্প - শিশুৰ ছয়বছৰ বয়স সম্পূৰ্ণ নোহোৱালৈকে ৰাষ্ট্ৰই আগতীয়া বাল্যকালৰ যতন আৰু শিক্ষা প্ৰদানৰ প্ৰচেষ্টা কৰিব।
  - নতুন দফা সন্নিৱিষ্টকৰণ (K) অনুচ্চেদ ৫১ A- ৬ বছৰৰ পৰা ১৪ বছৰৰ ভিতৰৰ শিশুক শিক্ষাৰ সুবিধা প্ৰদান কৰাতো পিতৃ-মাতৃ বা অভিভাৱকৰ মৌলিক দায়িত্ব।

  সংখ্যালঘুসকলৰ বাবে শিক্ষাৰ সুবিধা- অনুচ্ছেদ ৩০ শৈক্ষিক অনুষ্ঠান প্ৰশাসন আৰু প্ৰতিষ্ঠা কৰাৰ বাবে সংখ্যালঘুসকলৰ অধিকাৰ—

  ১) ধৰ্ম বা ভাষিক সংখ্যালঘুসকলৰ নিজৰ পছন্দ অনুযায়ী শিক্ষা অনুষ্ঠান প্ৰতিষ্ঠা আৰু প্ৰাশাসন কৰিব পাৰিব।

  ২) ৰাষ্ট্ৰই শিক্ষানুষ্ঠানক সাহায্য প্ৰদান কৰাৰ সময়ত কোনো শিক্ষানুষ্ঠান সংখ্যালঘুৰ পৰিচালনাৰ অধীনত আছে বুলি ভিত্তি কৰি বৈষম্য কৰিব নোৱাৰিব, সেয়া ধৰ্ম বা ভাষাৰ ভিত্তিতেই হওক।

- **সা-সুবিধাবোৰৰ সমতাৰ প্ৰদান ঃ** ২৯ নং অনুচ্ছেদত ঘোষণা কৰা হৈছিল যে 'জাতি, ধৰ্ম, ভাষা আদিৰ ভিত্তিত কোনো নাগৰিককে চৰকাৰী শিক্ষা অনুষ্ঠান বা চৰকাৰৰ সাহায্যপ্ৰাপ্ত শিক্ষা অনুষ্ঠানত নামভৰ্তিকৰণৰ ক্ষেত্ৰত বাধা দিব নোৱাৰিব।' ১৫ নং অনুচ্ছেদত কোৱা হৈছে—

  ১) চৰকাৰৰ অধীনৰ যিকোনো কাৰ্যালয়ত নিয়োগৰ ক্ষেত্ৰত সকলো নাগৰিকে সমান সুবিধা পাব।

  ২) চৰকাৰৰ অধীনৰ কাৰ্যালয় বা নিয়োগৰ ক্ষেত্ৰত নাগৰিকসকলৰ জাতি, ধৰ্ম, বৰ্ণ, লিংগ, বংশ, জন্মস্থান, বাসস্থান আদিৰ ভিত্তিত অৰ্হতাসম্পন্ন নহয় বুলি বা কোনোধৰণৰ বৈষম্য দেখুৱাব নোৱাৰিব।

- **ধৰ্মনিৰপেক্ষ শিক্ষাৰ সুবিধা ঃ**

  ২৮ নং অনুচ্ছেদত কোৱা হৈছে—

১) চৰকাৰৰ অর্থ সাহায্যৰ দ্বাৰা পৰিচালিত কোনো শিক্ষানুষ্ঠানতে ধর্মীয় নির্দেশনা প্রদান কৰা নহ'ব।

২) ৰাষ্ট্রৰ দ্বাৰা পৰিচালিত কিন্তু কোনো এনডাউমেণ্ট বা ৰাষ্ট্রৰ অধীনত স্থাপন কৰা শিক্ষানুষ্ঠানৰ ক্ষেত্রত দফাটোৰ কোনো কথা প্রযোজ্য নহ'ব, যাৰ বাবে এনে অনুষ্ঠানত ধর্মীয় শিক্ষা প্রদান কৰাতো বাধ্যতামূলক।

৩) ৰাষ্ট্রীয় স্বীকৃতি দিয়া কোনো শিক্ষানুষ্ঠানত অংশগ্রহণ কৰা বা ৰাজ্যিক পুঁজিৰ বাহিৰত সাহায্য লাভ কৰা কোনো ব্যক্তিয়ে এনে অনুষ্ঠানত প্রদান কৰা কোনোধৰণৰ ধর্মীয় নির্দেশনাত অংশগ্রহণ কৰিব নালাগিব বা এনে অনুষ্ঠানৰ চৌহদত অনুষ্ঠিত হ'ব পৰা কোনো ধর্মীয় উপাসনাত অংশগ্রহণ কৰিব নেলাগিব, যদি সেই ব্যক্তি নাবালক হয়, অভিভাৱকে সম্মতি নিদিলে ধর্মীয় উপাসনাত অংশ ল'ব নোৱাৰিব।

- **মহিলা শিক্ষাৰ সুবিধা ঃ** অনুচ্ছেদ ১৫ (৩) নং জৰিয়তে ৰাষ্ট্রক শিশু আৰু মহিলাসকলৰ বাবে বিশেষ সুবিধা প্রদানৰ ক্ষমতা দিয়া হৈছে। ১৫ (৩) নং অনুচ্ছেদত কোৱা হৈছে— 'এই অনুচ্ছেদৰ জৰিয়তে মহিলা আৰু শিশুৰ বাবে বিশেষ সুবিধা ৰখাৰ ক্ষেত্রত ৰাষ্ট্রক বাধা দিয়া নহ'ব।'

১৯৮৬ চনৰ ৰাষ্ট্রীয় শিক্ষানীতিতো কোৱা হৈছে যে মহিলাৰ পদমর্যাদাৰ মৌলিক পৰিৱর্তনত শিক্ষক আহিলা হিচাপে ব্যৱহাৰ কৰা হ'ব। অতীতৰ সঞ্চিত বিকৃতিবোৰ নিষ্ক্রিয় কৰিবলৈ নাৰীৰ সপক্ষে সুপৰিকল্পিত দিশ থাকিব।

- **দুর্বল শ্রেণীৰ শিশুৰ শিক্ষাৰ সুবিধা ঃ** ৪৬ নং অনুচ্ছেদত কোৱা হৈছিল- ৰাষ্ট্রই দুর্বল শ্রেণীৰলোকৰ শৈক্ষিক আৰু আর্থনৈতিক আগ্রহৰ প্রতি বিশেষ যত্ন ল'ব আৰু বিশেষকৈ অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ ক্ষেত্রত আৰু তেওঁলোকক সমাজিক অন্যায় আৰু যিকোনো ধৰণৰ শোষণৰ ক্ষেত্রত সুৰক্ষা দিয়া হ'ব।

১৫ নং অনুচ্ছেদত কোৱা হৈছে - 'এই অনুচ্ছেদ বা ২৯ নং অনুচ্ছেদৰ দফা (২) ৰ কোনো কথাই ৰাষ্ট্রক কোনো সামাজিক আৰু শৈক্ষিকভাৱে পিছপৰা শ্রেণীৰ নাগৰিক বা অনুসূচিত জাতি আৰু জনজাতিৰ উন্নতিৰ বাবে কোনো বিশেষ ব্যৱস্থা গ্রহণ কৰাত বাধা দিব নোৱাৰে।' দুর্বল শ্রেণীটোক সকলোধৰণৰ শোষণৰ পৰা ৰক্ষা কৰাৰ লগতে তেওঁলোকক শিক্ষা প্রদানৰ ব্যৱস্থা সংবিধানত ৰখা হৈছে। সামাজিক ন্যায় আৰু সমতাৰ ক্ষেত্রত থকা কিছুমান সুবিধা হৈছে এনেধৰণৰ—

- আইনৰ আগত সমতা ঃ

১৪ নং অনুচ্ছেদত কোৱা হৈছে, 'ৰাষ্ট্রই আইনৰ আগত কোনো ব্যক্তিৰ সমতা অস্বীকাৰ কৰিব নোৱাৰিব বা ভাৰতৰ ভূখণ্ডত প্রত্যেকেই সমান সুৰক্ষা পাব।'

বৈষম্য নিষিদ্ধ কৰা - ১৫ নং অনুচ্ছেদৰ মতে কোনো নাগৰিককে ধর্ম, জাতি, বর্ণ, লিংগ বা জন্মস্থানৰ ভিত্তিত বৈষম্য নিষিদ্ধ কৰা হৈছে।

১) যিকোনো নাগৰিকৰে ধর্ম, জাতি, বর্ণ, লিংগ, জন্মস্থানৰ ভিত্তিত ৰাষ্ট্রই বৈষম্য কৰিব নোৱাৰিব।

২) কোনো নাগৰিকে কেৱল ধর্ম, জাতি, বর্ণ, লিংগ, জন্মস্থান বা এইবোৰৰ যিকোনো এটাৰ কোনো ধৰণৰ অক্ষমতা, দায়বদ্ধতা, নিষেধাজ্ঞা বা চর্তৰ বলি হ'ব নেলাগে—
ক) দোকানলৈ যোৱা, ৰাজহুৱা ৰেষ্টুৰেণ্ট, হোটেল আৰু ৰাজহুৱা বিনোদনৰ স্থান।
খ) ৰাষ্ট্রৰ অর্থৰ দ্বাৰা পৰিচালিত হোৱা বা সাধাৰণ জনগণৰ বাবে উচৰ্গা কৰা কুঁৱা, গা-ধোৱা ঘাট, পুখুৰী, পথ আৰু ৰাজহুৱা ৰিজ'র্ট।



১৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- স্বাধীনতাৰ পৰৱর্তী সময়ছোৱাত ভাৰত চৰকাৰে অনুসূচিত জাতি আৰু জনজাতি আৰু অন্য দুর্বল শ্রেণীৰ শৈক্ষিক ভেটি শক্তিশালী কৰি তুলিবলৈ বিভিন্ন আঁচনি গ্রহণ কৰিছিল, যেনে সর্বশিক্ষা অভিযান (SSA), কস্তুৰা গান্ধী বালিকা বিদ্যালয়, মধ্যাহ্ন ভোজন আঁচনি, কেন্দ্রীয় বিদ্যালয় (KVS) ৰাষ্ট্রীয় মুক্ত বিদ্যালয় অনুষ্ঠান (NIOS), ইত্যাদি।
- তদুপৰি প্রতিখন সমাজতে শৈক্ষিক সুবিধাৰ সমতা নিশ্চিত কৰাৰ বাবে এটা আইনগত ব্যৱস্থা সৃষ্টি কৰাৰ পিছতো, ২০১৭ চনতো ভাৰতবর্ষৰ ঔদ্যোগিকভাৱে উন্নত সমাজসমূহৰ আদর্শ বাস্তৱতকৈ পিছপৰি আছে। দশকীয় লোকপিয়লৰ প্রতিবেদনৰ পৰা আমি অনুসূচিত জাতি-জনজাতি আৰু দুর্বল শ্রেণীৰ লোক আৰু সমাজৰ উন্নত শ্রেণীৰ লোকৰ শিক্ষাৰ মাজত থকা বৃহৎ বৈষম্য পৰিলক্ষিত হয়। ২০১১ চনৰ লোকপিয়ল মতে, ভাৰতবর্ষৰ স্বাক্ষৰতাৰ হাৰ ৭৪.০৪%, বৃটিছ শাসনৰ শেষৰ ফালে ১২% আছিল। যদিও আমি স্বাক্ষৰতাৰ হাৰৰ ক্ষেত্রত উল্লেখনীয় অগ্রগতি দেখিবলৈ পাইছোঁ, কিন্তু অগ্রগতিৰ হাৰ সন্তোষজনক নহয়, সার্বজনীন প্রাথমিক শিক্ষাৰ ক্ষেত্রত আমাৰ আশা-আকাংক্ষাতকৈ পিছপৰি আছে।
- সেয়ে শৈক্ষিক সা-সুবিধাৰ সমতা প্রদানৰ প্রক্রিয়াটো ত্বৰান্বিত কৰিবলৈ বিভিন্ন অংশীদাৰসকলে দেশৰ দুর্বল শ্রেণীৰ শিশুসকলৰ বিশেষ প্রয়োজনীয়তা পূৰণৰ বাবে সংবাদ মাধ্যম, পদ্ধতি আৰু সামগ্রীৰ সঠিক ব্যৱহাৰৰ সৈতে একত্রিত হোৱাতো প্রয়োজন আৰু ইয়াৰ বাবে অবিৰত প্রচেষ্টা থাকিব লাগে— যাতে বৈষম্য সৃষ্টি কৰা কাৰকবোৰ চিনাক্ত কৰিব পাৰি আৰু এইবোৰ আঁতৰাবৰ বাবে উপায় হাতত ল'ব লাগে— যাতে ইয়াৰ পৰিমাণ কমাব পৰা যায়।



১৩.৯ অধিক জানিবলৈ

১) Agarwal, J. C. (2012). Psychological Philosophical and Sociological Foundations of Education. New Delhi: Shipra Publication.

২) Basu, D. D. (1991). Introduction to the Constitution of India. New Delhi: Prentice Hall of India Pvt. Ltd.

৩) MHRD, Department of Education (1992). National Policy on Education, 1986 (with modifications undertaken in 1992). New Delhi: Govt. of India.

৪) United Nations Special Rapporteur on the Right to Education (2011, April 18). The Promotion of Equality of Opportunity in Education (A/HRC/17/29).



১৩.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতৰ সংবিধানৰ প্রস্তাৱনাত কিছুমান মূল্যবোধৰ প্রতিফলন ঘটিছে— য'ত বিভিন্ন অনুচ্ছেদ আৰু সংবিধানৰ সুবিধাবোৰ প্রকাশ পাইছে।

ন্যায় - ন্যায়পৰায়ণ আৰু সমতাবাদী সমাজৰ এই আদর্শ অন্যতম অগ্রণী লক্ষ্য হিচাপে আছে।

স্বাধীনতা - স্বাধীনতাৰ আশীর্বাদবোৰ সংৰক্ষণ কৰা হৈছে আৰু নাগৰিকসকলক মৌলিক অধিকাৰ সুনিশ্চিত কৰা হৈছে।

সমতা ঃ প্রত্যেক ভাৰতীয়ই আইনৰ সন্মুখত সমতা আৰু সুৰক্ষা পাব। মানুহ হিচাপে প্রত্যেকেই মর্যাদাসম্পন্ন। সেইবাবে ইয়াক সম্পূর্ণভাৱে উপভোগ কৰিবলৈ আমাৰ সমাজৰ সকলো বৈষম্যৰ দিশত নিষেধাজ্ঞা প্রদান কৰা হৈছে।

ভাতৃত্ব ঃ ভাতৃত্ববোধ সকলোৰে পক্ষত থিয় দিয়ে। ইয়াৰ অবিহনে ভাৰতবর্ষৰ দৰে দেশ বিভাজিত হ'ব।

২ নং প্রশ্নৰ উত্তৰ ঃ যদিও ন্যায় আৰু সমতা দুয়োটা সম্পর্কিত, তথাপি দুয়োৰে মাজত পার্থক্যও আছে।

ক) সমতাৰ লগত সমবিতৰণ জড়িত হৈ থাকে, আনহাতে ন্যায়ৰ লগত ন্যায্য বিতৰণ জড়িত হৈ থাকে।

খ) সমতাই সমতাক স্বীকৃতি দিয়ে আৰু প্ৰত্যেককে সমৰূপত ব্যৱহাৰ কৰে। ন্যায়ে পাৰ্থক্যকে স্বীকৃতি দিয়ে আৰু অসমান ব্যক্তিগত সুযোগক প্ৰতিহত কৰাৰ চেষ্টা কৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৭৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে বৈষম্য দূৰীকৰণ আৰু এতিয়ালৈকে সমতাৰ পৰা বঞ্চিত হোৱাসকলক নিৰ্দিষ্ট প্ৰয়োজনীয়তাসমূহ স্থাপন কৰা। অৰ্থাৎ ছোৱালী আৰু মহিলাসকলৰ শিক্ষা, অনুসূচিত জাতি-জনজাতি, শৈক্ষিকভাৱে পিছপৰা সংখ্যালঘু আৰু বিশেষভাৱে সক্ষমসকলৰ শিক্ষাত গুৰুত্ব আৰোপ কৰিছিল। ১৯৮৬ চনৰ NNPEয়ে অসুবিধাগ্ৰস্ত দলৰ শিক্ষাৰ প্ৰসাৰৰ বাবে সুৰক্ষামূলক বৈষম্য আঁতৰোৱাৰ নীতি গ্ৰহণ কৰিছিল।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ তলত উল্লেখ কৰা কাৰণসমূহৰ বাবে শৈক্ষিক সা-সুবিধাৰ সমতাৰ প্ৰয়োজন—

ক) শৈক্ষিক সা-সুবিধাৰ সমতাৰ প্ৰয়োজন।

খ) কৰ্মসংস্থানৰ বজাৰখনত অংশগ্ৰহণৰ বাবে শৈক্ষিক সা-সুবিধাৰ সমতাৰ প্ৰয়োজন।

গ) নাগৰিকত্বৰ বাবে শৈক্ষিক সা-সুবিধাৰ সমতা।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ শৈক্ষিক সা-সুবিধাৰ সমতাৰ ক্ষেত্ৰত থকা প্ৰত্যাহ্বানবোৰ হৈছে—

ক) শিক্ষাৰ্থীৰ পৰিয়ালৰ পৃষ্ঠাপোষকতা।

খ) শিক্ষাৰ্থীৰ অক্ষমতা।



১৩.১১ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০ শব্দৰে দিয়ক)

প্ৰশ্ন ১ ঃ শৈক্ষিক সা-সুবিধাৰ সমতাৰ অৰ্থ আপোনাৰ নিজৰ ভাষাত লিখক।

প্ৰশ্ন ২ ঃ ন্যায় আৰু সমতাৰ পাৰ্থক্যৰ বিষয়ে চমু টোকা লিখক।

প্ৰশ্ন ৩ ঃ সংবিধানৰ ৮৫ তম সংশোধনীৰ গুৰুত্ব কি?

প্ৰশ্ন ৪ ঃ শৈক্ষিক সা-সুবিধাৰ সমতাৰ ক্ষেত্ৰত থকা সমস্যাবোৰ কি কি?

খ) দীঘল প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ শব্দৰে দিয়ক)

প্ৰশ্ন ১ ঃ সামাজিক ন্যায় আৰু শৈক্ষিক সা-সুবিধাৰ সমতাৰ ক্ষেত্ৰত থকা সাংবিধানিক সুবিধাবোৰৰ বিষয়ে লিখক।

প্ৰশ্ন ২ ঃ ভাৰতীয়া সমাজৰ পৰিপ্ৰেক্ষিতত শৈক্ষিক সা-সুবিধাৰ সমতাৰ তাৎপৰ্যৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ সমাজৰ সামাজিকভাৱে বঞ্চিত শ্ৰেণীৰ বাবে শিক্ষা

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ সমাজৰ সামাজিকভাৱে অনগ্ৰসৰ শ্ৰেণীৰ ধাৰণা

১৪.৪ শৈক্ষিক সা-সুবিধাৰ সমতা

- ১৪.৩.১ সমতাৰ ধাৰণা
- ১৪.৩.২ শৈক্ষিক সা-সুবিধাৰ সমতাৰ অৰ্থ
- ১৪.৩.৩ শৈক্ষিক সা-সুবিধাৰ সমতাৰ প্ৰয়োজন আৰু গুৰুত্ব

১৪.৫ কাৰ্যক্ৰম আৰু নীতিসমূহ

- ১৪.৫.১ সমাজৰ সামাজিকভাৱে অনগ্ৰসৰ শ্ৰেণীৰ সাংবিধানিক সুবিধাসমূহ
- ১৪.৫.২ সমাজৰ সামাজিকভাৱে অনগ্ৰসৰ শ্ৰেণীৰ শৈক্ষিক সুবিধাসমূহ

১৪.৬ অনগ্ৰসৰ শিশুসকলৰ শৈক্ষিকভাৱে পিছপৰাৰ কাৰকসমূহ

১৪.৭ পৰামৰ্শমূলক উপায়সমূহ

১৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৯ অধিক জানিবলৈ

১৪.১০ অগ্ৰগতিৰ খতিয়ান

১৪.১১ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সমাজৰ সামাজিকভাৱে অনগ্ৰসৰ শ্ৰেণীৰ সংজ্ঞা দিব পাৰিব,
- শৈক্ষিক সা-সুবিধাৰ সমতাৰ গুৰুত্ব আলোচনা কৰিব পাৰিব,
- সমাজৰ সামাজিকভাৱে অনগ্ৰসৰ শ্ৰেণীৰ সাংবিধানিক সুবিধাবোৰৰ বিশ্লেষণ কৰিব পাৰিব
- অনগ্ৰসৰ শিশুসকল শৈক্ষিকভাৱে পিছপৰাৰ কাৰকসমূহ ব্যাখ্যা কৰিব পাৰিব।

১৪.২ পৰিচয়

শিক্ষাই হৈছে একমাত্ৰ আহিলা যাৰ যোগেদি আমাৰ আশাৰ কিৰণ বিস্তৃত হয় আৰু সামাজিকভাৱে অনগ্ৰসৰ লোকসকলৰ জীৱনৰ পৰা আন্ধাৰ আঁতৰি যায়। সামাজিকভাৱে অনগ্ৰসৰ দলত অনুসূচিত জাতি (SCs), অনুসূচিক জনজাতি (STs), অন্যান্য পিছপৰা জাতি (OBCs)

আৰু সংখ্যালঘুসকল অন্তর্ভুক্ত হয়। সামাজিকভাৱে অনগ্রসৰ দলক সবলীকৰণ কৰি তোলাৰ ক্ষেত্রত শিক্ষা হৈছে আটাইতকৈ ফলপ্রসূ আহিলা। সেইবাবে সমাজৰ অনগ্রসৰ দলটোৰ সকলোধৰণৰ বিকাশৰ বাবে শিক্ষাৰ উপযুক্ত সুবিধাৰ প্রয়োজন। সামাজিক মূলসুঁতিৰ সৈতে, SC, ST, OBC আৰু সংখ্যালঘুসকলক সংহতি আৰু আত্মীয়কৰণ কৰাৰ প্রধান বাহক হৈছে শিক্ষা। ভাৰতীয় সংবিধানে এনেবোৰ মানুহৰ সামগ্রিক বিকাশ শিক্ষাৰ দ্বাৰা নিশ্চিত কৰিছে আৰু আমাৰ চৰকাৰে এনে সামাজিকভাৱে অনগ্রসৰ লোকসকলৰ শিক্ষাৰ বাবে বহুতো আঁচনিও হাতত লৈছে। কিন্তু এনে লোকৰ শিক্ষাৰ আৰু সজাগতাৰ অভাৱত আমাৰ সংবিধানে প্রদান কৰা বিভিন্ন সুবিধাসমূহ আৰু চৰকাৰে গ্রহণ আঁচনিসমূহৰ প্রতি তেওঁলোক অৱগত নোহোৱাকৈ থাকে। ইয়াৰ ফলত তেওঁলোক অন্য সম্প্রদায়ৰ লোকসকলতকৈ অর্থনৈতিক আৰু সামাজিকভাৱে পিছপৰা।

আমি এনে লোকসকলক সকলো স্তৰতে থকা পৰিকল্পনা আৰু বিকাশৰ প্রক্রিয়াত অংশগ্রহণ কৰাৰ বাবে উৎসাহিত কৰিব পাৰোঁ, বিভিন্ন গণতান্ত্রিক সিদ্ধান্ত গ্রহণৰ অনুষ্ঠানসমূহ যেনে পঞ্চায়তীৰাজ, স্থানীয় শাসন ৰাজ্যসভা ইত্যাদিত তেওঁলোকৰ প্রতিনিধি পঠোৱাৰ বাবে উৎসাহিত কৰিব পাৰোঁ। এইটো তেতিয়াহে সম্ভৱ হ'ব যেতিয়া তেওঁলোকে শিক্ষা ঢুকি পাব। শিক্ষা হৈছে এজন ব্যক্তিক বিভিন্ন প্রকাৰে সামাজিক পদমর্যাদা আনি দিয়া এক উপায়। মানৱ জাতিয়ে আকাংক্ষিত গুণমানবিশিষ্ট জীৱন লাভৰ ই হৈছে মৌলিক প্রয়োজন।

১৪.৩ সমাজৰ সামাজিকভাৱে অনগ্রসৰ শ্ৰেণীৰ ধাৰণা

এজন সমাজত বিভিন্ন শ্রেণী বা দলৰ লোক থাকে। সমাজৰ কিছুমান শ্রেণী অনগ্রসৰ দলৰ অন্তর্গত হয়। এনেধৰণৰ ভাগসমূহ হৈছে অনুসূচিত জাতি (SC), অনুসূচিত জনজাতি (ST), অন্যান্য পিছপৰা জাতি (OBC) আৰু সংখ্যালঘু সম্প্রদায়। ভাৰতবর্ষত জাতিভেদ প্রথা প্রচলিত থকা বাবে এনে শ্রেণীৰ লোকসকল শোষিত হৈ আহিছে। তেওঁলোকক শিক্ষাৰ অধিকাৰৰ পৰা বঞ্চিত কৰা হয় আৰু তাৰ ফলত অর্থনৈতিকভাৱে আৰু সামাজিকভাৱে পিছপৰি ৰয়। বর্তমানো ভাৰতবর্ষৰ কিছুমান ঠাইত অনুসূচিত জাতিক অস্পৃশ্য বুলি গণ্য কৰা হয় আৰু তেওঁলোক অন্য হিন্দু জাতিৰ সৈতে অত্যধিক বৈষম্য আৰু হিংসাৰ সন্মুখীন হ'ব লগীয়া হয়। তেওঁলোকক শিক্ষা, গৃহ, মাটি, মন্দিৰ, পানীখোৱা কুঁৱা, ৰেষ্টুৰেণ্ট, শৌচাগাৰ আৰু আন বহুতো নাগৰিকসকলৰ সমস্যাৰ পৰা বঞ্চিত কৰা হয়। অনহাতে, দেশৰ পিছপৰা অঞ্চলসমূহৰ পৰা বঞ্চিত কৰা হয়। আনহাতে, দেশৰ পিছপৰা অঞ্চলসমূহত অনুসূচিত জনজাতিবোৰে পৰম্পৰাগতভাৱে বসবাস কৰি আহিছে আৰু তেওঁলোকৰ বাসস্থান সদায় বনাঞ্চল আৰু প্রাকৃতিক পৰিৱেশৰ সৈতে হয়। পিছপৰা আৰু কঠিন ভৌগোলিক ভূখণ্ডৰ বাসিন্দা হোৱা বাবে অনুসূচিত জনজাতিসমূহ সমাজৰ প্রধান সুঁতিৰ পৰা বিচ্ছিন্ন হৈ থাকে। ভাৰতীয়া সংবিধানত OBCসকলক 'সামাজিক আৰু শৈক্ষিকভাৱে পিছপৰা শ্রেণী' বুলি কোৱা হয়। কেন্দ্রীয় চৰকাৰে সংখ্যালঘুসকলৰ ৰাষ্ট্রীয় আয়োগ (NCM) সংখ্যালঘুসকলৰ ৰাষ্ট্রীয় আয়োগ আইন ১৯৯২ চনৰ আইনৰ অধীনত গঠন কৰে।

ধৰ্মীয় সম্প্ৰদায় যেনে মুছলমান, খ্ৰীষ্টান, শিখ, বৌদ্ধ, পাৰ্চী আৰু জৈনসকলক ভাৰতীয়া গেজেটত কেন্দ্ৰীয় চৰকাৰে সমগ্ৰ দেশতে সংখ্যালঘু সম্প্ৰদায় হিচাপে ঘোষণা কৰিছে।



জানি থোৱা ভাল

- অনগ্ৰসৰ শ্ৰেণীৰ অন্তৰ্গত দলবোৰ হৈছে
- অনুসূচিত জাতি (SC)
- অনুসূচিত জনজাতি (ST)
- অন্যান্য পিছপৰা জাতি (OBC)
- এনে দলৰ অন্তৰ্গত লোকসকল বেছিভাগেই অৰ্থনৈতিক আৰু সামাজিকভাৱে অন্য সম্প্ৰদায়ৰ লোকসকলতকৈ পিছপৰা।

১৪.৪ শৈক্ষিক সা-সুবিধাৰ সমতা

এইটো কোৱা হয় যে 'প্ৰত্যেক সমাজে সামাজিক ন্যায় মান্যতা দিয়ে আৰু সাধাৰণ মানুহৰ উন্নতিৰ কাৰণে সক্ৰিয় হৈ থাকে আৰু তেওঁলোকৰ প্ৰতিভাসমূহৰ বিকাশৰ জৰিয়তে সকলো লোকৰ সমতাৰ সা-সুবিধা নিশ্চিত কৰে। ইয়াৰ দ্বাৰা সাম্যবাদী মানৱ সমাজ গঢ়াটো নিশ্চিত কৰা হয়— যাৰ দ্বাৰা সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকৰ শোষণ কমোৱা হয়।'

১৪.৪.১ সমতাৰ ধাৰণা

'সমতা' শব্দটোৰ অৰ্থ হৈছে সমাজৰ যিকোনো শ্ৰেণীৰ লোকৰ বাবে বিশেষ সুবিধা নথকা আৰু কোনোধৰণৰ বৈষম্য নৰখাকৈ সকলো ব্যক্তিকে উপযুক্ত সুবিধা প্ৰদান কৰা। ভাৰতবৰ্ষৰ সংবিধানৰ প্ৰস্তাৱনাত প্ৰত্যেক ভাৰতীয় নাগৰিকক পদমৰ্যাদা আৰু সুবিধাৰ সমতা প্ৰদান কৰা হৈছে। এইবোৰ সংবিধানৰ বিভিন্ন সুবিধাসমূহ আৰু লগতে সময়ে সময়ে গ্ৰহণ কৰা বিভিন্ন নীতি আৰু আইনৰ জৰিয়তে ফলপ্ৰসূ কৰাৰ চেষ্টা কৰা হয়। অনুচ্ছেদ ১৪ ৰ ১৮ নং লৈ সমতাৰ অধিকাৰ প্ৰদান কৰা হৈছে— যাৰ লক্ষ্য হৈছে সকলো নাগৰিককে তেওঁলোকৰ নাগৰিকত্বৰ সমতা প্ৰদান কৰা। ৩২৫ আৰু ৩২৬ নং অনুচ্ছেদৰ লক্ষ্য হৈছে সকলো নাগৰিককে ৰাজনৈতিক সমতা প্ৰদান কৰা আৰু নিৰ্দেশাত্মক নীতিৰ অধীনৰ ৩৯ নং অনুচ্ছেদৰ লক্ষ্য হৈছে প্ৰত্যেক নাগৰিককে অৰ্থনৈতিক সমতা প্ৰদান কৰা। সা-সুবিধাৰ সমতাৰ অৰ্থ হৈছে প্ৰত্যেক ব্যক্তিয়ে নিৰ্দিষ্ট গতিৰে শিক্ষাৰ উপযুক্ত সুবিধা গ্ৰহণ কৰিব পাৰিব আৰু সি/তাই গ্ৰহণযোগ্য পদ্ধতিৰে শিক্ষা প্ৰদান কৰা হ'ব। আৰু সেইবাবে, অনগ্ৰহৰ আৰু সামাজিকভাৱে বৈষম্য দলৰ শিশুসকলে কিছুমান প্ৰত্যাহ্বানৰ সন্মুখীন হয়— যাৰ প্ৰতি বিশেষ গুৰুত্ব প্ৰদান কৰিব লাগে। শিক্ষাই এনেবোৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে, শৈক্ষিক সা-

সুবিধা প্ৰদানৰ দ্বাৰা এনেবোৰ বৈষম্য আঁতৰাব পাৰি। সমতাৰ সা-সুবিধাৰ অৰ্থ হৈছে সি/তাই নিজকে সমাজত প্ৰকাশ কৰাৰ বাবে সমান সুবিধা আহৰণ কৰা।

১৪.৪.২ শৈক্ষিক সা-সুবিধাৰ সমতাৰ অৰ্থ

শৈক্ষিক সা-সুবিধাৰ সমতাৰ অৰ্থ হৈছে এজন ব্যক্তিয়ে শিক্ষাৰ সমান সুবিধা লাভ কৰা। সাম্যবাদীসকলৰ আদৰ্শৰ এটা লক্ষ্য হৈছে শৈক্ষিক সা-সুবিধাৰ সমতা। ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশত, ৰাজ্যসমূহে স্কুলীয়া পৰ্যায়ত সাৰ্বজনীন, বিনামূলীয়া শিক্ষা প্ৰদানৰ দায়িত্ব বহন কৰে। দেশৰ পিছপৰা অঞ্চলত আধুনিক বিজ্ঞানসন্মত, নিৰপেক্ষ শিক্ষাৰ বিকাশ ঘটাবলৈ বিশেষ নীতিৰ বিকাশ কৰি তোলা হৈছে আৰু বৈষম্য ঘটাবলৈ বিশেষ নীতিৰ বিকাশ কৰি তোলা হৈছে আৰু বৈষম্য সুৰক্ষাৰ নীতি গ্ৰহণ কৰা হৈছিল— যাতে পৰম্পৰাগতভাৱে বঞ্চিত শ্ৰেণী যেনে SC আৰু ST লোকসকলক আধুনিক শিক্ষা গ্ৰহণৰ বাবে উৎসাহিত কৰিব পৰা যায়। আধুনিক সমাজে শিক্ষাক সাম্যবাদৰ লক্ষ্য আহৰণ কৰাৰ গুৰুত্বপূৰ্ণ সামাজিক সম্পদ আৰু আহিলা হিচাপে বিবেচনা কৰে। এজন ব্যক্তিক বিভিন্ন ধৰণেৰে সামাজিক পদমৰ্যাদাত ওপৰলৈ নিয়াৰ ক্ষেত্ৰত শিক্ষাক এক উপায় হিচাপে গণ্য কৰা হয়। ইয়াক গুণমানবিশিষ্ট জীৱনৰ বাবে মানুহৰ মৌলিক প্ৰয়োজন হিচাপে ধৰা হয়। শিক্ষাক প্ৰায়ে সমানকাৰী হিচাপে বিবেচনা কৰা হয়।

সি যি নহওক, শিক্ষাৰ সা-সুবিধাৰ অসমতা গোটেই পৃথিৱীখনতেই আছে আৰু ভাৰতবৰ্ষত বেছিকৈ আছে। ১৯৬৪-৬৬ চনৰ শিক্ষা আয়োগে নিৰীক্ষণ কৰিছিল যে 'শিক্ষাৰ প্ৰধান সামাজিক উদ্দেশ্য হৈছে সুবিধাৰ ক্ষেত্ৰত, পিছপৰাসকলক বা বঞ্চিত শ্ৰেণী আৰু ব্যক্তিসকলক সক্ষম কৰি তোলা, তেওঁলোকৰ অৱস্থাৰ উন্নতিৰ বাবে শিক্ষাক ব্যৱহাৰ কৰা। প্ৰত্যেক সমাজ যিবোৰে সামাজিক ন্যায়ক মান্যতা দিয়ে আৰু সাধাৰণ মানুহৰ উন্নতিৰ বাবে উদ্বেগ দেখুৱায় আৰু তেওঁলোকৰ প্ৰতিভাৰ বিকাশ ঘটায় আৰু সকলো শ্ৰেণীৰলোকৰ সমতাৰ অগ্ৰগতি সম্ভৱ কৰি তোলে।'

ভাৰতীয় শিক্ষাৰ ইতিহাসত ১৯৮৫ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতি হৈছে এক চিহ্নস্বৰূপ। আয়োগখনে বৈষম্য আঁতৰোৱাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিছিল আৰু যিসকল সুবিধাৰ পৰা বঞ্চিত আছিল তেওঁলোকক শৈক্ষিক সা-সুবিধা প্ৰদানৰ ব্যৱস্থা কৰিছিল অৰ্থাৎ অনুসূচিত জাতি-জনজাতি আৰু সংখ্যালঘুসকলক শিক্ষাৰ সুবিধা প্ৰদান কৰিছিল।

১৪.৪.৩ শৈক্ষিক সা-সুবিধাৰ সমতাৰ প্ৰয়োজন আৰু গুৰুত্ব

যদিও SC, ST আৰু OBCৰ নামভৰ্তিকৰণৰ সংখ্যা অভূতপূৰ্বভাৱে বৃদ্ধি পাইছে, তথাপি এনে শিশুসকলৰ উপস্থিতিৰ হাৰ যথেষ্ট কম। এনে প্ৰকাৰৰ ছাত্ৰ-

ছাত্ৰীৰ শিক্ষাত অধিক মনোযোগ দিব লাগে। কাৰণ তেওঁলোকৰ মাজত অপচয় অনুন্নয়ণ আৰু নিম্ন শিক্ষাগত কৃতিত্ব সাধাৰণ ল'ৰা-ছোৱালীতকৈ বেছি দেখা যায়। এই শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকল সাধাৰণতে প্ৰথম প্ৰজন্মৰ শিক্ষাৰ্থী। ইয়াৰ অৰ্থ হৈছে তেওঁলোকৰ ঘৰৰ ভাষা স্কুলৰ ভাষাতকৈ পৃথক আৰু তেওঁলোকৰ ঘৰুৱা পৰিৱেশ দুৰ্বল আৰু প্ৰতিকূল প্ৰকৃতিৰ। সেইবাবে আমি তেওঁলোকক উপযুক্তভাৱে শিক্ষা প্ৰদান কৰিব লাগে। কিয়নো, তেওঁলোক সম্পূৰ্ণভাৱে স্কুলৰ ওপৰত নিৰ্ভৰশীল। শৈক্ষিক সা-সুবিধাৰ সমতা সামাজিক ব্যৱস্থাৰ সমতাৰ ধাৰণাৰ সৈতে জড়িত। সামাজিক ব্যৱস্থাত, যদি সকলো ব্যক্তিকে সমান হিচাপে গণ্য কৰা হয়, তেওঁলোকে অগ্ৰগতি লাভ কৰিবলৈ সমান সুবিধা পায়। যিহেতু শিক্ষা হৈছে ঊৰ্ধ্বমুখী গতিশীলতাৰ এটা গুৰুত্বপূৰ্ণ উপায়, সেইবাবে শিক্ষাৰ দ্বাৰা এজন ব্যক্তিয়ে উচ্চ পদমৰ্যাদা, স্থান আৰু সুবিধা লাভৰ আকাংক্ষা কৰিব পাৰে। কিন্তু শিক্ষালাভৰ কাৰণে সমাজৰ অন্য লোকৰ দৰে সি/তাইৰ সা-সুবিধাৰ সমতা থাকিব লাগিব। যদি শৈক্ষিক সুবিধাসমূহ অসমানভাৱে বিতৰণ কৰা হয়, তেতিয়া সামাজিক ব্যৱস্থাৰ অসমতা অবিৰতভাৱে প্ৰচলন হৈ থাকিব। ইয়াৰ ভিত্তিত শৈক্ষিক সা-সুবিধাৰ সমতা বিচাৰ কৰি চোৱা হয়। সমতা প্ৰতিষ্ঠা কৰিবলৈ যিবোৰ উপায় গ্ৰহণ কৰা হয়, তাত অসমতাও কিছু পৰিমাণে থাকিব। এনেদৰে, সমতাৰ কাৰ্যক্ৰমে কি কৰে বা কৰিব পাৰে যিয়ে অসমতাক হ্ৰাস কৰি আনে। ইয়াৰ অৰ্থ হৈছে সমাজৰ ভিতৰত যিবোৰ অলাগতিয়াল আৰু অগ্ৰহণযোগ্য হিচাপে বিবেচনা কৰা হয় তাক আঁতৰ কৰা। সেইবাবে দাৰ্শনিক দিশৰ পৰা সমতাই সম্পূৰ্ণভাৱে সমতাৰ লক্ষ্য নাৰাখে, ইয়াৰ পৰিৱৰ্তে সমাজৰ সম্পদৰ বিতৰণহে বুজায়। শৈক্ষিক সা-সুবিধাৰ সমতাৰ প্ৰয়োজনীয়তা বিভিন্ন কাৰণত হোৱা দেখা যায়। তলত এইবোৰ দাঙি ধৰা হয়।

ক) সামাজিক ন্যায় আৰু সমতাৰ ভিত্তিত সাম্যবাদী সমাজ প্ৰতিষ্ঠা কৰিবলৈ শৈক্ষিক সা-সুবিধাৰ সমতাৰ প্ৰয়োজন।

খ) ই ৰাষ্ট্ৰৰ সকলো লোকৰ প্ৰতিভাৰ সন্ধান কৰাত অৰিহণা যোগায়।

গ) এখন ৰাষ্ট্ৰৰ দ্ৰুতগতিত বিকাশ সুনিশ্চিত কৰাৰ বাবে ইয়াৰ প্ৰয়োজন।

ঘ) সফল গণতন্ত্ৰ কাৰ্যকৰী হ'ৰ বাবে ইয়াৰ প্ৰয়োজন। শিক্ষিত আৰু অগ্ৰণী লোকসকলে অৰ্থপূৰ্ণ গণতন্ত্ৰ সক্ষম কৰি তুলিব পাৰে।

ঙ) ই সমাজৰ মানৱ শক্তিৰ প্ৰয়োজন আৰু দক্ষতাপূৰ্ণ ব্যক্তিৰ উপলব্ধ হোৱাৰ মাজত নিবিড় সম্পৰ্ক বিকাশৰ ক্ষেত্ৰত সহায় কৰিব পাৰে।

১৪.৫ কাৰ্যক্ৰম আৰু নীতিসমূহ

ভাৰতৰ সংবিধানৰ প্ৰস্তাৱনাত এইটো স্পষ্টকৈ কোৱা হৈছে যে প্ৰত্যেকৰে পদমৰ্যাদা আৰু সা-সুবিধাৰ সমতাৰ অধিকাৰ আছে। ৰাজ্যিক নীতিৰ নিৰ্দেশনাত্মক নীতিয়ে পুনৰ ৪১ নং অনুচ্ছেদৰ কাম কৰা অধিকাৰ, শিক্ষা দিয়াৰ অধিকাৰ আৰু জনসাধাৰণৰ সচেতনতাত গুৰুত্ব

দিছে বিশেষকৈ অসমৰ্থতাৰ ক্ষেত্ৰত। ৪৫ নং অনুচ্ছেদৰ উপৰি সংবিধানে ২৪ বছৰ বয়সলৈ সকলো শিশুৱে মুক্ত, বাধ্যতামূলক আৰু সাৰ্বজনীন প্ৰাথমিক শিক্ষা প্ৰদানত গুৰুত্ব দিছে। ভাৰতৰ সংবিধানত ৪৫ নং অনুচ্ছেদত কোৱা হৈছে ৰাজ্যসমূহে অনুসূচিত জাতি-জনজাতি আৰু দুৰ্বল শ্ৰেণীৰ লোকৰ শৈক্ষিক আৰু অৰ্থনৈতিক গুৰুত্ব সুনিশ্চিত কৰিব। তলত সমাজৰ অনগ্ৰসৰ শ্ৰেণীৰ সামগ্ৰিক বিকাশৰ বাবে ভাৰতীয়া সংবিধানৰ প্ৰধান সুবিধাবোৰ দাঙি ধৰা হ'ল।

১৪.৫.১ সমাজৰ সামাজিকভাৱে অনগ্ৰসৰ শ্ৰেণীৰ সাংবিধানিক সুবিধাসমূহ

১৪ নং অনুচ্ছেদ ঃ ৰাষ্ট্ৰই আইনৰ আগত কোনো ব্যক্তিৰ সমতাক অস্বীকাৰ কৰিব নোৱাৰে, ভাৰতৰ চাৰিসীমাৰ ভিতৰত আইনৰ সমান সুৰক্ষা প্ৰত্যেকে লাভ কৰিব।

১৫ নং অনুচ্ছেদ ঃ ই ধৰ্ম, জাতি, লিংগ, বৰ্ণ, জন্মস্থান বা ইয়াৰ যিকোনো এটাৰ ভিত্তিত বৈষম্য আঁতৰোৱাত গুৰুত্ব দিয়ে। ই আমাৰ সকলোৰে ওপৰত প্ৰভাৱ বিস্তাৰ কৰে— যিহেতু আমি সকলো শিশুকে সমানে ব্যৱহাৰ কৰিব লাগে আৰু কিছুমান ক্ষেত্ৰত দুৰ্বল শ্ৰেণী বা সামাজিকভাৱে অনগ্ৰসৰ শ্ৰেণীৰ শিশুসকল পিছপৰি ৰয়, এনে শিশুসকলক অন্য শিশুসকলৰ সৈতে আগবঢ়াই নিবলৈ বিশেষ সুবিধা আৰু চেষ্টা কৰব লাগে।

১৬ নং অনুচ্ছেদ ঃ এই অনুচ্ছেদটো চৰকাৰী চাকৰিৰ ক্ষেত্ৰত SC\STৰ বাবে শিথিলকৰণৰ অনুপাতৰ সৈতে জড়িত। এই অনুচ্ছেদটোৱে SC আৰু STৰ বাবে সংৰক্ষিত পদত প্ৰভাৱ পেলায় আৰু ইয়াৰ শ্ৰেণীৰ কোঠাৰ শিকনৰ সৈতে জড়িত কোনো ক্ষেত্ৰতে প্ৰভাৱ নেথাকে।

১৭ নং অনুচ্ছেদ ঃ ই অস্পৃশ্যতা দূৰীকৰণ আৰু যিকোনো ধৰণেৰে ইয়াৰ ব্যৱহাৰৰ দিশৰ সৈতে জড়িত। অস্পৃশ্যতাৰ পৰা উৎপন্ন হোৱা যিকোনো অসমৰ্থতাক অপৰাধ হিচাপে গণ্য কৰা হ'ব আৰু আইনমতে দণ্ডনীয় হ'ব।

২৩ নং (২) অনুচ্ছেদ ঃ ৰাষ্ট্ৰই জনসাধাৰণক আগবঢ়োৱা বাধ্যতামূলক সেৱাৰ পৰা বঞ্চিত কৰিব নোৱাৰিব আৰু এনে সেৱাসমূহ জাতি, ধৰ্ম, বৰ্ণ বা শ্ৰেণী বা ইয়াৰ যিকোনো এটাৰ ভিত্তিত বৈষম্যৰ আধাৰত হ'ব নেলাগিব।

২৯ নং (২) অনুচ্ছেদ ঃ ধৰ্ম, বৰ্ণ, জাতি, ভাষা বা ইয়াৰ যিকোনো এটাৰ ভিত্তিত ৰাষ্ট্ৰৰ দ্বাৰা পৰিচালিত বা সাহায্যপ্ৰাপ্ত শিক্ষানুষ্ঠানত নামভৰ্তিৰ ক্ষেত্ৰত কোনো নাগৰিককে বঞ্চিত কৰিব নোৱাৰিব।

৩০ নং অনুচ্ছেদ ঃ ধৰ্ম বা ভাষাভিত্তিক সংখ্যালঘুসকলক তেওঁলোকৰ নিজা শিক্ষানুষ্ঠান স্থাপন আৰু প্ৰশাসনৰ স্বাধীনতা থাকিব। ধৰ্ম বা ভাষিক সংখ্যালঘুসকলৰ শিক্ষানুষ্ঠানসমূহৰ ক্ষেত্ৰত চৰকাৰে কোনো বৈষম্যৰ সৃষ্টি কৰিব নোৱাৰিব।

৪৫ নং অনুচ্ছেদ ঃ ইয়াত বিনামুলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ সুবিধাৰ কথা কোনো হৈছে। ৰাষ্ট্ৰই শিশুসকলে ১৪ বছৰ বয়স সম্পূৰ্ণ নকৰালৈকে, সংবিধান

বলৱৎ হোৱাৰ পৰা সকলোকে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰিব।

৪৬ নং অনুচ্ছেদ ঃ অনুসূচিত জাতি, অনুসূচিত জনজাতি, অন্যান্য দুৰ্বল শ্ৰেণীসমূহৰ অৰ্থনৈতিক আৰু শৈক্ষিক আগ্ৰহৰ প্ৰচাৰ কৰিব। ৰাষ্ট্ৰই বিশেষ গুৰুত্বসহকাৰে দুৰ্বল শ্ৰেণীৰ লোকৰ শৈক্ষিক আৰু অৰ্থনৈতিক আগ্ৰহৰ প্ৰচাৰ কৰিব বিশেষকৈ অনুসূচিত জাতি-জনজাতিৰ ক্ষেত্ৰত আৰু তেওঁলোকক সামাজিক অন্যায় আৰু সকলোধৰণৰ শোষণৰ ক্ষেত্ৰত সুৰক্ষা প্ৰদান কৰিব।

৩৩০ নং অনুচ্ছেদ ঃ বিধানসভাৰ ক্ষেত্ৰত অসমৰ স্বতন্ত্ৰ জিলাবোৰৰ বাহিৰে আনবোৰত অনুসূচিত জাতি-জনজাতিৰ লোকৰ বাবে আসন সংৰক্ষিত থাকিব।

১) প্ৰত্যেক ৰাজ্যৰে বিধানসভাৰ আসনৰ ক্ষেত্ৰত অনুসূচিত জাতি-জনজাতিৰ লোকৰ আসন সংৰক্ষিত থাকিব, কেৱল অসমৰ জনজাতিৰ অঞ্চল, নাপালেও আৰু মেঘালয়ৰ বাহিৰে।

২) বিধানসভাত অনুসূচিত জাতি বা জনজাতিৰ বাবে সংৰক্ষিত আসনৰ সংখ্যা, বিধানসভাৰ সংখ্যাৰ অনুপাত হ'ব লাগে, ৰাজ্যৰ অনুসূচিত জাতি বা জনজাতি বা ৰাজ্যৰ জনসংখ্যাৰ অনুপাতত আসন সংৰক্ষিত হয়, এখন ৰাজ্যৰ কিমান আসন সংৰক্ষিত সি ৰাজ্যখনৰ সমগ্ৰ জনসংখ্যাৰ ভিত্তিত নিৰ্ভৰ কৰে।

৩৩৪ নং অনুচ্ছেদ ঃ চল্লিছ বছৰৰ পিছত আসন সংৰক্ষণ বা বিশেষ সংৰক্ষণ ব্যৱস্থা নেথাকিব। সংবিধানৰ এনে সুবিধাসমূহ জনসাধাৰণৰ সদনত আৰু বিধানসভাত অনুসূচিত জাতি আৰু জনজাতিৰ বাবে আসন সংৰক্ষণৰ সৈতে জড়িত।

৩৩৫ নং অনুচ্ছেদ ঃ ই অনুসূচিত জাতি আৰু জনজাতিৰ লোকে সেৱা আৰু পদৰ ক্ষেত্ৰত কৰা দাবীৰ সৈতে জড়িত অনুসূচিত জাতি আৰু জনজাতিৰ সদস্যই কৰা দাৰীৰ বিবেচনা কৰা হয়, প্ৰশাসনিক পৰিচালনাৰ ফলপ্ৰসূতা অবিৰতভাৱে চোৱা হয়, কেন্দ্ৰীয় বা ৰাজ্যৰ সেৱা আৰু পদবোৰৰ নিয়োগৰ ক্ষেত্ৰত কাৰ্য কৰে।

৩৩৮ নং অনুচ্ছেদ ঃ এই অনুচ্ছেদত অনুসূচিত জাতি-জনজাতিক আৰু অন্যান্য পিছপৰা জাতিৰ প্ৰসংগৰ ক্ষেত্ৰত ব্যাখ্যা কৰা হৈছে যে ৰাষ্ট্ৰপতিয়ে ৩৪০ নং অনুচ্ছেদৰ অধীনৰ ক্লু'জত (১) তেওঁলোকক নিয়োগ কৰিব পাৰিব আৰু এংলো ইণ্ডিয়ানৰ ক্ষেত্ৰতো সিদ্ধান্ত ল'ব পাৰিব।

১৪.৫.২ সমাজৰ সামাজিকভাৱে অনগ্ৰসৰ শ্ৰেণীৰ শৈক্ষিক

- পুনৰীক্ষণ নীতিৰ গঠন আৰু কৰ্মকাৰ্য আঁচনি (POA ১৯৯২) অনুসূচিত জাতি-জনজাতি আৰু লগতে সমাজৰ অনগ্ৰসৰ শ্ৰেণীৰ লোকৰ বাবে আঁচনি আৰু কাৰ্যসূচীসমূহৰ প্ৰতিবেদন আগবঢ়াইছে। পুনৰীক্ষণ নীতি গঠন আৰু কৰ্মকাৰ্য আঁচনি (POA, ১৯৯২) SC সম্প্ৰদায় আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ ক্ষেত্ৰত নামভৰ্তিৰ হাৰ বৃদ্ধি কৰা আৰু সেইবোৰক ধৰি ৰখাৰ কাৰণে বিভিন্ন প্ৰক্ৰিয়াৰ

পৰিকল্পনা কৰিছিল।

- ২০০৭ চনৰ ভিতৰত প্ৰাথমিক শিক্ষা আৰু ২০১০ চনৰ ভিতৰত প্ৰাথমিক শিক্ষাৰ স্তৰক সাৰ্বজনীনকৰণত আৰু অনুসূচিত জাতি-জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ নিম্ন স্বাক্ষৰতাৰ হাৰত গুৰুত্ব প্ৰদান কৰা হৈছিল।
- ২০০৯ চনৰ শিক্ষাৰ অধিকাৰ আইনে (d) ৰ শাখাত সংজ্ঞা দিয়া অনগ্ৰসৰ শ্ৰেণীৰ সকলো শিশুকে অন্তৰ্ভুক্ত কৰিছিল। ইয়াত অনুসূচিত জাতি-জনজাতি, অন্যান্য পিছপৰা জাতি আৰু সংখ্যালঘুসকলক অন্তৰ্ভুক্ত কৰা হৈছিল। জিলা প্ৰাথমিক শিক্ষাৰ কাৰ্যসূচী (DPEP) ১৯৯৪ ঃ এই আঁচনিয়ে অনগ্ৰসৰ শ্ৰেণী যেনে অনুসূচিত জাতি-জনজাতি, অন্যান্য পিছপৰা জাতি আৰু সংখ্যালঘুসকলৰ ক্ষেত্ৰত গুৰুত্ব দিছিল। NIEPA (ৰাষ্ট্ৰীয় শৈক্ষিক পৰিকল্পনা আৰু প্ৰশাসনিক প্ৰতিষ্ঠান) চলোৱা অধ্যয়ন অনুসৰি DEEPৰ জিলাসমূহত SC আৰু ST সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰী ৬০% কৈ বেছি আছে।
- শিক্ষা বিভাগে কৰা সমৰ্থনকাৰী প্ৰচেষ্টা, সামাজিক ন্যায়ৰ আৰু সবলীকৰণৰ ন'ডেল মন্ত্ৰণালয় আৰু জনজাতীয় বিষয়ৰ মন্ত্ৰণালয়ে ১৯৯৯ চনত গঠিত হোৱাৰে পৰা সামাজিকভাৱে অনগ্ৰসৰ লোকসকলৰ উপযুক্ত শিক্ষাৰ বাবে একচেটিয়া কাৰ্যসূচীৰ প্ৰয়োগ কৰিছিল। ছাত্ৰ-ছাত্ৰীসকলক বৃত্তি প্ৰদান, আৱাস, কোচিং ইত্যাদিৰ সুবিধা প্ৰদান কৰিছিল।
- অনগ্ৰসৰসকলৰ বাবে আন বহুতো কাৰ্যসূচী আছে। এনেবোৰ কাৰ্যসূচী হৈছে ST, SC, OBC আৰু সংখ্যালঘু ছাত্ৰ-ছাত্ৰীৰ বাবে হোষ্টেলৰ নিৰ্মাণ, অনুসূচিত জনজাতিৰ বাবে আশ্ৰম স্কুলৰ ব্যৱস্থা, কোচিং আৰু এনেধৰণৰ আঁচনি, বুক বেংক, অনুসূচিত জাতি-জনজাতিৰ ছাত্ৰ-ছাত্ৰীৰ যোগ্যতাৰ উন্নতিকৰণ, নিম্ন স্বাক্ষৰতা হাৰৰ অঞ্চলৰ অনুসূচীত জাতি-জনজাতিৰ ছোৱালীসকলৰ বিকাশৰ বাবে বিশেষ শৈক্ষিক কাৰ্যসূচী।
- শৈক্ষিক অনুষ্ঠানসমূহত সম্প্ৰসাৰিত সংৰক্ষণ আৰু কিছুমান বস্তু প্ৰদান কৰা, যেনে— বিনামূলীয়া শিক্ষা, বিনামূলীয়া কিতাপ যোগান আৰু স্কুলৰ পোছাক প্ৰদান আদি।
- উচ্চ শিক্ষা লাভৰ বাবে যোগ্যতাসম্পন্ন অনুসূচিত জাতি-জনজাতি, অন্যান্য পিছপৰা জাতি আৰু সংখ্যালঘুৰ ছাত্ৰ-ছাত্ৰীক ৰাষ্ট্ৰীয় বৃত্তি প্ৰদান।
- অনুসূচিত জাতি-জনজাতি, অন্যান্য পিছপৰা জাতি আৰু সংখ্যালঘু ছাত্ৰ-ছাত্ৰীসকলক প্ৰাক্-মেট্ৰিক আৰু উত্তৰ-মেট্ৰিক বৃত্তি প্ৰদান।
- মুক্তাব/মাদ্ৰাছা আদিৰ জৰিয়তে শৈক্ষিক বিকাশ আৰু মৌলানা আজাদ শিক্ষা ভেটিৰ কাৰ্যকলাপ শক্তিশালী আৰু প্ৰসাৰ কৰি তোলা।
- বিভিন্ন ধৰণৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুত হ'বলৈ শৈক্ষিকভাৱে

পিছপৰা সংখ্যালঘু আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে বিশেষ কোচিং আৰু প্ৰশিক্ষণৰ প্ৰসাৰ।

১৪.৬ অনগ্ৰসৰ শিশুসকল শৈক্ষিকভাৱে পিছ পৰাৰ কাৰকসমূহ

অনগ্ৰসৰ শ্ৰেণী শৈক্ষিকভাৱে পিছ পৰাৰ কাৰকসমূহৰ অনগ্ৰসৰ শ্ৰেণীৰ শৈক্ষিকভাৱে পিছপৰি থকাৰ ক্ষেত্ৰত বহুতো কাৰক আছে। ইয়াৰে কিছুমান তলত দাঙি ধৰা হ'ল।

- **ভৌগোলিক কাৰক ঃ** এই প্ৰকাৰৰ ভিতৰত পৰা লোকসকল সাধাৰণতে পিছপৰা অঞ্চলত থাকে। তেওঁলোকে গুণমানবিশিষ্ট শৈক্ষিক অনুষ্ঠানৰ সুবিধা নেপায়। গাঁও অঞ্চলৰ শিশুসকলে উপযুক্ত সা-সৰঞ্জাম নথকা স্কুলত অধ্যয়ন কৰি চহৰ অঞ্চলৰ উপযুক্তভাৱে সা-সুবিধা থকা স্কুলত পঢ়া ছাত্ৰ-ছাত্ৰীৰ সৈতে প্ৰতিযোগিতা কৰিব লগা হয়। কিছুমান অঞ্চলত য'ত প্ৰাথমিক মাধ্যমিক বা মহাবিদ্যালয় পৰ্যায়ৰ শিক্ষানুষ্ঠান নাই, তাৰ শিশুসকলে ওচৰ-পাঁজৰৰ অঞ্চলৰ দৰে একে সুবিধা নাপায়।
- **অৰ্থনৈতিক কাৰক ঃ** এনে শ্ৰেণীৰ লোকসকল অৰ্থনৈতিকভাৱে পিছপৰা হয়— যাৰ ফলত তেওঁলোকে শিক্ষানতকৈ জীৱন ধাৰণৰ উৎসৰ সন্ধানতহে অধিক গুৰুত্ব দিয়ে। বৃহৎসংখ্যক মানুহৰ দৰিদ্ৰতাৰ কাৰণে শৈক্ষিক সা-সুবিধাৰ অসমতাই দেখা দিয়ে। দুখীয়া শ্ৰেণীৰ লোকে শিক্ষাৰ খৰচ বহন কৰিব নোৱাৰে।
- **সামাজিক কাৰক ঃ** এনে শ্ৰেণীৰ লোকসকল সমাজৰ প্ৰধান সুঁতিৰ পৰা বিচ্ছিন্ন হৈ থাকে, ইয়াৰ কাৰণ হৈছে তেওঁলোকৰ স্বতন্ত্ৰ ভাষা, সংস্কৃতি, বিশ্বাস ইত্যাদি। ঘৰুৱা পৰিৱেশৰ পাৰ্থক্যৰ ফলতো বিস্তৃত অসমতা সৃষ্টি হয়। দুখীয়া ঘৰ বা বস্তি অঞ্চলৰ ল'ৰা-ছোৱালীয়ে শিক্ষিত অভিভাৱক আৰু উচ্চ ঘৰৰ ল'ৰা-ছোৱালীৰ দৰে সমান সুবিধা নাপায়।
- **ৰাজনৈতিক কাৰক ঃ** এই শ্ৰেণীৰ লোকৰ সৈতে ৰাজনৈতিক দলবোৰে নিজৰ স্বাৰ্থজড়িত আগ্ৰহৰ বাবে সাধাৰণতে হেতালি খেলে। তেওঁলোকক ভোটবেংক হিচাপে ব্যৱহাৰ কৰে। ৰাজনৈতিক দলবোৰে এনে লোকসকলৰ সমস্যাসমূহ সমাধান কৰাৰ পৰিৱৰ্তে সেইবোৰ ৰাজনৈতিক কাৰ্যসূচী ব্যৱহাৰ কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সমাজৰ অনগ্ৰসৰ শ্ৰেণীৰ অন্তৰ্গত দলবোৰৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ২ ঃ সমতা বুলিলে কি বুজে?

.....

.....

প্ৰশ্ন নং ৩ ঃ শৈক্ষিক সা-সুবিধাৰ সমতা বুলিলে কি বুজে ?

.....

.....

প্ৰশ্ন নং ৪ ঃ শিক্ষা আৰু শৈক্ষিক সা-সুবিধাৰ সমতা কেনেদৰে জড়িত ? নিজৰ ভাষাত যুক্তি দিয়ক।

.....

.....

প্ৰশ্ন নং ৫ ঃ সমাজৰ সামাজিকভাৱে অনগ্ৰসৰসকলৰ বাবে থকা সাংবিধানিক সুবিধা ৫ বিধৰ বিষয়ে আলোচনা কৰক।

.....

.....

প্ৰশ্ন নং ৬ ঃ সমাজৰ অনগ্ৰসৰসকলৰ বাবে থকা গুৰুত্বপূৰ্ণ পাঁচ বিধ লিখক।

.....

.....

প্ৰশ্ন নং ৭ ঃ অনগ্ৰসৰ শিশুসকল শৈক্ষিকভাৱে পিছপৰি থকাৰ কাৰকবোৰ উল্লেখ কৰক।

.....

.....

১৪.৭ পৰামৰ্শমূলক উপায়সমূহ

এক উপযুক্ত শৈক্ষিক ব্যৱস্থাত উল্লেখনীয় বৈষম্যৰ সৃষ্টি কৰা কাৰকসমূহ চিনাক্তকৰণৰ বাবে এক অবিৰত প্ৰচেষ্টা থাকিব লাগে আৰু সেইবোৰ দূৰীকৰণৰ বাবে উপায় কিছুমান হাতত ল'ব লাগে বা অন্ততঃ সেইবোৰ ন্যূনতম অৱস্থালৈ হ্ৰাস কৰিব লাগে। সমাজৰ অৱহেলিত শ্ৰেণীৰ বৈষম্য আঁতৰাবলৈ তেওঁলোকৰ ক্ষেত্ৰত বিশেষ মনোযোগ প্ৰদান কৰিব লাগিব। তদুপৰি অনুসূচিত জাতি-জনজাতি, অন্যান্য পিছপৰা জাতি আৰু সংখ্যালঘুৰ অন্তৰ্গত লোকসকলৰ শৈক্ষিক মৰ্যাদা নিম্ন হয়, আমি এক বিধ্বংসী পৰিস্থিতিৰ পৰাৰ পৰা বহুদূৰ আগবাঢ়িব লাগিব। ভাৰত চৰকাৰে সকলো লোককে শৈক্ষিক সা-সুবিধাৰ সমতা প্ৰদানৰ লক্ষ্যত উপনীত হ'বৰ বাবে সংগ্ৰাম চলাই আহিছে। এইক্ষেত্ৰত কিছুমান উপায় দাঙি ধৰা হ'ল।

১) শিক্ষাৰ ফল চপাবৰ বাবে আৰু অন্ধবিশ্বাস, পক্ষপাতিত্ব আঁতৰাবৰ বাবে, প্ৰাপ্তবয়স্কৰ নিৰক্ষৰতা গুচাবৰ বাবে উপযুক্ত কাৰ্যসূচী ঘোষণা কৰিব লাগে।

২) 'বৈষম্যৰ সুৰক্ষামূলক নীতি' গ্ৰহণ কৰি সমাজৰ দুৰ্বল শ্ৰেণী, যেনে— অনুসূচিত জাতি-জনজাতি আৰু অন্যান্য পিছপৰা সম্প্ৰদায়ৰ লোকসকলৰ শিক্ষাৰ সুবিধা বৃদ্ধি কৰিব লাগে।

৩) ১৪ বছৰ বয়সলৈ সকলো শিশুকে বাধ্যতামূলক শিক্ষা প্ৰদানৰ বাবে এক উপযুক্ত প্ৰচেষ্টা

হাতত ল'ব লাগে। কোনেও যাতে শিক্ষাৰ সা-সুবিধাৰ বিচাৰি কষ্ট ভোগ কৰিব নেলাগে।

৪) যোগ্যতা অনুসৰি উচ্চ শিক্ষাৰ সুযোগ সকলোলৈকে প্ৰসাৰিত কৰিব লাগে।

৫) SC, ST, OBC আৰু সংখ্যালঘুসকলৰ মাজত সজাগতা শিবিৰ পাতিব লাগে।

৬) শিক্ষা আয়োগৰ মতে শৈক্ষিক সা-সুবিধাৰ সমতাৰ বাবে তলত উল্লেখ কৰা উপায়বোৰ ব্যৱহাৰ কৰিব পাৰি।

ক) প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়লৈ সকলো শিশুৰ বাবে শিক্ষা বিনামূলীয়া হ'ব লাগে আৰু সময়ত প্ৰয়োজন থকা ল'ৰা-ছোৱালীৰ বাবে বিশ্ববিদ্যালয় স্তৰতো শিক্ষা বিনামূলীয়া হ'ব লাগে।

খ) প্ৰাথমিক স্তৰত পাঠপুথি লিখাৰ সামগ্ৰীবোৰ বিনামূলীয়াকৈ যোগান ধৰিব লাগে।

গ) হোষ্টেল আৰু বৃত্তিৰ পইচা কমাই যাতায়াতৰ সুবিধা প্ৰদান কৰিব লাগে।

ঘ) নিজৰ শৈক্ষিক খৰচৰ এটা অংশ উলিয়াই ল'ব পৰা সুবিধা ছাত্ৰ-ছাত্ৰীক দিব লাগে, সেইবাবে 'শিকি থাকোতে উপাৰ্জন কৰা' আঁচনি বিকাশ কৰিব লাগে।

ঙ) বৃত্তি প্ৰদানৰ বাবে উদাৰ আঁচনি থাকিব লাগে।

চ) বিভিন্ন ৰাজ্য আৰু জিলাসমূহৰ শৈক্ষিক বিকাশৰ ক্ষেত্ৰত দেখা পোৱা বিস্তৃত পাৰ্থক্যবোৰ যিমান পাৰি ন্যূনতম পৰ্যায়লৈ আনিব লাগে।

৯) প্ৰত্যেকগৰাকী শিক্ষিত আৰু দায়িত্বশীল ব্যক্তিয়ে নিজ সামৰ্থ্যৰ ভিতৰত কিছু ছাত্ৰ-ছাত্ৰীক শিক্ষা প্ৰদান কৰিব লাগে।



১৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শিক্ষা হৈছে একমাত্ৰ আহিলা, যাৰ যোগেদি আমাৰ আশাৰ কিৰণ বিস্তৃত হয় আৰু সামাজিকভাৱে অনগ্ৰসৰ লোকসকলৰ জীৱনৰ পৰা আন্ধাৰ আঁতৰি যায়।
- কিন্তু এনে লোকসকলৰ শিক্ষা আৰু সজাগতাৰ অভাৱৰ ফলত আমাৰ সংবিধানে প্ৰদান কৰা বিভিন্ন সুবিধাসমূহ আৰু চৰকাৰে গ্ৰহণ কৰা আঁচনিসমূহৰ প্ৰতি তেওঁলোক অৱগত নোহোৱাকৈ থাকে।
- সামাজিকভাৱে অনগ্ৰসৰ দলসমূহে অনুসূচিত জাতি (SC) অনুসূচিত জনজাতি (ST) , অন্যান্য পিছপৰা জাতি (OBC) আৰু সংখ্যালঘুসকলক অন্তৰ্ভুক্ত কৰে।
- সমতা হৈছে সমাজৰ যিকোনো শ্ৰেণীৰ লোকৰ বাবে বিশেষ সুবিধা নথকা আৰু কোনোধৰণৰ বৈষম্য নৰখাকৈ সকলো ব্যক্তিকে উপযুক্ত সুবিধা প্ৰদান কৰা।
- ভাৰতবৰ্ষৰ সংবিধানৰ প্ৰস্তাৱনাত কোৱা হৈছে যে ভাৰতৰ সকলো নাগৰিকে সমান পদমৰ্যাদা আৰু সুবিধা পাব।
- ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশত ৰাজ্যসমূহে স্কুলীয়া পৰ্যায়ত সাৰ্বজনীন, বিনামূলীয়া

শিক্ষা প্ৰদানৰ দায়িত্ব বহন কৰে। দেশৰ পিছপৰা অঞ্চলত আধুনিক বিজ্ঞানসন্মত, নিৰপেক্ষ শিক্ষাৰ বিকাশ ঘটাবলৈ বিশেষ নীতিৰ বিকাশ কৰি তোলা হৈছে আৰু বৈষম্য সুৰক্ষা নীতি গ্ৰহণ কৰা হৈছিল— যাতে পৰম্পৰাগতভাৱে বঞ্চিত শ্ৰেণী, যেনে (SC) আৰু (ST) লোকসকলক আধুনিক শিক্ষাগ্ৰহণৰ বাবে উৎসাহিত কৰিব পৰা যায়।

- শৈক্ষিক সা-সুবিধাৰ সমতাৰ অৰ্থ হৈছে এজন ব্যক্তিয়ে শিক্ষাৰ সমান সুবিধা লাভ কৰা। সাম্যবাদিসকলৰ আদৰ্শৰ এটা লক্ষ্য হৈছে শৈক্ষিক সা-সুবিধাৰ সমতা।
- সমতা তেতিয়াহে থাকিব, যেতিয়া অসমতাক আঁতৰোৱা হ'ব। কিন্তু প্ৰকৃততে অসমতাক সম্পূৰ্ণভাৱে আঁতৰোৱা নহয়।
- আধুনিক সমাজত গুৰুত্বপূৰ্ণ সামাজিক সম্পদ বুলি ধৰা হয় আৰু সাম্যবাদৰ লক্ষা আহৰণৰ উপায় বুলি কোৱা হয়।
- ভাৰতৰ সংবিধানৰ প্ৰস্তাবনাত স্পষ্টকৈ উল্লেখ কৰা হৈছে যে প্ৰত্যেকৰে পদমৰ্যাদা আৰু সা-সুবিধাৰ অধিকাৰ আছে।
- সমাজৰ অনগ্ৰসৰ শ্ৰেণী শৈক্ষিকভাৱে পিছপৰি থকাৰ বহুতো কাৰক আছে, যেনে— ভৌগোলিক কাৰক, অৰ্থনৈতিক কাৰক, সামাজিক কাৰক আৰু ৰাজনৈতিক কাৰক।
- অনুসূচিত জাতি-জনজাতি, অন্যান্য পিছপৰা জাতি আৰু সংখ্যালঘুৰ অন্তৰ্গত লোকসকলৰ শৈক্ষিক মৰ্যাদা নিম্ন হয়, আমি এক বিধ্বংসী পৰিস্থিতিত পৰাৰ পৰা বহুদূৰ আগবাঢ়িব লাগিব।
- সমাজৰ অৱহেলিত শ্ৰেণীৰ বৈষম্য আঁতৰাবলৈ তেওঁলোকৰ ওপৰত বিশেষ মনোযোগ প্ৰদান কৰিব লাগিব।
- এক উপযুক্ত আৰু ভাল শৈক্ষিক ব্যৱস্থাত উল্লেখনীয় বৈষম্যৰ সৃষ্টি কৰা কাৰকসমূহ চিনাক্তকৰণৰ বাবে এক অবিৰত প্ৰচেষ্টা থাকিব লাগে আৰু সেইবোৰ দূৰীকৰণৰ বাবে কিছুমান উপায় হাতত ল'ব লাগে বা অন্ততঃ সেইবোৰ ন্যূনতম অৱস্থালৈ হ্ৰাস কৰিব লাগে।



১৪.৯ অধিক জানিবলৈ

১) Choudhary, U. S. (1986). Issues and Advances in Education. Ajanta Publishing House.

২) Cook, L. A., & Cook E. F. (1960). A Sociological Approach to Education (3rd ed.). London: McGraw Hill.

৩) Dutt Suresh, N. J. (1997). Society and Education. Anmol Publications.

৪) Gupta, V. K. (1996). Education in Emerging Indian Society. Jalandhar:

New Academic Publishing House.

৫) Mohanty. J. (1982). Indian Education in the Emerging Society. New Delhi: Sterling.

৬) Shukla, Sureshadra Krishna Kumar (1985). Sociological Prospective in Education: A Reader. Delhi: Chankaya Publication.

১৪.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ অনগ্ৰসৰ শ্ৰেণীৰ অন্তৰ্গত শ্ৰেণীবোৰ হৈছে—

- অনুসূচিত জাতি
- অনুসূচিত জনজাতি
- অন্যান্য পিছপৰা শ্ৰেণী
- সংখ্যালঘু

২ নং প্ৰশ্নৰ উত্তৰ ঃ 'সমতা' শব্দটোৰ অৰ্থ হৈছে সমাজৰ যিকোনো শ্ৰেণীৰ লোকৰ বাবে বিশেষ সুবিধা নথকা আৰু কোনোধৰণৰ বৈষম্য নৰখাকৈ সকলো ব্যক্তিকে উপযুক্ত সুবিধা প্ৰদান কৰা।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ শৈক্ষিক সা-সুবিধাৰ সমতা সামাজিক ব্যৱস্থাৰ সমতাৰ ধাৰণাৰ সৈতে জড়িত। সামাজিক ব্যৱস্থাত, যদি সকলো ব্যক্তিকে সমান হিচাপে গণ্য কৰা হয়, তেওঁলোকে অগ্ৰগতি লাভ কৰিবলৈ সমান সুবিধা পায়। ইয়াৰ অৰ্থ হৈছে, 'সমাজৰ ভিতৰত যিবোৰ অলাগতিয়াল আৰু অগ্ৰহণযোগ্য হিচাপে বিবেচনা কৰা হয় তাক আঁতৰ কৰা।' সেইবাবে দাৰ্শনিক দিশৰ পৰা সমতাই সম্পূৰ্ণভাৱে সমতাৰ লক্ষ্য নাৰাখে, ইয়াৰ পৰিৱৰ্তে সমাজৰ সম্পদৰ বিতৰণহে বুজায়।'

৪ নং প্ৰশ্নৰ উত্তৰ ঃ শৈক্ষিক সা-সুবিধাৰ সমতাৰ অৰ্থ হৈছে এজন ব্যক্তিয়ে শিক্ষাৰ সমান সুবিধা লাভ কৰা। এজন ব্যক্তিক বিভিন্ন ধৰণেৰে সামাজিক পদমৰ্যাদাত ওপৰলৈ নিয়াৰ ক্ষেত্ৰত শিক্ষাক এক উপায় হিচাপে গণ্য কৰা হয়। ইয়াক গুণমানবিশিষ্ট জীৱনৰ বাবে মানুহৰ মৌলিক প্ৰয়োজন হিচাপে ধৰা হয়।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ সমাজৰ অনগ্ৰসৰ লোকসকলৰ বাবে থকা সাংবিধানিক সুবিধাসমূহ তলত দাঙি ধৰা হ'ল—

১৬ নং অনুচ্ছেদ ঃ এই অনুচ্ছেদটোৰ SC\STৰ বাবে শিথিলকৰণৰ অনুপাতৰ সৈতে জড়িত। এই অনুচ্ছেদটোৰে SC আৰ ST ৰ বাবে সংৰক্ষিত পদত প্ৰভাৱ পেলায় আৰু ইয়াৰ শ্ৰেণীকোঠাৰ শিকনৰ সৈতে জড়িত কোনো ক্ষেত্ৰতে প্ৰভাৱ নেথাকে।

১৫ নং অনুচ্ছেদ ঃ ই ধৰ্ম, জাতি, বৰ্ণ, লিংগ জন্মস্থান বা ইয়াৰ যিকোনো এটাৰ ভিত্তিত

বৈষম্য আঁতৰোৱাত গুৰুত্ব দিয়ে। ই আমাৰ সকলোৰে ওপৰত প্ৰভাৱ বিস্তাৰ কৰে— যিহেতু আমি সকলো শিশুকে সমানে ব্যৱহাৰ কৰিব লাগে আৰু কিছুমান ক্ষেত্ৰত দুৰ্বল শ্ৰেণী বা সামাজিকভাৱে অনগ্ৰসৰ শ্ৰেণীৰ শিশুসকল পিছপৰি ৰয়, এনে শিশুসকলক অন্য শিশুসকলৰ সৈতে আগবঢ়াই নিবলৈ বিশেষ সুবিধা আৰু চেষ্টা কৰিব লাগে।

২৯ নং (২) অনুচ্ছেদ ঃ ধৰ্ম, বৰ্ণ, জাতি, ভাষা বা ইয়াৰ যিকোনো এটাৰ ভিত্তিত ৰাষ্ট্ৰৰ দ্বাৰা পৰিচালিত বা সাহায্যপ্ৰাপ্ত শিক্ষানুষ্ঠানত নামভৰ্তিৰ ক্ষেত্ৰত কোনো নাগৰিককে বঞ্চিত কৰিব নোৱাৰিব।

৩০ নং অনুচ্ছেদ ঃ ধৰ্ম বা ভাষাভিত্তিক সংখ্যালঘুসকলৰ তেওঁলোকৰ নিজা শিক্ষানুষ্ঠান স্থাপন আৰু প্ৰশাসনৰ স্বাধীনতা থাকিব। ধৰ্ম বা ভাষিক সংখ্যালঘুসকলৰ শিক্ষানুষ্ঠানসমূহৰ ক্ষেত্ৰত চৰকাৰে কোনো বৈষম্যৰ সৃষ্টি কৰিব নোৱাৰিব।

৪৫ নং অনুচ্ছেদ ঃ ইয়াত বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ কথা কোৱা হৈছে। ৰাষ্ট্ৰই শিশুসকলে ১৪ বছৰ বয়স সম্পূৰ্ণ নকৰালৈকে, সংবিধান বলৱৎ হোৱাৰ পৰা সকলোকে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰিব।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ সমাজৰ অনগ্ৰসৰসকলৰ বাবে থকা পাঁচটা গুৰুত্বপূৰ্ণ শৈক্ষিক সুবিধা তলত দাঙি ধৰা হ'ল।

১) ২০০৭ চনৰ ভিতৰত প্ৰাথমিক শিক্ষা আৰু ২০২০ চনৰ ভিতৰত প্ৰাথমিক শিক্ষাৰ স্তৰক সাৰ্বজনীনকৰণত আৰু অনুসূচিত জাতি জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ নিম্ন স্বাক্ষৰতাৰ হাৰত গুৰুত্ব প্ৰদান কৰা হৈছিল।

২) ২০০৯ চনৰ শিক্ষাৰ অধিকাৰ আইনে ২(d) ৰ শাখাত সংজ্ঞা দিয়া অনগ্ৰসৰ শ্ৰেণীৰ সকলো শিশুকে অন্তৰ্ভুক্ত কৰিছিল। ইয়াত অনুসূচিত জাতি-জনজাতি, অন্যান্য পিছপৰা জাতি আৰু সংখ্যালঘুসকলক অন্তৰ্ভুক্ত কৰা হৈছিল।

৩) শৈক্ষিক অনুষ্ঠানসমূহত সম্প্ৰসাৰিত সংৰক্ষণ আৰু কিছুমান বস্তু যেনে— বিনামূলীয়া শিক্ষা, বিনামূলীয়া কিতাপ যোগান আৰু স্কুলৰ পোছাক প্ৰদান ইত্যাদি।

৪) উচ্চ শিক্ষা লাভৰ বাবে যোগ্যতাসম্পন্ন অনুসূচিত জাতি-জনজাতি, অন্যান্য পিছপৰা জাতি আৰু সংখ্যালঘু ছাত্ৰ-ছাত্ৰীক ৰাষ্ট্ৰীয় বৃত্তি প্ৰদান কৰা।

৫) বিভিন্ন ধৰণৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুত হ'বলৈ শৈক্ষিকভাৱে পিছপৰা সংখ্যালঘু আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে বিশেষ কোচিং আৰু প্ৰশিক্ষণৰ প্ৰসাৰ।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ অনগ্ৰসৰ শ্ৰেণী শৈক্ষিকভাৱে পিছপৰি থকাৰ ক্ষেত্ৰত বহুতো কাৰক আছে। ইয়াৰে কিছুমান তলত দাঙি ধৰা হ'ল।

ভৌগোলিক কাৰক ঃ এই শ্ৰেণীৰ লোকসকল সাধাৰণতে পিছপৰা অঞ্চলত থাকে। তেওঁলোকে গুণমানবিশিষ্ট শৈক্ষিক অনুষ্ঠানৰ সুবিধা নাপায়।

অৰ্থনৈতিক কাৰক ঃ এনে শ্ৰেণীৰ লোকসকল অৰ্থনৈতিকভাৱে পিছপৰা হয়, যাৰ ফলত

তেওঁলোকে শিক্ষাতকৈ জীৱন ধাৰণৰ উৎসৰ সন্ধানতহে অধিক গুৰুত্ব দিয়ে।

সামাজিক কাৰক ঃ এনে শ্ৰেণীৰ লোকসকল সমাজৰ প্ৰধান সুঁতিৰ পৰা বিচ্ছিন্ন হৈ থাকে। ইয়াৰ কাৰণ হৈছে তেওঁলোকৰ স্বতন্ত্ৰ ভাষা, সংস্কৃতি, বিশ্বাস ইত্যাদি।

ৰাজনৈতিক কাৰক ঃ এই শ্ৰেণীৰ লোকৰ সৈতে ৰাজনৈতিক দলবোৰে নিজৰ স্বাৰ্থজড়িত আগ্ৰহৰ বাবে সাধাৰণতে হেতালি খেলে। তেওঁলোকক ভোটবেংক হিচাপে ব্যৱহাৰ কৰে। ৰাজনৈতিক দলবোৰে এনে লোকসকলৰ সমস্যাসমূহ সমাধান কৰাৰ পৰিৱৰ্তে সেইবোৰ ৰাজনৈতিক কাৰ্যসূচীত ব্যৱহাৰ কৰে।



১৪.১১ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০ শব্দৰে দিয়ক)

প্ৰশ্ন ১ ঃ সামাজিক কাৰকে অনগ্ৰসৰ শ্ৰেণীক কেনেকৈ শৈক্ষিকভাৱে পিছপৰা কৰি তোলে?

প্ৰশ্ন ২ ঃ ভাৰতৰ সংবিধানৰ ৪৫ নং অনুচ্ছেদত অনুবদ্ধ দিশবোৰ লিখক।

প্ৰশ্ন ৩ ঃ সমাজৰ সামাজিকভাৱে অনগ্ৰসৰ শ্ৰেণীৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ৪ ঃ সমাজৰ অনগ্ৰসৰ শ্ৰেণীৰ বাবে থকা শৈক্ষিক সুবিধাসমূহৰ তালিকা প্ৰস্তুত কৰক।

খ) দীঘল প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ শব্দৰে দিয়ক)

প্ৰশ্ন ১ ঃ অনগ্ৰসৰ শ্ৰেণীৰ পৰা শৈক্ষিকভাৱে পিছপৰা আঁতৰাবলৈ আপুনি গ্ৰহণ কৰিবলগীয়া পৰামৰ্শবোৰ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ শৈক্ষিক সা-সুবিধা সমতাৰ প্ৰয়োজন আছেনে? যুক্তি প্ৰদান কৰক।

প্ৰশ্ন ৩ ঃ সকলোৰে বাবে শৈক্ষিক সুবিধা বুলিলে কি বুজে? শিক্ষাৰ জৰিয়তে সমতা আনিব পাৰিনে? আপোনাৰ উত্তৰৰ পক্ষে যুক্তি দিয়ক।

*** ***** ***

অধ্যায় ১৫ ঃ ভাৰতবৰ্ষৰ শিক্ষাৰ সৈতে জড়িত সামাজিক সমস্যাসমূহ

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য

১৫.২ পৰিচয়

১৫.৩ সামাজিক সমস্যাৰ অর্থ

১৫.৪ ভাৰতবৰ্ষৰ সামাজিক সমস্যাসমূহ

- ১৫.৪.১ কৈশোৰ অপৰাধপ্ৰৱণতা
- ১৫.৪.২ শিশু শ্ৰমিক
- ১৫.৪.৩ ড্ৰাগছ আসক্তি
- ১৫.৪.৪ দৰিদ্ৰতা
- ১৫.৪.৫ নিবনুৱা
- ১৫.৪.৬ চাইবাৰ ক্ৰাইম

১৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৫.৬ অধিক জানিবলৈ

১৫.৭ অগ্ৰগতিৰ খতিয়ান

১৫.৮ আৰ্হি প্ৰশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামাজিক সমস্যাৰ অর্থ বর্ণনা কৰিব পাৰিব
- ভাৰতবৰ্ষত বিয়পি থকা বিভিন্নধৰণৰ সামাজিক সমস্যাবোৰ চিনাক্ত কৰিব পাৰিব
- সমাজিক সমস্যাবোৰ প্ৰচলিত হোৱাৰ কাৰকসমূহ আলোচনা কৰিব পাৰিব
- সামাজিক সমস্যাসমূহ সমাধানৰ কৌশলবোৰ উলিয়াব পাৰিব।

১৫.২ পৰিচয়

শিক্ষা আর্থ-সামাজিক, ৰাজনৈতিক আৰু ঐতিহাসিক কাৰকবোৰৰ দ্বাৰা প্ৰভাৱিত হয় আৰু শিক্ষায়ো এইবোৰক প্ৰভাৱিত কৰে। শিক্ষাই বিভিন্ন সামাজিক সমস্যাৰ ক্ষেত্ৰত অন্তর্দৰ্শন বিকাশত সহায় কৰে আৰু এইবোৰৰ সমাধান বিচাৰি উলিওৱাত আপোনাক সহায় কৰে। এই অধ্যায়টোত আপুনি ৰাষ্ট্ৰৰ বাবে উদ্বেগ সৃষ্টি কৰা ছয়টা বিভিন্ন সমস্যাৰ বিষয়ে অধ্যয়ন কৰিব। সেইবোৰ হৈছে কৈশোৰ অপৰাধপ্ৰৱণতা, শিশু শ্ৰমিক, ড্ৰাগছ আসক্ত, দৰিদ্ৰতা, নিবনুৱা আৰু চাইবাৰ অপৰাধ। এইবোৰৰ অধ্যয়নে আপোনাক বিদ্যায়তনিক দিশৰ পৰা এটা বোধ জন্মাব

আৰু এই দিশত আপোনাৰ পূৰ্ব ধাৰণা প্ৰত্যাহ্বান স্বৰূপ হ'ব। শৈক্ষিক তৰ্ক আৰু গৱেষণাসম্বলিত তথ্যৰ ওপৰত।

১৫.৩ সামাজিক সমস্যাৰ অৰ্থ

